স্মৃতিগ্ৰন্থ

# চৰৈৱেতি




সম্পাদক

জ্যোতিৰ্ময় জানা

ড° মঞ্জু লস্কৰ

ড° বিশ্বজিৎ দাস

## নগাঁও ছোৱালী কলেজৰ বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



বাওঁফালৰপৰা (বহি) : মৰমী গায়ন, মীৰা বৰুৱা, ৰ'জী ডেকা, লীনা বৰা হাজৰী, ৰঞ্জনা বৰা, ড° মঞ্জু লস্কৰ, স্বপ্না নেওগ, ড° গায়ত্ৰী দেৱী, মুনি কাকতী, ড° অজন্তা দত্ত বৰদলৈ (অধ্যক্ষা), গৌতম গোস্বামী (উপাধ্যক্ষ), জ্যোতিৰ্ময় জানা, বিজয় প্ৰসাদ সিং, ড° ৰ'জলীন জাহান, ৰীতা কলিতা, কল্পনা ভট্টাচাৰ্য, ৰাজেন দেৱনাথ

বাওঁফালৰপৰা (থিয় হৈ) : লাৱণ্য দাস (লিয়েন), ৰীতাৰাণী দে, ড° নীলাক্ষী মিলি, সঞ্চিতা বৰা, অমিয়া পাটৰ, জোনালী মুদৈ, মৃদুলা কাশ্যপ, নীতু গুপ্তা বৰুৰ, ৰশ্মি ডেকা, ড° নমিতা কলিতা, উদয়ভান ভগৎ, শঙ্কৰজ্যোতি বৰা, ৰঞ্জিত বৰুৱা, নিত্যানন্দ ডেকা, মুনীন বৰা, নিজামুদ্দিন আহমেদ, শৰৎ হাজৰিকা

বাওঁফালৰপৰা (থিয় হৈ) : ড° বিপুল মালাকৰ, লোহিত পায়েং, মনোজ চুতীয়া, দীপক শৰ্মা, ড° বিশ্বজিৎ দাস, স্মৰজিৎ ওজা।

(ফটোত অনুপস্থিত: টঙ্কেশ্বৰ বৰা, প্ৰদীপ দুৱৰা, দিব্যজ্যোতি মহন্ত, ললিত বৰবৰা, কুলেনচন্দ্ৰ দাস, দিব্যজ্যোতি শইকীয়া, ড° জয়ন্তী সাহা, ৰণজয় সাহা, বিনোদ গোস্বামী, পিকলি বুঢ়াগোহাঁঞিঃ)

## নগাঁও ছোৱালী কলেজৰ বৰ্তমানৰ কৰ্মচাৰীবৃন্দ



বাওঁফালৰপৰা (বহি) : মৃণালী বৰা, দেৱজিৎ বৰদলৈ, তীৰ্থজ্যোতি ওজা, মুহিৰাম বৰা, ড° অজন্তা দত্ত বৰদলৈ (অধ্যক্ষা), ড° কিশোৰ শৰ্মা (গ্ৰন্থাগাৰিক), মুনীন্দ্ৰ শইকীয়া, ৰবীন শইকীয়া, কুলেন শইকীয়া।

বাওঁফালৰপৰা (থিয় হৈ) : ৰামচন্দ্ৰ দাস, ৰামনৰেশ ৰায়, বগীৰাম শইকীয়া, গিৰিধৰ হাজৰিকা, হৰকান্ত শইকীয়া, টঙ্কেশ্বৰ বৰা, দেৱেন শইকীয়া, বদন ভূঞা, জোনমণি শইকীয়া, মিতালী বৰা।

# চৰৈৰেৱেতি

## সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ

# নগাঁও ছোৱালী কলেজ

NOWGONG GIRLS' COLLEGE · ESTD. 1962 · NOWGONG · ASSAM

**সম্পাদক**

জ্যোতিৰ্ময় জানা
ড° মঞ্জু লস্কৰ
ড° বিশ্বজিৎ দাস

**CHARAIBETI**

A collection of reminiscences, articles ans reports edited by Jyotirmay Jana and Dr Manju Laskar and Dr Biswajit Das and Published by the Principal, Dr A D Bordoloi, Secretary, Golden Jubilee Celebration Committee, Nowgong Girls' College, Nagaon (Assam)

"চৰৈবেতি"
সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ
নগাঁও ছোৱালী কলেজ

প্ৰকাশ কাল
১৩ ছেপ্টেম্বৰ ২০১২

সভাপতি
ড° অজন্তা দত্ত বৰদলৈ, অধ্যক্ষা

প্ৰকাশক
ড° অজন্তা দত্ত বৰদলৈ, অধ্যক্ষা,
নগাঁও ছোৱালী কলেজ, হয়বৰগাঁও, নগাঁও (অসম)

© গ্ৰন্থস্বত্ব : স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

প্ৰচ্ছদ
ড° বিশ্বজিৎ দাস

সম্পাদক
জ্যোতিৰ্ময় জানা
ড° মঞ্জু লস্কৰ
ড° বিশ্বজিৎ দাস

( স্মৃতিগ্ৰন্থত প্ৰকাশিত তথ্য তথা মতামতসমূহৰ বাবে সম্পাদনা সমিতি দায়বদ্ধ নহয়। )

মুদ্ৰক
গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যন,
মিলনপুৰ, নগাঁও, অসম।

# কলেজ সঙ্গীত

**ৰচনা আৰু সুৰ: অধ্যাপক ইদ্ৰিছ আলি**

আমি এই কলঙৰ পাৰতে
পোহৰৰ কাৰেং সজাওঁ
ফুলৰ হাঁহিৰে আমি
জ্যোতিৰ শিখাৰে ৰচা
আশাভৰা কাহিনী শুনাওঁ।।

আমাৰ সপোনে চুমে বিশাল আকাশ
ইয়াত জীৱনে পালে অসীম আবাস
সুৰৰ সেনানী সাজি
জীৱন হবিৰে আমি
সাহসৰ আগনি জ্বলাওঁ

আমি মহাপুৰুষৰ আশিসেৰে মণ্ডিত
এই পৱিত্ৰ ভূমিতে
ৰচি যাওঁ জীৱনৰ যুগমীয়া ইতিহাস
ধৰণীৰ প্ৰতিকণা ধূলিতে।
নবীন প্ৰভাতে আহি
পোহৰাব ধৰা খনি
আমি তাৰে আবাহনী গাওঁ।।

# অধ্যক্ষাৰ একলম

মধ্য অসমৰ প্ৰাণকেন্দ্ৰস্বৰূপ নগাঁও চহৰৰ কেইজনমান জ্ঞানসাধক তথা বিদ্যোৎসাহী ব্যক্তিয়ে ৬০ৰ দশকতে চিন্তা কৰিছিল নগাঁৱত নাৰীৰ বাবে এক আছুতীয়া উচ্চশিক্ষা অনুষ্ঠান গঢ়ি তোলাৰ কথা। তেওঁলোকৰ এই মহৎ চিন্তাই বাস্তৱ ৰূপ পাইছিল ১৯৬২ চনৰ ১২ ছেপ্টেম্বৰত। আজি কলেজখনৰ সোণালী জয়ন্তী বৰ্ষত প্ৰতিজন প্ৰতিষ্ঠাপক আৰু শুভাকাংক্ষীলৈ জয়জয়তে জনাইছোঁ আন্তৰিক অভিনন্দন। প্ৰতিষ্ঠাকালৰ প্ৰতিগৰাকী উদ্যোগী ব্যক্তিক আজি আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ। অসমত, বিশেষকৈ নগাঁও জিলাত, নাৰীৰ বাবে উচ্চশিক্ষাৰ দুৱাৰ মুকলি কৰি উচ্চশিক্ষাক গাঁৱে-ভূঞে সম্প্ৰসাৰিত কৰিবলৈ তেওঁলোকে যিদৰে সকলোধৰণৰ প্ৰতিকূলতাৰ বিৰুদ্ধে যুঁজ দিলে তাৰ বাবে আমি তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী, কলেজৰ প্ৰতিষ্ঠাপক শিক্ষকসকলক আৰু সেইসকল অভিভাৱকক যিসকলে তেওঁলোকৰ কন্যা সন্তানক উচ্চশিক্ষা ল'বলৈ আগবঢ়াই দিছিল। লগতে আমি সুঁৱৰিছোঁ প্ৰাৰম্ভিক পৰ্যায়ৰ সেই ছাত্ৰীসকলক যিসকলৰ সন্মিলিত প্ৰয়াসে নগাঁও ছোৱালী কলেজক আজিৰ পৰ্যায়ত উপনীত কৰালে।

স্নাতক চূড়ান্ত পৰীক্ষাত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ বৃদ্ধিয়ে আমাৰ কলেজৰ শৈক্ষিক দিশত ইতিবাচক প্ৰভাৱ পেলাইছে। এই বছৰ ভূগোল বিষয়ত চাৰিগৰাকী, বাংলা বিষয়ত দুগৰাকী, অৰ্থনীতি বিষয়ত দুগৰাকী, অসমীয়া আৰু শিক্ষা বিষয়ত এগৰাকীকৈ মুঠ ১০গৰাকী ছাত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। এই দহগৰাকীৰ ভিতৰত চাৰিগৰাকীয়ে ডিষ্টিংচন লাভ কৰিছে।

কঠোৰ অনুশাসন, শ্ৰেণীত বাধ্যতামূলক উপস্থিতি, কলেজত আয়োজন কৰা প্ৰতিটো অনুষ্ঠানত ছাত্ৰীৰ অংশগ্ৰহণ বাধ্যতামূলক কৰা ইত্যাদি প্ৰশাসনিক ব্যৱস্থাই কলেজখনক শৈক্ষিক দিশত আগবাঢ়ি যোৱাত সহায় কৰিছে। ফলত ছাত্ৰীসকলে সামাজিক দায়বদ্ধতাৰ জ্ঞানো আহৰণ কৰিছে বুলি আমাৰ বিশ্বাস।

আমাৰ লক্ষ্য, ছাত্ৰীসকলৰ অন্তৰ জ্ঞানেৰে আলোকিত কৰা। প্ৰতিগৰাকী ছাত্ৰীয়ে যাতে সু-নাগৰিক হৈ দেশ আৰু দহৰ উপকাৰ সাধিব পাৰে আৰু শৈক্ষিক দিশত ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হয়, সেই দিশত আমাৰ উদগণি অব্যাহত ৰাখিছোঁ।

মধ্য অসমৰ ঐতিহ্যমণ্ডিত ছোৱালী কলেজে ইতিমধ্যে আড়ম্বৰেৰে সোণালী জয়ন্তী বৰ্ষৰ শুভ আৰম্ভণি কৰি অনেক আশা আৰু প্ৰতিশ্ৰুতিৰে সোণালী জয়ন্তী বৰ্ষৰ বিদায় বেলাত উপনীত হৈছে। এই মুহূৰ্তত আমি ভৱিষ্যৎ অগ্ৰগতিৰ কথা চিন্তা কৰিছোঁ। উচ্চশিক্ষাৰ সম্প্ৰসাৰণৰ কথা লক্ষ্য ৰাখি আমি অহা বছৰত অসমীয়া বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰু পৰৱৰ্তী পৰ্যায়ত সকলো বিষয়তে স্নাতকোত্তৰ শ্ৰেণী খোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছোঁ। কলেজৰপৰা স্নাতক হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত ছাত্ৰীসকলে দেখুওৱা ফলাফলে এইক্ষেত্ৰত আমাক উৎসাহিত কৰিছে।

কলেজখনত এতিয়ালৈকে কাম কৰা পি এইছডি ডিগ্ৰীধাৰী অধ্যাপকৰ সংখ্যা ১৪। অহা তিনিবছৰত প্ৰায় ৭৫% শিক্ষকেই পি এইছডি ডিগ্ৰী লাভ কৰিব। আমি আশাবাদী, তেতিয়া হয়তো সকলোকেইটা বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা সম্ভৱ হ'ব। প্ৰায় পঁয়ত্ৰিছ হেজাৰৰো অধিক পাঠ্যপুথি, প্ৰসঙ্গ-পুথি, গৱেষণা পত্ৰিকা, আলোচনী, বাতৰি-কাকত আদিৰে আমাৰ নগাঁও ছোৱালী কলেজৰ মহেশচন্দ্ৰ দেৱগোস্বামী পুথিভঁড়াল সমৃদ্ধ।

আমাৰ লক্ষ্য, ছাত্ৰীসকলৰ অন্তৰ জ্ঞানৰ পোহৰেৰে উদ্ভাসিত কৰি তেওঁলোকক একোগৰাকী সু-নাগৰিক ৰূপে গঢ়ি তোলা। তেওঁলোকে যাতে নতুন অসম আৰু নতুন ভাৰতৰ মুখ উজ্জ্বলাব পাৰে, নিৰন্তৰ তেনে প্ৰেৰণা যোগোৱা।

**এক সুদীৰ্ঘ পৰিক্ৰমা**

চাঙি ঘৰৰপৰা কংক্ৰিটৰ ঘৰ, ৬৪গৰাকী ছাত্ৰীৰপৰা হাজাৰৰো ওপৰ ছাত্ৰী, কেইগৰাকীমান অংশকালীন প্ৰৱক্তাৰপৰা ৫৪গৰাকী স্থায়ী অধ্যাপক আৰু ১৯জন কৰ্মচাৰীৰে এক বৃহৎ যৌথ পৰিয়াল — এনেহেন নগাঁও ছোৱালী কলেজক শতকোটি প্ৰণাম জনাওঁ।

আমাৰ বিশ্বাস, অসম চৰকাৰৰ সহায়-সহানুভূতি, পৰিচালনা সমিতিৰ সদস্যসকলৰ দূৰদৰ্শী সিদ্ধান্ত, আমাৰ শিক্ষক-কৰ্মচাৰীসকলৰ নিষ্ঠা আৰু ত্যাগ, ছাত্ৰীসকলৰ কঠোৰ পৰিশ্ৰম, প্ৰাক্তন ছাত্ৰী, অভিভাৱক আৰু ৰাইজৰ শুভেচ্ছা তথা আশীৰ্বাদেৰে আমি আমাৰ লক্ষ্যত উপনীত হ'ম।

শেষত পৰিচালনা সমিতিৰ সমূহ সদস্য, সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সকলো বিষয়ববীয়া আৰু সদস্য-সদস্যাই সহায়-সহযোগ আগবঢ়াই এই বৰ্ষজোৰা কাৰ্যসূচীৰ সফল সমাপ্তি ঘটোৱাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু ভৱিষ্যতেও তেনে সহায়-সহযোগিতা পাম বুলি দৃঢ় প্ৰত্যয় ব্যক্ত কৰিছোঁ।

আমাৰ কাম-কাজত যদি কিবা ভুল-ত্ৰুটি হৈছে, আমি যদি ক'ৰবাত অসফল হৈছোঁ, তাৰ বাবে দায়ী আমাৰ জ্ঞান আৰু অভিজ্ঞতাৰ সীমাবদ্ধতাহে, আমাৰ আন্তৰিকতাৰ অভাৱ নহয়। কলেজৰ অধ্যক্ষা আৰু সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক হিচাপে মই তাৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

আজিৰ পঞ্চাছ বছৰৰ পিছত আৰু বহুতো পঞ্চাছ বছৰ আহিব আৰু যাব। কলঙৰ বুকুৰেদি কত পানী বাগৰিব। বহু শিক্ষক-ছাত্ৰী-কৰ্মচাৰী আহিব আৰু যাব; কিন্তু সভ্যতাৰ বুকুত জ্ঞানৰ আলোকস্তম্ভৰূপে বৰ্তি থাকিব নগাঁও ছোৱালী কলেজ নামৰ এই অনুষ্ঠান — এই অটল আশা আৰু বিশ্বাসেৰে,

ড° অজন্তা দত্ত বৰদলৈ
অধ্যক্ষা

# সম্পাদকীয়

**নাৰীশিক্ষাৰ জলঙাৰে**

*অৰুণোদই* (ডিচেম্বৰ, ১৮৪৯, ড° মহেশ্বৰ নেওগ, সঙ্কলক, সম্পাদক)ত সন্নিৱিষ্ট 'ল'ৰাবিলাকক পৰ্হিবলৈ সিকোআ বাপেক মাকৰ উচিত' (Advantage of Education) শীৰ্ষক প্ৰবন্ধৰ প্ৰথম দফাত উল্লেখ আছে: "সজ গচ জোপাৰ গুটি পাবৰ আশাৰে গুৰিত পানি দি থাকিলে সি কেতিয়াও নে পাই নে থাকে সেই ৰূপে ল'ৰাক নিতি গিয়ান পৰ্হালেও তাৰ ফল ধৰে।"

*অৰুণোদই* কাকতত ঠাই পোৱা উক্ত প্ৰবন্ধৰ উদ্ধৃতাংশত "লৰাক নিতি গিয়ান" পঢ়োৱাৰ কথাত গুৰুত্ব দিয়া হৈছে। তদানীন্তন অসমৰ আধুনিক মানসিকতাৰ প্ৰথম খোজ বুলি ধৰি লোৱা ঐতিহাসিক দলিলস্বৰূপ কাকতখনৰ উক্ত অংশত "ছোৱালী" শব্দটো অনুপস্থিত।

ঊনৈছ শতিকাৰ প্ৰাৰম্ভিক পৰ্যায়ৰ সামাজিক প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলে দেখা যায় শামুকীয়া গতিৰে যুগমানসিকতাৰ পৰিৱৰ্তন ঘটিছে। 'যুগ-মানসিকতাৰ পট-পৰিৱৰ্তন'— এই বাক্যাংশ অকল অভিধা অৰ্থতে আবদ্ধ হৈ থকা নাই। ইয়াৰ লগত সাঙোৰ খাই আছে ক্ৰমবিকশিত এছোৱা সময়ৰ অলিখিত আৰু লিখিত ইতিহাস। ই বহন কৰিছে তদানীন্তন অসমৰ সমাজ জীৱনৰ প্ৰেক্ষাপট সলনি হোৱাৰ যুগমীয়া ইতিহাস। দিছে প্ৰাচীন মূল্যবোধ আৰু আধুনিক মানসিকতাৰ যুগপৎ শীতল যুদ্ধৰ নিদৰ্শন।

*মৌ* আলোচনীৰ সম্পাদক উচ্চশিক্ষিত ইঞ্জিনিয়াৰ বলিনাৰায়ণ বৰাৰ দৰে লোকেও আনুষ্ঠানিক স্ত্ৰীশিক্ষাক অৱহেলা কৰি 'ঘৰেই ছোৱালীৰ পঢ়াশালি' হোৱা উচিত বুলি বিশ্বাস কৰিছিল। এনে প্ৰতিকূল চিন্তাৰ বিপৰীতে আধুনিক আৰু প্ৰগতিশীল চিন্তাৰ বাহক গুণাভিৰাম বৰুৱাই গৃহশিক্ষক নিযুক্তি দি জীয়ৰী স্বৰ্ণলতাক শিক্ষাগ্ৰহণৰ সুবিধা কৰি দিছিল। অকল ইমানেই নহয়, কলিকতাৰ বেথুন কলেজত নামভৰ্তি কৰি নাৰীশিক্ষা বিষয়ত উদ্‌গনি দিওঁতা হিচাপে পথপ্ৰদৰ্শক হিচাপেও চিহ্নিত হৈছিল।

অসমত ল'ৰাৰ শিক্ষাৰ ব্যৱস্থা পূৰ্বতে টোল আদিত সীমিতভাৱে আছিল যদিও ছোৱালীৰ বাবে কোনো ব্যৱস্থা নাছিল। মিছনাৰিসকলৰ উদ্যোগত ১৮৩৬ চনত অসমৰ শদিয়াত পোনপ্ৰথমে ল'ৰাৰ বাবে আনুষ্ঠানিক শিক্ষাৰ সূত্ৰপাত হয়। উদ্দেশ্য ধৰ্মপ্ৰচাৰ হ'লেও অসমত আধুনিক শিক্ষাৰ প্ৰথম খুঁটিটো আমেৰিকান বেপ্টিষ্ট মিছনাৰিয়ে যে পুতিছিল এই কথা স্বৰ্ণাভ আখৰেৰে লিপিবদ্ধ হৈ আছে আৰু থাকিব।

মিষ্টাৰ ব্ৰাউনে তেওঁৰ দিনলেখাত উল্লেখ কৰিছে: "Mrs Brown commenced the girls' school to-day with ten scholars." অসমৰ প্ৰথমখন ছোৱালী স্কুল শদিয়াত মিছেছ কাটাৰে (Cutterএ) পাতে ১৮৩৯ চনত। ম'ফাট মিল্‌ছ চাহাবে তেওঁৰ প্ৰতিবেদনত এইকথা উল্লেখ কৰিছে এনেদৰে: "... and three schools in the station, one for boys numbering fifty, and one for girls numbering ten. Mrs Brown has also a girls bording school of thirteen scholars." অৱশ্যে স্কুলখনৰ আয়ুস বৰ চুটি। ইয়াৰ পাছত মিছনাৰিসকলৰ মহিলা কৰ্মীয়ে "জেনানা স্কুল" নাম দি সুকীয়াকৈ ছোৱালীৰ বাবে ঠায়ে ঠায়ে স্কুল পাতে। এইবোৰ স্কুলো নিটিকিল। মিছনাৰিসকলৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানিয়ে ভাৰতৰ ৰাইজৰ শিক্ষাৰ দায়িত্ব লৈছিল যদিও ১৮৫৪ চনতহে পোনপ্ৰথমবাৰ স্ত্ৰীশিক্ষাৰ দায়িত্ব লয়।

১৮৫৭ চনত ভাৰতবৰ্ষত ব্ৰিটিছ বিৰোধী সংগ্ৰামৰ ভৰপক অৱস্থাত স্ত্ৰীশিক্ষা বিষয়টো তল পৰে। ১৮৭০ চনত অসমত চৰকাৰী প্ৰচেষ্টাত মাত্ৰ ৮খন ছোৱালী স্কুল স্থাপন হয়। ইয়াৰে ৫খন কামৰূপত, একোখনকৈ দৰং, নগাঁও আৰু লখিমপুৰত। তেতিয়ালৈকে নাৰীৰ উচ্চশিক্ষাৰ কোনো ব্যৱস্থা চৰকাৰীভাৱে হোৱা নাছিল। মন কৰিবলগীয়া যে ছোৱালীক স্কুলীয়া শিক্ষা দিবলৈ যত্ন কৰা হৈছিল যদিও সমাজৰ সকলো শ্ৰেণীৰ লোকৰ এই বিষয়ত ধাউতি নাছিল। তেতিয়ালৈকে মুষ্টিমেয় মধ্যশ্ৰেণীৰ মাজতহে ছোৱালী শিক্ষাই গুৰুত্ব পাইছিল। এইক্ষেত্ৰত কেইবাটাও কাৰক অন্তৰায় হৈ থিয় দিছিল। খাটি খোৱা মানুহৰ পেট-ভাতৰ চিন্তা, দাৰিদ্ৰ্য, বাল্যবিবাহৰ প্ৰতি

আনুগত্য, 'ডাঙৰ হোৱা' ছোৱালীৰ মুকলিমূৰীয়াকৈ বাহিৰলৈ ওলোৱা-সোমোৱাত বাধা-নিষেধ, নাৰীৰ প্ৰতি ৰক্ষণশীল মনোভাব, ছোৱালীক ঘৰুৱা কামত পাৰ্গত কৰোৱাৰ হাবিয়াস আদি অনেক কাৰণত ছোৱালীক স্কুলীয়া শিক্ষাগ্ৰহণত নিৰুৎসাহিত কৰা হৈছিল। আনকি 'ভদ্ৰঘৰ'ৰ উদাৰ মানসিকতাৰ, উচ্চ সামাজিক স্থিতিত লালিত-পালিত হোৱা ৰাজবালা দাস, নলিনীবালা দেৱী আদি বৰেণ্যা নাৰীয়েও স্কুলীয়া শিক্ষাগ্ৰহণ কৰিবলৈ সুবিধা পোৱা নাছিল বুলি তেওঁলোকৰ আত্মকথাত উল্লেখ কৰি গৈছে।

অসমত উচ্চশিক্ষাৰ বাবে ১৯০১ চনত কটন কলেজ স্থাপন হয় গুৱাহাটীত। সেয়াও ল'ৰাৰ বাবে। অসম প্ৰাদেশিক মহিলা সমিতিৰ প্ৰস্তাৱমৰ্মে স্বৰ্গীয় চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু ৰাজবালা দাসৰ যত্নত অৱশেষত ১৯৩৪ চনত কটন কলেজত ল'ৰাৰ সৈতে একেলগে ছোৱালীয়েও শিক্ষাগ্ৰহণৰ অধিকাৰ পালে। কটন কলেজৰ প্ৰথম ছাত্ৰী আছিল প্ৰয়াত লীলা দেৱী আৰু প্ৰয়াত ঊষা ভট্টাচাৰ্য। প্ৰসঙ্গক্ৰমে উল্লেখ কৰা সমীচীন হ'ব যে দুয়োগৰাকীয়ে প্ৰথমতে লেডি কীন কলেজত অধ্যাপনা কৰিছিল। ঊষা ভট্টাচাৰ্যই পাছলৈ লেডি কীন কলেজৰ অধ্যক্ষা হৈছিল আৰু লীলা দেৱী গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা হৈছিল।

যি কি নহওক ১৯৪৭ চনৰ পাছত অসমৰ প্ৰায়বোৰ জিলাতে অন্ততঃ এখনকৈ কলেজ হৈছিল, য'ত সহশিক্ষকৰ ব্যৱস্থাও আছিল। কাশীৰপৰা শিক্ষাগ্ৰহণ কৰি আহি ৰাজবালা দাসে ১৯৩৯ চনত মনোহাৰী দেৱী সন্দিকৈ ছোৱালী কলেজ প্ৰতিষ্ঠা কৰি নাৰী শিক্ষাৰ নতুন দিগন্ত মুকলি কৰে। ১৯৬২ চনত একে সময়তে নগাঁও আৰু তিনিচুকীয়াত ক্ৰমে নগাঁও উইমেন্‌ছ কলেজ পাছলৈ নগাঁও ছোৱালী কলেজ আৰু তিনিচুকীয়াত উইমেন্‌ছ কলেজ স্থাপন হয়। এনেদৰেই ক্ৰমে এখনৰ পাছত এখনকৈ নাৰীৰ উচ্চশিক্ষাৰ অনুষ্ঠান গঢ় লৈ উঠে। এসময়ত নাৰীশিক্ষাৰ বাবে নাৰী-পুৰুষ উভয়ে নাৰীক শিক্ষাগ্ৰহণৰ প্ৰয়োজনীয়তাৰ বিষয়ে সচেতন কৰিবলগীয়া হৈছিল আৰু আজি নাৰীয়ে স্ব-ইচ্ছাৰে উচ্চশিক্ষা গ্ৰহণৰ বাবে ওলাই আহিছে। ইয়াতকৈ গৌৰৱৰ কথা কি হ'ব পাৰে!

**নগাঁও ছোৱালী কলেজ: অতীত আৰু বৰ্তমান**

সম্পাদকীয় শিতানত ইমান দীঘলীয়া পাতনি তৰাৰ কাৰণ নিশ্চয় আছে। উল্লেখ কৰি অহা হৈছে যে স্ত্ৰীশিক্ষাৰ লেহেমীয়া গতিৰ অন্যতম কাৰণ হ'ল অনুকূল পৰিৱেশৰ অভাৱ। ১৯৬২ চনত স্থাপিত নগাঁও ছোৱালী কলেজো ইয়াৰ ব্যতিক্ৰম নহয়। নগাঁও ছোৱালী কলেজ স্থাপিত হোৱাৰপৰা গণনা কৰিলে আজি ২০১২ চনলৈকে বয়সৰ মাপকাঠীৰে পঞ্চাছ বছৰীয়া, পৈণত গাভৰু। পঞ্চাছ বছৰৰ আগতে সংশ্লিষ্ট শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰচেষ্টাত ৰাইজৰ দান-বৰঙণিৰে কাঠ-বাঁহৰ, খুঁটা-মাৰলি, টিংপাতৰ চালি আৰু বাঁহৰ বেৰেৰে কলঙৰ পাৰত গঢ় লোৱা মধ্য অসমৰ নাৰী উচ্চশিক্ষাৰ অনুষ্ঠানটো আজি আৰু দৰিদ্ৰতাৰ নিঃকিন পোছাকটোত নাই। যিবোৰ কাম আৰম্ভণিক দিশবোৰত অসম্পূৰ্ণ হৈ ৰৈ গৈছিল যথাসাধ্যে সেইবোৰ সম্পূৰ্ণ কৰাৰ প্ৰচেষ্টা আজিৰ দৃশ্যপটে দিব। অৱশ্যে আজিও বহুতো অসুবিধা আছে। পৰ্যাপ্ত সা-সুবিধা নাথাকিলেও অন্ততঃ পঞ্চাছ বছৰৰ আগৰ আফচোচ বহু পৰিমাণে নকমাকৈও থকা নাই। নগাঁও ছোৱালী কলেজৰ ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ সম্পাদক যোগেন্দ্ৰনাৰায়ণ ভূঞা ছাৰে আক্ষেপ কৰিছিল "এক বিষণ্ণ মন লৈ জীৰ্ণ বস্ত্ৰ পৰিহিতা ২৫ বছৰীয়া গাভৰুজনীৰ দৰে নগাঁও ছোৱালী কলেজ বহি আছে" বুলি। কিন্তু আজি আমি তেনেকৈ ভবাটো নিশ্চয় উচিত নহ'ব। প্ৰতিযোগিতামুখী শিক্ষাব্যৱস্থাত নগাঁও ছোৱালী কলেজে অংশগ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছে। গতিয়েই নগাঁও ছোৱালী কলেজৰ মূলমন্ত্ৰ। "চৰৈৱেতি, চৰৈৱেতি" — এই বাণী সাৰোগত কৰি ৰূপালী জয়ন্তীৰ পাছত, আজি পঞ্চাছটা বছৰৰ অন্তত নগাঁও ছোৱালী কলেজে ঐতিহাসিক সোণালী জয়ন্তী সামৰণী উৎসৱ উদ্‌যাপন কৰিবলৈ ওলাইছোঁ।

"চৰৈৱেতি চৰৈৱেতি" বাণীৰ ভাবাৰ্থ হ'ল "আগবাঢ়ি যোৱা"। নগাঁও ছোৱালী কলেজৰ প্ৰতীক চিহ্ন "চৰৈৱেতি"। দৰ্শনৰ ছাত্ৰ তথা পণ্ডিত নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীদেৱে *ঐতৰেয় ব্ৰাহ্মণ*ৰ ত্ৰয়স্ত্ৰিংশৎ অধ্যায়ৰপৰা শাশ্বত বাণী "চৰৈৱেতি চৰৈৱেতি"ক সুচিন্তিতভাৱে প্ৰতীক চিহ্নৰূপে গ্ৰহণ কৰিছিল। উক্ত গ্ৰন্থত উল্লেখ থকা কাহিনীৰ মতে, হৰিশ্চন্দ্ৰ ৰজাই পুত্ৰ সন্তান লাভ কৰিবলৈ বৰুণক তপস্যা কৰিছিল। বৰুণে সন্তুষ্ট হৈ বৰ দিছিল এই চৰ্তত যে, পুত্ৰ জন্ম হ'লেই সেই পুত্ৰক বৰুণৰ নামত উছৰ্গা কৰি বলি দিব লাগিব। হৰিশ্চন্দ্ৰই পুত্ৰ সন্তানৰ মুখ দেখে যদিও বৰুণৰ চৰ্ত পালন কৰাৰ ক্ষেত্ৰত অজুহাত দেখুৱায়। পুত্ৰ স্নেহত অন্ধ হৰিশ্চন্দ্ৰই পূৰ্বে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা নকৰাত বৰুণে সেই কথা সোঁৱৰাই দিয়ে। পিছে হৰিশ্চন্দ্ৰই আৰু কিছুদিনৰ পিছত বলি দিম বুলি পিছুৱাই থাকে। পুত্ৰ ৰোহিত লাহে লাহে ডাঙৰ হয়। বৰুণৰ অভীপ্সা আৰু পিতাক হৰিশ্চন্দ্ৰৰ বিলম্বৰ কাৰণ বুজিব পাৰি তেওঁ পিতাকক ক'লে যে বলি দিওঁ বুলিয়েই তেওঁক বলি দিব নোৱাৰিব। ৰোহিতে নিজৰ ঘৰ পৰিত্যাগ কৰি অৰণ্যবাসী হয়। অৰণ্যত ভ্ৰমণ কৰি থাকোঁতে তেওঁ এদিন শুনিলে পিতাক হৰিশ্চন্দ্ৰৰ অসুখৰ কথা। পিতাকৰ অসুখে ৰোহিতক বিচলিত কৰে আৰু তেওঁ ৰুগ্‌ণ পিতাকক চাবলৈ পুনৰ ৰাজ্যলৈ উলটি আহিবলৈ ওলায়। প্ৰত্যাৱৰ্তন কৰিবলৈ ওলোৱা ৰোহিতক ব্ৰাহ্মণৰ ছদ্মবেশ ধাৰণ কৰি ইন্দ্ৰই নিষেধ কৰে এইবুলি— ঘৰলৈ নগৈ আগবাঢ়ি যোৱা— "চৰৈৱেতি"। বেলেগে বেলেগে তিনিবাৰকৈ ঘৰলৈ উলটি আহিবলৈ ওলোৱা ৰোহিতক নিষেধ কৰিবলৈ ইন্দ্ৰই বুজালে: "চৰণ বৈ মধু বিন্দেত, চৰণ স্বাদুমুদুম্বৰম"। অৰ্থাৎ, আগবাঢ়ি গৈ থকাটোৱেই ভাল। কিয়নো আগবাঢ়ি গৈ থকাজনেহে মধু লাভ কৰিব পাৰে। আগবাঢ়ি গৈ থকাজনে মিঠা উদুম্বফল লাভ কৰে।

নগাঁও ছোৱালী কলেজৰ সমুখেৰে বৈ থকা কলং নৈখনেই তাৰ উদাহৰণ। বৈ থাকিলেই জীয়া-কলং আৰু স্থবিৰ হ'লেই মৰিকলং। গতিয়েই জীৱন। স্থবিৰতাই মৃত্যু। সেইবাবে মৃত্যু অৱধি জ্ঞানান্বেষণৰ গতি কেতিয়াও স্থিতাৱস্থালৈ আহিব নালাগে। নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠা কালৰেপৰা আজি পঞ্চাছ বছৰ ধৰি ছাত্ৰীসকল জ্ঞানৰ উদুম্ব ফলৰ পৰিভাগী হৈছে। অনাগত দিনবোৰত এই কলেজ পৰিয়ালৰ অন্তৰ্ভুক্ত হ'বলৈ অহা প্ৰতিগৰাকী ছাত্ৰীয়েও ইয়াৰ ভাগ পাওক। সেয়াই আমাৰ কলেজৰ মূল উদ্দেশ্য তথা মূলমন্ত্ৰ— "চৰৈৱেতি"।

**সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ *চৰৈৱেতি*ৰ প্ৰসঙ্গত**

আমি নগাঁও ছোৱালী কলেজ পৰিয়ালটোৱে সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন আঁচনি পৰিকল্পিতভাৱেই লৈছিলোঁ। সেই আঁচনিৰে এক অত্যাৱশ্যকীয় কাম হিচাপে *চৰৈৱেতি* শীৰ্ষক স্মৃতিগ্ৰন্থৰ পৰিকল্পনা কৰা হৈছিল। অৱশ্যে এইখিনিতে আমি অলপ থমকি ৰ'ব লগাও হৈছে। কিয়নো সকলোবোৰ পৰিকল্পনা সফল হ'বলৈ অৰ্থৰো ভীষণ প্ৰয়োজন। আমাৰ কলেজ পৰিয়ালে এইবাৰ বাহিৰৰপৰা অৰ্থ সংগ্ৰহ কৰি সোণালী জয়ন্তী উদ্‌যাপন নকৰাৰ এক ব্যতিক্ৰমী পৰিকল্পনা কৰিলে। প্ৰতিজন অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীয়ে তেওঁলোকৰ বেতনৰ অৰ্থ স্ব-ইচ্ছাৰে বৰঙণি হিচাপে দি সেই টকাৰে মিতব্যয়িতাৰে সোণালী জয়ন্তী বছৰটোৰ প্ৰতিটো অনুষ্ঠান পালনৰ সিদ্ধান্ত ল'লে। সেইবাবে পুঁজিৰ পৰিমাণলৈ লক্ষ্য ৰাখি আমাৰ স্মৃতিগ্ৰন্থৰ কলেৱৰ বৃদ্ধি কৰাৰপৰা বিৰত থাকিবলগীয়া হ'ল। যাৰ বাবে অত্যন্ত সীমিত লেখাৰে স্মৃতিগ্ৰন্থখন যুগুত কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু প্ৰকাশযোগ্য বহু লেখাই বাদ দিবলগীয়াত পৰিছে। নগাঁও ছোৱালী কলেজৰ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈৰ দিহা-পৰামৰ্শ তথা শ্ৰদ্ধাৰ জ্যোতিৰ্ময় জানা ছাৰ আৰু মৰমৰ ড° বিশ্বজিৎ দাসৰ তত্ত্বাৱধানত *চৰৈৱেতি*য়ে প্ৰাণ পাই উঠিছে।

গিগাবাইট্‌চ প্ৰেছৰ গৰাকী কংকণ গোস্বামী আৰু কৰ্মচাৰীসকলৰ আন্তৰিক সহযোগিতা অবিহনে আমাৰ স্মৃতিগ্ৰন্থৰ কাম হৈ নুঠিলেহেঁতেন। তেওঁলোকলৈ আন্তৰিক ধন্যবাদ থাকিল। পৰিশেষত যিসকল ব্যক্তি আৰু শুভাকাঙ্ক্ষীয়ে সোণালী জয়ন্তী উৎসৱটি সাফল্যমণ্ডিত কৰিবলৈ আন্তৰিকতাৰে সহায়-সহযোগিতা আগবঢ়াইছে সেই সকলোটিলৈকে নগাঁও ছোৱালী কলেজৰ তৰফৰপৰা আমি আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অনিচ্ছাকৃতভাৱে স্মৃতিগ্ৰন্থত ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে সামৰিছোঁ।

**ড° মঞ্জু লস্কৰ**

# সূচীপত্ৰ


সোঁৱৰণ আৰু শ্ৰদ্ধাৰ্ঘ্য

- মহেশচন্দ্ৰ দেৱগোস্বামী আৰু নাৰীশিক্ষা ■ হিমাদ্রি দেৱী /১৫
- মহীৰুহ ■ স্বপ্না নেওগ /২০
- বিনয়চন্দ্ৰ বৰা: স্মৃতি আৰু শ্ৰদ্ধাৰ্ঘ্য ■ জ্যোতিৰ্ময় জানা /২৩
- ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা: কৃতি আৰু কৃতিত্ব ■ লীলাৱতী শইকীয়া বৰা /২৬
- ৰেখা দাসগুপ্তালৈ শ্ৰদ্ধাৰ্ঘ্য ■ ইন্দিৰা ভট্টাচাৰ্য আৰু ড° গায়ত্ৰী দেৱী /৩১
- স্মৃতিৰ বুলনিৰে প্ৰয়াত জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰৰ বিষয়ে দুআষাৰ ■ মৰমী গায়ন /৩২

কলেজৰ প্ৰাক্তন অধ্যাপক তথা প্ৰধান সাহিত্যিকৰ একাষাৰ

- নগাঁও ছোৱালী কলেজৰ সোণালীজয়ন্তী বৰ্ষলৈ শুভেচ্ছাৰে ■ মহিম বৰা /৩৪

স্মৃতিকথা

- সোঁৱৰণীৰ এটুকুৰা ■ নিৰু শৰ্মা /৩৬
- নগাঁও ছোৱালী কলেজৰ সোণালীজয়ন্তীত স্মৃতিৰ আলোকৰেখা ■ তিলকচন্দ্ৰ মজুমদাৰ /৩৭
- নগাঁও ছোৱালী কলেজৰ বৌদ্ধিক আৰু সাংস্কৃতিক পৰিবেশ ■ দীপালি মুখাৰ্জী /৪০
- মোৰ সোঁৱৰণিত নগাঁও ছোৱালী কলেজ ■ ড° ৰুনুমা ভট্টাচাৰ্য শৰ্মা /৪৩
- মোৰ কলেজীয়া জীৱনৰ তিনিটা বছৰ ■ ৰুমী বৰা (তামুলী ফুকন) /৪৫
- কলঙৰ সীমা ভেদি সাত সাগৰ তেৰ নদী ■ গীতা কলিতা /৪৭
- স্মৃতি সঁফুৰাত যৌৱনৰ সোণালী চাপৰি ■ হৰিদেৱ মহন্ত /৪৯
- মোহনীয়া নগাঁও ছোৱালী কলেজত মোৰ ৰহণীয়া দিন ■ বীণা শৰ্মা /৫১
- মোৰ অতিকে মৰমৰ কলেজখন ■ অঞ্জলী কটকী /৫৩
- কলঙৰ পাৰৰ আমাৰ নগাঁও ছোৱালী কলেজ ■ অদিতি বৰুৱা /৫৪
- নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু পথপ্ৰদৰ্শক শিক্ষাগুৰু মহেশচন্দ্ৰ দেৱগোস্বামীদেৱৰ সোঁৱৰণত ■ ৰুক্মীণী দেৱী /৫৬
- **And the River Flows ... ■ Dr Gayatree Bora Kakoti /৫৭**
- কলেজ জীবনের স্মৃতি ■ মৌমিতা পাল /৫৯
- অনুভৱৰ একাঁজলি ■ তুলিকা শইকীয়া দাস (তুলিকা গীতম) /৬০
- মোৰ প্ৰেৰণাৰ উৎসস্থলী ■ ড° মনিকা শইকীয়া /৬৩

প্ৰবন্ধ

- কেপ্টেইন জেন্‌কিন্‌ আৰু ডক্টৰ নাথান ব্ৰাউনৰ অসম দৰ্শন ■ ড° নৱেন কলিতা/৬৪
- উচ্চশিক্ষাত সংস্কাৰমূলক আঁচনি আৰু অসম ■ গঙ্গাপদ চৌধুৰী/৭১
- বিষ্ণুপ্ৰসাদ ৰাভাৰ দৃষ্টিত সমাজ আৰু তাৰ প্ৰাসঙ্গিকতা ■ প্ৰিয়ম্বদা শইকীয়া বৰা/৭৫
- নাৰী সুৰক্ষা আৰু আইন ■ হিমাদ্ৰী শইকীয়া /৭৮
- **Freedeom at Midnight— Re-Reading the great Indian gendered divide ■ Dr Jonali Sharma /৮০**

- Architectural Ecology: Locating Nature and Culture in Select Monuments of China, Egypt and Dubai ■ Dr Farddina Hussain /৮৭
- The Stigma of Witch-Hunting A Discussion with Special Reference to Assam ■ Neeta Sarma /৯০
- Women's Education: A Contraceptive to Gender Disparity ■ Neetu Gupta Babber /৯৫
- Evaluation of Some Tina Proverbs in the Context of the Proposed and Projected Sustainable Development of the Northeast ■ Dinee Samad /৯৮
- Revisiting *Kautilya*'s *Arthaśāstra* ■ Sanchita Bora /১০২
- वर्तमान हिन्दी उपन्यास-साहित्य में दलित तथा निम्न वर्ग: एक समीक्षात्मक अध्ययन ■ ललित बरुवा /১০৫
- বাঙালি নারীর দুই অনুপম অবদান: ব্রতকথা ও আলপনা ■ ড° জয়ন্তী সাহা /১০৮
- উত্তর-পূর্বাঞ্চলের বিবাহ উৎসব: একটি সংক্ষিপ্ত আলোচনা ■ রীতা দে /১১২


**কলেজ বিষয়ক বিশেষ ৰচনা আৰু প্ৰতিবেদন**


- অসমত নাৰীশিক্ষা আৰু নগাঁও ছোৱালী কলেজ ■ ড° আলপনা সৰকাৰ ডেকা /১১৮
- মহিলা কলেজৰপৰা ছোৱালী কলেজলৈ ■ শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা /১২৩
- নগাঁও ছোৱালী কলেজৰ আৱয়বিক পৰিচয় ■ শ্ৰীমহেশচন্দ্ৰ ভূঞা আৰু দীপক শৰ্মা /১৩২
- নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী: জীৱন, কৃতি আৰু কৰ্মৰ চমু আভাস ■ ড° মঞ্জু লস্কৰ /১৪০
- মহেশচন্দ্ৰ দেৱগোস্বামী পুথিভঁড়ালত এভুমুকি ■ ড° অজন্তা দত্ত বৰদলৈ /১৪৬
- The Marketability of Library Service:A Case Study of Mahesh Chandra Dev Goswami Library ■ Dr Kishore Kumar Sarmah /১৪৯
- কলেজ কৰ্মচাৰীৰ ভূমিকা: নগাঁও ছোৱালী কলেজৰ বিশেষ উল্লিখনসহ ■ কুলেনচন্দ্ৰ শইকীয়া /১৫৩
- নগাঁও ছোৱালী কলেজত অনুদানপ্ৰাপ্ত আলোচনাচক্ৰ, কৰ্মশালা ইত্যাদি ■ ৰণজিৎ বৰুৱা /১৫৬
- নগাঁও ছোৱালী কলেজৰ তথ্য আৰু বৃত্তি দিগ্‌দৰ্শন কোষ (ICGC): এক চমু পৰ্যালোচনা ■ বিনোদ গোস্বামী /১৫৮
- नगाँव गर्ल्स कॉलेज: एक झलक ■ उदय भान भगत /১৬১
- পঞ্চাছটা বছৰত নগাঁও ছোৱালী কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰদ্বাৰা প্ৰকাশিত গ্ৰন্থসমূহ ■ যুগুতালে: ড° বিশ্বজিৎ দাস /১৬৪
- নগাঁও ছোৱালী কলেজৰ ডক্টৰেট ডিগ্ৰীপ্ৰাপকসকল ■ ১৬৯
- বিদ্যায়তনিক দিশত উল্লেখযোগ্য বঁটা-বাহনেৰে যিসকলে গৌৰৱ কঢ়িয়াই আনিলে ■ ১৭০
- নগাঁও ছোৱালী কলেজৰদ্বাৰা প্ৰকাশিত গ্ৰন্থ ■ ১৭১
- কৃতী ছাত্ৰীক পুৰস্কৃত কৰিবৰ বাবে আগবঢ়োৱা ধনৰাশি ■ ১৭১
- নগাঁও ছোৱালী কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকল ■ ১৭২
- নগাঁও ছোৱালী কলেজৰ কৰ্মচাৰীসকল ■ ১৭৫
- নগাঁও ছোৱালী কলেজৰ সাধাৰণ সম্পাদিকাসকল ■ ১৭৬
- নগাঁও ছোৱালী কলেজ পৰিচালনা সমিতি ■ ১৭৭
- নগাঁও ছোৱালী কলেজৰ সোণালী জয়ন্তী উদ্‌যাপনৰ বাবে গঠিত উপ-সমিতি ■ ১৮১
- নগাঁও ছোৱালী কলেজৰ সোণালী জয়ন্তী উৎসৱলৈ যিসকলে আৰ্থিক সাহায্য আগবঢ়ালে ■ ১৮৪


# নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ-অধ্যক্ষাসকল



প্ৰয়াত মহেশচন্দ্ৰ দেৱগোস্বামী
(১২-০৯-১৯৬২ৰপৰা ৩১-১২-১৯৮০)



তৰু বৰুৱা (ভাৰপ্ৰাপ্তা)
(০১-০১-১৯৮১ৰপৰা ১৪-১২-১৯৮২)
(০১-০৬-১৯৮৪ৰপৰা ১৫-০৭-১৯৮৪)
(০২-০৪-১৯৯৭ৰপৰা ০৮-০৮-১৯৯৭)



প্ৰয়াত ৰত্নকান্ত বৰুৱা
(১৫-১২-১৯৮২ৰপৰা ৩১-০৫-১৯৮৪)



বিমল বৰা
(১৬-০৭-১৯৮৪ৰপৰা ০১-০৪-১৯৯৭)



অপূৰ্ব শৰ্মা
(০৯-০৮-১৯৯৭ৰপৰা ৩১-১২-২০০২)



কৃপাবাণী শইকীয়া (ভাৰপ্ৰাপ্তা)
(০১-০১-২০০৩ৰপৰা ৩১-০৩-২০০৩)



জয়ধন দাস (ভাৰপ্ৰাপ্ত)
(০১-০৪-২০০৩ৰপৰা ২৪-০৯-২০০৪)



ড° অজন্তা দত্ত বৰদলৈ
(২৫-০৯-২০০৪ৰপৰা বৰ্তমানলৈ)



## যিসকল আমাৰ মাজৰপৰা চিৰকাললৈ হেৰাই গ'ল ...



প্ৰয়াত বিনয় বৰা



প্ৰয়াত ৰেখা দাসগুপ্ত



প্ৰয়াত ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা



প্ৰয়াত ড° জ্যোতিনাথ চক্ৰৱৰ্ত্তী






# মহেশচন্দ্ৰ দেৱগোস্বামী: শ্ৰদ্ধাৰ্ঘ্য

হিমাদ্ৰি দেৱী

বিংশ শতিকাৰ চতুৰ্থদশকলৈকে ব্ৰাহ্মণ, কায়স্থ, কলিতা আদি উচ্চবংশজাত ছোৱালীবোৰক কন্যাকাল প্ৰাপ্ত হোৱাৰ আগতেই বিয়া দিয়া হৈছিল। কাৰণ, তেনে বয়সতে ছোৱালীৰ বিয়া নহ'লে জাত যায় বুলি এটা ধাৰণা আছিল। গতিকে, এই শিশু কন্যাবোৰ প্ৰাইমেৰি স্কুল উত্তীৰ্ণ হয় আৰু মেধাৱী ছাত্ৰীবোৰ থাকি যায়। পঞ্চাছৰ দশকত কোনো কোনো কন্যাকাল প্ৰাপ্তা ছোৱালীৰ অভিভাৱকে কথাটো গোপনে ৰাখি হাইস্কুলৰ দুই-এক শ্ৰেণী পঢুৱাইছিল যদিও মেট্ৰিক পৰীক্ষাৰ আগতেই সিহঁতক বিয়া দিছিল।

১৯৪৪ চনত দৰ্শনৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী এজন শিক্ষকে বৰপেটাৰ আঢ্যৱন্ত পৰিয়ালৰ ষষ্ঠ শ্ৰেণীত পঢ়ি থকা ছোৱালী এজনীক বিয়া কৰাই কি দৰে পিছৰ জীৱনত নাৰীৰবাবে উচ্চশিক্ষা বিস্তাৰকে জীৱনৰ পণ হিচাপে গ্ৰহণ কৰিছিল, তাৰ পম খেদিলে অনায়াসে ধৰিব পাৰি নাৰীশিক্ষাৰ বিষয়ত তেখেত আছিল কিমান আন্তৰিক আৰু অকৃত্ৰিম।

১৯১৭ চনৰ ৪ ডিচেম্বৰ তাৰিখে নগাঁৱৰ ন-ৰোৱা বালিটসত্ৰত স্বৰ্গীয় মহেশচন্দ্ৰ দেৱগোস্বামীৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম কন্দৰ্প দেৱগোস্বামী আৰু মাতৃৰ নাম ৰোহিণী দেৱী। তেখেত অম্বিকাগিৰী ৰায়চৌধুৰীৰ সম্পৰ্কীয় ভনীয়েক। বালিসত্ৰৰ প্ৰাথমিক স্কুলৰপৰা প্ৰাথমিক শিক্ষা শেষ কৰাৰ পাছত আঠগাঁও মজলীয়া স্কুলত মজলীয়া শিক্ষা শেষ কৰে। ইয়াৰ পাছত মাতুল গৃহত থাকি ১৯৩৬ চনত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰপৰা পাঁচটা বিষয়ত লেটাৰসহ প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। ১৯৩৮ চনত কটন কলেজৰপৰা লজিকত লেটাৰসহ আই এ আৰু ১৯৪০ চনত সেই একে কলেজৰপৰা দৰ্শনত অনাৰ্ছ সহ বি এ পাছ কৰে। ১৯৪২ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা এম এ পাছ কৰে।

১৯৪৩ চনৰ ফেব্ৰুৱাৰি মাহৰপৰা ১৯৪৪ চনৰ জানুৱাৰি মাহলৈকে শ্বিলঙত ভাৰত চৰকাৰৰ জনসংযোগ বিভাগৰদ্বাৰা প্ৰকাশিত *আমাৰ অসম* আলোচনীৰ সম্পাদনা বিভাগত কাম কৰে। ১৯৪৪ চনত উক্ত চাকৰিৰপৰা পদত্যাগ কৰি নগাঁৱৰ ডচন স্কুলত শিক্ষকতা কৰে। ১৯৪৪ চনৰ জুলাই মাহত নতুনকৈ প্ৰতিষ্ঠা হোৱা নগাঁও কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপক পদত যোগ দি উপাধ্যক্ষৰূপে সেৱা আগবঢ়ায়। ১৯৬২ চনত লালচান্দ টোডী গাৰ্লছ কলেজ, নগাঁও গাৰ্লছ কলেজৰূপে প্ৰতিষ্ঠিত কলেজত প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে অধিষ্ঠিত হৈ নাৰীশিক্ষা সম্প্ৰসাৰণৰ বাবে বিশেষ বৰঙণি আগবঢ়াই ১৯৮০ চনত অৱসৰ গ্ৰহণ কৰে।

১৯৪৪ চনৰ ২৪ অক্টোবৰ তাৰিখে বৰপেটাৰ চেঙা গাঁৱৰ গৰ্গনাৰায়ণ চৌধুৰী আৰু সুৰবালা চৌধুৰীৰ তৃতীয়া কন্যা জ্যোতিৰ্ময়ী দেৱীৰ লগত বিবাহ হয়। বিবাহিত জীৱনত তিনিটি সন্তানৰ পিতৃ হয়— মঞ্জিৰা দেৱী চৌধুৰী, ৰঞ্জিৎকুমাৰ দেৱগোস্বামী, গুণজিৎকুমাৰ দেৱগোস্বামী।

মহেশচন্দ্ৰ দেৱগোস্বামী অসমীয়া সাহিত্যৰ এজন বিশিষ্ট সাহিত্যিক। তেখেতৰ সাহিত্য কৃতিৰ বিষয়ে পিছৰ আলোচনাত সন্নিৱিষ্ট কৰাৰ কাৰণে এইবিষয়ে ইয়াত আলোচনাৰপৰা বিৰত থকা হৈছে।

**সাংবাদিকতা**

মহেশচন্দ্ৰ দেৱগোস্বামী নগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। কলকাতাৰপৰা প্ৰকাশিত *অমৃত বাজাৰ* পত্ৰিকাৰ মৃত্যুৰ সময়লৈকে অসমৰ প্ৰতিনিধি আছিল। ১৯৪১-১৯৫১ চনলৈকে *দি অসম ট্ৰিবিউনৰ* সংবাদদাতা আছিল। *The Times of India, News Service* আৰু *United of India* ৰো কিছুকাল সংবাদদাতা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

১৯৮৩ চনৰ ৩০ মে' তাৰিখে মহেশচন্দ্ৰ দেৱগোস্বামীৰ দেহাৱসান ঘটিল। এটি ঘটনাবহুল, কৰ্মবহুল জীৱনৰ অন্ত পৰিল। ৮৩ বছৰীয়া জীৱন পৰিক্ৰমাত ঁ মহেশচন্দ্ৰ দেৱগোস্বামীয়ে আধাতকৈ বেছিসময় নগাঁও চহৰৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰলৈ গতিশীলতা আনিছিল।

## সামাজিক কাম

স্বৰ্গীয় মহেশচন্দ্ৰ দেৱগোস্বামীয়ে নগাঁৱৰ সামাজিক জীৱনলৈ যি সেৱা আগবঢ়ালে, সেই সেৱাৰ আটাইতকৈ উল্লেখনীয় দিশ হ'ল নাৰীৰ উচ্চশিক্ষাৰ অনুষ্ঠান সৃষ্টি কৰি নাৰীৰ জীৱনলৈ কেৱল জ্ঞানৰ বাতাৱৰণেই নহয়, সাহিত্য আৰু সংস্কৃতিৰ বাতাৱৰণো কঢ়িয়াই আনিলে।

আধুনিকতাৰ স্পৰ্শ লাভকৰা বহুত ছোৱালীয়ে প্ৰৱেশিকা পৰীক্ষা পাছ কৰাৰ পাছত নগাঁও কলেজত নাম ভৰ্তি কৰিছিল। কিন্তু বিবিলাক অভিভাৱকে সহশিক্ষা সমৰ্থন কৰা নাছিল, তেওঁলোকৰ জীয়ৰীসকল উচ্চশিক্ষা লাভৰপৰা বঞ্চিত হৈছিল। সেয়েহে মধ্য অসমৰ এই অঞ্চলত এখন ছোৱালী কলেজৰ অভাৱ বাৰুকৈয়ে অনুভূত হৈছিল। সেইবাবে ১৯৫৯ চনৰ এপ্ৰিল মাহত "নগাঁও উইমেন্‌ছ কলেজ" নাম দি চৰকাৰী ছোৱালী উচ্চমাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত এখনি কলেজ পতা হয়। কিন্তু ১৯৬০ চনৰ জুন মাহত এই অনুষ্ঠানৰ প্ৰতিষ্ঠাতা সম্পাদক ডাঃ ললিতকুমাৰ বৰুৱাৰ মৃত্যু হোৱাত অনুষ্ঠানটি বিলুপ্ত হ'ল।

১৯৬২ চনত বিষয়টো আকৌ উত্থাপিত হ'ল আৰু উপায়ুক্তৰ কাৰ্যালয়ত এখন কৰ্ণধাৰ সমিতি (Steering Committee) গঠন কৰি তেতিয়াৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাক সমিতিয়ে লগ ধৰিলে। তেখেতে সকলো ধৰণৰ সহায় কৰাৰ প্ৰতিশ্ৰুতি দিলে। কৰ্ণধাৰ সমিতিয়ে প্ৰাক্‌বিশ্ববিদ্যালয় প্ৰথমবাৰ্ষিক আৰু স্নাতক প্ৰথমবৰ্ষৰ শ্ৰেণী আৰম্ভ কৰাৰ সিদ্ধান্ত ল'লে। নগাঁও কলেজৰ কেইবাজনো অধ্যাপকে বিনাবেতনে সেৱা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিলে। ১৯৬২ চনৰ ৫ ছেপ্টেম্বৰ তাৰিখে নগাঁও কলেজৰ উপাধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীক অধ্যক্ষৰূপে নিযুক্তি দিয়াৰ লগে লগে কলেজখনৰ পূৰ্ণতাপ্ৰাপ্তি ঘটিল।

প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত ৪২ গৰাকী আৰু বি এ শ্ৰেণীত ২২ গৰাকী ছাত্ৰীয়ে ১২/৯/৬২ তাৰিখৰপৰা শিক্ষা গ্ৰহণ কৰিবলৈ উপস্থিত হয়। ২০/৯/৬২ তাৰিখে সেইসময়ৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই কলেজখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

কলেজৰ স্থায়ীভৱন নিৰ্মাণৰ বাবে বৰ্তমানৰ ঠাইডোখৰ চাই ১৯৬২ চনতে তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই বানপানীৰপৰা ঠাইডোখৰ ৰক্ষা কৰিবলৈ মথাউৰি আৰু খাল বিভাগক মথাউৰি বান্ধিবলৈ নিৰ্দেশ দিয়ে। কলেজৰ নিজৰ ঠাইত স্থায়ীভৱন নিৰ্মাণ কৰিবলৈ ১৯৬৮ চনৰ এটা পথেকত অধ্যক্ষৰ নেতৃত্বত কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে ৰিক্সাৱালা, ঠেলাৱালাকে ধৰি সাধাৰণ নাগৰিকৰপৰা ১২,০০০ টকা সংগ্ৰহ কৰে। এখন কলেজৰ অধ্যক্ষই এনে অৰ্থসংগ্ৰহৰ অভিযানত নেতৃত্ব দিয়াটো এক বিৰল দৃশ্য:

> "ছোৱালী কলেজৰ অধ্যক্ষ এইজন ঘড়ীৰ কাটা যেন ঘূৰে,
> শিক্ষকক লগত লৈ ঘৰ সাজিবলৈ বৰঙণি তুলি ফুৰে।"
>
> (কবিতা— *দুখৰীয়া ছবি*, মহেশচন্দ্ৰ দেৱগোস্বামী, হিমাদ্ৰী দেৱী)

শ্ৰীকৃষ্ণ টকিজে *ৰাম ঔৰ শ্যাম* কথাছবি প্ৰদৰ্শনেৰেও ব্যৱহাজাৰ টকা তুলি দিছিল। এই টকাৰে অস্থায়ীভাৱে টিনৰ চালি আৰু তৰ্জাৰবেৰেৰে অস্থায়ী ঘৰ সাজি ১/৭/৬৮ তাৰিখৰপৰা শ্ৰেণীসমূহ ঘৰলৈ স্থানান্তৰিত কৰি বেডক্ৰছ ভৱন ছাত্ৰীনিবাসলৈ ৰূপান্তৰিত কৰা হয়। এইদৰেই অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰীসকলে কলঙৰ পাৰত পোহৰৰ কাৰেং সজাবলৈ প্ৰস্তুত হয়।

অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীয়ে নতুনকৈ প্ৰতিষ্ঠিত ছোৱালী কলেজখনলৈ ছাত্ৰীসকলক আকৰ্ষণ কৰিবলৈ কলেজ প্ৰতিষ্ঠা হোৱাৰেপৰা এক অভিনৱ পন্থা গ্ৰহণ কৰিছিল। তেখেতে নগাঁও জিলাৰ প্ৰৱেশিকা পৰীক্ষা পাছ কৰা প্ৰতিগৰাকী ছাত্ৰীৰ নাম-ঠিকনা সংগ্ৰহ কৰি তেওঁলোকৰ অভিভাৱকসকললৈ পত্ৰ প্ৰেৰণ কৰিছিল। তাৰ উদাহৰণ চাওক:

> ১৯৬৬ চনৰ জুলাই মাহ। উচ্চমাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ ঠিক কেইদিনমানৰ পিছৰ কথা। হঠাৎ এদিন দুপৰীয়া পিয়নটোৱে গুলপীয়া ৰঙৰ খাম এটা দি গ'ল। খুলি চাই দেখোঁ অভিভাৱকলৈ লিখা চিঠি— "আপোনাৰ ছোৱালীক আমাৰ মহাবিদ্যালয়লৈ পঠাওক। কিতাপ-পত্ৰৰ লগতে পঢ়াৰ সকলো সা-সুবিধা দিয়া হ'ব।"
>
> (ড° লীলাৱতী শইকীয়া বৰা, প্ৰবন্ধ, *স্মৃতিৰ অনুৰণন*, স্মৃতিগ্ৰন্থ, *ৰূপালী জয়ন্তী*, নগাঁও ছোৱালী কলেজ)

কলেজ প্ৰতিষ্ঠাৰপৰা এই প্ৰচেষ্টা ৪/৫ বছৰমানলৈ অব্যাহত আছিল। অকল সেয়ে নহয়। ছাত্ৰীসকলে সাময়িক পৰীক্ষাবোৰ (terminal examination) দিলে নে নাই, দিলে যদি প্ৰতিটো বিষয়ত কিমান নম্বৰ পালে, সেই খবৰো নীলা Inland cardত অভিভাৱকে পাইছিল। উদাহৰণ:

> এবাৰ কলেজৰ বন্ধত গাঁৱৰ ঘৰলৈ গৈ দেখিলোঁ গৈ প্ৰিন্সিপাল ছাৰে দেউতালৈ দীঘলীয়া চিঠি দিছে। চিঠিৰ বিষয়— আমি কোন বিষয়ত কিমান নম্বৰ পালোঁ, কেইটা টিউটৰিয়েল ক্লাছত অনুপস্থিত আছিলোঁ।" কলেজলৈ ঘূৰি আহি সাৱধান হ'লোঁ। তিনিমহীয়া, ছমহীয়া পৰীক্ষা নিয়মীয়াকৈ দিবলৈ ধৰিলোঁ আৰু টিউটৰিয়েল ক্লাছৰ সময়ত বেডমিন্টন খেলা বাদ দিলোঁ।
>
> (বীণা শৰ্মা, প্ৰবন্ধ, *সোঁৱৰণি টুকুৰা টুকুৰ খবৰ*, *স্মৃতিগ্ৰন্থ*, *ৰূপালী জয়ন্তী*)

ছাত্ৰীসকলৰ পৰীক্ষাৰ ফলাফল দেখি গোস্বামী ছাৰ কেনে আনন্দিত হয়, তাৰ এটি উদাহৰণ চাওক:

> মোৰ এতিয়াও মনত পৰে আমাৰ বি এ পৰীক্ষাৰ ফলাফল ওলেৱাৰ পাচত ছাৰে মোৰ পৰীক্ষাৰ নম্বৰখিনি চাই কৰা মন্তব্যলৈ (ফলাফল 2nd class 1st)— "আৰু কেইটামান নম্বৰ পোৱা হ'লে তুমি ফাৰ্ষ্ট ক্লাছেই পালাহেঁতেন।" মই লাজ লাজকৈ হাঁহি ছাৰক উত্তৰ দিছিলোঁ— ইংৰাজীত আৰু এটা নম্বৰ কম পালেই মই 'গ্ৰেচ' পালোঁহেঁতেন ছাৰ। মোৰ এই উত্তৰ শুনি ছাৰে যেনেকৈ প্ৰাণ খুলি হাঁহিছিল, তাতেই জানিছিলোঁ ছাৰৰ আমাৰ প্ৰতি কিমান মৰম।
>
> (আল্পনা সৰকাৰ ডেকা, প্ৰবন্ধ, মই *পঢ়ি অহা কলেজখন*, *স্মৃতিগ্ৰন্থ*, *ৰূপালী জয়ন্তী*)

## পৰীক্ষাৰ ফলাফল

নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলে ১৯৬৮ চনতে সজা 'চালি' ঘৰতে পঢ়া-শুনা কৰি ৰূপালীবৰ্ষ পাৰ কৰিলে। আৰম্ভিক দিশত কলেজখনে দৈন্যদশাত ভুগিলেও বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত যথেষ্ট চহকী বুলি প্ৰতিপন্ন কৰিছে। অধ্যক্ষ ডাঙৰীয়াই *নগাঁও ছোৱালী কলেজৰ ইতিবৃত্তত* লিখিছে: "ছাত্ৰীৰ প্ৰথম দলটো ১৯৬৫ চনত স্নাতক হয়। ২৪ গৰাকী ছাত্ৰীৰ ভিতৰত ১৫ গৰাকী উত্তীৰ্ণ হোৱাত উত্তীৰ্ণৰ হাৰ বিশ্ববিদ্যালয় আৰু স্থানীয়কলেজ কেইখনৰ হাৰতকৈ উচ্চ আছিল।"

এই কলেজত ভৰ্তি হোৱা ৯৮% ছাত্ৰীয়েই মাধ্যমিক শিক্ষান্ত পৰীক্ষাত তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা অথচ শিক্ষাৰ ক্ষেত্ৰত কলেজখনে সংশ্লিষ্ট সকলোকে আৰম্ভণিৰেপৰা সন্তোষ দি আহিছে। অনাৰ্ছ বিষয়ত কেইবাগৰাকীও কলেজৰ ছাত্ৰীয়ে সন্তোষজনক ফলাফল দেখুৱাইছে। ৰাজনীতিবিজ্ঞান বিভাগত ১৯৭২ চনত কাজল দাসে আৰু ১৯৭৪ চনত তপতী দেৱে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। অসমীয়াত ১৯৭০ চনত লীলাৱতী বৰা, ১৯৭২ চনত পদুম শইকীয়াই, ১৯৭৯ চনত আল্পনা সৰকাৰে দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষাত লক্ষ্মী ম'ৰ, মাইনা ম'ৰ আদি ছাত্ৰীয়ে প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষাত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এয়া মাত্ৰ সামান্য উদাহৰণহে।

এই সকলোবোৰ সম্ভৱ হৈছিল দক্ষ-প্ৰশাসক, নিৰ্ভীক, কৰ্তব্যপৰায়ণ অধ্যক্ষজনৰ নেতৃত্বৰ বাবেই। ছাত্ৰীসকলকযে তেখেতে কেৱল পাঠ্যপুথিৰ জ্ঞান দিয়াইছিল, তেনে নহয়। তেখেতৰ কঠোৰ ব্যক্তিত্বৰদ্বাৰা শৃংখলাবদ্ধতা, সময়ানুবৰ্তিতা, নিয়মানুবৰ্তিতাৰো পাঠ পঢ়াইছিল। শিক্ষক-শিক্ষয়িত্ৰী ছাত্ৰী কোনো পলমকৈ কলেজলৈ আহিব নোৱাৰিব। যি আহে, তেওঁ অধ্যক্ষৰ গঞ্জনা সহ্য কৰিব লাগিব। কোনো ছাত্ৰীয়েই ইউনিফৰ্ম নিপিন্ধাকৈ কলেজলৈ আহিব নোৱাৰিব। ইউনিফৰ্ম নিপিন্ধাকৈ কলেজলৈ আহিলে ঘৰলৈ নাইবা ছাত্ৰী নিবাসলৈ ঘূৰি যাব লাগিব। এইবোৰ কথাত তেখেত সমালোচনাৰ সন্মুখীন হ'লেও বা অপ্ৰিয়ভাজন হ'লেও তেখেতৰ প্ৰশাসনিক কঠোৰতা হ্ৰাস পোৱা নাছিল। মুঠতে তেখেতৰ কঠোৰ ব্যক্তিত্বই ছাত্ৰীসকলক শৃংখলাবদ্ধ কৰিছিল।

*মহেশচন্দ্ৰ দেৱগোস্বামী, কিছু স্মৃতি* নামৰ প্ৰবন্ধত আবু চামা ডাঙৰীয়াই লিখিছিল:

> গোস্বামীয়ে মহাবিদ্যালয়ত সদায় নিয়ম শৃংখলা মানি নিৰ্ধাৰিত সময়ত মহাবিদ্যালয়ৰ অনুষ্ঠান পৰিচালনা কৰিছিল। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, নৱাগতা আদৰণি সভা আৰু সাংস্কৃতিক অনুষ্ঠানসমূহ দিনতে শেষ হৈছিল, যাতে সন্ধ্যাৰ আগে আগে ছাত্ৰীসকল ঘৰলৈ যাব পাৰে। এই লেখক মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হৈ থাকোঁতে এবাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত জিলাৰ উপায়ুক্ত শ্ৰীৰাজীৱক পুৱা ৯ বজাত পতাকা উত্তোলন কৰিবলৈ নিমন্ত্ৰণ কৰিছিল। ৯ বজাত উপায়ুক্ত উপস্থিত হ'ব নোৱৰাত গোস্বামীয়ে অধ্যক্ষৰূপে এই লেখকক পতাকা উত্তোলন কৰিবলৈ অনুৰোধ কৰাত এই লেখকে পতাকা উত্তোলন কৰি বক্তৃত দি থাকোঁতে উপায়ুক্ত গৈ মহাবিদ্যালয় পাইছিল গৈ...
>
> (*মহেশচন্দ্ৰ দেৱগোস্বামী: জীৱন আৰু কৃতি*, পৃষ্ঠা ৫৭)

## মহাপুৰুষ দুজনাৰ তিথি

সেই দিনত সকলো শিক্ষানুষ্ঠান আৰু ৰাজহুৱা ঠাইত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ তিথি পাতিছিল নামপ্ৰসংগৰদ্বাৰা। এই ক্ষেত্ৰত নগাঁও ছোৱালী কলেজ ব্যতিক্ৰম আছিল। অধ্যক্ষৰ উপদেশ আৰু পৰামৰ্শ অনুযায়ী এই অনুষ্ঠানৰ কাৰ্যসূচী নিৰ্ধাৰণ কৰা হৈছিল। এজন বা দুজন বিষয়ববীয়া অধ্যাপকে কাৰ্যসূচী তৈয়াৰ কৰিছিল। সেই কাৰ্যসূচী অনুযায়ী প্ৰথম কাৰ্যসূচী হ'ব ৫ মিনিটীয়া বক্তৃতা প্ৰতিযোগিতা, দ্বিতীয় কাৰ্যসূচী ঘোষা বা বৰগীত প্ৰতিযোগিতা, তৃতীয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতা, সদৌ শেষত নামপ্ৰসঙ্গ। বক্তৃতা প্ৰতিযোগিতাৰ বিষয়বস্তু মহাপুৰুষ দুজনাৰ কোনো সাহিত্য কৃতি; যেনে—

মাতৃৰূপে বৰগীতৰ যশোদা, মাধৱদেৱৰ ঝুমুৰা, অংকীয়া ভাওনাৰ সূত্ৰধাৰী ইত্যাদি। বক্তৃতা প্ৰতিযোগিতালৈ বিশিষ্ট অতিথি এজনকো নিমন্ত্ৰণ কৰা হয়। মহাপুৰুষ দুজনাৰ সাহিত্য-সংস্কৃতি সম্পৰ্কে যি ছাত্ৰীসকলে বক্তৃতা দিছিল, সেই সম্পৰ্কে লক্ষেশ্বৰ হাজৰিকাৰ প্ৰবন্ধ *মহেশ গোসাঁই সোঁৱৰণত* চাওঁক: "মহাপুৰুষীয়া ধৰ্ম-সংস্কৃতি জীয়াই ৰখাৰ প্ৰচেষ্টা, সেইবোৰ সম্পূৰ্ণৰূপে প্ৰতিফলিত হৈছিল তেওঁৰ প্ৰাণৰ আমঠু যেন ছোৱালী কলেজৰ যোগেদিয়েই। তেওঁৰ দিনতেই সেই কলেজত নগাঁৱৰ ভিতৰতে ৰাজহুৱাভাৱে বক্তৃতা দিয়াটো ছোৱালীৰ বাবে বাধ্যতামূলক আছিল।" (*মহেশচন্দ্ৰ দেৱগোস্বামী: জীৱন আৰু কৃতি*, পৃষ্ঠা ৩৮)।

এনেদৰেই অধ্যক্ষ ডাঙৰীয়াই ছাত্ৰীসকলক মহাপুৰুষ দুজনাৰ সাহিত্য-সংস্কৃতিৰ লগত পৰিচয় কৰাই দিছিল। এনেবোৰ দিনত বন্ধ ঘোষণা কৰিলেও ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলে বন্ধ উপভোগ কৰিব নোৱাৰিছিল। তেওঁলোকৰ বাবে উপস্থিতি বাধ্যতামূলক আছিল।

উল্লেখ কৰা হৈছে মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলোৱাৰ পাছতেই তেখেতে গোটেই নগাঁও জিলাৰ উত্তীৰ্ণ ছাত্ৰীসকলৰ নাম-ঠিকনা সংগ্ৰহ কৰি, তেওঁলোকক নগাঁও ছোৱালী কলেজত নাম ভৰ্তি কৰিবলৈ আহ্বান জনাই অভিভাৱকলৈ চিঠি প্ৰেৰণ কৰিছিল। এই চিঠিৰ সুফল নগাঁও জিলাৰ গ্ৰাম্য অঞ্চলৰ মধ্যবিত্ত আৰু নিম্নমধ্যবিত্ত পৰিয়ালৰ ছোৱালীবোৰে ভোগ কৰিব পাৰিছিল। কাৰণ, ইতিমধ্যে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানেৰে এটা আৰু সেই সময়ৰ কংগ্ৰেছ সভাপতি দেৱকান্ত বৰুৱাৰ চেষ্টাত বোম্বাই স্বাধীনতা দিৱস ৰূপালী জয়ন্তী সমিতিৰ তৰফৰপৰা পোৱা আন এক লাখ টকাৰে সজা আন এটি ছাত্ৰীনিৱাস (শ্বহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰীনিৱাস)ৰদ্বাৰা ছাত্ৰীসকলৰ থকা ঠাইৰ অভাৱ দূৰ হৈছিল।

অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীয়ে মফচলীয়া জীয়ৰীবোৰৰ অভিভাৱকলৈ চিঠি লিখি শিক্ষা গ্ৰহণৰ যি আহ্বান জনাইছিল, তাৰ সফল ৰূপায়ণ হৈ শিক্ষাৰ ক্ষেত্ৰত এক জাগৰণ আনিছিল। আগতেই উল্লেখ কৰা হৈছে সেইটো মহেশচন্দ্ৰ দেৱগোস্বামীৰ কঠোৰ ব্যক্তিত্ব আৰু প্ৰশাসনৰ বাবে। অধ্যাপক-অধ্যাপিকাসকলৰ অধ্যৱসায়, শ্ৰম আৰু ছাত্ৰীৰ প্ৰতি দায়বদ্ধতাও ইয়াৰ আন এটি কাৰণ আছিল।

ইয়াৰ উপৰি সমাজৰ দুটা সম্প্ৰদায়ৰ ছোৱালীসকল যে কিমান উপকৃত হৈছিল তাৰ তুলনা নাই। সেই কথা ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞাই *মহেশচন্দ্ৰ দেৱগোস্বামী: জীৱন আৰু কৃতি* নামৰ গ্ৰন্থত এইদৰে লিখিছে:

> ছোৱালীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে ষাঠিৰ দশকৰ দ্বিতীয়টো বছৰতে নগাঁও ছোৱালী কলেজ স্থাপিত হোৱাৰ ফলত অসমত স্ত্ৰীশিক্ষাৰ সম্প্ৰসাৰণ কিমান ঘটিল, সেইটো হয়তোবা সাধাৰণ বিচাৰত বৰ ডাঙৰ কথা নহয়; কিন্তু এই কলেজখনৰ অবিহনে যে নগাঁৱৰ অন্ততঃ দুটা বিশেষ সম্প্ৰদায়ৰ ছোৱালী আৰু বহুবছৰলৈ উচ্চ শিক্ষাৰ পোহৰৰপৰা বঞ্চিত হৈ থাকিলহেঁতেন, সেই কথা অস্বীকাৰ কৰিব কোনে? নগাঁৱৰ ব্যৱসায়ী ৰাজস্থানী সম্প্ৰদায়ৰ ছোৱালীখিনিয়ে অভিভাৱকৰ কড়াক্ৰান্তিৰ হিচাপৰ মাজৰপৰা ওলাই অহাৰ সুযোগ পালে মহেশচন্দ্ৰ দেৱগোস্বামীৰ আহ্বানতে। অসমীয়া চহা মুছলমান সম্প্ৰদায়ৰ ছোৱালীখিনিও পৰম্পৰাগত ৰক্ষণশীলতাৰ আচ্ছাদন আঁতৰাই বাহিৰৰ জগৎখন চাবলৈ ওলাই আহিব পাৰিলে গোস্বামী ডাঙৰিয়াৰ আহ্বান আৰু আশ্বাসতে। এই দুটা সম্প্ৰদায়ৰ ছোৱালীখিনিক এটা গতি দিলে নগাঁও ছোৱালী কলেজেহে। নহয়, কথাটো এনেকৈ কোৱাহে ভাল হ'ব, মহেশচন্দ্ৰ দেৱগোস্বামীয়েহে।
>
> (প্ৰবন্ধ: *এটা গতিৰ যতি, এটা হাঁহিৰ স্তব্ধতা)*

সদৌশেষত ১৯৪৪ চনত স্নাতকোত্তৰ ডিগ্ৰীধাৰী ডচন হাইস্কুলৰ শিক্ষকজনৰ লগত যিগৰাকী ষষ্ঠমান শ্ৰেণীত পঢ়ি থকা ছোৱালীৰ বিবাহ হৈছিল সেইগৰাকী 'বালিকা বধূ'ৰ শিক্ষাৰ বিষয়ে নক'লে প্ৰবন্ধ আধৰুৱা হৈ ৰ'ব। *মহেশচন্দ্ৰ দেৱগোস্বামীৰ জীৱন আৰু কৃতি* নামৰ গ্ৰন্থৰ প্ৰথম প্ৰবন্ধ *মনৰ মানুহজন আৰু এৰি অহা দিনবোৰত* মহেশচন্দ্ৰ দেৱগোস্বামীৰ ধৰ্মপত্নী জ্যোতিৰ্ময়ী দেৱীয়ে নিজেই তাৰ বৰ্ণনা দিছে। বিয়াৰ দুবছৰ পিছত শান্তি বিয়া কৰাই আনি তেখেতক একেবাৰে গাঁৱৰ ঘৰত তুলিছিল: "শহুৰৰ পৰিয়ালটো আছিল অতি ৰক্ষণশীল, কটকটীয়া ধৃতি-নীতি, এহতীয়া ওৰণি। বোৱাৰীপুৱাতে চোতাল সৰা, কাঁহী-বাতি ধোৱা-পখলা, যি য'ত কৰিব লাগে কৰি গৈছিলোঁ।"

শান্তি বিয়া কৰাই আনি এবছৰমান গাঁৱৰ ঘৰত ৰাখিছিল। তাৰপাচত মাক-দেউতাকৰ অনুমতি লৈ নগাঁৱৰ ঘৰলৈ আনিলে। কাৰণ, গোস্বামীদেৱ তেতিয়া নগাঁও কলেজৰ দৰ্শনৰ অধ্যাপক। দৰ্শনৰ অধ্যাপকৰ পত্নীৰ ইমান কম পঢ়া-শুনা, সেই কথাই তেখেতক বৰ দুখ দিছিল। কিন্তু স্বামীৰ কোনো অভিযোগ নাছিল। পঢ়িবলৈ ইচ্ছা থকাতো সত্ৰৰ বোৱাৰীৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰা সম্ভৱপৰ নাছিল। সেয়েহে স্বামীয়ে কেৱল কিতাপ উপহাৰ দিছিল। অসমীয়া, বঙালী কিতাপবোৰ তেখেতে এফালৰপৰা পঢ়ি গৈছিল।

হেমকান্ত কলিতা মহেশ গোস্বামীৰ পৰম বন্ধু আছিল। তেখেত এজন পণ্ডিত ব্যক্তি আছিল: "মোক সৰুতে আগ বিয়া কৰোৱাত কম পঢ়া-শুনাৰ কাৰণে মই এখেতৰ আগত খেদ প্ৰকাশ কৰিছিলোঁ। এখেতৰ পৰমবন্ধু কলিতাকে মোক পঢ়ুৱাই দিবলৈ



ক'লে। যেনে কথা তেনে কাম।" ১৯৪৩ চনত এম ই পাছ কৰাৰ পাছত স্কুলৰ মুখ নেদেখা মানুহগৰাকীয়ে কলিতাৰ যত্নতেই ১৯৬৫ চনত বৰজীয়ৰী মঞ্জিৰাৰ লগতে প্ৰৱেশিকা পৰীক্ষা পাছ কৰিলে। সেই কলিতাৰ যত্নতেই ১৯৭৯ চনত তেখেতে প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষাও পাছ কৰে। প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষাৰ প্ৰস্তুতি পৰ্বৰ সময়ত এই লেখিকাৰো কেইদিনমান ৰাজনীতি বিজ্ঞানৰ শিক্ষিকা হোৱাৰ কথা মনত আছে। তেখেতৰ আৰু পঢ়িবৰ মন আছিল। কিন্তু ১৯৭০ চনৰপৰা গোস্বামীদেৱ অসুস্থ হৈ পৰাত, তেখেতৰ লগত অহৰহ লাগি থাকিব লগা হোৱাত পত্নী জ্যোতিৰ্ময়ী দেৱীৰ পঢ়া-শুনাৰ ইচ্ছাত যতি পৰিল।

স্বৰ্গীয়া দেৱীয়ে নগাঁৱৰ ঘৰত এটা সাঙ্গীতিক পৰিৱেশ পাইছিল আৰু সেয়ে তেখেতে নিজেও সঙ্গীত পৰিৱেশন কৰিব পাৰিছিল। ১৯৬১ চনৰ ৰবীন্দ্ৰ শতবাৰ্ষিকী সাংস্কৃতিক অনুষ্ঠানত ৰবীন্দ্ৰ সঙ্গীত পৰিৱেশন কৰিছিল বুলি প্ৰাগুক্ত প্ৰবন্ধত লিপিবদ্ধ কৰিছিল। বিয়াৰ পিছত ল'ৰা-ছোৱালীৰ জঞ্জাল নথকা সময়ত দুয়ো ফুৰিবলৈ গ'লে মুকলি ঠাই পালেই দুয়ো গীত গায়।

"তেখেতৰ মৰম চেনেহ উদাৰতাৰ কাৰণে মোৰ কি পঢ়া-শুনা, কি গান-ভাওনা, বোৱা-কটাৰপৰা ফুৰা-চকালৈকে সকলো হৈছিল।" (*মহেশচন্দ্ৰ দেৱগোস্বামী: জীৱন আৰু কৃতি*, জ্যোতিৰ্ময়ী দেৱীৰ প্ৰবন্ধ, পৃষ্ঠা ২০)। সেয়েহে ক'ব পাৰি এখন কলেজ প্ৰতিষ্ঠা কৰি মহেশচন্দ্ৰ গোস্বামীয়ে যিদৰে মধ্যঅসমৰ নাৰীসকলৰ মনোজগৎ জ্ঞানৰ পোহৰ, সংস্কৃতিৰ পোহৰেৰে উদ্ভাসিত কৰিলে, সেইদৰে ব্যক্তিগত জীৱনতো নিজৰ কমশিক্ষিতা চেনেহী পত্নীগৰাকীৰো মনৰ জগৎখন পোহৰাই তুলিলে।

এইবাৰ এখন সমাজত নাৰীশিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে দুআষাৰ লিখিব খুজিছোঁ। সন্তানৰ চৰিত্ৰগঠনৰ ক্ষেত্ৰত এজন সুশিক্ষিতা মাতৃৰ বেছি প্ৰয়োজন। শিক্ষাই মানুহৰ নৈতিক আৰু আধ্যাত্মিক উন্নতি সাধন কৰি সৎ চৰিত্ৰগঠন কৰে। তেনে এগৰাকী চৰিত্ৰৱতী মাতৃয়ে মাতৃৰূপে নিজৰ সন্তানৰো সৎচৰিত্ৰ গঢ়িব পাৰে।

বৰ্তমান যুগত মহিলাৰ কৰ্মক্ষেত্ৰ সম্প্ৰসাৰিত হৈছে। পুৰুষৰ লগতে মহিলায়ো চাকৰিজীৱী হিচাপে সংসাৰখনত আৰ্থিক অৱদান দিছে। কিন্তু চাকৰিজীৱী মহিলাগৰাকীয়ে ঘৰুৱা দায়িত্বও পালন কৰিবলগীয়া হয়। এইক্ষেত্ৰত তেওঁ যথেষ্ট ধৈৰ্যশীলতাৰ পৰিচয় দিবলগীয়া হয়। যিখন ঘৰত মহিলাই চাকৰি কৰি আৰ্থিক অৱদান দিয়ে, সেই ঘৰত মহিলাগৰাকীয়ে মিতব্যয়িতাৰ যোগেদি পৰিয়ালৰ আপদ-বিপদৰ বাবে কিছু সঞ্চয় কৰিব পাৰে।

আগৰ দিনত নাৰীক শিক্ষা দিয়াটো বিশেষ গণ্য কৰিবলগীয়া বিষয় হিচাপে ধৰা হোৱা নাছিল। এইক্ষেত্ৰত সমাজৰ কিছু অন্ধবিশ্বাসেও কাম কৰিছিল। যি সময়ক ভিত্তি কৰি বঙালী ঔপন্যাসিক স্বৰ্গীয়া আশাপূৰ্ণা দেৱীয়ে তেখেতৰ *প্ৰথম প্ৰতিশ্ৰুতি* উপন্যাস ৰচনা কৰিছিল, সেইসময়ত সেই সমাজৰ এটা ধাৰণা আছিল নাৰীয়ে পঢ়াশুনা কৰিলে অন্ধ হৈ যায়। নাৰী সেইসময়ত পুৰুষৰ বহুবিবাহ, বাল্যবিবাহ আদিৰ বলি হৈছিল। উল্লেখযোগ্য যে এইখন উপন্যাসৰ বাবে তেখেতে জ্ঞানপীঠ বঁটা লাভ কৰিছিল। বৰ্তমান সময়ত লিখা-পঢ়া কৰাটো জীয়াই থকাৰ অধিকাৰৰ দৰে এটা অধিকাৰ। সমাজৰ আধা জনসংখ্যা মহিলা। মহিলাসকল অশিক্ষিত হ'লে সমাজৰ আধা জনসংখ্যা অশিক্ষিত হৈ থাকিব।

আজিকালি প্ৰায়েই নাৰী নিৰ্যাতনৰ কথা শুনিবলৈ বা বাতৰি কাকতত পঢ়িবলৈ পোৱা যায়। এগৰাকী শিক্ষিতা নাৰী পুৰুষৰদ্বাৰা নিৰ্যাতিতা বা প্ৰতাৰিতা হ'লে তেওঁ অশিক্ষিতা বা অৰ্ধশিক্ষিতা নাৰী এগৰাকীৰ দৰে সহ্য নকৰি প্ৰতিবাদ কৰিব পাৰে, প্ৰয়োজন সাপেক্ষে আইনৰ সহায়ো ল'ব পাৰে, আনকি, আৰ্থিকভাৱে নিজৰ ভৰিৰ ওপৰত থিয় দিবও পাৰে। উল্লেখ কৰা হৈছে যে সন্তানৰ চৰিত্ৰ গঠনত শিক্ষিতা নাৰীয়ে বিশেষ ভূমিকা পালন কৰে। *স্ত্ৰীশিক্ষা আৰু নাৰী* নামৰ প্ৰবন্ধত শ্ৰীমতী তিলোত্তমা বৰুৱাই লিখিছে: "এগৰাকী ভাল পত্নীতকৈ ভাল মাতৃৰ আৱশ্যকতা বেছি। কাৰণ সুপত্নী স্বামীৰ কাৰণেহে মূল্যৱান, কিন্তু সুমাতৃ জাতীয় সম্পদ।" (*নগাঁও ছোৱালী কলেজৰ ৰূপালী জয়ন্তীৰ স্মৃতি গ্ৰন্থ*, পৃষ্ঠা ২১)।

অসমীয়া জাতিৰ এক বিশেষ অভাৱ পূৰণ কৰিবলৈকে দূৰদৃষ্টি সম্পন্ন ব্যক্তি মহেশচন্দ্ৰ দেৱগোস্বামীয়ে মধ্য অসমত নাৰীৰ উচ্চশিক্ষাৰ বাবে নগাঁও ছোৱালী কলেজ প্ৰতিষ্ঠা কৰিবলৈ দেহ-মনৰ সৰ্বস্ব শক্তি প্ৰয়োগ কৰিছিল। তেখেতৰ দিনত আৰ্থিক দৈন্য দশাত ভোগা 'চালি' কলেজত যিদৰে কিছুসংখ্যক উজ্জ্বল ৰত্নৰ সৃষ্টি হৈছিল, সেইদৰে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদান আৰু প্ৰধানমন্ত্ৰীৰ সাংসদ পুঁজিৰ ধনেৰে নিৰ্মিত বিশাল কলেজ ভৱনেও ৰত্নৰ সৃষ্টি কৰি আছে। নগাঁও ছোৱালী কলেজৰ এই কৃতকাৰ্যতাই নগাঁৱৰ ৰাইজক মহেশচন্দ্ৰ দেৱগোস্বামীৰ নাৰীশিক্ষালৈ অৱদানৰ কথা চিৰকাল সোঁৱৰাই থাকিব:

> The eighteen years of his administration of Nowgong Girls' College (1962-80) are the years of formation of sential values and wisdom upon which the college stands now. They are the years we still recall when we have to resolve as to what we must defend and protect at all costs.
>
> *Google*

আজি নগাঁও ছোৱালী কলেজৰ সোণালী জয়ন্তী বৰ্ষত শ্ৰদ্ধাৰ ছাৱলৈ একাঁজলি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিলোঁ।

---

হিমাদ্ৰি দেৱী নগাঁও ছোৱালী কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা তথা এগৰাকী বিশিষ্টা লেখিকা।

# মহীৰুহ

স্বপ্না নেওগ

নগাঁও ছোৱালী কলেজে সোণালী জয়ন্তী সামৰণি উৎসৱ উদ্‌যাপন কৰিবলৈ ওলাইছে। এক স্বৰ্ণাভ অধ্যায়। কলং সুঁতিৰে বহু পানী বাগৰিল। চৌহদৰ বহু গছ-বিৰিখেও পঞ্চাছটা বসন্তৰ সুবাস ল'লে। কলঙৰ পাৰত গঢ়ি উঠা এই সপোনৰ কাৰেঙত বহু ছাত্ৰীয়ে জীৱন গঢ়াৰ মুকুতা বুটলিলে। প্ৰাচীন সেই তপোবনসদৃশ কলেজ চৌহদৰ বৈষয়িক বাতাৱৰণ সলনি হ'ল। যিকেইজন মহান স্ৰষ্টাৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত নাৰীশিক্ষাৰ এই অনুষ্ঠানটি গঢ় লৈ উঠিছিল তেখেতসকলৰ স্মৃতি আজিও সজীৱ হৈ আছে কলেজ প্ৰাঙ্গণত— ছাত্ৰীসকলৰ হৃদয়ত। এই মহান স্ৰষ্টাসকলৰ অন্যতম বাটকটীয়া আছিল আমাৰ অতি শ্ৰদ্ধাৰ পিতৃস্বৰূপ প্ৰয়াত মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰ।

কলঙৰ পাৰত গঢ়ি উঠা নগাঁও ছোৱালী কলেজ জীয়াই থকালৈকে চামে-চামে ছাত্ৰী, শিক্ষক, কৰ্মচাৰী আৰু অভিভাৱকৰ মাজত চৰ্চা হ'ব ছাৰৰ সময়নিষ্ঠা, নিয়মানুবৰ্তিতা, স্পষ্টবাদিতা, সাহস আৰু কৰ্তব্যনিষ্ঠাৰ। মধ্য অসমত নাৰীশিক্ষাৰ বাবে সুকীয়া অনুষ্ঠান ১৯৬২ চনৰ আগলৈকে এখনো নাছিল। ১৯৬২ চনৰ ১২ ছেপ্টেম্বৰ তাৰিখে এল চি টোডী গাৰ্লছ কলেজ (বৰ্তমানৰ নগাঁও ছোৱালী কলেজ) প্ৰতিষ্ঠা কৰি ছাৰে নাৰীশিক্ষাৰ এক ইতিহাস ৰচনা কৰিলে। বহু ৰক্ষণশীল পৰিয়ালৰ পিতৃ-মাতৃৰ হৃদয় জয় কৰি ছোৱালীহঁতক উলিয়াই আনিলে। জ্ঞানৰ দীপ্তিৰে উজলাই তুলিলে অসমৰ বিভিন্ন প্ৰান্তৰ অনেক ছাত্ৰীক। বৰ্তমানৰ প্ৰশাসনীয় ভৱনটোত থকা অধ্যক্ষৰ কোঠা, বৰ্তমানৰ উপাধ্যক্ষৰ কোঠা (তেতিয়াৰ পুথিভঁৰাল) শিক্ষক জিৰণি কোঠা আৰু লগত প্ৰশাসনীয় কোঠা দুটা। সমুখত দুখন আটকধুনীয়া ফুলনি। বাটৰ কাষত এশাৰী চন্দন গছ আৰু এপ্ৰিলফুল। চালিঘৰৰ সমুখত নাৰিকল, মধুৰি, অশোকফুল। পোষ্ট-অফিচৰ ওচৰত বলীকাইৰ মাটিৰ চিকচিকীয়া বাৰাণ্ডাৰে অকণমান ঘৰটো। গুৰুকুলৰ অনুৰূপে গঢ়ি উঠা গছ-বনেৰে পৰিপূৰ্ণ আমাৰ অতি মৰমৰ নগাঁও ছোৱালী কলেজ, অতি শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰ।

১৯৭৪ চনৰ ১৬ আগষ্টৰপৰা আমি এই কলেজৰ ছাত্ৰী হোৱাৰ সুযোগ লাভ কৰিছিলোঁ। ১৯৭৪ চনৰপৰা ১৯৭৯ চনলৈকে এই সময়ছোৱাত ছাৰৰ ব্যক্তিত্বৰ ভিন্ন দিশসমূহ সামান্যভাৱে হ'লেও উপলব্ধি কৰাৰ চেষ্টা কৰিছিলোঁ।

নগাঁও জিলাৰ বালিসত্ৰত ১৯১৭ চনত মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰৰ জন্ম হৈছিল। মাতৃৰ নাম ৰোহিণী দেৱী আৰু পিতৃ কন্দৰ্প দেৱগোস্বামী। বালিসত্ৰত প্ৰাথমিক আৰু ধিং আঠগাঁৱত মাধ্যমিক স্তৰৰ ষষ্ঠ শ্ৰেণীলৈকে পঢ়ি তেখেতে গুৱাহাটীলৈ শিক্ষা গ্ৰহণৰ বাবে যায়। কলেজিয়েট স্কুলৰপৰা ১৯৩৬ চনত পাঁচটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত ছাৰ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। কটন কলেজৰপৰা ১৯৩৮ চনত লজিক বিষয়ত লেটাৰ লৈ আই এ আৰু ১৯৪০ চনত সেই কলেজৰপৰাই দৰ্শন বিষয়ত সন্মানসহ বি এ পৰীক্ষা পাছ কৰে। এইজনা মহান শিক্ষাবিদৰ জীৱন আৰু ব্যক্তিত্বক অধিকভাৱে প্ৰভাৱিত কৰিছিল ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণ আৰু হুমায়ুন কবীৰৰ দৰে যুগস্ৰষ্টা শিক্ষকে। কলিকতা বিশ্ববিদ্যালয়ত দৰ্শন বিষয়ত এম এ পঢ়ি থাকোঁতে গোস্বামী ছাৰে শিক্ষক হিচাপে লগ পাইছিল সুৰেন্দ্ৰনাথ দাসগুপ্ত, হুমায়ুন কবীৰ আৰু সৰ্বকালৰ মহান শিক্ষক ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণক। সেই বিশ্ববিদ্যালয়ৰপৰা ১৯৪২ চনত ছাৰে এম এ পৰীক্ষা পাছ কৰিছিল।

তেখেতৰ কৰ্মজীৱন আৰম্ভ হয় ভাৰত চৰকাৰৰ জনসম্পৰ্কৰক্ষী বিভাগৰদ্বাৰা প্ৰকাশিত *আমাৰ অসম শীৰ্ষক* আলোচনীৰ সম্পাদকৰূপে। (১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহৰপৰা ১৯৪৪ চনৰ জানুৱাৰী মাহলৈ) ১৯৪৪ চনত এই চাকৰি ত্যাগ কৰি ছাৰে নগাঁও ডচন হাইস্কুলত শিক্ষক হিচাপে যোগদান কৰে। সেই একে বছৰৰ জুলাই মাহত এমুঠি কৰ্মযোগী উৎসাহী লোকৰ সহযোগত নগাঁও কলেজ প্ৰতিষ্ঠা কৰে। ১৯৬২ চনলৈকে সেই কলেজৰ উপাধ্যক্ষৰ গধুৰ দায়িত্ব বহন কৰে। ১৯৬২ চনৰ ১২ ছেপ্টেম্বৰ তাৰিখে কেইগৰাকীমান মহান শিক্ষকৰ সহযোগত নগাঁও ছোৱালী কলেজ স্থাপন কৰিলে। এই কলেজতে ওঠৰ বছৰ সুদক্ষতাৰে অধ্যক্ষ হৈ থাকি তেখেতৰ বলিষ্ঠ সেৱা আগবঢ়াই ১৯৮০ চনত অৱসৰ গ্ৰহণ কৰে।

এই সুদীৰ্ঘ ওঠৰ বছৰৰ বুকুৰে পাঁচটা বছৰ (১৯৭৪-১৯৭৯) আমি ছাৰৰ সান্নিধ্য লাভ কৰাৰ সুবিধা পাইছিলোঁ। তাৰে এটা বছৰত ছাত্ৰী একতা সভাৰ সদস্যা হিচাপে ছাৰৰ লগত সঘনে যোগাযোগ হৈছিল। এগৰাকী সাধাৰণ ছাত্ৰী হিচাপে সেইসময়ত ছাৰৰ ব্যক্তিত্বত পৰিলক্ষিত হোৱা কেইটিমান অসাধাৰণ দিশৰ কথাহে ইয়াত আলোকপাত কৰিবলৈ প্ৰয়াস কৰিছোঁ।



মহেশচন্দ্ৰ দেৱগোস্বামী কেৱল এজন ব্যক্তিৰ নাম নহয়, এটা অনুষ্ঠানৰহে নাম; যি অনুষ্ঠানৰ লগত জড়িত হৈ থাকে সময়, অনুশাসন, নিষ্ঠা, স্নেহ, সময়ানুবৰ্তিতা, কৰ্তব্যপৰায়ণতা আদি বহু মানৱীয় প্ৰমূল্য। কলেজত পঢ়ি থকাৰ সময়ত এইগৰাকী মহান শিক্ষাগুৰুক এই সকলোবোৰ গুণেৰে উদ্ভাসিত হৈ উঠা দেখিছিলোঁ।

১৬ আগষ্ট ১৯৭৪ চন। নগাঁও ছোৱালী কলেজত মোৰ প্ৰথম দিন। ১৫ আগষ্টৰ সন্ধ্যা কলেজ হোষ্টেলৰ প্ৰাৰ্থনা সভাত গোস্বামী ছাৰ আৰু তেখেতৰ পৰিবাৰ জ্যোতিৰ্ময়ী দেৱী বাইদেউ উপস্থিত হৈছিল। পিন্ধনত এটা মুগাৰঙী পাঞ্জাৱী, মূৰত পাটৰ পাগুৰি আৰু শুধ বগা ধুতি। এনে এক অনন্য ব্যক্তিত্বৰ লোক ইয়াৰ আগতে লগ পোৱা মোৰ মনত নপৰে। সুদৰ্শন, সুব্যক্তিত্ব আৰু সুদৃঢ় কণ্ঠস্বৰ সত্ৰীয়া সংস্কৃতিৰ যেন সফল সাধক। শ্ৰীযুতা কুসুম গোস্বামী বাইদেউ আছিল হোষ্টেলৰ তত্ত্বাৱধায়িকা। সেইদিনাৰ সভাত ছাৰে মাত্ৰ তিনিশাৰীমান বাক্যৰে বিদায় লৈছিল। কথাকেইষাৰ এতিয়াও মাজে-মাজে বুকুত বাজে। হোষ্টেলৰ খাদ্য ঘৰৰ দৰে নহ'লেও কোনো ছাত্ৰী খাদ্যগ্ৰহণ নকৰাকৈ থাকিব নোৱাৰিব। হোষ্টেলৰ নীতি-নিয়ম উলঙ্ঘা কৰিলে ঘৰলৈ উভতি যাব লাগিব। অগ্ৰজ ছাত্ৰীক সন্মান কৰি চলিব লাগিব। যিকোনো অসুবিধা হ'লে ছাৰক জনাবলৈ ভয় কৰিব নালাগিব। ছাৰৰ কথাকেইষাৰে মনৰ ভয় বহু পৰিমাণে আঁতৰ কৰিলে আৰু নতুন পৰিৱেশত মিলা-মিছা কৰিবলৈ মনত সাহস দিলে। হোষ্টেলীয়া জীৱনৰ বাকী সময়খিনিত ছাত্ৰীৱাসৰ সকলো অনুষ্ঠানত, ছাত্ৰীৰ অসুখ-বিসুখত আৰু পৰীক্ষাৰ দুদিন আগতে ছাৰ-বাইদেউৰ আশিসেৰে ধন্য হৈছিলোঁ। হোষ্টেলৰ প্ৰত্যেক গৰাকী ছাত্ৰী আৰু কৰ্মচাৰীয়ে ছাৰৰ উপস্থিতিৰ বাবে সদায় সতৰ্ক হৈ থাকিব লাগিছিল। বছৰৰ তিনিটা বিশেষ দিনত (ছাৰ-বাইদেউ আৰু তেওঁলোকৰ সন্তানৰ জন্মদিনত) সন্ধ্যাৰ প্ৰাৰ্থনা সভাত ফল-মূল-প্ৰসাদ-মিঠাইৰে ছাৰ-বাইদেউৱে নিজে উপস্থিত থাকি সকলো ছাত্ৰীকে আপ্যায়ন কৰিছিল। আজিও উপলব্ধি কৰোঁ নগাঁও ছোৱালী কলেজৰ ছাত্ৰীৱাসতো যেন পিতৃ-মাতৃৰ স্নেহৰ অভাৱ নাছিল।

সময়ানুৱৰ্তিতা মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰৰ ব্যক্তিত্বৰ এক গুৰুত্বপূৰ্ণ দিশ। ছাৰ সদায় ঘড়ীৰ কাঁটাতকৈও আগত। এনে এটা ঘটনা ঘটিছিল কলেজ প্ৰতিষ্ঠা দিৱসৰ দিনা পতাকা উত্তোলনৰ মুহূৰ্তত। নিমন্ত্ৰিত অতিথিৰ অনুপস্থিতিত হোষ্টেলৰ মাত্ৰ সোতৰগৰাকী ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ সহযোগত পুৱা ৯ বজাৰ পতাকা উত্তোলন ৯ বজাতে অনুষ্ঠিত কৰিছিল। খঙত উত্তেজিত হৈ ছাৰে সেইদিনা দিয়া ভাষণৰ কণ্ঠস্বৰ আজিও সময়ে সময়ে কাণত বাজি উঠে— সময়মতে চলিবলৈ অনুপ্ৰেৰণা যোগায়। সন্ধ্যা ছাত্ৰীৱাসৰ প্ৰাৰ্থনাসভাত ছাৰে প্ৰতিষ্ঠা দিৱসত উপস্থিত নথকা ছাত্ৰীৰ তালিকা প্ৰস্তুত কৰি ছাৰক দিবলৈ কুসুম বাইদেউক নিৰ্দেশ দিছিল। পাছত গম পালোঁ অনুপস্থিত ছাত্ৰীৰ ঘৰলৈ একোখনকৈ পোষ্টকাৰ্ড গ'ল আৰু অভিভাৱকসকল আহি ছাৰৰ কাষ চাপিব লগা হ'ল। সেইসময়ত নিমন্ত্ৰিত অতিথি যথাসময়ত উপস্থিত নহ'লেও ছাৰে পূৰ্বে নিৰ্ধাৰিত সময়ত মেল-মিটিংবোৰ আৰম্ভ কৰিছিল।

কলেজ ইউনিফৰ্ম নিপিন্ধা ছাত্ৰীৰ ক্ষেত্ৰত ছাৰ অতি কঠোৰ আছিল। কলেজ চৌহদত অনুশাসন ভঙ্গৰ দুই এটা ঘটনাই আমোদ দিয়াৰ লগতে সোঁৱৰাই দিয়ে এজন নিপুণ প্ৰশাসকৰ সূক্ষ্ম আৰু কঠোৰ পৰ্যবেক্ষণ আৰু ব্যক্তি নিৰপেক্ষতা। বহু ছাত্ৰী ইউনিফৰ্ম নিপিন্ধাৰ দোষত কলেজৰ গেটৰপৰাই ঘৰলৈ উভতিব লগা হৈছিল। কলেজৰ সমুখৰ ৰাস্তাত ছাৰে দিনটোত বহুবাৰ অহা-যোৱা কৰিছিল। আমাৰ লগৰ এগৰাকী বান্ধৱী আছিল প্ৰয়াত গায়ত্ৰী গোস্বামী, অৰ্থনীতি বিষয়ত অনাৰ্ছ। তাই এদিন আকাশী-নীলা ব্লাউজৰ ঠাইত বগা ব্লাউজ এটা পিন্ধি আহিল। কলেজৰ মূল গেটৰ সন্মুখত ছাৰে লগ পালে। ছাৰে "গায়ত্ৰী" বুলি মাত দিয়াৰ লগে লগে তাই উভতি দৌৰিবলৈ আৰম্ভ কৰিলে। ছাৰে খঙত তাইৰ পিছ ললে। গায়ত্ৰীয়ে ভূগোল বিভাগৰ পাছফালেৰে দৌৰি আহি পুথিভঁৰাল (বৰ্তমান উপাধ্যক্ষৰ কোঠা) পালেহি। তাতে পুথিভঁৰাল সহায়ক মনোমোহন ৰাভাই তাইক আলমাৰিৰ কিনাৰত লুকাই থকাৰ পৰামৰ্শ দিলে। সেইমতেই সেইদিনা তাই ৰক্ষা পৰিল। আমাৰ জীৱনলৈ এটা শিক্ষা হ'ল। কলেজৰ দিনকেইটাত কোনোদিনেই ইউনিফৰ্ম নিপিন্ধাকৈ অহা মনত নপৰে।

আন এদিন শ্ৰেণীসমূহ চলি থকাৰ সময়তে তিনিজন ছাত্ৰক মূল গেটৰ সমুখত কাণত ধৰাই আঠু কঢ়ালে। তেওঁলোকৰ অপৰাধ আছিল তিনিওজনে সমানে অতি জোৰকৈ চাইকেল চলাই ছোৱালী খুন্দিয়াইছিল। তাৰ পৰৱৰ্তী সময়ৰপৰাই কলেজৰ দুয়োটা দিশতে "শ্ৰেণীসমূহ চলি আছে" শীৰ্ষক দুখন ফলক লাগিল। তেনে চাইকেল আৰোহীৰ সংখ্যা পিছলৈ কমিল। মাজে সময়ে শিক্ষকৰ অনুপস্থিতিত চালিঘৰৰ বিশৃঙ্খলিত শ্ৰেণীকক্ষ হঠাৎ কাঁহ পৰি জীন যায়। শ্ৰেণীৰ পিছফালৰপৰা গোস্বামী ছাৰ উপস্থিত হয়হি। ছাৰে কাৰ ক্লাছ জনাৰ পাছত সেই দিনাৰ নিৰ্দিষ্ট পাঠটো ইমান সাৱলীলভাৱে পঢ়াই দিছিল যে অসমীয়া (MIL)ৰ তেনে এটা ক্লাছৰ কথা আজিও মনত পৰে। দৰ্শন বিষয় বাদ দিও ছাৰৰ আন বিষয়ৰ পাণ্ডিত্য আৰু এজন সফল শিক্ষকৰ যোগ্যতাই আজিও আমাক আচৰিত কৰে। সেই সময়বোৰত পৰীক্ষা হলত ছাৰৰ "Good Luck" শব্দটো শুনিবলৈ আমি উৎকণ্ঠাৰে বাট চাইছিলোঁ। তৰ্জাৰ চালি ঘৰতো সেই শব্দৰ প্ৰতিধ্বনি হৈছিল।

১৯৭৫-৭৬ চনত কলেজত ছাত্ৰী একতা সভাৰ নিৰ্বাচন হোৱা নাছিল। কলেজ কৰ্তৃপক্ষই সদস্যাসকলক মনোনীত কৰিছিল।

সেই বৰ্ষত প্ৰিয়ম্বদা শইকীয়াক সাধাৰণ সম্পাদিকা, দুৰ্গাময়ী ভূঞাক সঙ্গীত সম্পাদিকা আৰু আলোচনী সম্পাদিকাৰ দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰা হৈছিল। আন শিক্ষাগুৰুৰ লগতে বিশেষভাৱে যোগেন্দ্ৰনাৰায়ণ ভূঞা ছাৰ, জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰ, তিলকচন্দ্ৰ মজুমদাৰ ছাৰ আৰু ইদ্ৰিছ আলী ছাৰে আমাক সকলো দিহা-পৰামৰ্শ দি আগুৱাই নিছিল। সেই সময়ছোৱাত হোৱা মেল-মিটিঙবোৰত প্ৰায়ে ষ্টেজত উঠি কথা ক'ব লগা হৈছিল। বহু সময়ত ঘোষিকাৰ দায়িত্বও পালন কৰিব লগা হৈছিল। অনুষ্ঠান হৈ যোৱাৰ পাছত ছাৰে পিতৃসুলভ স্নেহেৰে ভুলখিনি আঙুলিয়াই দিছিল আৰু প্ৰশংসাও কৰিছিল।

কলেজত হোৱা বিভিন্ন অনুষ্ঠানৰ অন্তত ছাৰে হাস্যৰসেৰে আমাৰ মন ভৰাই তোলাৰ লগতে কৰ্মপ্ৰেৰণা যোগাইছিল। ১৯৭৮ চনৰ পূজাৰ বন্ধৰ আগে আগে আমি কলেজত এখন নাটক কৰিছিলোঁ। নাটৰ পৰিচালক আছিল আমাৰ শ্ৰদ্ধাৰ শ্ৰীযুত গঙ্গাপদ চৌধুৰী ছাৰ। আমি প্ৰত্যেক ছাত্ৰীয়ে ১০ টাকৈ টিকট বেচিছিলোঁ, টিকটৰ হাৰ ১০ টকা। নাটকৰ নাম আছিল *এজন ৰজা আৰু এটা গাধ।* নাটকৰ অন্তত আমি ছাৰক মাত লগাবলৈ ছাৰৰ কোঠালৈ যাওঁতে ছাৰে কৈছিল গাধ ৰজাটোক লৈ কালিলৈ পুৱা গোটেইকেইজনীয়ে চৌধুৰী ছাৰৰ সৈতে মোক দেখা কৰিবা। পাছদিনা আমি নগৰাকী বান্ধৱী, চৌধুৰী ছাৰক লৈ অধ্যক্ষ মহোদয়ৰ কোঠাত সোমাওঁতেই ছাৰে হাস্যবদনে কোৱা কথাষাৰে আজিও মনত আনন্দ দিয়ে। ছাৰে কৈছিল, "এই ওখ-পাখ ডাঙৰ গাধটো তুমি ভাল বিচাৰি উলিয়ালা গঙ্গাপদ"। গাধ ৰজাৰ চৰিত্ৰত অভিনয় কৰিছিল মোৰ সহপাঠী শিক্ষাবিভাগৰ সন্মানৰ ছাত্ৰী পূৰ্ণিমা কন্দলীয়ে। ছাৰে আমাক চাহ খাবলৈ ১০০ টকা দিলে। আমি যেন আকাশ ঢুকি পালোঁ। পাৰ ভগা আনন্দৰে চলাচলত খালোঁগৈ। সেই নাটকৰ লাভাংশ ৭০০ টকাৰে চৌধুৰী ছাৰৰ পৰামৰ্শ অনুযায়ী আমি কলেজৰ সেই সময়ৰ ষ্টেজৰ বাবে এখন ক'লা আঁৰকাপোৰ কিনি দিছিলোঁ। সেই বাবে ছাৰে আমাক ধন্যবাদ জনাইছিল। কলেজৰ বিভিন্ন মেল-মিটিঙত কামটোৰ বাবে শলাগ লৈছিল।

ছাত্ৰী হৈ থাকোঁতে ছাৰৰ মহানতাক যিমান উপলব্ধি কৰিব পাৰিছিলোঁ এতিয়া বয়সৰ অভিজ্ঞতাৰে অনুভৱ কৰোঁ ছাৰে নগাঁও ছোৱালী কলেজ প্ৰতিষ্ঠা নকৰা হ'লে আমিবোৰ এতিয়া ক'ত থাকিলোঁহেঁতেন। ১৯৮৪ চনৰ মে' মাহত মই নগাঁও ছোৱালী কলেজত অস্থায়ী পদত শিক্ষয়িত্ৰী হিচাপে যোগদান কৰোঁ। সেই সময়ত অধ্যক্ষ আছিল প্ৰয়াত ৰত্নকান্ত বৰুৱা ছাৰ। সেই দিনটোত মই গোস্বামী ছাৰক বৰ শ্ৰদ্ধাৰে মনত পেলাইছিলোঁ আৰু মনোমোহন ৰাভাৰপৰা গম পাইছিলোঁ সেই সময়ত ছাৰ চিকিৎসাৰ বাবে বিদেশত থকা জীয়ৰীৰ ঘৰত আছিল। ছাৰ বিদেশৰপৰা উভতি অহাৰ পাছত আশীৰ্বাদ ল'বলৈ ছাৰৰ ঘৰলৈ গৈছিলোঁ। সেই সময়ত আমাৰ শ্ৰদ্ধাৰ গোস্বামী ছাৰৰ স্বাস্থ্যৰ বহু অৱনতি হৈছিল। ১৯৮৯ চনৰ ৩০ মে'ত এইজনা মহান শিক্ষাগুৰুৰ বিয়োগ ঘটে। কিন্তু সেই বিয়োগে কেতিয়াও মচিব নোৱাৰে ছাৰৰ কৃতিক, ছাৰৰ মহানুভৱতাক।

এজন সফল শিক্ষক, প্ৰশাসক, কবি, গীতিকাৰ, সাংবাদিক, সমালোচক, সুবক্তা, হাস্যৰসিক হোৱাৰ উপৰি ছাৰ আছিল বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাটকটীয়া। অসম কলেজ শিক্ষক সংস্থাৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল গোস্বামীদেৱ ছাৰ। ১৯৫৯ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ নগাঁও অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদক, নগাঁও সাহিত্য সভাৰ সভাপতি, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য আৰু উপ-সভাপতি হিচাপে তেখেতে অকৃত্ৰিম সেৱা আগবঢ়াইছিল। সেই সময়ৰ নগাঁৱৰ সকলোবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ জন্মলগ্নৰেপৰা ছাৰ জড়িত হৈ আছিল আৰু নগাঁও চহৰৰ সাহিত্য-সংস্কৃতিৰ জগৎখনৰ সুদৃঢ় ভেটি প্ৰতিষ্ঠা কৰিছিল।

প্ৰতিজন সফল ব্যক্তিৰ সফলতাৰ আঁৰত এগৰাকী নাৰীৰ অৱদানৰ কথা বিভিন্ন সময়ত আলোচিত হৈছে। ছাৰৰ ব্যক্তিত্বৰ সকলো দিশৰ সফলতাক মহীয়ান কৰি তুলিছিল ছাৰৰ সুযোগ্যা পত্নী আমাৰ অতি শ্ৰদ্ধাৰ প্ৰয়াত জ্যোতিৰ্ময়ী দেৱী বাইদেউৱে। কলেজ আৰু ছাত্ৰীনিবাসৰ প্ৰায়বোৰ অনুষ্ঠানলৈ বাইদেউ আহিছিল আৰু আমি সুশ্ৰী বাইদেউৰ মাতৃসুলভ স্নেহেৰে আপ্লুত হৈছিলোঁ। কলেজৰ বিভিন্ন অনুষ্ঠানলৈ বাইদেউক নিমন্ত্ৰণ দিবলৈ আমি ছাৰৰ ঘৰলৈ গৈছিলোঁ আৰু সেই সুযোগতে বাইদেউৰ হাতৰ লুচি-ভাজি খোৱাৰ সৌভাগ্য হৈছিল। বাইদেউৱে জীৱনৰ শেষসময়লৈকে ছাৰৰ প্ৰাণস্বৰূপ কলেজখনক আপোন ঘৰ বুলি কলেজৰ বিভিন্ন অনুষ্ঠানত সহযোগ কৰিছিল। ব্যক্তিগত জীৱনত এজন সফল স্বামী হোৱাৰ লগতে ছাৰ এজন সফল পিতৃও আছিল। কন্যা আৰু দুই পুত্ৰক উচ্চশিক্ষাৰে শিক্ষিত কৰি সমাজত যোগ্য স্থান লাভ কৰাত ছাৰ-বাইদেউৰ অৱদান নিশ্চয় নুই কৰিব নোৱাৰি।

মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰে নগাঁও ছোৱালী কলেজৰ প্ৰতীক চিহ্নত "চৰৈৱেতি চৰৈৱেতি" শীৰ্ষক বাণীৰে কলেজখনক গতিশীল কৰি ৰাখিবলৈ প্ৰয়াস কৰিছিল। সেই প্ৰেৰণাৰে নগাঁও ছোৱালী কলেজ ধাৱমান। আজি কলেজখনে ৫০ টা বছৰ গৰকি এক ইতিহাস ৰচনা কৰিলে। এই ইতিহাসৰ বুকুত সোণালী আখৰেৰে যুগমীয়া হৈ থাকিব অলেখ ছাত্ৰীৰ প্ৰেৰণাৰ প্ৰতীক মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰৰ নাম। তেখেতলৈ হিয়াভৰা শ্ৰদ্ধা জনালোঁ।

জয়তু নগাঁও ছোৱালী কলেজ।

---

লেখিকা স্বপ্না নেওগ নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী আৰু বৰ্তমান কলেজখনৰ শিক্ষা বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপিকা।



# বিনয়চন্দ্ৰ বৰা: স্মৃতি আৰু শ্ৰদ্ধাৰ্ঘ্য

জ্যোতিৰ্ময় জানা

দাৰ্শনিক প্ৰকৃতিৰ এক আত্মভোলা মানুহ আছিল বিনয়চন্দ্ৰ বৰা। ১৯২৯ চনৰ ১ এপ্ৰিলত পূৰ্ণিগুদামৰ হালোৱাগাঁৱত জন্মগ্ৰহণ কৰা বৰাদেৱে ১৯৬৪ চনৰ ৩ আগষ্টত নগাঁও ছোৱালী কলেজৰ (তেতিয়াৰ লালচান্দ টোডী গাৰ্লছ কলেজৰ) দৰ্শন বিভাগৰ অধ্যাপক পদত যোগদান কৰে। জহকালি তেওঁ ষ্টাফৰুমত ঘামি-জামি সোমাইছিল আৰু জাৰকালি এটা মুগা ৰঙৰ কোট আৰু এটা মুগা বৰণীয়া পেণ্ট পিন্ধি কলেজলৈ আহিছিল। জাৰকালি ৰাতিপুৱাও তেখেতৰ গাত কেতিয়াবা কেতিয়াবা ঘাম দেখা গৈছিল। তেখেতৰ লগত এটা ক্ষেত্ৰত মোৰ মিল বিচাৰি পাইছিল অগ্ৰজ সহকৰ্মী শ্ৰীখগেন শৰ্মা ৰাজখোৱাই। গৰমৰ দিনত তেখেত আৰু মই দুয়ো খুব ঘামোঁ। কিন্তু এটা পাৰ্থক্যও শ্ৰীশৰ্মা ৰাজখোৱাৰ দৃষ্টি এৰাই যোৱা নাছিল। সি হ'ল, ঘামিলে মই ঘাম মচোঁ, বৰাদেৱে নমচে। ঘামি-জামিয়েই তেওঁ বিভিন্ন বিষয়ত তৰ্কৰ অৱতাৰণা কৰে নাইবা চলি থকা তৰ্ক এটাত সবলে সোমাই যায়। তেখেতৰ আৱেগ আছিল, উত্তেজনা আছিল আৰু বাক-পটুতা আছিল, কিন্তু খং-ৰাগ পুহি ৰখা স্বভাৱ নাছিল। অত্যন্ত উত্তেজনাপূৰ্ণ তৰ্কৰ পিছতো তেওঁ প্ৰতিপক্ষ তাৰ্কিকৰ লগত ভদ্ৰ ব্যৱহাৰ কৰিছিল। সেই সময়ত কলেজত এটা সংঘবদ্ধ বাওঁপন্থী গ্ৰুপ আছিল। তাত আছিল খগেন শৰ্মা ৰাজখোৱা, গঙ্গাপদ চৌধুৰী, গুণধৰ গগৈ, ৰাজেন শইকীয়া, মহেন্দ্ৰ আহোম আৰু বীৰেনচন্দ্ৰ ডেকা। পিছলৈ জাগীৰোড কলেজৰ অধ্যক্ষৰ দায়িত্ব লৈ মহেন্দ্ৰ আহোম গুচি যায় আৰু থিং কলেজৰপৰা আহি মই সেই বাওঁপন্থী শিবিৰৰ এক অলিখিত সদস্য হৈ পৰোঁ। সৰহভাগ ক্ষেত্ৰতেই বৰাদেৱৰ তৰ্কৰ প্ৰতিপক্ষ আছিল বাওঁপন্থী শিবিৰ। সময়ে সময়ে তৰ্কবোৰে কালান্তক ৰূপ ধাৰণ কৰিছিল। বাওঁপন্থীসকলে মোটামুটি সংঘবদ্ধভাৱে তৰ্ক কৰে আৰু একে সুৰতে কথা কয়। এজন আক্ৰান্ত হ'লে আনবিলাক তেওঁৰ সমৰ্থনত আগবাঢ়ি যায়। আনফালে "অবাম"বিলাকৰ ভিতৰত তেনে ঐক্যৰ অভাৱ আছিল। ফলত তৰ্কৰ সময়ত মোৰ অগ্ৰজ সহকৰ্মী বিনয়চন্দ্ৰ বৰা প্ৰায় অকলশৰীয়া হৈ পৰিছিল। আন নালাগে, তেখেতৰ ঘনিষ্ঠ বন্ধু অসমীয়া বিভাগৰ সেই সময়ৰ কৃতী অধ্যাপক কৃষ্ণৰাম বৰাকো তেওঁ সমৰ্থকৰূপে নাপাইছিল। তথাপি বিপুল উৎসাহ, অন্তহীন উদ্যম আৰু অপৰিমেয় নিষ্ঠাৰে তেওঁ নিজৰ বিশ্বাসটোকে প্ৰতিপাদন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। তেওঁৰ পক্ষে কোন আৰু বিপক্ষে কোন সেইবোৰলৈ তেওঁ কেতিয়াও নাচাইছিল। এদিন ষ্টাফৰুমত তেওঁ নাস্তিকতাবাদৰ প্ৰসঙ্গ উলিয়াই মোক উদ্দেশি ক'লে, "পৃথিৱীত এনে কোনো বাওঁপন্থী আছে নে যাক ক্ষিতি (earth), অপ (water), তেজ (fire) আৰু মৰুৎ (fire) দিলেই তেওঁ প্ৰাণৰ সৃষ্টি কৰিব পাৰিব? কোনেও নোৱাৰে। এই কাৰণেই নোৱাৰে যে ব্যোম বা divine will নহ'লে প্ৰাণৰ আৱিৰ্ভাৱ অসম্ভৱ।" মই তেখেতকৈ বয়সত বৰ সৰু, মোৰ কোনো সমৰ্থকো তেতিয়া তাত নাছিল। সেয়েহে তৰ্ক বেছিদূৰ আগ নাবাঢ়িল। কিন্তু তেখেতৰ যুক্তিও মই মানি ল'ব পৰা নাছিলোঁ। অৱশ্যে মনা-নমনা বেলেগ কথা, যুক্তি-যুদ্ধত তেখেতৰ আন্তৰিকতাক উলাই কৰিব পৰা ক্ষমতা মোৰ নাছিল। মোৰ সেই অগ্ৰজ সহকৰ্মী বিনয়চন্দ্ৰ বৰা ছাৰৰ নামত আৰু তেওঁৰ পত্নী শ্ৰীমতী অঞ্জলি বৰা বাইদেউৰপৰা পোৱা ২০,০০০ টকীয়া অৰ্থসাহায্যত ১৯৮৬ চনৰপৰা নগাঁও ছোৱালী কলেজত প্ৰতি বছৰে পতা হয় বিনয়চন্দ্ৰ বৰা আন্তঃ-কলেজ তৰ্ক প্ৰতিযোগিতা। যোগ্য ব্যক্তিৰ নামতেই উদ্‌যাপিত হয় এই বাৎসৰিক উৎসৱ।

বিনয় বৰাদেৱে এসময়ত গানো গাইছিল। তেখেতে গোৱা গীতবোৰ সাধাৰণতে আছিল জ্যোতিপ্ৰসাদ আগৰৱালা বা বিষ্ণুপ্ৰসাদ ৰাভাই ৰচনা কৰা গীত। তেওঁৰ তাল-জ্ঞান আছিল নিখুঁত। ঘাম মছাৰ কাৰণে যিখন ৰুমাল ব্যৱহাৰ কৰিবলৈ তেওঁ প্ৰায়েই পাহৰিছিল, পকেটত পৰিপাটীকৈ ৰখা সেইখন ৰুমাল তেওঁ উলিয়াই আনিছিল গান গোৱাৰ সময়ত — তাল আৰু লয়ৰ শুদ্ধতা ৰক্ষাৰ স্বাৰ্থত। তেওঁ খুব ভাল বক্তৃতাও দিব পাৰিছিল। ১৯৬৮ চনত কলেজখনৰ ইংৰাজী বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপিকা পূৰ্ণিমা গুপ্তা মহোদয়াৰ বিদায় সভাত ইংৰাজী ভাষাত এক মনোজ্ঞ ভাষণ দি বৰাদেৱে সহকৰ্মীগৰাকীক বিদায় জনোৱা বুলি খগেন শৰ্মা ৰাজখোৱাদেৱৰপৰা জানিব পাৰিছোঁ। ইপিনে বন্ধুবৰ অধ্যাপক ৰঞ্জিত দেৱগোস্বামীৰ মুখত পূৰ্ণিমা গুপ্তাৰ

অভিনয় প্ৰতিভা সম্পৰ্কেও কিছু কথা শুনিছোঁ। তহুদ্দুক ইউচুফ পৰিচালিত *ওথেলো* নাটকত ডেছডিমোনাৰ চৰিত্ৰত অসাধাৰণ অভিনয় কৰিছিল শ্ৰীমতী গুপ্তাই। "ডেছডিমোনা"ক বিদায় দিয়া ভাষণত ইংৰাজী ভাষা ব্যৱহাৰ কৰাটো যুগুত হ'ব বুলি বৰাদেৱে বিবেচনা কৰিছিল।

বিনয়চন্দ্ৰ বৰাদেৱক মই খুব কম সময়ৰ কাৰণে পাইছিলোঁ যদিও তেওঁৰ গুণৰ সোৱাদ মই নোপোৱাকৈ থকা নাছিলোঁ। ছাত্ৰীসকলৰপৰা তেওঁৰ বিদ্যাবত্তাৰ প্ৰশংসা প্ৰায়েই শুনিছিলোঁ। কলেজ ছুটীৰ আগতে তেওঁৰ ক্লাছ থাকিলে ক্লাছ দীঘলীয়া হৈছিল। একাগ্ৰচিত্ত আৰু আত্মভোলা শিক্ষকজনে বহু সময়ত ক্লাছৰ ঘণ্টা নুশুনিছিল। ধিং কলেজত চাৰি বছৰ কাম কৰি ১৯৮১ চনত মই যেতিয়া নগাঁও ছোৱালী কলেজত যোগদান কৰোঁ তেতিয়া তৰু বৰুৱা বাইদেউ ভাৰপ্ৰাপ্তা অধ্যক্ষা আছিল যদিও কলেজৰ শিক্ষক-গোটে ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ সুযোগ্য ছাত্ৰ মহেশচন্দ্ৰ দেৱগোস্বামীৰ উত্তৰাধিকাৰীৰূপে মনোনীত কৰিছিল বিনয়চন্দ্ৰ বৰাক। প্ৰয়াত দেৱগোস্বামী আৰু প্ৰয়াত বৰা দুয়ো আছিল দৰ্শনৰ ছাত্ৰ তথা শিক্ষক। বৰাদেৱৰ উদাৰতা, পৰমতসহিষ্ণুতা আৰু কলেজখনলৈ আগবঢ়োৱা অতুলনীয় সেৱাৰ কথা সোঁৱৰিয়েই বাম-অবাম নিৰ্বিশেষে কলেজৰ সকলো শিক্ষকেই বিনয়চন্দ্ৰ বৰাক অধ্যক্ষ পদত বিচাৰিছিল। এই বিষয়ত কলেজৰ এ চি টি এ গোটেও এটা সৰ্বসন্মত সিদ্ধান্ত লৈছিল আৰু সিদ্ধান্তটো কাৰ্যকৰী কৰিবৰ বাবে বিভিন্ন মহলত যোগাযোগো কৰিছিল। শ্ৰীখগেন্দ্ৰনাথ শৰ্মা বাজখোৱাই জনোৱা মতে তেওঁলোকে এই বিষয়ত কথা পাতিবলৈ চামগুৰি বিধানসভা সমষ্টিৰপৰা নিৰ্বাচিত জনপ্ৰতিনিধি ভবেন্দ্ৰনাথ শইকীয়াৰ ওচৰলৈকো গৈছিল। কিন্তু বৰাদেৱ কলেজখনৰ অধ্যক্ষ হ'ব নোৱাৰিলে। জীৱনৰ মায়া নেওচি অকাল মৃত্যুৰ আহ্বানত সঁহাৰি জনাবলগীয়া হ'ল বিনয়চন্দ্ৰ বৰাই।

নগাঁও ছোৱালী কলেজত ২০১০ চনৰ জুলাই মাহলৈকে প্ৰাতঃকালীন বিভাগ (Morning Shift) এটা চলিছিল। মৰ্নিং ছিফ্টত ক্লাছ লোৱাটো সকলো শিক্ষকৰ বাবে বাধ্যতামূলক আছিল। ইপিনে অতিৰিক্ত পৰিশ্ৰমৰ বাবে শিক্ষক এজনে মাহিলি বেতন পাইছিল মাথোন দুশ টকা। ৰাতিপুৱা ৭-৩০ বজাৰপৰা শ্ৰেণীসমূহ বহিছিল। এসময়ত (শ্ৰীবিমলচন্দ্ৰ বৰাৰ অধ্যক্ষতাৰ দিনত) ৰাতিপুৱা ৭-১৫ৰপৰা শ্ৰেণীসমূহ আৰম্ভ কৰা হৈছিল। ইমান সোনকালে কলেজলৈ আহি দিনটো কলেজত কাম কৰিবলৈ নতুনকৈ অহা বহু শিক্ষক অনিচ্ছুক হৈ পৰিছিল। ছাত্ৰীসকলৰো মৰ্নিং ছিফ্টত ক্লাছ কৰিবলৈ ক্ৰমান্বয়ে অনীহা জন্মিছিল। তথাপি মৰ্নিং ছিফ্ট উঠাই দিয়াত কলেজে হেমাহি কৰিছিল এই কাৰণেই যে শিক্ষা বিভাগৰপৰা মৰ্নিং ছিফ্টৰ অনুমোদন কৰাই আনিবলৈ এসময়ত কলেজখনে বহু শ্ৰম ব্যয় কৰিব লগা হৈছিল। এই মৰ্নিং ছিফ্টটোৰ লগত কলেজখনৰ বহু পুৰণি শিক্ষকৰ আৱেগিক সম্পৰ্ক আছিল। মৰ্নিং ছিফ্টত ক্লাছ কৰাত তেওঁলোকৰ আপত্তি নথকাৰ আন এটা গুৰুত্বপূৰ্ণ কাৰণ আছিল এই যে কলেজখনৰ শৈশৱৰ দিনবোৰত কলেজ বহিছিল পুৱা ৬-৩০ বজাত (জাৰকালি ৭ বজাত)। গতিকে পুৱা ৭-১৫ত বা ৭-৩০ত ক্লাছ কৰাত তেওঁলোকে আপত্তিৰ কাৰণ বিচাৰি নাপাইছিল। ১৯৮১ চনত কলেজখনত যোগ দি সেই সময়ৰ শিক্ষকসকলৰপৰা গম পাইছিলোঁ যে কলেজখনৰ মৰ্নিং ছিফ্টটো হেনো "বিনয় বৰাৰ মৰ্নিং ছিফ্ট"। অৰ্থাৎ মৰ্নিং ছিফ্ট প্ৰবৰ্তনৰ গুৰিৰ মানুহজন আছিল বিনয়চন্দ্ৰ বৰা। সময়ৰ দাবীত মৰ্নিং ছিফ্ট উঠি গ'লেও ৰৈ গৈছে তাৰ স্মৃতি আৰু ছিফ্টোত পাঠদান কৰা বহু শিক্ষকো। লগত আছে সেই ছিফ্টত পাঠগ্ৰহণ কৰা বহু ছাত্ৰী।

কিন্তু মাথোন মৰ্নিং ছিফ্টৰ স্মৃতি আৰু তৰ্ক প্ৰতিযোগিতাৰ প্ৰবহমানতাৰ ওপৰতেই নগাঁও ছোৱালী কলেজত বিনয়চন্দ্ৰ বৰাৰ অস্তিত্ব নিৰ্ভৰশীল নহয়। মই বিশ্বাস কৰোঁ পৃথিৱী নামৰ এই গ্ৰহটিত নগাঁও ছোৱালী কলেজ নামৰ অনুষ্ঠানটি যিমান দিন বৰ্তি থাকিব সিমান দিনলৈ থাকিব বিনয়চন্দ্ৰ বৰাৰ স্মৃতি। কিয়নো কলেজখনক ঘাটি-মঞ্জুৰী ব্যৱস্থাৰ অধীনলৈ অনাৰ বাবে বিমলাপ্ৰসাদ চলিহাৰ ওচৰত দৰবাৰ কৰা দলটোৰ এক গুৰুত্বপূৰ্ণ সদস্য আছিল বিনয়চন্দ্ৰ বৰা। কেৱল এয়ে নহয়, কলেজখনৰ ইটা-বালি-চিমেণ্টৰ লগতো সম্পৰ্ক আছিল তেওঁৰ। বহু অগ্ৰজ সহকৰ্মীৰ মুখত শুনিছোঁ, যিটো সময়ত কলেজৰ অধ্যাপকসকলে মাহৰ পিছত মাহ ধৰি বিনা বেতনে কাম কৰিব লগা হৈছিল, অথচ তৰজা বেৰৰ তলত পকা ফ্লু'ৰ নাথাকিলে সাপ ওলোৱাৰ সম্ভাৱনা আছিল প্ৰবল, সেই সময়ত কলেজ-নিৰ্মাণৰ বহু সামগ্ৰী নিজ হাতেৰে কঢ়িয়াইছিল বিনয়চন্দ্ৰ বৰাই। কলেজখনে বনুৱাক মজুৰি দিব নোৱাৰা অৱস্থাই সৃষ্টি কৰিছিল এই কলংপৰীয়া বাস্তৱতাক। সেইবোৰ ফ্লু'ৰ, সেইবোৰ চালি-বেৰ আজি নাই। কিন্তু আছে সেইবোৰৰ ইতিহাস। সেই ইতিহাসৰ লগত সাঙুৰ খাই আছে বিনয়চন্দ্ৰ বৰাৰ স্মৃতি।

প্ৰয়াত বৰাদেৱৰ লগতে কলেজৰ এটা সমূহীয়া কামত অংশগ্ৰহণৰ সুযোগ হৈছিল মোৰ। তেতিয়া বিদেশী বিতাড়ন আন্দোলনৰ ভৰপক। অথচ কলেজৰ উন্নয়নৰ বাবে নেহৰুবালিত চলিছিল ভ্ৰাম্যমাণ থিয়েটাৰ। এদিন থিয়েটাৰ চলি থকা সময়তে কেইজনমান ছাত্ৰনেতাই আহি জনালে যে ক'ৰবাত পুলিচৰ গুলিচালনাত এজন আন্দোলনকাৰী ছাত্ৰ শ্বহীদ হৈছে।



তেওঁলোকে দাবী জনালে, থিয়েটাৰ বন্ধ কৰিব লাগিব। শ্ৰীখগেন শৰ্মা বাজখোৱাই বিনয়চন্দ্ৰ বৰাদেৱক ক'লে, "বৰা, আপুনি গৈ ল'ৰাবিলাকক নিৰস্ত কৰক। থিয়েটাৰ বন্ধ হ'লে কলেজৰ বহু ক্ষতি হ'ব। পিছদিনাখন পুনৰ প্ৰদৰ্শনী আয়োজন কৰি আজিৰ দৰ্শকক বিনা পইছাত নাটক দেখুৱাব লাগিব আৰু দুয়ো ৰাতিৰ বাবে থিয়েটাৰ পাৰ্টীক টকা আদায় দিব লাগিব।" বৰাদেৱে কাতৰভাৱে ছাত্ৰনেতাসকলক অনুৰোধ কৰিছিল প্ৰদৰ্শনী বন্ধৰ বাবে হেঁচা প্ৰয়োগ নকৰিবলৈ। কিন্তু অনুৰোধ নিসিজিল। প্ৰদৰ্শনী বন্ধ কৰিবলগীয়া হ'ল। কিন্তু পিছদিনা গম পোৱা গ'ল, যিটো মৃত্যুৰ বাতৰিত প্ৰদৰ্শনী বন্ধ কৰিব লগা হৈছিল সেই মৃত্যুটো ঘটাই নাছিল। কথাটো শুনি বৰাদেৱৰ চকু দুটা ছলচলীয়া হৈ উঠিছিল।

নামমাত্ৰ দৰমহাত চাকৰিত সোমাইছিল বিনয়চন্দ্ৰ বৰা। বিনয় বৰা ছাৰক তৰ্কত সকলো সময়তে মোৰ প্ৰতিপক্ষৰ ভূমিকা পালন কৰা তৰ্কত সকলো সময়তে আমাৰ প্ৰতিপক্ষৰ ভূমিকা পালন কৰা বিনয় বৰাছাৰক এবাৰ মোৰ ত্ৰাণকৰ্তাৰ ৰূপেও মই পাইছিলোঁ। পাইছিলোঁ কলেজৰ সাহায্যাৰ্থে নেহৰুবালিত ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰদৰ্শনী চলি থকা সময়তেই। মই তেতিয়া চফল ডেকা। মোৰ ভোজনপটুতা তেতিয়া সৰ্বজনবিদিত। থিয়েটাৰৰ কাম-কাজত নিয়োজিত শিক্ষক আৰু ছাত্ৰীসকলৰ নৈশ আহাৰৰ বাবে কলেজে ৰুটি-তৰকাৰী যোগান ধৰিছিল। এদিন থিয়েটাৰ চলি থকা সময়তে অগ্ৰজ সহকৰ্মী জয়ধন দাসে মোক জেঁক দি দি পোন্ধৰ-বিছখন ৰুটী খুৱাই দিলে। অলপ পিছতে কেবাগৰাকী ভোকাতুৰ ছাত্ৰী ওলাল। ৰুটী তেতিয়া নাই। বনজুইৰ দৰে এই কথা চাৰিওফালে বিয়পি পৰিল যে "জানা ছাৰে" বিছখন ৰুটী খালে। অগ্ৰজ সহকৰ্মী শ্ৰীযুত দাসেই ফূৰ্তিত কথাষাৰ দুই-চাৰিগৰাকী ছাত্ৰীক জনাই দিছিল। মোৰ অপৰাধবোধ হ'ল। কিন্তু মোৰ কাষত থিয় হ'ল বিনয় বৰা ছাৰ। ৰন্ধা-বঢ়া সামৰি ঘৰমুৱা হ'ব ধৰা কাৰিকৰসকলক মাতি আনি তেওঁলোকৰ হতুৱাই পুনৰ ৰুটী ভজাই ছোৱালীসকলক খুৱালে তেওঁ। সকলোৰে অভিভাৱকৰ দায়িত্ব পালন কৰিলে বিনয় বৰাদেৱে।

১৯৭০ৰ দশকৰ শেষভাগত বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্ধাৰিত বেতনক্ৰম আহিছিল যদিও বিদেশী বিতাড়ন আন্দোলনৰ পটভূমিত দৰমহা প্ৰদানৰ প্ৰক্ৰিয়া অনিয়মীয়া হয়। কেতিয়া দৰমহা হ'ব তাৰ কোনো স্থিৰতা নাছিল। এনে সময়ত ১৯৮২ চনৰ ফেব্ৰুৱাৰি মাহত এপেণ্ডিচাইটিছৰ যন্ত্ৰণাত গুৰুতৰ আক্ৰান্ত হৈছিল বৰাদেৱ। তেতিয়া বহু শিক্ষকৰে সুচিকিৎসা গ্ৰহণৰ সামৰ্থ্য নাছিল। অৱসৰকালীন পেন্সনো নাছিল। বৰাদেৱে বেমাৰটোক অৱহেলা কৰিছিল। এদিন কলেজত অগ্ৰজ সহকৰ্মী মেঘনাদ পালৰ মুখত গম পালোঁ যে বৰাদেৱ নগাঁও অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন। পালদেৱ দুয়ো একেলগে হাস্পতাললৈ দৌৰি গৈ তেখেতৰ মৰ্মন্তুদ অৱস্থা প্ৰত্যক্ষ কৰিছিলোঁ। ৰাতি বন্ধুবৰ ৰাজেন শইকীয়া আৰু মই হাস্পতালতো আছিলোঁ। শুনিছিলোঁ, এপেণ্ডিচাইটিছৰ দুঃসহ যন্ত্ৰণা সহ্য কৰিব নোৱাৰি বেদনা উপশমৰ বাবে বৰাদেৱে ঘৰত বন কৰা ল'ৰা এটাক শৰীৰত উঠাই গচকিবলৈ লগাই দিছিল। তাতেই 'বাৰ্ষ্ট' কৰিছিল পেটৰ এপেণ্ডিচাইটিছটো। তৰ্কযুদ্ধত প্ৰতিপক্ষৰ ওচৰত হাৰ নমনা বিনয়চন্দ্ৰ বৰা মৃত্যুৰ ওচৰত হাৰ মানিবলৈ বাধ্য হ'ল। তাৰিখটো হ'ল ৭ ফেব্ৰুৱাৰি ১৯৮২। তেখেতৰ বিয়োগৰ পিছত কলেজৰপৰা যিটো শোকযাত্ৰা ওলাইছিল তেনে বিশাল শোকযাত্ৰা নগাঁও নগৰৰ ইতিহাসত বিৰল। নগাঁও ছোৱালী কলেজৰ শিক্ষকসকলৰ ভিতৰত মৃত্যুবৰণ কৰা প্ৰথম গৰাকী ব্যক্তি হ'ল বিনয়চন্দ্ৰ বৰা। আজি নগাঁও ছোৱালী কলেজৰ সোণালী জয়ন্তী বৰ্ষত প্ৰয়াত বৰাদেৱলৈ মোৰ সিক্ত হৃদয়ৰ প্ৰণিপাত জনালোঁ।

---

**জ্যোতিৰ্ময় জানা নগাঁও ছোৱালী কলেজৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক।**

# ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা: কৃতি আৰু কৃতিত্ব

লীলাৱতী শইকীয়া বৰা

উনবিংশ শতিকাৰ অসমৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ বিষয়ে প্ৰণালীবদ্ধভাৱে অধ্যয়ন-গৱেষণা কৰি তথ্য সমৃদ্ধ গ্ৰন্থ ৰচনাৰে সেই শতিকাটোৰ এগৰাকী বিশেষজ্ঞ ৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হোৱা পণ্ডিত-সাহিত্যিকসকলৰ ভিতৰত ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা অন্যতম। বিভিন্ন কাৰণত অসমৰ সমাজ, ভাষা-সাহিত্য-সংস্কৃতিৰ ইতিহাসত উনবিংশ শতিকাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। ইয়াণ্ডাবু সন্ধিৰ (১৮২৬) ফলস্বৰূপে অসম ব্ৰিটিছ প্ৰশাসনৰ অধীনলৈ অহাৰ লগে লগে অসমে এটা নতুন যুগত প্ৰৱেশ কৰিছিল। 'প্ৰথমবাৰৰ কাৰণে বাহিৰৰ বিশাল জগতৰ ভাব-প্ৰবাহৰ সংস্পৰ্শলৈ অহাৰ ফলত অসমীয়াসকলৰ চিন্তা, জীৱনধাৰা আৰু বিশ্ববিখ্যাত ক্ৰান্তিকাৰী পৰিৱৰ্তনৰ সূচনা হৈছিল। একেআষাৰে ক'বলৈ গ'লে উনবিংশ শতিকাৰ গৰ্ভৰপৰাই ওলাই আহিছে আধুনিক যুগৰ অসম। গতিকে অসমবুৰঞ্জীৰ এটা যুগান্তকাৰী আৰু ৰোমাঞ্চকৰ অধ্যায়ৰ বিষয়ে জানিবলৈ আৰু বুজিবলৈ হ'লে উনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্য, সংবাদপত্ৰ আৰু নেতৃস্থানীয় ব্যক্তিসকলৰ জীৱন আৰু সাধনাৰ বিষয়ে গভীৰ অধ্যয়ন আৰু গৱেষণা হোৱা প্ৰয়োজন।' এইক্ষেত্ৰত ড° সূৰ্যকুমাৰ ভূঞা ড° হেৰম্বকান্ত বৰপূজাৰী, নন্দ তালুকদাৰ, ড° নগেন শইকীয়া, প্ৰসেনজিৎ চৌধুৰী প্ৰমুখ্যে কেইবাগৰাকীও বৰেণ্য পণ্ডিত-গৱেষকৰ অৰিহণাৰ কথালৈ আঙুলিয়াব পাৰি। কিন্তু এইসকলৰ ভিতৰত ড° যোগেন্দ্ৰনাৰায়ণ ভূঞাৰ কৃতি আৰু কৃতিত্ব অতুলনীয়। কিয়নো ভূঞাদেৱৰ মৌলিক, সম্পাদিত আটাইবোৰ গ্ৰন্থৰ অধিকাংশৰে বিষয়বস্তু উনবিংশ শতিকাৰ অসম আৰু অসমীয়া ভাষা-সাহিত্য। মধ্য উনবিংশ শতিকাৰ নগাঁৱৰ মহাফেজখানাৰ উৱলি যোৱা নথি-পত্ৰবোৰ জাৰি-জোকাৰি তাৰপৰা ব্ৰিটিছ শাসিত অসমৰ বিভিন্ন দিশৰ প্ৰকৃত তথ্য উদ্ধাৰ কৰি তাৰ প্ৰণালীবদ্ধ অধ্যয়নৰ ভিত্তিত অতীত অসমৰ বহু মূল্যৱান নতুন তথ্য পোহৰলৈ আনি আৰু পূৰ্বৰ বহু গৱেষকৰ সিদ্ধান্তত নতুন আলোকপাত কৰি যোগেন্দ্ৰনাৰায়ণ ভূঞাদেৱে এক বিৰল নিদৰ্শন দাঙি ধৰিছে।

যোগেন্দ্ৰনাৰায়ণ ভূঞাৰ জন্ম হয় ১৯৩৯ চনৰ ২৯ অক্টোবৰত নগাঁও জিলাৰ শিঙিয়া পোতনি মৌজাৰ তেনেই আওহতীয়া ঠাই তেলিয়াগাঁৱত। পিতৃ °গণেশ চন্দ্ৰ ভূঞা আৰু মাতৃ °বকুলি ভূঞাৰ মধ্যম সন্তান ড° ভূঞাদেৱে নগাঁও গভৰ্ণমেণ্ট হাইস্কুলত পঢ়ি থাকোঁতেই স্কুলৰ মুখপত্ৰ *উদয়ত* কবিতা লিখি সাহিত্যিক জীৱনৰ পাতনি মেলে। পৰৱৰ্তীকালত কবিতাৰ লগতে দুই-এটি গীত লিখিছিল যদিও বি এ পঢ়ি থকাৰ সময়তে *অসম বাণীত* প্ৰবন্ধ লিখি আৰু তাৰপাছত দুমহীয়া সাহিত্যালোচনী *আকাশীগঙ্গা* (১৯৬০-৬২) সম্পাদনা কৰি ভৱিষ্যতে এগৰাকী প্ৰসিদ্ধ গৱেষক-পণ্ডিত আৰু সুদক্ষ সম্পাদক হোৱাৰ উজ্জ্বল সম্ভাৱনা দাঙি ধৰিছিল। এইদৰে প্ৰবন্ধ ৰচনা, গ্ৰন্থ-আলোচনীৰ সম্পাদনাৰ জৰিয়তে ক্ৰমে ক্ৰমে গৱেষণাৰ বহল ক্ষেত্ৰখনলৈ সোমাই যোৱা ড° ভূঞাদেৱে মৌলিক আৰু সম্পাদনাকে ধৰি ডেৰকুৰিখনৰো অধিক গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যক বিশেষভাৱে সমৃদ্ধ কৰি থৈ গৈছে।

ড° যোগেন্দ্ৰনাৰায়ণ ভূঞাৰ প্ৰতিভাৰ স্ফুৰণ ঘটিছিল ঘাইকৈ গৱেষক-পণ্ডিত, সম্পাদক আৰু হাস্য-ব্যঙ্গ ৰসিক হিচাপে। ড° ভূঞাৰ পোন্ধৰখন মৌলিক গ্ৰন্থৰ ভিতৰত বাৰখন গৱেষণামূলক আৰু তিনিখন হাস্য-ব্যঙ্গ ৰসাত্মক। গৱেষণামূলক বাৰখন গ্ৰন্থৰ ভিতৰত পাঁচখন জীৱনী আৰু সাতখন চুটি-দীঘল বিভিন্ন প্ৰবন্ধৰ সঙ্কলন। মনকৰিবলগীয়া যে এই বাৰখন গ্ৰন্থৰ বিষয়বস্তুৱেই উনবিংশ শতিকাৰ অসমৰ ব্ৰিটিছ প্ৰশাসন, সমাজ, ভাষা-সাহিত্য, সংবাদ-পত্ৰ আৰু আধুনিক অসম গঢ়া নেতৃস্থানীয় ব্যক্তিৰ জীৱন সম্পৰ্কীয়। আনহাতে ভূঞাদেৱৰ ষোল্লখন সম্পাদিত গ্ৰন্থৰ ভিতৰতো নখনেই উনবিংশ শতিকাৰ ভাষা-সাহিত্য আৰু সেই সময়ৰ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ ভেটি গঢ়োঁতা পুৰোধা ব্যক্তি সম্পৰ্কীয়।

ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা গ্ৰন্থকাৰ হিচাপে পোহৰলৈ আহে *ৰত্নকান্ত বৰকাকতীৰ গদ্য-সম্ভাৰ* শীৰ্ষক গ্ৰন্থৰ সম্পাদক হিচাপে। তাৰপিছত আৰু পাঁচখন সম্পাদিত গ্ৰন্থ প্ৰকাশ হোৱাৰ পাছতহে ১৯৮৬ চনত তেওঁৰ প্ৰথমখন গৱেষণামূলক গ্ৰন্থ *মহাফেজখানাৰ খিড়িকীয়েদি* প্ৰকাশ পায়। দৰাচলতে গুণাভিৰাম বৰুৱাৰ *আসাম-বন্ধুৰ* নিয়মীয়া লেখক *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী* (১৯৭৭) আৰু *জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী* (১৯৮০) সম্পাদনা কৰা কাৰ্যই ভূঞাদেৱক নগাঁৱৰ মহাফেজখানাৰ নথি-পত্ৰ



খুচৰিবলৈ অনুপ্ৰাণিত কৰিছিল। নগাঁও এসময়ত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, ৰত্নেশ্বৰ মহন্ত আদি স্বনামধন্য লোকসকলৰ চৰকাৰী কৰ্মস্থান আছিল। তেখেতসকলৰ কৰ্মজীৱনৰ কিবা সংবাদ পোৱাৰ আশাতেই ভূঞাদেৱে নগাঁও মহাফেজখানাৰ ভালেমান নথি-পত্ৰ খুচৰি সেই সম্পৰ্কীয় বিভিন্ন নতুন নতুন তথ্য উদ্ধাৰ কৰিছিল। শৃঙ্খলাবদ্ধ কৰি লোৱা সেইবোৰ তথ্য আৰু মধ্য উনবিংশ শতিকাৰ অন্যান্য প্ৰাচীন গ্ৰন্থ, বাতৰি কাকত, আত্মজীৱনী আদিৰ সহায়ত তেওঁ ৰচনা কৰিছিল মধ্য উনবিংশ শতিকাৰ দলিলস্বৰূপ তিনিখন মূল্যৱান গ্ৰন্থ: *মহাফেজখানাৰ খিড়িকীয়েদি, উনবিংশ শতিকাৰ অসম-সংবাদ আৰু উঁৱলি যোৱা নথিৰপৰা*।

*মহাফেজখানাৰ খিড়িকীয়েদি* গ্ৰন্থত সাতোটা নাতিদীৰ্ঘ প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। এই প্ৰবন্ধকেইটাত উনবিংশ শতিকাৰ মাজভাগৰপৰা নৱৈ দশকলৈ ব্ৰিটিছ প্ৰাশাসনৰ প্ৰায় চল্লিছটা বছৰত অসমৰ সমাজ-সাংস্কৃতিক জগতখনৰ কেনেধৰণৰ পৰিৱৰ্তন হৈছিল, তাৰ নিদৰ্শন দাঙি ধৰা হৈছে। বিৰানব্বৈ পিঠিয়া গ্ৰন্থখনৰ আৰম্ভণিতেই গুণাভিৰাম বৰুৱা, আউনিআটীৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী, হৰিবিলাস আগৰৱালা আদি অসমহিতৈষী ব্যক্তিৰ প্ৰচেষ্টাত *ঘোষা পুথি, ৰুক্মিণী হৰণ নাটক, গুণমালা, স্যমন্ত হৰণ* আদি পুৰণি বৈষ্ণৱ পুথিয়ে প্ৰথম ছপা ৰূপ পোৱাৰ কথা আলোচনা কৰা হৈছে। তাৰ পাছত ক্ৰমে নগাঁৱত চৰকাৰী বিষয়া হিচাপে আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰশাসনীয় কাম-কাজ, সাধাৰণ কৰ্মচাৰীৰ ওপৰত ব্ৰিটিছ বিষয়াৰ নিৰ্যাতন আৰু ফুলগুৰিৰ লোমহৰ্ষক ঘটনাকে ধৰি ব্ৰিটিছ প্ৰশাসকৰ ডুখৰীয়া ছবি, অসমৰ স্কুল-আদালতৰপৰা অসমীয়া ভাষা আঁতৰাই বঙলা ভাষা চলোৱাত অসমৰ শিক্ষা আৰু প্ৰশাসনত হোৱা বেমেজালি আৰু আমেৰিকাৰ মিছনেৰিসকল খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে আহি অসমীয়া ভাষা-সাহিত্যৰ ত্ৰাণকৰ্তাৰূপে অৱতীৰ্ণ হোৱা, অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ যুঁজত দেহেকেহে লগা গুণাভিৰাম আৰু *আসাম বন্ধুত* নিয়মীয়াকৈ লিখি আধুনিক অসমীয়া সাহিত্যৰ ভেটি টনকিয়াল কৰা ৰত্নেশ্বৰ মহন্তৰ জীৱন-চৰ্যা, অসমৰ বিহু সম্পৰ্কে তৎকালীন অসমৰ মানুহৰ ধাৰণা আৰু অসমৰ প্ৰাদেশিক ৰাজপত্ৰত বিহুৰ উল্লেখ ইত্যাদি বিভিন্ন বিষয়ৰ তথ্যসমৃদ্ধ নাতিদীৰ্ঘ আলোচনা দাঙি ধৰা হৈছে।

ব্ৰিটিছ শাসিত উনবিংশ শতিকাটোৰ সুন্দৰ প্ৰতিফলন ঘটিছে ২২৪ পৃষ্ঠাৰ *উনবিংশ শতিকাৰ অসম সংবাদ* গ্ৰন্থত। গ্ৰন্থখনৰ প্ৰায় প্ৰতিটো বিষয়ৰে উৎস হৈছে নগাঁও মহাফেজখানা। শাৰীৰিক অসুস্থতাকো নেওচি ভূঞাদেৱে যিবোৰ নথি-পত্ৰ চালি-জাৰি চাই অসম-সংবাদ প্ৰস্তুত কৰিলে, সেইবোৰ নথি-পত্ৰ দৰাচলতে নগাঁৱৰহে *প্ৰশাসন-সংক্ৰান্ত;* তথাপি সেইবোৰ উনবিংশ শতিকাৰ অসমৰ সামগ্ৰিক ছবি এখনৰো আভাস দিয়ে। সেয়েহে গ্ৰন্থখনৰ উল্লিখিত নাম যথোপযুক্ত হৈছে। গ্ৰন্থখনত সন্নিৱিষ্ট অধিকাংশ প্ৰবন্ধ *আজিৰ অসম* কাকতৰ বাবে লেখা। সেয়েহে ভূঞাদেৱে "ইবোৰৰ ভাষা সংবাদ পত্ৰধৰ্মী হোৱাৰ প্ৰতি আৰু সাধাৰণ পঢ়ুৱৈৰ বোধ আৰু বুদ্ধি সংবাদী কৰাৰ প্ৰতি সততে দৃষ্টি ৰাখিছিল বুলি ব্যক্তিগত দুআষাৰত উল্লেখ কৰিছে। এই গ্ৰন্থখনৰ বিষয়বস্তুক বহলভাৱে দুটা ভাগত ভাগ কৰা হৈছে এনেদৰে: অসমৰ আদালতী ভাষা প্ৰসঙ্গ, ৰেভাৰেণ্ড মাইল্‌ছ ব্ৰনছনৰ চিঠি আৰু প্ৰাসঙ্গিক কথা, আনন্দৰাম ঢেকিয়াল ফুকন সংবাদ, গুণাভিৰাম বৰুৱাৰ ভূমিকা, দোষ-দণ্ড, আইন-আদালত ইত্যাদি আৰু বিবিধ প্ৰসঙ্গ। এই ছটা শিতানত নাতিদীৰ্ঘ সৰ্বমুঠ পঞ্চানব্বৈটা লেখা আছে। এই লেখাবোৰত উদ্ধৃত দলিল, চিঠি-পত্ৰ, চৰকাৰী নথি, বিজ্ঞপ্তি, চন-তাৰিখ, ইংৰাজ আৰু দেশীয় কৰ্মচাৰীৰ কামৰ নমুনা ইত্যাদিয়ে মধ্য উনবিংশ শতিকাৰ কিছুমান দিশ ফৰিংফুটা কৰি তুলে। গ্ৰন্থখনৰ আন এটা বিশেষত্ব হৈছে, ইয়াৰ কোনো কোনো লেখাত পূৰ্বসূৰী গৱেষকৰ সিদ্ধান্তক অমূলক প্ৰমাণ কৰি তথ্যৰ ভিত্তিত নতুন সিদ্ধান্ত প্ৰতিষ্ঠা কৰাটো, উদাহৰণ স্বৰূপে, "অসমৰ আদালতী ভাষা-প্ৰসঙ্গত ড° হেৰম্বকান্ত বৰপূজাৰীয়ে তেওঁৰ *অসমৰ নৱ জাগৰণ: অনা-অসমীয়া ভূমিকা* শীৰ্ষক গ্ৰন্থত উল্লেখ কৰা "বঙ্গৰ চৰকাৰে ১৮৩০ চনৰ এপ্ৰিল মাহত ফাৰ্চীৰ ঠাইত অসমত বঙলা ভাষাকে আদালতত প্ৰচলন কৰিলে।" বুলি কোৱা কথালৈ আঙুলিয়াব পাৰি। ড° ভূঞাদেৱে নানা নথি-পত্ৰৰ সহায়ত এই সিদ্ধান্ত ভুল বুলি প্ৰমাণিত কৰি অসমৰ আদালতত ফাৰ্চীৰ সলনি অসমীয়াহে চলি আছিল বুলি দৃঢ়তাৰে ঘোষণা কৰিছে। অসম-সংবাদত সন্নিৱিষ্ট প্ৰায় এশৰ ওচৰা-ওচৰি সংবাদধৰ্মী নাতিদীৰ্ঘ লেখাই উনবিংশ শতিকাৰ ইতিহাস প্ৰণেতাসকলক যে বিশেষভাৱে উপকৃত কৰিব, তাত সন্দেহ নাই।

*উঁৱলি যোৱা নথিৰ পৰা* গ্ৰন্থখন লেখকৰ মতেই *উনবিংশ শতিকাৰ অসম-সংবাদৰ* পৰিশিষ্ট স্বৰূপ। ইয়াৰ বিষয়বস্তুৰ চৰিত্ৰ একে। গ্ৰন্থখনৰ কিছুমান প্ৰসঙ্গ নতুন। আন কিছুমান আগৰখনৰ বিষয়বস্তুৰ পৰিপূৰক। গ্ৰন্থখনৰ নাতিদীৰ্ঘ বত্ৰিছটা লেখাৰ ভিতৰত মুখ্যতঃ সাঁচিপাতৰপৰা নতুন কাগজ কৰাৰ উদ্যোগ, গণিকা আৰু দেৱদাসী, গুৱাহাটী ডিব্ৰুগড়ৰ মাজত টেলিগ্ৰাফ সংযোগ, বৰপেটাৰপৰা কুমাৰ অনাই নগাঁৱত পাটনাদ কৰা ইত্যাদি সংবাদে উনবিংশ শতিকাৰ আৰ্থ-সামাজিক ছবি এখন সুস্পষ্ট কৰি তোলে। মুঠতে ঘাইকৈ নগাঁৱৰ মহাফেজখানাৰ নথি-পত্ৰৰ ভিত্তিত প্ৰস্তুত কৰা ভূঞাদেৱৰ এই গ্ৰন্থ তিনিখন নিঃসন্দেহে ভৱিষ্যতে উনবিংশ শতিকাৰ সামাজিক ইতিহাস প্ৰণয়নত নিৰ্ভৰযোগ্য দলিল হৈ ৰ'ব।

যোগেন্দ্ৰনাৰায়ণ ভূঞাদেৱ উনবিংশ শতিকাটোৰ প্ৰতি ইমান সচেতন আৰু আগ্ৰহী আছিল যে যিকেইগৰাকী ব্যক্তিৰ তেওঁ জীৱনী লিখিছে (কিশোৰৰ শঙ্কৰদেৱৰ বাহিৰে), সেই কেইগৰাকী উনবিংশ শতিকাৰ অসমৰ জাতীয় জীৱনৰ বিভিন্ন দিশৰ লগত

সম্পৃক্ত। ভূঞাদেৱৰ পূৰ্ণাঙ্গ জীৱনী গ্ৰন্থকেইখন হৈছে: *দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, সদাগৰ ভোলানাথ বৰুৱা* আৰু *গুণাভিৰাম বৰুৱা*। গুণাভিৰাম বৰুৱাৰ জীৱন আৰু কৰ্মই তেওঁক এনেকৈ অভিভূত কৰিছিল যে সেই একেগৰাকী ব্যক্তিক লৈ তেওঁ ইতিমধ্যে উল্লিখিত গ্ৰন্থ তিনিখনতো একোটাকৈ নাতিদীৰ্ঘ শিতান লিখিছে আৰু সাহিত্য অকাডেমিৰ বাবেও এখন মনোগ্ৰাফ ৰচনা কৰিছে। ২০০১ চনত আধুনিক অসমৰ নিৰ্মাতা গুণাভিৰাম বৰুৱাৰ পূৰ্ণাঙ্গ জীৱন-বৃত্ত প্ৰণয়ন কৰি ভূঞাদেৱে যেন এক জাতীয় দায়িত্ব পালন কৰিলে। আজিলৈকে প্ৰকাশ কৰা *গুণাভিৰাম বৰুৱা* জীৱনীখনেই ভূঞাদেৱৰ আটাইকেইখন জীৱনীৰ ভিতৰত নিঃসন্দেহে শ্ৰেষ্ঠ। এই জীৱনীখনৰ বিষয়বস্তুও আদ্যন্ত ঊনবিংশ শতিকাভিত্তিক। কিয়নো "শতিকাটোৰ সূৰ্যোদয়ৰ খন্তেক পাছৰে পৰা সূৰ্যাস্তৰ আগলৈকে গুণাভিৰাম বৰুৱাৰ জীৱন ব্যাপ্ত। তেওঁৰ জীৱনৰ পূবাহ্ন, মধ্যাহ্ন অপৰাহ্ন অচ্ছেদ্য অভেদ্যভাৱে সংযুক্ত হৈ আছে শতিকাটোৰ লগত।" সেয়েহে জীৱনীখনৰ আৰম্ভণিতে বৰুৱাৰ জীৱনৰ পটভূমি হিচাপে মান-ভগনৰ অব্যৱহৃত কালৰ ৰাজনৈতিক, আৰ্থসামাজিক ব্যৱস্থা ইত্যাদিৰ লগত ব্ৰিটিছ ঔপনিৱেশিক প্ৰশাসনৰপৰা আৰম্ভ কৰি মণিৰাম দেৱান, হলিৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, হৰকান্ত সদৰামীন আদিৰ স্বদেশ আৰু ভাষাপ্ৰীতি, ব্ৰিটিছৰ বিৰুদ্ধে গমধৰ কোঁৱৰ, পিয়লি ফুকন আদিৰ বিদ্ৰোহ আৰু শেষত দেশৰ বাবে প্ৰাণাহুতি— ইত্যাদি কথাৰ পিছত অসমীয়া ভাষাৰ নিৰ্বাসন আৰু পুনৰ্বাসন, বঙ্গৰ নৱজাগৰণ আৰু অসমত ইয়াৰ প্ৰভাৱলৈকে— এই সুদীৰ্ঘ সময়ৰ বিৱৰণ দাঙি ধৰাৰ পিছতহে গুণাভিৰামৰ জীৱন বৃত্ত আৰম্ভ কৰিছে।

মাজৰ এই অধ্যায়টোত প্ৰথম অসমীয়া সামাজিক নাট্যকাৰ গুণাভিৰাম বৰুৱাৰ বংশ পৰিচয়, জন্মৰ শুদ্ধ চন-তাৰিখ নিৰ্ণয়, শৈশৱ-কৈশোৰ যৌৱনৰপৰা আৰম্ভ কৰি কলিকতাত কটোৱা জীৱনৰ শেষমুহূৰ্তলৈকে— এই সুদীৰ্ঘ সময়ৰ ভালেমান কথা বিশেষকৈ তেওঁৰ জীৱনৰপৰা হেৰাই যাবলৈ ধৰা অনেক তথ্য ধৰি ৰাখি ড° ভূঞাদেৱে এক মহৎ কাম কৰিছে। ইয়াৰ পাছত ব্ৰিটিছ প্ৰশাসনত গুণাভিৰামৰ ভূমিকা; অসমীয়া সাহিত্যলৈ তেওঁৰ অৱদান, অসমৰ ভাষিক, শৈক্ষিক আদি জাতীয় জীৱনৰ সঙ্কটত তেওঁ লোৱা গুৰুত্বপূৰ্ণ ভূমিকা আৰু শেষত আধুনিক অসমৰ শিক্ষা, বাণিজ্য, কৃষি, স্বাস্থ্য, ধৰ্ম, ভাষা, সাহিত্য আৰু সংস্কৃতিৰ প্ৰতিটো দিশতে গুণাভিৰাম বৰুৱাই কৰা চিন্তা আৰু চেষ্টাৰ এক বাস্তৱ ৰূপ উজ্জ্বল ৰূপত ফুটাই তোলা হৈছে। গ্ৰন্থখনৰ পৰিশিষ্টত বৰুৱাই লিখা আৰু তেওঁলৈ লিখা কেইখনমান চিঠিৰ লগতে তেওঁৰ জীৱনৰ ঘটনাপঞ্জী, ৰচনাপঞ্জী সন্নিৱিষ্ট কৰি জীৱন-বৃত্তখনক পূৰ্ণাঙ্গ ৰূপ দিয়া হৈছে।

ভূঞাদেৱৰ দ্বিতীয়খন শ্ৰেষ্ঠ জীৱন-গ্ৰন্থ হৈছে 'ভাৰতীয় উদ্যোগ ক্ষেত্ৰৰ অন্যতম' সফল কৃষক *সদাগৰ ভোলানাথ বৰুৱা*। ১৩৮ পৃষ্ঠাৰ এই গ্ৰন্থখন সুপৰিকল্পিতভাৱে লিখা আঠোটা প্ৰবন্ধৰ সঙ্কলন। অসমীয়াৰ ব্যৱসায়-বাণিজ্য, পুৰণিগুদামৰপৰা কলিকতালৈ, ৰাসায়নিক সন্মিলন, ব্যৱসায় সম্প্ৰসাৰণ, কলি প্ৰৱেশ, ঘৰ আৰু ঘৰোৱাহ, ধন্যাঢ্যতা আৰু বদান্যতা, আৰু মানুহজন এই আঠোটা অধ্যায়ৰ মাজেৰে ভূঞাদেৱে অসামান্য দক্ষতাৰে 'আধুনিক অসমৰ ইতিহাসৰ এজন খাটি অসমীয়া। ধনপতি সদাগৰৰ, এজন চিৰকুমাৰ গৃহস্থী নোহোৱা বৰগৃহস্থৰ, এজন একো নিলিখা সাহিত্য সেৱকৰ, এজন দাতাকৰ্ণ দেশসেৱকৰ" মোহনীয় ছবি ফুটাই তুলি এক মহৎ কৰ্ম সম্পাদন কৰিলে। ভোলানাথ বৰুৱা সম্পৰ্কে কোনো প্ৰামাণ্য আৰ্হি গ্ৰন্থৰ অভাৱত ড° ভূঞাদেৱে কেৱল 'বিভিন্নজনে বিভিন্ন প্ৰসঙ্গত কোৱা আৰু অ'ত ত'ত সিঁচৰতি হৈ থকা কথা কেইটামান'ৰ আধাৰত ভোলানাথ বৰুৱাৰ 'স্বল্পভাষী চৰিত্ৰ, অধ্যৱসায়, পৰিশ্ৰম, পৰিচালনা আৰু ব্যৱস্থাপনা, বন্ধুত্ব, বদান্যতা, ব্যক্তিগত ৰুচিবোধ আদিৰো সুন্দৰ পৰিচয় গ্ৰন্থখনৰ মাজত দাঙি ধৰিছে। গ্ৰন্থখন পঢ়িলে এনে লাগে যেন ড° ভূঞাই সদাগৰ 'ভোলানাথ বৰুৱাক বিস্মৃতিৰ গৰ্ভৰপৰা আঁজুৰি আনি সাইলাখ ভোলানাথৰ ৰপত আমাৰ আগত দাঙি ধৰিছে। এয়া ভূঞাদেৱৰ বিস্তৃত অধ্যয়ন, কঠোৰ পৰিশ্ৰম আৰু অসীম অনুসন্ধিৎসাৰ ফলতেই সম্ভৱ হৈছে। মনকৰিবলগীয়া, এইখন গ্ৰন্থতো ভোলানাথ বৰুৱাৰ জীৱনৰ মাজেৰে ঊনবিংশ শতিকাৰ অসমত ঠন ধৰি উঠা ব্যৱসায়-বাণিজ্যৰ এক বহল আৰু বাস্তৱ ৰূপ ফুটাই তোলা হৈছে। তাকে কৰিবলৈ যাওঁতে বি বৰুৱা কোম্পানীত কাম কৰা কচোৱান, চহিচ, মালী, ৰান্ধনী, ঝাড়ুৱালী, পাঙ্খাৱালা আদিক কিমান দৰমহা দিছিল, তাৰ খবৰ দিবলৈও ভূঞাদেৱে পাহৰা নাই।

ড° ভূঞাদেৱৰ পূৰ্ণ দৈৰ্ঘৰ আনখন জীৱনী হৈছে ঊনবিংশ শতিকাৰ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ ভেটি টনকিয়াল কৰাত অৰিহণা যোগোৱা *দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা*। মাত্ৰ ৬৬ পৃষ্ঠাৰ এই জীৱনীখনত *মহৰী নিগ্ৰো, বৃষকেতু* নাটক লিখি *ঘৰ-জেউতী* আলোচনী সম্পাদনা কৰি *ল'ৰা কবিতা, উজু কবিতা, গুৰু দক্ষিণা, প্ৰাকৃতিক চিকিৎসা* আদি বিবিধ বিষয়ক গ্ৰন্থ ৰচনাৰে অসমীয়া সাহিত্য চহকী কৰা মজিন্দাৰ বৰুৱাৰ জীৱনৰ পূৰ্ণচিত্ৰ অঙ্কন কৰা হৈছে। ইয়াৰ বাহিৰে সম্পাদিত গ্ৰন্থৰ জৰিয়তেও ভূঞাদেৱে কম পৰিসৰতে *ৰত্নেশ্বৰ মহন্ত, ককা নীলমণি ফুকন* আৰু *ড° ময়িদুল ইছলাম বৰা*ৰ জীৱনৰ ৰূপৰেখা অঙ্কন কৰি অসমীয়া জীৱনী সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰি থৈ গৈছে। সংহত আৱেগ আৰু প্ৰয়োজন হ'লে ভালপোৱা ব্যক্তিজনৰো দোষ-ত্ৰুটি আঙুলিয়াই দিবলৈ কুণ্ঠাবোধ নকৰা ভূঞাদেৱৰ নিৰপেক্ষ দৃষ্টিভঙ্গীয়ে জীৱনী গ্ৰন্থকেইখনিক অনবদ্য ৰূপ দিছে।

সম্পাদিত গ্ৰন্থ আৰু ৰচনাৱলী আদিয়েও তথ্য অনুসন্ধিৎসু ভূঞাদেৱৰ গৱেষক আৰু সঙ্কলক ৰূপটো বলিষ্ঠ ৰূপত দাঙি ধৰে। বিজ্ঞানসম্মত পদ্ধতি আৰু নিৰপেক্ষ দৃষ্টিভঙ্গীৰে ৰচনা কৰা তেওঁৰ প্ৰত্যেকখন সম্পাদিত গ্ৰন্থৰ পাতনি ইমান জ্ঞানগৰ্ভ আৰু



সাৰুৱা যে পাতনিখনেই সংশ্লিষ্ট গ্ৰন্থখনৰ আৰু সামগ্ৰিক ধাৰণা এটা পাঠকৰ মনত স্পষ্ট কৰি তোলে। এই প্ৰসঙ্গত *ৰত্নেশ্বৰ মহন্ত* আৰু *জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী, বিশ্বকোষ* আদিলৈ আঙুলিয়াব পাৰি।

ড° যোগেন্দ্ৰনাৰায়ণ ভূঞাৰ প্ৰতিভাৰ আনটি প্ৰধান দিশ পোহৰাই ৰাখিছে তেওঁৰ হাস্য-ব্যঙ্গ ৰসাত্মক প্ৰবন্ধ সঙ্কলন *প্ৰায় ব্যক্তিগত, কৃপাবৰ বৰুৱালৈ* চিঠি আৰু *নৈব্যক্তিক* গ্ৰন্থই। গৱেষক-পণ্ডিত ভূঞাদেৱ এই ৰচনাবোৰত যেন 'ৰসৰাজ' ৰূপত অৱতীৰ্ণ হৈছে। বৰ্তমান অসমৰ দৈনন্দিন জীৱনৰ সৰু-সুৰা কথাৰপৰা আৰম্ভ কৰি সমাজ-সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি আদিলৈকে এই সকলো দিশত দেখা দিয়া অৱক্ষয় আৰু অনীতিলৈ লক্ষ্য কৰি ভূঞাদেৱে লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে সমাজ-সংস্কাৰৰ ভূমিকা লৈ এনে কিছুমান নাতিদীৰ্ঘ ব্যঙ্গাত্মক প্ৰবন্ধ ৰচনা কৰিছে, যিবোৰৰ বিষয়বস্তু আৰু ৰচনাভঙ্গীয়ে অসম আৰু অসমীয়াৰ অহিত চিন্তা কৰাসকলৰ লগতে ক'লা টকাৰ প্ৰাচুৰ্যত বিপথে যোৱা সকলকো নিজৰ কৰ্তব্য আৰু লক্ষ্য পোন কৰিবলৈ ইঙ্গিত দি প্ৰকাৰন্তৰে অসম আৰু অসমীয়া জাতিৰ শুভচিন্তক ৰূপে ভূঞাদেৱক সুদৃঢ় প্ৰতিষ্ঠা দিলে। এই ৰচনাবোৰে এহাতেদি মানুহক হাঁহিৰ খোৰাক যোগাইছে আৰু আনহাতেদি নিজৰ ভুল উপলব্ধি কৰি আত্ম-সংশোধন কৰাতো অনুপ্ৰেৰণা দিছে। এই ৰচনালানিয়ে অকল ভূঞাদেৱৰ ৰসিকতাৰে পৰিচয় নিদিয়ে, অধ্যয়ন পিপাসু ভূঞাদেৱৰ জ্ঞানৰ পৰিধিৰো সাক্ষ্য দিয়ে। *প্ৰায় ব্যক্তিগত* সঙ্কলনৰ অন্তৰ্গত বয়স, টোপনি, সপোন, মৃত্যু আৰু মৃত্যুভয়, বন্ধু, উপহাৰ আদিকে ধৰি সোতৰটা প্ৰবন্ধত ব্যঙ্গাত্মক দৃষ্টিভঙ্গীৰে বিষয়ৰ লগত সঙ্গতি ৰাখি দেশী-বিদেশী সাহিত্যৰপৰা ইমানবোৰ উদ্ধৃতি দাঙি ধৰিছে, যিবোৰে লেখকৰ অধ্যয়নৰ বিস্তৃতি আৰু প্ৰয়োজন মতে সেইবোৰ প্ৰয়োগ কৰিব পৰা অদ্ভুত দক্ষতাৰ পৰিচয় দিয়ে। উদাহৰণ স্বৰূপে *মৃত্যু আৰু মৃত্যুভয়* লেখাটোলৈকে আঙুলিয়াব পাৰি। ইয়াত মৃত্যু কি, কেনেকুৱা, ই কেতিয়া আৰু কেনেকৈ আহে। মৃত্যুৰ প্ৰতি কোন মানুহৰ কেনেকুৱা ধাৰণা, কোন মানুহ মৰা উচিত ইত্যাদি কথা ব্যঙ্গাত্মক ৰূপত উপস্থাপন কৰি সেইবোৰ কথাৰ সমৰ্থক ৰূপে দেশী-বিদেশী ঊনৈশ গৰাকী লেখকৰ বিভিন্ন ৰচনাৰপৰা মৃত্যু সম্পৰ্কীয় নানান কথা উদ্ধৃত কৰিছে। এনেবোৰ ৰচনাত ব্যঙ্গাত্মক হাস্যৰস সৃষ্টি কৰিবলৈ লেখকে প্ৰায়ে সহায় লৈছে ব্যজস্তুতি অলঙ্কাৰৰ। ভূঞাদেৱৰ হাস্য-ব্যঙ্গাত্মক ৰচনাৰাজিত এই অলঙ্কাৰে বিশেষকৈ প্ৰশংসাৰ চলেৰে নিন্দা কৰা ভঙ্গীয়ে বিশেষ প্ৰাধান্য লাভ কৰিছে। উদাহৰণস্বৰূপে আমাৰ ভাষা-প্ৰেম' নিবন্ধটোৰ কথা ক'ব পাৰি। ইয়াত এক আওপকীয়া প্ৰকাশভঙ্গীৰে অসমীয়া ভাষাৰ কাৰণে ঘৰিয়ালৰ চকুপানী টোকা অসম সাহিত্য সভাৰ কৰ্ণধাৰজনক প্ৰশংসাৰ চলেৰে নিন্দা কৰি এহাতেদি তেওঁৰ ভুলটো উদঙাই দিছে আৰু আনহাতেদি তেওঁৰ হঠকাৰী ৰূপটো অসমীয়া পাঠকৰ আগত তুলি ধৰিছে, যাতে পাঠকে তেওঁৰ আচল স্বৰূপটো বুজি পায়।

যোগেন্দ্ৰনাৰায়ণ ভূঞাদেৱৰ দ্বিতীয়খন ব্যঙ্গাত্মক ৰচনা সঙ্কলন হ'ল *কৃপাবৰ বৰুৱালৈ চিঠি*। গ্ৰন্থখনৰ ভিতৰলৈ সোমাই যোৱাৰ আগতে বেটুপাততে পাঠকে লেখকৰ ৰসিক মনৰ পৰিচয় পাব। ইয়াত কিতাপখনৰ নামৰ তলতে পাঁচটকীয়া এটা বগা খামৰ ছবি আছে। খামৰ সোঁফালে ওপৰত মুখত চুৰট, বাওঁহাতত ছাটি, সোঁহাতত কাকতৰ টোপোলা লৈ 'বৰপেট টিকনিৰে মূৰ লৰফৰ' কৰা কৃপাবৰ বৰুৱাৰ ছবিৰে ভাৰতীয় ডাক-টিকট। বাওঁফালে ওপৰত 'প্ৰায় ব্যক্তিগত' লিখি তাৰ তলত আঁক টনা। খামটোৰ মাজত কিছু তললৈ কৃপাবৰ বৰুৱাৰ ঠিকনা—

শ্ৰীযুত কৃপাবৰ বৰুৱা
বৈকুণ্ঠপুৰ
ডাকঘৰ- অমৰাৱতী
স্বৰ্গ

স্বৰ্গৰ অমৰাৱতীৰ বৈকুণ্ঠপুৰত থকা শ্ৰীযুত কৃপাবৰ বৰুৱালৈ চিঠি লিখিছে তেওঁৰ সুযোগ্য উত্তৰাধিকাৰী ৰসিক পণ্ডিত যোগেন্দ্ৰ নাৰায়ণ ভূঞাই মৰ্ত্যৰ সুখ-দুখৰ সকলো খবৰ জনায়। এইদৰে গ্ৰন্থৰ বেটুপাততে নিজৰ ৰসিক মনৰ পৰিচয় দি তেনেই সাধাৰণ কথা লৈ লিখা পোন্ধৰটা নাতিদীৰ্ঘ প্ৰবন্ধৰ মাজেৰে অসমীয়া সমাজৰ দোষ-গুণলৈ আওপকীয়াভাৱে আঙুলিয়াই ব্যঙ্গাত্মক হাস্যৰসৰ ভাণ্ডাৰটো যেন পাঠকৰ বাবে খুলি দিছে। এই প্ৰবন্ধলানিত তেনেই সৰু সৰু কথাৰ সমৰ্থনত লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে সংস্কৃত, অসমীয়া, বঙলা, ইংৰাজী আদি সাহিত্যৰপৰা বিবিধ কথা উদ্ধৃত কৰি সাধাৰণ কথা এটাকে অসাধাৰণ ৰূপত তুলি ধৰিছে। উদাহৰণস্বৰূপে 'চুমা' প্ৰবন্ধলৈ আঙুলিয়াব পাৰি। ইয়াত তেনেই সাধাৰণ চুমা শব্দৰ ব্যুৎপত্তি বিচাৰৰপৰা আৰম্ভ কৰি চিনেমাকে ধৰি দেশী-বিদেশী সাহিত্যত চুমাৰ উৎস, ভূমিকা ইত্যাদিৰ কথা নানা উদ্ধৃতিৰে উপভোগ্য ৰূপত প্ৰকাশ কৰিছে।

যোগেন্দ্ৰনাৰায়ণ ভূঞাদেৱৰ ব্যক্তিমুখী ৰচনাৰ শেহতীয়া সঙ্কলন *নৈৰ্ব্যক্তিক* পঁচিশটা নাতিদীৰ্ঘ প্ৰবন্ধৰ সঙ্কলন। ইয়াৰ বিষয়বস্তু তুলনামূলকভাৱে কিছু গহীন। ইয়াৰ প্ৰবন্ধ কিছুমান হৈছে, দুষ্যন্ত-মাতলি-সংবাদ, পৰেশ বৰুৱা, আই এম ডি টি আৰু ঐতিহ্য। গোপন চিঠি: কৃপাবৰ বৰুৱালে, স্বৰ্গ, নৰক আৰু গুৱাহাটী, আছু আৰু বাংলাদেশী আদি। এই প্ৰবন্ধলানিৰো অধিকাংশতে প্ৰশংসাৰ চলেৰে নিন্দা কৰি ব্যঙ্গাত্মক হাস্যৰস প্ৰকাশ কৰা হৈছে। 'স্বৰ্গ, নৰক আৰু গুৱাহাটী' শীৰ্ষক প্ৰবন্ধত লেখকে 'গুৱাহাটীত

নথকা বস্তু আন ক'তো নাই; ভূ-ভাৰত্তৰ ক'তো। কেৱল আমি 'নুগুনো নলওঁ গম।' ইয়াত ফুটপাথ আছে। সেই ফুটপাথত বাটৰুৱাই ভৰি দিব নোৱাৰাকৈ দোকান দিব পৰা আইন আছে। .....এইদৰে আৰম্ভ কৰি এক বুদ্ধিদীপ্ত ভাষাৰে অসমৰ বাণ-নিয়ন্ত্ৰণ বিভাগ, ৰাজ্যিক বিদ্যুৎ পৰিষদ, ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, পৌৰনিগম আদিৰ ফোপোলা স্বৰূপটো ব্যঙ্গাত্মক ৰূপত দাঙি ধৰি প্ৰকাৰন্তৰে সিবোৰৰ সংস্কাৰ কামনা কৰিছে। এনেবোৰ কথাৰ মাজতো বেজবৰুৱাৰ কবিতাৰ যথাৰ্থ অন্তৰ্ভুক্তিয়ে ভূঞাদেৱৰ প্ৰত্যুৎপন্নমতিতাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে।

ড° ভূঞাদেৱৰ ব্যঙ্গাত্মক ৰচনাৰাজিৰ আটাইতকৈ লক্ষণীয় দিশ হৈছে, ইবোৰৰ মাজেৰে জান-নেজানকৈ নিগৰি ওলোৱা এক অসহায় দুখবোধ; অসম আৰু অসমীয়াৰ জাতীয় অৱক্ষয় দেখি দুখত ভাগি পৰা হৃদয়ৰ বাতৰি দিবলৈ তেওঁ বেজবৰুৱাৰ কৃপাবৰৰ দৰেই হাতত কলম তুলি লৈছিল আৰু সেই কলমেৰে নৈতিকতাবিহীন অসমীয়া জাতিৰ দোষ-ত্ৰুটিবোৰ উদঙাই দি তেওঁ যেন বেদনাগধুৰ হৃদয়ৰ বোজা পাতল কৰিছে। হাস্য-ব্যঙ্গ ৰসাত্মক ৰচনা লিখিবলৈ লেখকজনৰ ঘাইকৈ সূক্ষ্মতা (Softlety), সুৰুচি (Good taste) প্ৰত্যুৎপন্নমতিতা (Presence of mind) পৰ্যবেক্ষণ শক্তি (Power of observation) আৰু নিৰপেক্ষতা (impartiulity) এইকেইটা গুণ থাকিব লাগে। ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা এইকেইটা গুণৰ অধিকাৰী। বিশেষকৈ তেওঁৰ প্ৰত্যুৎপন্নমতিতা আৰু পৰ্যবেক্ষণ শক্তি অদ্ভুত। সেয়েহে চুমাৰ কথা ক'বলৈ যাওঁতেই তেওঁৰ হঠাৎ মনলৈ আহে বিদ্যাপতি-সুৰদাসৰ কথা; ৰত্নকান্ত বৰকাকতী-ৰবীন্দ্ৰনাথ ঠাকুৰ-কালিদাসৰ কথা, লেটিন জাৰ্মান নৰৱেজিয়ানসকলৰ কথা; সংক্ষেপে ক'বলৈ গ'লে ভূঞাদেৱৰ হাস্য-ব্যঙ্গ ৰসাত্মক সাহিত্যৰাজি সমালোচকসকলে ক'বৰ দৰে 'পাণ্ডিত্য আৰু ৰসবোধৰ এক অপূৰ্ব নিদৰ্শন।'

দুষ্প্ৰাপ্য গ্ৰন্থৰ উদ্ধাৰ কৰাতো ভূঞাদেৱৰ দক্ষতা অতুলনীয়। হেমচন্দ্ৰ বৰুৱাৰ *অসমীয়া ভাষাৰ ব্যাকৰণ*ৰ (১৮৫৯) প্ৰথম সংস্কৰণ, ঢেকিয়াল ফুকনৰ *'অসমীয়া ল'ৰাৰ মিত্ৰ'*ৰ তৃতীয় কাণ্ড আৰু গুণাভিৰাম বৰুৱাৰ *কাব্য কুসুম* গ্ৰন্থ উদ্ধাৰ কৰি তেওঁ অসমীয়া ভাষা সাহিত্যৰ মহৎ উপকাৰ কৰি থৈ গৈছে। ড° ভূঞাদেৱ এগৰাকী সফল অনুবাদকো। *অসম-সংবাদ*ত সন্নিৱিষ্ট ইংৰাজীত লেখা চিঠি-পত্ৰ, নথি, বিজ্ঞপ্তি আদি নিৰহ-নিপানী অসমীয়া ভাষালৈ ৰূপান্তৰ কৰি বিৰল নিদৰ্শন দাঙি ধৰিছে।

ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা এজন বলিষ্ঠ গদ্যলেখক। উল্লেখিত ৰচনাৰাজিৰ বিষয়বস্তু অনুযায়ী তেওঁৰ গদ্য বস্তুনিষ্ঠ; কিন্তু গদ্যৰ প্ৰকৃতি আৰু কাৰ্য অনুযায়ী তেওঁৰ গদ্য একে সময়তে সমালোচনামূলক বা চিন্তাশীল আৰু তথ্যমূলক। প্ৰকাশভঙ্গীৰ পিনৰপৰাও তেওঁৰ গদ্যক সাধাৰণ চিন্তাশীল গদ্য আৰু হাস্য-ব্যঙ্গ-ৰসাত্মক গদ্য— এই দুটা ভাগত ভগাব পাৰি। ভূঞাদেৱৰ সকলো মৌলিকগ্ৰন্থৰ গদ্য আৰু সম্পাদিত গ্ৰন্থৰ পাতনিৰ গদ্য মূলতঃ চিন্তাশীল; কিন্তু প্ৰয়োজন সাপেক্ষে ঠায়ে ঠায়ে সেই গদ্যও বৰ্ণনাধৰ্মী, তথ্যমূলক, যুক্তিনিষ্ঠ, বিশ্লেষণাত্মক আৰু ব্যাখ্যাত্মক হৈ পৰিছে। আনহাতে ব্যক্তিমুখী প্ৰবন্ধৰাজিৰ গদ্য মূলতঃ ব্যঙ্গাত্মক— যি গদ্যৰ ভাষাই মানুহক একে সময়তে হঁহুৱায়ও, কন্দুৱায়ও।

এইদৰে যোগেন্দ্ৰনাৰায়ণ ভূঞাদেৱৰ সমস্ত কৃতি আৰু কৃতিত্ব বিচাৰ কৰিলে দেখা যায় যে গভীৰ স্বদেশপ্ৰেম তেওঁৰ সাহিত্যিক জীৱনৰ মূল প্ৰেৰণা। ভূঞাদেৱৰ জীৱন যেন লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনৰ আদৰ্শৰে পৰিচালিত। সেয়েহে বেজবৰুৱাৰ দৰে ভূঞাদেৱৰো জীৱনৰ স্বপ্ন অসম, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি-শিল্পৰ উন্নতি সাধন। এই স্বপ্নই তেওঁক কঠিন ৰোগৰ বিৰুদ্ধে যুঁজিও অসম আৰু অসমীয়া ভাষা-সাহিত্যৰ কাৰণে অহৰহ কাম কৰিবলৈ দুৰ্জয় শক্তি আৰু প্ৰেৰণা দিছিল। এনে এগৰাকী মহান অসমহিতৈষী ড° যোগেন্দ্ৰনাৰায়ণ ভূঞাৰ ছাত্ৰী হিচাপে আমি গৌৰৱান্বিত। শ্ৰদ্ধাৰ স্বৰলৈ আমি প্ৰণিপাত জনালোঁ।

---

লীলাৱতী শইকীয়া বৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্তা মুৰব্বী অধ্যাপিকা।



# ৰেখা দাসগুপ্তালৈ শ্ৰদ্ধাৰ্ঘ্য

পৃথিৱীতে অনন্ত কাল ধরে অফুরন্ত মানুষের আনাগোনা, তার মধ্যে অতি অল্প সংখ্যক মানুষই মৃত্যুর পরেও মানবমনে অক্ষয় স্থান নিয়ে থাকেন। সবাই কালের স্রোতে হারিয়ে যান। কিন্তু যারা ইতিহাসে অমরত্ব লাভ করলেন না তাঁদের জীবনও তুচ্ছ নয়। তেমনি একজন হলোক আমাদের রেখা দাসগুপ্তা। আমাদের নগাঁও গার্লস কলেজটা ছিল একটি বৃহৎ পরিবারের মত। ছাত্রী, শিক্ষিকা, অধ্যক্ষ সকলেই একান্ত আপনার জন। যাঁরা অফিস চালাতেন তারাও স্ব স্ব ক্ষেত্রে থেকে কলেজর সৌষ্ঠব বৃদ্ধি করতেন। আমরা কলেজের সেই প্রথম যুগের মানুষ। কলেজেই রেখা দাসগুপ্তার সঙ্গে আমার পরিচয়। সে ছিল এমন একজন যাকে অবজ্ঞা করে থাকার যো ছিলনা। কথায়, হাসিতে সে যেখানে থাকত জায়গাটাকে মাতিয়ে রাখত। কলেজের সকলের সাথেই ছিল তার অবাধ মেলামেশা। ছাত্রীমহলেও সে ছিল অত্যন্ত প্রিয় শিক্ষিকা। আমরা সুদীর্ঘ সাঁইত্রিশ বছর একসঙ্গে কাটিয়েছি। আজ কত কথা, কত স্মৃতি মনে পড়ছে। কিন্তু তা আমার মনের গভীরে রয়েছে তত মা পুরোপুরি ভাবে উন্মোচিত করতে পারবো না। তবে রেখার কতগুলো অনুকরণযোগ্য গুণ ছিল তাতেই সে আমার কাছে উজ্জ্বল হয়ে উঠেছে। তার জীবনে যখন খুবই মানসিক সংগ্রাম চলছে তখনও সে স্থিতপ্রজ্ঞের মত সব কিছুকে পায়ে দলে মাথা উঁচু করে থেকেছে। তাকে কখনও দুঃখের কাছে মাথা নত করতে দেখিনি। বাইরে হাসির ছটা দিয়ে সে অন্তরের অশ্রুকে ঢেকে রাখতে জানত। তার রসিকতা করারও একটা সহজাত গুণ ছিল। আর আমার জীবনে তার অবদানের শেষ নেই। আমাদেরকে একটুও না জানিয়ে রেখা হঠাৎ চলে গেল। তার যাওয়ার চারদিন আগেও তার হাস্যোজ্জ্বল মুখটা দেখে এসেছিলাম। আমরা মানি, মৃত্যুই শেষ নয়, সে পুনরান্তের আমার সূচনা। সে আবার ফিরে আসবে কোথাও না কোথাও। তার হাসি গল্পে আবার তার নবজীবন মুখরিত হয়ে উঠবে।

ইন্দিৰা ভট্টাচাৰ্য

নগাঁও ছোৱালী কলেজৰ দৰ্শন বিভাগৰ কৃতী শিক্ষয়িত্ৰী আছিল ৰেখা দাসগুপ্তা। ১৯৪৩ চনৰ ৫ ডিচেম্বৰ তাৰিখে কলিকতাত জন্মগ্ৰহণ কৰা ৰেখা দাসগুপ্তাই কলিকতাতে স্কুলীয়া শিক্ষা গ্ৰহণ কৰে। ১৯৬২ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা দৰ্শনত অনাৰ্ছ লৈ বি এ ডিগ্ৰী লয়। ১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা দৰ্শনত এম এ পাছ কৰে। ১৯৬৫ চনৰ ৬ জুলাইত নগাঁও ছোৱালী কলেজত অধ্যাপিকা হিচাপে যোগদান কৰি ২০০৩ চনৰ ৩১ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰে।

ৰেখা বাইদেউলৈ মনত পৰিলেই মানসপটত ভাঁহি উঠে এনে এগৰাকী শিক্ষয়িত্ৰী যাৰ গাত আদৰ্শ শিক্ষকৰ সকলো গুণেই আছিল। বাইদেউৰ সুন্দৰ পোছাক-পৰিচ্ছদ, কথনভঙ্গী আৰু সৰলতাই ছাত্ৰী অৱস্থাতেই আমাক আকৰ্ষণ কৰিছিল। জীৱনত সংস্পৰ্শলৈ অহা আৰু সান্নিধ্য লাভ কৰা বিভিন্নজনে ভিন ভিন ধৰণে প্ৰত্যেকৰে জীৱনত প্ৰভাৱ পেলায়। কিন্তু সকলোৰে প্ৰভাৱ সুদুৰ প্ৰসাৰী নহয়। আনহাতে এজন আদৰ্শ শিক্ষকৰ প্ৰভাৱ জীৱনত আনন্দদায়ক আৰু প্ৰেৰণাদায়ক হৈ ৰয়। ৰেখা বাইদেউক শিক্ষক হিচাপে পালোঁ চাৰিবছৰ আৰু সহকৰ্মী হিচাপেও সঙ্গ লাভ কৰিলোঁ ১৯৮৩ চনৰপৰা অৱসৰ লোৱা পৰ্যন্ত। তেখেতৰ বন্ধু ভাবাপন্ন মনোভাব আৰু আকৰ্ষণীয় ব্যক্তিত্বই ছাত্ৰীসকলক জীৱন গঢ়াত অনুপ্ৰেৰণা যোগাইছিল।

ৰেখা বাইদেউ অকল শিক্ষকেই নাছিল। কলেজৰ সকলো কামত (শিক্ষক আন্দোলন), সৰস্বতী পূজা, শঙ্কৰদেৱৰ তিথি আদিত সক্ৰিয় অংশগ্ৰহণ কৰিছিল।

উচ্চ চিন্তা আৰু সহজ-সৰল জীৱনযাপনে বাইদেউক বিনয়ী আৰু মৰমিয়াল কৰি তুলিছিল। অকল ছাত্ৰীৰ প্ৰতিয়েই নহয় কলেজ পৰিয়ালৰ আন সদস্যসকলৰ ক্ষেত্ৰতো বাইদেউ আছিল সংবেদনশীল আৰু সহানুভূতিশীল।

ৰসিকতা বাইদেউৰ ব্যক্তিত্বৰ আন এটা বিশেষ গুণ। কলেজৰ শিক্ষক জিৰণি কোঠাত নিজেও অন্তৰ খুলি হাঁহিছিল আৰু আনকো হঁহুৱাইছিল। বাইদেউ আমাৰ আটাইৰে বাবে আছিল আৰ্হি স্বৰূপ।

২০০৯ চনৰ ৫ নৱেম্বৰ তাৰিখে কলিকতাত বাইদেউৰ দেহাৱসান ঘটে। বাইদেউৰ আত্মা শান্তিত থাকক— সেয়ে আমাৰ কামনা।

ড° গায়ত্ৰী দেৱী

---

ইন্দিৰা ভট্টাচাৰ্য নগাঁও ছোৱালী কলেজৰ বাংলা বিভাগৰ অৱসৰপ্ৰাপ্তা প্ৰধান অধ্যাপিকা আৰু ড° গায়ত্ৰী দেৱী কলেজখনৰ দৰ্শন বিভাগৰ সহযোগী অধ্যাপিকা।

# স্মৃতিৰ বুলনিৰে প্ৰয়াত জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰৰ বিষয়ে দুআষাৰ

মৰমী গায়ন

পঞ্চাছ বছৰীয়া নগাঁও ছোৱালী কলেজৰ গৌৰৱময় ইতিহাসত যিসকল ব্যক্তি তথা অধ্যাপক-অধ্যাপিকাৰ ত্যাগ আৰু অৱিহণা সজীৱ হৈ আছে সেইসকল আমাৰ বাবে চিৰনমস্য। যিসকলে সমাজৰ মানসপটত স্মৃতিৰ চাপ বহুৱাই আঁতৰি গৈছে সেইসকলক আমি সোঁৱৰিব খোজোঁ, তেখেতসকলৰ সান্নিধ্য আৰু পাই হেৰুৱাৰ বেদনাৰ মাজেৰে। মাত্ৰ আজি কেইমাহমান পূৰ্বে সকলোকে শোক সাগৰত পেলাই আমাৰ মাজৰপৰা চিৰবিদায় লোৱা স্বৰ্গীয় জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰৰ কথা কোনেও পাহৰিব নোৱাৰোঁ। নগাঁও ছোৱালী কলেজৰ সোণালীজয়ন্তী বৰ্ষ উদ্‌যাপনৰ শুভক্ষণত তেখেতৰ বিষয়ে কিছু কথা ডাঙি ধৰাটো সমীচীন হ'ব।

**জন্ম আৰু শিক্ষা**

জ্যোতিনাথ চক্ৰৱৰ্তীৰ জন্ম হয় ১৯৩৬ চনৰ ৪ ডিচেম্বৰ তাৰিখে গোৱালপাৰাত। তেখেতৰ দেউতাকৰ নাম নিশিলাল চক্ৰৱৰ্তী আৰু মাতৃৰ নাম ভদ্ৰাৱতী দেৱী। দেউতাক গোৱালপাৰা হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক আছিল। চাকৰিসূত্ৰে গোৱালপাৰাত আছিল যদিও তেখেতসকলৰ আচল ঘৰ বিলাসীপাৰা মহকুমাৰ হাকামা গাঁৱত। হাকামা গাঁওখনৰ ব্ৰাহ্মণ পৰিয়ালসমূহ ১৯ শতিকাৰ শেষভাগৰপৰাই যথেষ্ট উচ্চশিক্ষিত আৰু আগবঢ়া আছিল। এনে এটা পৰিৱেশত তেখেতে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল ৰোকাখাতা প্ৰাথমিক স্কুলত। ধুবুৰীৰ গৱৰ্ণমেণ্ট ল'ৰা হাইস্কুলৰপৰা ১৯৫৪ চনত মেট্ৰিক পাছ কৰে। তাৰপিছত ১৯৫৬ চনত প্ৰৱেশিকা আৰু ১৯৫৮ চনত ধুবুৰীৰ বি এন কলেজৰপৰা বি এ পাছ কৰে। চক্ৰৱৰ্তীদেৱে ১৯৫৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিভাগত নামভৰ্তি কৰে আৰু ১৯৬৩ চনত তেখেতে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

শিক্ষাগ্ৰহণৰ লগে লগে তেখেতে শাস্ত্ৰীয় সঙ্গীতৰ পণ্ডিত বীৰেন্দ্ৰনাথ ফুকনৰ ওচৰত শাস্ত্ৰীয় সঙ্গীতৰো অনুশীলন কৰিছিল। অৱশ্যে সৰুৰেপৰাই পিতৃৰ ওচৰত ৰাভা সঙ্গীত, জ্যোতি সঙ্গীত আদিৰ তালিম লৈছিল, লগতে গোৱালপৰীয়া লোকগীতৰো চৰ্চা কৰিছিল।

**কৰ্মজীৱন**

১৯৬৩ চনত এম এ পাছ কৰি তেখেতে গৌৰীপুৰত নতুনকৈ আৰম্ভ হোৱা প্ৰমথেশ বৰুৱা কলেজত প্ৰৱক্তা হিচাপে যোগ দিয়ে। ১৯৬৫ চনৰ ২৩ ফেব্ৰুৱাৰিত তেখেতৰ বিবাহ সম্পন্ন হয় এল চি টৌডী গাৰ্লছ কলেজ (পিছলৈ নগাঁও ছোৱালী কলেজ)ত ৰাজনীতি বিজ্ঞান বিভাগত অধ্যাপনা কৰা শ্ৰীযুতা হিমাদ্ৰি দেৱী বাইদেউৰ লগত। ১৯৬৫ চনৰ ১৬ জুলাই তাৰিখে জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰে এল চি টৌডী কলেজত যোগদান কৰে। তেখেতে কলেজৰ পাঠদানৰ ক্ষেত্ৰত নিয়াৰিকৈ কাৰ্য সম্পাদনৰ লগতে ছাত্ৰীসকলক পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত উন্নতি সাধন কৰিবলৈ প্ৰেৰণা দিছিল। এইখিনিতে উল্লেখ কৰা সমীচীন হ'ব যে নগাঁও ছোৱালী কলেজৰ প্ৰায় প্ৰতিটো বিভাগৰ দৰে ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰৱক্তাসকলে বিশেষকৈ জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰেও ছাত্ৰীসকলক শৈক্ষিক দিশত উন্নতি কৰিবলৈ কলেজৰ পাঠ্যপুথিৰ উপৰি উচ্চমান বিশিষ্ট সহায়ক গ্ৰন্থ (reference book) যোগান দিছিল। যাতে তেওঁলোকে অধ্যয়ন কৰি কলেজলৈ সুনাম কঢ়িয়াই আনিব পাৰে। এনে প্ৰচেষ্টাৰ বাবেই ১৯৭৩ চনত এই কলেজৰ ছাত্ৰী কাজল দাস আৰু ১৯৭৪ চনত তপতী দেৱে কলেজৰপৰা প্ৰথম শ্ৰেণীৰ প্ৰথমস্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

জ্যোতি চক্ৰৱৰ্তী ছাৰৰ এটা বিশেষ গুণ আছিল। তেখেতে প্ৰায়ে ছাত্ৰীসকলক অফ্ পিৰিয়দত কলেজ লাইব্ৰেৰিলৈ লৈ গৈছিল। নিজে কিতাপ নিৰ্বাচন কৰি দি কেনেদৰে পঢ়িব আৰু লিখিব লাগে দেখুৱাই দিছিল। ছাত্ৰীসকলে লাইব্ৰেৰিৰ সৎ ব্যৱহাৰ কৰিব পাৰে তালৈ লক্ষ্য ৰাখিছিল। আৰ্থিকভাৱে অস্বচ্ছল কলেজখনৰ আৱয়বিক দিশৰ উন্নতিৰ অৰ্থে কলেজ পৰিয়লে লোৱা প্ৰতিটো কামত তেখেতে আন্তৰিকতাৰে সহযোগিতা আগবঢ়াইছিল। বিশেষকৈ লটাৰি পতাৰ বিষয়ত তেখেতৰ সহযোগিতা প্ৰশংসনীয়। জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰৰ অধ্যয়ন স্পৃহা আছিল গভীৰ। ১৯৮৯ চনত তেখেতে ডক্টৰেট ডিগ্ৰী লাভ কৰে। নগাঁও



ছোৱালী কলেজৰ শিক্ষকসকলৰ ভিতৰত এইক্ষেত্ৰত তেওঁ প্ৰথম আছিল। ড° নিৰু হাজৰিকাৰ তত্ত্বাৱধানত তেখেতে গৱেষণ কৰা বিষয়টি আছিল—

"The impact of immigration in Assam from 1901 to 1971 with special reference to Nowgong District."

তেখেতৰ কৰ্মজীৱনৰ মাজত সাঙোৰ খাই পৰিছিল কলেজৰ সাংস্কৃতিক জগতখন। তেখেতৰ সমসাময়িক কালতে এল চি টৌডী কলেজত মঙ্গলদৈৰ প্ৰসিদ্ধ গীতিকাৰ সুৰকাৰ শ্ৰদ্ধাৰ ইদ্ৰিছ আলী ছাৰে অসমীয়া বিভাগত প্ৰৱক্তাৰূপে যোগদান কৰে আৰু চক্ৰৱৰ্তী ছাৰ আৰু ইদ্ৰিছ আলী ছাৰৰ মিলন যেন 'মণি কাঞ্চন সংযোগ'হে হ'ল। দুয়ো এল চি টৌডী কলেজৰ সাংস্কৃতিক বিভাগটোৰ উত্তৰোত্তৰ উন্নতি সাধনত ব্ৰতী হয়। চক্ৰৱৰ্তী ছাৰে কলেজৰ ছাত্ৰীসকলক সঙ্গীতৰ ক্ষেত্ৰত আগবাঢ়িবলৈ প্ৰেৰণা দিছিল আৰু আন্তঃকলেজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সুনাম অৰ্জন কৰিবলৈ দুয়োজনেই অনুশীলন কৰাইছিল, ছাত্ৰীসকলেও বঁটা লাভ কৰি কলেজৰ নাম উজলাইছিল। ইদ্ৰিছ আলী ছাৰে ৰচনা কৰা আৰু সুৰ দিয়া যিটো সঙ্গীতক প্ৰতিষ্ঠাপক অধ্যক্ষ মহোদয় প্ৰয়াত মহেশচন্দ্ৰ দেৱগোস্বামীদেৱে 'কলেজ সঙ্গীত' হিচাপে স্বীকৃতি প্ৰদান কৰিছিল, সেই গীতটিক প্ৰত্যেক বছৰে কলেজলৈ অহা ছাত্ৰীসকলক বৰ্তমান সোণালীজয়ন্তী বৰ্ষৰ উদ্বোধনী অনুষ্ঠানলৈকে চক্ৰৱৰ্তী ছাৰে নেৰানেপেৰাকৈ অনুশীলন কৰাইছিল।

আন আন সঙ্গীতৰ ক্ষেত্ৰতো তেখেতে ছাত্ৰীসকলক অনুপ্ৰেৰণা দিছিল আৰু অনুশীলন কৰাইছিল। তেখেতৰ প্ৰেৰণাতে কলেজৰ ছাত্ৰী দুৰ্গাময়ী ভূঞা বৰা, অদিতি ভূঞা, অঞ্জলী কটকী, অপৰ্ণা গোস্বামী আদি বহু ছাত্ৰীয়ে অনাতাঁৰ আৰু দূৰদৰ্শনৰ শিল্পী হিচাপে খ্যাতি লাভ কৰিছে। তেখেত নিজেও এজন গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ ভজন আৰু গোৱালপৰীয়া লোকগীতৰ নিয়মীয়া শিল্পী আছিল।

প্ৰয়াত জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰে শাস্ত্ৰীয় সঙ্গীতো চৰ্চা কৰিছিল। তেখেত বীৰেন্দ্ৰনাথ ফুকনৰ শিষ্য আছিল। বীৰেন্দ্ৰনাথ ফুকনৰ ওচৰত অনুশীলন কৰি তেখেতে লক্ষ্ণৌৰ ভাটখাণ্ডে সঙ্গীত বিদ্যালয়ৰপৰা শাস্ত্ৰীয় সঙ্গীতৰ মধ্যমাত উত্তীৰ্ণ হৈছিল।

**গোৱালপৰীয়া লোকগীতত দখল**

গোৱালপৰীয়া লোকগীত গোৱালপাৰাতেই সীমাবদ্ধ আছিল। অৱশ্যে মাজে মাজে ভূপেন হাজৰিকা আৰু প্ৰতিমা পাণ্ডেৰ কেইটিমান কেছেট ওলাইছিল। বিহু উৎসৱ আদি অনুষ্ঠানত প্ৰতিমা পাণ্ডে বৰুৱাই গোৱালপৰীয়া লোকগীত উজনি অসমৰ বিভিন্ন ঠাইত পৰিৱেশন কৰিছিল। কিন্তু উজনি অসমত গোৱালপৰীয়া লোকগীতক জনপ্ৰিয় কৰাৰ গুৰিতে আছিল জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰ। বিহপুৰীয়াত হোৱা অসম সাহিত্য সভা আৰু কামপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাত গোৱালপৰীয়া লোকগীত দলীয়ভাৱে পৰিৱেশন কৰাইছিল। আজি কিছুদিনৰ আগতে নেহেৰুবালিত হৈ যোৱা এখন গ্ৰন্থমেলাতো গোৱালপৰীয়া লোকগীত দলীয়ভাৱে পৰিৱেশন কৰাইছিল। তদুপৰি তেখেতৰ অনুশীলন গ্ৰহণ কৰি শ্ৰীযুতা মঞ্জিৰা গোস্বামী, প্ৰীতিস্মিতা কাকতি, সুমন কাশ্যপকে আদি কৰি বহুকেইগৰাকী ছাত্ৰীয়ে গোৱালপৰীয়া লোকগীতৰ শিল্পী হিচাপে স্বীকৃতি পাইছে।

কলেজৰ লগতে নগাঁও জিলাৰ বিভিন্ন অনুষ্ঠানৰ লগত তেখেতৰ সম্পৰ্ক মধুৰ আছিল। বিশেষকৈ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ নগাঁও শাখাৰ প্ৰায়বোৰ অনুষ্ঠানতে তেখেতে আমন্ত্ৰিত শিল্পী হিচাপে সঙ্গীত পৰিৱেশন কৰিছিল। আনকি সেই সমিতিৰ অনুৰোধক্ৰমে তেওঁলোকক অন্যান্য গীত পৰিৱেশনতো সহায় কৰিছিল। সেইদৰে 'সুৰৰ পানচৈ' আৰু 'অম্লানজ্যোতি' আদি সঙ্ঘৰ বিভিন্ন অনুষ্ঠানত তেখেত নিবিড়ভাৱে জড়িত আছিল।

১৯৯৭ চনতে নগাঁও ছোৱালী কলেজৰপৰা তেখেতে অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰ গ্ৰহণৰ পিছতো নগাঁও ছোৱালী কলেজৰ লগত তেখেতে সম্পৰ্ক অটুট ৰাখিছিল। কলেজৰ নৱাগত আদৰণি সভা, কলেজ সপ্তাহ সমাৰোহ, প্ৰাক্তন ছাত্ৰী সমাৰোহকে আদি কৰি অনুষ্ঠিত অনুষ্ঠানসমূহত তেখেতে নিস্বাৰ্থভাৱে ইচ্ছুক ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীক সহায় কৰিছিল। কলেজ পৰিয়ালৰ প্ৰত্যেকজনেই তেখেতৰ বাবে বৰ আত্মীয় আছিল। স্মৰণীয় যে নগাঁও ছোৱালী কলেজৰ সোণালী জয়ন্তী উপলক্ষে অনুষ্ঠিত কৰা অৱসৰপ্ৰাপ্ত শিক্ষক, কৰ্মচাৰী, অংশকালীন প্ৰৱক্তা আৰু তেওঁলোকৰ পৰিয়াল সমন্বিতে এটি অন্তৰঙ্গ অনুষ্ঠানত অসুস্থ দেহাৰেও শ্ৰদ্ধাৰ জ্যোতি চক্ৰৱৰ্তী ছাৰে গীত পৰিৱেশন কৰি সকলোৰে হৃদয় জিনিছিল। প্ৰসঙ্গক্ৰমে উল্লেখ কৰা সমীচীন হ'ব যে এই সাংস্কৃতিক অনুষ্ঠানটিৰ আঁত ধৰিছিল ড° ব্ৰজেন ৰায়চৌধুৰী ছাৰে। নগাঁও ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ইদ্ৰিছ আলী ছাৰ আৰু স্বৰ্গীয় জ্যোতিনাথ চক্ৰৱৰ্তীয়ে তাহানিতে গোৱা গীতবোৰ পুনৰ সকলোৰে আগত উক্ত অনুষ্ঠানত পৰিৱেশন কৰি নতুনচামক এৰি অহা দিনবোৰৰ লগত চিনাকি কৰি দিছিল।

কৰ্মব্যস্ত জীৱনৰ লগতে সঙ্গীত জগতখনৰ লগত একাত্ম হৈ আনন্দত দিন কটোৱা চক্ৰৱৰ্তী ছাৰে জটিল পৰিস্থিতিৰপৰা যেন নিজকে আঁতৰত ৰাখিছিল। এনে মহান জ্যোতি নিৰ্বাপিত হ'ল চিৰদিনৰ বাবে ২০১২ চনৰ ১৮ জুন তাৰিখে। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক। আজি কলেজৰ সোণালী জয়ন্তীৰ শুভক্ষণত তেখেতলৈ আমাৰ শ্ৰদ্ধা নিৱেদন কৰিছোঁ।

---

মৰমী গায়ন নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা।

### নগাঁও ছোৱালী কলেজৰ

# সোণালীজয়ন্তী বৰ্ষলৈ শুভেচ্ছাৰে



নগাঁও ছোৱালী কলেজৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থলৈ থাকিল মোৰ আন্তৰিক শুভেচ্ছা। বৰ্তমান সময়ত নাৰী শিক্ষাৰ যিমান সা-সুবিধা আমি পাইছোঁ তেনে সুবিধা আমাৰ দেশত কেতিয়াও নাছিল। কিন্তু তাৰ মাজতেই আমাৰ অনাখৰী মাতৃসকলেই মৌখিক গীত-পদ আদিৰ সৃষ্টিৰেই আমাৰ জনসাহিত্যৰ ভঁৰাল টনকিয়াল কৰি গৈছে। অৰ্থাৎ সৃষ্টি প্ৰতিভাত আমাৰ নাৰী-সমাজ কেতিয়াও পিছপৰা নাছিল। বৈষ্ণৱ যুগতো কেইবাগৰাকীও নাৰী শিক্ষিতা আছিল। হয় নিজে পঢ়ি, নহয় আনৰপৰা শুনি পদ-পুথি পঢ়িব পাৰিছিল। বৰগীত শুদ্ধভাৱে গাব পাৰিছিল। আজিৰ নাৰীসকলো সকলো দিশতে পুৰুষৰ সমানে ফেৰমাৰি বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি গৈছে। সাহিত্যৰ ক্ষেত্ৰত বৰ্তমান সময়ত কেইবাগৰাকীও মহিয়সী মহিলাই সৰ্বভাৰতীয় পৰ্যায়ত সুনাম অৰ্জন কৰিছে আৰু কোনো ক্ষেত্ৰত পুৰুষতকৈ অধিক আগবাঢ়ি গৈছে। আমি ঐতিহ্য ৰক্ষা কৰিব লাগিব আৰু সময়ৰ লগত খোজ মিলায়ো আগবাঢ়ি যাব লাগিব আৰু ভৱিষ্যতৰ বংশধৰসকলক উপযোগীকৈ আগুৱাই নিব লাগিব। ভাৰতবৰ্ষ পুৰুষ প্ৰধান দেশ হ'লেও ইয়াত নাৰীসকলে উপযুক্ত মৰ্যাদা পাই আহিছে আৰু বৰ্তমান স্বাধীন ভাৰতত পুৰুষৰ সমান অধিকাৰ পাই আহিছে। ছাত্ৰীসকললৈ মোৰ অনুৰোধ এক মিনিট সময়ো অযথা খৰচ নকৰি নিজৰ সম্ভাৱনাসমূহ পূৰ্ণ বিকশিত কৰিবলৈ সাধনা কৰক। মোৰপৰা শুভেচ্ছাবাণী বিচৰাৰ লগতে সম্পাদিকাই মোক এটা প্ৰশ্ন কৰিছে, প্ৰশ্নটো হ'ল এই যে আগৰ লেখক-লেখিকাসকলে যথেষ্ট আহৰি পাইছিল কাৰণে ভাবি-চিন্তি লেখিব পাৰিছিল। এতিয়া সময়ৰ অভাৱ, গতিকে যিসকলে ইচ্ছা কৰে তেওঁলোকে কেনেকৈ সাহিত্যৰ ক্ষেত্ৰত আগবাঢ়ি যাব?

উত্তৰত মই কওঁ যে অলপ আগতেই মই নিজৰ সম্ভাৱনা বিলাক বিকশিত কৰিবলৈ সাধনা কৰিব লাগিব বুলি কৈছোঁ। এই 'সাধনা' শব্দটোতেই তেওঁলোকে বিচৰা প্ৰশ্নৰ উত্তৰ সোমাই আছে। যাৰ যি অভিৰুচি সেইমতে যোৱাৰ বাটো আজি মুকলি হৈ পৰিছে। আজিৰ ভাৰতীয় মহিলাই যুদ্ধক্ষেত্ৰত এৰোপ্লেন চলাইছে, ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতো আগবাঢ়িছে। কোনো খেলুৱৈ হৈছে, কোনোৱে চিকিৎসাবিদ্যা লৈছে কোনোবাই সাংবাদিকতাকে পেছা হিচাপে লৈছে। মুঠতে বিভিন্ন দিশত পুৰুষৰ সমানে আগবাঢ়িছে। গতিকে সাহিত্যৰ ক্ষেত্ৰতো যিসকলে আগবাঢ়িব খোজে সেইসকলেও সৰুৰেপৰাই প্ৰথমে কিতাপ পঢ়াৰ প্ৰতি ধাউতি বঢ়াব লাগিব। নিজ নিজ ভাষা শুদ্ধ কৰি লিখিব-পঢ়িব পাৰিব লাগিব। চাৰিওফালৰ সমাজখনৰ বিষয়ে তেওঁলোকৰ সুখ-দুখ আশা-আকাংক্ষাৰ প্ৰতি সজাগ হ'বলৈ শিকিব লাগিব। সম্ভৱ ক্ষেত্ৰত দীঘলীয়া ভ্ৰমণ আৰু সেয়া সম্ভৱ নহ'লেও নিজৰ জিলাখনতেই সৰু-সুৰা ভ্ৰমণ কৰাত গুৰুত্ব দিব লাগিব। বিভিন্ন বৃত্তিত থকা লোকসকলৰ কাম-কাজ, কথা-বাৰ্তা, জীৱন ধাৰণৰ পদ্ধতি এইবিলাক পৰ্যবেক্ষণ কৰিব লাগিব আৰু ডাঙৰ হোৱাৰ লগে-লগেই মানুহৰ মনৰ ভাব অনুভূতিৰ বিষয়ে জানিবলৈ চেষ্টা কৰিব লাগিব। অৰ্থাৎ মনস্তত্ত্ব সম্পৰ্কে কিছু জ্ঞান আহৰণ কৰিব লাগিব আৰু পৰ্যবেক্ষণ শক্তিটো বঢ়াবলৈ চেষ্টা কৰিব লাগিব। বিভিন্ন শ্ৰেণীৰ চৰিত্ৰই কেনেকৈ নিজৰ ভাব প্ৰকাশ কৰে আৰু কেনেকুৱা শব্দ ব্যৱহাৰ কৰে আৰু কথা কওঁতে দেহৰ অঙ্গপ্ৰত্যঙ্গ কেনেভাৱে সঞ্চালিত কৰে এইবিলাকো সূক্ষ্মৰূপত পৰ্যবেক্ষণ কৰিব লাগিব। কিয়নো গল্প, কবিতা, উপন্যাস, নাটক আদি ৰচনা কৰোঁতে অতি সূক্ষ্ম পৰ্যবেক্ষণৰ প্ৰয়োজন হয়। তাৰ উপৰিও কলা-কৌশল সম্পৰ্কেও অধ্যয়নৰ প্ৰয়োজন হ'ব। মুঠতে একান্ত সাধনাৰ প্ৰয়োজন।

মোৰ সেই সাধনাবিলাক নাছিল আৰু মোৰ সময়ো নাছিল। মোৰ জীৱন-সংগ্ৰাম কঠোৰ আছিল। তাৰ মাজতো মোৰ নিজৰ স্বাস্থ্যভঙ্গ কৰি হ'লেও ৰাইজৰ আগলৈ যিখিনি আগবঢ়ালোঁ পাঠক সমাজে আদৰি লোৱাত মই কৃতজ্ঞ। মই ভাবোঁ যে ভগৱন্তৰ কৃপা নহ'লে জীৱনত কোনো কামতে সফলতা লাভ কৰিব নোৱাৰি। কিন্তু কৃপা লাভ কৰিবৰ কাৰণে কঠোৰ সাধনা কৰিব লাগিব। আমাৰ লিখকসকলে বেছি কষ্ট কৰিবলৈ ভয় কৰে। জীৱনধাৰণৰ সৰু-বৰ কামবিলাকৰ অভিজ্ঞতাও তেওঁলোকৰ নাই। এদিনো পথাৰত ভৰি নিদিয়াকৈ খেতিয়ক এজনৰ জীৱনৰ বিষয়ে আমি কেনেকৈ লিখিম। এদিনো বজাৰত বস্তু বিক্ৰী কৰি নেপালে বেপাৰীজনৰ মনৰ ভাব কেনেকৈ বুজিম। এইদৰেই আমি ল'ব পৰা প্ৰতিটো অভিজ্ঞতা লাভৰ স্বাৰ্থৰ কাৰণে হ'লেও নিজে সময় উলিয়াব লাগিব। যুদ্ধৰ অভিজ্ঞতা, চুৰি-ডকাইতৰ অভিজ্ঞতা, হত্যাকাণ্ড, ঠগ-প্ৰৱঞ্চনা এইবিলাকৰ অভিজ্ঞতা আমাৰ একেবাৰে নাই বুলিলেই হয়। এইবিলাক আমি আওপকীয়াকৈ হ'লেও লাভ কৰিব পাৰোঁ। কাৰণ সমাজখনৰ বা দেশখনত ভাল-বেয়া সকলো মানুহে কাম কৰিছে। অকল ভাল মানুহৰ সংখ্যা সৰহ হ'লেও বাকী চৰিত্ৰবিলাকে সমাজৰ বহু অপকাৰ সাধি আহিছে। সেইবিলাকৰ অভিজ্ঞতালৈ লিখা গল্প, উপন্যাস আমি ইংৰাজী ভাষাৰ জৰিয়তে বহুত পঢ়িবলৈ পাইছোঁ আৰু তাৰ লিখকসকলে বহু কষ্ট স্বীকাৰ কৰি তেনে গ্ৰন্থ ৰচনা কৰিছে। আমাৰ মহাভাৰত, ৰামায়ণত এনে সৎ-অসৎ সকলো শ্ৰেণীৰ লোকৰ বৰ্ণনা আছে। গতিকে সেই মহাকবিসকল কিমান অভিজ্ঞতাৰ গৰাকী আছিল সেই কথা কল্পনাই কৰিব নোৱাৰি। যি কি নহওঁক মই কথাখিনি দীঘলীয়া কৰিব খোজা নাই। ভৱিষ্যতে দেহা ভালে থাকিলে সুযোগ পালে বহলাই ক'ম। ভগৱন্তই তোমালোকৰ সৰ্বমঙ্গল কৰক। ইতি।



( শ্ৰীমহিম বৰা )

শ্ৰুতিলিখন: ৰূপজ্যোতি শইকীয়া

*৪/৯/৬২ ত নগাঁও ছোৱালী কলেজৰ (তেতিয়াৰ) কলেজ পৰিচালনা সমিতিয়ে ১৬ গৰাকী স্থানীয় শিক্ষক-শিক্ষয়িত্ৰীক অংশকলীন আৰু পূৰ্ণকালীন হিচাপে বাছনি কৰিছিল। শ্ৰদ্ধাৰ মহিম বৰা ছাৰক অসমীয়া বিভাগৰ অংশকালীন অধ্যাপক হিচাপে বাছনি কৰা হৈছিল। সেই সময়তে তেখেতে নগাঁও কলেজত পূৰ্ণকালীন অধ্যাপক হিচাপে কাম কৰাৰ লগতে এল চি চৌড়ী উইমেন্‌ছ কলেজ (পৰৱৰ্তী সময়ত নগাঁও ছোৱালী কলেজ)ত অংশকালীন অধ্যাপক হিচাপে কিছুদিন সেৱা আগবঢ়াইছিল।*

# সোঁৱৰণীৰ এটুকুৰা

নিৰু শৰ্মা

নগাঁও ছোৱালী কলেজৰ আৰম্ভণি বছৰৰ ছাত্ৰী হিচাপে কলেজখনৰ সোণালীজয়ন্তী বৰ্ষত বৰ আনন্দ লাগিছে। পিছে আজি যিটো নামেৰে সোণালীজয়ন্তী উদ্‌যাপন হ'ব, ছাত্ৰীহিচাপে আমি নাম ভৰ্তি কৰোঁতে সেইটো নাম নাছিল। তেতিয়া কলেজৰ নাম আছিল এল চি টোডী উইমেন্‌ছ কলেজ (Lalchand Todi Women's College)। শুভচিন্তক ৰাইজৰ দান-বৰঙণি বিশেষকৈ সদাশয় তোদী পৰিয়ালে কলেজৰ মাটি দান কৰাৰ প্ৰতিশ্ৰুতি দিয়াত টোডী মহোদয়ৰ নামত কলেজ নামকৰণ হৈছিল। Women's College নামকৰণ কৰা হৈছিল যাতে কোনো বিবাহিতা মহিলা বা অধিক বয়সীয়া নাৰীয়েও কলেজত ভৰ্তি হ'বলৈ উৎসাহ পায়। উদ্দেশ্য সফলো হৈছিল। আমি পঢ়ি থকা সময়ত কেইবাগৰাকীও বিবাহিতা মহিলা আৰু বয়সস্থ ছোৱালী পঢ়িবলৈ আহিছিল।

১৯৬১-৬২ চনত কলেজৰ courseৰ সালসলনি হৈছিল। দুবছৰীয়া আই এ আৰু দুবছৰীয়া বি এ courseৰ সলনি এবছৰীয়া প্ৰাক্-বিশ্ববিদ্যালয় আৰু তিনিবছৰীয়া ডিগ্ৰী courseৰ প্ৰৱৰ্তন হয়। আমি প্ৰাক্-বিশ্ববিদ্যালয় আৰু তিনি বছৰীয়া ডিগ্ৰী courseৰ প্ৰথম বেট্‌চৰ ছাত্ৰী।

আৰম্ভণি বছৰতে মই ডিগ্ৰী প্ৰথমবৰ্ষত নাম ভৰ্তি কৰোঁ। সেইবছৰ আমাৰ শ্ৰেণীত খুউব সম্ভৱ ৪১ গৰাকী আৰু প্ৰাক্‌বিশ্ববিদ্যালয়ত ৪৫/৫০ গৰাকীমান ছাত্ৰী ভৰ্তি হয়। তেতিয়া আমাক নগাঁও কলেজ আৰু নগাঁও কলেজৰ চৌহদৰ ভিতৰত থকা পুৰণি ডাকবঙলাৰ কোঠাত পাঠদান কৰা হৈছিল। শিক্ষকসকলৰ ভালেসংখ্যক আছিল নগাঁও কলেজৰে। দুই-এজন এ ডি পি কলেজৰো আছিল। ছোৱালী কলেজৰ নিজা শিক্ষক এগৰাকী নে দুগৰাকীহে আছিল। শ্ৰীযুতা তৰু বৰুৱা বাইদেউ কলেজৰ নিজা শিক্ষক আছিল। প্ৰয়াত মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰৰ অধ্যক্ষতাত কলেজত শিক্ষাদানত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। শিক্ষকসকলৰ বেছিভাগ নগাঁও কলেজৰ বাবে লগতে সেইখন কলেজতে দুয়োখন কলেজৰ পাঠদান কৰাৰ কাৰণে আমাৰ কলেজ গৰমৰ দিনত পুৱা ৬.৪৫ বজাত আৰু জাৰৰ দিনত পুৱা ৭ বজাত শ্ৰেণীবোৰ আৰম্ভ হৈছিল। সেই সময়ত দেশৰ পৰিস্থিতি (চীনে ভাৰতৰ যুদ্ধ)লৈ লক্ষ্য ৰাখি কলেজৰ ছাত্ৰীসকলে বাধ্যতামূলক এন চি চি পেৰেডত যোগ দিব লগা হৈছিল। আমাৰ ক্লাছ আৰম্ভ হোৱাৰ আগতেই সপ্তাহত তিনিদিন পেৰেড হয়। পেৰেডৰ পিছত গৰম চাহ, চিঙৰা খাবলৈ দিয়ে কলেজৰ ফালৰপৰা। ছাত্ৰীসকলে যাতে পাঠবোৰ ভালদৰে আয়ত্ত কৰিব পাৰে তাৰ কাৰণে বিনামূলীয়াকৈ ইংৰাজী বিষয়ত টিউটৰিয়েল ক্লাছৰো সুবিধা দিয়া হৈছিল। অধ্যক্ষ মহোদয়ৰ বিচক্ষণতাৰ ব্যবেই প্ৰথম বছৰতে ১৪ নে ১৭ (ভালকৈ মনত নাই) গৰাকী ছাত্ৰী স্নাতক হয়।[1] তেতিয়াৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাদেৱক কলেজলৈ নিমন্ত্ৰণ কৰি আনি শিক্ষামন্ত্ৰীৰ হাতেৰেই আমাক গ্ৰেজুৱেট হোৱাৰ চাৰ্টিফিকেট দিয়াইছিল। আমি চাৰ্টিফিকেট লওঁতে কলেজৰ নাম "লালচান্দ টোডী উইমেন্‌ছ কলেজ"ৰ সলনি "লালচান্দ টোডী গাৰ্লছ কলেজ" কৰা হৈছিল। কলেজৰ নিজাকৈ ঘৰ হোৱাৰ পিছতহে "নগাঁও ছোৱালী কলেজ" নাম হয়।

১৯৬২ চনত জন্ম হোৱা স্বৰ্গীয় মহেশচন্দ্ৰ দেৱগোস্বামীৰ মানসকন্যা আজি ৫০ বছৰীয়া হৈছে। প্ৰতিবছৰে কলেজৰপৰা অনেক ছাত্ৰী পাছ কৰি ওলাই কলেজৰ সুনাম বঢ়াই নিজকে সমাজৰ একোগৰাকী সুস্থ নাগৰিক বুলি পৰিচয় দিব পৰাটো এই কলেজৰে গৌৰৱ।

১. ১৯৬৪ চনত প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীৰ পৰীক্ষা দিয়া ৬০ গৰাকী ছাত্ৰীৰ ১৮ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ শতকৰা হাৰ ৩০.০০%। স্নাতক পৰীক্ষা দিয়া ২৮ গৰাকী ছাত্ৰীৰ ২৩ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ শতকৰা হাৰ ৮২.১৪%। দ্ৰষ্টব্য: সম্পাদক, যোগেন্দ্ৰনাৰায়ণ ভূঞা, *ৰূপালীজয়ন্তী স্মৃতিগ্ৰন্থ*, নগাঁও ছোৱালী কলেজ, ১৯৮৩। পৃষ্ঠা ৯২ৰ পাতত সন্নিৱিষ্ট তালিকা।

নিৰু শৰ্মা নগাঁও গাৰ্লছ কলেজৰ প্ৰাক্তন ছাত্ৰী।



# নগাঁও ছোৱালী কলেজৰ সোণালীজয়ন্তীত স্মৃতিৰ আলোকৰেখা

তিলকচন্দ্ৰ মজুমদাৰ

অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীৰপৰা 'ইনলেণ্ড কাৰ্ড' (Inland Card)ত টাইপ কৰা নগাঁও এল চি টোডী গাৰ্লছ কলেজত (বৰ্তমানৰ নগাঁও ছোৱালী কলেজ) অসমীয়া বিষয়ত অধ্যাপক নিযুক্তি সম্পৰ্কে পত্ৰ এখন পাই ১৯৬৬ চনৰ জুলাই মাহৰ চতুৰ্থ সপ্তাহৰ কলেজ ভৱনত (সেই কালত কলেজ আমোলাপট্টিৰ 'ৰেডক্ৰছ ভৱন'ত অস্থায়ীভাৱে চলিছিল) উপস্থিত হৈ কাৰ্যালয় সহায়ক পোনা বৰাক মোৰ চিনাকি দিয়াত তেওঁ অধ্যক্ষৰ কোঠালৈ লৈ গৈ অধ্যক্ষৰ লগত পৰিচয় কৰাই দিলে। অধ্যক্ষৰ কোঠাত আৰু দুজন ভদ্ৰলোক বহি আছিল। তেখেতে মোক বহিবলৈ ইঙ্গিত দিলে। মোক দুই এটা কথা সোধ-পোচ কৰি খদ্দৰৰ ধুতি-পাঞ্জাৱী পৰিহিত, মূৰত সত্ৰীয়া পাগুৰিৰে সুশোভিত সৌম্য মূৰ্তিৰ অধ্যক্ষ দেৱগোস্বামীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহেৰু আসনৰ অধ্যাপক ডঃ মহেশ্বৰ নেওগৰপৰা মোৰ বিষয়ে জানিব পাৰিছোঁ বুলি কৈ কলেজত যোগদান কৰিবলৈ নিৰ্দেশ দিলে। তেখেতে মোৰপৰা এটা কথা জানিব বিচাৰিলে স্নাতক সন্মানৰ (অনাৰ্ছ) পালি-প্ৰাকৃত শিকোৱাৰ বিষয়ে। মই পালি-প্ৰাকৃত বা আন যি পঢ়ুৱাব লাগে তাকে পঢ়ুৱাম বুলি কোৱাত তেখেতৰ মুখত হাঁহি বিৰিঙিলে।

নগাঁও ছোৱালী কলেজৰ লগত একে বছৰতে (১৯৬২) প্ৰতিষ্ঠা কৰা উত্তৰ গুৱাহাটী কলেজত মই নমাহমান অধ্যাপনা (১৯৬৫) কৰি আছিলোঁ। তাৰপৰা অব্যাহতি লৈ ১ আগষ্ট, ১৯৬৬ চনত এল চি টোডী ছোৱালী কলেজত যোগদান কৰিলোঁ। (নগাঁও ছোৱালী কলেজ, ৰূপালীজয়ন্তী স্মৃতিগ্ৰন্থত উল্লেখ কৰা মতে (পৃষ্ঠা ১৯) ৬-১২-৬৫ ত নিযুক্তি দিয়া নাই)। কলেজত যোগদান কৰা প্ৰথমদিনাই অধ্যক্ষ ডাঙৰীয়াই শিক্ষক কমনৰুমলৈ লৈ গৈ অধ্যাপক-অধ্যাপিকাসকলৰ লগত চিনাকি কৰাই দিয়ে। তাতে মোৰ কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহপাঠী অধ্যাপক ইদ্ৰিছ আলী আৰু অধ্যাপক বীৰেণ ডেকাক লগ পালোঁ। দুয়োজনে মোক তেওঁলোক থকা ভাড়াঘৰত থাকিবলৈ সুবিধা কৰি দিলে। কলেজ ভৱনৰপৰা পূবে খোজকাঢ়ি ২/৩ মিনিট গ'লেই তেওঁলোকৰ বাসঘৰ। বাউলী কবি কমলানন্দ ভট্টাচাৰ্যৰ ভাতৃ মাধৱানন্দ ভট্টাচাৰ্যৰ ভাড়াঘৰ। তাত থকা আন এজন আৱাসী আছিল চৰকাৰী পৰিসংখ্যা বিষয়া অতুল দাস। মই কলেজত যোগদান কৰাৰ কেইদিনমান পাছতে আন এজন কটনৰ সহপাঠী ইংৰাজী বিভাগৰ অধ্যাপক গঙ্গাপদ চৌধুৰীও আমাৰ সঙ্গী হ'ল। তাৰ এবছৰৰ পিছত আন এজন সহপাঠী অপূৰ্ব শৰ্মাই (অধ্যাপক বীৰেণ ডেকা চৰকাৰী চাকৰি পাই কলেজ এৰি যোৱাত) অৰ্থনীতি বিভাগত যোগদান কৰি আমাৰ ভাড়াঘৰৰ সদস্য হ'ল। মোৰ লগত একে মাহতে কলেজত যোগদান কৰে অধ্যাপিকা সবিতা ভট্টাচাৰ্য আৰু অধ্যাপক খগেন্দ্ৰনাথ শৰ্মা ৰাজখোৱাই।

শান্ত-সুন্দৰ-সাংস্কৃতিক পৰিৱেশৰ মাজত আমাৰ বাসঘৰ। ভাড়াঘৰটিৰ সন্মুখতে কণৌজীয়া দামোদৰৰ পৰিনাতি কৃষ্ণকান্তৰ অধস্তন পুৰুষে মানৰ দিনত কলিয়াবৰৰ জখলাবন্ধা সত্ৰৰপৰা ভটিয়াই আহি 'খাগৰিজান কলংতটে' প্ৰতিষ্ঠা কৰা নগাঁও নগৰৰ ঐতিহ্যমণ্ডিত জখলাবন্ধা সত্ৰ। সত্ৰ-সংস্কৃতিত চহকী এই বংশধৰে অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীৰ হাতত কেইবাখনো আপুৰুগীয়া সাঁচিপতীয়া পুথি আৰু ভালেসংখ্যক ছপাপুথি কলেজলৈ দান দিছিল।[1] অধ্যক্ষৰ কোঠাৰ কাঠৰ আলমাৰিত আটোমটোকাৰিকৈ ৰখা সাঁচিপাতৰ পুথি অধ্যক্ষ দেৱগোস্বামীয়ে আমাক দেখুৱাইছিল।

সত্ৰৰ সীমাতে আছিল নগাঁও ছোৱালী কলেজৰ ছাত্ৰী নিৱাস। নিয়মানুবৰ্তিতা আৰু মাৰ্জিত সাজপাৰ তথা ৰুচিৰ ছাত্ৰীসকলে সন্ধিয়া প্ৰাৰ্থনাত সমস্বৰে গোৱা 'নাৰায়ণ কাহে ভকতি কৰোঁ ...', 'পাৰে পৰিহৰি ...', 'আলো মাই কি কহব দুখ ...', বৰগীত 'তুমি চিত্ত বৃত্তি মোৰ ...' আদি *নামঘোষাৰ* ৰাগ আৰু সুৰে ওচৰ-চুবুৰীয়াৰ মনত ভক্তিৰসৰ নিজৰা বোৱাইছিল। আনহাতে সেই একেসময়তে জখলাবন্ধা সত্ৰৰ সন্ধিয়া বাজি উঠা ডবা-কাঁহ-শঙ্খৰ ধ্বনিয়ে অঞ্চলটোৰ ৰাইজৰ মন ভক্তি-সাগৰত বুৰ নিয়াইছিল।

আমাৰ বাসভৱনৰপৰা ওলাই জপনা খুলি সোঁফালে ঘূৰি কেইখোজমান গৈ চৌহদৰ অন্তে থকা তিনিআলিৰ পুব কোণত বাওঁফালে নামৰ ধ্বনিৰে বৈকুণ্ঠ প্ৰকাশিত আমোলাপট্টি নামঘৰ আৰু দেৱী-অৰ্চনাৰ পূজাঘৰ। তাৰ লগতে অসমৰ আধুনিক নাট্য

১. দ্ৰষ্টব্য: সম্পাদক, যোগেন্দ্ৰনাৰায়ণ ভূঞা, *ৰূপালীজয়ন্তী স্মৃতিগ্ৰন্থ*, নগাঁও ছোৱালী কলেজ, ১৯৮৩। পৃষ্ঠা ১৯।

আন্দোলনৰ অন্যতম ঐতিহ্যমণ্ডিত (বৰ্তমান শতবৰ্ষ গৰকা) নগাঁও নাট্য সমিতি (১৮৯৬) য'ত চন্দ্ৰ ফুকন, জগত বেজবৰুৱা, সাৰদাকান্ত বৰদলৈ, কমলানন্দ ভট্টাচাৰ্য, যুগল দাস প্ৰভৃতি নাটকাৰ-অভিনেতা তথা নাট্যসাধকে অসমীয়া নাট্য জগত আলোকিত কৰিছিল। আমি নাট্যমন্দিৰত নাট্যৰস পান কৰি গৌৰৱান্বিত হৈছিলোঁ। আমাৰ কলেজৰ তেতিয়া নিজা প্ৰেক্ষাগৃহ নাছিল। সেইবাবে কলেজৰ অনুষ্ঠান-দিৱস তাতে অনুষ্ঠিত কৰা হৈছিল। আমাৰ অধ্যাপক-অধ্যাপিকাসকলে অধ্যাপক গঙ্গাপদ চৌধুৰীয়ে যুগুতোৱা 'গদ্য-পদ্য-প্ৰবন্ধ' নামৰ নাট অভিনেতা-অভিনেত্ৰী হৈ মঞ্চস্থ কৰা কথা মন-দাপোণত অদ্যপি ভাঁহি থাকে। নগাঁও নাট্য মন্দিৰ (সমিতি)ৰপৰা ওলাই আহি সোঁফালৰ তিনিআলিৰ পশ্চিমে কবি-নাট্যকাৰ কমলানন্দ ভট্টাচাৰ্যৰ জ্যেষ্ঠ পুত্ৰ অসমৰ বিখ্যাত তবলাবাদক বিবেকানন্দ ভট্টাচাৰ্যৰ শ্ৰৱণান্দিত তবলাৰ বোললহৰ। তাৰপৰা পোনে পোনে তিনিটা নঙলা পাৰ হৈ আমাৰ কলেজৰ ৰাজনীতি-বিজ্ঞানৰ অধ্যাপকযুটী লোকসঙ্গীতজ্ঞ জ্যোতিনাথ চক্ৰৱৰ্তী (জুন ২০১২ ত প্ৰয়াত— বিদেহী আত্মালৈ স্মৃতি তৰ্পণ) আৰু কবি-গীতিকাৰ-অধ্যাপিকা হিমাদ্ৰি দেৱী থকা ভাড়াঘৰ। অধ্যাপক আলীৰ লগত তালৈ এপাক মৰাটো যেন আমাৰ আবেলিৰ দৈনন্দিন ৰুটিন। সত্ৰ-নামঘৰত সন্ধ্যাৰ শঙ্খ-ঘণ্টা-ডবা বাজি উঠাৰ শুভক্ষণতে প্ৰায় ঘৰতে প্ৰাৰ্থনাৰ নামঘোষা-বৰগীত-গায়ত্ৰী স্ত্ৰোত্ৰৰ সুমধুৰ সুৰে মন-প্ৰাণ হৰি নিয়ে। এনে সুন্দৰ পৰিৱেশৰ মাজত থকা আমাৰ বাসঘৰ শিক্ষা-সঙ্গীতৰ কেন্দ্ৰ যেন হৈ পৰিছিল। অধ্যাপক ইদ্ৰিছ আলিয়ে নিয়মীয়াকৈ সঙ্গীত সাধনা কৰিছিল। অধ্যাপক জ্যোতিনাথ চক্ৰৱৰ্তী, তবলাবাদক বিবেকানন্দ ভট্টাচাৰ্য, গীতিকাৰ নগেন বৰা, কমল কাকতি, গায়ক-বাদক অনিল গোস্বামী, শৰৎ গোস্বামী প্ৰভৃতিয়ে সময়-সুবিধা বুজি সঙ্গীত-চৰ্চা কৰাৰ কথা আজিও মনত উজলি আছে।

এনে শান্ত, আধ্যাত্মিক আৰু সুন্দৰ সাংস্কৃতিক পৰিৱেশৰ মাজত থাকি অসমৰ শৈক্ষিকজগতৰ উৎকৰ্ষ সাধন কৰাৰ উপৰিও সাহিত্য-সংস্কৃতি-সমাজ তথা জাতীয়জীৱনৰ লগত জড়িত অসমৰ অন্যতম অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী আৰু কলেজৰ শিক্ষাব্ৰতী অধ্যাপক-অধ্যাপিকাসকলৰ লগত নগাঁও ছোৱালী কলেজত অধ্যাপনাত ব্ৰতী হ'বলৈ পাই গৌৰৱ অনুভৱ কৰিলোঁ। অধ্যক্ষ দেৱগোস্বামী বিশ্ববিশ্ৰুত দাৰ্শনিক ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনৰ একান্ত শিষ্য— তেওঁৰ আদৰ্শৰ অনুগামী শিক্ষক আৰু দাৰ্শনিক। ৰাধাকৃষ্ণনৰ Idealist View of Life গ্ৰন্থখন দেৱগোস্বামীয়ে হৃদয়স্পৰ্শকৈ অনুবাদ কৰি এক মহান সাহিত্য-কৰ্ম কৰে। তেখেতে শিক্ষকৰ আদৰ্শ জীৱন বিচাৰে, নীতিনিষ্ঠ আৰু অধ্যয়নশীল হৈ সাহিত্য-সমাজ-সংস্কৃতি আৰু জাতীয় জীৱনৰ লগত জড়িত হৈ থকাটো বিচাৰে। কলেজ পুথিভঁৰালত ভাল ভাল গ্ৰন্থ ৰাখিছিল আৰু অধ্যাপক-অধ্যাপিকাসকলক গ্ৰন্থমেলা, বুকষ্টল আদিত পোৱা ভাল কিতাপ কিনি আনি কলেজ পুথিভঁৰালত দি তাৰ মূল্য নিবলৈ দিছিল। অধ্যাপক-অধ্যাপিকাসকলক লেখা-পঢ়াত ব্যস্ত ৰাখিবলৈ বিচাৰিছিল। এবাৰ অধ্যক্ষই এখন উচ্চমানৰ অসমীয়া ৰচনাগ্ৰন্থ যুগুতোৱা পৰিকল্পনা কৰি ৰচনাসমূহৰ তালিকা প্ৰস্তুত কৰি কেইগৰাকীমান অধ্যাপক-অধ্যাপিকাক বাছনি কৰি প্ৰতিগৰাকীক ২৫-৩০ খনকৈ ৰচনাৰ তালিকা দি কাগজ-পাতিৰে লিখাৰ দায়িত্ব দিছিল। যিকাৰণতে নহওঁক তেনে মহৎ কাম সফলকাম হৈ নুঠিল। ১৯৬৮ চনত আমি সম্পাদনা কৰা মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ *ৰুক্মিণী-হৰণ নাট* (বিস্তৃত পাতনি, শব্দ-অৰ্থসহ, গুৱাহাটী বুকষ্টলৰদ্বাৰা প্ৰকাশিত) গ্ৰন্থখন হাতত দিয়াত তেখেত খুব আনন্দিত হৈছিল আৰু গ্ৰন্থ ৰচনা কৰিবলৈ নানা দিহা-পৰামৰ্শ দি উৎসাহিত কৰিছিল। তেনে উৎসাহ-অনুপ্ৰেৰণাৰ ফলস্বৰূপে তাৰ চাৰিবছৰৰ পিছত সাহিত্যৰ বুৰঞ্জী বিষয়ক *প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জলধাৰা* (বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া স্নাতকৰ প্ৰধান আৰু ঐচ্ছিক প্ৰসঙ্গ পুথি) আৰু *আমি উভতি চাওঁ* আদি গ্ৰন্থ প্ৰকাশ পায়। সেই অৱধি আমাৰ গ্ৰন্থ লেখা কাম অব্যাহত ৰাখিলোঁ। সাহিত্যিক নহ'লেও গ্ৰন্থকাৰ হোৱাৰ সুবিধা লভিলোঁ।

নগাঁও ছোৱালী কলেজলৈ নগাঁৰৰ বিশিষ্ট সাহিত্যিকসকল তথা নগাঁও সাহিত্য সভাৰ বিষয়ববীয়াসকলৰ সঘন আহ-যাহ। মই কলেজত যোগদান কৰাৰ দুমাহ পিছতে ১১ নবেম্বৰ, ১৯৬৬ চনত অসমৰ খ্যাতনামা সাহিত্যিক, পণ্ডিত ডিম্বেশ্বৰ নেওগৰ পৰলোক হোৱাত নগাঁও সাহিত্য সভাই ছোৱালী কলেজৰ লগতে 'নেওগ দিৱস' পালন কৰাৰ কথা আজিও মনত পৰে। দুমহলীয়া ৰেডক্ৰছ ভৱনৰ সন্মুখত অস্থায়ীভাৱে সজা দীঘলীয়া টিনৰ চালিৰ হলত প্ৰায় দুশ দৰ্শক— ছাত্ৰী, সাহিত্য সভাৰ লোক, অধ্যাপক-অধ্যাপিকাৰ উপস্থিতিত অনুষ্ঠিত সভাখনত প্ৰথমদিনা সভাপতিৰ আসনৰপৰা অধ্যক্ষই দিয়া পাণ্ডিত্যপূৰ্ণ ভাষণ শুনি আমি মুগ্ধ হৈছিলোঁ। সভাপতিৰ নিৰ্দেশত সেই সভাত প্ৰয়াত নেওগৰ ব্যক্তিত্ব আৰু সাহিত্য সম্পৰ্কে আমাৰো ভাষণ দিয়াৰ সৌভাগ্য ঘটিছিল আৰু লগতে নগাঁও সাহিত্য সভাৰ বিশিষ্ট লোকসকলৰ লগত পৰিচয় হৈছিল।

কলেজত ভাদ মাহত পালন কৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱ দুজনা গুৰুৰ তিথি দুভাগৰ কাৰ্যসূচী আছিল গুৰু গম্ভীৰ, অনন্য, আকৰ্ষণীয়। তিথিৰ দিনা অধ্যক্ষ অধ্যাপক-অধ্যাপিকা-কৰ্মচাৰী সমন্বিতে শ শ ছাত্ৰীয়ে কলেজ-ইউনিফৰ্মত প্ৰাতঃ শোভাযাত্ৰাত গোটেই নগাঁও নগৰখন খোজকাঢ়ি ৰাতিপুৱা ৰাগৰ বৰগীত, গুৰু-বন্দনা, দিহানাম, কীৰ্তন সুললিত সুৰে গাই নগৰখনত সৃষ্টি কৰা ভক্তিৰ পৰিৱেশ অতুলনীয় আছিল। তিথিত নাম-কীৰ্তনৰ উপৰিও বৰগীত, নামঘোষা, সত্ৰীয়া নৃত্য— সূত্ৰধাৰ শ্ৰীকৃষ্ণ-চালি, ঝুমুৰা নৃত্যৰ প্ৰতিযোগিতা বিশেষ আকৰ্ষণীয় আৰু উপভোগ্য আছিল। কেতিয়াবা পিছদিনাও প্ৰতিযোগিতা আৰু সভা বা আলোচনা চক্ৰ পতা হৈছিল। আমি নিজে কেইবছৰমান তিথিৰ দায়িত্বত থাকি এনে কাৰ্যসূচী হাতত লোৱাৰ কথা



মনত পৰি থাকে। ছাত্ৰীসকলৰ মাজত আধ্যাত্মিক-সংস্কৃতিৰ উৎকৰ্ষ সাধন কৰাৰ উদ্দেশ্যে তিথিত এনে কাৰ্যসূচী লোৱা হয়।

কলেজৰ উন্নয়নমূলক কামৰ লগত অধ্যাপক-অধ্যাপিকাসকলো সাঙোৰ খাই পৰিছিলোঁ। ১৯৬৪ চনৰ মে' মাহৰপৰা অস্থায়ীভাৱে 'ৰেডক্ৰছ ভৱন'ত চলি থকা কলেজখন কলেজৰ নিজা মাটিত (বৰ্তমাৰ ঠাইত) ঘৰ বান্ধি ১৯৬৮ চনৰ পহিলা জুলাইত স্থানান্তৰিত কৰাৰ পূৰ্বৰপৰা কলেজৰ নিজা ঘৰ-দুৱাৰ টিঙৰ চালিৰপৰা অসম আৰ্হিৰ শ্ৰেণীকোঠা, পুথিভঁৰাল, কমনৰূম, সভাঘৰ আদিৰ নিৰ্মাণত (১৯৬৭-১৯৮৪ মানলৈ) তদানীন্তন অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী সমন্বিতে অধ্যাপক-অধ্যাপিকাসকলৰ লগত ৰাইজৰপৰা ধন সংগ্ৰহ, কৃষ্ণা টকীজৰ 'ৰাম ঔৰ শ্যাম' চিনেমা প্ৰদৰ্শনৰ আমোদ কৰৰ ৰেহাই ধন সংগ্ৰহ, পাঠশালা, হাজো, নলবাৰীৰ ব্যৱসায়ীক থিয়েটাৰ প্ৰদৰ্শনীত জড়িত হৈ আৰু অধ্যক্ষ ৰত্নকান্ত বৰুৱা (১৯৮২-৮৪)ৰ উদগণিত চলোৱা 'উপহাৰ কুপন' আদিৰে ধন সংগ্ৰহ কৰাৰ কামত জড়িত হৈ ভাল লাগিছিল। উল্লেখ্য, মোৰ লগত একে মাহতে যোগদান কৰা কেইবাগৰাকী অধ্যাপক-অধ্যাপিকাই কলেজৰ উন্নয়ন পুঁজিলৈ ১৯৬৮-৭০ চনত বকেয়া (arrear) ধনৰ একোটা অংশ দান দিছিলোঁ। কলেজৰ সন্মুখেদি কলঙৰ ওপৰত নিৰ্মাণ কৰা পদ-দলং আৰু শিলগুটি, বোকাপানীৰে আৱৰ্জনাময় হৈ থকা মথাউৰিৰ পথছোৱা পকী কৰাৰ কাৰণে তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক আমি দিছপুৰত মৌখিকভাৱে অনুৰোধ জনোৱাত (৬-৭ নৱেম্বৰ, ১৯৯০) তেখেতে অতি তৎপৰতাৰে এঘাৰ লাখ টকা মঞ্জুৰ কৰাই কাম দুটা কৰাৰ ব্যৱস্থা কৰি উপকৃত কৰাৰ বাবে তেখেতক কৃতজ্ঞতাৰে স্মৰণ কৰিছোঁ।

নগাঁও ছোৱালী কলেজত অধ্যাপনা কৰাৰ লগতে সমাজ-সংস্কৃতিৰ কামত আত্মনিয়োগ কৰাৰ সুবিধা পাই জীৱনত সাৰ্থকতা লভিলোঁ। নানা অভাৱ-অভিযোগৰ মাজতো অধ্যাপক-অধ্যাপিকাসকলে শিক্ষাদানত নিমজ্জিত হৈ ছাত্ৰী বা শিক্ষাৰ্থীৰ জীৱন সুন্দৰ কৰি তুলি ভৱিষ্যত সুনাগৰিকৰূপে গঢ়ি তোলাটো শিক্ষক জীৱনৰ মহাব্ৰত বুলি গণ্য কৰিছিল। সেইকাৰণে কলেজত পঢ়া মজলীয়া আৰু নিম্নমানৰ ছাত্ৰীসকলক শিক্ষকসকলে নিয়মীয়া পাঠদান কৰাৰ উপৰিও অতিৰিক্তকৈ শিক্ষা দি টিউচন অবিহনে শেষান্ত পৰীক্ষাত উন্নত ফল দেখুৱাবলৈ সমৰ্থ হৈছিল আৰু অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠানৰ লগত একে শাৰীত আসন লাভ কৰাইছিল।

নগাঁও ছোৱালী কলেজৰ পঞ্চাছ বছৰ পূৰ্তি উপলক্ষে অতিবাহিত দিনবোৰৰ গৌৰৱময় কাম-কথাবোৰ স্মৰণ কৰাৰ কাৰণে এইবছৰ (২০১২ ৰ ১২ ছেপ্টেম্বৰ) সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সোণালীবৰ্ষৰ পৰৱৰ্তীকালত কলেজখনৰ আমাৰ একালৰ কনিষ্ঠ সহকৰ্মী বৰ্তমান সুযোগ্যা অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈ প্ৰমুখ্যে আন আন সহকৰ্মী আৰু উত্তৰকালত নিযুক্ত অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, শিক্ষাৰ্থী, অভিভাৱক সকলোৰে কলেজৰ গৌৰৱপূৰ্ণ ঐতিহ্য তথা সুনাম বৃদ্ধি কৰি অসমৰ শিক্ষা-সাহিত্য-সমাজ-সংস্কৃতি তথা জাতীয় জীৱনত ইতিবাচক বৰঙণি যোগাই নগাঁও ছোৱালী কলেজ তথা নগাঁৱৰ নাম জাকত-জিলিকা কৰক তাকেই কামনা কৰিলোঁ।

"অসতো মা সদগময়  
তমসো মা জ্যোতিৰ্গময়  
মৃত্যু মা অমৃতং গময়।।"

---

**তিলকচন্দ্ৰ মজুমদাৰ নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।**

# নগাঁও ছোৱালী কলেজৰ বৌদ্ধিক আৰু সাংস্কৃতিক পৰিৱেশ

দীপালি মুখাৰ্জী

১৯৬৯ চনত যোগদান কৰাৰপৰা ২০০৬ চনত অৱসৰ গ্ৰহণ কৰালৈকে ছোৱালী কলেজৰ সহকৰ্মীবৃন্দৰ মাজত যি বৌদ্ধিক আৰু সাংস্কৃতিক পৰিৱেশ দেখিছিলোঁ আৰু সেই সময়ছোৱাত যি অভিজ্ঞতাৰ সন্মুখীন হৈছিলোঁ তাৰ স্মৃতিত প্ৰবন্ধ লিখিবলৈ প্ৰয়াস কৰিছোঁ। মই অভিজ্ঞ লেখক নহয়। পাণ্ডিত্যও মোৰ নাই। কলেজে পঞ্চাছ বছৰত ভৰি দিয়াৰ বাবে আৱেগে মোক আনন্দিত কৰি তুলিছে। সেইবাবে মোৰ লেখনিও নিঃসন্দেহে আৱেগিক হ'ব।

এজোপা গছপুলিয়ে যিদৰে নিজৰ অস্তিত্ব প্ৰতিকূল পৰিৱেশৰ লগত সংগ্ৰাম কৰি নিজৰ অস্তিত্ব ৰক্ষা কৰে, নগাঁও ছোৱালী কলেজেও সেইদৰে পঞ্চাছ বছৰৰ জীৱন অতিক্ৰম কৰিছে। শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীৰ নেতৃত্বত এই গছপুলিৰ জন্ম হৈছিল নগাঁও কলেজৰ এটা ৰুমত। তাৰ পিছত ৰেডক্ৰছ বিল্ডিং হৈয়েই ঠাই পালেহি কলংপাৰৰ চালিত। দীৰ্ঘকাল চালিৰ জীৱন অতিক্ৰম কৰাৰ পাছত নগাঁও ছোৱালী কলেজৰ আৱয়বিক আৰু আন্তঃগাঁথনিয়ে পূৰ্ণতা লাভ কৰিছে।

আমাৰ গাৰ্লছ কলেজৰ শিক্ষকসকলে এটা সুন্দৰ, বৌদ্ধিক তথা সাংস্কৃতিক পৰিমণ্ডল সৃষ্টি কৰিছিল। নাটক, সঙ্গীত, সাহিত্য, কাব্য, আবৃত্তি প্ৰতিটো বিষয়ৰ প্ৰতি শিক্ষকসকলৰ আছিল অপৰিসীম আগ্ৰহ। কেইজনমান শিক্ষকৰ কথাত হিউমাৰ প্ৰকাশ পাইছিল। অধ্যাপকসকলৰ ৰসিকতাৰ দুই-এটা দৃষ্টান্ত ইয়াত দাঙি ধৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। কলেজ পোৱাৰ লগে লগে অসমীয়া বিভাগৰ শিক্ষক তিলকচন্দ্ৰ মজুমদাৰে সম্ভাষণ জনাইছিল: "এই! মহাৰাণীৰ খবৰ কি? মহাৰাণী! কলেজ পালেহি নে?" এই মুহূৰ্তত আৰু এজনৰ কথা মনত পৰিছে। তেখেত হ'ল ইদ্ৰিছ আলী। ১৯৭৩ চনত আমি কলেজৰ শিক্ষয়িত্ৰীসকলে ছাত্ৰীসকলক লৈ শিক্ষামূলক ভ্ৰমণলৈ যোৱাৰ পৰিকল্পনা কৰিছিলোঁ। এনে সময়তে ইদ্ৰিছ আলীয়ে মোক সুধিলে: "মুখাৰ্জী□বস্তু কঢ়িয়াবলৈ কুলীৰ দৰকাৰ নাই নেকি?" মই ক'লোঁ: "কুলীৰ তো দৰকাৰ আছেই।" তেতিয়া ইদ্ৰিছ আলীয়ে ক'লে: "তেনেহ'লে আপোনালোকৰ লগত মোকে লৈ যাওঁক। কুলীৰ কামখিনি ময়েই কৰি দিম।" আৰু এটা কথা মনলৈ আহিছে। মোৰ জাৰলৈ খুব ভয় আছিল। সেইকাৰণে জাৰকালি ঠাণ্ডা নলগাৰৰ বাবে মই ৰাতিপুৱাৰ ক্লাছত প্ৰায়ে ডাঠ গৰম কাপোৰ ব্যৱহাৰ কৰিছিলোঁ। মোক দেখি তেতিয়া জ্যোতিনাথ চক্ৰৱৰ্তীয়ে কৈছিল: "মুখাৰ্জী! আপুনি কাশ্মীৰৰপৰা আহিছে নেকি?" জীৱনৰ অপৰাহ্নত এনে ধৰণৰ টুকুৰা টুকুৰা স্মৃতিয়ে মোৰ মনত দোলা দিছেহি। এই কথা ভাবি যন্ত্ৰণা অনুভৱ কৰিছোঁ যে সেই জ্যোতি চক্ৰৱৰ্তী আজি আমাৰ মাজত নাই।

আমি সৰুৰেপৰা শুনিছোঁ ভাৰতৰ মানুহে সময় মতে বোলে কাম নকৰে। সময়ানুৱৰ্তিতা আমাৰ নাই বুলিলেই হয়। কিন্তু গাৰ্লছ কলেজত চাকৰি কৰিবলৈ আহি বুজি পালোঁ এই প্ৰবাদটো সকলো ঠাইতে সকলোৰে কাৰণে সত্য নহয়। ১৯৬০ৰ দশকৰ কথা। কলেজখনৰ অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী। তেতিয়া কলেজ-উইক্ চলি আছে। কলেজ আহি পাওঁতে অলপ পলম হ'ল। গোস্বামী ছাৰে মোক ক'লে: "দীপালী, তুমি তোমাৰ ঘড়ী ঠিক কৰা, লগতে নিজকো ঠিক কৰিবা।" সৰুতে দেউতাই শিকাইছিল সময়ৰ মূল্য দিব লাগে। তাৰ পিছত যিখন কলেজত চাকৰি কৰিলোঁ তাত সেই শিক্ষা দৃঢ় হ'ল। আজি জীৱনৰ এই বিয়লি বেলাতো সময়ৰ অপচয় দেখিলে সেইকাৰণেই কিজানি অশান্তি পাওঁ।

আমি সকলো আছিলোঁ যেন এটা পৰিয়ালৰ সদস্য। প্ৰত্যেকৰ লগত অফ্-পিৰিয়ডত বিভিন্ন বিষয় লৈ আলোচনা কৰিছিলোঁ আৰু কেতিয়াবা নিজৰ সুখ-দুখৰ কথাও পাতিছিলোঁ। দৰ্শন বিভাগৰ অধ্যাপক বিনয় বৰাদেৱ আছিল তৰ্কবিদ। নিজৰ মতত আছিল অটল। তেখেতৰ মত খণ্ডন কৰিবলৈ গ'লেই কাজিয়াৰ ৰূপ লয়। এবাৰ এনেকুৱা এটা ঘটনা ঘটিল। জ্যোতিৰ্ময় জানাৰ সৈতে লগা সামান্য তৰ্কাতৰ্কিয়েই পৰিৱৰ্তিত হ'লগৈ কাজিয়াত। মই ভাবিছিলোঁ, বৰাদেৱে হয়তো জানাৰ লগত একেবাৰে মাতবোল বন্ধ কৰি দিব। কিন্তু বাস্তৱত তেনে নহ'ল। পিছদিনা দেখিবলৈ পালোঁ বৰাদেৱে জানাৰ লগত হাঁহি হাঁহি কথা পাতি আছে। তেতিয়া গম পালোঁ মানুহজনৰ মনটো নিৰ্মল। খং উঠিলে জুইৰ নিচিনাকৈ জ্বলি উঠে, কিন্তু পিছমুহূৰ্ততে পানীৰ নিচিনা শীতল হৈ পৰে। এই মানুহজনৰ অকাল মৃত্যুৱে মোৰ হৃদয়ত প্ৰবল আঘাত হানিছিল। তেতিয়া মোৰ বয়স আছিল কম। মৃত্যুৰ



শাশ্বত ৰূপটোৰ লগতে পৰিচয় হোৱা নাছিল। সেইকাৰণে বৰাদেৱৰ মৃত্যুৱে মোক প্ৰবলভাৱে বিচলিত কৰিছিল।

সেই সময়ত যিসকল শিক্ষকক লগ পাইছিলোঁ তেওঁলোকে নিজৰ নিজৰ পাৰদৰ্শিতা লৈ নিশ্চুপ হৈ থকা নাছিল। আমাৰ নিচিনা যিসকলৰ পাৰদৰ্শিতা নাছিল, তেওঁলোকক নিজ নিজ গুণৰদ্বাৰা দীক্ষিত কৰাৰ প্ৰচেষ্টা তেওঁলোকৰ আছিল। এই প্ৰসঙ্গত মোৰ ভানুপদ্মপতি বাইদেউ, গঙ্গাপদ চৌধুৰী আৰু জ্যোতিনাথ চক্ৰৱৰ্তীৰ কথা মনত পৰিছে। গঙ্গাপদ চৌধুৰীয়ে এখন নাটক আমোলাপট্টি নাট্যমন্দিৰত মঞ্চস্থ কৰিবলৈ উদ্যোগী হ'ল। ময়ো সেই নাটকত অভিনয় কৰিছিলোঁ। জীৱনত মই কেতিয়াও অভিনয় কৰা নাই। কিন্তু গঙ্গাপদ চৌধুৰী আৰু ভানুবাইদেউৰ অক্লান্ত পৰিশ্ৰমত ময়ো অভিনয় কৰাৰ যোগ্যতা লাভ কৰিছিলোঁ। মই কলেজলৈ অহাৰ আগতেও আমাৰ কলেজত এটা নাট্যাভিনয়ৰ পৰিৱেশ বিদ্যমান আছিল। ইংৰাজীৰ অধ্যাপিকা পূৰ্ণিমা গুপ্তাৰ *ওথেলো* নাটকত ডেছডিম'নাৰ চৰিত্ৰত অভিনয় এক অবিস্মৰণীয় ঘটনা। নগাঁৱৰ পুৰণি মানুহে এতিয়াও পূৰ্ণিমা গুপ্তাৰ অভিনয়ৰ প্ৰশংসা কৰে।

দীৰ্ঘ সাতত্ৰিছ বছৰৰ চাকৰি জীৱনৰ স্মৃতি অফুৰন্ত। দৰ্শন বিভাগৰ ৰেখা দাসগুপ্তা বাইদেউ আছিল আপোনভোলা। এই বাইদেউজনীয়ে খুব চিঞৰি চিঞৰি কথা পাতিছিল। এতিয়াৰ অফিচৰ এটা অংশ আছিল আমাৰ তেতিয়াৰ কমন ৰুম। আমি শিক্ষকসকলে শীতকালত অফ্-পিৰিয়ডত ৰ'দ পুৱাবৰ কাৰণে বাৰাণ্ডাত বহোঁ। ৰেখা বাইদেউৱে মজা মজা কথা কৈ উচ্চ স্বৰত হাঁহে। সেই হাঁহি গোটেই কলেজখনতে প্ৰতিধ্বনিত হয়। এবাৰ অধ্যক্ষ গোস্বামীদেৱে আহি কৈছিল, "ৰেখা! পাহৰি নাযাবা, তুমি এগৰাকী শিক্ষয়িত্ৰী। শিশুসুলভ চপলতা তুমি ত্যাগ কৰা উচিত।" ইয়াৰ পিছত অৱশ্যে ৰেখা বাইদেউৰ হাঁহিৰ প্ৰাবল্য কমিছিল। দৰ্শনৰ মুৰব্বী অধ্যাপিকা হিচাপে সকলোৰে লগত মিলাপ্ৰীতিৰে কতোৱাৰ উপৰিও, নিষ্ঠাৰে অধ্যাপনা কৰি ৰেখা বাইদেউৱে কলেজৰ চাকৰিৰপৰাই নহয় একেবাৰে পৃথিৱীৰপৰাও অনন্ত অৱসৰ গ্ৰহণ কৰিলে। ৰেখা বাইদেউৰ চিৰবিদায়ৰ কথা মনত পৰিলে আজিও চকুপানী ওলায়। ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ তেখেতৰ আত্মাৰ সদ্গতি হওঁক।

দৰ্শন বিভাগৰে আন এজন অধ্যাপক আছিল গুণধৰ গগৈ। ১৯৭০ আৰু ১৯৮০ৰ দশকত তেওঁ দৰ্শন বিষয়ৰ শিক্ষাৰ লগতে ছাত্ৰীসকলক সামাজিক দায়বদ্ধতাৰ শিক্ষাও দিছিল। কলেজৰ শিক্ষকসকলক *Social Scientist* আলোচনীখন নিয়মীয়াকৈ যোগান ধৰা এই সাম্যবাদী উচ্চ মননশীল শিক্ষকজন পৰৱৰ্তীকালত বহুতো বিপদৰ সন্মুখীন হ'ব লগা হৈছিল। কিন্তু এই সাহসী শিক্ষকজন অন্যায়ৰ ওচৰত অৱনত হোৱা নাছিল। পৰৱৰ্তী কালত তেওঁ নগাঁও কমাৰ্চ কলেজত অধ্যক্ষৰ পদ গ্ৰহণ কৰে।

নগাঁও ছোৱালী কলেজৰ কোনো কোনো অধ্যাপকৰ মাজত অসামান্য পাণ্ডিত্য দেখি মই সঁচাকৈ বিস্মিত হৈ গৈছিলোঁ। ড° ৰাজেন শইকীয়াৰ পাণ্ডিত্যও সুবিদিত। মই পশ্চিমবঙ্গৰ চন্দননগৰ নিৱাসী এজন ব্যক্তিৰপৰা জানিব পাৰিছোঁ ড° শইকীয়াদেৱে চন্দননগৰৰ ঐতিহাসিক গ্ৰন্থাগাৰৰপৰা জ্ঞান অৰ্জন কৰাৰ বাবে অপৰিসীম কষ্ট কৰিছিল। বঙ্গীয় সাহিত্য পৰিষদ আৰু কলিকতাৰ জাতীয় গ্ৰন্থাগাৰলৈকো ধাৱিত হৈছিল ড° শইকীয়াৰ জ্ঞানপিপাসা। ভাৰতৰ বহু বিখ্যাত লাইব্ৰেৰী আৰু জ্ঞান-বিজ্ঞানৰ কেন্দ্ৰৰ লগত সম্পৰ্ক আছে ড° শইকীয়াৰ।

সাহিত্য সাধনাত নিমগ্ন হৈ থকা দেখিছিলোঁ যোগেন্দ্ৰনাৰায়ণ ভূঞা মহোদয়কো। ঊনবিংশ শতাব্দীৰ অসম সম্পৰ্কে তেখেতৰ পাণ্ডিত্য অপৰিসীম। তেখেতো আজি এই পৃথিৱীত নাই। হিমাদ্ৰি দেৱী ৰাজনীতি বিজ্ঞানৰ শিক্ষক হৈয়ো অসমীয়া সাহিত্য ৰচনাত অনবদ্য কুশলতা লাভ কৰিছে। তেখেতৰ প্ৰবন্ধ-পাতি অসমৰ ঘৰে ঘৰে ঠাই পাইছে। সুদক্ষ সমালোচক প্ৰভাত বৰা, সৃষ্টিশীল লেখক অপূৰ্ব শৰ্মাই আমাৰ শিক্ষকমণ্ডলীৰ সন্মান বৃদ্ধি কৰিছে। ভ্ৰাতৃতুল্য বাদল ঘোষৰ বাংলাৰ দলিল-দস্তাবেজ আৰু পত্ৰ-সাহিত্য সম্পৰ্কে প্ৰগাঢ় জ্ঞান আছিল।

গানৰ ক্ষেত্ৰত ড° জ্যোতিনাথ চক্ৰৱৰ্তীৰ নাম অবিস্মৰণীয়। তেওঁৰ গোৱালপৰীয়া লোকগীতে অসমৰ ৰাইজক মোহিত কৰিব পাৰিছিল। গীতিকাৰ ইদ্ৰিছ আলীৰ বহুতো গীতত সুৰ সংযোজন কৰিছিল ড° চক্ৰৱৰ্তীয়ে। সম্প্ৰতি এই গায়কজনৰ মৃত্যুৱে আমাৰ কলেজৰ সঙ্গীত চৰ্চাৰ ধাৰাটোক সাময়িকভাৱে ক্ষতিগ্ৰস্ত কৰিব বুলি মই ভাবোঁ। ভূপেন হাজৰিকাৰ "মানুহ মানুহৰ বাবে" গানটো গোটেই শিক্ষকবৃন্দক লৈ কলেজৰ পঁচিছ বছৰৰ পূৰ্তি উপলক্ষে তেওঁ পৰিৱেশন কৰিছিল। গানৰ ক্ষেত্ৰত ইংৰাজীৰ অধ্যাপিকা শিখা দত্ত আৰু দৰ্শন বিভাগৰ অধ্যাপিকা মঞ্জিৰা গোস্বামী অবিস্মৰণীয় হৈ আছে। কলেজৰ ৰূপালী জয়ন্তী উপলক্ষে ভানু বাইদেউৰ ৰবীন্দ্ৰ কবিতাৰ আবৃত্তি "একথা জানিতে তুমি ভাৰত ঈশ্বৰ "শাজাহান" মোৰ কাণত এতিয়াও বাজি আছে।

ইংৰাজী বিভাগৰ জয়নাল আবেদীনক আমি অলপ দিনৰ কাৰণে পাইছিলোঁ। কিন্তু তেখেতৰ ব্যক্তিত্ব আৰু সাম্যবাদী মনোভাব মোৰ খুবেই ভাল লাগিছিল। এই প্ৰসঙ্গত আন এজন ইংৰাজী অধ্যাপকৰ নাম স্মৰণ কৰিছোঁ। তেওঁ হ'ল মহেন্দ্ৰ আহোম-স্পষ্টবক্তা, সাহসী, পৰোপকাৰী এইজন অধ্যাপকক মই কেতিয়াও পাহৰি নাযাওঁ। ড° ৰাজেন শইকীয়া, মহেন্দ্ৰ আহোম আৰু বীৰেনচন্দ্ৰ ডেকাৰ সমন্বয়ত গঢ়ি উঠা এই ত্ৰিমূৰ্তি আছিল নম্ৰ, বিনয়ী আৰু সাহসী। অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ কাৰণে এই তিনিগৰাকী অধ্যাপক বহুতো বিপদৰ সন্মুখীন হ'বলগীয়া হৈছিল। ইন্দিৰা বাইদেউ, ৰেখা বাইদেউ আৰু সবিতা

বাইদেউৱে মোক দিছিল মৰম আৰু নিৰাপত্তা। ৰীতা তালুকদাৰ আৰু ৰীতা বৰাৰ মানৱিক মূল্যবোধ আছিল অপৰিসীম। ৰোগক্লিষ্ট জ্যোতির্ময় জানা আৰু বীৰেন ডেকা আদি শিক্ষকক চিকিৎসা কৰিবলৈ শিক্ষকসকলে চাঁদা তুলি অৰ্থদান কৰা ঘটনা মানৱীয় মূল্যবোধৰেই নিদৰ্শন।

আমাৰ কলেজৰ শিক্ষকসকল আছিল সাম্যবাদী, অসম্প্ৰদায়িকতাৰ মন্ত্ৰৰে দীক্ষিত। কলেজৰ সৰস্বতী পূজা উপলক্ষে সক্ৰিয় দায়িত্ব ল'বলৈ আগবাঢ়ি আহে ফাইজুৰ ৰহমান, ৰোজলীন জাহানৰ নিচিনা ভিন্নধৰ্মৰ শিক্ষক। নিজৰ ধৰ্মত শ্ৰদ্ধা অটুট ৰাখি আৰু নিজ ধৰ্মৰ বিধি-নিয়ম যথাৰ্থভাৱে পালন কৰিও আন ধৰ্মৰ অনুষ্ঠানত যোগদান কৰিবলৈ তেওঁলোকে কেতিয়াও দ্বিধাবোধ কৰা নাই। নৈষ্ঠিক, নিজৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধাবান লাইব্ৰেৰিয়ান মহম্মদ আলীৰ ভিন্নধৰ্মৰ প্ৰতিও আছিল গভীৰ শ্ৰদ্ধা। সেইকাৰণে জগন্নাথ মন্দিৰলৈ গৈ প্ৰসাদ গ্ৰহণ কৰিবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাছিল। শিক্ষাৰ আলোকে মানুহক ক্ষুদ্ৰতাৰ উৰ্ধ্বলৈ লৈ যায়। অজ্ঞানতাৰ মলিনতা দূৰ কৰিব পাৰে শিক্ষাই। পুথিগত শিক্ষাৰে এইবোৰ কাম সহজ নহয়। সাম্প্ৰদায়িক ভেদাভেদ দূৰ কৰাৰ কাৰণে প্ৰয়োজন অন্তৰক পৰিশুদ্ধ কৰা। অকল গাৰ্লছ কলেজৰ শিক্ষকসকলে সাম্প্ৰদায়িক মনোভাৱ ত্যাগ কৰিলে নহ'ব। আজি প্ৰয়োজন গোটেই সমাজখনত অসম্প্ৰদায়িক মনোভাব জাগ্ৰত কৰা। এক সুস্থ বৌদ্ধিক তথা সংস্কৃতিক পৰিৱেশেহে পাৰে মানুহক উন্নত মনৰ মানুহ কৰিবলৈ। সেই কাৰণে মই কামনা কৰো গাৰ্লছ কলেজৰ মুক্ত বৌদ্ধিক আৰু সাংস্কৃতিক পৰিৱেশ যেন সমগ্ৰ ভাৰতবৰ্ষত বিয়পি পৰে আৰু আমাৰ প্ৰিয় কলেজখনৰ পোহৰ যেন সমগ্ৰ ভাৰতবৰ্ষক আলোকিত কৰাত সহায়ক হয়।

---

দীপালি মুখাৰ্জী নগাঁও ছোৱালী কলেজৰ বাংলা বিভাগৰ অৱসৰপ্ৰাপ্তা মুৰব্বী অধ্যাপিকা। বৰ্তমান তেওঁ কলকাতাৰ বাসিন্দা।



# মোৰ সোঁৱৰণিত নগাঁও ছোৱালী কলেজ

ড° ৰুনুমা ভট্টাচাৰ্য শৰ্মা

১৯৬৮ চনত প্ৰৱেশিকা পাছ কৰি নগাঁও ছোৱালী কলেজত নাম ভৰ্তি কৰোঁতে কলেজখন একেবাৰে চালুকীয়া অৱস্থাত আছিল। এতিয়াৰ দৰে পকা তিনিমহলীয়া বিল্ডিং নাছিল। আছিল বাঁহৰ বেৰেৰে আৱৰা, ওপৰত টিনপাত দিয়া দুটা দীঘলীয়া ঘৰ। তাত কেইবাটাও শ্ৰেণীকোঠা আছিল। সমুখেদি বৈ যোৱা কলং নৈখনৰ মথাউৰিটোৱেই আছিল কলেজলৈ অহা-যোৱা কৰা পথ। তথাপি ক'ব লাগিব তাতেই আছিল কিবা এটা ভাল লগা মনোৰম পৰিৱেশ।

আমি পঢ়ি থকাৰ সময়ত কলেজখনৰ অধ্যক্ষ আছিল শ্ৰদ্ধাৰ মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰ। ছাৰৰ ব্যক্তিত্বই সকলো ছাত্ৰীকে প্ৰভাৱান্বিত কৰিছিল। অৱশ্যে আমি পঢ়ি থকাৰ সময়তেই ছাৰে আমাৰ মাজৰপৰা চিৰবিদায় লৈছিল। সেই শোকময় দিনটোৰ কথা আজিও সজীৱ হৈ আছে মনত।

সেই সময়ত আমাক শিক্ষাপ্ৰদান কৰা ছাৰ-বাইদেউসকলক আজিও পাহৰিব পৰা নাই। শ্ৰদ্ধাৰ মেনকা দেৱী বাইদেউ, মালতী বৰা বাইদেউ, ৰূপা শইকীয়া বাইদেউ, ভানু পদ্মপতি বাইদেউ, হিমাদ্ৰি দেৱী বাইদেউ, ৰেখা দাসগুপ্তা বাইদেউ, কুসুম গোস্বামী বাইদেউ, যোগেন্দ্ৰনাৰায়ণ ভূএগ ছাৰ, তিলকচন্দ্ৰ মজুমদাৰ ছাৰ, ইদ্ৰিছ আলী ছাৰ, কৃষ্ণ বৰা ছাৰ, গঙ্গাপদ চৌধুৰী ছাৰ, অপূৰ্ব শৰ্মা ছাৰ, খগেন শৰ্মা ৰাজখোৱা ছাৰ, জ্যোতিনাথ চক্ৰবৰ্তী ছাৰ, ৰবীন গোস্বামী ছাৰ আদিৰ স্মৃতি আজিও সজীৱ হৈ আছে। মাজতে এদিন কলেজত প্ৰাক্তন ছাত্ৰীৰ এখন সভাত উপস্থিত হৈ আগৰ শিক্ষকসকলক নেদেখি মনটো সেমেকি উঠিছিল যদিও নতুন শিক্ষকসকলক দেখি ভাল লাগিছিল। বৰ্তমানৰ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈ আৰু অধ্যাপিকা মুনি কাকতিক লগ পাই আনন্দিত হৈছিলোঁ, কাৰণ তেওঁলোক মোৰ আগৰ চিনাকি। আজিৰ নতুন ঘৰবোৰেৰে সৈতে ন ৰূপ লোৱা কলেজৰ পৰিৱেশ এতিয়া বহুখিনি সলনি হ'ল।

আমি আছিলোঁ এই কলেজৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰথমটো বৰ্ষৰ 'অনাৰ্ছ'ৰ ছাত্ৰী, আমাৰ লগত আছিল চেনিমাই হাজৰিকা (নগাঁও কলেজৰ অৱসৰপ্ৰাপ্তা উপাধ্যক্ষা), অমিয়া গোস্বামী (দৰং কলেজৰ শিক্ষাতত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্তা মুৰব্বী ও সহযোগী অধ্যাপিকা), অনু শইকীয়া (হাইস্কুলৰ অৱসৰপ্ৰাপ্তা শিক্ষয়িত্ৰী), প্ৰেমদা বৰা (জনা নাযায় বৰ্তমান কি কৰি আছে)। মাজে মাজে মোৰ বান্ধৱী চেনিমাই হাজৰিকাক লগ পাওঁ অথবা ফোনত কথা পাতোঁ। তাইৰপৰাই বাকী সকলৰ খবৰ পাওঁ।

১৯৭১ চনত কলেজত পঢ়ি থকাৰ সময়তে বিবাহপাশত আবদ্ধ হ'লোঁ। "ভাল ল'ৰা" পাই ঘৰৰ মানুহে ঠিক কৰি বিয়া পাতিলে। ভাল ল'ৰাই বিয়াৰ পাছতো পঢ়াৰ সুবিধা কৰি দিলে। বিয়াৰ পাছত স্বামীৰ চাকৰি সূত্ৰে মেঘালয়ৰ তুৰা পালোঁগৈ। পঢ়ি আছোঁ। পৰীক্ষা দিব লাগিব। তাতে আকৌ শিক্ষাতত্ত্ব বিষয়ত "অনাৰ্ছ"। সেই সময়ত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু মালতী বৰা বাইদেউৱে চিঠিৰে শ্ৰেণীকোঠাত পঢ়োৱা পাঠসমূহ প্ৰায়ে মোলৈ ডাকত পঠিয়ায়। এনেকৈয়ে বি এ পাছ কৰিলোঁ এই কলেজৰপৰাই। এটা কথা উনুকিয়াবই লাগিব যে বি এ পৰীক্ষাৰ ৰিজাল্টৰ দিনা মই তুৰাৰ হাস্পতালত। মোৰ ল'ৰাটোৰ জন্ম হৈছিল তাৰ পাছদিনাই। তাৰ প্ৰায় এবছৰৰ পাছতেই মোৰ ছোৱালী এজনীৰো জন্ম হয়। মুঠতে মই ঘৰতে সম্পূৰ্ণ আবদ্ধ হৈ পৰিলোঁ। নগাঁও ছোৱালী কলেজৰ সেই সময়ৰ শিক্ষকৰ ব্যক্তিত্বই ইমান প্ৰভাৱ পেলাইছিল যে মই এম এ পঢ়িব নোৱাৰি হতাশাত প্ৰায় দগ্ধ হৈ পৰিছিলোঁ। বি এ পাছ কৰাৰ সম্পূৰ্ণ পাঁচ বছৰৰ পাছত মই গুৱাহাটী বিশ্ববিদ্যালয়ত এম এ পঢ়াৰ সুযোগ উলিয়াই ল'লোঁ। ল'ৰা-ছোৱালী দুটাও অকণমান ডাঙৰ হ'ল। সিহঁতক স্বামীৰ চাকৰিৰ ঠাইতে এৰি এদিন গুচি আহিলোঁ উচ্চ-শিক্ষা লোৱাৰ উদ্দেশ্যেৰে। সফলো হ'লোঁ। এইবাৰ আহিল পি এইচ ডি কৰাৰ কথা। গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা এই ডিগ্ৰীও লাভ কৰিলোঁ।

বৰ্তমান মই ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী আৰু সহযোগী অধ্যাপিকা। আজিও মই সগৌৰৱেৰে ক'ব পাৰোঁ যে নগাঁও ছোৱালী কলেজে মোক জীৱনৰ এটা মাত্ৰা দিলে।

কলেজত পঢ়ি থকা সময়ৰ বহুত কথাই এতিয়াও আমনি কৰে। বিশেষকৈ শ্ৰদ্ধাৰ শ্ৰীযুক্তা ভানু পদ্মপতি বাইদেউৰ কথা পাহৰিব নোৱাৰোঁ। বাইদেউৰ নেতৃত্বত আমাৰ কলেজৰ চাৰি গৰাকী ছাত্ৰীয়ে (মই নিজেও আছিলোঁ) নতুন দিল্লীত ২৬

জানুৱাৰীত এন চি চি পেৰেডত ভাগ লোৱাৰ সুবিধা পাইছিলোঁ। কলেজ সপ্তাহত মই নিজে ১৪টাকৈ পুৰস্কাৰ এবাৰতে পাবলৈ সক্ষম হৈছিলোঁ। বেডমিণ্টন শিকাইছিল শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰাজনীতি বিজ্ঞান বিভাগৰ শ্ৰীযুত জ্যোতিনাথ চক্ৰবৰ্তী ছাৰে।

মই কলেজখনৰ একতা সভাৰ প্ৰথমগৰাকী সাধাৰণ সম্পাদিকা আছিলোঁ। সেই সময়তে তেতিয়াৰ অসমৰ ৰাজ্যপাল বি কে নেহেৰু আহিছিল, বৰ্তমানৰ এই কলেজৰ ছাত্ৰী আৱাসৰ আধাৰশিলা স্থাপন কৰিবলৈ। সেই তেতিয়াৰ উখল-মাখল পৰিৱেশটো ভালকৈয়ে মনত আছে।

শিক্ষা বিভাগৰ ৰূপা বাইদেউ, মালতী বাইদেউ আৰু কুসুম বাইদেউৰ সান্নিধ্যই মনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল। বিশেষকৈ মালতী বাইদেউ আৰু ৰূপা বাইদেউৰ আদৰ্শ মোৰ জীৱনত থাকি গ'ল বুলি মই সদায় অনুভৱ কৰোঁ। পৰীক্ষাৰ আগদিনা ৰূপা বাইদেউৱে এটা কলম, চিয়াঁহী এবটল আৰু এখন শুভেচ্ছামূলক কাৰ্ড পঠিয়াই শুভাশিস দিয়াৰ কথা সৌ সিদিনাৰ কথাহে যেন লাগে। আমাৰ দিনত পুৱাৰপৰা আবেলি ৩-৩০ বজালৈ ক্লাছ কৰাৰ কথা এতিয়াও মনত আছে। শিক্ষকসকলেও অতি নিষ্ঠাৰে নিজ কৰ্তব্য পালন কৰাৰ কথাও স্পষ্টকৈ মনত আছে। নগাঁও ছোৱালী কলেজৰ ছাত্ৰী আছিলোঁ বাবেই নেকি নিজেও আজি সেইদৰেই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ়াৰ লক্ষ্য লৈয়েই নিষ্ঠাৰে কৰ্তব্য পালন কৰি আছোঁ। ফাঁকি দিয়াৰ কথা নিশিকিলোঁৱেই। দিম কেনেকৈ? আচলতে Hero Worshipৰ দৰে ছাৰ-বাইদেউসকলক অনুকৰণ কৰিছিলোঁ।

বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী আৰু আমাৰ দিনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এটা বিশেষ ব্যৱধান দেখা পাইছোঁ। যিহেতু ময়ো বৰ্তমান এই কৰ্মত নিয়োজিত সেয়েহে এই ব্যৱধান ৰাৰুকৈয়ে অনুভৱ কৰোঁ। আমি আজিও আমাৰ শিক্ষাগুৰুসকলক নমস্য ব্যক্তিৰূপে গণ্য কৰোঁ, যিটো আজিৰ প্ৰজন্মৰ বহুতে কৰিব নোখোজে। এই ব্যৱধানৰ উৎস বিচাৰি ফুৰোঁ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উত্তৰণ নে মানৱতাৰ স্খলন বুজি নাপাওঁ!

এই কলেজত অধ্যয়ন কৰা বহুতো ছাত্ৰী বৰ্তমান বিভিন্ন কৰ্মত ৰত। মই অনুভৱ কৰোঁ এই সমূহ কৰ্মৰতা নাৰীয়েই কলেজখনৰ গৌৰৱ।

সংসাৰ, চাকৰি আদিত ব্যস্ত হৈ থাকিলেও কলেজখনৰ প্ৰতিটো ক্ষণ মোৰ বাবে চিৰস্মৰণীয়। এই লেখনিৰদ্বাৰাই শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকললৈ মোৰ ভক্তিভৰা শ্ৰদ্ধা জনালোঁ আৰু তেখেতসকলৰ সুস্বাস্থ্য কামনা কৰিলোঁ।

---

ড° ৰুনুমা ভট্টাচাৰ্য শৰ্মা নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী আৰু বৰ্তমান ডিব্ৰুগড়ৰ ডিব্ৰু কলেজৰ শিক্ষাবিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপিকা।



# মোৰ কলেজীয়া জীৱনৰ তিনিটা বছৰ

ৰুমী বৰা (তামুলী ফুকন)

মই নগাঁও ছোৱালী কলেজত পঢ়িছিলোঁ। কলং নৈৰ পাৰত সুন্দৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ কলেজখন অকল মোৰেই নহয়, আন বহুতৰে খুউব আপোন। এতিয়াও নগাঁৱৰ ঘৰলৈ গ'লে এপাক চাই আহিবলৈ মন যায় আমাৰ মৰমৰ সেই কলেজখন। আমি পঢ়ি থকাৰ সময়ত অধ্যক্ষ আছিল শ্ৰদ্ধেয় মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰ। সঁচাকৈ ধুতি-পাঞ্জাৱী পৰিহিত আৰু সুন্দৰকৈ মৰা পাগুৰিৰে সৈতে দেখিলেই ভক্তি ওপজা, চালে চকুৰোৱা মানুহজনৰ ব্যক্তিত্বই কলেজখনৰ সৌন্দৰ্যৰ লগতে পৰিৱেশো গহীন-গম্ভীৰ কৰি তুলিছিল।

মাজত এটা কৰিডৰ, এফালে অধ্যক্ষৰ কোঠা, অধ্যাপক-অধ্যাপিকাসকলৰ জিৰণি কোঠা আৰু আনফালে ছাত্ৰীসকলৰ জিৰণি কোঠা। সন্মুখত এখন দীঘলীয়া বাৰান্দা। দুফালে চিৰিৰে নামি গৈ দুশাৰী দীঘলীয়া টিনৰ ঘৰ। সেই ঘৰকেইটাৰ কোঠালীবোৰেই আছিল আমাৰ শ্ৰেণীকোঠা। কোনোধৰণৰ হাই-উৰুমি নাছিল। মুঠতে কলেজখনৰ শৈক্ষিক পৰিৱেশ খুবেই আকৰ্ষণীয় আছিল।

নৈখনৰ ইপাৰে কলেজ, সিপাৰে আমাৰ ঘৰ। মাজতে এতিয়া সকলোৱে সহজে কোৱা 'লাভাৰ ব্ৰিজ'খন। দলংখনে কেতিয়াৰ পৰা এই নাম পালে ক'ব নোৱাৰোঁ। এবাৰ এজনে আমাৰ ঘৰ নগাঁৱৰ ক'ত সোধাত মই বুজাওঁতেই তেখেতে ইমান সহজভাৱে ক'লে— 'মানে লাভাৰ ব্ৰিজৰ ওচৰত।' মই থতমত খালোঁ। পিছতো আৰু কেইবাজনৰো মুখত এই নামটো শুনিবলৈ পাইছিলোঁ। আমি থকালৈকে কিন্তু এই দলংখনে সেই নাম পোৱা নাছিল। নামটো মই বৰ সস্তীয়া বোধ কৰিছিলোঁ। যি কি নহওঁক, আজি অলপদিনৰ আগতে নগাঁৱলৈ যাওঁতে গম পালোঁ দলংখনৰ নাম "শেৱালি কবি ৰত্নকান্ত বৰকাকতী সেতু" দিয়া হ'ল। ভাল লাগিল মনটো।

ঘৰৰ ওচৰতে কলেজ বুলি লাহে ধীৰে ওলাওঁতে কেতিয়াবা ঘৰতে ক্লাছৰ ঘণ্টা মৰা শুনো। তাৰপাছত লৰালৰিকৈ গৈ কেতিয়াবা দেখো অধ্যাপক বা অধ্যাপিকা গৈ ক্লাছত সোমালেই। কোনোবাজনে কেতিয়াবা ভদ্ৰ ভাষাত উপহাস কৰি কয়— "ষ্টেচনৰ ওচৰৰ যাত্ৰীয়ে ৰেল ধৰিব নোৱাৰে।" তেতিয়া বৰ লাজ পাওঁ। একেলগে দুটামান অফ্ পিৰিয়ড পালেই ঘৰলৈ যাওঁগৈ— মাক ইটো সিটো কামত সহায় কৰি দিবলৈ নাইবা তাঁতৰ শালত বহি আধাৰছা ফুলৰ দুকাঠিমান আগবঢ়াই থ'বলৈ।

কলংখনৰ পাৰত কলেজৰ ওচৰতে এখন সৰু আশ্ৰম আছিল। এটামান পিৰিয়ড অফ্ পালে সেই আশ্ৰমৰ গছৰ তলত বহি আড্ডা মৰাৰ কথা এতিয়াও মাজে মাজে মনত পৰে। আজি কেইবছৰমান আগতে নগাঁৱত এজনী বান্ধৱীৰ জীয়েকৰ বিয়াত আমি গোটেই কেইজনী লগ লাগিছিলোঁ। কোনোবা আহিছিল গুৱাহাটীৰপৰা, কোনোবা যোৰহাটৰপৰা আৰু মই তেজপুৰৰপৰা। কিমান যে ভাল লাগিছিল বুজাব নোৱাৰোঁ। ঘৰলৈ আহি মনৰ আনন্দত ক'ব নোৱৰা হৈ ক'লোঁ: "ইমান ভাল লাগিল, ইমান দিনৰ মূৰত আমি বাৰজনী ছোৱালী লগ হ'লোঁ।" লগে লগে মোৰ ল'ৰাই আচৰিত হৈ ক'লে: "মা তোৰ লগৰ ছোৱালী?' প্ৰথমে কথাটো একো ধৰিবই পৰা নাছিলোঁ— সি কিয় তেনেকৈ ক'লে। পাছতহে কথাটো বুজিব পাৰি তাক ক'লোঁ: "অ'! মোৰ লগৰ বুঢ়ী বুলি ক'ব লাগিব নেকি?" আচলতে মই লাজ পাইহে তাক তেনেকৈ ক'লোঁ। কথাটোতো ঠিকেই, ছোৱালী বিয়া দিলো, নাতি হ'ল; মানে মই আইতা হ'লো, এতিয়া বাৰু সিহঁতৰ আগত নিজকে ছোৱালী বুলি ক'লে সিহঁতে মানিব কেনেকৈ? কেতিয়াবা হৈ যায় এনেকুৱা ভুল।

কলেজত মই শ্ৰেষ্ঠা গায়িকা আৰু এবছৰ মই মিউজিক ছেক্ৰেটেৰী আছিলোঁ। গীত গাব পৰাকৈ এটা ভগৱান-প্ৰদত্ত কণ্ঠ আৰু মাৰপৰা শিকা লয়-তান আদিৰে কলেজ সপ্তাহত গীত গায়েই যে শ্ৰেষ্ঠা গায়িকা হৈছিলোঁ, সেই কথা ভাবিলে এতিয়া আচৰিতেই লাগে।

কলেজৰ তিনিটাবছৰ মোৰ বাবে সঁচাকৈয়ে চিৰস্মৰণীয় হৈ ৰ'ব। কাৰণ ১৯৭১ চনত "ভাৰত দৰ্শন" ১৯৭২ চনত "এন চি চি কেম্প" আৰু ১৯৭৩ চনত "যুৱ মহোৎসৱ"ত মই অংশগ্ৰহণ কৰিছিলোঁ। এই তিনিটা বছৰত মোৰ তিনিধৰণৰ অভিজ্ঞতা

হৈছিল।

এতিয়া আহোঁ ১ম বাৰ্ষিকৰ কথালৈ। ১৯৭১ চনত প্ৰথম বাৰ্ষিকত পঢ়ি থাকোঁতে এদিন হঠাৎ শুনিলোঁ অসম চৰকাৰে শিক্ষামূলক ভ্ৰমণৰ বাবে দুখন বিশেষ ৰেলগাড়ীৰ ব্যৱস্থা কৰিছে— 'ভাৰত দৰ্শন'ৰ বাবে। এখন স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে আৰু এখন কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে। অসমৰ প্ৰত্যেকখন স্কুল-কলেজৰ চাৰি বা পাঁচজনকৈ ছাত্ৰ-ছাত্ৰীক নিজৰ নিজৰ শিক্ষানুষ্ঠানে বাছি দিছিল। আৰু লগত গৈছিল এগৰাকীকৈ অধ্যাপক বা অধ্যাপিকা। সেই বাছনিত যেতিয়া আমাৰ কলেজৰ চাৰিজনী ছোৱালীৰ ভিতৰত মোৰ নামটোও ন'টিচ ব'ৰ্ডত ওলাল, তেতিয়া সঁচাই খুউব আনন্দিত হৈছিলোঁ। নিজকে খুউব সৌভাগ্যৱতী যেন অনুভৱ হৈছিল। কাৰণ তাৰ আগলৈকে অসমৰ বাহিৰলৈ যোৱাৰ সুবিধা পোৱা নাছিলোঁ। অক্টোবৰ মাহৰ প্ৰায় ২০দিনমান আমি সেই একেখন ৰেলৰ একেটা ডবাত উঠি উত্তৰ-ভাৰতৰ কেইবাখনো ঠাই চাবলৈ পাইছিলোঁ। তাৰ বাবদ আমি জমা দিবলগীয়া হৈছিল মাত্ৰ ৮০ টকা। ৰেলতে আমাৰ থকা-খোৱা সকলো। কিছুমান ষ্টেচনত ৰেলখন ৰখাই দিয়ে আৰু তাৰপৰা বাছেৰে আমাক বিভিন্ন চাবলগীয়া ঠাই দেখুৱায়। তেনেকৈ ঘূৰোঁতে আকৌ দিনৰ আহাৰৰ বাবে এখন ঠাইত বাছ ৰখায় আৰু আমাক ওচৰতে ক'ৰবাত খাবলৈ টকা দিয়ে। এতিয়া ভাবিলে হাঁহি উঠে আমি আকৌ সেই খাবলৈ দিয়া টকাৰে অলপ ৰাহি কৰি ঘৰৰ সকলোলৈকে সৰুসুৰা কিবা এটা আনিবলৈ চেষ্টা কৰিছিলোঁ। এই দীৰ্ঘদিনীয়া যাত্ৰাত উজনিৰপৰা নামনিলৈকে প্ৰত্যেক কলেজৰপৰা যোৱা বহুত ল'ৰা-ছোৱালীৰ লগত চিনাকি হৈছিলোঁ, বহুতৰ লগত ঘনিষ্ঠতাও হৈছিল। সৌ সিদিনা ভূপেনদাৰ মৃত্যুত খুউব আৱেগিক হৈ ১৯৬৮ চনতে তেখেতে মোৰ অটোগ্ৰাফত লিখা সুন্দৰ কথাখিনি আকৌ এবাৰ নতুনকৈ চাবলৈ উলিয়ালোঁ। তেতিয়াই পালোঁ মোৰ সেই 'ভাৰত দৰ্শন'ৰ কিছুমান বন্ধু-বান্ধৱীৰ লিখা। সাংসাৰিক ব্যস্ততাত পাহৰি যাবলৈ ধৰা তেওঁলোকলৈ আকৌ এবাৰ মনত পৰিল। এতিয়া কোনবা ক'ত আছে, লগ পাম জানো কেতিয়াবা!

১৯৭২ চনত মই দ্বিতীয় বাৰ্ষিকত পঢ়োঁতে তেজপুৰৰ মিছামাৰিলৈ আহিছিলোঁ— এন চি চি কেম্পত প্ৰশিক্ষণ ল'বলৈ। কলেজত মই এন চি চি লৈছিলোঁ। সপ্তাহৰ তিনিদিনমান আমাৰ এন চি চি ক্লাছ থাকে। পঢ়াশুনাৰ লগতে পেৰেড, ড্ৰিল আদি কৰি বেছ ভাল লাগিছিল। সেই ক্লাছটোৰ প্ৰতি বেছ আগ্ৰহান্বিত হৈছিলোঁ ক্লাছৰ শেষত আমাক সদায় কিবা খাবলৈ দিছিল। কেতিয়াবা গজা, কচুৰি; কেতিয়াবা বৰফি, চিংৰা ইত্যাদি। মুঠতে এবিধ নিমখীয়া আৰু এবিধ মিঠা। প্ৰায় ১০ দিনমান আমি কেম্পত আছিলোঁ নেকি! তেতিয়া "কলিয়া ভোমোৰা" দলং হোৱা নাছিল। আমি ফেৰীত পাৰ হ'বলগীয়া হৈছিল। এন চি চিৰ ড্ৰেছত নিজৰ বেডিং বাকচ নিজে কঢ়িয়াই ফেৰীত কৰা যাত্ৰাটো বিৰাট উপভোগ্য আছিল। অসমৰ কেইবাখনো কলেজে এই কেম্পত যোগদান কৰিছিল। বিভিন্ন ঠাইৰ বিভিন্ন ল'ৰা-ছোৱালীৰ লগত চা-চিনাকি হৈ, একেলগে থাকি বৰ ভাল লাগিছিল। এই কেম্প কৰি নিয়মানুবৰ্তিতা, সময়ানুৱৰ্তিতা আদি জীৱনৰ বাবে দৰকাৰী বহুত কথাই শিকিলোঁ। সেইকেইদিনত ৰাতিপুৱা শুই উঠাৰপৰা ৰাতি শোৱালৈকে যিখিনি নিয়ম-নীতিৰ মাজত থাকিবলগীয়া হৈছিল, সেইখিনি পিছৰ জীৱনতো মানি থাকিবলৈ চেষ্টা কৰি আছো। কিন্তু কেতিয়াবা ইফাল-সিফাল হৈ যায়। কেম্পৰ শেষৰ দিনা ৰবখানাৰ লগতে গান-বাজানা। আমি সকলোৱে মিলিজুলি খুউব ফূৰ্তি কৰিছিলোঁ। তাত লখিমপুৰৰ অনিমা গগৈয়ে গোৱা 'চন্দা হেই তো মেৰা সুৰয হেই তু' গানটো মোৰ ইমানেই ভাল লাগিছিল যে আজিও সেই গানটো শুনিলে তাইলৈ মনত পৰে।

১৯৭৩ চনত মই যেতিয়া তৃতীয় বাৰ্ষিকৰ ছাত্ৰী আছিলোঁ আন্তঃকলেজ যুৱ-মহোৎসৱত যোগদান কৰিবলৈ সুবিধা পাইছিলোঁ। সেইটোও আছিল খুউব আনন্দময় পৰিৱেশ। বিভিন্ন ঠাইৰ বিভিন্ন কলেজৰ বাছকবনীয়া কিছুমান ছাত্ৰ-ছাত্ৰী গোট খাইছিল। প্ৰত্যেকৰে স্ব স্ব প্ৰতিভা প্ৰকাশৰ এইয়া এক উত্তম ক্ষেত্ৰ। আজিও গুৱাহাটী বিশ্ববিদ্যালয়ত যুৱমহোৎসৱ হ'লেই মোৰ সেই দিনকেইটিলৈ মনত পৰে। আমাক থাকিবলৈ দিছিল ছোৱালী হোষ্টেলত। মই গানৰ প্ৰতিযোগিতাত যোগদান কৰিছিলোঁ। সমৱেত সংগীতত আমি দ্বিতীয় পুৰস্কাৰ আৰু লোক-সংগীতত মই দ্বিতীয়স্থান লাভ কৰি ৰূপৰ পদক পাইছিলোঁ। আমি গোৱা সমৱেত সংগীতটো ৰচিছিল শ্ৰদ্ধাৰ ইদ্ৰিছ আলী ছাৰে। আমাৰ লগত গৈছিল শ্ৰদ্ধাৰ জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰ। এই দুয়োগৰাকীয়ে আমাক গানৰ ক্ষেত্ৰত বহুতখিনি উৎসাহ আৰু উদ্‌গনি যোগাইছিল।

মুঠতে তিনিবছৰীয়া কলেজীয়া জীৱনটো মোৰ বিভিন্ন অভিজ্ঞতাৰ ভঁড়াল আৰু সঁচাকৈয়ে ক'বলৈ গ'লে এনেকৈ সুবিধা পোৱাটোও মোৰ গৌৰৱ আৰু সৌভাগ্যৰ কথা বুলি মই ভাবোঁ।

জয়তু নগাঁও ছোৱালী কলেজ।

---

ৰুমী বৰা (তামুলী ফুকন) নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী।



# কলঙৰ সীমা ভেদি সাত সাগৰ তেৰ নদী

গীতা কলিতা

নগাঁও ছোৱালী কলেজৰ সোণালীবৰ্ষৰ সোণালী সুযোগ গ্ৰহণ কৰি জয় জয়তে আমাৰ চিৰনমস্য দেৱতুল্য প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰকে প্ৰমুখ্য কৰি বৰ্তমান ইহসংসাৰত জীৱিত আৰু মৃত সকলো শিক্ষাগুৰুলৈ সহস্ৰ প্ৰণিপাত যাচিলোঁ। নগাঁও চহৰৰ মাজ মজিয়াত কলং নদীৰ দাঁতিত শাৰী শাৰী বৃক্ষৰ মাজত বাঁহ-কাঠৰ আলয়বোৰত মমবাতিৰ দৰে নিজে জ্বলি জ্বলি আনক পোহৰ দিয়া শিক্ষাগুৰুসকলৰ আশ্ৰয়ত তাহানি অৰ্থাৎ ১৯৭১ চনৰপৰা ১৯৭৫ চনলৈকে উচ্চশিক্ষা গ্ৰহণ কৰিছিলোঁ। সেই শিক্ষা আছিল নিভাঁজ, মানুহ গঢ়াৰ শিক্ষা। তাকেই ভেটি হিচাপে লৈ ৩৬ বছৰকাল, যিখন বিদ্যালয়ৰপৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিলোঁ, সেই একেখন বিদ্যালয়তে মানৱসম্পদ গঢ়াৰ খনিকৰ হিচাপে প্ৰধান শিক্ষয়িত্ৰী পদত কাৰ্যনিৰ্বাহ কৰি আছোঁ।

মোৰ জীৱনত জ্ঞানবৃক্ষৰ প্ৰাৰম্ভিক বীজ ৰোপণৰপৰা আৰম্ভ কৰি বৰ্তমান চাকৰি কাললৈকে কলংসুঁতিয়ে এক ঐতিহ্য বহন কৰি আছে। প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰপৰা আৰম্ভ কৰি হাইস্কুল পৰ্যায়ৰ শিক্ষা লাভ কৰা শিক্ষানুষ্ঠানকেইখন হৈছে ক্ৰমে ৩৬নং মৰিকলং নিম্ন প্ৰাইমেৰী স্কুল আৰু মৰিকলং এম ই স্কুল আৰু মৰিকলং হাইস্কুল। এই বিদ্যালয়কেইখন মৰিকলং বিলৰ নিচেই কাষতে। পঢ়ি থকা সময়ত খিড়িকীৰে উপভোগ কৰা কলঙৰ দৃশ্য, কলঙৰ ইপাৰে-সিপাৰে বাসকৰা সৰ্বসাধাৰণৰ সুখ-দুখ, আনন্দ-উৎসৱ, দ্বন্দ্ব-খৰিয়াল, চিঞৰ-বাখৰ, মাছমৰা দৃশ্য ইত্যাদিয়ে আজিও মন-দাপোণত লুকাভাকু খেলে। ইয়াৰ পিছৰ পৰ্যায়ৰ শিক্ষা অৰ্থাৎ হাইস্কুলীয়া শিক্ষা সাং কৰি উচ্চশিক্ষা লাভ কৰাৰ উচ্চাকাংক্ষা বুকুত বান্ধি অভিভাৱকৰ ইচ্ছাক সন্মান জনাই আনন্দ উলাহত মতলীয়া মন এটা লৈ কলঙৰ দাঁতিত অৱস্থিত আশ্ৰমসদৃশ "নগাঁও ছোৱালী কলেজ"ত নাম ভৰ্তি কৰিছিলোঁ। চহৰৰ বাট-পথৰ অনভিজ্ঞতাই প্ৰথম অৱস্থাত কিছু বেমেজালিৰ সৃষ্টি কৰিছিল যদিও পিছলৈ সকলো অন্তৰায় আপোনাআপুনি আঁতৰি গৈছিল। সেইসময়ত পৰিবহণ ব্যৱস্থা বৰ্তমানৰ তুলনাত অনুন্নত হোৱা বাবে প্ৰায়বিলাক ছাত্ৰ-ছাত্ৰীয়েই বহুদূৰ খোজকাঢ়ি আহিব লগা হৈছিল।

গৌৰৱোজ্জ্বল সোণালীবৰ্ষত ভৰি দিয়া কলেজখনলৈ প্ৰাক্তন ছাত্ৰী হিচাপে বৰ্ষজোৰা কাৰ্যসূচীৰ আলোচনা-বিলোচনাত ভাগ ল'বলৈ আহি বৰ্তমান কৰ্মৰত অধ্যক্ষাগৰাকীকে প্ৰমুখ্য কৰি প্ৰাক্তন ছাত্ৰীৰ কাৰ্যকৰী কমিটিৰ সকলো সদস্যা তথা অধ্যাপিকাসকলৰ আন্তৰিক ব্যৱহাৰত বাৰুকৈয়ে আপ্লুত হৈছিলোঁ। আমাৰ প্ৰকৃত শিক্ষাগুৰুসকলৰ অনুপস্থিতিৰ অভাৱ কিছুপৰিমাণে হ'লেও উপশম হৈছিল। এইখিনিতে আমাৰ মহান শিক্ষক ড° সৰ্বপল্লী ৰাধাকৃষ্ণন অৰ্থাৎ আমাৰ দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতিৰ এষাৰ কথা মনলৈ আহিছে। তেওঁ শিক্ষকসকলক এইবুলি উপদেশ দিছিল: "আমি সততে বৌদ্ধিক নিষ্ঠা আৰু বিশ্বজনীন দয়া-মমতাৰ অন্বেষণ কৰিব লাগে। এই দুটা গুণেই প্ৰকৃত শিক্ষক এজনক চিহ্নিত কৰে।" এই গুণসমূহ আমাৰ কলেজৰ ভূতপূৰ্ব শিক্ষকসকলৰ মাজত আৰু বৰ্তমান শিক্ষকসকলৰ মাজতো অনুভৱ হৈছে। আমাৰ সেইসময়ৰ অধ্যক্ষ পৰমব্ৰহ্ম স্বৰূপ প্ৰয়াত মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰৰ এষাৰ কথা এতিয়াও মনৰ মাজত সজীৱ হৈ আছে। ১৯৭২ চনত যেতিয়া হায়াৰ ছেকেণ্ডেৰী পাছ কৰি বি এ পঢ়িবৰ বাবে এই কলেজৰপৰা নগাঁও কলেজলৈ যোৱাৰ প্ৰস্তুতি চলাই চাৰ্টিফিকেট বিচাৰি মই আৰু মোৰ দাদা ছাৰৰ ওচৰ চাপিছিলোঁ, ছাৰে অকণো পলম নকৰাকৈ কৈছিল: "মোৰ ছোৱালীক মই কেতিয়াও এই কলেজৰপৰা যাবলৈ নিদিওঁ।" সেই সময়ত আমাৰ কলেজত সংস্কৃতত অনাৰ্ছ নথকা বাবে মোৰ প্ৰিয় বিষয় সংস্কৃতত অনাৰ্ছ ল'বৰ বাবেহে নগাঁও কলেজত পঢ়াৰ সিদ্ধান্ত লৈছিলোঁ। অধ্যক্ষ ছাৰে শিক্ষা-বিষয়ত অনাৰ্ছ ল'বলৈ কোৱাত তেখেতৰ পিতৃসুলভ আজ্ঞাক সন্মান জনাই সেই বিষয়তেই অধ্যয়ন কৰি ডিগ্ৰী সাং কৰি ১৯৭৫ চনত সেই প্ৰিয় অনুষ্ঠানটিৰপৰা বিদায় মাগিলোঁ। শিক্ষা বিভাগৰ মালতী বাইদেউকে প্ৰমুখ্য কৰি আটাইকেইগৰাকী বাইদেউ আৰু সংস্কৃত বিভাগৰ মহেন্দ্ৰ শইকীয়া ছাৰ, সবিতা বাইদেউ, অসমীয়া বিভাগৰ প্ৰয়াত যোগেন্দ্ৰনাৰায়ণ ভূঞা ছাৰকে প্ৰমুখ্য কৰি আটাইকেইগৰাকী ছাৰ, ইংৰাজী বিভাগৰ আহোম ছাৰ, ৰীতা বাইদেউ আদি আৰু অন্যান্য বিভাগৰ সকলো ছাৰ-বাইদেউৰপৰা আহৰণ কৰা শৈক্ষিক, বৌদ্ধিক, আধ্যাত্মিক, জ্ঞান তথা সৰলতা, নিয়মানুবৰ্তিতা,

উদাৰতা, মহানুভৱতা ইত্যাদি গুণবোৰ আংশিকভাৱে হৃদয়ঙ্গম কৰি শিক্ষকতাৰ নিচিনা মহান বৃত্তিত জড়িত হৈ আছোঁ।

সিদিনা আমাৰ ছোৱালী কলেজৰ সোণালীবৰ্ষৰ আৰম্ভণি অনুষ্ঠানটিত সময়ানুবৰ্তিতাৰ ওপৰত গুৰুত্ব দিয়া পৰিলক্ষিত হৈছিল। এইক্ষেত্ৰত কলেজখনৰ অধ্যক্ষা বাইদেউৰ শলাগ নিশ্চয় ল'ব লাগিব। ছাত্ৰীসকলে প্ৰৱেশদ্বাৰৰপৰা সভাস্থলীলৈকে দেখুওৱা নিয়মানুবৰ্তিতা, নীৰৱতা, ভদ্ৰ আচৰণ আদিয়ে সকলোকে আপ্লুত কৰাৰ ইঙ্গিত পাইছিলোঁ। শেষত সদ্য প্ৰয়াত ড° ভূপেন হাজৰিকাৰ এটি গীতৰ কলিৰে লিখনিৰ আঁৰ কাপোৰ তৰিলোঁ—

আন্ধাৰৰ ভেটা ভাঙি
প্ৰাগজ্যোতিষত বয়
জেউতি নিজৰাৰে ধাৰ
শত শত বন্তিৰে
জ্ঞানৰ দীপালিয়ে
জিলিকাব লুইতৰে পাৰ।

এতিয়া আশা ৰাখিছোঁ আমাৰ হিয়াৰ আমঠু নগাঁও ছোৱালী কলেজে যেন শত শত জ্ঞানৰ বন্তিৰে চিৰ প্ৰৱাহমান কলঙৰ দাঁতিত দীপ্তিমান হৈ ৰওক।

---

গীতা কলিতা নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী।



# স্মৃতি সঁফুৰাত যৌৱনৰ সোণালী চাপৰি

হৰিদেৱ মহন্ত

কলংখনে কথা কয়
নতুন পুৰণি বহুকথা
কথাবোৰ নৈখনৰ গৰাত ঠেকা খায়
কিছুমান বৈ যায়,
টুকুৰা টুকুৰ হৈ কিছুমান গুচি যায়
কলঙৰ নাচনী সোঁতত.....।

জাক জাক গাভৰুৰ যৌৱনোচ্ছল হাঁহিৰ টুকুৰাবোৰ বছৰ বছৰ ধৰি আবৰি-সামৰি ৰাখিছে এই ক্ষীণাঙ্গী কলংখনে। নিজৰ যৌৱন হেৰুৱায়ো আনৰ যৌৱনৰ ধেমালিৰ সুবাসেৰে যেন নিজৰ বিপন্ন অস্তিত্বক জীপাল কৰি ৰখাৰ প্ৰচেষ্টাৰে এতিয়াও এই কলেজখনৰ কাষেৰে বৈ আছে। এৰা! যৌৱন, সপোন আৰু ফাগুনৰে অনন্ত ধেমালি— নগাঁও ছোৱালী কলেজ।

অসমীয়া বিভাগৰ অধ্যাপক ইদ্ৰিছ আলী ডাঙৰীয়া। এবছৰৰ কাৰণে ছুটী লৈ গৈছিল উৰিষ্যাৰ আঞ্চলিক ভাষা প্ৰশিক্ষণ কেন্দ্ৰলৈ। গতিকে তেখেতৰ ঠাইত কলেজখনত মই এবছৰৰ বাবে অধ্যাপনা কৰাৰ সুযোগ পালোঁ। বিশ্ববিদ্যালয়ৰপৰা ওলাই অহাৰ পিছত প্ৰথম অধ্যাপনাৰ সুযোগ পাই ১৯৭৩ চনৰ ১৬ আগষ্টত মই এই কলেজখনত যোগদান কৰিলোঁ।

সেই সময়ত কলেজখনৰ অধ্যক্ষ আছিল ˚মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰ। মূৰত এটি সুন্দৰ পাগুৰিৰে শুধ বগা ধূতি-পাঞ্জাবী পৰিহিত অধ্যক্ষ গৰাকীক দেখিলেই ভক্তি উপজিছিল। তেখেতে ছাত্ৰীসকলক শাসন আৰু মৰম সমানে কৰিছিল। সেই সময়ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা আছিল তৰু বৰুৱা বাইদেউ। আনসকল আছিল তিলকচন্দ্ৰ মজুমদাৰ, ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা, কৃষ্ণ বৰা। এইসকলৰ লগতে অধ্যাপক মহেন্দ্ৰ আহোম (পিছলৈ নগাঁও কলেজৰ অধ্যক্ষ আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক), ভৱেন শৰ্মা, শিখা দত্ত, ৰীতা বৰা, ড° ৰাজেন শইকীয়া, গুণধৰ গগৈ (পিছলৈ নগাঁও কৰ্মাচ কলেজৰ অধ্যক্ষ), বিনয় বৰা, মামণি গোস্বামী, ফাইজুৰ ৰহমান, জয়ধন দাস। অধ্যক্ষাকে ধৰি সকলো অধ্যাপক-অধ্যাপিকাই ছাত্ৰীসকলৰ বিদ্যায়তনিক দিশৰ সফলতাত যথেষ্ট অৰিহণা যোগাইছিল।

সেই সময়ত কলেজখনৰ গ্ৰন্থাগাৰিক আছিল মহম্মদ আলী নামৰ এগৰাকী শান্ত আৰু মৃদুভাষী লোক। লগতে কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ সহযোগিতাও মনত ৰাখিবলগীয়া। আজিকালিৰ কিছুমান কৰ্মচাৰীৰ দৰে কামত ফাঁকি দিব খোজা, শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিব নোখোজা— এনে ধৰণৰ মনোবৃত্তি তেখেতসকলৰ নাছিল। তেখেতসকল হ'ল সৰ্বশ্ৰী তোযেশ্বৰ খাটনীয়াৰ, সুৰেন শইকীয়া আৰু দেৱ মহন্ত (এতিয়া বেঙ্ক বিষয়া)। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী কেইজনেও বেচ সহযোগিতাৰে কাম কৰিছিল। তেওঁলোক আছিল মোহন, মনেশ্বৰ, ৰামচন্দ্ৰ আৰু হৰ।

কলেজখনত মহাপুৰুষ দুজনাৰ তিথি, সৰস্বতী পূজা, নৱাগতা আদৰণি সভা, সাংস্কৃতিক অনুষ্ঠান আদি বেচ উৎসাহেৰে পতা হৈছিল আৰু এই ক্ষেত্ৰত প্ৰায়সকল অধ্যাপক-অধ্যাপিকাই সহায়-সহযোগিতা আগবঢ়াইছিল। সাংস্কৃতিক অনুষ্ঠানবিলাকত বিশেষভাৱে আগভাগ লৈছিল অধ্যাপক জ্যোতিনাথ চক্ৰৱৰ্তীয়ে। ইংৰাজী বিভাগৰ অধ্যাপিকা শিখা দত্তই কলেজৰ সাংস্কৃতিক অনুষ্ঠানবিলাকত গীত গাইছিল। তেখেতে সুন্দৰকৈ গোৱা গীত আৰু পৰিৱেশন ভঙ্গীমাই ছাত্ৰীসকলক উত্ৰাৱল কৰি তুলিছিল। ছাত্ৰীসকলবো কোনোৱে গীত পৰিৱেশন কৰিছিল, কিছুমান ছাত্ৰীয়ে বিহুনাচ আৰু নাটকতো অংশগ্ৰহণ কৰিছিল।

নৱাগত আদৰণি অনুষ্ঠানৰ ন-পুৰণি ছাত্ৰীৰ পৰিচয় পৰ্বত হোৱা কেইটামান আমোদজনক কাহিনীৰ কথা ক'ব খুজিছোঁ। অনুষ্ঠানৰ চিনাকি পৰ্বত নতুন ছাত্ৰীসকলক ৰেগিং কৰিবৰ কাৰণে পুৰণি ছাত্ৰী কেইজনীমান উত্ৰাৱল হৈ আছিল। অৱশ্যে আজি-কালিৰ দৰে অস্বস্তিকৰ আৰু মনত আঘাত পোৱাকৈ ৰেগিং কৰাৰ পক্ষপাতি নাছিল তেতিয়াৰ সেই ছাত্ৰীসকল। সেয়েহে অধ্যাপকসকলৰ অনুমতি সাপেক্ষে তেতিয়াৰ কেইগৰাকীমান উৎসাহী আৰু সুযোগ পালে উৎপাত কৰি ভালপোৱা ছাত্ৰী

কেইগৰাকীমানে ৰেগিং কৰিবলৈ অনুমতি বিচাৰি অধ্যাপক-অধ্যাপিকা কেইগৰাকীমানক খাটনি ধৰিলে। সীমাৰ ভিতৰত থাকি ৰেগিং কৰিবলৈ অনুমতি দিয়া হ'ল।

যথা সময়ত চিনাকিপৰ্ব আৰম্ভ হ'ল। নাম কোৱাৰ লগে লগে নতুন ছাত্ৰীসকলক আহি মঞ্চত উঠি তেওঁৰ নামসহ পৰিচয় দিবলৈ অধ্যাপক চক্ৰৱৰ্তীয়ে নিৰ্দেশ দিলে। লগতে যোগ দিলে খুহুতীয়া কথা কৈ ছাত্ৰীসকলক হহুঁৱাই থকা অধ্যাপক খগেন শৰ্মাই। এগৰাকী ছাত্ৰীক মঞ্চলৈ আহিবলৈ কোৱা হ'ল। ছাত্ৰীগৰাকী বৰ ক্ষীণ আছিল। তেওঁ নিজৰ নাম কৈ পৰিচয় দিয়াৰ লগে লগে সোধা হ'ল—

— "তুমি কি খাই ভাল পোৱা?"

ছোৱালীজনীয়ে কি ক'ব নক'ব ভাবি থাকোঁতেই একেবাৰে পিছৰ ফালে বহা উৎপতীয়া ছাত্ৰীকেইজনীয়ে গীত জুৰিলে,—

— "মালভোগ কলে নুশুৱাই, ভীম কলেহে শুৱাব"।

ছাত্ৰীসকলৰ মাজত হাঁহিৰ ৰোল উঠিল। পিছৰ গৰাকী নৱাগতা আছিল বেচ শকত-আৱত। তেওঁ পৰিচয় দিয়াৰ পিছত সোধা হ'ল—

— "তেওঁ কি খাই ভাল পায়।"

নৱাগতাই উত্তৰ দিবলৈ নৌ পাওঁতেই পিছফালৰপৰা ছোৱালীহঁতে চিঞৰ লগালে—

— "ছাৰ, এওঁ টনিক খাই ভাল পায়।"

তৃতীয় গৰাকী নৱাগতা মঞ্চলৈ আহি বৰ নাৰ্ভাছ হৈছিল। তেওঁক কি খাই ভাল পায় সোধাত কঁপনিৰ কোবত একো ক'বই নোৱৰা হ'ল। ছাত্ৰীহঁতৰ চিঞৰত তৎ হেৰুৱাই তেওঁ ক'লে—

— "পানী!"

"পানী খাই ভাল পোৱা?"

চক্ৰৱৰ্তীৰ কথা শেষ হ'ল কি নহ'ল, পিছফালৰপৰা ছোৱালীহঁতে চিঞৰ লগালে—

— "ছাৰ! এওঁক কলগুঁলেকে লৈ যাওঁ নেকি?"

কোনো অসুবিধা নোহোৱাকৈ, কোনেও কাকো বেয়া নোপোৱাকৈ এটা সময়ত অনুষ্ঠানটো সুকলমে শেষ হ'ল।

সেই আদৰণি উৎসৱৰ মূল সভাখনলৈ আমাৰ শিক্ষাগুৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী তথা জৱাহৰলাল নেহৰু অধ্যাপক স্বৰ্গীয় ড° মহেশ্বৰ নেওগ আৰু সৰস্বতী উপাধি প্ৰাপক ড° নিৰ্মলপ্ৰভা বাইদেউ আহি ছাত্ৰীসকলক সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰিছিল।

সেই সময়ত কলেজত এখন টেবুল-টেনিছ ব'ৰ্ড আছিল। মই আৰু অধ্যাপক জয়ধন দাসে (পিছলৈ অধ্যক্ষ) অফ্ পিৰিয়ডত প্ৰায়েই টেবুল-টেনিছ খেলিছিলোঁ। এতিয়া সেইখন আছেনে নাই নেজানোঁ!

সোণালীজয়ন্তী বৰ্ষৰ এই আবেগিক অথচ মধুৰ ক্ষণত তেতিয়াৰ সেই অধ্যাপক-অধ্যাপিকাসকলৰ ছবিবোৰ মোৰ মনলৈ ছাঁ-পোহৰৰ মাজে মাজে যেন অহা-যোৱা কৰিব লাগিছে। তেখেতসকলৰ কেইবাগৰাকীও এতিয়া আমাৰ মাজত নাই। ছাত্ৰীসকলৰ কাৰোবাক কেতিয়াবা হঠাৎ পাওঁ; কাৰোবাক সমুখত পালেও কিজানি চিনি নেপাওঁ। মোৰ সেইসময়ৰ এগৰাকী ভাল ছাত্ৰী মুনি কাকতী এতিয়া এইখন কলেজৰে অধ্যাপিকা বুলি জানো। চাকৰিসূত্ৰে কামপুৰত থকাৰ কাৰণে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মঞ্জু লস্কৰক কামপুৰত থকাৰপৰাই চিনি পাওঁ।

আজি সোণালীবৰ্ষৰ এই শুভক্ষণত কলেজখনৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰীসকললৈ মই হিয়াভৰা শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। অধ্যাপক-অধ্যাপিকাসকলৰ সফল বৌদ্ধিক নেতৃত্বই ছাত্ৰীসকলক সোণসেৰীয়া পথেৰে জগতসভালৈ আগবাঢ়ি যোৱাত সহায় কৰক, তাকেই কামনা কৰিছোঁ।

নগাঁও ছোৱালী কলেজ দীৰ্ঘজীৱী হওঁক।

---

**হৰিদেৱ মহন্ত নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন অধ্যাপক। তেখেতে কামপুৰ উচ্চতৰ বহুমুখী বিদ্যালয়ৰ অসমীয়া বিভাগৰ বিষয় শিক্ষক হিচাপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰিছে।**



# মোহনীয়া নগাঁও ছোৱালী কলেজত মোৰ ৰহণীয়া দিন

বীণা শৰ্মা

অতীত ৰোমন্থন প্ৰায়েই সুখকৰ হয় যদিহে সেয়া ল'ৰালি বা যৌৱনকালৰ হয়। জীৱনৰ অপৰাহ্ণ বেলাত মনত পেলাবলৈ চেষ্টা কৰিছোঁ ১৬/১৭ বছৰ বয়সৰ কথা।

— "আপুনি হেনো নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী। আপুনি জানেনে, আপুনি পঢ়া কলেজখনে ৫০ বছৰত ভৰি দিলে? এইটো বছৰ কলেজখনৰ সোণালী জয়ন্তী বছৰ?"

— "হঁ, গম পাইছোঁ, খবৰ কাগজত পাইছোঁ, মানুহৰ মুখত শুনিছোঁ সেইবাবে নিমন্ত্ৰণী পাই সোণালী জয়ন্তীৰ উদ্বোধনী অনুষ্ঠানলৈকো গৈছিলোঁ।"

— "কেনে পালে?"

— "ভাল লাগিল, মেঘালয়ৰ ৰাজ্যপাল ৰাজেন্দ্ৰ মুছাহাৰীৰ বক্তৃতাই মুগ্ধ কৰিলে। বেয়া লাগিল চিনাকি মুখ কম, অচিনাকি মুখ বেছি দেখি। যিখন কলেজৰ কিবা অনুষ্ঠানত মঞ্চত আমি নুঠিলে কামবোৰ নিয়াৰিকৈ নহয় যেন লাগিছিল সেইখন কলেজৰ মঞ্চত অনেক চিনাকি হ'লেও আচহুৱা মুখ।"

নগাঁও জিলাৰ দৰে বিখ্যাত ঠাই এখনৰ অখ্যাত গাঁও এখনৰপৰা প্ৰৱেশিকা পাছ কৰি ১৯৬৪-৬৫ চনত প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীত নাম লগাইছিলোঁ। মনত আশা-উদ্যমতকৈ সংকোচ বেছি। কলেজলৈ পিন্ধিবৰ বাবে দুই নে তিনিসাজ সাধাৰণ কাপোৰ। কলেজৰ প্ৰথমদিন, প্ৰথম ক্লাছ, বিষয় ইংৰাজী। অধ্যাপিকা পূৰ্ণিমা গুপ্তা। বগা, ওখ, লাহী ধুনীয়া, খুব সম্ভৱ ২৩/২৪ বছৰীয়া এজনী ছোৱালী। কি পঢ়াইছে একো মূৰত সোমোৱা নাই। গোটেই সময়খিনি বাইদেউজনীয়ে কি পিন্ধিছে, চুলিখিনি কেনেকৈ বান্ধিছে, চকুত কাজল সানিছেনে নাই, কেনেকৈ কথা কৈছে চাওঁতেই গ'ল। পিছত মন কৰিছিলোঁ ইংৰাজী পঢ়োৱা গুপ্তা বাইদেৱে সদায় বেলেগ বেলেগ কপাহী শাড়ী পিন্ধিছিল। এবাৰ পিন্ধাখন দুনাই পিন্ধা নাছিল, মনে মনে গন্তি কৰি ২৫ দিন পাৰ হোৱাৰ পিছত লেখিবলৈ এৰিছিলো। ভয়, সংকোচ, লাজেৰে প্ৰি ইউনিভাৰ্চিটি পাছ কৰিলোঁ।

আকৌ TDC 1st yearঅত নাম লিখালোঁ। প্ৰথমবাৰৰ বাবে আৰম্ভ হোৱা অসমীয়া অনাৰ্ছ ক্লাছত বহিলোঁগৈ। এতিয়াহে যেন মোৰ নতুন জীৱন আৰম্ভ হ'ল। হাইস্কুলত পঢ়া ৰাশি ৰাশি গল্প, উপন্যাসৰ পঠনে সহায় কৰিলে। এজাক ১৬/১৭ বছৰৰপৰা ২০/২১ বছৰীয়া ছোৱালী, কেইবাজনো নতুনকৈ এম এ পাছ কৰি অহা ডেকো-গাভৰু অধ্যাপক-অধ্যাপিকা, মাত্ৰ এজন অভিভাৱক। চাৰিওফালে হাঁহি, কেৱল হাঁহি। জীৱনে ইমান আনন্দ দিব পাৰেনে মানুহক?

প্ৰিন্সিপাল মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰ অকল কলেজৰে নহয় সকলো ছোৱালীৰে পিতৃস্বৰূপ তথা অধ্যাপক-অধ্যাপিকাৰ অভিভাৱক। তেখেতৰ সন্ধানী চকুৰ আগত কেনিও অকণো হেৰফেৰ হ'ব নোৱাৰে। ঘণ্টা পৰিলেই প্ৰতিজনী ছোৱালীয়ে নিজৰ নিজৰ ক্লাছত সোমাব লাগিব। অধ্যাপকসকলে একমিনিট পলম নকৰাকৈ পাঠদান কৰিব লাগিব। সাপ্তাহিক পৰীক্ষা প্ৰতিজনী ছোৱালীয়ে দিব লাগিব। নহ'লে প্ৰতিজনী ছোৱালীৰ ঘৰলৈ চিঠি যায়— প্ৰাপ্ত নম্বৰ, অনুপস্থিত থকা বিষয়ৰ তালিকাসহ।

স্নাতক প্ৰথম বাৰ্ষিকত নাম ভৰ্তি কৰাৰ পিছতেই কলেজলৈ আহিল যোগেন্দ্ৰনাৰায়ণ ভূঞা, জ্যোতিনাথ চক্ৰৱৰ্তী, মঃ ইদ্ৰিছ আলী, তিলকচন্দ্ৰ মজুমদাৰ, মহেশচন্দ্ৰ ভূঞা, বীৰেন্দ্ৰচন্দ্ৰ ডেকা, গঙ্গাপদ চৌধুৰী, ৰেখা দাসগুপ্তা, অপূৰ্ব শৰ্মা, কৃষ্ণৰাম বৰা ইত্যাদি অনেক শিক্ষাগুৰু। এতিয়া আৰু নগাঁও ছোৱালী কলেজক পায় কোনে? কলেজৰ প্ৰতিটো পৰীক্ষাত আশাপদ ফলাফল।

অৰ্থনীতি বিভাগৰ অধ্যাপিকা ভানু পদ্মপতি বাইদেউ, লগতে এন চি চিৰো বাইদেউ। এদিন অকস্মাৎ মাতিলে—

— "এই! এই এইফালে আহ। তই এন চি চি কেম্পলৈ যাব লাগিব। ক্লাছৰ পিছত ঘৰলৈ নাযাবি। ৰাইফল শ্যুটিং কেম্প কৰিব লাগিব। তই পাৰিবি।"

— "বাইদেউ! মোৰ যে অনাৰ্ছ আছে। অনাৰ্ছ থাকিলে কেম্পলৈ যাব দিব জানো?"

— "হ'ব দে, মই যোগেন ভুঞাক কৈ দিম, তোক allow কৰিবলৈ। তই Annual Sportsঅত বেডমিণ্টন ভাল খেলিছিলি

নহয়! winner নহয় জানো? এতিয়া এইফালে আহ, mixed double খেলোঁ।

চিৰাজি আৰু মই। তই চক্ৰৱৰ্তীৰ পাৰ্টনাৰ হ'।"

লাহী গাৰ ভানু বাইদেৱে পেঞ্চিল হিল পিন্ধি mixed doubles খেলিব পাৰে। আচৰিত হোৱাৰ পাল মোৰ। মনত পৰে অফ্ পালেই ছাৰ-বাইদেৱে ছাত্ৰীৰ লগত বেড্মিণ্টন খেলে, কথা পাতে, হাঁহি-ধেমালি কৰে। ভানু বাইদেউৰ বাবেই কেইবাটাও এন চি চি কেম্পত যোগদান কৰিছিলোঁ। শ্বিলঙত অনুষ্ঠিত হোৱা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইফল শ্বুটিং কেম্পত মধ্য অসমৰ হৈ মই, অঞ্জু, গৌৰী, লীলাৱতীয়ে অংশগ্ৰহণ কৰি পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলোঁ। কলেজৰ গৌৰৱ বাঢ়িছিল। এতিয়া লীলাৱতী বা ক'ত?

আন কলেজৰ তুলনাত আমাৰ কলেজত কম ছাত্ৰী, কম শিক্ষক-শিক্ষয়িত্ৰী। সেইবাবে শিক্ষক-শিক্ষয়িত্ৰীৰ লগত ছাত্ৰীসকলৰ আত্মীয়তা বেছি। বছৰি পিকনিক। ১২ ছেপ্টেম্বৰত কলেজৰ প্ৰতিষ্ঠা দিৱস, সৰস্বতী পূজা, বছৰেকীয়া খেল-ধেমালি, আবৃত্তি, তৰ্ক, আকস্মিক বক্তৃতা প্ৰতিযোগিতা আৰু বাৰমাহত তেৰটা অনুষ্ঠান। সভা-সমিতিবোৰত ইদ্ৰিছ আলী ছাৰক গান গাবলৈ বাধ্য কৰিছিলোঁ। ছাৰে গান গাবলৈ ধৰিলেই চাপৰি বজাই বজাই ছাৰক ব্যতিব্যস্ত কৰি পেলাইছিলোঁ। এবাৰ আমাৰ লগৰ আকাশবাণীৰ গায়িকা মুনু গোস্বামীক ছাৰে ক'লে—

"যমুনাৰ জলেৰে শুচিতা নাহিলে
মন্দাকিনী ক'তেনো পাম।"

"এই গানটো মই বিশেষজনৰ বাবে লিখা। তুমি প্ৰাণ দি গাবা।" আমি খিত্খিতাই হাঁহিছিলো আৰু ছাৰক জোকাই মাৰিছিলোঁ।

চক্ৰৱৰ্তী ছাৰক আৱদাৰ ধৰিছিলোঁ—

— "ছাৰ আহক না, অলপ খেলোঁ।"

ছাৰে কৈছিল—

— "ক্লাছ ক্ষতি কৰি খেলা দেখিলে বাইদেউৰাই (হিমাদ্ৰী বাইদেউ) থ'ব। লগতে মোকো বকিব।"

চক্ৰৱৰ্তী ছাৰে মিটিঙবোৰত প্ৰায়ে গোৱালপৰীয়া লোকগীত গাইছিল। এই লেখা লিখাৰ দিনা পুৱা মই হয়বৰগাঁৱৰ শ্মশানত ছাৰক শেষবাৰৰ বাবে দেখা কৰি প্ৰণাম কৰি আহিছিলোঁ। ভাবাক্ৰান্ত মনত কেৱল ছাৰৰ স্মৃতিয়ে দোলা দি আছে। শিশুসুলভ মনৰ সদা হাস্যমুখৰ চিৰতৰুণ ছাৰ। ২০১১ চনৰ ৫ ছেপ্টেম্বৰত এই কলেজৰ ছাত্ৰী ভনী আল্পনা চৰকাৰ ডেকাই গোৱালপাৰাৰ ধূপধৰা কলেজত আয়োজন কৰা ড° যোগেন্দ্ৰনাৰায়ণ ভূঞাৰ স্মৃতিচাৰণ সভাত জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰে নিৰ্দিষ্ট বক্তা হৈ ভাষণ প্ৰদান কৰি আজি নিজেই স্মৃতিলৈ পৰিণত হ'ল।

চাৰিঅনাত চাহ আৰু চিঙৰা পায় আমাৰ কলেজৰ কেণ্টিনত তেতিয়া। সদায় আমাৰ হাতত চাৰি অনা নাথাকে। আমাৰ লগত কেইগৰাকীমান বিবাহিতা মহিলায়ো পঢ়িছিল। পইছা নাথাকিলে আমি তেওঁলোকৰ পিছে পিছে গৈ কেণ্টিন পাওঁগৈ। তেওঁলোক মলয়া বৰুৱা, ডাঃ ইছলামৰ পৰিবাৰ, অধিবক্তা গোপাল আগৰৱালাৰ পৰিবাৰ। তেওঁলোক লগত থাকিলে এটা চিঙৰা কিয় দুটাও খাব পাৰি। এতিয়া মনত পৰিলে লাজো লাগে, ভালো লাগে। তেওঁলোকক ঈশ্বৰে মঙ্গল কৰক।

প্ৰিন্সিপাল ছাৰে কলেজ বিল্ডিঙৰ বেলকনিটোত আমাৰ অনাৰ্ছৰ পাঠ্যক্ৰমৰ অন্তৰ্গত *তুমি* কাব্যখন পঢ়াইছিল। শ্ৰেণীকোঠাৰপৰা ওলাই আহোঁতে এনে লাগিছিল যেন গা ধুই মন্দিৰত পূজা কৰিহে ওলাই আহিছিলোঁ। এই বিখ্যাত দাৰ্শনিক পণ্ডিতজন যেন নগাঁও ছোৱালী কলেজৰ আত্মা। তেখেতক যি লগ পোৱা নাই বা তেখেতৰ সান্নিধ্যলৈ অহা নাই তেনে লোকক ভাষাৰে বুজাবলৈ টান হ'ব। আমি কিমান সৌভাগ্যৱতী যে এনে এজন ব্যক্তিৰ তত্বাৱধানত পঢ়া-শুনা কৰিছিলোঁ।

তৰু বাইদেউ, নিনি বাইদেউ, হিমাদ্ৰী বাইদেউ, মালতী বাইদেউ, ভানু বাইদেউ, তিলকচন্দ্ৰ মজুমদাৰ ছাৰ, কৃষ্ণৰাম বৰা ছাৰ, অপূৰ্ব শৰ্মা ছাৰ, মহেশচন্দ্ৰ ভূঞা ছাৰ, গঙ্গাপদ চৌধুৰী ছাৰকে ধৰি সকলো শিক্ষক-শিক্ষয়িত্ৰীলৈ মনত পৰিলে শ্ৰদ্ধাত মূৰ দোঁ খায়।

আমাৰ সময়ত নগাঁও ছোৱালী কলেজ আমাৰ বাবে আছিল এটা পৰিয়াল, এখন ঘৰ; ঘৰৰ পিতৃ প্ৰিন্সিপাল ছাৰ, বাকী ছাৰ-বাইদেউসকল যেন আমাৰ ককাইদেউ-বাইদেউ আৰু আমিবোৰ যেন এই পৰিয়ালৰ বাই-ভনী। মৰম-চেনেহ হাঁহিৰে ভৰা এখন সুখৰ সংসাৰ। এই সংসাৰৰ সদস্যসকলে সকলো ক্ষেত্ৰতে শালীনতা বজাই ৰাখিব লাগিব, নিয়মানুবৰ্তিতা, সময়ানুবৰ্তিতা কঠোৰভাৱে পালন কৰিব লাগিব আৰু যাৰ যি কৰ্তব্য নিষ্ঠাৰে পালন কৰিব লাগিব। এয়া প্ৰয়াত অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰৰ প্ৰতিগৰাকী ছাত্ৰীলৈ নৈতিক পাঠ। আমি পঢ়া নগাঁও ছোৱালী কলেজৰ বিশেষত্ব; যি হৈ পৰিল জীৱন পথৰ পাথেয়। আজিয়ো ইয়াকে সাৰোগত কৰি জীৱন-তৰী চলাই গৈছোঁ।

---

বীণা শৰ্মা নগাঁও গাৰ্লছ কলেজৰ প্ৰাক্তন ছাত্ৰী। অৱসৰপ্ৰাপ্তা প্ৰধান শিক্ষয়িত্ৰী আৰু অধিবক্তা।



# মোৰ অতিকে মৰমৰ কলেজখন

অঞ্জলী কটকী

নগাঁও চহৰৰ মাজমজিয়াত কলং নদীৰ পাৰত অৱস্থিত মোৰ মৰমৰ কলেজখন। "নগাঁও ছোৱালী কলেজ"। নামটোৰ এটা মাহাত্ম্য থকা যেন লাগে। এনে লাগে যেন নগাঁৱৰ চহৰৰ সকলো ছোৱালী এই কলেজৰেই ছাত্ৰী।

মই এই কলেজত ১৯৮০ চনৰপৰা ১৯৮৪ চনলৈকে পঢ়িছিলোঁ। এই চাৰি বছৰত কলেজখনৰ লগত মোৰ যিটো সম্পৰ্ক গঢ়ি উঠিল অৰ্থাৎ মোৰ পৰম পূজ্য ছাৰ-বাইদেউসকলৰ লগত, অফিচ ষ্টাফৰ লগত, বিশেষকৈ মোৰ বান্ধৱীসকলৰ লগত আৰু নকৈ নোৱাৰো গছৰ তলত বহা চানাচুৰ বেপাৰী কেইটাই বেচা চানাচুৰৰ লগত— তাক পাহৰিব নোৱাৰোঁ।

বৰ্তমান মই এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী। মই যেতিয়া উচ্চতৰ মাধ্যমিকৰ প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক শ্ৰেণীত পাঠদান কৰি থাকোঁ, ছাত্ৰ-ছাত্ৰীক বিষয়ৰ প্ৰশ্ন সোধোঁ, সিহঁতে মন নিদিলে খং কৰোঁ, তেতিয়া কলেজত পঢ়া দিনবোৰলৈ বৰকৈ মনত পৰে। আমাকোতো ছাৰ-বাইদেউসকলে মন নিদিলে খং কৰিছিল, কথা পাতিলে বেয়া পাইছিল। সেইকাৰণে আমি ছাৰ-বাইদেউসকলক কেতিয়াও বেয়া পোৱা নাছিলোঁ। ইদ্ৰিছ আলী ছাৰৰ অসমীয়াৰ ক্লাছ, অপূৰ্ব শৰ্মা ছাৰৰ অৰ্থনীতিৰ ক্লাছ, মালতী বৰা বাইদেউ, ব্ৰজেন ৰায়চৌধুৰী ছাৰৰ শিক্ষা বিজ্ঞানৰ ক্লাছ, মুনি বাইদেউৰ ইংৰাজী ক্লাছ মই কেতিয়াও ক্ষতি কৰা নাছিলোঁ। খুউব ভয় লাগিছিল ভানু পদ্মৱতী বাইদেউ আৰু ৰাজেন শইকীয়া ছাৰলৈ। খগেন শৰ্মা ছাৰৰ খুহুতীয়া কথা (পাঠদানৰ মাজত) শুনাৰ ভাগ্য নঘটিল, কাৰণ ৰাজনীতি বিজ্ঞান বিষয়টো নাছিল। কলেজৰ সমূহ শিক্ষাগুৰুৰ প্ৰতি আমাৰ শ্ৰদ্ধা আছিল অসীম।

মই যেতিয়া পঢ়িছিলোঁ তেতিয়া আমাৰ কলেজৰ প্ৰায়বোৰ শ্ৰেণীকোঠাই তৰ্জা বেৰৰ আছিল। বৰষুণ দিলে কোনোবাটো শ্ৰেণীত পানীও পৰিছিল। তথাপি কোনোবাই যদি আমাৰ কলেজৰ দুৰৱস্থাৰ কথা কৈ হাঁহিছিল, খুউব খং উঠিছিল। এনে লাগিছিল যেন ক'ৰবাৰপৰা টকা আনি কলেজখন ঠিক কৰি দিম। সেয়েহে আমাৰ কলেজৰ বাবে এখন লটাৰী খেল পতা হৈছিল। তেতিয়া মই স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। সকলো ছাত্ৰীয়েই উঠি পৰি লাগিছিলোঁ টিকট বেচিবলৈ। জয়শ্ৰী চিনমাহলৰ ওচৰত থকা "চলাচল হোটেল"ৰ বাৰান্দাত আমি ১০-১২ জনীমান ছোৱালী বহি দিনটো টিকট বেচোঁ (হোটেললৈ অহা মানুহ, ৰাস্তাইদি যোৱা মানুহক)। উদ্দেশ্য এটাই কলেজৰ উন্নতি, অন্ততঃ আমাৰ সেই দুখীয়া শ্ৰেণীকোঠা কেইটাৰ। কিন্তু আজিকালি স্নাতক নালাগে নৱম শ্ৰেণীৰ ছাত্ৰীয়েও তেনে কাম কৰিবলৈ লাজ কৰিব। কিন্তু আমি আমাৰ কলেজখনক খুউব ভালপাওঁ কাৰণেই কুণ্ঠাবোধ নকৰাকৈয়েই সকলো কাম কৰিছিলোঁ।

আমাৰ কলেজখনৰ পৰিৱেশৰ কথা ক'বই লাগিব। কলং নৈৰ পাৰৰ গছ-গছনিৰ মাজত থকা আমাৰ কলেজখনক আমি পঢ়ি থকা অৱস্থাত আশ্ৰম যেনেই লাগিছিল। টাউনৰ গাড়ী-মটৰৰ কোলাহলে আমাৰ কলেজখনক স্পৰ্শ কৰা নাছিল। সেয়েহে শিক্ষাগুৰুসকলে পাঠদান কৰাত আৰু আমি পাঠ গ্ৰহণ কৰাত বিশেষ অসুবিধা হোৱা নাছিল। কলেজৰ সেই পৰিৱেশে আপোনা-আপুনি আমাৰ মনোযোগ বঢ়াইছিল। আঃ! কি শান্ত আৰু নিৰ্মল পৰিৱেশ।

বৰ্তমান আমাৰ কলেজৰ আৱয়বিক দিশৰ বহুত উন্নতি হ'ল। সঁচাই দেখি বৰ ভাল লাগে। হওঁকচোন, আমাৰ অনুজসকলে আমি পোৱা কষ্টখিনি নোপোৱাকৈ সুন্দৰকৈ ক্লাছ কৰিব পাৰিছে। কিন্তু পৰিৱেশ সেই একেই শান্ত আৰু নিৰ্মল। মই ভাবোঁ আমাৰ কলেজৰ নিচিনা এনে পৰিৱেশ বোধহয় নগাঁও জিলাৰ কোনো কলেজত পোৱা নাযাব।

নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী হিচাপে মই গৌৰাৱান্বিত।

---

অঞ্জলী কটকী বৰ্তমান জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৰ্থনীতিৰ বিষয় শিক্ষয়িত্ৰী।

# নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু পথপ্ৰদৰ্শক শিক্ষাগুৰু মহেশচন্দ্ৰ দেৱগোস্বামীদেৱৰ সোঁৱৰণত

ৰুমীৰাণী দেৱী

সোণালী জয়ন্তী বৰ্ষৰ স্মৰণিকাত প্ৰাক্তন ছাত্ৰী হিচাপে কিবা লিখাৰ কথা ভাবিবলৈ লওঁতেই কলেজখনৰ লগতে শ্ৰদ্ধেয় গোস্বামী ছাৰৰ ছাত্ৰীসকলৰ প্ৰতি থকা দায়িত্ব আৰু মৰমৰ কথাবোৰে মোক বৰকৈ আৱেগিক কৰি তুলিছে। গতিকে তেখেতলৈ সেৱা জনাই মোৰ এই লিখনিটো আগবঢ়ালোঁ।

স্নাতক পৰীক্ষা পাছ কৰাৰ পাছত তেখেতে মোক তেখেতৰ ঘৰতেই ইংৰাজী আৰু অসমীয়া মুদ্ৰা লিখন যন্ত্ৰ শিকিবলৈ সুবিধা কৰি দিয়ে। ১৯৮০ চনত তেখেতৰ পষেকীয়া কাকত *বিহলঙনি* পুনৰ প্ৰকাশ কৰোঁতে মোক সেই কাকতৰ প্ৰচাৰ সচিব হিচাবে যৎকিঞ্চিৎ বেতনেৰে নিযুক্তি দিয়ে। সেই কাকতত মনোযোগেৰে কাম কৰি যথেষ্ট জ্ঞান আহৰণ কৰিছিলোঁ। তেখেতৰ ছত্ৰছায়াতেই ১৯৮৬-৮৭ চনত অসমীয়া (সাহিত্য) বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী ল'বলৈ সক্ষম হওঁ।

তেখেতৰ বহুত গুণৰ মাজত অন্যতম আছিল সময়ানুবৰ্তিতা। সময়ৰ ক্ষেত্ৰত তেওঁ সদায় সতৰ্ক। ৯টা কেতিয়াও ৯.৫ মিনিটত নাবাজে। এবাৰ কলেজৰ পতাকা উত্তোলনত জিলা উপায়ুক্ত মহোদয়ক ন-বজাত পতাকা উত্তোলন কৰিবলৈ নিমন্ত্ৰণ কৰিছিল; কিন্তু তেখেত অহাত পলম হোৱা দেখি তেখেতে নিজেই ন-বজাত পতাকা উত্তোলন কৰে। আনকি এবাৰ তেতিয়াৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাদেৱৰ পলম হোৱাত উপায়ুক্তৰদ্বাৰাই পতাকা উত্তোলন কৰায়।

ছাত্ৰীৰ সাজ-পাৰৰ প্ৰতিও তেখেতৰ দৃষ্টি সজাগ আছিল। ছাত্ৰীৰ সাজপাৰ সুন্দৰ আৰু পৰিপাটি হ'ব লাগে, সেই কথা তেখেতে সদায় আমাক শিকাইছিল। আমাক পৰাপক্ষত মেখেলা-চাদৰহে পিন্ধিবলৈ কৈছিল। কাপোৰ কপাহী হওঁক কথা নাই, পৰিপাটি হ'ব লাগিব। মই তেখেতৰ লগত প্ৰায়েই সভা-সমিতিলৈ গৈছিলোঁ আৰু তেখেতৰ মূল্যৱান বক্তৃতাৰপৰা বহুত জ্ঞান আহৰণ কৰিছিলোঁ। তেখেতে মোক ভালেকেইজন কবি-সাহিত্যিকৰ লগতো পৰিচয় কৰাই দিছিল। মই তেখেতৰ লগত এ চি টি এ-ৰ সভাৰ দৰে ডাঙৰ সভালৈ যাবলৈও সুবিধা পাইছিলোঁ।

তেখেতৰ আন এটা গুণ আছিল প্ৰাণখোলা হাঁহি। ঘৰলৈ কোনোবা আহিলে জপনা মুখত থাকোঁতেই গলগলীয়া হাঁহিৰে দূৰৰপৰাই সম্ভাষণ জনাইছিল। তেখেত বৰ মৰমীয়াল আছিল। কলেজৰ জিৰণি সময়ত আমি যদি চানাচুৰৱালাৰ ওচৰত থাকোঁ তেন্তে আমাক চানা খাবলৈ পইচাও দিছিল। বাটত খোজকাঢ়ি আহোঁতে লগ পালে নিজৰ গাড়ীত তুলি অনাৰ উপৰিও কেতিয়াবা মৰ্টন কিনিও দিছিল। আজিও এটা কথা মনত পৰে, এবাৰ মই কলেজৰ সাময়িক পৰীক্ষাত ইউনিফৰ্ম পিন্ধি নোযোৱাত তেখেতে মোক পৰীক্ষা হলৰপৰা উলিয়াই দিছিল। প্ৰথমবেলাৰ বাবে পাঁচ টকা জৰিমনা দিবলৈ দিছিল আৰু পিছবেলা ইউনিফৰ্ম পিন্ধি অহাৰ পাছতহে পৰীক্ষা দিবলৈ অনুমতি দিছিল। সেইদৰে এদিন পঢ়াত ফাং-ফুং কৰোঁতে এনে এটা ধমক দিছিল যে মই ভৱিষ্যতে ফাং-ফুং নকৰোঁ বুলি শপত খাইছিলোঁ। তেখেত এফালে বজ্ৰৰ দৰে কঠিন, আনহাতে পানীৰ দৰে কোমলো আছিল। পঢ়ি থাকোঁতে আমনি লাগিব বুলি মোক তেখেতে নিজহাতে মাজে মাজে মধুৰিআম, তিয়ঁহ আদি কাটি আনি পঢ়া টেবুলত দিছিল। আন এদিন মন কৰিছিলোঁ মোৰ পঢ়া কোঠাৰ এটা চুকত লেম এটা জ্বলোৱা আছে। মই যেতিয়া সোধপোছ কৰিছিলোঁ, গম পাইছিলোঁ লাইট গ'লে পঢ়িবৰ কাৰণে তেখেতে থৈছিল। মই তেখেতৰ অনুপ্ৰেৰণাতেই বিস্কুট, লাৰু, কেক তৈয়াৰ কৰাৰ লগতে বিভিন্ন চিলাই, চুৰেটাৰ গুঠা আদি কাম শিকোঁ।

তেখেতে মোক পুৱাতেই উঠি গা ধুই গোসাঁই ঘৰ মচি চাকি দিবলৈ শিকাইছিল। আজিও মই সেই নিয়ম পালন কৰোঁ। তেখেতৰ উপদেশসমূহ উলঙ্ঘা কৰিবলৈ মোৰ বিবেকে নকয়। তেখেতৰ কথা কৈ থাকিলে শেষ কৰিব নোৱাৰি। মোৰ নিজৰ দেউতাৰ মৃত্যুৰ আগৰাতি মোৰ অন্তৰাত্মাই যিদৰে বিপদৰ জাননী দিছিল, ঠিক সেইদৰেই তেখেতৰ মৃত্যুৰ আগৰাতিও মই বিপদৰ জাননী পাইছিলোঁ। আজিও তেখেতৰ আদৰ্শৰাজি আমাৰ মাজত আছে আৰু চিৰদিন সজীৱ হৈ থাকিব। তেখেতলৈ সশ্ৰদ্ধ প্ৰণিপাত।

ৰুমীৰাণী দেৱী নগাঁও গাৰ্লছ কলেজৰ প্ৰাক্তন ছাত্ৰী।



# And the River Flows ...

Dr Gayatree Bora Kakoti

The beautiful river Kolong flows on. On the bank of this Kolong, pieces of the blue sky are seen moving. Actually, these are the sky blue uniforms of the students of Nowgong Girls' College. In this idyllic and romantic place, we were very busy, gathering knowledge, experience and what not? I was a student of BA Major Course in English literature. Along with Joya Chakravarty and Maumita Paul, we attended in the Major classes and tried to plunge into the vast ocean of English literature. In those years (1988-) many students were taking English as their Major subject in other colleges of Assam. Even at Nowgong District, there were quite a number Degree Colleges teaching English as a major subject. But for me, it was a different experience and the teachers of the English Department in Nowgong Girls' College were very special to me. My realization of this specialty came slowly in different situations of my life. It is not easy to express this specialty in black and white. But, today on this auspicious occasion of the Golden Jubilee of the college, I just want to share my deelings and realizations with my readers.

The English Department was a strong Department of the College and the teachers were very strict in one point that reading of the text was indispensable. They declared it a must for every student. Sometimes we had to read a text-book more than three times. The habit of reading the text-books helped me a lot.

In our Girls' College days, I used to spend our maximum time at the library though there were no strict rules and regulations for us the Major students, about this. Sometimes 'Harada' and 'Mohanda' went to take tea and we kept ourselves busy looking for important reference books or taking notes. Before entering the College, I was a regular reader of Nagaon District Library. But at the Girls' College library, for the first time, I learned how to take notes and how to take down quickly important points from a book. While I visit different libraries of India, such as the Indo-American Centre for International Studies, (Hyderabad), the National Library (Kolkata), the Central Library, Indian Institute of Technology (Guwahati), Library of the Department of Cultural Studies, Tezpur University etc., this habit of reading and note-taking simultaneously helps me a lot. Reading has become a pleasure to me, and it has been possible only because of the library staff and teaching staff of Nowgong Girls' College.

The most important task of a student is to know how to write a good, organized, to-the-point, scholarly but concise answer. As a student, I was unable to reflect my knowledge on my answer-scripts. In one occasion Dr. Mamoni Roysom Goswami visited our college and as a student representative, I delivered a lecture. I compared Dr. Goswami with Hemingway in respect of using autobiographical elements in her creative writings. As a women writer, I compared her with Jane Austen and expressed my personal feelings about her novels. Having delivered the lecture, I felt very shy in front of my English teachers. But the very next day, Rita Talukdar Madam asked me why I did not use in my writings the type of style that I praised in the lecture. I had the wrong idea that academic line and creative lines were seperate domains. But Madam praised my lecture and inspired me to use such type of originality in my answers. No doubt that very day was a turning point in my academic life. The style of my answer changed abruptly. I started enjoying my studies in a different way. Whether it was an MPhil dissertation or a PhD thesis or any other writing, the style become different. In my examination I always chose difficult questions to answer and selected uncommon topics to write on as seminar papers. I can do that only because of the inspiration I received from Rita Talukdar Madam.

Self-confidence is the most important factor of a student. When I entered Nowgong Girls' College, I was a girl without confidence. Instead of reading the original writings of many English writers, I read them sometimes in Assamese and sometimes in Bengali. But Rita Talukdar Madam encouraged me saying that it I knew the story. Yet Chetia Madam, the Head of the Department, and Rita Talukdar Madam always praised us as sincere and good girls. Jyotirmay Jana Sir considers me even today a very good student. We tried our best to give respect to their faith and prove ourselves worthy of the adjectives with which they described us. Sometimes, in critical moments of life, those words work as stimuli. Actually, as good teachers, they inspired us to become good. Muni Kakoti Madam was a very homely English teacher to us, who created that homely atmosphere even in the class rooms. And Prabhat Bora Sir was a person, who used to make some intellectual jokes and comments, whenever he got a chance and scope, even in the classes.

I was the only student of Philosophy Pass Course. Other Philosophy stuents were students of Philosophy Major. The classes with Rekha Dasgupta Madam, Gayatri Devi Madam and Gunadhar Gogoi Sir were friendly. Sometimes classes were converted into teacher-student interactions on Indian and Western Philosophies and on philosophers like Tagore, Gandhi and Radhakrishnan.

Apart from nourishing us academically, the College offered us immense scope to get involved in extra-curricular activities. I was the Vice-president of the Union Body. Sometimes in the absence of Anju (General Secretary), I had to discuss routines or other problems with the Principal (Sri Bimal Bora Sir). When I became the Unit Secretary of my College Teachers' Unit and an Executive Member of Golaghat District Coordination Committee of the ACTA, my experiences as the Vice-President of Nowgong Girls' College Union helped me a lot. Himadri Devi Madam always lovingly ordered me either to recite a poem or to deliver a lecture in any meeting. At the time of College Week and Freshers' Social, Jyoti Chakravarty Sir offered us many responsibilities of the backstage. Again, these were precious experiences for my becoming an actress and a director of many plays, we were young, then and we knew nothing; but Apurba Sarma Sir, Dr. Rajen Saikia Sir, Sri Gunadhar Gogoi Sir and other teachers discussed with us serious matters, sometimes about new books or new movies, sometimes about youth unrest or other social problems.

I chose the profession of a college teacher. But now I question myself: Can I become as inspiring to my students as my teachers were to me? Now, I am the Head of the English Department of Kamargaon College. But, always the question comes to my mind: Can I manage my Department as efficiently Rita Chetia Madam did? How conscious was she about finishing the course in time and how much caring was she as to make necessary study materials available to us! Rita Talukdar Madam's every visit to Guwahati was fruitful to us, because she bought new books related to our course. Jyotirmay Jana Sir has a personal library full of rare and valuable books and that helps many students, including me.

When I started my PhD work after my marriage, my father late Golap Chandra Bora, who was my friend, philosopher and guide, was in tension as to whether I could complete my PhD, after taking care of the household responsibilities, Oneday, while he was talking to our Girls' College teacher, Dr Manju Laskar Madam, she confidently told my father that women were capable of doing many things at a time and they would surely finish the task that they into. She added that I would surely complete the task I had initiated. My father was satisfied with that answer and inspired me always with her words. I still keep that line of Dr Manju Laskar in my heart and it always helps me to finish my work.

The wheel of time is going on. The river Kolong flows on. The institution will be there. Teachers will come and go. Batch by batch students will also come and go. But I hope all future teachers of the college will be as inspiring to the students as my teachers were to me used to do. I sincerely believe, they will advance the cause of education and dedicate themselves to the cause of the students as my teachers in the College from 1988 to 1991 did.

---

**Dr Gayatree Bora Kakoti an ex-student of Nowgong Girls' College, the writer is an Associate Professor and the Head of the Department of English, Kamargaon College, Golaghat.**



# কলেজ জীবনের স্মৃতি

**মৌমিতা পাল**

প্রত্যেক মানুষের মতো আমারও স্বপ্ন ছিল জীবনে প্রতিষ্ঠিত হওয়ার। তাই এইচ এস এল সি পরীক্ষা পাশ করার পর স্বতঃপ্রণোদিত হয়ে নগাঁও মহাবিদ্যালয়ের বিজ্ঞান বিভাগে ভর্তি হই। ভেবেছিলাম, বিজ্ঞানই হবে আমার ভবিষ্যৎ জীবনের পাথেয়। কিন্তু যথারীতি পড়াশুনো করেও আশানুরূপ ফল করতে পারিনি। তাই মনে জেদ চেপে বসল, কলেজ বদলাব এবং বিজ্ঞান পড়ব না। যেমনি ভাবা তেমনি কাজ।

তাই প্রকৃতির কোলে সবুজে-ঘেরা কলং নদীর তীরে অবস্থিত আমাদের অতি পরিচিত নগাঁও গার্লস কলেজে ভর্তি হলাম স্নাতক শ্রেণীতে। ইংরাজীতে মেজর নেওয়ার ইচ্ছে ছিল। তাই যোগ্যতা প্রমাণের জন্য এডমিশন টেস্টে বসতে হলো। সৌভাগ্যক্রমে পেয়েও পেলাম আমরা তিনজন — আমি, জয়া চক্রবর্তী ও গায়ত্রী বরা। যথারীতি আমাদের ক্লাস শুরু হয়েছিল। প্রথম বেশ কিছুদিন জয়া ও গায়ত্রী না-আসায় আমাদের মেজরের ক্লাস হচ্ছিল না। আমি সে-সময় রোজই মেজরের ক্লাস হবে ভেবে কলেজর টিচার্স কমনরূমের পাশে থাকা গাছের নীচে দাঁড়িয়ে থাকতাম। একদিন হঠাৎ কলেজেরই মাননীয় অধ্যাপক জ্যোতির্ময় জানা স্যার আমাকে ডাক দিলেন এবং অন্যরা না-আসায় আমাকে স্নাতক শাখার তৃতীয় বর্ষের একজন দিদির সঙ্গে মেজরের ক্লাস করতে বললেন। ওই দিদির নাম হ'ল জোনালী শর্মা। তিনিই ছিলেন সে-সময় ইংরাজী মেজরের তৃতীয় বর্ষের একমাত্র ছাত্রী। তিনি বর্তমান নগাঁও গোপীনাথ দেবগোস্বামী মহাবিদ্যালয়র ইংরাজীর অধ্যাপিকা। এই দিদির সঙ্গে আমি বেশ কিছুদিন জানা স্যারের ক্লাস করি। তাতে ক্ষতি হয়নি, কারণ জোনালী দিদিকে যে-ভাষাবিজ্ঞান পড়তে হত তৃতীয় বর্ষে তা নতুন সিলেবাস অনুযায়ী আমাদের পড়তে হত প্রথম বর্ষে। জোনালী দিদিও আমার মতো বিজ্ঞান বিভাগ থেকে কলা বিভাগে এসে এবং ইংরাজীতে মেজর ও এম এ পড়ে ভালো ফল করেছেন এর পরে তেজপুর বিশ্ববিদ্যালয় থেকে পি এইচডি ডিগ্রিও নিয়েছেন। যাই হোক, কিছুদিনের মধ্যেই জয়া ও গায়ত্রী মেজরের ক্লাস করার জন্য এসে গেল। তারপর থেকে আমরা তিনজন আলাদাভাবে আমাদের মেজরের ক্লাস করতে থাকি। আমরা আমাদের ক্লাস বেশ মনোযোগ দিয়েই করতাম। কলেজের দুজন স্যার ও তিনজন ম্যাডাম আমাদের মেজরের ক্লাস নিতেন — জানা স্যার, প্রভাত বরা স্যার, রীতা বরা ম্যাডাম, রীতা তালুকদার ম্যাডাম ও মুনি কাকতি ম্যাডাম। সব স্যার ও ম্যাডামের ক্লাস করেই ভাল লগত। তবে তালুকদার ম্যাডামের ক্লাস করার সময় আমার pulse-beat অনেক বেড়ে যেতো। কারণ, মাঝে মাঝে ম্যাডাম বইয়ের কোনো কোনো লাইন আমাদের তিনজনের কাউকে ব্যাখ্যা করতে বলতেন। আমি ছোট থেকেই বাংলা মাধ্যমে পড়াশোনা করেছি। ইংরাজীতে fluency একেবারেই ছিল না। কোনো কিছু বলতে বা জিজ্ঞেস করতে ভীষণ ইতস্তত করতাম।

জানা স্যারের সঙ্গেও আমাদের সবার খুব ভালো সম্পর্ক ছিল। স্যার আমাদের নানাধরণের বই দিয়ে ও notes জেরক্স করিয়ে দিয়ে আমাদের অনেক সাহায্য করেছিলেন। কখনো বিষয়ভিত্তিক কোনো কিছু জানার থাকলে আমরা স্যারের বাড়িতে চলে যেতাম।

ইংরেজী বিষয়ে অনার্স নিয়েছিলম যদিও অর্থনীতি ও রাজনীতিবিজ্ঞান ছিল আমার ঐচ্ছিক বিষয়। এই বিষয়ের ক্লাসগুলো করতেও আমার বেশ ভাল লাগত। কারণ যখনই এই ক্লাসগুলো করতে যেতাম আমার স্কুল-জীবনের অনেক বান্ধবীর সঙ্গে দেখা হয়ে যেত। রজনীতিবিজ্ঞানের জ্যোতিনাথ চক্রবর্তী স্যার ও হিমাদ্রী ম্যাডামের কথা খুব মনে পড়ে। জ্যোত স্যার ক্লাসে যদিও খুব মজা করতেন, পাঠগুলো পড়ানোর সময় তিনি তাঁর জ্ঞানের মাধ্যমে সেগুলোকে ছাত্র-ছাত্রীদের কাছে খুব আকর্ষণীয় করে তুলতেন। হিমাদ্রী ম্যাডামের ক্লাসে ম্যাডাম খুব seriously শিক্ষাদান করতেন। তাঁর ক্লাসে মজা করার সুযোগই ছিল না। তাঁর পড়ানোর কায়দা এত সুন্দর ছিল যে তিনি খুব সহজই সকল ছাত্রীর মনোযোগ আকর্ষণ করতে পারতেন।

অর্থনীতিবিজ্ঞনের অপূর্ব শর্মা স্যারের কথা মনে হলে এখনও কলেজে গিয়ে ক্লাস করতে ইচ্ছে হয়। স্যারের ক্লাসের জন্য অনেক সময় অপেক্ষা করতে হলেও কখনও খারাপ লাগত না। স্যারের ক্লাসে যেটা স্যার পড়াতেন সেটা দ্বিতীয়বার বাড়িতে গিয়ে আর পড়তে হত না। স্যার নিজে একজন সাহিত্যিক ছিলেন এবং সেজন্য তিনি নিজের প্রতিভা দ্বারা অর্থনীতির মতো নিরস বিষয়কেও আমদের কাছে রসাল করে তুলতেন। স্যার যেদিন সাহিত্য অকাদেমি পুরস্কার পেয়েছিলেন সেদিন নিজে স্যারের ছাত্রী ছিলাম বলে গর্ব অনুভব করেছিলাম।

---

**মৌমিতা পাল নগাঁও গার্লস কলেজের প্রাক্তন ছাত্রী। তিনি এখন নগাঁও বাঙালী উচ্চতর মাধ্যমিক বালক বিদ্যালয়ের ইংরাজীর শিক্ষিকা।**

# অনুভৱৰ একাঁজলি

তুলিকা শইকীয়া দাস (তুলিকা গীতম)

বহুদিন মই নিজকে সুধিছিলোঁ এখন নদীৰ কথা। সপোনত দেখিছিলোঁ সপ্ৰতিভ এখন নৈ, এখন দলং আৰু এজাক গাভৰু। নদীখনে কঢ়িয়াই আনিছিল মোৰ কোনো প্ৰিয় সপোনক। নদীখনে গুণগুণাইছিল স্পন্দিত জীৱনৰ সুৰ। দলঙৰ ওপৰেদি জাকে জাকে যোড়শী গাভৰুৰ অনিৰুদ্ধ গতি। কণ কণ শিশু আৰু বহু নৰ-নাৰী। নদী আৰু দলংখনে মোৰ বাবে বাটকুৰি বাই আনে মধুৰতম কিছু স্মৃতি। সেয়া আন একো নহয়। নৈপৰীয়া নগাঁও ছোৱালী কলেজৰ স্মৃতি।

নগাঁও ছোৱালী কলেজ মোৰ জীৱনৰ অন্যতম আনন্দৰ উৎস। জ্ঞান উৎকৰ্ষ আৰু মাৰ্গ দৰ্শনৰ স্থলী। ১৯৮৮ চনৰ কোনো এটা কোমল পুৱাত সভয়ে আহি ভৰি থৈছিলোঁ কলেজৰ বাৰান্দাত। অধ্যক্ষৰ কোঠাত ডাঠ পৰ্দা। পৰ্দা উঠাবলৈ সাহস নাই। অদূৰত বৈ আছিল নিঃসঙ্কোচে কলং। কলেজৰ চৌহদৰ দুয়োকাষে দুখন দলং, মাজতে আৰু এখন বাঁহৰ। কলেজত প্ৰথমতে চাৰ-বাইদেউ কোনো এজনকে চিনি পোৱা নাছিলোঁ। আনকি শ্ৰেণীকোঠাবোৰো। ভয় ভয়, অপৰিচিতৰ শঙ্কা। কিবা এক উন্মাদনা। লাহে লাহে সহজ হৈ পৰিলোঁ। ইউনিৰ্ফম পিন্ধি আহিবলৈ গৌৰৱ বোধ কৰিছিলোঁ। মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰৰ কলেজ। এনেকৈ কিছুদিন যোৱাৰ পিছত লাহে লাহে পৰিচিত হ'ল এখন এখনকৈ বহুমুখ। আপোন হৈ পৰিল বান্ধৱী আৰু ছাৰ-বাইদেউসকল। হয়তো পৃথিৱীত সকলোৱে গ্ৰহণ এনেকৈয়ে কৰে আৰু লাহে লাহে এৰি দিয়ে অপৰিচিত সঙ্কোচ বহুদূৰলৈ।

কলেজৰ ছাৰ-বাইদেউসকলক আমি শ্ৰদ্ধা কৰিছিলোঁ। তেখেতসকলক আদৰ্শ হিচাপে লৈ অনুশাসন আৰু নীতি-নিয়ম মানি চলিবলৈ প্ৰয়াস কৰিছিলোঁ। কিন্তু নাজানোঁ কিমানদূৰ সফল হ'লোঁ। তেখেতসকলৰ এটা মিচিকিয়া হাঁহি অথবা এষাৰ মাথোঁ আন্তৰিকতাপূৰ্ণ কথা শুনিবলৈ মন ব্যাকুল হৈ পৰিছিল। আৰু যদি বিচৰা মতে পালোঁ, সেয়া যেন পৰম প্ৰাপ্তি। তাকে লৈ সপোন দেখিছিলোঁ। মনৰ মাজত উজলি উঠিছিল বিশ্বাস আৰু আনন্দৰ বন্যা। সেই অনুভৱ মই এতিয়াও কৰোঁ।

আমাৰ কলেজৰ ছাৰ-বাইদেউসকল আছিল অত্যন্ত প্ৰতিভাশালী আৰু প্ৰভাৱশীল ব্যক্তিত্বৰ। পোনতেই নাম ল'ম মই প্ৰয়াত ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা ছাৰৰ। শুধ বগা চুৰীয়া-পাঞ্জাৱী পৰিহিত ছাৰৰ ব্যক্তিত্ব আছিল সাগৰসদৃশ। (ইতিমধ্যে *শিক্ষাৰ্থীৰ অনুভৱ* গ্ৰন্থত ছাৰৰ বিষয়ে লিখিছোঁ) আৰু এজন ছাৰ আছিল, যিজনে ভূঞা ছাৰৰ দৰেই শুধ বগা চুৰিয়া-পাঞ্জাৱী পৰিধান কৰিছিল, যাৰ মুখত আমি দেখা পাইছিলোঁ সদায় এটি স্নেহসিক্ত হাঁহি, তেখেতো বিশাল ব্যক্তিত্বৰ অধিকাৰী। সেইগৰাকী হ'ল তিলকচন্দ্ৰ মজুমদাৰ ছাৰ। সেইদৰে অসমীয়া বিভাগৰ তৰু বৰুৱা বাইদেউ, কৃষ্ণ বৰা ছাৰ, ড° মঞ্জু লস্কৰ বাইদেউ, ইংৰাজী বিভাগৰ প্ৰভাত বৰা ছাৰ, জ্যোতিৰ্ময় জানা ছাৰ, ৰীতা চেতিয়া বাইদেউ, ৰীতা তালুকদাৰ বাইদেউ, মুনি কাকতি বাইদেউ, গণিত বিভাগৰ দিব্যজ্যোতি মহন্ত ছাৰ, বুৰঞ্জী বিভাগৰ ড° ৰাজেন শইকীয়া ছাৰ, শিক্ষা বিভাগৰ ড° অজন্তা দত্ত বৰদলৈ (বৰ্তমান অধ্যক্ষা) বাইদেউ, স্বপ্না নেওগ বাইদেউ, অৰ্থনীতি বিভাগৰ অপূৰ্ব শৰ্মা ছাৰ, বাংলা বিভাগৰ বাদল ঘোষ ছাৰ আদি সকলোৰে প্ৰতি আছিল অসীম শ্ৰদ্ধা, ভয়-সঙ্কোচ আৰু অগাধ বিশ্বাস।

সাহিত্য অকাদেমি পুৰস্কাৰপ্ৰাপ্ত *বাঘে টাপুৰ ৰাতিৰ* স্ৰষ্টা অপূৰ্ব শৰ্মা ছাৰ, অসমৰ প্ৰসিদ্ধ সমালোচক প্ৰভাত বৰা ছাৰ, আন এজন বিখ্যাত বুদ্ধিজীৱী জ্যোতিৰ্ময় জানা ছাৰ, সৰ্বভাৰতীয় স্বীকৃতিপ্ৰাপ্ত বুদ্ধিজীৱী তথা সাহিত্য অকাডেমী অনুবাদ বঁটা প্ৰাপক ড° ৰাজেন শইকীয়া ছাৰ, আনন্দৰাম বৰুৱা বঁটা, অসম সাহিত্য সভাৰ শ্ৰমিক প্ৰাণ সৰ্বেশ্বৰ বৰদলৈ বঁটা (২০০২), কৃষ্ণকান্ত সন্দিকৈ বঁটা (২০১০) প্ৰাপক আৰু পৰৱৰ্তীকালত পাঠ্যপুথি নিগমৰ সঞ্চালক পদত অভিষিক্ত পণ্ডিত, গৱেষক ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা ছাৰ, শঙ্কৰী সাহিত্যৰ প্ৰসিদ্ধ পণ্ডিত তিলকচন্দ্ৰ মজুমদাৰ ছাৰ, অসমৰ সঙ্গীত জগতৰ ধ্ৰুপদী গীতিকাৰ, সুৰকাৰ আঁনাতাৰ শিল্পী ড° জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰ, *বিপন্ন গধূলি* (গল্প সঙ্কলন), *এখন প্ৰেমৰ চিঠি* (কবিতা পুথি) আদিৰ স্ৰষ্টা বিশেষকৈ চিন্তামূলক তত্ত্বগধুৰ প্ৰবন্ধ লেখিকা হিচাপে সবাৰো পৰিচিত হিমাদ্ৰি বাইদেউ— ইমানবোৰ প্ৰতিভাশালী ব্যক্তিত্বৰ সমাহাৰ কেৱল নগাঁও ছোৱালী কলেজতে আৰু বহুত আছে বিভিন্ন বিষয়ত। এয়া মাথোঁ সাহিত্য জগতৰ কিয়দংশহে। সৰ্বকালৰ সৰ্বগুৰু পণ্ডিত স্বৰ্গীয় মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰ বা ইদ্ৰিছ আলি ছাৰৰ কথা নক'লোৱেবা! এই সকল মহান শিক্ষাগুৰুৰ সান্নিধ্য আৰু



শুভাশিসত অলেখ ছাত্ৰীয়ে জীৱনত সুপ্ৰতিষ্ঠিত হৈছে। ড° লীলাৱতী শইকীয়া বৰা, দুৰ্গাময়ী ভূঞা, ড° আলপনা সৰকাৰ ডেকা প্ৰমুখ্যে বহু ছাত্ৰীয়ে বিভিন্ন বিষয়ত সমাজ জীৱনত প্ৰতিষ্ঠিত হৈছে।

প্ৰতিজন ব্যক্তিৰে মুখৰ আঁৰত থাকে আন এখন মুখ। সেই মুখ অভ্যস্ত নহয় কৃত্ৰিমতাৰ মায়াবৃত্তত, অভিনয় অথবা শঠতাত। সেই মুখত থাকে অকৃত্ৰিম অনুভৱ আৰু একান্ত আন্তৰিক প্ৰকাশ। সৌভাগ্যক্ৰমে এই সকল শিক্ষাগুৰুৰ কেইবাজনৰো এই মুখ মই দেখা পাইছিলোঁ। অনুভৱ কৰিছিলোঁ হৃদয়ৰ ক'ৰবাত আমাৰ প্ৰতি গভীৰ স্নেহ। এই মুহূৰ্তত মোৰ মনত পৰিছে— সেইবাৰ মই আছিলোঁ টি ডি চি পাৰ্ট ৱানৰ পৰীক্ষাৰ্থী। অসমীয়া মেজৰৰ ছাত্ৰী। গাঁৱৰ ছোৱালী মই। লাইন বাছত উঠি টাউনৰ কলেজলৈ আহোঁ। সেইদিনা পৰীক্ষা দিবলৈ আহি প্ৰচণ্ড বিষত গাড়ীতে অজ্ঞান হৈ পৰিছিলোঁ। লগত আছিল সহোদৰা বাইদেউ। পৰীক্ষাৰ নিৰ্দিষ্ট সময়ৰ আগে আগে তেখেতে যেনে-তেনে আনি কলেজ পোৱালে। কলেজত ছাৰ-বাইদেউসকলে মোক দেখি মোৰ প্ৰতি সহানুভূতিত সিক্ত হৈ উঠিল। পৰীক্ষা নিদিলে বছৰটো লোকচান হ'ব! সেইবাবে এটা আছুতীয়া কোঠাত দুখন বেঞ্চ লগলগাই বিছনা সদৃশ কৰি মোক পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰি দিলে। মোৰ লগত থাকিল মাননীয়া হিমাদ্ৰি বাইদেউ। ভূঞা ছাৰে আহি মূৰত হাত থ'লে আৰু চেনেহেৰে ক'লে "তোমাৰ একো হোৱা নাই। এতিয়া হাৰি গ'লে পিছলৈ কি কৰিবা? তুমি মোক ষাঠি নম্বৰ পাই দিলেই হ'ব।" ছাৰ আঁতৰি গৈছিল। ভূঞা ছাৰ মোৰ বাবে কেৱল শিক্ষাগুৰুৱেই নহয়, মাৰ্গ প্ৰদৰ্শকো। মনৰ মাজত সাহস গোটাই ল'লোঁ। আনফালে মোৰ লগতে লাগি থকা, সুবিধা-অসুবিধাৰ বুজ লৈ থকা চিৰপৰিচিত হাঁহিটোৰে হিমাদ্ৰি বাইদেউ বহি আছে "আজি মোৰো পেটটো বিষাই আছে। এয়া চোৱা মই পেটৰ বিষটো লৈয়ে কলেজলৈ আহিছোঁ। তোমাৰ ওচৰত বহি আছোঁ। আজি আমাৰ দুয়োজনীৰে পেটৰ বিষ। তথাপি আমি আমাৰ কাম কৰিম, নহয় জানো?" বাইদেউৱে মোক ইমান উৎসাহিত কৰিলে যে মই পৰীক্ষা দিব পাৰিলোঁ। হিমাদ্ৰি বাইদেউৱে মোক যথেষ্ট উৎসাহিত কৰিছিল সাহিত্য-চৰ্চাৰ ক্ষেত্ৰতো। সেই বছৰ কলেজত ছাত্ৰী একতা সভাৰ নিৰ্বাচন হোৱা নাছিল। হিমাদ্ৰি বাইদেউৰ তৎপৰতাত মোক সেইবছৰৰ (বোধহয় ১৯৮৯-৯০চন) আলোচনী সম্পাদিকাৰ দায়িত্ব দিছিল। সঠিক চনটো মনত পৰা নাই। মোৰ মনত ভয় আৰু আনন্দ দুয়োটাই সমানে ক্ৰিয়া কৰিছিল। বুজা-নুবুজাৰ মাজেৰেই সেই দায়িত্ব গ্ৰহণ কৰিছিলোঁ। পৰৱৰ্তী সময়ত আলোচনীখন প্ৰকাশৰ মুখ দেখাৰলৈকে, সকলোধৰণৰ কামতে হিমাদ্ৰি বাইদেউ মোৰ পথপ্ৰদৰ্শক আছিল। কলেজৰ প্ৰতি সপ্তাহৰ শনিবাৰে "নগাঁও ছোৱালী কলেজ সাহিত্য চ'ৰা" নামেৰে এটি অনুষ্ঠান কৰা হৈছিল। এই অনুষ্ঠানত ছাত্ৰীসকলৰ স্বৰচিত গল্প, কবিতা, প্ৰবন্ধ আদি পাঠ কৰিছিল। উপস্থিত কোনো এজন শিক্ষাগুৰুৱে অনুষ্ঠান সঞ্চালনা কৰিছিল। গল্প, কবিতাবোৰ বিশ্লেষণ কৰিছিল। এই অনুষ্ঠানত অতিথি হিচাবে এবাৰ ড° লক্ষ্মীনন্দন বৰা আৰু এবাৰ পদ্মশ্ৰী শ্ৰীযুতমহিম বৰা ছাৰক নিমন্ত্ৰণ কৰিছিলোঁ। তদুপৰি এই অনুষ্ঠানত সৌষ্ঠৱ বৃদ্ধি কৰিছিল আমাৰ কলেজৰ সেই সময়ৰ অধ্যক্ষ শ্ৰীযুতবিমলকুমাৰ বৰা ছাৰ, উপাধ্যক্ষা তৰু বৰুৱা বাইদেউ, অপূৰ্ব শৰ্মা ছাৰ, ভূঞা ছাৰ, তিলক মজুমদাৰ ছাৰ, ৰাজেন শইকীয়া ছাৰ, মহেন্দ্ৰ শইকীয়া ছাৰ, হিমাদ্ৰি বাইদেউ, মঞ্জু লস্কৰ বাইদেউ, প্ৰভাত বৰা ছাৰ, মেঘনাদ পাল ছাৰ, দিব্যজ্যোতি মহন্ত ছাৰ আৰু বহুতে। ছাৰ-বাইদেউসকলৰ সন্মুখত আমি নিজে লিখা লিখনীবোৰ পাঠ কৰি কি যে ৰোমাঞ্চিত হৈছিলোঁ। কলেজ ছুটীৰ শেষত কেৱল আমাৰ আমন্ত্ৰণত ছাৰ-বাইদেউসকলে এই অনুষ্ঠানটোৰ বাবে ৰৈ থাকে। চৌদিশে নিজম হৈ পৰা পৰিৱেশত আমি আৰম্ভ কৰিছিলোঁ "সাহিত্য চ'ৰা"। ছাত্ৰীসকলক উৎসাহিত কৰিবৰ বাবে ছাৰ-বাইদেউসকল যে আমাৰ সহযোগী হৈছিল আমি বুজি পাইছিলোঁ। কাৰণ, ছাত্ৰীসকলৰ অপৈনত লিখনীত নাছিল বিদগ্ধ পণ্ডিতসকলক মুগ্ধ কৰিব পৰা বিষয়। সঁচাকৈয়ে ছাত্ৰীসকলৰ ভৱিষ্যৎ উত্তৰণৰ বাবে কেৱল পাঠ্যক্ৰমৰ শিক্ষাই নহয়, বৌদ্ধিক, আধ্যাত্মিক দিশতো ছাৰ-বাইদেউসকলৰ অৰিহণা অতুলনীয়। অনবদ্য। অনন্য।

নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলক প্ৰকৃত মানুহ হিচাপে গঢ়িবলৈ, জীৱনৰ কিছু দি যাব পৰাকৈ সুনিশ্চিত আঁচনি তেওঁলোকে যেন প্ৰস্তুত কৰি থৈছিল। সেইদিনা শ্ৰেণীকোঠাত নাট্যকাৰ অতুলচন্দ্ৰ হাজৰিকাৰ *নৰকাসুৰ* পঢ়াবলৈ আহি মঞ্জু লস্কৰ বাইদেউৱে প্ৰসঙ্গক্ৰমে এষাৰ কথা কৈছিল— "নাৰীয়ে মানুহক জীৱন দিয়ে, নাৰীয়ে আনৰ জীৱন গঢ়ে, তোমালোক আজি ছাত্ৰী, সৰু-সৰু ছোৱালী, তোমালোকো এদিন সম্পূৰ্ণ অৰ্থত নাৰী হ'বা। এটা কথা সদায় মনত ৰাখিবা, তোমালোকৰ কিবা এটা যে লক্ষ্য থাকিব, সেই লক্ষ্য পূৰণ কৰিবলৈ তোমালোকক কোনেও সময় নিদিয়ে। তোমালোকে নিজেই নিজৰ বাবে সময় উলিয়াব লাগিব। নিজৰ সপোন সাৰ্থক কৰিব লাগিব।" বাইদেউৰ এই কথাযাৰৰ অৰ্থ আজি মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ। মঞ্জু বাইদেউৰ কথন-ভঙ্গীৰ এক সুকীয়া ধৰণ আছে। *নৰকাসুৰ*খন আমাক এনেদৰে পঢ়াইছিল যে আমি সুকীয়াকৈ নপঢ়িও কৈ দিব পাৰিছিলোঁ কোনটো কাৰ সংলাপ। সলসলীয়া, স্পষ্ট, সাৱলীল আৰু প্ৰভাৱশালী আছিল তেখেতৰ বক্তব্য।

মুনি কাকতি বাইদেউৰ কথা নক'লে মোৰ যে একো কোৱাই নহ'ব। বাইদেউৰ ক্লাছটোলৈ আমি সকলোৱে বাট চাই আছিলোঁ। বাইদেউৰ মিঠামুখীয়া হাঁহিটোৰে, সৰল আৰু পোনপটীয়া কথন-ভঙ্গীমাই ইংৰাজীৰ কঠিনতাক ম্লান কৰি দিয়ে। উকা মুগা মেখেলাৰ লগত এখন চাদৰ। এজোৰ সাধাৰণ পোছাক। থাকে অতি সাধাৰণভাৱে। তাৰ মাজেদি প্ৰকাশ পাইছিল বাইদেউৰ

মোহনীয় প্ৰভাৱশালী ব্যক্তিত্ব। সকলো ছাত্ৰীয়ে হৃদয়ঙ্গম কৰিব পৰাকৈ অতি সহজভাৱে পাঠৰ নিৰ্মোহ বিশ্লেষণ কৰিছিল। সেই কথা কোনো দিনেই পাহৰিব নোৱাৰিম।

খোপাত ফুল গুজা মালতী বাইদেউৰ মুখত ছাত্ৰীৰ প্ৰতি সদায়েই এটা হাঁহি জিলিকি থাকে। প্ৰায়বোৰ ছাত্ৰীকে তেওঁ নাম ধৰি নামাতে, মাতে "মাজনী" বুলি। তাৰ ভিতৰত ময়ো আছিলোঁ। সেই আনন্দময়ী মুখখন আজিও মানসপটত জিলিকি আছে। তেওঁ সকলো সময়তে সকলোৰে প্ৰতি সমভাব পোষণ কৰিছিল। সৰল আৰু উদাৰচিতীয়া বাইদেউ সকলোৰে প্ৰিয় আছিল।

ড° জ্যোতিনাথ চক্ৰৱৰ্তী ছাৰ নগাঁও ছোৱালী কলেজৰ এক অবিচ্ছেদ্য অঙ্গ। নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলৰ অতিকৈ আপোন ছাৰ। ৰাজনীতিবিজ্ঞান বিষয়ৰ ছাত্ৰী হওঁক বা নহওঁক, ছাৰ আছিল সেই সময়ৰ সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক। সেইবাবে সকলো কামতে ছাৰ উপস্থিত থাকিব লাগিবই। কলেজ প্ৰতিষ্ঠা দিৱসৰ ৰাতিপুৱা পতাকা উত্তোলন কৰোঁতে গাবলগীয়া গীতটিৰ আখৰা এমাহ আগৰে পৰা হয়। জ্যোতি ছাৰে শিকায়। ছাৰৰ সহযোগিতা অনিবাৰ্য। সেই গীতটিৰ সুৰ আৰু কথাই আজিও মন আন্দোলিত কৰে। কলেজ সপ্তাহ সমাৰোহৰ বিভিন্ন গীত-মাতৰ অনুষ্ঠানবোৰত ছাৰ নহ'লেই নহয়। প্ৰসঙ্গক্ৰমে ক'ব বিচাৰিছোঁ কলেজ সপ্তাহ সমাৰোহৰ কথা। কলেজ সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন খেল-ধেমালি আৰু গীত-মাত, কবিতা আবৃত্তি, তৰ্ক প্ৰতিযোগিতা, একাঙ্ক নাট প্ৰতিযোগিতা, স্বৰচিত গল্প-কবিতা প্ৰতিযোগিতা আদি অনুষ্ঠানবোৰে আমাক অতি উৎফুল্লিত কৰিছিল। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে গল্প-কবিতা লেখিছিলোঁ। সেইদৰে অঙ্কুৰিত হৈছিল বহুতো ছাত্ৰীৰ ভৱিষ্যত উত্তৰণৰ সোপান। সৰস্বতী পূজাৰ 'বাণী বন্দনা' অনুষ্ঠান নগাঁও ছোৱালী কলেজৰ এক অন্যতম অনুষ্ঠান। এনে অনুষ্ঠান নগাঁৱৰ কোনোখন কলেজতে অনুষ্ঠিত হোৱা নাছিল। এই অনুষ্ঠানত কেৱল সৰস্বতী বন্দনা পৰিৱেশন কৰা হৈছিল। এইবোৰ সকলো হৈছিল জ্যোতি ছাৰৰ তত্ত্বাৱধানত। দিতি বাইদেউৱে (অদিতি ভূঞা) হাতত তানপুৰা লৈ বগা পাট কাপোৰেৰে সজ্জিত হৈ ষ্টেজত গীত পৰিৱেশন কৰা দৃশ্য আজিও মনত পৰে। মোৰ লগৰীয়া দীপিকা, লিপিকা আৰু বহুতে এই অনুষ্ঠানত সৰস্বতী বন্দনা পৰিৱেশন কৰিছিল।

মণিকুন্তলা ভট্টাচাৰ্য বাইদেউ, অদিতি বাইদেউ, কবিতাৰাণী দাস বাইদেউ, প্ৰীতি বাইদেউ (সেই সময়ৰ সাধাৰণ সম্পাদিকা), ৰীতা বৰা বাইদেউ, আৰতি বাইদেউ আমাৰ বাবে আছিল অতিকৈ শ্ৰদ্ধাৰ আৰু মৰমৰ। তেওঁলোক তৃতীয় বৰ্ষৰ ছাত্ৰী আৰু আমি অঞ্জু, দীপিকা, জুৰি, ৰুমী, লিপিকা, গায়ত্ৰী, শেৱালী, দুৱৰি, জোনমণি আৰু মই আছিলোঁ প্ৰথম বৰ্ষৰ ছাত্ৰী। আমাৰ বাবে এই বাইদেউসকল আছিল আদৰ্শ। আমাৰ প্ৰতি তেওঁলোকৰ ব্যৱহাৰ আছিল স্নেহপূৰ্ণ। আমাৰ মাজৰ সম্পৰ্কৰ পৱিত্ৰতাৰ উম আজিও অনুভৱ কৰোঁ। স্মৃতি ৰোমন্থনত পুনৰ সজীৱ হৈ উঠিছে সেই দিনবোৰৰ উমাল অনুভূতি।

পুথিভঁড়ালৰ হৰ দাদা আৰু মোহন দাদা। তেওঁলোকৰ অবিহনে ছাত্ৰীৰ সপোন সাকাৰ হোৱা সম্ভৱ নহয়। আমাক বহু পৰিমাণে তেওঁলোকে সহায় কৰিছিল। তেওঁলোক দুয়োৰে ওচৰত আমি বিশেষকৈ মই কৃতজ্ঞ। তেওঁলোক দুয়োজনেই আছিল অতি মাৰ্জিত, সু-ৰুচিসম্পন্ন আৰু কামত শৃঙ্খলাবদ্ধ ব্যক্তি। কমল দা, খাটনিয়াৰ খুড়াকো আমি কমখন আমনি কৰিছিলোঁনে? নাজানো আজিৰ ছাত্ৰীসকলে আমাৰ দৰে মৰম পাইছে নে নাই।

পাখী লগা কাঁড়ৰ গতিত গৈ আছে সময়। এইবোৰ কুৰি বছৰৰ আগৰ কথা। আজিও দোলায়িত হয় মনৰ মাজত। বলো কাইক মনত আছে! অতি কম দিনৰ বাবে লগ পাইছিলোঁ। বাৰ্ধক্যই স্পৰ্শ কৰা ক্লেশহীন মুখখনৰ কোনোবা এটি কোণত লুকাই থাকে এটি চেপা অদেখা হাঁহি। হাঁহিটো হঠাতে এদিন নোহোৱা হৈ গৈছিল। নগাঁও ছোৱালী কলেজৰ আৰু অনেক কথা আছে। কলঙৰ পাৰৰ চন্দন-সোণাৰুৰ তলত পকী বেঞ্চত বহি কিযে হাঁহিৰ কলৰোল। চৰমিছল, বাদাম, চানাচুৰ, বুট-মগুৰ সুগন্ধ□ক'ত গ'ল সেই দিন! আজিও যেন সকলোতে স্মৃতিৰ আলফুল পৰশ। চিৰ সেউজ মঞ্জু বাইদেউৰ কথা ভাবোঁ। কেতিয়াবা লগ পালে চকুৱে-মুখে হাঁহিৰ জেউতি বিয়পাই প্ৰশ্ন কৰে— "কেনে আছা তুলিকা?" মাতৃবৎ স্নেহেৰে মালতী বাইদেউৱে পশ্ন কৰে— "ভালে আছা মাজনী?"

ঐতিহ্যমণ্ডিত নগাঁও ছোৱালী কলেজৰ শিক্ষক আৰু ছাত্ৰীৰ মাজত যি সম্পৰ্ক, সেই সম্পৰ্কত নিহিত হৈ থাকে ছাত্ৰী জীৱনৰ ভৱিষ্যতৰ উত্তৰণৰ সোপান। ছাত্ৰীসকলৰ মনত এই সম্পৰ্কই জন্ম দিয়ে নতুন আশা, নতুন চিন্তা-চেতনা, নতুন প্ৰত্যাশা। ছাত্ৰীসকলক আত্মপ্ৰতিষ্ঠা লভিবৰ বাবে সম্ভাব্য বীজ ৰোপণ কৰে তেওঁলোকে আন্তৰিকতাৰে। ইয়াতকৈ মহত্ত্বৰ কথা কি হ'ব পাৰে?

জয়তু নগাঁও ছোৱালী কলেজ। 'চৰৈৱেতি, চৰৈৱেতি'।

---

তুলিকা শইকীয়া নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী তথা আজিৰ বিশিষ্টা লেখিকা তুলিকা গীতম।



# মোৰ প্ৰেৰণাৰ উৎসস্থলী

ড° মনিকা শইকীয়া

মোৰ হাইস্কুলীয়া জীৱন ছোৱালী হাইস্কুলত পাৰ কৰিছিলোঁ। দেউতাই কি ভাবি জানো মেট্ৰিক পৰীক্ষা পাছ কৰাৰ পিছত নগাঁও ছোৱালী কলেজত নাম ভৰ্তি কৰোৱাৰ সিদ্ধান্ত ল'লে। হাইস্কুলত পঢ়ি থাকোঁতে সপোন দেখিছিলোঁ, পঢ়ি অহা হাইস্কুলখনতে যাতে মাষ্টৰণী হ'বলৈ পাওঁ! দেউতাৰ লগত নাম ভৰ্তি কৰিবলৈ নগাঁও ছোৱালী কলেজত প্ৰৱেশ কৰাৰ লগে লগে কি হ'ল জানো, কলেজখনৰ প্ৰতি অহেতুক মোহ জাগিল, পূৰ্বৰ সপোনৰ ইতি পৰিল। সপোনে নতুন বাট ল'লে—"ইয়াতেই যেন থাকি যাম"। সপোনটো হৃদয়ৰ নিভৃতলৈ শিপালে। এদিন সপোন দিঠক হ'ল। বিশ্ববিদ্যালয়ৰ শিক্ষাজীৱন সম্পূৰ্ণ কৰি স্বপ্নৰ সেন্দূৰীয়া বাটেৰে এইখন কলেজলৈকে ঘূৰি আহিলোঁ, হিন্দী বিভাগৰ অধ্যাপিকা হৈ।

বিশ্ববিদ্যালয়ৰ দিনবোৰ বুলিলে অধ্যাপকসকলৰ কেবিনত কৰা ক্লাছবোৰহে মনত পৰে। অৱশ্যে আগ্ৰা বিশ্ববিদ্যালয়ৰ যুৱ-মহোৎসৱত মই নিজে ঢুলুকীতে ঢোলৰ চাপৰ দি "মাৰক ফাঁকি দি চেনীমাই বিহুলৈ আহিলি" বিহুগীত জুৰি নাচনীৰূপে ড° নীলাক্ষী ফুকন (বৰ্তমান আমেৰিকাৰ ক'ল'ৰাডো বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপিকা)ক নচুৱাই লোকনৃত্য বিভাগত আৰু ৰূমী লস্কৰক (বৰ্তমান নগাঁও বি এড কলেজৰ অংশকালীন প্ৰবক্তা) দশাৱতাৰ নৃত্য নচুৱাই (একেই ঢুলুকীতে খোলৰ বোল তুলি) উপস্থিত দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিলোঁ। স্নাতক মহলাত হিন্দী বিষয়ত মেজৰ লোৱাৰ সুবিধা নথকাৰ বাবে বৰ দুখেৰে নগাঁও কলেজত নাম ভৰ্তি কৰিছিলোঁগৈ। সেই দিনবোৰত মহাবিদ্যালয় সপ্তাহত কেইটামান বিষয়ত পুৰস্কাৰ লাভ কৰাৰ বাহিৰে বিশেষ স্মৰণীয় একোৱেই নাই। কিন্তু উচ্চতৰ মাধ্যমিকৰ মাত্ৰ দুটা বছৰ অধ্যয়ন কৰি যোৱা এই কলেজখনৰ স্মৃতিয়ে নেৰিলে। অ'ত-ত'ত সাজি থোৱা পিলাৰবোৰত অফ্ পিৰিয়ডত বহা, শীতৰ দিনত ডাঙৰ পৰিচ্ছন্ন ফিল্ডখনত জুমপাতি কথাৰ মহলা মৰা, লাইব্ৰেৰিৰ কিতাপৰ থাকবোৰৰ ক'ত কি কিতাপ আছে মনত থকাকৈ খুচৰি ফুৰা, কলেজ ইলেক্‌চনত কেম্পেনিং কৰা, কেইগৰাকীমান ভগৱান যেন লগা ব্যক্তিত্বৰ ছাৰ-বাইদেউৰ সান্নিধ্য, তেওঁলোকৰ প্ৰেৰণা আৰু তাৰ লগে লগে ৰাস্তাৰ কাষৰ মিছলৱালাৰ হাতৰ যাদুত প্ৰস্তুত হোৱা মিছল, কাষেদি গ'লেই গোন্ধতেই খাওঁ খাওঁ যেন লগা মিছলৰ সোৱাদ কোনোদিনেই পাহৰিব নোৱাৰিলোঁ। সঁচা কথাত এই সোৱাদ ক'তোৱেই নাপালোঁ। দুই-এটা কিবা লিখাৰ আখৰা ঘৰ মোৰ এই প্ৰাণৰ কলেজখনেই। বিভিন্ন মঞ্চত বৃহৎ জনসমাৱেশত ভাষণ দিয়াৰ সাহস প্ৰদায়িনী এই মহাবিদ্যালয়খনিয়েই। এইক্ষেত্ৰত অতি শ্ৰদ্ধাৰে কৃতজ্ঞতা জনাইছো শিক্ষা বিভাগৰ প্ৰাক্তন অধ্যাপিকা মালতী বৰা বাইদেউক, যিগৰাকীয়ে নৱাগতা আদৰণী সভাত "নৱাগতাৰ একাষাৰ"ত "এই প্ৰথম বিভাগ পাইছে— তাই ক'ব" বুলি মোলৈ আঙুলিয়াই দি মঞ্চলৈ মাতিছিল। শ্ৰদ্ধাৰ ছাৰ-বাইদেউৰ উৎসাহ প্ৰদানৰ কথা সিমানতে শেষ নহয়। অধ্যাপিকা হিচাপে যোগদান কৰাৰ পিছতো তেনে অভিজ্ঞতা হৈছে। ২০০৯ বৰ্ষৰ নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰীসংস্থাৰ সম্পাদিকা হিচাপে ড° মঞ্জু লস্কৰে অনুষ্ঠিত হ'বলগীয়া একৈছদিনীয়া নাট্য কৰ্মশালাৰ বিষয়ে কলেজৰ ছাত্ৰীসকলক অৱগত কৰোৱাৰ দায়িত্ব লৈছিল। কৰ্মশালা চলি থকা সময়চোৱাত এদিন তেখেত বিশেষ কাৰণত উপস্থিত থাকিব নোৱাৰিব বুলি কৈ, মোক দায়িত্ব ল'বলৈ দিছিল। সেই সময়ত দায়িত্বৰত আই চি জি চিৰ মেম্বাৰ এগৰাকীয়ে মোৰ পাৰদৰ্শিতাৰ ওপৰত বিশ্বাস নথকা যেন দেখুওৱাত শ্ৰদ্ধাৰ মঞ্জু বাইদেৱে তপৰাই ক'লে— "মনিকা আমাৰ ছাত্ৰী। নগাঁও ছোৱালী কলেজৰ, পাৰিব।" কথাষাৰে মোৰ মন-মগজুত ঝঙ্কাৰ তুলিলে। আত্মবিশ্বাস যি বাঢ়িল, আজিলৈকে সি বাঢ়িয়েই আছে। আজিলৈকে সেই বিশ্বাসেৰেই প্ৰাক্তন ছাত্ৰীসংস্থাৰ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছোঁ। কলেজত অধ্যয়ন কৰি যোৱা প্ৰত্যেকগৰাকী ছাত্ৰীয়েই প্ৰাক্তন ছাত্ৰী সমাৰোহবোৰত ছাৰ-বাইদেউসকলৰপৰা পোৱা উৎসাহৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। মালতী বাইদেউ আৰু মঞ্জু বাইদেউ দুটা উদাহৰণহে মাথোঁন। কলেজখনকলৈ আমাৰ বহুতো সপোন। নগাঁও ছোৱালী কলেজে ছাত্ৰীসকলক জীৱনত আগুৱাই যোৱাত সহায় কৰক, তেওঁলোকৰ উদ্দেশ্য সিদ্ধি হওঁক, তেওঁলোকে সুনাম কঢ়িয়াই আনক— এয়ে আমাৰ আশা।

---

ড° মনিকা শইকীয়া নগাঁও ছোৱালী কলেজৰ হিন্দী বিভাগৰ সহকাৰী অধ্যাপিকা।

# কেপ্টেইন জেন্‌কিন্স্ আৰু ডক্টৰ নাথান ব্ৰাউনৰ অসম দৰ্শন

ড° নৰেন কলিতা

১৮৩৪ চনত কেপ্টেইন ফ্ৰান্সিচ্ জেন্‌কিন্স্ অসমৰ কমিছনাৰ হয় আৰু ১৮৬১ চনত তেওঁ কামৰপৰা অৱসৰ গ্ৰহণ কৰে। গৱৰ্ণৰ-জেনেৰেলৰ এজেন্ট হিচাপে তেওঁ ভাৰতৰ উত্তৰ-পূব সীমান্ত অঞ্চলৰ প্ৰশাসনৰো দায়িত্ব গ্ৰহণ কৰে। ১৮৩৩ চনত কোম্পানি চৰকাৰে পুৰন্দৰ সিংহক বছৰি ৫০ হাজাৰ টকাত লালবন্দী হিচাপে উজনি অসমৰ অলপ অংশত ৰাজকীয় শাসন চলাবলৈ পুনৰ প্ৰতিষ্ঠা কৰে। কিন্তু ১৮৩৮ চনত দেখা গ'ল যে নিৰ্ধাৰিত লালবন্দী দিবলৈ স্বৰ্গদেউ অক্ষম। ইয়াৰ কাৰণনো কি তাকেই অনুসন্ধান কৰিবলৈ কেপ্টেইন জেন্‌কিন্সে ১৮৩৮ চনৰ ২০ জানুৱাৰিৰপৰা ১৪ মাৰ্চলৈ বিশ্বনাথৰপৰা দক্ষিণপাৰৰ জয়পুৰ হৈ যোৰহাটলৈকে স্বৰ্গদেউৰ ৰাজ্যত ভ্ৰমণ কৰে। অনুসন্ধানৰপৰা এই কথাটো স্পষ্ট হৈ পৰে যে স্বৰ্গদেউৰ শাসন ব্যৱস্থা প্ৰজাৰ কাৰণে মঙ্গলজনক নহয় আৰু বলপূৰ্বক কৰ-কাটল সংগ্ৰহ কৰাৰ কাৰণে মানুহে ঘৰ-দুৱাৰ এৰি দাঁতিকাষৰীয়া ঠাইলৈ ভাগিবলৈ লৈছে। ফলস্বৰূপে দেশৰ অৰ্থ-ব্যৱস্থাও বিধ্বস্ত হ'বলৈ ধৰিছে। জেন্‌কিন্সৰ উজনি অসম ভ্ৰমণৰ সমুদায় বিৱৰণ ভাৰতৰ ৰাজনৈতিক বিভাগলৈ পঠোৱা হয়। সেই বিৱৰণেই জেন্‌কিন্সৰ *Journal of a tour in Upper Assam, 1838*। তদানীন্তন অসমীয়া সমাজখনৰ অৱস্থাই কি ৰূপ লৈছিল, পূৰ্ণাঙ্গ নহ'লেও নৈমিত্তিক অৰ্থনৈতিক সমীক্ষা এটাও জেন্‌কিন্সে তেওঁৰ ট্যুৰ জাৰ্নেলখনত উল্লেখ কৰি গৈছে। এই লেখাটোত জেন্‌কিন্সৰ দুমহীয়া অসম ভ্ৰমণৰ কথাখিনিকে তেওঁৰ অসম দৰ্শন বুলি বুজোৱা হৈছে। তেওঁ ২৭ বছৰ কাল অসমত থাকি অসমৰ উন্নতিৰ হকে বহুতো ভাল কাম কৰি গ'ল যদিও এই লেখাত জাৰ্নেলখনত থকা কথাখিনিৰ বাহিৰে সেইবোৰ কাম সামৰি লোৱা নাই।

জেন্‌কিন্সে অসমৰ দায়িত্ব লোৱাৰ দুবছৰৰ পিছতে অৰ্থাৎ ১৮৩৬ চনত ডক্টৰ নাথান ব্ৰাউনৰ নেতৃত্বত অসমত প্ৰৱেশ কৰিছিল মিছনাৰিৰ প্ৰথম দলটো। ব্ৰাউনে ১৮৪৪ চনৰ ডিচেম্বৰ মাহত শিৱসাগৰৰপৰা নগাঁও হৈ নামনি অসমলৈ পদব্ৰজে ভ্ৰমণ কৰিছিল। তেওঁৰ দৃষ্টিতো অসমৰ বিবিধ বৈচিত্ৰ্য ধৰা পৰিছিল। ব্ৰাউন আৰু তেওঁৰ লগৰীয়া পাদুৰিসকলৰ অসম-সূচীৰ প্ৰায় সকলো কথাকে লিপিবদ্ধ কৰি থৈ গৈছে ব্ৰাউন-পত্নী এলিজা ব্ৰাউনে, তেওঁ সঙ্কলন কৰা আৰু ১৮৯০-৯৬ চন মানৰ ভিতৰত আমেৰিকাৰ ফিলাডেল্‌ফিয়াত প্ৰকাশ হোৱা *The Whole World Kin* (সংস্কৃত বসুধৈৱ কুটুম্বকম্ কথাষাৰৰ ইংৰাজী ভাষান্তৰ) নামৰ গ্ৰন্থখনত। ১৮৪৬ চনত প্ৰকাশিত *অৰুনোদই* বিবিধ জ্ঞানৰ ভঁড়াল হোৱাৰ দৰে মিছেছ ব্ৰাউনৰ এই গ্ৰন্থখনো অলেখ ঐতিহাসিক সমলেৰে ভৰপূৰ। বিশেষকৈ *অৰুনোদই* প্ৰকাশপূৰ্ব দশকটোৰ (১৮৩৬-১৮৪৬) অসমত নাথান ব্ৰাউনহঁতে কি কি কাম কৰিছিল আৰু তেওঁলোকে কেনেদৰে অসমীয়া মানুহৰ মাজলৈ কুৰুকি কুৰুকি সোমাবলৈ যত্ন কৰিছিল, লগতে বগা ছালৰ মানুহৰ প্ৰতি অসমীয়া মানুহৰ কেনেধৰণৰ ঔৎসুক্য জাগিছিল আদি বিবিধ কথা গ্ৰন্থখনত পাবলৈ আছে। জেন্‌কিন্সৰ *ট্যুৰ্ জাৰ্নেল*খনৰ দৰে এই গ্ৰন্থখনতো *ট্যুৰ্ ডায়েৰী*ৰ সমল আছে যদিও দুয়োৰে মাজত পাৰ্থক্যও আছে। জেন্‌কিন্সৰ *ট্যুৰ্* অসম ভ্ৰমণৰ লগত ৰাজনৈতিক আৰু অৰ্থনৈতিক উদ্দেশ্য জড়িত হৈ আছিল। কিয়নো জেন্‌কিন্সৰ উজনি আৰু তাকে কৰিবলৈ যি যি ভাষা-ভাষী পৰিয়ালৰ মাজত তেওঁলোকে ধৰ্মপ্ৰচাৰ কৰিব, সেই সেই মানুহৰ ভাষা আয়ত্ত কৰি লোৱা। আমাৰ লেখাত ড° ব্ৰাউনৰ অসম দৰ্শন বুলি তেওঁ ১৮৪৪ চনত পদব্ৰজে কৰা ভ্ৰমণকালছোৱাৰ কিছু কথা সামৰি লোৱা হৈছে।

জেন্‌কিন্সৰ *ট্যুৰ্ জাৰ্নেল*ত উত্তৰপাৰৰ মানুহৰ তিনিখন আৰ্জিৰ ইংৰাজী অনুবাদ অন্তৰ্ভুক্ত হৈছে। তিনিওখন আৰ্জিৰ মূল অভিযোগকেইটা ক্ৰমে ৰজা পুৰন্দৰ সিংহৰ অপশাসন, অহেতুক কৰ-সংগ্ৰহ আৰু ডফলাৰ উৎপাতৰপৰা ৰাইজক সুৰক্ষা দিব নোৱৰা। ডফলাৰ দুটা দল— এটা পাহাৰীয়া আৰু আনটো পাহাৰৰ পাদদেশৰ। ৰাইজৰ কাৰণে দ্বিতীয় দলটো অতি ভয়ঙ্কৰ হৈ পৰিছিল। সিহঁতে কোনো সময়-অসময়লৈ ভ্ৰূক্ষেপ নকৰি সঘনাই ৰাতি আহি ধন-সম্পত্তি লুট কৰি নিয়াৰ উপৰি ল'ৰা-তিৰোতাবিলাককো ধৰি লৈ গৈছিল। ৰজাই গমিৰি, কলংপুৰ আৰু গহপুৰৰ প্ৰত্যেকতে একোজনকৈ নায়কৰ তলে চাৰিজন চিপাহী দি একোটা পহৰা-চকী পাতি দিছিল যদিও তাৰপৰা কোনো লাভ হোৱা নাছিল। তিনিওটা চকীৰ ভিতৰত গমিৰি আৰু



গহপুৰৰ চকী দুটা কমদিনৰ ভিতৰতে প্ৰত্যাহাৰ কৰা হৈছিল। সুৰক্ষা কৰ্মীক ৰজাঘৰৰপৰা কোনো ধৰণৰ ভৰণ-পোষণ দিয়া নহৈছিল। তেওঁলোকক ভৰণ-পোষণ দিয়াৰ দায়িত্ব ৰাইজৰ বাবে বাধ্যতামূলক আছিল। কিন্তু কৰ-কাটলৰ অত্যধিক হেঁচাত ৰাইজ বাৰুকৈয়ে জুৰুলা হৈছিল। ৰজাই ৰাইজৰ নতুন পিয়ল কৰাই একোজন মানুহক এবাৰ মাটিৰ বাবদ আৰু এবাৰ গোট-পাইকৰ হিচাপত মুঠ দুবাৰ কৰ দিবলৈ বাধ্য কৰাইছিল। ফলত মানুহে গাঁও এৰি ভাগিবলগীয়া হৈছিল। জেন্‌কিন্সে জনশূন্য বহু গাঁও দেখিবলৈ পাইছিল। ডফলাৰ লুটপাট, নিৰাপত্তাহীনতা আৰু ৰজাঘৰীয়া ভ্ৰষ্টাচাৰেই ইয়াৰ কাৰণ বুলি জেন্‌কিন্স পতিয়ন গৈছিল।

ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰত জেন্‌কিন্স ২০ জানুৱাৰিৰপৰা ২৯ জানুৱাৰিলৈকে আছিল। তেওঁৰ টোকাত ২০ জানুৱাৰিৰ দিনা গমিৰিত এজন বুধিয়ক কেঞাক লগ পোৱাৰ কথা উল্লেখ আছে। কেঞাজনৰ নাম উল্লেখ নাই। তেওঁ বিকানিৰপৰা আহি তাত পাম পাতি লৈছিল আৰু বেহা-বেপাৰ কৰিছিল। বেহা-বেপাৰ বিনিময় মাধ্যমত হৈছিল। কথা প্ৰসঙ্গতে কেঞাজনে জেন্‌কিন্সক ক'লে যে তেওঁ ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈকে গৈছে, কিন্তু অসমৰ দৰে এখন ঠাই ক'তো পোৱা নাই। ইয়াৰ মাটিত সোণ, লা আৰু মুগাৰে হাৱিত সোণ আৰু পাহাৰতো সোণ মঞ্জিষ্ঠা। ইয়াৰ মাটিত সকলো গজে। জেন্‌কিন্সে নিজেও ১ ফেব্ৰুৱাৰি তাৰিখৰ টোকাত উল্লেখ কৰিছে যে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ মাটি দক্ষিণপাৰতকৈ ভাল; আনকি ৩ মাহ খৰাং হ'লেও তাত নাঙল লগাব পাৰি। দক্ষিণপাৰত কিন্তু খৰাং বতৰত মাটিয়ে চিৰালফাট মেলে। কেঞাজনে তেওঁৰ মৌজাৰ বেহা-বেপাৰৰ বিষয়েও ক'লে।

তেওঁ দিয়া হিচাপ মতে—

ৰপ্তানি — মঞ্জিষ্ঠা, মোণে ৩ টকা ২০০-৩০০ মোণ,
মুগা সেৰে প্ৰতি ৪ টকা, ৩ মোণ
চাউল মোণে ৮ অনা ১০০০ মোণ
লা মোণে ২০ টকা ২ মোণ
সৰিয়হ মোণে ১½ টকা ২/৩ মোণ

আমদানি —নিমখ মোণে ১০ টকা ৪০০ মোণ
কানি তোলাই প্ৰতি ৩ অনা ২ মোণ
লো — মূল্য আৰু পৰিমাণৰ উল্লেখ নাই

বিনিময় —১ সেৰ নিমখৰ বাবদ ৩ সেৰ মঞ্জিষ্ঠা
বা ৩ সেৰ লা
বা ১৫ সেৰ সৰিয়হ
বা ৪ তোলা মুগা।

একেদৰে ১ তোলা কানিৰ বিনিময়ৰ বাবে ৩ সেৰ মুগা
বা ১৫ সেৰ সৰিয়হ
বা ১৫ সেৰ চাউল

কলংপুৰত আমদানি-ৰপ্তানি এনে ধৰণৰ:

ৰপ্তানি — মঞ্জিষ্ঠা মোণে প্ৰতি ৩ টকা ৩০০ মোণ
চাউল মোণে ৮ অনা ৪০০০ মোণ
লা ২০ টকা প্ৰতি মোণত ১ বা ২ মোণ
সৰিয়হ ১২ অনা প্ৰতি মোণত ২০০০ মোণ
মুগা ৪ টকা প্ৰতি সেৰত ৩ মোণ।

আমদানি —নিমখ ১০ টকা প্ৰতি মোণ ৫০০ মোণ
কানি ৩ অনা প্ৰতি তোলা ৩ মোণ
লোহা ১০ টকা প্ৰতি মোণ ১০ মোণ
ধপাত ১০ টকা প্ৰতি মোণ ৪ মোণ
মণি ২০-৪০ টকা মূল্যৰ

আনহাতে নাৰায়ণপুৰ অঞ্চললৈ আমদানি সামগ্ৰী ২০০ মোণ নিমখ, ২-৪ মোণ কানি, লোহা ৫-১০ মোণ আৰু মণি। ৰপ্তানি এনে ধৰণৰ:

মঞ্জিষ্ঠা ১০০ মোণ

| | |
|---|---|
| মুগা | ৫-৬ মোণ |
| চাউল | ২০০০ মোণ |
| লা | ৫-৬ মোণ |
| সৰিয়হ | ১০০০ মোণ |

কলংপুৰত থাকোঁতে (২১ জানুৱাৰী) চাহাবক দেখা কৰিলে মাধৱৰাম বুঢ়াগোহাঁয়ে। ৰজাৰ লিগিৰা এজনো সেই ঠাইত উপস্থিত হৈছিলহি। চাহাবৰ যাতায়ত সুচল হ'ব পৰাকৈ বাট-পথ মুকলি কৰি ৰাখিবলৈ তেওঁ ৰজাৰ হুকুম জাৰি কৰিলে আৰু এই কামত সহযোগিতা নকৰা বুলি কেএগ্ৰজনক ভাবুকি দিলে। ৰজাৰ লিগিৰাৰ সাক্ষাততে বুঢ়াগোঁহাই মাধৱৰাম আৰু অন্য বহু মানুহে চাহাবক ৰজাৰ বিৰুদ্ধে অতি কঠোৰ ভাষাৰে আপত্তি জনালে। ৰাইজৰ কথাৰপৰা জেন্‌কিন্সে জানিব পাৰিলে যে এসময়ৰ অতি সমৃদ্ধিশালী অঞ্চল চিচি-সোৱণশিৰিৰপৰা বহু মানুহ ভাগি গুচি গৈছে। ৰাইজে তেওঁক এই কথাও জনালে যে আগৰ ৭ হাজাৰ টকাৰ ৰাজহ বৰ্তমান ৩/৪ হাজাৰলৈ অৱনমিত হৈছে। এই কথা শুনি ৰজাৰ লিগিৰাজনে লগে-লগে চাহাবক ক'লে যে এই কাৰণেই ৰজাই লালবন্দী পৰিশোধ কৰিব পৰা নাই।

কলংপুৰ-গহপুৰ অঞ্চলত সৰিয়হ আৰু কুঁহিয়াৰ খেতিৰ বাহিৰেও ধঁপাত আৰু কানিৰ খেতি কৰা হয়। বাৰীবোৰ সোঁৱালু আৰু এড়াগছৰে ভৰপূৰ। অঞ্চলটোত বিস্তৰ পৰিমাণে এড়ীকাপোৰৰ উৎপাদন হয়। উত্তৰপাৰত কপাহ-খেতি নোহোৱাৰ কাৰণে সৰ্বসাধাৰণ মানুহ সকলোৱে এড়ী-কাপোৰকে পিন্ধিছিল।

২৩ জানুৱাৰিৰ দিনা জেন্‌কিন্স উপস্থিত হ'লগৈ নাৰায়ণপুৰত। বাটত তেওঁ যিমান বাৰী দেখিবলৈ পাইছিল, সকলোবোৰেই পৰিত্যক্ত আছিল। বাৰীবোৰ মুগাখেতিৰ গছ আৰু অন্য অনেক মূল্যবান গছেৰে পৰিপূৰ্ণ আছিল। পৰিত্যক্ত বাৰীবোৰ দেখা পাই তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে শীঘ্ৰে ডফলাৰ অত্যাচাৰ ৰোধ কৰিব নোৱাৰিলে গোটেই উত্তৰপাৰ অঞ্চলটো জঙ্ঘলী মানুহবোৰৰ হাতলৈ যাবগৈ। সিহঁতক যে স্বৰ্গদেৱে বাধা দিব পাৰিব, সিয়ো অসম্ভৱ কথা। কিয়নো তেওঁৰ একমাত্ৰ লক্ষ্য হৈছে ভৱিষ্যতে বিপদৰ কথা চিন্তা কৰাতকৈ ৰাজহ বৃদ্ধিহে জৰুৰী কাম। এই প্ৰসঙ্গতে গোপালসিং নামৰ দাৰোগা এজনে বিশেষ কেইটামান কথা ক'লে কমিছনাৰজনক। উল্লেখযোগ্য যে গোপালসিং কোম্পানি চৰকাৰৰ বিশ্বাসী লোক আৰু তেওঁক নৱীন (কেপ্টেইন নিউবিল) চাহাবে এনে নিয়ম কৰিছে যে যিখিনি মানুহ ইতিপূৰ্বে ভাগি গ'ল, সিহঁতৰ কৰ-কাটলো থকা মানুহখিনিয়ে পৰিশোধ কৰিব লাগিব। এই ব্যৱস্থা প্ৰৱৰ্তনৰ ফলত সময়ে-সময়ে দুই-এটা পৰিৱৰ্তন ভাগি গুচি যাবলৈ ধৰিছে।

জেন্‌কিন্সৰ টোকাত এইবুলি উল্লেখ আছে যে ৰাজহ কমি যাবলৈ ধৰাত স্বৰ্গদেৱে লখীমপুৰ অঞ্চলটো পাঁচটা মৌজাত ভাগ কৰি তাৰে এটা এজন অসমীয়া মহৰিক চলাবলৈ দিছে। মহৰিজন কিন্তু যোৰহাটত থাকে, তেওঁ নিত্যানন্দ দত্ত নামৰ এজন বঙালী মানুহক মৌজা পৰিচালনাৰ দায়িত্ব দিছে। আন এটা মৌজাৰ দায়িত্ব পাইছে ব্ৰজনাথ পাল নামৰ আন এজন বঙালী ভদ্ৰলোকে। লালবাহাদুৰ নামৰ এজন ভোজপুৰী লোকক দায়িত্ব দিয়া হৈছে তৃতীয় মৌজাটোৰ। চতুৰ্থটো জনাৰ্দন ভণ্ডাৰী বৰুৱা নামৰ এজন অসমীয়া লোকক দিয়া হৈছে।

লখীমপুৰত থাকোঁতেই কমিছনাৰজনে খবৰ পালে যে পুৰন্দৰ সিংহই ইংৰাজৰ লগত হোৱা চৰ্ত ভঙ্গ কৰি দিহিঙলৈকে ধৰি সোৱণশিৰিৰ আগাৰিত (কোম্পানিৰ অধীনৰ ঠাই) শদিয়াখোৱা বিষয়া এজন পাতিছে। ইয়াৰ কৈফিয়ৎ বিচাৰি তেওঁ স্বৰ্গদেউলৈ লিখিলে আৰু ৩০ জানুৱাৰিৰপৰা ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত ভ্ৰমণ কৰাৰ উদ্দেশ্যে মাজুলীত উপস্থিত হ'লগৈ। তেওঁ নদী দ্বীপটোৰ মাজেৰে ৰংপুৰলৈ পোনাই যোৱাৰ কথা ঠিক কৰিলে। তেওঁৰ টোকাত নদীদ্বীপটোৰ মাটি প্ৰসঙ্গত এইবুলি কৈছে ইয়াৰ মাটি অতি সাৰুৱা; সেইকাৰণেই ঠাইখনলৈ আগতে নগৈয়ো আৰু ইয়াৰ মাটিৰ সাৰুৱা গুণ স্বচক্ষুৰে প্ৰত্যক্ষ নকৰাকৈয়ে অসমৰ সন্ত (priest)সকলে বসবাসৰ কাৰণে ঠাইখন নিৰ্বাচন কৰি লৈছিল। কমিছনাৰে তেওঁৰ ২৪ ফেব্ৰুৱাৰি তাৰিখৰ টোকাত গড়মূৰীয়া গোসাঁয়ে তেওঁক দেখা কৰা আৰু এই প্ৰসঙ্গত আউনীআটীয়া আৰু দক্ষিণপটীয়া আদি চাৰিজনা প্ৰধান সত্ৰাধিকাৰৰ নাম লৈছে এইবুলি যে তেওঁলোক বিশেষভাৱে সন্মানিত ব্যক্তি। এওঁলোকৰ বাহিৰে আন সত্ৰাধিকাৰসকলৰ প্ৰতি কমিছনাৰৰ বিশেষ সদ্‌ভাৱ আছিল বুলি টোকাটোৰপৰা ধাৰণা কৰিব নোৱাৰি।

২ ফেব্ৰুৱাৰিত জেন্‌কিন্সে ৰংপুৰৰ জয়সাগৰ পালেগৈ আৰু গাঁওবোৰৰ বিধ্বস্ত ৰূপ প্ৰত্যক্ষ কৰিলে। দিখৌৰ পাৰলৈকে ৰংপুৰ নগৰৰ বিস্তৃতি। তেওঁ প্ৰত্যক্ষ কৰিছিল দিখৌৰ সিটো পাৰে এখন সৰু গাঁও, অলপ খেতি-বাতি আৰু দূৰত দৌলৰ চূড়াসমূহ। তেওঁ নিজৰ এটা টোকাত উল্লেখ কৰিছে যে বিশাল বিশাল পুখুৰী (সাগৰ) আৰু দৌলসমূহৰ বিশালতাই এসময়ৰ বৃহৎ জনসংখ্যাৰ অস্তিত্বৰ কথা ক'ব পাৰে। তেওঁ লিখি থৈ গৈছে যে দেশখনত অসংখ্য গড় আছে আৰু এইবোৰ পুখুৰী (সাগৰ)বোৰতকৈয়ো বিস্ময়জনকভাৱে প্ৰকাণ্ড।

ৰংপুৰতো বহু মানুহে কমিছনাৰক দেখা কৰিবলৈ আহিল। তেওঁলোকে ৰজাৰ বিৰুদ্ধে বহুত অভিযোগ দিলে। অভিযোগ কৰোঁতাসকলৰ ভিতৰত এজন মাছমৰীয়া লোকো আছিল। তেওঁ চাহাবক এটা ডাঙৰ মাছ দিলে। তাৰ বাবে চাহাবে তেওঁক মূল্য



দিব খোজাত তেওঁ মূল্য গ্ৰহণ নকৰি বিনীতভাৱে ক'লে যে তেওঁ দেশৰ গৰাকী ঈশ্বৰলৈ উপহাৰহে দিছে, ভেটি নহয়।

৯ ফেব্ৰুৱাৰি তাৰিখে জেন্‌কিন্স উপস্থিত হ'লগৈ জয়পুৰত। ৮-১০টামান জুপুৰী ঘৰেৰে জয়পুৰত জনবসতি একেবাৰে সেৰেঙা। চাহাবে বৰহাটৰ লোণৰ পুং আৰু তাৰ ব্যৱসায়ৰ বিষয়ে সম্যক ধাৰণা এটা ল'লে। লোণৰ সলনি চাউল বিনিময় কৰিবলৈ প্ৰতিদিনে ১০/১২খন নাও অহা-যোৱা কৰা তেওঁ দেখিবলৈ পালে। জয়পুৰতে তেওঁক সাক্ষাৎ কৰিলেহি নামচাঙৰ দুজন মুখিয়াল নগাই। তেওঁলোক দুয়ো লোণপুঙৰ মালিক। অসমীয়া মানুহৰ লগত দীৰ্ঘ দিনৰ সম্বন্ধৰ কাৰণে তেওঁলোক শিষ্ট হৈছিল। তেওঁলোক আৰু আন নগাসকল পোছাক-পৰিচ্ছদত বেচ পৰিপাটি আৰু স্বাস্থ্যৰ ফালৰ পৰাও উন্নত। কমিছনাৰে অনুভৱ কৰিছিল যে ৰাজনৈতিকভাৱে জয়পুৰ এখন গুৰুত্বপূৰ্ণ ঠাই। আভা জয়পুৰৰ পুবফালে। আহোম স্বৰ্গদেউসকলৰ দিনত তাত দুৰ্গৰেষ্টনিৰে প্ৰতিৰক্ষা ব্যৱস্থা নিয়ন্ত্ৰণ কৰা হৈছিল। কোম্পানি চৰকাৰে এই ধৰণৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ প্ৰতি অৱহেলা কৰাত কমিছনাৰে অসন্তুষ্টি প্ৰকাশ কৰিলে। কিয়নো জয়পুৰৰ প্ৰতিৰক্ষা ব্যৱস্থাইহে ব্ৰহ্মদেশ, চিংফৌ আৰু মটকৰ আক্ৰমণ প্ৰতিহত কৰিব পাৰিব।

যোৰহাটলৈ ওভতি অহাৰ আগে-আগে কমিছনাৰে বুঢ়ীদিহিংমুখ আৰু দিহিঙৰ পাৰে-পাৰে কেইবা ঠাই চালেগৈ। বুঢ়ীদিহিংমুখলৈ যোৱাৰ বাটত তেওঁ মিৰি গাঁৱৰ মানুহে বহু পৰিমাণে আফুখেতি কৰা দেখিবলৈ পালে। মিৰিসকলে পৰ্যাপ্ত পৰিমাণে সৰিয়হ খেতিও কৰিছিল। তেওঁলোকৰ গাঁওবোৰ হাঁহ-কুকুৰা-গাহৰি আদি জন্তুৰে ভৰপূৰ আছিল। মিৰিসকল কপাহী গৰম কাপোৰ বোৱাত বেছ পাৰ্গত আছিল। মিৰি গাঁৱৰপৰা দিহিংমুখৰ কিছু আগাৰিলৈ গৈ কমিছনাৰে কছাৰি মানুহৰ গাঁও এখন পালে। এই মানুহখিনি ধেমাজিৰপৰা ভগনীয়া হৈ আহি তাত থাকিবলৈ লৈছিল।

দিহিঙৰপৰা আহি ১৮ ফেব্ৰুৱাৰি দিনাখন কেপ্টেইন জেন্‌কিন্স যোৰহাটৰপৰা উজনিৰ এটা ঘাটত নাও চপালে। ২০ তাৰিখলৈকে নাৱতে থাকি ডাকবোৰ চাই আৰু নিজৰ ফালৰপৰা পঠিয়াবলগীয়া ডাকৰ কামত ব্যস্ত থাকিল। ২১ তাৰিখে যোৰহাট নগৰলৈ বুলি ৰাওনা হ'ল।

কমিছনাৰ জেন্‌কিন্সে ২১ ফেব্ৰুৱাৰিৰপৰা ১৩ মাৰ্চলৈকে যোৰহাটত থাকি ১৪ মাৰ্চ তাৰিখে গুৱাহাটীলৈ প্ৰত্যাৱৰ্তন কৰিলে। যোৰহাটত থকা এই দিনবোৰ তেওঁৰ কাৰণে বিশেষ ঘটনাবহুল। স্বৰ্গদেউ আৰু তেওঁৰ বংশধৰ প্ৰাক্তন ৰাজ-বিষয়া, কোঁৱৰ-কুঁৱৰীৰপৰা ধৰি সাধাৰণ প্ৰজালৈকে বিবিধস্তৰৰ মানুহৰ লগত কমিছনাৰৰ দেখা-সাক্ষাৎ হ'ল আৰু তেওঁৰ উদ্দেশ্যৰ প্ৰতি স্বৰ্গদেউৰ সহযোগিতা অবিহনেই তেওঁ ভ্ৰমণ সামৰিলে।

২১ তাৰিখে ৰাতিপুৱাৰ ভাগত নৈৰ ঘাটৰপৰা যোৰহাট নগৰলৈ যোৱাৰ বাটত স্বৰ্গদেউৰ পুত্ৰ চাৰিং ৰজাৰসৈতে ভেটা-ভেটি হয়। বাটছোৱাৰ প্ৰত্যেকটো চুবুৰিতে মানুহে চাহাবক সাক্ষাৎ কৰে আৰু কোঁৱৰ আৰু স্বৰ্গদেউৰ মানুহৰ সন্মুখতে আপত্তি দৰ্শাই কয় যে তেওঁ বিশেষ কিবা এটা নকৰিলে তেওঁলোক স্বৰ্গদেউৰ ৰাজ্যত আৰু থাকিব নোৱাৰে। যোৰহাট নগৰত প্ৰৱেশ কৰাৰ সময়তো চাহাবক অসংখ্য মানুহে আগুৰি ধৰে। মানুহৰ এই দলটোৰ ভিতৰৰ প্ৰথম যিজন লোকৰ সৈতে জেন্‌কিন্সে কথা পাতিছিল, তেওঁ এজন মুছলমান হাজী আছিল। হাজীগৰাকী প্ৰথম যোৰহাটলৈ অহাৰ সময়ত স্বৰ্গদেৱে তেওঁক বৰ বেয়া ধৰণে ব্যৱহাৰ কৰিছিল আৰু তেওঁৰ সম্পত্তি বাজেয়াপ্ত কৰিছিল। তদানীন্তন কমিছনাৰ ৰবাৰ্টচন্‌ চাহাবে (স্কটৰ মৃত্যুৰ পিচত তেওঁ অসমৰ কমিছনাৰ হৈছিল) বিষয়টোত হস্তক্ষেপ কৰিবলগীয়া হৈছিল আৰু স্বৰ্গদেউক কঠোৰ ভাষাৰে সকিয়নি দিছিল। ইয়াৰ পিছত বাজেয়াপ্ত কৰা সম্পত্তিৰপৰা কিছু অংশ স্বৰ্গদেৱে ওভোটাই দিছিল যদিও হাজীৰ গোচৰটো বিচাৰাধীন হৈয়ে আছিল। স্বৰ্গদেৱে মিছা সন্দেহত হাজীৰ পৰিবাৰে চুৰি সামগ্ৰী লুকাই ৰখাৰ অপৰাধত তেওঁকো বন্দী কৰি থৈছিল। কমিছনাৰে গোচৰটো পুনৰ মুকলি কৰাৰ কথা কোৱাত হাজীয়ে সন্মতি প্ৰকাশ কৰা নাছিল। কিয়নো তেওঁ যোৰহাটলৈ অহাৰ কেইদিনমান আগত স্বৰ্গদেৱে হাজীক ফৌজদাৰী নাজিৰ হিচাপে নিযুক্তি দিছিল।

২২ ফেব্ৰুৱাৰি তাৰিখে স্বৰ্গদেৱে কমিছনাৰক দেখা কৰে। দেশখনৰ অৱস্থাৰ বিষয়ে দুয়োজনৰ মাজত প্ৰায় আলোচনা নহ'ল বুলিবই পাৰি। কমিছনাৰৰ ওচৰৰপৰা বিদায় লৈ যাবৰ সময়ত স্বৰ্গদেৱে মাথোন ক'লে যে লালবন্দীয়েই প্ৰজাসাধাৰণৰ দুৰ্দশাৰ কাৰণ আৰু সেয়ে বিষয়াগৰাকীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে দেশখন ধ্বংস হ'ব।

পিছদিনা কমিছনাৰ নিজে গ'ল স্বৰ্গদেউক দেখা কৰিবলৈ। আহিবৰ সময়ত তেওঁ স্বৰ্গদেউক জানিবলৈ দিলে যে চৰকাৰক দিবলগীয়া কৰৰ পৰিমাণ সম্পৰ্কত স্বৰ্গদেৱে যি আপত্তি কৰিছে, তেওঁ তাকেই অনুসন্ধান কৰিবলৈ আহিছে। স্বৰ্গদেৱে তেওঁৰ আপত্তি লিখিতভাৱে জনাব লাগে।

সেইদিনা ৰুচিনাথ বুঢ়াগোহাঁইৰ পুতেকেও চাহাবক সাক্ষাৎ কৰে। তেওঁ ডেকা বয়সৰ, বেচ ওখ-পাখ, কিন্তু বিমৰ্ষ প্ৰকৃতিৰ। তেওঁৰ পিছতে সেইদিনা স্বৰ্গদেউৰ ভূতপূৰ্ব দেৱান চিৰন্তাদাৰ মণিৰামেও কমিছনাৰক দেখা কৰে। মণিৰামক ভূতপূৰ্ব দেৱান বুলি কোৱাৰ কাৰণ হৈছে, তেওঁ ইতিমধ্যে ৰাজপদ ইস্তফা দিছিল। সেয়ে হ'লেও তেওঁ এতিয়াও স্বৰ্গদেউৰ মুখ্য পৰামৰ্শদাতা। সুবিধা বুজি জেন্‌কিন্সে মণিৰামক গোপনে জানিবলৈ দিলে যে দেশজুৰি তেওঁৰ ভীষণ বদনাম হৈছে। উত্তৰত

কোন দোষী সেইটো নিশ্চিত কৰিবলৈ চাহাবকে অনুসন্ধানৰ দায়িত্ব দিলে মণিৰামে।

২৪ ফেব্ৰুৱাৰি তাৰিখে চন্দ্ৰকান্ত সিংহৰ বাই-ভনী দুয়োগৰাকী আইকুঁৱৰী, যোগেশ্বৰ সিংহৰ ভায়েক আৰু পুতেক, গড়মূৰীয়া গোসাঁই, ৰাজপুত্ৰ চাৰিং কোঁৱৰ, আন এজন ৰাজকোঁৱৰ গন্ধৰ্ব সিংহই কমিছনাৰক দেখা কৰি তেওঁলোকৰ আপত্তি-অভিযোগ জনালে। সেইদিনাই ৰুদ্ৰকান্ত বৰবৰুৱা আৰু তেওঁৰ পুতেক এজনাই চাহাবক দেখা কৰিলে। বৰবৰুৱা সুদৰ্শন আৰু সন্মানিত লোক। তেওঁৰ পুত্ৰগৰাকীয়ে পুৰণি আহোম-শ্বান আৰু খামতি ভাষা সুন্দৰকৈ লিখিব জানে। এইবোৰৰ বাহিৰেও তেওঁ অসমীয়া আৰু বঙলা ভাষা জানে। ল'ৰাজনে জেন্‌কিন্সক প্ৰতিটো ভাষাৰ একো একোটা আৰ্হিও লিখি দেখুৱালে। বৰবৰুৱাৰ লগত ৰজাঘৰীয়া ভালেকেইজন বিষয়া আছিল। বিদায় লৈ যাবলৈ ওলোৱাৰ আগে-আগে তেওঁ চাহাবক গুপুতে জানিবলৈ দিলে যে দেশখনত বহুত জঞ্জাল লাগিছে আৰু প্ৰজাবোৰে তেওঁৰ ওপৰতে দেশ সুস্থিৰ হোৱাৰ আশা পুহি ৰাখিছে।

২৭ ফেব্ৰুৱাৰিৰ দিনা আবেলি স্বৰ্গদেউ আহি কমিছনাৰৰ হাতত লালবন্দী প্ৰসঙ্গত তেওঁৰ লিখিত বক্তব্য আৰু আপত্তিৰ কাগজ-পত্ৰ দিলে। নথি-পত্ৰসমূহ ভালকৈ নপঢ়াকৈ সেই বিষয়ে আলোচনা কৰিবলৈ অপাৰগতা প্ৰকাশ কৰিলে কমিছনাৰে। ইয়াৰ পৰিৱৰ্তে তেওঁ স্বৰ্গদেউৰপৰা বিচাৰিলে স্বৰ্গদেৱে সেই বছৰত আৰু মেজৰ হোৱাইটে ১৮৩২-৩৩ চনত কৰা পিয়লৰ কাগজ-পত্ৰবোৰ। সেইদিনাখন স্বৰ্গদেৱে বহুত দীঘলীয়াকৈ তেওঁৰ বক্তব্য দাঙি ধৰিলে আৰু পুৰণি দাবীটো অৰ্থাৎ জয়পুৰৰপৰা ধৰি দিহিঙৰ দক্ষিণত থকা ঠাইখিনি পাবলৈ দাবী উত্থাপন কৰিলে। জয়পুৰৰপৰা অলপ দূৰত বৈ যোৱা নামচাং নদীয়েই স্বৰ্গদেৱৰ ৰাজ্যৰ সীমা যদিও সন্ধিপত্ৰত এই কথাটো স্পষ্টভাৱে উল্লেখ নাছিল। স্বৰ্গদেৱে সেই এলেকাৰ ওপৰত দাবী উত্থাপন কৰাৰ কাৰণ হ'ব পাৰে বিচাগামে তাত লোণৰ হাট এখন বহুৱাইছে। সেয়ে কৰ শোধ নকৰাকৈ দিহিঙৰে লোণ সৰবৰাহ কৰাত বাধা দিয়াৰ প্ৰয়োজনবোধ কৰিছিল স্বৰ্গদেৱে।

দাবী প্ৰসঙ্গত কমিছনাৰে স্বৰ্গদেউক এইবুলি ক'লে যে জুনিয়ৰ কমিছনাৰৰ এলেকাভুক্ত উজনিৰ ৰাজ্যখণ্ড ইতিমধ্যে তেওঁক দিয়া হৈছে। ইয়াৰ বাহিৰে পলিটিকেল এজেণ্টৰ এক্তিয়াৰত থকা ভূমি তেওঁক দিব নোৱাৰে। কমিছনাৰৰ উত্তৰত সন্তুষ্ট নহৈ স্বৰ্গদেৱে ক'লে যে তেওঁৰ ৰাজহ মাথোন ৩ বা ৪ হাজাৰ টকা। কমিছনাৰে স্বৰ্গদেউক অন্য এটা কথা ক'লে এইবুলি যে চিংফৌক নিয়ন্ত্ৰণত ৰাখিবলৈ আপাৰ আচাম লাইট্‌ ইন্‌ফেণ্ট্ৰিৰ ৬ টা কোম্পানিৰ বাবদ চৰকাৰৰ খৰচ হয় লাখ টকা। তেতিয়া স্বৰ্গদেৱে ক'লে যে খৰচ যিমানেই নহওক কিয় তেওঁক ৰক্ষণাবেক্ষণ দিবলৈ কোম্পানি চৰকাৰ দায়বদ্ধ। এই প্ৰসঙ্গত কমিছনাৰে স্পষ্ট উত্তৰ দিলে এইবুলি যে বিদেশী আক্ৰমণৰপৰা ৰক্ষা কৰাটোহে কোম্পানি চৰকাৰৰ দায়িত্ব; স্বৰ্গদেৱে যদি চিংফৌসকলক নিজৰ প্ৰজা বুলি ভাবে, তেনেহ'লে তেওঁলোকক নিয়ন্ত্ৰণ কৰাটো তেওঁৰেই দায়িত্ব। কিন্তু ৰাজকীয় সৈন্য-সামন্তৰে তেওঁ সেইটো কৰিব পৰা নাই।

জেন্‌কিন্সে তেওঁৰ এটা টোকাত তদানীন্তন যোৰহাট নগৰৰ বিষয়ে আলোচনা কৰিছে। তেওঁ উল্লেখ কৰিছে যোৰহাট নগৰখন তেওঁ আগতে (অৰ্থাৎ ১৮৩২ চনত গৱৰ্ণমেণ্টে তেওঁক এই দেশৰ উৎপন্নৰ বিষয়ে অনুসন্ধান কৰিবলৈ পঠাওঁতে) দেখাৰ দৰে একে আছে যদিও জনসংখ্যা বৃদ্ধি পাইছে। এই বৃদ্ধিৰ কাৰণ হৈছে ৰাজ-বিষয়া সকলোৱে ৰজাৰ ওচৰে-পাজৰে বসবাস কৰিবলৈ লোৱাটো। কিন্তু, ব্যৱসায়-বাণিজ্য অতিকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু কৃষি-কাৰ্যও বঢ়া নাই। গাঁওবোৰত সমৃদ্ধিৰ কোনো চিন নাই। বাৰীবোৰ বহলোৱা নাই আৰু গছ-গছনিও ৰোৱা হোৱা নাই। চৌদিশৰ গাঁওবোৰত তামোলগছ বহুত আছে যদিও সেইবোৰ বহু পুৰণি; ক'তো নতুন পুলি ৰোৱা নাই। নতুনকৈ তামোলৰ বাৰীখন পাতিবলৈ মানুহে মন নকৰালৈ চাই ধাৰণা কৰিব পাৰি যে মানুহবিলাকে তাত যদি সহজ হ'ব পৰা নাই।

যোৰহাটত ভিক্ষাৰীৰ পয়োভৰ বেছি। ইমান ভিক্ষাৰী অসমৰ অন্য ঠাইত দেখিবলৈ পোৱা নাযায়। ভিক্ষাৰীহঁতৰ সৰহখিনিয়েই বিবিধ বেমাৰত আক্ৰান্ত হৈ শক্তিহীন। বহুতৰে জন্মৰ পৰাই হাত-ভৰি কোঙা। অত্যধিক কানি-সেৱনেই বহু বেমাৰৰ কাৰণ। ভগ্ন স্বাস্থ্য আৰু দৰিদ্ৰতাৰ কাৰণো কানিয়েই। ইয়াৰ প্ৰভাৱ স্বৰ্গদেউৰ শাসনতো পৰিছে।

ব্ৰাহ্মণসকলৰ উপকাৰত অহাকৈ স্বৰ্গদেৱে নিজকে গোড়া হিন্দুপন্থী ৰূপত প্ৰতিষ্ঠা কৰিছে। চৰকাৰ পৰিৱৰ্তনৰ ফলত অন্য সম্প্ৰদায়ৰ লোকসকল বিশেষভাৱে ক্ষতিগ্ৰস্ত হৈছে। বিশুদ্ধ খোৱা-পানী থকা একমাত্ৰ পুখুৰীটোৰপৰা মুছলমান আৰু নিম্নবৰ্গৰ মানুহক পানী নিবলৈ দিয়া নহয়। ব্ৰাহ্মণ বা অন্য উচ্চবৰ্গৰ মানুহে তেওঁলোকক পানী বুৰাই দিব পাৰে। তাৰ কাৰণে তেওঁলোকক ধন দিব লাগে। কমিছনাৰ চাহাব পুখুৰীপাৰত থকাৰ দিনকেইটাত সাধাৰণবৰ্গৰ মানুহে ভয়ে-ভয়ে পানী নিছিল। কিয়নো তেওঁ সেই ঠাই এৰি থৈ যোৱাৰ পিচত মানুহবোৰে চমতাৰ কোব খাব লাগিব।

জোতা পিন্ধাৰ ক্ষেত্ৰত বাধা আৰোপ কৰি স্বৰ্গদেৱে পুৰণি নিয়মটো পুনৰ প্ৰচলন কৰে। কোম্পানি চৰকাৰৰ দিনত জোতা পিন্ধাত থকা বাধা উঠাই দিয়া হৈছিল। সাধাৰণ মানুহ, ৰাজ-বিষয়া আদি সকলোৱে জোতা পিন্ধাৰ দৰে বিলাসিতা কৰাত বাধা নাছিল। কিন্তু স্বৰ্গদেউৰ শাসনকালত সকলোৱে উদং ভৰিৰে অহা-যোৱা কৰিব লাগে। ৰাজকোঁৱৰ চাৰিং ৰজাৰ ঘোঁৰাশালৰ দায়িত্বত থকা ডেকাবোৰেও জোতা পিন্ধিব নোৱাৰিছিল।



৫ মাৰ্চ তাৰিখে বঙালী গোহাঁয়ে ককায়েক মহীধৰ বুঢ়াগোহাঁইৰ হৈ কমিছনাৰক দেখা কৰি ক'লে যে তেওঁ বৰ্তমানৰ উপাৰ্জনেৰে মৰ্যাদা সহকাৰে জীৱন-নিৰ্বাহ কৰিব পৰা নাই। পুৰন্দৰ সিংহক তেওঁলোকে নিস্বত্ত্ব ৰাজ্যখণ্ড দিছিল। এতিয়া তেওঁলোকেও ৰাজ্যৰ অংশ পাব লাগে, এই দেশৰ প্ৰকৃত শাসনকৰ্তা হোৱা হেতু। বঙালী গোহাঁই আৰু মহীধৰ বুঢ়াগোহাঁই ৰুচিনাথ বুঢ়াগোহাঁইৰ পুত্ৰ। বঙালী গোহাঁইৰ ৰজাঘৰীয়া পৰিচয় হৈছে নামডঙীয়া ৰাজখোৱা। ৰংপুৰৰ চিলমাৰিত জন্ম হোৱাৰ কাৰণে তেওঁ বঙালী গোহাঁই নামেৰে জনাজাত। জেন্‌কিন্সৰ ভাষাত তেওঁ দেখাই-শুনাই এজন বঙালী ভদ্ৰলোকৰ দৰে। ব্যৱহাৰ-পাতিত তেওঁ নম্ৰ।

কমিছনাৰে বঙালী গোহাঁইক এই বুলি ক'লে যে তেওঁলোকে অধিক বিচাৰি আগবঢ়া অনুচিত হ'ব। কিয়নো স্বৰ্গদেৱে দেশ ত্যাগ কৰিছিলেই, কোম্পানিয়ে মানক খেদি দেশখন ৰাখিলে। গতিকে কোনেও এই দেশৰ ওপৰত দাবী তুলিব নোৱাৰে। কোম্পানি চৰকাৰ দয়াপৰৱশ হৈ আধা ৰাজ্য পুৰন্দৰ সিংহক দিছে এই বিশ্বাস কৰি যে অসমীয়া ডাঙৰীয়াসকলৰ বাবে দেশীয় কোঁৱৰ এজন গ্ৰহণযোগ্য হ'ব আৰু স্বৰ্গদেৱেও তেওঁলোকৰ মন্ত্ৰণা লৈ প্ৰাচীন বিধি-ব্যৱস্থা মতে দেশ শাসন কৰিব।

কমিছনাৰে স্বৰ্গদেউৰ এজন বিশ্বাসী সঁজাতিৰ সন্ধানত আছিল যাতে সেই মানুহজনৰ জৰিয়তে তেওঁৰ লগত যোগাযোগ ৰক্ষা কৰিব পাৰি। ৭ মাৰ্চ তাৰিখে এজন মানুহক স্বৰ্গদেউৰ ওচৰলৈ পঠিয়ালে এটা খবৰ দি। খবৰটো হৈছে স্বৰ্গদেৱে যদি ৰাজ্যৰ এটা অংশ কোম্পানিক এৰি দিয়ে, তেনেহ'লে কোম্পানি চৰকাৰেও তেওঁৰ ওপৰত কোনো দাবী নকৰিব আৰু হস্তক্ষেপো নকৰিব। স্বৰ্গদেৱে কোনো বাট নথকাত কমিছনাৰে তেওঁৰ ওজৰসমূহৰ উত্তৰ দিয়াৰ কথা নিশ্চিত কৰিলে।

৮ মাৰ্চৰ আবেলি স্বৰ্গদেৱে পুনৰ কমিছনাৰক দেখা কৰিলে। ৰাজ্যৰ এটা অংশ কোম্পানিক দিয়াৰ বিষয়টো কমিছনাৰে পুনৰ উত্থাপন কৰিলে। কিন্তু স্বৰ্গদেৱে বিষয়টো এৰাই চলিবলৈ ধৰিলে।

যোৰহাটত আৰু কেইটামান দিন থাকি ১৪ মাৰ্চৰ দিনা কমিছনাৰ জেন্‌কিন্স গুৱাহাটীমুৱা হ'ল। ইয়াৰ পিছৰ ঘটনাবোৰ দ্ৰুতগতিত ঘটিবলৈ ধৰিলে। ১৮৩৮ চনৰ অক্টোবৰ মাহত পুৰন্দৰ সিংহৰ ৰাজ্য ইংৰাজ চৰকাৰে পুনৰ নিজৰ হাতলৈ ললে আৰু ৰাজ্যখনৰ সলনি শিৱসাগৰ আৰু লখীমপুৰ নামেৰে দুখন জিলা হ'ল।

ডক্টৰ নাথান ব্ৰাউনৰ অসম দৰ্শনৰ বহুখিনি কথা আমি অন্য প্ৰসঙ্গতো আলোচনা কৰিছোঁ। ইয়াত থূলমূলকৈ দুটামান কথালৈহে আঙুলিয়াই দিব খোজা হৈছে।

ব্ৰাউন আৰু অলিভাৰ টি কাটাৰ এই পৰিয়াল দুটা কলিকতাৰপৰা আহি ১৮৩৬ চনৰ জানুৱাৰি মাহৰ ১৮ তাৰিখে গুৱাহাটী পাইছিলহি। তেওঁলোক উমানন্দৰ অপূৰ্ব সৌন্দৰ্য্যত মুগ্ধ হৈছিল। তাত তেওঁলোকে অসঙ্খ্য ময়ূৰ আৰু বান্দৰ দেখিবলৈ পাইছিল। তাৰে এটা প্ৰকাণ্ড বুঢ়া বান্দৰক চলিবলৈ ব্ৰিটিছ চৰকাৰে তেওঁলোকৰ শাসন প্ৰৱৰ্তনৰ পিছৰপৰা মাহে ২০ টকাকৈ পেন্সন দিছিল।

ব্ৰাউন আৰু লগৰীয়াসকলে এই কথাটো স্পষ্ট ভাষাৰে কৈছিল যে কানিয়েই আছিল অসমৰ ওপৰত ডাঙৰ অভিশাপ। কানি খাই অসংখ্য মানুহ মৰিছিল। কিন্তু অসমীয়া মানুহে এই মৃত্যুক ডাইনীয়ে পোৱা বুলিহে গ্ৰহণ কৰিছিল। ব্ৰাউন আৰু লগৰীয়াসকল শদিয়াত থাকোঁতে শদিয়াখোৱা গোহাঁইৰ মৃত্যু হৈছিল। তেওঁৰ ওপৰত ডাইনী জপাই দিয়া হৈছিল বুলিয়েই মানুহে কৈছিল। শদিয়াত থাকোঁতেই ব্ৰাউনৰ জীয়ৰী চ'ফিয়াৰো মৃত্যু হৈছিল। সেই মৃত্যুও ডাইনীৰ কাৰণেই হৈছিল বুলি মানুহে কৈছিল। মানুহবোৰে ডাইনী আৰু ভূত— দুইধৰণৰ অপদেৱতাত বিশ্বাস কৰিছিল। কলেৰাত পৰা এজনী মানুহক ভূতে ধৰা বুলি মেধিৰ হতুৱাই জৰোৱা আৰু বনৌষধি খুওৱা কামটো ব্ৰাউনৰ লগৰীয়াসকলে দেখিবলৈ পাইছিল।

১৮৪৪ চনৰ ডিচেম্বৰ মাহত ব্ৰাউনে মধ্য আৰু নামনি অসম ভ্ৰমণ কৰিবলৈ ওলায়। তেওঁৰ এই ভ্ৰমণক extended missionary tour বোলা হৈছে। শিৱসাগৰৰপৰা গুৱাহাটীলৈকে দুশ মাইল পথৰ সৰহখিনিতে তেওঁ পদব্ৰজে গৈছিল। তেওঁ নৌকা ভ্ৰমণ এৰাই চলিছিল, যিহেতু দূৰৱৰ্তী গাঁওবোৰ নাৱেৰে চুব নোৱাৰি।

ব্ৰাউনৰ পথচাৰী সৰু দলটোত আছিল তেওঁৰ সহকাৰী নিধি লেবি ফাৰৱেল আৰু আঠজন কুলি। ১৪ ডিচেম্বৰ শনিবাৰে দিখৌৰ বাটেৰে যাত্ৰা আৰম্ভ কৰে। লগত আছিল ২/৩ টোপোলা কিতাপ। নিধিৰ বাহিৰে সকলোৱেই খোজকাঢ়ি গৈছিল। গা দুৰ্বল আছিল কাৰণে নিধিয়ে ঘোঁৰাত উঠি গৈছিল। দলটোৱে প্ৰথম দিনা নিশা কটাইছিল নামডাঙৰ মাছমৰীয়া গাঁও এখনত। যোৰহাটকে ধৰি কেইবাঠাইতো ৰৈ ৰৈ দলটো গোলাঘাট পালেগৈ। গোলাঘাটত নিধিৰ ঘোঁৰাটো ৰাতি বাঘে মাৰিলে। তাৰপিচত তেওঁ খোজকাঢ়িয়েই যাবলগীয়া হয়।

বোকাখাটত দলটোৱে এজোপা প্ৰকাণ্ড বটগছ দেখিবলৈ পালে। গছজোপাৰ ডালবোৰে ৬৩০ ফুটমান ঠাই আগুৰি আছিল। এটা ডালত ২১ ফুট ব্যাসৰ এনেকুৱা এটা প্ৰশস্ত ধোন্দ আছিল যে ধুমুহা-বৰষুণ হ'লে তাত ১২ জন মানুহে সহজতে আশ্ৰয় ল'ব পাৰে।

দলটোৰ পদযাত্ৰাই ইতিমধ্যে দুটা দেওবাৰ পাৰ কৰিছিল। ২য় দেওবাৰটোৰ পিছদিনা অৰ্থাৎ সোমবাৰে ব্ৰাউন আৰু নিধি

নগাঁৱত উপস্থিত হ'লহি। কুলিকেইজনে তাৰ এদিন পিছতহে পালেহি। পুৰণিগুদামৰপৰা নতুন নগাঁও পোৱালৈকে তেওঁলোকে ১০ মাইলৰ গোটেই পথছোৱাত লেথেৰি লগাকৈ থকা গাঁওবোৰ পাইছিল। ৰাস্তাৰ দাঁতিত থকা বুঢ়া গছবোৰে পথৰ ওপৰত এনেদৰে ছাঁ পেলাইছিল যে সি নগাঁওখনক অসমৰ ভিতৰতে এখন মনোৰম গাঁও হিচাপে তুলি ধৰিছিল। উল্লেখযোগ্য যে নতুন নগাঁৱতে পাদুৰি-ভাই ডক্টৰ মাইলছ্ ব্ৰন্সনে ১৮৪০ চনত জয়পুৰৰপৰা আহি নিজৰ স্থায়ী কুঠী পাতিছিল আৰু ঘাট-মাউৰা ল'ৰা-ছোৱালীৰ কাৰণে orphan school (এতিয়া নগাঁও মিছন স্কুল) এখন পাতিছিল। স্কুলখন পতাত কাপ্তান গৰ্ডনে প্ৰভূত অৰিহণা যোগাইছিল।

ব্ৰাউনৰ দলটো নগাঁও পোৱাৰ পিছত ব্ৰন্সনো লগ লাগিছিল। ব্ৰন্সনে হাতীত উঠি যাবলৈ বিচাৰিছিল। সেইকাৰণে হাতী এটাও যোগাৰ কৰি লৈছিল। কিন্তু ব্ৰাউনে হাতীত উঠি যোৱাটো ভাল নাপাইছিল, বিশেষকৈ খোজ কাঢ়োতে হাতীয়ে হেন্দোলনি তুলি যোৱাৰ বাবে। নগাঁৱৰপৰা ব্ৰাউন-ব্ৰন্সনৰ দলটো দৰঙত উপস্থিত হৈছিলগৈ। দৰঙৰপৰা গৈ দলটো কামৰূপত সোমাল আৰু বৈদ্যৰ গড়ত এৰাতি থাকিল। তাৰপৰা তেওঁলোক হাজোৰ পিনে গ'ল। হাজোৰ হয়গ্ৰীৱ মন্দিৰ তেওঁলোকে ভাল নাপালে; কিয়নো তেওঁলোকে জানিব পাৰিছিল যে তাত ২/৩ হাজাৰ দেৱদাসী আছিল। ১৮৪৫ চনৰ ২২ জানুৱাৰি তাৰিখে দলটোৱে গুৱাহাটী পালেগৈ। ইতিপূৰ্বে ১৮৪৩ চনতে বাৰ্কাৰ চাহাবে গুৱাহাটী মিছনৰ কাম আৰম্ভ কৰিছিল। গুৱাহাটী মিছনতে বহি ১৮৪৫ চনৰ ২৫ জানুৱাৰি শনিবাৰে ব্ৰাউন-ব্ৰন্সন-বাৰ্কাৰ আৰু স্থানীয় খ্ৰীষ্টানসকল লগ হৈ Baptist Church of Assam নামৰ সমাজখন পাতে। সমাজখনৰ তিনিটা মণ্ডলী— নগাঁও, শিৱসাগৰ আৰু গুৱাহাটী। বাৰ্কাৰ গুৱাহাটীৰ পেষ্টৰ নিৰ্বাচিত হয়। গুৱাহাটীত দুদিন থাকি মঙলবাৰে ব্ৰাউন-ব্ৰন্সনৰ দলটো নগাঁওমুৱা হয়। কলং নৈৰ পাৰে-পাৰে আহি ১ ফেব্ৰুৱাৰিৰ দিনা দলটো নগাঁৱত উপস্থিত হয়।

৬ ফেব্ৰুৱাৰিৰ দিনা ব্ৰাউন-ব্ৰন্সন আৰু তেওঁলোকৰ সহকাৰী পিটাৰ আৰু নিধি বৰদোৱালৈ যায়। বৰদোৱা থানত উদাসীন আতৈসকলহে আছিল। দলটোৱে বৰদোৱাত শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ পদশিলা দেখা পালে আৰু ৰাতিটো নামঘৰতে কটালে। নামঘৰত থকা মুখাবোৰে তেওঁলোকক বৰকৈ আকৰ্ষিত কৰিছিল। ১২ ফেব্ৰুৱাৰিৰ দিনা ব্ৰাউনহঁত নগাঁৱৰপৰা শিৱসাগৰমুখী হয়।

ব্ৰাউন চাহাবে তেওঁৰ extended missionary টুৰত অসমত স্থানীয় মানুহক খ্ৰীষ্ট ধৰ্মৰ প্ৰতি আকৰ্ষিত কৰিবলৈ গ্লোব এটা, একৰ্ডিয়ান এখন আৰু কাঁচৰে বনাই লোৱা প্ৰিজম্ এটা লৈ ফুৰিছিল। ৰামধেনু সৃষ্টিৰ প্ৰতি থকা অসমীয়া মানুহৰ পৰম্পৰাগত বিশ্বাস ভাঙিবলৈকে প্ৰিজমত পানী ভৰাই ৰামধেনুৰ সৃষ্টি কৰি দেখুৱাইছিল। বৰদোৱাত আকাশীগঙ্গাৰ পানী ভৰাই ৰামধেনু সৃষ্টি কৰা দেখিবলৈ পাই ভকতসকলে সেই পৱিত্ৰ কুণ্ডটোৰ পানী মহাপুৰুষ শঙ্কৰদেৱে প্ৰকৃততে স্বৰ্গৰপৰা নমাই অনা বুলি দৃঢ়তাৰে কৈছিল। পৃথিৱীখন আঠটা হাতীয়ে ধৰি ৰখাৰ পৰম্পৰাগত বিশ্বাসটো ভাঙিবলৈ পাদুৰি চাহাবৰ দলটোৱে গ্লোবটো ব্যৱহাৰ কৰিছিল আৰু কৈছিল যে তেওঁলোকে গ্লোবটোত অসমৰ বিপৰীতফালে থকা দেশখনৰপৰা আহিছিল। পানীৰ ওপৰৰে চলি অহা জাহাজত উঠিয়েই তেওঁলোক অসমলৈ আহিছিল। স্থানীয় অসমীয়া মানুহৰ বহু পৰম্পৰাগত বিশ্বাস ভাঙি চুৰমাৰ কৰিবলৈ পাদুৰিসকলে যৎপৰোনাস্তি চেষ্টা কৰিছিল। যদিও তেওঁলোকে ভবা বা আশা কৰা ধৰণে ধৰ্মান্তৰিতকৰণত বিশেষ সফলতা লাভ কৰিব পৰা নাছিল, বগা মানুহ চাবলৈ বহুত মানুহৰ কিন্তু উৎকণ্ঠা বাঢ়িছিল। কোনো কোনো সত্ৰত গোসাঁয়ে তেওঁলোকক সত্ৰৰ লগুৱাৰ হতুৱাই গাখীৰ আৰু কল খাবলৈ দিছিল। দলটোক চাবলৈ আৰু ব্ৰাউনৰ কথা শুনিবলৈ ঠায়ে-ঠায়ে স্থানীয় মানুহে জুম বান্ধিছিল যদিও খ্ৰীষ্ট ধৰ্মৰ বাণী থকা কোনো ছপা কিতাপ তেওঁলোকে ইজনে-সিজনক দেখুৱাই চুব খোজা নাছিল। কিন্তু কোনোৱে আকৌ তেনে কিতাপ লৈ চুৰিয়াৰে ঢাকি ৰাখিছিল।

ড° নৱেন কলিতা আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক। বৰ্তমান তেওঁ নগাঁও ছোৱালী কলেজৰ পৰিচালনা সমিতিৰ সভাপতি।



# উচ্চশিক্ষাত সংস্কাৰমূলক আঁচনি আৰু অসম

গঙ্গাপদ চৌধুৰী

উচ্চশিক্ষাত সংস্কাৰমূলক আঁচনি প্ৰৱৰ্তনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে একাদশ পৰিকল্পনাত এক বিশেষ উদ্যোগ লোৱা দেখা গৈছিল। একাদশ পৰিকল্পনাৰ বাজেটৰ সামগ্ৰিক আৱণ্টিত ধন শতকৰা ১৯ ভাগ ন্যস্ত কৰা হৈছিল কেৱল মাত্ৰ শিক্ষা বিভাগত-পূৰ্বৱৰ্তী বাজেটত শিক্ষাৰ শিতানত নিৰ্দিষ্ট কৰা ৭.৭% ধনৰ বিপৰীতে একাদশ পৰিকল্পনাত ১৯% লৈ বৃদ্ধি কৰা এক চমকপ্ৰদ কথা নহয় নে? প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ মাজত নিহিত হৈ থকা শৈক্ষিক প্ৰীতি আৰু তেখেতৰ নব্য অৰ্থনীতিত শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ উপলব্ধিয়েই শিক্ষা খণ্ডত সৰহকৈ ধনৰ সৰবৰাহ কৰা সম্ভৱ কৰি তুলিছে বুলি বোধ হয়। সেই কাৰণেই হয়তো মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে একাদশ পৰিকল্পনাক শিক্ষা যোজনা বুলি অভিহিত কৰিছিল।

উচ্চশিক্ষাৰ ক্ষেত্ৰখনত আজি "কি শিকায়" আৰু "কি শিকে" এই দুটাহে অধিক তাৎপৰ্যপূৰ্ণ কথা। আজিৰ শিক্ষা জগতত— গোলকীয় উদ্যোগ, উৎকৰ্ষ আৰু প্ৰাসঙ্গিকতা হ'ল পৰৱৰ্তী তিনিটা সাংকেতিক শব্দ। আজিৰ পৃথিৱীত জ্ঞানসমৃদ্ধ আৰু কৰ্মকৌশলসম্পন্ন লোকৰ সমাদৰ সৰ্বত্ৰ। সেয়েহে তৰুণ শিক্ষিত কৰ্মকৌশলসম্পন্ন কৰ্মী-জাতিৰ সম্পদ হিচাপে চিহ্নিত হৈছে। তেনে মানৱ সৃষ্টিৰ খাতিৰত উচ্চশিক্ষাৰ সংস্কাৰসাধনৰ তাড়নাত একাদশ পৰিকল্পনাৰ আদিছোৱাত কেন্দ্ৰীয় মানৱসম্পদ উন্নয়ন বিভাগে কেতবোৰ সংস্কাৰমূলক উদ্যোগ লোৱা দেখা গৈছিল। যেনে—

(ক) বিহাৰ, অন্ধ্ৰপ্ৰদেশ, ৰাজস্থান, উৰিষ্যা, গুজৰাট আৰু পঞ্জাৱ প্ৰত্যেক ৰাজ্যতে একোখনকৈ সৰ্বমুঠ ৬খন নতুন আই আই টি স্থাপন।

(খ) ৰাজীৱ গান্ধীৰ নামেৰে এখন আই আই এম শ্বিলঙত স্থাপন।

(গ) কলকাতা, পুনে, মহালি, ভূপাল আৰু থিৰুৱনন্তপুৰমত একোখনকৈ মুঠ ৫খন আই আই এচ স্থাপন।

(ঘ) মধ্যপ্ৰদেশৰ ভূপাল আৰু অন্ধ্ৰপ্ৰদেশৰ বেজুৱাৰাত একোখনকৈ মুঠ দুখন স্কুল অৱ প্লেনিং এণ্ড আৰ্কিটেক্সাৰ স্থাপন।

(ঙ) ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় জনজাতি বিশ্ববিদ্যালয় নামেৰে মধ্যপ্ৰদেশৰ অমৰ কণ্টকত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন।

(চ) উচ্চশিক্ষাত নামভৰ্তিৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় হাৰতকৈ নিম্নস্থানত থকা জিলাবোৰত সৰ্বমুঠ ৩৭৪খন মহাবিদ্যালয় স্থাপনৰ কাৰণে ৰাজ্যলৈ অৰ্থসাহায্য আগবঢ়োৱা।

(ছ) উচ্চতৰ মাধ্যমিক পৰীক্ষাত শীৰ্ষত অৱস্থান কৰা দুই শতাংশ ছাত্ৰ-ছাত্ৰীক (ছাত্ৰ ৫০%, ছাত্ৰী ৫০%) স্নাতক শিক্ষাগ্ৰহণৰ বাবে মেধাৰ ভিত্তিত প্ৰতিমাহে এহেজাৰতকৈ বহুবত ১০মাহৰ বাবে একোটাকৈ বৃত্তি দিয়াৰ আঁচনি প্ৰৱৰ্তন কৰা হয়। সেইদৰে স্নাতকোত্তৰ পাঠগ্ৰহণৰ বাবে প্ৰতি মাহে দুই হেজাৰতকৈ বহুবত দহমাহৰ বাবে মেধাৰ ভিত্তিত নতুন বৃত্তিৰ আঁচনি প্ৰৱৰ্তন কৰা হয়। আঁচনি দুখনৰ ৰূপায়ণৰ কৰ্তৃত্ব ৰাজ্য চৰকাৰসমূহৰ, কেন্দ্ৰীয় চৰকাৰ হ'ল— ধন আৱণ্টনকাৰী অনুষ্ঠানহে। উপৰোক্ত আঁচনিসমূহ প্ৰৱৰ্তনৰ সময়ত মানৱসম্পদ উন্নয়ন দপ্তৰৰ কৰ্তৃত্বত আছিল অৰ্জুন সিং। বহু সংস্কাৰৰ পাতনি মেলিলেও উচ্চশিক্ষাৰ সংস্কাৰ যে আশানুৰূপ গতিত আগবঢ়া নাই সেই কথা হয়তো উপলব্ধি কৰিয়েই ২০০৯ চনৰ ৩০ মে শুক্ৰবাৰৰ ৰাতিপুৱা মানৱসম্পদ উন্নয়ন মন্ত্ৰালয়ৰ সেই বিশেষ "কুৰ্চি"খনৰপৰা অপসাৰিত হ'ল বহু যুদ্ধৰ অভিজ্ঞ যোঁৱা অৰ্জুন সিং। তাৰ ঠাইত পদাসীন হ'ল নতুন নায়ক কপিল চিব্বাল। দেখাত সাধাৰণ যেন লগা এই ঘটনা। কিন্তু ভাৰতবৰ্ষৰ শিক্ষা-জগতত ঘটা এক তাৎপৰ্যপূৰ্ণ কথাটো এই কাৰণেই তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে যে অৰ্জুন সিঙৰ প্ৰস্থানৰ লগে লগে মন্ত্ৰালয়ৰপৰাও অপসাৰণ ঘটিল পুৰাতন ৰক্ষণশীলতা আৰু তাৰ ঠাইত আগমন ঘটিল নতুন বিশ্বায়নমুখী শিক্ষা-সংস্কাৰ দৰ্শনৰ।

সাম্প্ৰতিক ভাৰতবৰ্ষত নতুনকৈ লহপহকৈ বাঢ়ি অহা মধ্যবিত্তৰ সমাজখনত স্বাভাৱিকতে বৃদ্ধি পাইছে বিদেশী বিশ্ববিদ্যালয় প্ৰীতি। এই ক্ৰমবৰ্ধিত মধ্যবিত্ত সমাজখনৰপৰা প্ৰতি বছৰে চাৰি লাখৰ অধিক ল'ৰা-ছোৱালী বিদেশলৈ গতি কৰে উচ্চশিক্ষা লাভৰ বাবে। এই মধ্যবিত্ত সমাজখনৰ উত্থান আৰু তেখেতসকলৰ সতি-সন্ততিৰ বিদেশগমনৰ দৃশ্য দেখা কপিল চিব্বাল চাহাবে এইচাম মধ্যবিত্তৰ মন আকৰ্ষণ কৰিবলৈকে মানৱসম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ চকিখন দখল কৰিয়েই প্ৰথমতে ঘোষণা কৰিলে যে

বিদেশী নামজ্বলা বিশ্ববিদ্যালয়সমূহক ভাৰতবৰ্ষলৈ নিজৰ দোকান খুলিবলৈ অহাৰ ব্যৱস্থা কৰিবলৈ প্ৰয়োজনীয় বিধেয়কখন শীঘ্ৰে সদনত উপস্থাপন কৰা হ'ব। আশানুৰূপভাৱে তেখেতে মানৱসম্পদ উন্নয়ন দপ্তৰত কেন্দ্ৰীয়মন্ত্ৰী হিচাপে পদাসীন হৈয়েই যিকেইটা ফাইল বিচাৰিলে তাৰ প্ৰথমটোৱেই আছিল ভাৰতত বিদেশী শিক্ষাৰ যোগান ধৰোঁতাসকলৰ। কোৱা নিষ্প্ৰয়োজনীয় যে শিক্ষা মন্ত্ৰণালয়ত যে নতুন বতাহ বলিছে তাৰ সংকেতধ্বনি সকলোৱে বুজি উঠাত সময় নালাগিল।

তেখেতৰ দ্বিতীয় ঘোষণাটো হ'ল — কৰ্ম-কৌশলৰ নৈপুণ্য বৃদ্ধিৰ শিক্ষা (Skill Development Education)ৰ প্ৰসঙ্গত। স্কুল-কলেজৰ পাঠ্যক্ৰম আধুনিকীকৰণ নোহোৱাৰ ফলত শিক্ষা সাং কৰা ল'ৰা-ছোৱালীয়ে নিযুক্তিৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হয়, সেই কথা সদৰি কৰি পাঠ্যক্ৰমৰ আৱশ্যকীয় সালসলনি কৰি পাঠ্যক্ৰম অধিক নিয়োগযোগ্য কৰি তুলিবলৈ ব্যৱস্থা ল'ব বুলি সজোৰে ঘোষণা কৰিলে।

তৃতীয়তে ব্যক্তিগত খণ্ডত গঢ়ি উঠা বিদ্যালয়সমূহত অত্যধিক মাচুলৰ বাবে নাম ভৰ্তি কৰিব নোৱৰা ছাত্ৰ-ছাত্ৰীসকলেও যাতে নাম ভৰ্তি কৰিব পাৰে, তাৰ নিশ্চিতি প্ৰদানৰ বাবে বেংক বা অন্যান্য অৰ্থনৈতিক আঁচনিৰ জৰিয়তে ধন মোকলাই দিয়াৰ কথা ঘোষণা কৰিলে।

চতুৰ্থতে পূৰ্বমন্ত্ৰীৰ দিনত National Knowledge Commissionৰ বিন্দু মাত্ৰও প্ৰৱেশ নঘটা মানৱসম্পদ উন্নয়ন মন্ত্ৰণালয়লৈ NKCৰ আগমন ঘটিল। জ্ঞান-নিৰ্ভৰ অৰ্থনীতি আৰু জ্ঞান-নিৰ্ভৰ সমাজসৃষ্টিত ৰাষ্ট্ৰীয় জ্ঞান পৰিষদৰ ভূমিকা যে আছে সেই কথা মন্ত্ৰী মহোদয়ে কৃতজ্ঞতাৰে স্বীকাৰো কৰিলে। কিন্তু সেইবুলি NKCৰ সকলো পৰামৰ্শই যে মানৱসম্পদ উন্নয়ন মন্ত্ৰণালয়ে মানিব সেই কথা ভাবিলে ভুল কৰা হ'ব বুলি স্পষ্ট ঘোষণা কৰিলে।

মানৱসম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ দুটা বীজ-মন্ত্ৰ: সময়মতে কঠিয়া পৰা (Step in time) আৰু একোৱে স্থিৰিৰ নহয় (Nothing is Static)— এই দুয়োটা বীজ-মন্ত্ৰ সাৱোগত কৰি নতুনক স্বাগতম জনাবলৈ মানৱসম্পদ উন্নয়ন মন্ত্ৰণালয়ে চিব্বাল চাহাবৰ নেতৃত্বত প্ৰস্তুত হৈ উঠিল।

আন্তৰ্জাতিক প্ৰতিযোগিতাৰ সন্মুখীন হ'ব পৰাকৈ ভাৰতবৰ্ষত আন্তৰ্জাতিক শিক্ষাৰ মানদণ্ড অৱতাৰণা কৰাৰ কথাও ঘোষণা কৰিলে।

উন্নতমানৰ শিক্ষাৰ দ্ৰুত বিকাশৰ বাবে মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ে নতুনকৈ যুগুতোৱা পৰিকল্পনাৰ জৰিয়তে লোৱা কেতবোৰ উদ্যোগ হ'ল —

(ক) ৩০খন বিশ্ববিদ্যালয় স্থাপন।
(খ) ৩৭৪খন মহাবিদ্যালয় স্থাপন।
(গ) ৮খন নতুন IIT
(ঘ) ৭খন নতুন IIM
(ঙ) ২০ খন ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ সহযোগিতাত নতুন IIT স্থাপন।
(চ) ১০০০ নতুন পলিটেক্নিক।
(ছ) ৫০,০০০ কৰ্ম-কৌশল বিকাশ কেন্দ্ৰ (Skill Development Centre)।

ইয়াৰ লগতে আগতে উল্লেখিত দ্বাদশ শ্ৰেণী পাছ কৰি শীৰ্ষত থকা দুই শতাংশ ছাত্ৰ-ছাত্ৰীক স্নাতক শিক্ষাগ্ৰহণৰ বাবে আৰু স্নাতকসকলক স্নাতকোত্তৰ শিক্ষাগ্ৰহণৰ বাবে ক্ৰমে মাহিলি এহেজাৰ আৰু দুই হেজাৰতকৈ বছৰটোত ১০ মাহৰ বাবে মেধাৰ ভিত্তিত বৃত্তি দিয়াৰ আঁচনিখনো আছে।

ইয়াৰ বাবে ৪০,০০০ চল্লিশ হেজাৰ কোটি টকাৰ এক অভিলাসী যোজনাও কাৰ্যক্ষম কৰি তোলা হৈছে। ইয়াৰদ্বাৰা উচ্চশিক্ষাৰ আওতাৰ ভিতৰত আৰু নিৰ্দিষ্ট বয়সৰ সীমাৰেখাৰ মাজত থকা ভাৰতবৰ্ষৰ ২.৫% ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি আশা কৰা হৈছে।

কেন্দ্ৰীয় চৰকাৰে উচ্চশিক্ষাৰ দ্ৰুত উন্নয়ন আৰু সম্প্ৰসাৰণৰ কাৰণে যি সংস্কাৰমূলক অভিলাষী যোজনা ইতিমধ্যে গ্ৰহণ কৰিছে, তাৰ পৰিপ্ৰেক্ষিতত অসমত উচ্চশিক্ষাৰ ক্ষেত্ৰত লোৱা সংস্কাৰমূলক উদ্যোগখিনিৰ এটা পৰ্যালোচনা কৰা নিশ্চয় প্ৰাসঙ্গিক হ'ব।

ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ জিলাসমূহৰ ভিতৰত যিবোৰ জিলাত ১৮-২৪ বছৰীয়া যুৱক-যুৱতীৰ নাম ভৰ্তিৰ হাৰ ৰাষ্ট্ৰীয় নামভৰ্তিৰ হাৰতকৈ কম তেনে জিলাসমূহত মহাবিদ্যালয় স্থাপন কৰিবলৈ ভাৰতবৰ্ষত সৰ্বমুঠ ৩৭৪খন কলেজৰ বাবে আৱশ্যকীয় ধন কেন্দ্ৰীয় চৰকাৰে দিবলৈ যি আঁচনি আগবঢ়াইছিল, সেই আঁচনিমতে অসম চৰকাৰক ১৪খন কলেজ স্থাপনৰ বাবে ধনৰ আবণ্টন দিছিল। জানিব পৰা মতে পূৰ্বৰ শিক্ষামন্ত্ৰীৰ দিনত সেইখিনি হেনো ফাইলৰ ৰঙা ফিটাৰ মাজতে ৰৈ গৈছিল। নতুন



তৎপৰ আৰু সদা-সক্ৰিয় শিক্ষামন্ত্ৰীজনাই কাৰ্যভাৰ গ্ৰহণ কৰিয়েই অসমত নতুনকৈ চৈধ্যখন চৰকাৰী কলেজ স্থাপন কৰিব বুলি ঘোষণা কৰিছিল। প্ৰতিখন কলেজ স্থাপনৰ বাবে ৮ কোটিকৈ টকা নিৰ্দিষ্ট কৰি কোন কেইখন জিলাত কলেজসমূহ স্থাপন হ'ব সেয়াও চিনাক্ত কৰি ঘোষণা কৰা হৈছিল। বৰ্তমান এই চৰকাৰী কলেজসমূহ কেতিয়া হৈ উঠিব তাৰ বাবে হয়তো আমি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰৱৰ্তী ঘোষণালৈ অপেক্ষা কৰিব লাগিব। আমি আশা কৰিম, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে চৈধ্যখন চৰকাৰী কলেজ গঢ়াৰ যি সুবিধাকণ পাইছে সেই সুযোগৰ সদ্ব্যৱহাৰ কৰি আমাক একবিংশ শতিকাৰ উপযোগী বিতোপন কলেজ কেইখনমান উপহাৰ দিবলৈ সমৰ্থ হ'ব। আমাৰ ভাব হয়, ভয় হয়, কটন কলেজক এখন সৰ্বাঙ্গসুন্দৰ, আদৰ্শ সৰ্বাধুনিক বিশ্ববিদ্যালয়লৈ উন্নতি কৰাৰ যি সুবৰ্ণ সুযোগ লাভ কৰিছিল সেই সুযোগ তেখেতে পুৰামাত্ৰাই গ্ৰহণ কৰাত সফল হ'ব নোৱাৰিলে। কিয় নোৱাৰিলে বুলি ভাব হৈছে, সেই কথা আমাৰ আজিৰ বিচাৰ্য বিষয় নহয়।

যোৱা ২০ ফেব্ৰুৱাৰি 'শিৱৰাত্ৰি'ৰ দিনাখন প্ৰেছ-মেল যোগে কৰা ঘোষণাখিনি নিঃসন্দেহে আশাপ্ৰদ আৰু আদৰণীয়। এককথাত ক'বলৈ গ'লে মেধাৰ ভিত্তিত বৃত্তি প্ৰদানৰ ব্যৱস্থাটো পুনৰ প্ৰৱৰ্তন কৰাটো অতিশয় উত্তম ব্যৱস্থা হৈছে। স্নাতক শিক্ষাগ্ৰহণৰ বাবে উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলে নিশ্চয় মেধাৰ নিৰূপক হ'ব। সেই বিষয়ে ক'বলগীয়া নাই। কিন্তু বৃত্তিৰ টকাখিনি যাতে ছাত্ৰ-ছাত্ৰীয়ে সময়মতে পায়, তাক নিশ্চিত কৰিব লাগে। আমাৰ অভিজ্ঞতাই কয়, আগতে সদায় বৃত্তিৰ টকাখিনি বৃত্তি পোৱা ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনা কৰি, কলেজৰপৰা ওলাই যোৱাৰ বহু পাছতহে পায়। ফলত যি উদ্দেশ্যত বৃত্তি দিয়া হয় সেই উদ্দেশ্য সফল নহয়। এইখিনিতে এটা আমোদজনক ঘটনা উল্লেখ কৰিব বিচাৰিছোঁ, আমাৰ কলেজৰ ল'ৰা এজনে প্ৰাক্ বিশ্ববিদ্যালয়ৰ 'টেষ্ট' পৰীক্ষা দিছে। ইংৰাজী পৰীক্ষা প্ৰশ্নৰ কাকতত ৰচনা এখন লিখিব দিয়া হৈছিল, My Aim in life ল'ৰাজনে প্ৰশ্নৰ উত্তৰৰ বহীত লিখিছিল: "My aim in life is to liberate my ... So I shall join ..." ইংৰাজীৰ প্ৰবক্তাগৰাকীয়ে মোৰ ওচৰলৈ আহি ক'লে যে ... ল'ৰাজনে উগ্ৰপন্থীৰ দল এটাত ভৰ্তি হোৱা কথা কৈছে। মই হাঁহি মাৰি সুধিলো, "ইংৰাজীখিনি শুদ্ধ হৈছে নে?" ভালেই লিখা বুলি কোৱাত ক'লো "নম্বৰ দিয়া।" সঁচাকৈ চূড়ান্ত পৰীক্ষাৰ শেষৰ দিনা কোনোবা এগৰাকী আত্মীয়ৰ বন্দুক এটা লৈ জঙ্ঘলত সোমাল। দুই-তিনিবছৰ পাছত এদিন জ্ঘলৰপৰা উভতি আহি গম পালে যে তাৰ পঢ়া দিনৰ স্কলাৰশ্বিপ আহিছে, সি নিবলৈ আহিল। ইতিমধ্যে আত্মসমৰ্পন কৰি আৰ্থিক সাহায্য লাভ কৰি দোকান এখনো মফচল চহৰখনত খুলিছে। কেতিয়াবা ভাবোঁ সময়মতে টকাকেইটা পোৱা হ'লে তাক কিজানি ইংৰাজীৰ অনাৰ্ছ ক্লাছত বন্দী কৰিয়েই ৰাখিব পাৰিলোঁহেঁতেন। কিয়নো ল'ৰাজনে প্ৰাক্-বিশ্ববিদ্যালয় পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। এবাৰ লৈ যাওঁতে জনৈক মাৰাঠী অধ্যক্ষ বন্ধুৰ লগত বৃত্তি-প্ৰদানৰ এই বিসঙ্গতিবোৰৰ কথা কওঁতে সি জপিয়াই উঠিল আৰু মোক প্ৰশ্ন কৰিলে "তোমালোকৰ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তিৰ টকা পঢ়ি থাকোঁতে নাপায় নেকি? আমাৰ মহাৰাষ্ট্ৰত প্ৰতিজন বৃত্তি লাভ কৰা ছাত্ৰ-ছাত্ৰীয়ে প্ৰতি মাহে বৃত্তিৰ টকা লাভ কৰে।" "কেনেকৈ?" সোধাত তেখেতে ক'লে, "আমাৰ কলেজলৈ প্ৰত্যেক শিক্ষাবৰ্ষৰ আৰম্ভণিতে বৃত্তিৰ বাবে আছুতীয়াকৈ এক নিৰ্দিষ্ট পৰিমাণৰ ধন আহে। ল'ৰাৰ নাম ভৰ্তিৰ পাছত আমি কিমানে নাম ভৰ্তি কৰিছে, কিমানে বৃত্তি পাব, গোটেই শিক্ষাবৰ্ষত বৃত্তিৰ বাবে সৰ্বমুঠ কিমান টকা লাগিব, সকলোখিনি হিচাপ কৰি সঞ্চালকৰ কাৰ্যালয়লৈ পঠিয়াই দিওঁ। এইখিনি কৰোঁতে আমাৰ প্ৰায় দুমাহ সময়ৰ প্ৰয়োজন হয়। তৃতীয় মাহত, প্ৰথম তিনিমাহৰ বৃত্তিৰ টকাখিনি এটা কিস্তিত আদায় দিওঁ আৰু তাৰ পাছৰপৰা প্ৰতি মাহে পাবলগীয়া নিৰিখত বৃত্তিৰ ধন দি যাওঁ। বেংকত বৃত্তিৰ শিতানত থকা টকাৰ উপৰি যদি হিচাপত আৰু ধনৰ প্ৰয়োজন হয়, সঞ্চালকৰ কাৰ্যালয়ে আমালৈ পঠাই দিয়ে।" এনে এটা ব্যৱস্থা হয়তো আৰম্ভণি বৰ্ষত সম্ভৱ নহ'ব পাৰে। কিন্তু পৰৱৰ্তী বৰ্ষৰপৰা এনে এটা ব্যৱস্থা প্ৰৱৰ্তনৰ যোগেদি ছাত্ৰ-ছাত্ৰীক প্ৰতি মাহে বৃত্তিৰ ধন পোৱাৰ ব্যৱস্থা কৰি দিব পাৰি।

বাতৰি কাকতত প্ৰকাশিত বাতৰিৰপৰা এটা কথা স্পষ্ট নহ'ল, মেধাৰ ভিত্তিত দিব খোজা এই বৃত্তিৰ ধনৰ পৰিমাণ স্নাতক স্তৰত প্ৰতি বছৰে ৩০,০০০ নে স্নাতক স্তৰৰ সম্পূৰ্ণ কালছোৱাৰ কাৰণে সেই কথা স্পষ্ট বুজা নগ'ল। যদি বছৰি ৩০,০০০ টকা হয়, তেতিয়াহ'লে অতি সুন্দৰ হৈছে। তথাপি কওঁ, এই বৃত্তিৰ ধন প্ৰতিমাহে নিৰ্ধাৰিত নিৰিখত পোৱাৰ ব্যৱস্থা কৰিব লাগে, বছৰৰ শেষত বা পাছত একেলগে নহয়।

মাননীয় মন্ত্ৰী মহোদয়ে নিয়োগ যোগ্যতাসম্পন্ন কিছুমান নতুন বিষয় প্ৰৱৰ্তন আৰু পুৰণি পাঠ্যক্ৰমৰো সংস্কাৰসাধন কৰাৰ কথা ঘোষণা কৰিছে, এই দুয়োটাই সময়োপযোগী আৰু আদৰণীয় সিদ্ধান্ত হৈছে। ইতিমধ্যে এই বিষয়ে চিন্তা-চৰ্চা কৰি বিষয়বোৰ নিৰ্বাচন কৰিবলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ নেতৃত্বত এখন কমিটি গঠন কৰি দিয়াৰ কথাও ঘোষণা কৰিছে। এইটোও এটা শুভ পদক্ষেপ বুলিয়েই ধাৰণা হৈছে। এই নতুন বিষয়সমূহ অতি কমেও দুটাকৈ অসমৰ ২০০খন কলেজত খোলাৰ আৰু তাৰবাবে দৰকাৰী ১২০০ নতুন পদ সৃষ্টিৰ ব্যৱস্থা কৰাৰ কথাও মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে। আগতীয়াকৈ চিন্তা কৰি এনে সিদ্ধান্ত লোৱাটো সজ কথাই হৈছে। কিন্তু মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক কলেজসমূহত নতুন বিষয়সমূহ, নতুন পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাৰ আগতে আৰু এটা কথা আগতীয়াকৈ চিন্তা কৰিবলৈ অনুৰোধ কৰিবলৈ বিচাৰিছোঁ, সেইয়া হ'ল, এই যে

দুশখন কলেজ আছে, এই কলেজ কেইখনৰ অধ্যক্ষসকলকো অৰিয়েণ্টটেচনৰ একোটা সুযোগ দিব লাগে। NIEPAৰ জৰিয়তে সেই ব্যৱস্থা সহজে কৰিব পৰা যায়।

এইখিনিতে এটা অভিজ্ঞতাৰ কথা ক'ব খুজিছোঁ। ললিতচন্দ্ৰ ভঁৰালী কলেজত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সাহায্যত Environment & Water Management বিষয়টো খোলা হৈছিল। আমাৰ ৰাজ্যত পানীৰ ইমান প্ৰাচুৰ্য, তথাপি আমাৰ সৰ্বস্তৰত খোৱা পানীৰ কি এক দাৰুণ সমস্যা। আমাৰ সমস্যাটো যে ঘাইকৈ পানীৰ managementৰ হে। এই সমস্যাটোৰ গুৰুত্ব আৰু প্ৰাসঙ্গিকতাৰ কথা উপলব্ধি কৰি, কলেজত Water management বিষয়টো খোলা গৈছিল। প্ৰায় ১০ লাখ টকাৰে বিজ্ঞানাগাৰটো প্ৰস্তুত কৰা হৈছিল। যাদৱপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য মহোদয়ৰ নেতৃত্বত ইউ জি চিৰ টিম এটা আহিছিল, পৰিদৰ্শন কৰিবলৈ। দুগৰাকী বিশেষজ্ঞই বিষয়টো অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰী কেইগৰাকীক খোৱা পানী, কল-কাৰখানাৰ নিৰ্গত পানী, নলা-নৰ্দমাৰে বৈ যোৱা পানী, পেলনীয়া পানী এইবিলাক কি ধৰণে ট্ৰিট্‌মেণ্ট কৰিব পাৰি, কি ধৰণে ৰিচাইকেল কৰিব পৰা যায় — সেইবোৰৰ ওপৰত প্ৰশ্ন সুধি, ছাত্ৰ-ছাত্ৰীৰ উত্তৰ শুনি আৰু বিজ্ঞানাগাৰটো দেখি ইমান মুগ্ধ হৈছিল যে ছাত্ৰ-শিক্ষকসকলৰ আগত মুকলিকৈ কৈছিল যে বিষয়টো পোন-প্ৰথমবাৰৰ বাবে পূৰ্বাঞ্চলৰ এখন স্নাতক কলেজত দিয়া হৈছিল এই বুলিয়েই যে ইয়াত এটা Environment Science বিষয়টো আছে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ আগত কথা-বতৰা পাতি, বিজ্ঞানাগাৰটো দেখি ভাব হৈছে — সঠিক ঠাইত সঠিক বিষয় এটা দিয়া হৈছে আৰু এই বিষয়টোৰে কলেজৰ সুনাম যে বঢ়াব সেই বিশ্বাস আমাৰ হৈছে। এটা সময় আহি আছে যি সময়ত ডাক্তৰসকলে Stool, Urine আদিৰ আগতে পানীৰ টেষ্ট ৰিপ'ৰ্ট বিচাৰিব। খোৱা পানীত "ফ্ল'ৰাইদ"ৰ পৰিমাণ বৃদ্ধি হোৱালৈ চাই আৰু বাতৰি কাকতত প্ৰকাশিত আৰ্চেনিকযুক্ত পানী সেৱন কৰা কথা শুনি ভাব হৈছে সেইদিন সমাগত। কিন্তু চৰম দুৰ্ভাগ্যৰ কথা, এনে এটা বিষয় আৰু তাৰ লগতে পৰিৱেশ বিজ্ঞান এই দুটা সমাজজীৱনৰ আটাইতকৈ দৰকাৰী বিষয় কলেজৰ পাঠ্যক্ৰমৰপৰা সম্প্ৰতি উঠাই দিছে, খৰছ বেছি হয় বুলি। Environment & water management বিষয়টোত পাঠ্যক্ৰমত অন্তৰ্ভুক্ত আছিল: (a) Management of water treatment of drinking water, industrial water, sewage or waste water, (b) management of water resources, (c) management of digesting protection, (d) management of irigation, (e) management of water table.

দহলাখ টকীয়া বিজ্ঞানাগাৰৰ লগতে গুৱাহাটী শোধনাগাৰৰ সৌজন্যত লাভ কৰা লাখটকীয়া Respirable Dust Sampler, যিটোৰ সহায়ত air pollution ক'ত কিমান হয় তাৰ অধ্যয়ন পৰম নিষ্ঠাৰে সৈতে শিক্ষক-ছাত্ৰ-ছাত্ৰীসকলে কৰিছিল। আজি সি কলেজৰ আৱৰ্জনাৰ স্তূপত ঠাই লৈছে। সেই কাৰণেই ভাবোঁ অধ্যক্ষসকলৰ orientation দৰকাৰ।

নৱৈ দশকৰ প্ৰথমাৰ্ধৰ শেষৰফালে ভাৰতবৰ্ষৰ প্ৰখ্যাত বিজ্ঞানী তথা প্ৰযুক্তিবিদ Y S Rajanৰ লগতে ভাব-বিনিময় কৰাৰ এটা সুযোগ লাভ কৰিছিলোঁ। কথাপ্ৰসঙ্গত তেখেতে কৈছিল একবিংশ শতিকাত তিনিটা বিষয়ে গোটেই বিশ্বত খলকনি তুলিব। পৃথিৱীৰ সৰ্বত্ৰ এই তিনিটা বিষয়ক কেন্দ্ৰ কৰি নিয়োগৰ প্ৰচুৰ সম্ভাৱনাই দেখা দিব — নিয়োগৰ আন্তৰ্জাতিক বজাৰত এই তিনিটা বিষয়কেন্দ্ৰিক "স্কীল"ৰ চাহিদা একবিংশ শতিকা জুৰি চলিব। বিষয়কেইটা হ'ল, পৰিৱেশ বিজ্ঞান, স্বাস্থ্য আৰু ইলেক্ট্ৰনিক। একবিংশ শতিকাৰ দ্বিতীয় দশকত পদাৰ্পণ কৰি আমি তাৰ সত্যতা অনুভৱ নকৰাকৈ থকা নাই। নতুন বিষয় নিৰ্বাচন কৰোঁতে সংশ্লিষ্ট কৰ্তৃপক্ষই Y S Rajanৰ কথাষাৰ মন কৰা উচিত হ'ব বুলি আমাৰ ধাৰণা। ভাৰত চৰকাৰৰ TIFACৰ সঞ্চালকালয়ৰ লগত যোগাযোগ কৰিলেও ঈপ্সিত জ্ঞান লাভ কৰিব বুলি আমাৰ বিশ্বাস।

কলেজ বা বিশ্ববিদ্যালয়ৰ শিক্ষকসকলে নিজে নিজৰ প্ৰমাণপত্ৰ দিয়াৰ যোগ্যতা অৰ্জন কৰিছে। কিন্তু নিজে নিজৰ সম্পৰ্কে যদি ভুল তথ্য দিয়ে, তেনে শিক্ষক শিক্ষকতা কৰাৰ কাৰণে অযোগ্য বিবেচিত হোৱা উচিত। আনকথাত তেনে শিক্ষক শিক্ষকতাৰ বৃত্তিৰপৰা নিজেই আঁতৰি যাব লাগে। শিক্ষকৰ কাম-কাজ চোৱাৰ বাবে "নিৰীক্ষণ স্ক'ৱাড" গঠন কৰা বা কৰিবলগীয়া হোৱাটো চৰম দুৰ্ভাগ্যৰ কথা, লজ্জাজনক কথা। শিক্ষকসকলে যিমানেই অধিক সা-সুবিধা গ্ৰহণ কৰিছে, সিমানেই অধিক দায়িত্ব তেখেতসকলৰ ওপৰত পৰিছে। এই কথা সকলো শিক্ষকে বুজা উচিত। শিক্ষা জগতখনত দাবী-ধমকি, শাস্তিমূলক ব্যৱস্থা প্ৰয়োগেৰে শৃঙ্খলা আনিবলৈ চেষ্টা কৰাতকৈ বিশ্বাস আস্থা আৰু সন্মান দিবলৈ আৰু ল'বলৈ শিকাটো অধিক ফলপ্ৰদ বুলি আমাৰ শিক্ষাজীৱনৰ অভিজ্ঞতাই কয়।

---

**গঙ্গাপদ চৌধুৰী নগাঁও ছোৱালী কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক আছিল। পিছত তেওঁ ললিতচন্দ্ৰ ভঁৰালী কলেজৰ অধ্যক্ষৰ পদ অলঙ্কৃত কৰি অৱসৰ গ্ৰহণ কৰে।**



# বিষ্ণুপ্ৰসাদ ৰাভাৰ দৃষ্টিত সমাজ আৰু তাৰ প্ৰাসঙ্গিকতা

প্ৰিয়ম্বদা শইকীয়া বৰা

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই এক বহল দৃষ্টিভঙ্গীৰে আমাৰ সমাজখনক পৰ্যবেক্ষণ কৰিছিল। প্ৰাচুৰ্যৰ মাজত জন্মলাভ কৰিও সাধাৰণ মানুহৰ জীৱন পৰিক্ৰমাত দৃষ্টি নিবদ্ধ কৰি, তাৰ আমূল পৰিৱৰ্তন কৰিবলৈ বিচাৰিছিল। সমাজখনক নিকাৰূপত চাবলৈ বিষ্ণুৰাভাই আপ্ৰাণ চেষ্টা চলাইছিল। সত্যক প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে সন্মুখীন হোৱা লাঞ্ছনা-গঞ্জনাক নেওচি আগবাঢ়ি যাবলৈ ৰাভাই অকণো কুণ্ঠাবোধ কৰা নাছিল। আজিও তেওঁৰ সপোন বাস্তৱায়িত হৈছে বুলি আমি ক'ব নোৱাৰোঁ। তেনে এক চিন্তাক আগস্থান দিয়েই আজি ক'ব খুজিছোঁ—. বিষ্ণুৰাভা, তোমাক আজি বৰকৈ প্ৰয়োজন হৈছে, আমাৰ দৃষ্টি প্ৰসাৰিত কৰিবলৈ, এখন নতুন সমাজ সৃষ্টি কৰিবলৈ, তুমি নহ'লে নহ'ব। কলাগুৰুক লৈ ৰাভা-দিৱস উলহ-মালহেৰে পতাতে আমাৰ দায়িত্ব শেষ নহয়। ৰাভাদেৱে কুৰি শতিকাৰ প্ৰাৰম্ভতে যিখন সমাজ দেখিছিল, য'ত উমলি-জামলি ডাঙৰ-দীঘল হৈছিল সেইখন সমাজক এটা পৰিশুদ্ধ ৰূপত চাবলৈ যেন বৰ আগ্ৰহী আছিল। বিশেষকৈ ইংৰাজ শাসনৰ অধীনত অসম কিয়, সমগ্ৰ ভাৰতবাসী এনে এক পৰিৱেশ-পৰিস্থিতিৰ মুখামুখী হ'বলগা হৈছিল তাৰপৰা পৰিত্ৰাণ পাবলৈ যেন ভাৰতবাসী উদগ্ৰীৱ হৈ পৰিছিল। মুক্ত সমাজ, মুক্ত পৃথিৱী এখন গঢ়াহে যেন ৰাভাৰ লক্ষ্য আছিল। তুচ্ছতা-ক্ষুদ্ৰতাৰ স্থান তেওঁৰ মানসিকতাত নাছিল। তেওঁ অসমীয়া জাতীয়তাবাদৰ দৃঢ় সমৰ্থক আছিল। অসমীয়া জাতি সম্পৰ্কে তেওঁ এক বহল দৃষ্টিভঙ্গী লৈ বড়ো, কাৰবি, কছাৰী, খাচী, নগা, মিৰি, মিচিমি, মেচ, সোণোৱাল, লালুং, চুতীয়া, গাৰো, কুকি, চাওতাল, মেচাই, ৰাভা, ডিমাচা, দেউৰী, বড়ো, আহোম, মৰাণ, কোচ, কলিতা, ব্ৰাহ্মণ, কায়স্থ, পমুৱা, ন-অসমীয়া সকলো অসমবাসীকে সাঙুৰিছিল। সেইকাৰণে তেওঁ ১৯৬০ চনৰ ভ্ৰাতৃঘাতী আন্দোলনৰ বিৰোধিতা কৰিছিল। অসমৰ তথাকথিত উন্নত জাতিবিলাকৰ লগত অনুন্নত জাতি বিলাককো একে আসনতে বহুৱাবলৈ ৰাভাই তাহানিতে সঁকিয়াই গৈছিল। তেওঁৰ ৰচিত "মিচিং কানেঙ"ত মিৰিয়ে কুঁৱাটো চুলেও চুৱা লাগে" ধৰণৰ কথা প্ৰকাশ পাইছে। এনে তথাকথিত অৱনত জাতিসমূহৰ অন্তৰৰ ভাষা যেন ৰাভাই বুজিবলৈ চেষ্টা কৰিছিল। সেয়ে তেওঁ বড়ো ভাষাৰ পঢ়াশালি পতাতো সমৰ্থন আগবঢ়াইছিল। তেওঁ বড়োসকলক বৃহত্তৰ অসমীয়া সংস্কৃতিৰ লগত একত্ৰিত কৰিবলৈ চেষ্টা কৰি বড়ো ভাষাত অসমীয়া লিপিৰে কেইবাটাও লেখা লিখিছিল আৰু তেওঁ ভাবিছিল এই প্ৰক্ৰিয়াই ভালদৰে অসমীয়া নজনা বড়োসকলক অসমীয়া সংস্কৃতিৰ মাজলৈ সুমুৱাই আনিব। আনহাতে তথাকথিত অৱনত জাতিসমূহৰ বৌদ্ধিক জীৱন বিকশিত কৰাত ই সহায়ক হ'ব। এনে স্পষ্ট প্ৰমাণ আমি ৰাভাদেৱৰ "বানে' কবাং"ৰ লিখনিৰ মাজত দেখিবলৈ পাওঁ। ৰাভাৰ এই বহল দৃষ্টিভঙ্গীৰ চিন্তাধাৰাক কোনে, কিমান অনুধাৱন কৰিব পাৰিব সেই লৈ ৰাভাও সন্দিহান আছিল। "বানে' কবাং" শেষৰ শাৰীটোৱেই তাৰ প্ৰমাণ "কত যে সপোন জাগে, কিমান যে সপোন ভাগে... বাছ চলিয়েই থাকে"। বৰ্ণাঢ্য অসমীয়া সংস্কৃতি বুলি ক'লে বৰ্ণাঢ্য জনগোষ্ঠীৰ সাংস্কৃতিক সমলসমূহক আমি উপেক্ষা কৰিব নোৱাৰোঁ। পিছে ৰাভাৰ সেই সপোন এতিয়া ভাগিছে। বৰ্তমান অসমীয়া সমাজ জীৱনলৈ যি ক্ষয়িষ্ণুতা আহিছে সেয়া মন কৰিবলগীয়া। অসমীয়াৰ জীৱনলৈ নামি অহা এই পৰিস্থিতিৰপৰা উদ্ধাৰ পাবলৈ হ'লে আমি ৰাভাৰ জীৱন সম্পৰ্কে জানিব লাগিব, স্বদেশ প্ৰেম কি তাক অনুধাৱন কৰি আগবাঢ়িব লাগিব। তেওঁ সশস্ত্ৰ সংগ্ৰামত বিশ্বাস কৰি বিপ্লৱত নামি পৰিছিল, কিন্তু নিজেই তেওঁ কৈ গৈছে: "বিপ্লৱ মানে কটা-খোচা নহয়, বিপ্লৱ হৈছে নতুন সলনি। শিপাৰে সৈতে উভলোৱা গছৰ দৰে সকলোকে সলোৱা, পৰিৱৰ্তন কৰা— আমূল পৰিৱৰ্তন।"

ৰাভাদেৱে মাটি-পানী-বোকাৰ লগত জড়িত হৈ থকা কৃষ্টি শব্দক যেন বাৰুকৈয়ে অনুভৱ কৰিব পাৰিছিল। জনজীৱনৰ আৱেগ-অনুভূতি অভিজ্ঞতা আদি জড়িত হৈ আছে কৃষ্টিৰ লগত। সংস্কৃতি আহিছে কৃষ্টিৰপৰাই। সমাজ-জীৱনৰ ভিত্তিতে সামাজিক ৰীতি-নীতিয়ে জন্ম লয়। আনহাতে সমাজৰ অৰ্থনীতি আৰু ৰাজনীতিয়ে কৃষ্টি-সংস্কৃতি সৃষ্টিত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে আৰু কৃষ্টি-সংস্কৃতিয়ে সৃষ্টি কৰে সামাজিক মূল্যবোধৰ। সংস্কৃতিৰ মাজেদি মানুহৰ আশা-আকাঙ্ক্ষা, সুখ-দুখ, প্ৰেম-আনন্দ আদিৰ প্ৰকাশ ঘটে। পিছে সমাজত থকা শাসক শ্ৰেণীৰ প্ৰভূত্বৰ বাবে কেতিয়াবা সংস্কৃতিৰ পৰিৱৰ্তন সাধনৰ পৰিপ্ৰেক্ষিতত বিপ্লৱ কৰিবলগীয়া হয়। বিষ্ণুৰাভা এনে এজন সৃষ্টিকামী বিপ্লৱীহে আছিল। তেওঁৰ জীৱনলৈ লক্ষ্য কৰিলেই দেখা যায় যে জাতীয়তাবাদৰ

টোৱে তেওঁৰ জীৱন বিধৌত কৰিছিল। এনে সময়তে তেওঁ শঙ্কৰী সংস্কৃতিৰ প্ৰতিও শ্ৰদ্ধাশীল হৈ অসমীয়া থলুৱা গীত-মাত, নৃত্য আদিৰ উৎকৰ্ষ সাধনৰ বাবে দেহে-কেহে লাগিছিল। অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ যি মহান অৱদান তাক ৰাভাদেৱে শ্ৰদ্ধাৰে অনুধাৱন কৰিছিল। ৰাভাদেৱ আছিল জ্যোতিপ্ৰসাদৰ দৰেই স্বদেশপ্ৰেমী, উদাৰনৈতিক জাতিয়তাবাদী ধাৰাৰ প্ৰতি আকৃষ্ট। জ্যোতিপ্ৰসাদ আছিল নিপীড়িত সাধাৰণ মানুহৰ স্বাৰ্থ ৰক্ষাৰ সদাজাগ্ৰত মহানায়ক। ৰাভাদেৱো এইক্ষেত্ৰত কোনোগুণে কম আছিল বুলি আমি ক'ব নোৱাৰোঁ।

উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত থাকি তেওঁলোকৰ সাংস্কৃতিক সমলবোৰৰ লগত পৰিচিত হৈ নতুন দৃষ্টিভঙ্গীৰে অসমীয়া জাতিগঠনৰ প্ৰক্ৰিয়াক বিশ্লেষণ কৰিবলৈ ৰাভাই চেষ্টা কৰিছিল। ৰাভাৰ ৰচনাৰাজি "অসমীয়া কৃষ্টি, অতীত অসম, আলি আই লিগাং, বাচন' কবাং আদিত জনগোষ্ঠীসমূহৰ আশা-আকাঙ্ক্ষাক প্ৰকাশ কৰিছে। অসমীয়া সমাজৰ যি উচ্চবৰ্ণগন্ধী প্ৰৱণতা, যি জাত্যাভিমান, তাৰ স্বৰূপ দাঙি ধৰি তাৰ বিৰুদ্ধে বিক্ষোভ কৰাৰ দৃশ্য ৰাভাৰ ৰচনাত প্ৰকট। জাত্যাভিমানে জনগোষ্ঠীসমূহৰ কি ক্ষতি সাধিব পাৰে তাক ৰাভাই তাহানিতে লিপিবদ্ধ কৰি গৈছে। ৰাভাৰ চিন্তাৰাজিৰ সকলোখিনি শুদ্ধ বুলিব নোৱাৰি যদিও আজিৰ পৰিস্থিতিত তেওঁৰ দৃষ্টিভঙ্গী সঠিক আছিল বুলিবই পাৰি। ৰাভাই স্বাধীনতা লাভৰ আকাঙ্ক্ষাত মানুহৰ মাজে মাজে ঘূৰি ফুৰি ভাৰতৰ স্বাধীনতাক "য়ে আজাদী ঝুথা হ্যায়" বুলি হাজাৰ হাজাৰ কৃষকক জাগ্ৰত কৰি সমৱেত কৰাইছিল। ভাৰতৰ ৰাজনৈতিক ইতিহাসত এইটো এক স্বতন্ত্ৰ বৈশিষ্ট্য সম্পন্ন ধাৰা।

যাযাবৰী বিষ্ণুৰাভাই যিমানবিলাক সৃষ্টি কৰি গৈছে সেই সকলোখিনিৰ মাজেদি অসমীয়া কৃষ্টি, ভাষা তথা সমাজ সম্পৰ্কীয় গৱেষণামূলক কামৰ যেন পাতনি মেলি থৈ গৈছে। এইজনা শিল্পীৰ অন্তৰালত লুকাই থকা বিপ্লৱী মনে প্ৰধানকৈ ইংৰাজৰ ৰাইজ-বিৰোধী ষড়যন্ত্ৰৰ বিৰুদ্ধে থিয় দিবলৈ বিচাৰিছিল। ৰাভাৰ মতে "ৰাইজেই গণদেৱতা"। গণদেৱতাৰ সেৱকজনে এহাতে কৃষ্টিৰ পূজা কৰিছিল আৰু আনহাতে সশস্ত্ৰ সংগ্ৰামো চলাই গৈছিল। ৰাভাৰ এই ধাৰণাটোৰ লগত জ্যোতিপ্ৰসাদৰ গণমুখী ধাৰাটোৰ যথেষ্ট মিল দেখা যায়। এফালে শোষণমুক্তিৰ সংগ্ৰাম আৰু আনফালে সমন্বয় ৰক্ষাৰ সংগ্ৰাম। ৰাভাই ৰাইজৰ মঙ্গলৰ বাবে ৰাইজৰ উন্নতিৰ বাবে জীৱন উছৰ্গা কৰিছিল। এজন কৃতী ছাত্ৰ হৈয়ো শিক্ষকজীৱনক জলাঞ্জলি দি অসমৰ মানুহৰ স্বাধীনতা আনিবলৈ আগবাঢ়ি আহিছিল। তেওঁ মৃত্যুভয়ক নেওচা দি হেজাৰ কণ্টক সাবটি লৈ সংগ্ৰাম কৰিছিল দৰিদ্ৰ জনতাৰ মুক্তিৰ বাবে। কাৰণ ব্ৰিটিছ পুঁজিপতিসকলৰ শোষণৰপৰা পোৱা যন্ত্ৰণাৰ যেন স্বাধীনতাৰ পিছতো অন্ত নপৰিল। সেয়েহে ৰাভাই তেওঁৰ ৰচনাত লিখিছিল— "ইংৰাজ গ'ল, ধনৰাজ আহিল"। অসমীয়া ধনীক শ্ৰেণীটোৱে নিজ স্বাৰ্থৰ পিছে পিছে দৌৰিছিল। জনজাতীয়সকলৰ ওপৰতো তেওঁলোকৰ নিষ্পেষণৰ প্ৰভাৱ পৰিছিল। ৰাভাই খাটিখোৱা অসমীয়াৰ হৃদয়ৰ সংবাদ শুনিবলৈ পাইছিল।

স্বাধীনতা সংগ্ৰামেৰে যেতিয়া মুক জনতা সাৰ পাই উঠিছিল তেতিয়াই ৰাভাই বিদ্ৰোহ কৰিবলৈ আগবাঢ়ি আহিল। ১৯৪২ চনৰ অহিংস গণবিপ্লৱৰ যি ঢৌ উঠিছিল তাক সমৰ্থন কৰিও একশ্ৰেণীৰ শঠ, দুৰ্নীতিপৰায়ণ লোকৰ কাৰ্যক প্ৰতিবাদ জনাবলৈ কুণ্ঠাবোধ নকৰি সশস্ত্ৰ সংগ্ৰামত লিপ্ত হৈছিল। ৰাভা বিশাল মানৱতাবোধৰ অধিকাৰী আছিল বাবেই মাক্সবাদ, লেলিনবাদৰ মতাদৰ্শৰ সান্নিধ্যলৈ আহি ভাৰতত কমিউনিষ্ট আন্দোলনত প্ৰত্যক্ষভাৱে জপিয়াই পৰে ১৯৪৫ চনত। তেওঁ সাহিত্য সৃষ্টি কৰিছিল শ্ৰদ্ধাৰ জনতাক বিপ্লৱৰ মন্ত্ৰ শিকাবৰ বাবেহে। তেওঁৰ মতে "জনতা অফুৰন্ত কলাশিল্পৰ ভঁৰাল।" "সোণপাহি" নামৰ গল্পটোত সমাজৰ মানুহৰ সঁচা ছবি এখন দাঙি ধৰিবলৈ চেষ্টা কৰিছিল। বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগদান কৰি কৃষক আন্দোলনৰ পৰিচালনাৰ দায়িত্বও তেওঁৰ হাতত পৰে। কামৰূপত ৫০ হাজাৰ কৃষকক সমৱেত কৰি কৃষ্টি সভাত তেওঁ সভাপতিত্ব কৰে। কৃষকক জাগ্ৰত কৰি তেওঁ যি গীত গালে সি আজিও অসমৰ চুকে-কোণে নিনাদিত হৈ আছে:

"বল বল বল বল কৃষক শক্তি দল

অ' বনুৱা অসমীয়া আগবাঢ়ি যাওঁ ব'ল।"

শাসকপক্ষই ৰাজনৈতিক পথাৰখনত যি "Divide and Rule Policy" গ্ৰহণ কৰিছিল ৰাভাদেৱে তাৰ বিৰোধিতা কৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু ভাৰতীয় মুছলিম লীগৰ লগত গৱৰ্ণৰ জেনেৰেলে অখণ্ড ভাৰতৰপৰা যি দ্বিখণ্ডিত ভাৰতৰ প্ৰস্তাৱ তুলিলে তাক সৰ্বান্তঃকৰণেৰে মানি ললে যদিও আজিকোপতি অৰ্থনৈতিক স্বাধীনতা লাভ কৰিব নোৱাৰিলে। বিশ্ব-বেংক, আন্তৰ্জাতিক মুদ্ৰানিধি, বহুজাতিক নিগম, বিশ্ব বাণিজ্য সঙ্ঘ আদি সাম্ৰাজ্যবাদী শোষণৰপৰা ভাৰতে অৰ্থনৈতিক সাৰ্বভৌমত্ব আজিও লাভ কৰা নাই।

সমসাময়িক সমাজখনত নাৰীজাতিক অন্ধকাৰত ডুবাই ৰখা কথাটো ৰাভাই ভাল পোৱা নাছিল। তেওঁ এঠাইত লিখিছিল: "ধৰ্মই কয় নাৰী জাতিৰ বিশ্বাস নাই। সমাজে কয় নাৰীক সদায় বশ কৰি থ'বা। ৰাজনীতিৰ মতে নাৰীয়ে কেৱল কাৰখানাত কুলিয়নী হ'বলৈহে স্বাধীনতা পায়।" এনেদৰে ব্যক্ত কৰা কথাখিনিত সমাজ ব্যৱস্থাটোৰ প্ৰতি ৰাভাৰ বিদ্ৰোহেই প্ৰকাশ পাইছে। এইখিনিতে নাৰীমুক্তিৰ কথাটোও যেন আছে এনে অনুভৱ হয়।



বিষ্ণুৰাভাই সাধাৰণ জনতাৰ শোষণ মুক্তিৰ আশা বুকুত বান্ধি বাওঁপন্থীৰ গণমুখী মতাদৰ্শক আঁকোৱালি লৈ শাসকৰ দমনৰ হাত সাৰিবলৈকে ১৯৪৮ চনৰপৰা ১৯৫২ চনলৈকে আত্মগোপন কৰিবলগীয়া হৈছিল। ১৯৬২ চনৰ আন্দোলনত তেজপুৰত পুলিচে গ্ৰেপ্তাৰ কৰি কঁকালত বান্ধি ৰাজআলিয়েদি চোঁচৰাই নিছিল জেললৈ। পিছে এতিয়া এইজন লোক দিনে দিনে কিমান জীৱন্ত হ'বলৈ লৈছে, অসমীয়াৰ হিয়া কেনেকৈ আন্দোলিক কৰিছে তাক দোহৰাৰ প্ৰয়োজন নাই। তেনেদৰে মৃত্যুৰ পিছত অধিক জীৱন্ত হৈ পৰা গণশিল্পী আছিল অসম বুকুৰ সন্তান ৰূপান্তৰৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা। "জনামতে ১৯৫১ চনৰ ১৭ জানুৱাৰীত জ্যোতিপ্ৰসাদৰ মৃত্যু হওঁতেও কিন্তু অসমৰ কাকতত বেছিকৈ ছপা হোৱা নাছিল এই সংবাদ। ১৯৫৩ চনতহে প্ৰথম স্মৃতি দিৱস হিচাপে ১৭ জানুৱাৰী পাতিবলৈ উদ্যোগ লয় ভূপেন হাজৰিকা, হেমাঙ্গ বিশ্বাস আৰু দিলীপ শৰ্মা আদিয়ে।" এতিয়া ২০ জুনত ৰাভাদিৱস আৰু ১৭ জানুৱাৰীত শিল্পী দিৱস পতা হয় ৰজাঘৰ-প্ৰজাঘৰ সকলোতে। জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদৰ সংগ্ৰামী জীৱনৰ প্ৰাসঙ্গিকতা সদায় থাকিব। জ্যোতিপ্ৰসাদৰ মৃত্যুৰ পিছতে ১৯৬৯ চনলৈকে সেই ধাৰাটোক কঢ়িয়াই লৈ ফুৰিছিল বিষ্ণুৰাভাই আৰু ১৯৬৯ চনত ৰাভাৰ মৃত্যু হোৱাৰপৰা সৌ সিদিনা ২০১১ চনৰ ৫ নৱেম্বৰত শেষ নিঃশ্বাস পেলোৱালৈকে এই ধাৰাটোৰ বাহক আছিল সুধাকণ্ঠী ড° ভূপেন হাজৰিকা। বিষ্ণুৰাভাৰ যি সাংস্কৃতিক দৃষ্টিভঙ্গী তাক তেওঁৰ জীৱন দৰ্শনৰপৰা বিচ্ছিন্ন কৰিব নোৱাৰি। বিষ্ণুৰাভাৰ সপোন সপোন হৈয়ে ৰ'ল। ৰাভাৰ জীৱনৰ এই শিক্ষা আজিকোপতি আমি ভালদৰে ল'ব পৰা নাই। প্ৰকৃততে ৰাভাৰ সংগ্ৰামে ধাৰাবাহিকতা হেৰুৱালে "উপযুক্ত অধ্যয়ন, ধৈৰ্যশীল সংগঠন, বিচক্ষণ সংগ্ৰামৰ অভাৱত।" আজিৰ দুৰ্নীতিগ্ৰস্ততাইও তাৰেই পৰিচয় বহন কৰিছে।

এই প্ৰসঙ্গত হোমেন বৰগোহাঞিয়ে কোৱা এষাৰ কথা প্ৰণিধানযোগ্য: "সম্প্ৰতি বিষ্ণুৰাভাৰ বিষয়ে চাৰিওফালে যি ব্যাপক আগ্ৰহ দেখা দিছে সেই আগ্ৰহ স্থায়ী হোৱাৰ কোনো সম্ভাৱনা নাই, কাৰণ এই আগ্ৰহৰ মূল প্ৰেৰণা হ'ল প্ৰতিভাৰ প্ৰতি সহজাত আকৰ্ষণ নহয়, সি হ'ল অসমীয়া মানুহৰ মজ্জাগত আৱেগ বিহ্বলতা।"

অৱশ্যে তেখেতে এইটোও মানি লৈছে যে আৱেগক মানুহে কেতিয়াও স্থায়ীভাৱে ধাৰণ কৰিব নোৱাৰে। বিষ্ণুৰাভাৰ বিৰাট প্ৰতিভাক স্বীকৃতি দি তেওঁৰ জীৱন কালতেই ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই কবিতা লিখিলে: "বিষ্ণুৰাভা এতিয়া কিমান ৰাতি।"

সুন্দৰৰ সাধনাই সংস্কৃতি। ৰাভাৰ জীৱনৰ লক্ষ্যই আছিল ভেদাভেদহীন সুস্থ, সবল এখন অসমীয়া সমাজ গঠন কৰা। এইজনা মহাপুৰুষৰ মহাপ্ৰয়াণৰ পাছত অসমত জাতি-জনগোষ্ঠীৰ মাজত অনাকাংক্ষিতভাৱে গঢ় লৈ উঠা সঙ্ঘাত, সংঘৰ্ষ, অপ্ৰীতিকৰ পৰিস্থিতিৰ অৱসান ঘটাবলৈ আজি যেন বিষ্ণুপ্ৰসাদ ৰাভাৰ অভাৱ পলে পলে অনুভৱ হয়। তেজপুৰত এবাৰ ভাষণত তেওঁ কৈছিল: "বিধাতাৰ আশীৰ্বাদত মই শিল্পী হোৱা নাই— ৰাইজৰ আশিসত মই শিল্পী হৈছোঁ।"

জনতাৰ ওপৰত তেওঁৰ ইমানেই গভীৰ আস্থা আৰু বিশ্বাস আছিল। তেওঁৰ ব্যক্তিত্ব, সাহস, সততা আৰু ত্যাগ সকলোৰে বাবে আদৰ্শনীয় বুলি ক'বই লাগিব। আজিৰ তাৰিখত ৰাভাৰ সমন্বয়মুখী ধাৰাটো ত্যাগ কৰি বহুতেই ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীৰ মাজত যি বিভাজনৰ সেতু ৰচনা কৰিছে সেই পটভূমিত বিষ্ণুৰাভাৰ অৱদানসমূহৰ সম্যক অধ্যয়নৰ প্ৰয়োজন আছে।

---

প্ৰিয়ম্বদা শইকীয়া বৰা নগাঁও গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ মুৰব্বী তথা সহযোগী অধ্যাপিকা।

# নাৰী সুৰক্ষা আৰু আইন

হিমাদ্ৰী শইকীয়া

"এজন ল'ৰাক শিক্ষা দিয়া মানে এজন
পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী
ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা
পৰিয়ালক শিক্ষিত কৰি তোলা।"

— *জৱাহৰলাল নেহৰু*

এগৰাকী নাৰীয়ে সমাজত বিভিন্ন সময়ত নিজকে বিভিন্ন ৰূপত প্ৰতিষ্ঠা কৰে। নাৰী এগৰাকীক মাতৃ, ভগ্নী, জী আৰু পত্নীৰ ৰূপত পোৱা যায়। জীৱনৰ প্ৰত্যেক ক্ষেত্ৰত এগৰাকী নাৰীয়ে ত্যাগ কৰিবলগা হয়। এই একবিংশ শতাব্দীতো নাৰীৰ মৰ্যাদা, অধিকাৰ আদি বিষয়বোৰক লৈ নাৰীসমাজ সচেতন নহয়। যদিও নাৰীৰ সুৰক্ষাৰ কাৰণে সংবিধান আৰু বিভিন্ন আইন আছে তথাপি নাৰীয়ে প্ৰাপ্য অধিকাৰ ভোগ কৰাৰপৰা বঞ্চিত হৈ আছে। ইয়াৰ প্ৰধান কাৰণ হৈছে নাৰীশিক্ষাৰ অভাৱ; লগতে নাৰী সুৰক্ষাৰ বাবে থকা আইনবোৰৰ প্ৰতি সজাগতাৰ অভাৱ।

নাৰী সুৰক্ষা আৰু উন্নতিৰ বিষয়টো ভাৰতীয় সংবিধানত উল্লেখ আছে। অনুচ্ছেদ নং ১৪ৰ পৰা ১৮লৈকে সমতাৰ অধিকাৰৰ কথা উল্লেখ কৰিছে। ১৯৬৭ চনৰ ৭ নৱেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই এখন প্ৰতিবেদনত উল্লেখ কৰিছিল যে এখন দেশৰ উন্নতিৰ বাবে, বিশ্বৰ কল্যাণৰ বাবে আৰু শান্তি সমৃদ্ধিৰ বাবে প্ৰত্যেক ক্ষেত্ৰত নাৰী-পুৰুষ সকলোকে সমান বুলি গণ্য কৰিব লাগিব। নাৰী সুৰক্ষাৰ বাবে থকা বিভিন্ন আইনসমূহৰ বিষয়ে থোৰতে উল্লেখ কৰা হ'ল—

ডাউৰি প্ৰ'হিবিচন এক্ট ১৯৬১ অৰ্থাৎ ১৯৬১ চনৰ যৌতুক নিবোধক আইনৰ উদ্দেশ্য হৈছে যৌতুক প্ৰথা নিষিদ্ধ কৰা। আইন ৩ (১) ধাৰা অনুযায়ী যিসকল ব্যক্তিয়ে যৌতুক দিয়ে আৰু লয় নাইবা যৌতুক লোৱা বা দিয়াৰ ক্ষেত্ৰত উৎসাহ যোগায়, সেইসকল লোকক ৫ বছৰৰ কাৰাদণ্ড আৰু ১৫,০০০ টকা জৰিমনা নাইবা যৌতুকৰ মূল্য যিটোৱেই বেছি হয় সেইটোকেই শাস্তি হিচাপে দিয়া হয়। ৪ নং ধাৰা অনুসৰি যিসকল ব্যক্তিয়ে প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে দৰা বা কইনাৰ মাক-দেউতাক বা আত্মীয়ৰপৰা যৌতুক দাবী কৰে সেইসকল ব্যক্তিক অতি কমেও ৬ মাহৰ কাৰাদণ্ড দিয়া হয় আৰু এই শাস্তিৰ পৰিমাণ জৰিমনাৰ সৈতে ২ বছৰলৈ বৃদ্ধি কৰিব পাৰি।

মেটাৰ্নিটি বেনিফিট এক্ট ১৯৬১ৰ জৰিয়তে কৰ্মৰত গৰ্ভৱতী মহিলাসকলক কিছু সুবিধা দিয়া হৈছে। এগৰাকী গৰ্ভৱতী মহিলাক দৰমহাৰে সৈতে ৩ মাহৰ ছুটী দিয়া হয়। কিন্তু এই আইনখন সংশোধন কৰি বৰ্তমান ছুটীৰ ম্যাদ ছমাহলৈ বৃদ্ধি কৰা হৈছে।

১৯৫৬ চনৰ হিন্দু এডপ্‌চন এণ্ড মেনটেনাঞ্চ এক্টৰ অধীনত এগৰাকী হিন্দু বিবাহিতা মহিলাই ভৰণ-পোষণ দাবী কৰিব পাৰে। এগৰাকী বিবাহিত হিন্দু মহিলাই তেওঁৰ স্বামীৰপৰা ভৰণ-পোষণ আৰু পৃথক বাসগৃহৰ দাবী কৰিব পাৰে। তাৰ কাৰণে তলৰ এক বা একাধিক কাৰণ প্ৰমাণিত হ'ব লাগিব:

(ক) কোনো কাৰণ নোহোৱাকৈ স্বামী পলাই গ'লে।
(খ) স্বামীয়ে পত্নীগৰাকীক শাস্তি দিলে।
(গ) স্বামীয়ে অন্য পত্নীৰে সৈতে বাস কৰিলে।
(ঘ) স্বামী কুষ্ঠ ৰোগত আক্ৰান্ত হ'লে।
(ঙ) স্বামীয়ে অবিবাহিতা নাৰী ৰাখিলে।
(চ) স্বামীয়ে বেলেগ ধৰ্ম গ্ৰহণ কৰিলে।

যদি এগৰাকী পত্নীয়ে অন্য ধৰ্ম গ্ৰহণ কৰে অথবা বিয়া হয় তেন্তে তেওঁ স্বামীৰপৰা ভৰণ-পোষণ দাবী কৰিব নোৱাৰে।



ইয়াৰ উপৰি কোড অৱ ক্ৰিমিনেল প্ৰচিডিয়াৰৰ ১২৫ নং ধাৰাৰ অধীনত এগৰাকী বিবাহিত মহিলাই স্বামীৰপৰা ভৰণ-পোষণ দাবী কৰিব পাৰে যদিহে মহিলাগৰাকী পুনৰ বিয়া নহয় আৰু কোনো কাৰণ নোহোৱাকৈ স্বামীক এৰি নাযায়।

২০০৫ চনৰ ডোমেষ্টিক ভায়োলেন্স এক্ট বা গাৰ্হস্থ হিংসা আইনমতে যদিহে এগৰাকী মহিলাক শাৰীৰিক আৰু মানসিকভাৱে শাস্তি দিয়া হয়, অত্যাচাৰ কৰা হয়, যৌতুক দাবী কৰা হয় তেন্তে এই আইনখনৰ অধীনত দোষী ব্যক্তিজনক শাস্তি দিয়া হয়। যদি কোনো মহিলাক কৰ্মক্ষেত্ৰত নাইবা ঘৰত শাৰীৰিক বা মানসিকভাৱে কষ্ট দিয়া হয়, অশালীন ব্যৱহাৰ নাইবা অশালীন মন্তব্য দিয়া হয় তেন্তে মহিলাগৰাকীয়ে ৪৯৮ (এ) ধাৰাৰ অধীনত আদালতত বিচাৰ প্ৰাৰ্থী হ'ব পাৰে।

মুছলিম উইমেন (প্ৰোটেকচন অৱ ৰাইট অন ডিভোৰ্চ) এক্ট ১৯৮৬ মতে এগৰাকী মুছলিম বিবাহিতা নাৰীয়ে বিবাহ-বিচ্ছেদৰ পিছত তেওঁৰ স্বামীৰপৰা ভৰণ-পোষণৰ দাবী কৰিব পাৰে যদিহে তেওঁ আৰ্থিকভাৱে স্বচ্ছল নহয় আৰু পুনৰ বিয়া নহয়। মহম্মদ আহমেদ খান বনাম ছাহ বানু বেগম গোচৰত মাননীয় উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে মহম্মদ আহমেদ খানে তেওঁৰ বিচ্ছেদিত পত্নীক ভৰণ-পোষণ দিব লাগিব। মহম্মদ আহমেদ খানে যুক্তি দিছিল যিহেতু নিকাহৰ সময়ত তেওঁ মোহৰানা দিছিল গতিকে তেওঁ ভৰণ-পোষণ নিদিয়ে। কিন্তু মাননীয় উচ্চতম ন্যায়ালয়ে তেওঁৰ যুক্তি খাৰিজ কৰি ৰায় দিছিল যে ক্ৰিমিনেল পেনাল কোডৰ ১২৫ ধাৰা অনুযায়ী প্ৰত্যেক গৰাকী নাৰীয়ে বিবাহ-বিচ্ছেদৰ পাছত স্বামীৰপৰা ভৰণ-পোষণ দাবী কৰিব পাৰিব। শেষত মুছলিম নাৰীৰ বিবাহ-বিচ্ছেদৰ পাছত অধিকাৰ সুৰক্ষিত কৰিবৰ কাৰণে মুছলিম উইমেন (প্ৰেৰ্টেকচন অৱ ৰাইট ন ডিভোৰ্চ) এক্ট ১৯৮৬ প্ৰণীত হ'ল।

ভাৰতীয় দণ্ডবিধি আইনৰ বিভিন্ন ধাৰাসমূহ: ভাৰতীয় দণ্ডবিধিৰ ৪৯৩ নং ধাৰামতে যদি কোনো পুৰুষে প্ৰৱঞ্চনা কৰি বা ভুৱা দি মহিলাগৰাকীক তেওঁৰ বৈধ পত্নী বুলি বিশ্বাস দি তেওঁৰ লগত সহবাস কৰে তেন্তে সেই পুৰুষজনক ১০ বছৰলৈকে কাৰাবাস আৰু জৰিমনা বিহা হয়।

৪৯৪ নং ধাৰামতে যদি এগৰাকী বিবাহিত পুৰুষে তেওঁৰ প্ৰথমা পত্নী জীৱিত অৱস্থাত থকা সত্বেও অন্য এগৰাকী মহিলাক বিয়া কৰায় তেন্তে তেওঁক ৭ বছৰলৈকে কাৰাবাস আৰু জৰিমনা বিহা হয়।

৪৯৫ নং ধাৰামতে যদি এগৰাকী বিবাহিত পুৰুষে তেওঁৰ প্ৰথম বিবাহৰ কথা লুকুৱাই ৰাখি অন্য এগৰাকী মহিলাক বিয়া কৰায় তেন্তে তেওঁক ১০ বছৰলৈকে কাৰাবাস আৰু জৰিমনা বিহা হয়।

৪৯৮ (এ) ধাৰামতে যদি এগৰাকী স্বামী অথবা তেওঁৰ পৰিয়ালে এগৰাকী মহিলাক মাৰপিট কৰে, শাৰীৰিক আৰু মানসিক শাস্তি দিয়ে, মহিলাগৰাকীক আত্মহত্যা কৰিবলৈ বাধ্য কৰে অথবা সম্পত্তি দাবী কৰে তেন্তে সেই ব্যক্তিজনক ৩ বছৰৰ কাৰাবাস আৰু জৰিমনা বিহা হয়।

৩০৪ (বি) ধাৰামতে যদি এগৰাকী স্বামী অথবা তেওঁৰ পৰিয়ালে মহিলাগৰাকীক যৌতুক বিচাৰি শাৰীৰিক বা মানসিক শাস্তি দিয়ে অথবা মহিলাগৰাকীক হত্যা কৰে তেন্তে সেই ব্যক্তিজনক ৭ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহা হয়।

৪৯৭ নং ধাৰামতে যদি এগৰাকী বিবাহিত পুৰুষে অন্য এগৰাকী বিবাহিতা মহিলাৰ লগত সহবাস কৰে তেন্তে তেওঁক ২ বছৰলৈ কাৰাদণ্ড বা জৰিমনা বা দুয়োটাই বিহা হয়।

৩৫৪ নং ধাৰামতে যদি এজন পুৰুষে এগৰাকী মহিলাক মাৰপিট কৰে বা অশালীন মন্তব্য দি সন্মান হানি কৰে তেন্তে তেওঁক ২ বছৰলৈকে কাৰাদণ্ড বা জৰিমনা বা দুয়োটা বিহা হয়।

৩৭৬ নং ধাৰামতে যদি এজন পুৰুষে এগৰাকী নাৰীক বলাৎকাৰ কৰে তেওঁক ৭ বছৰলৈ সশ্ৰম কাৰাদণ্ড অথবা আজীৱন কাৰাদণ্ড আৰু জৰিমনা বিহা হয়।

৩৭৬ (বি) নং ধাৰামতে যদি এজন প্ৰশাসনিক বিষয়াই তেওঁৰ জিম্মাত থকা এগৰাকী মহিলাক বলাৎকাৰ কৰে তেওঁক ৫ বছৰলৈকে কাৰাদণ্ড আৰু জৰিমনা বিহা হয়।

ফ্ৰান্সৰ সম্ৰাট নেপোলিয়ন বোনাপাৰ্টে কৈছিল মোক এগৰাকী সুশিক্ষিত নাৰী দিয়া তাৰ বিনিময়ত মই এটা সুন্দৰ জাতি উপহাৰ দিম। এগৰাকী নাৰীক যদি সমাজত মৰ্যাদা দিয়া হয় তেন্তে সেই নাৰীগৰাকীয়ে সমাজ গঠনত অৰিহণা যোগাব। গতিকে নাৰীক শোষণৰপৰা মুক্ত কৰিব লাগিব। এই ক্ষেত্ৰত নাৰীসকলেও তেওঁলোকৰ অধিকাৰৰ বিষয়ে সচেতন হৈ সমাজত সকলো দিশতে আগবাঢ়ি যাব লাগিব।

---

**হিমাদ্ৰী শইকীয়া নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী।**

# Freedeom at Midnight— Re-Reading the great Indian gendered divide

Dr Jonali Sharma

The partition of India into separate geographical identities, India and Pakistan , entailed a series of violence which was beyond the imagination and anticipation of anyone .The partition was not agreed to; it was rather imposed upon. With the breakdown of civil authority the communal bitterness that was earlier simmering beneath, now surfaced, and Hindus and Muslims and Sikhs were egged on with resolution to fight. The partition polarized religions and communities and with surprisingly unbelievable rancour a people living within shared spaces and intimacies delved into unprecedented violence and aggression against producing one of the 'most cataclysmic events in twentieth century history'. (Hasan : 10)

Within very short spaces of time, people found them dislocated; uprooted from their native places and deprived of their identity and sense of belonging. Identities and subjectivities are shaped by beliefs and narrations that create an overwhelming impact upon minds. We find ourselves similar to somebody else because their experiences are such that we can relate with.Our lives and our place in this world are often marked by a network of meaning and social significance and as Elizabeth Grosz says they become meaningful and functional subjects within social ensembles.(Grosz ,Volatile Bodies pp 117) So millions crossed the borders to be among people whom they could associate with.The oral narratives and memories of the partition era which can be read as counterhistories to predominantly historical narratives (which attempt to justify the violence through the reification of largely masculine tropes of the war narrative) embody in them a symbiotic relationship of love and hate, of anger and grievance and a deep sense of loss which comes from the realization that the present invariably flows from their common past. It is a past that cannot really be dated . The patchy covers of diplomacy have failed to disguise the hostile legacy. The lived experiences of many who endured the gross indignity still perpetuate feelings of antagonism and distrust. The victims embody the experiences of living the times because it is through their bodies that they remember the abuse they went through. These are experiences felt so intensely that they relive them involuntarily. According to Edward Casey, the body becomes a 'memorial container' that hold bitter sweet memories. The partition of India into India and Pakistan symbolized for many a division of a politically defined enclosure but in reality it embodied a rupture in the domains of faith, trust and security

In this paper I want to explore specific questions of gender and sexuality in relation to this great divide. It must be remembered that almost half of the millions that were killed, dislocated and uprooted were women. The question that haunts is why women were subjected to indignity and inhuman torture under the notions of nationhood and sanctity of religion. Assigning them the duty of preserving community and racial honour, and perceived in this predominantly masculine endeavour of restoring nationhood. they were made victims of patriarchal circumstances and patriarchal wills. The woman's body signified the nation that had to be defended or possessed. It also was an extension of the idea of asserting manly honour and pride. Such notions insisted that possessing a woman of another religion or even assaulting



and impregnating her was an issue of contention for the warring sides. The partition was not simply the creation of a separate homeland for a religious minority group. Symbolically for the Indians it was a dismembering of Bharatmata—the mother , and a violation of her body.Urvashi Butalia refers to a picture in the *Organiser* which depicted a woman's body mapping the territory of India with Nehru cutting off an arm which represented Pakistan. Sectarian political strategies enabled this sacrifice but surely the women can never be similarly given up. The men took to violence to avenge this loss. But the women were vulnerable. They belonged to the interiors. They were not involved in the fragmenting of nations and division of borders. What part do they play in this construction of nationhood, assertion of identities and location of political spaces? It is indeed ironical that these women who were to be protected from the aggression of the infidels were only identified by their sexuality and it is this sexuality which the warring communities tried to protect or destroy. This reinforces the conception that the task of preserving community and societal honour lies on the woman. During the partition too, communities of Hindus, Sikhs and Muslims merged in the bodies of their womenfolk. They came to be regarded less as subjects and, more as objectified commodities that are to be either safeguarded or destroyed.

A survivor of the partition violence interviewed by Ritu Menon and Kamala Bhasin, recalls-

In the villages of Head Junu, Hindus threw their young daughters into wells, dug trenches and buried them alive. Some were burnt to death, some were made to touch electric wires to prevent the Muslims from touching them. We heard of such happenings all the time after August 16.

The Muslims used to announce that they would take away our daughters. They would force their way into homes and pick up young girls and women. Ten or twenty of them would enter, tie up the men folk and take the women. We saw many who had been raped and disfigured, their faces and breasts scarred, and then abandoned. They had tooth marks all over them. Their families said "How can we keep them now? Better that they are dead." Many of them were so young—18, 15, 14 years old—what remained of them now? Their 'character' was now spoilt. One had been raped by ten or more men—her father burnt her, refused to take her back. There was one village Makhtampura, where all night they plundered and raped, they dragged away all the young girls who were fleeing in kafilas.No one could do anything—if they did, they would be killed. Everyone was running for their lives. I saw it all—mothers telling their daughters they were ruined, bemoaning their fate, saying it would have been better if they hadn't been born....( Menon and Bhasin:32)

In normal circumstances, the men were expected to save the honour of their women from the infidels. So there are these incredible incidents where fathers and husbands slaughtered their daughters and wives and ended their relationship of trust by becoming safe keepers of their honour. When they failed to do so the women did not allow themselves to be defiled by those whom their men fought against. There are numerous instances when women killed themselves to protect the honour of their communities or of their religion. Such women were regarded martyrs and their sacrifice always glorified. Death was a better choice, if it could be called a choice. Notions of honour were so ingrained in these women that there was not much difference in their submission to willing sacrifices or forced end of their lives. There is this particular incident in the village of Thoa Khalsa where some ninety women of a village jumped into a well to save their honour.

A newspaper report in the *Statesman* reads thus:

The story of 90 women of the little village of Thoa Khalsa , Rawalpindi district... who drowned themselves by jumping into a well during the recent disturbances has stirred the imagination of the people of Punjab . They revived the Rajput tradition of self immolation when their men folk are no longer able to defend them. They also followed Mr. Gandhi's advice to Indian women that in certain circumstances even suicide was morally preferable to submission. (Qtd in Butalia:188 ).

These instances of mass murder and mass suicide prove that women faced threat not only from the others but from the members of their own communities and families. It was a notion internalized by the women that the dangers that loomed at them—the horror of rape and defilement, the threat of conversion – were gross violation of social codes and ethics and hence these acts of immolation were absolutely necessary. So, while the men planned and shaped political revenges in the public spheres, the women congregated in their own private spaces to organise their own deaths. The community and the society at large remembered their sacrifices as heroic acts which further contained women within the strictures of femininity and perpetuated patriarchal directives for maintaining social harmony.Official records and historiographies do not contain any reference of such incidents. These are not acts of violence. Violence was committed by the 'others'— those from outside the community. Gyanendra Pandey observes that a desperate act of self immolation gets transformed into a heroic sacrifice sanctifying the inner domains of the community. On the other hand, violence in the form of revenge gets displaced onto the evilness of the other who inhabited the outside.

Women and their bodies constitute the property of their men and hence violence inflicted on them was tantamount to humiliating the other community and also a sacrilege to their religion. The Hindus, Muslims and the Sikhs fought against each other on the battlefield that was mapped on the bodies of their women. It was a territory to be conquered, possessed and ravished amounting to the dishonour of the 'other'. "We took the women: that was the system" A Hindu village head man of Mewat recalled regarding Hindu aggression in the region between May and November 1947 In a similar vein a Muslim subaltern describing his platoon's mission of destruction said "Whosoever from the Hindus and Sikhs came in front of us, were killed. Not only that, we got them to come out of their houses and ruthlessly killed them and disgraced their womenfolk' (Shail Mayaram, qtd. in Pandey: 2045)

Explicitly sexual, the range of violence sought to desexualize a woman, violate her sanctity and humiliate her publicly and negate the essence of womanhood. Symbolically the conquest of her body signified conquest of sacred space. Stripping a woman, tattooing or branding her breasts and genitalia with secular slogans and finally raping her was the extreme form of violence inflicted on her. Such incidents took place either privately in front of their families or publicly in places of worship or public places. But the sole purpose of every thing was to mark the woman for life as soiled.—she can never forget it herself and her branded humiliation kept her open to future stigmatization. The capacity to procreate defines a woman and so mutilating her body—cutting off her breasts, knifing her womb, killing fetuses— signifies a rejection of the eternity of natural processes which her sexuality embody. In woman there is always something of a mother, feeding, protecting, nurturing—resisting separation and exclusion. Hence a woman's body never exists in a free state . She is actually culturally coded and constructed. Mutilating her physically and abusing her only specify the extent to which her body accommodates the idea of the other country and how in her violation the men derived this glee of attaining something which was otherwise impossible under those circumstances. The home too, is a positive term of identity for the woman because it represents "a way of life, a way of being, a culture and a way of thinking" In this sense uprooting a woman from her foundation is synonymous to oppression. It was not just a division of borders and demarcation of political spaces. In dislocation, a woman found herself fragmented into two parts- a part that resisted displacement because her identity and her cultural roots stemmed there but there was also the other part trying to flee the very sites of identity because they have now transformed to insecure and disoriented spaces.

It was the man's prerogative to decide whether the woman should stay at home to be killed by their own family members or migrate to safety to an alien land. In either situation, the woman had no say or choice because it was assumed that she lacked the capacity to make decisions. Such accounts of



violation of private spaces and subsequent sexual brutalization in the face of dislocation are always overshadowed by the grander narratives of Partition.

In his speech at a prayer meting on 18 September 1947, Gandhi responded to the news of the devastating massacre on women in the face of communal violence.

I have heard that many women who did not want to lose their honour chose to die. Many men killed their own wives. I think that is really great because I know that it is such things that make India brave. After all, life and death is a transitory game — They have gone with courage. They have not sold away their honour Mohandas K. Gandhi, 'Speech at a Prayer Meeting' from Collected Works of Mahatma Gandhi, vol. 96 :388-389

Women had to face threats to their lives not only from the others and their kin but the desire to posit all feminine virtues on female bodies play into the community and the state as well. It is a paradox that the female body which became the territory where the warring factions mapped their revenges and their loyalties, was also the central contending issue for the nation. The dislocated, displaced and uprooted part of the nation had to be restored back in their original locations and this was the responsibility of the new government. Women's bodies now became the property of the state and the nation's honour now demanded that the women be restored back to their families.

৭। আফিয়া আহমেদ
৮। ৰামনাথ শৰ্মা
৯। কে. কে. (ক্ষীৰোদ কুমাৰ) বৰুৱা
(৬–৯) সদস্য

শ্ৰেণীকেইটা আৰম্ভ কৰিবৰ বাবে বিশ্ববিদ্যালয়ৰ যাৱতীয় অনুমতি পোৱাৰ চেষ্টা কৰিবলৈ আৰু স্থানীয় ইচ্ছুক অধ্যাপকসকলক পূৰ্ণকালীন বা অংশকালীন অধ্যাপকৰূপে নিযুক্তি দিবলৈ এই সমিতিখনকে কৰ্তৃত্ব দিয়া হ'ল। সাময়িকভাৱে নগাঁও ছোৱালী হাইস্কুল প্ৰাংগণতে কলেজখন বহুৱাৰ সিদ্ধান্ত কৰা হ'ল অনুষ্ঠানটোৰ নিজা ঘৰ-দুৱাৰ নিৰ্মিত নোহোৱালৈকে।

কলেজখনৰ আঁচনি বাস্তৱায়িত কৰিবলৈ পঞ্চাছ হাজাৰ টকাৰ প্ৰয়োজন অনুভূত হোৱাত জিলাৰ উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত, আৰক্ষী অধীক্ষক, গড়কাপ্তানী বিভাগৰ পূব পশ্চিম উভয় সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা দুজন, বিক্ৰীকৰ অধীক্ষক, যোগান বিভাগৰ উপ-সঞ্চালক, উপসংমণ্ডল প্ৰাধিকাৰী, পৌৰ সভাপতি, জিলা বন বিষয়া, লীলাধৰ কটকী, ৰামনাথ শৰ্মা, বেগম আফিয়া আহমেদ, উষা বৰঠাকুৰ, নুৰুল আমিন, মহম্মদ ইদ্ৰিছ, লক্ষ্মীপ্ৰসাদ গোস্বামী, আৰু শৰৎ চন্দ্ৰ গোস্বামী এইসকলক লৈ এখন বিত্ত-উপসমিতি গঠন কৰা হ'ল।

'নগাঁও উইমেন্‌ছ কলেজ'ৰ নামত য়ুনাইটেড বেংক অফ ইণ্ডিয়াৰ নগাঁও শাখাত ছেভিংছ বেংক একাউণ্ট এটা খোলা হ'ল। উক্ত পুঁজিৰ লেনদেন জিলাৰ উপায়ুক্ত আৰু স্কুল পৰিদৰ্শক (কৰ্ণধাৰ সমিতিৰ যথাক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদক) যুটীয়া স্বাক্ষৰত হোৱাৰ সিদ্ধান্ত লোৱা হ'ল। মাহিলি ২৫ টকা বেতনত এজন কাৰ্যালয় সহকাৰী আৰু ১০ টকা বেতনত এজন পিয়ন নিয়োগ কৰিবলৈ বৈঠকে সাধাৰণ সম্পাদকক কৰ্তৃত্ব দিলে। কাৰ্যালয় স্বৰূপে ব্যৱহাৰ কৰিবলৈ স্কুল-পৰিদৰ্শকৰ কাৰ্যালয়ৰে কোঠা এটা সাময়িকভাৱে দিবলৈ স্কুল পৰিদৰ্শকক অনুৰোধ জনোৱা হ'ল।

পোনতে ছোৱালী হাইস্কুল প্ৰাংগণতে কলেজখন বহুৱাবলৈ সংশ্লিষ্ট স্কুল কৰ্তৃপক্ষক অনুৰোধ জনোৱাৰ কথা আছিল যদিও কিবা কাৰণত হাইস্কুল প্ৰাঙ্গণত কলেজখন নবহিলগৈ। ইতিমধ্যে নগাঁও কলেজ কৰ্তৃপক্ষই নগাঁও কলেজ প্ৰাঙ্গণ ব্যৱহাৰ কৰিবলৈ দিয়া বাবে কৰ্ণধাৰ সমিতিৰ ৪-৯-৬২ তাৰিখৰ বৈঠকে নগাঁও কলেজ পৰিচালনা সমিতিৰ সভাপতি মতিৰাম বৰা আৰু অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাক ধন্যবাদ জনায়। এই মাহৰ ভিতৰতে সাধাৰণ সম্পাদকে নাৰায়ণ শৰ্মাক কাৰ্যালয় সহকাৰী, আৰু তগৰচন্দ্ৰ বৰাক পিয়ন নিয়োগ কৰে।

৪।৯।৬২ তাৰিখে অনুষ্ঠিত কৰ্ণধাৰ সমিতিৰ কাৰ্যবিবৰণীত প্ৰকাশ পাইছে যে ইতিমধ্যে নগাঁৱৰ বিশিষ্ট ব্যৱসায়ী এল. চি. (লালচান্দ) টোডিয়ে কেইটামান প্ৰতিশ্ৰুতি আগবঢ়াইছিল। যেনে— (ক) কলেজখনৰ পুনৰাবৰ্তক (recurring) ব্যয় বাবদ তেখেতে সাম্প্ৰত [মূল] চাৰি মাহৰ বাবে মাহিলি ২,৫০০ টকাকৈ দিব। (Sri L. C. Todi will pay Rs. 2,500/- P. M. for four months for the present to the College Fund for recurring expenses), (খ) বিশ্ববিদ্যালয়ৰ সম্বন্ধীকৰণৰ (affiliation) বাবে প্ৰয়োজনীয় ২২,৫০০ টকাৰ সংৰক্ষিত পুঁজি এটা আগবঢ়াব (He will pay Rs. 22,500/- to the College Fund for creation of a Reserve Fund, which is required for affiliation to the University), (গ) কাৰিকৰী উপদেশ মতে কলংপাৰত কলেজৰ বাবে নিৰ্দ্ধাৰিত ২৫ বিঘা মাটিৰ বুকুৰ পৰা অন্ততঃ ৫ বিঘা মাটি উলিয়াই দিব (He will develop atleast 5 bighas of land out of the plot of 25 bighas of land on the bank of the river Kolong earmarked for the College, according to technical advice) আৰু (ঘ) সেই মাটিডৰাত বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ বিস্তৃত বিৱৰণ অনুযায়ী হ'বলগীয়া কোঠাৰে ৫,৫০০ বৰ্গফুট আয়তনৰ ঘৰ এটা নিৰ্মাণ কৰি দিব (He will erect on the plot



so developed a building covering a floor of 5,500 sft with pucca planth from original land to the floor level with 10" wall and 5" wall upwards) with rooms according to University Grants Commissions' specifications, and according to design to be approved by the Committee')। টোডিয়ে তেনে প্ৰতিশ্ৰুতিৰ বিনিময়ত কৰ্ণধাৰ সমিতিয়ে অনুষ্ঠানটোৰ নামকৰণ 'নগাঁও উইমেন্‌ছ কলেজ'ৰ পৰিবৰ্তে 'এল. চি. টোডি উইমেন্‌ছ কলেজ' কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে



ব্যৱসায়িক স্বাৰ্থত সুদূৰ ৰাজস্থানৰ চিকৰ জিলাৰপৰা অসমলৈ আহি ৰাজ্যখনৰ জলবায়ুৰ লগত জীণ যোৱা এটি পৰিয়াল হ'ল নগাঁৱৰ টোডী পৰিয়াল। নগাঁও ছোৱালী কলেজৰ ইতিহাসৰ লগত জড়িত থকা লালচান্দ টোডী এজন দানশীল ব্যক্তিৰূপে সুপৰিচিত। কলেজখনক তেওঁ প্ৰতিশ্ৰুত অৰ্থ দিব নোৱাৰিলেও প্ৰতিষ্ঠাকালত তেওঁ কলেজখনলৈ আগবঢ়োৱা শকত অঙ্কৰ বৰঙণিয়ে অনুষ্ঠানটিক আৰ্থিক শক্তি দিছিল। নম্ৰ, সমাজসেৱী টোডী ডাঙৰীয়াৰ বাসস্থান হয়বৰগাঁৱৰ লাওখোৱা ৰোডত। তেওঁৰ পিতৃৰ নাম সেৰৰাম টোডী আৰু মাতৃৰ নাম সৰস্বতী দেৱী। তেওঁৰ পুত্ৰ প্ৰহ্লাদ ৰায় টোডীও দানশীল ব্যক্তিৰূপে জনাজাত। নগাঁও ছোৱালী কলেজলৈ সময়ে সময়ে দান-বৰঙণি আগবঢ়োৱাৰ উপৰি অসম সাহিত্য সভাৰ নগাঁৱৰ ভৱনটো তেওঁ কমলা টোডী ভৱন নামেৰে নিৰ্মাণ কৰি দিছে। নগাঁও ছোৱালী কলেজৰ সোণালী জয়ন্তী বৰ্ষত আমি প্ৰয়াত লালচান্দ টোডীক গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে সুঁৱৰিছোঁ।

জ্যোতিৰ্ময় জানা
সম্পাদক, *চৰৈৱেতি*

৪।৯।৬২ তাৰিখৰ এইটো বৈঠকতে। একেটা বৈঠকতে এল. চি. টোডিক কৰ্ণধাৰ সমিতিৰ এজন অন্যতম সদস্যৰূপে সহ-নিযুক্ত কৰি কোষাধ্যক্ষ পতা হ'ল। যুগল কিশোৰ কেডিয়া আৰু বি. এন. কেডিয়াকো সহ-নিযুক্ত সদস্য কৰা হ'ল। এইটো দিনতে কৰ্ণধাৰ সমিতিয়ে ১৬ গৰাকী স্থানীয় শিক্ষক-শিক্ষয়িত্ৰীক অংশকালীন আৰু পূৰ্ণকালীন ভিত্তিত বাছনি কৰে। সেইসকলৰ আছিল—

[ইংৰাজী]
১। অধ্যাপক এছ. এন. চক্ৰৱৰ্তী (অংশকালীন)
২। অধ্যাপক এইচ. ৰহমান ( " )
৩। অধ্যাপক আৰ. বৰা ( " )
[অসমীয়া]
১। অধ্যাপক মহিম বৰা (অংশকালীন)
২। অধ্যাপক টি. পি. শৰ্মা ( " )
৩। অধ্যাপক এম. চি. বৰা ( " )
৭। অধ্যাপিকা তৰু বৰুৱা (পূৰ্ণকালীন)
[বুৰঞ্জী]
৮। অধ্যাপিকা ওৱাহেদা হুছেইন (পূৰ্ণকালীন)
[তৰ্ক-বিজ্ঞান আৰু দৰ্শন]
৯। অধ্যাপিকা মৃণালিনী বৰদলৈ (পূৰ্ণকালীন)
[শিক্ষা]
১০। অধ্যাপক এইচ. গোস্বামী (অংশকালীন)
[ৰাজনীতি বিজ্ঞান]
১১। অধ্যাপক এ. চি. নাথ (অংশকালীন)
১২। অধ্যাপক টি. চি বৰা ( " )
[অৰ্থনীতি]
১৩। অধ্যাপিকা জেড. এ. বেগম (পূৰ্ণকালীন)
১৪। অধ্যাপিকা বি. পদ্মপতি ( " )

[বাংলা]

১৫। অধ্যাপক পি. এল. দত্ত (অংশকালীন)

১৬। অধ্যাপক এম. কে. ৰয় ( " )

প্ৰাৰম্ভিক কামখিনি চলাবৰ বাবে এজন অভিজ্ঞ ব্যক্তিৰ প্ৰয়োজন হোৱাত নগাঁও কলেজৰ উপাধ্যক্ষ আৰু কলেজ কৰ্ণধাৰ সমিতিৰ যুটীয়া সম্পাদক অধ্যাপক শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীক পূৰ্ণকালীন অধ্যক্ষ এজন নোপোৱালৈকে অধ্যক্ষ স্বৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ সমিতিয়ে অনুৰোধ জনায়। যান-বাহন বানচ ৰূপে শ্ৰীগোস্বামীক মাহিলি এশ টকাকৈ দিয়াৰ সিদ্ধান্ত হ'ল।

১২।৯।৬২ তাৰিখে কলেজৰ শ্ৰেণীসমূহ প্ৰথমবাৰৰ বাবে আৰম্ভ হ'ল। এসপ্তাহৰ পাছত ২০।৯।৬২ তাৰিখে নগাঁও কলেজ প্ৰাংগণতে অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই আনুষ্ঠানিকভাৱে কলেজৰ দুৱাৰ মুকলি কৰিলে।

১৫।৯।৬২ তাৰিখৰ বৈঠকত কৰ্ণধাৰ সমিতিয়ে গ্ৰহণ কৰা সিদ্ধান্ত এনেধৰণৰ—

১. ২৫ নবেম্বৰ তাৰিখে পুৱা ৯ বজাত 'এল. চি. টোডি কলেজ'ৰ আধাৰশিলা প্ৰতিষ্ঠা কৰিবৰ বাবে অসমৰ ৰাজ্যপালক অনুৰোধ জনোৱা হওক আৰু

২. ১৯৬৩ চনৰ জুন মাহৰ শেহলৈ ৫,৫০০ বৰ্গফুট আকাৰৰ ভৱন এটাৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি তুলিবলৈ দাতাগৰাকীক অনুৰোধ জনোৱা হওক।

ইতিমধ্যে টোডিয়ে কলেজ ভৱনৰ উপৰি ছাত্ৰী-নিবাস এটাৰ বাবে পঞ্চাশ হাজাৰ আৰু গ্ৰন্থাগাৰ ভৱনৰ বাবে পঁচিশ হাজাৰ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। সমিতিয়ে সেই প্ৰতিশ্ৰুতিৰ বাবে টোডীক ধন্যবাদ জনালে।

এইটো বৈঠকতে (১৯।১১।৬২) এল. চি. টোডী উইমেনছ কলেজৰ নতুন নাম অনতিপলমে 'এল. চি. টোডী গাৰ্লছ কলেজ' কৰাৰ সিদ্ধান্ত সমিতিয়ে গ্ৰহণ কৰিলে। (Resolve that the L. C. Todi Women's Collge be renamed L. C. Todi Girls' College with immediate effect)। তেতিয়ালৈকে কলেজখনে বিশ্ববিদ্যালয়ৰ সমন্ধীকৰণ পোৱা নাছিল। কৰ্ণধাৰ সমিতিয়ে এইটো বৈঠকতে মাহিলি ১৫০ টকাকৈ অধ্যক্ষৰ মাননী এটা নিৰ্দ্ধাৰণ কৰিলে।

কৰ্ণধাৰ সমিতিৰ ১৬।০২।৬৩ তাৰিখৰ বৈঠকত সভাপতিত্ব কৰিছিল নগাঁও কলেজৰ অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মাই। ইতিমধ্যে কলেজখন আৰ্থিক সংকটৰ সমুখীন হৈছিল। পৰিস্থিতি সম্পৰ্কে শিক্ষা মন্ত্ৰীক অৱগত কৰাবলৈ সমিতিয়ে লীলাকান্ত বৰাক অনুৰোধ জনালে। দাতা আৰু ধনভঁৰালীক টোডীয়ে পুনৰাবৰ্তক ব্যয় হিচাপে দি অহা ধন দি থাকি থাকিবলৈ টোডীকো সমিতিয়ে অনুৰোধ জনালে। (Sri L.C. Todi, donor and Treasurer be requested to continue payments of donation so as to meet the recurring expenses till Govt. grant is available)।

ইতিমধ্যে নগাঁও জিলাৰ উপায়ুক্ত সতীজীৱন দাসৰ ঠাইত বহিলহি চি. আৰ. কৃষ্ণমূৰ্তি। কৰ্ণধাৰ সমিতিৰো সভাপতি হ'লহি চি. আৰ. কৃষ্ণমূৰ্তি। ১৭।৮।৬৩ তাৰিখৰ বৈঠকত কৃষ্ণমূৰ্তিয়ে সভাপতিত্ব কৰিলে। সভাত উপস্থিতিৰ সংখ্যা আছিল ১০। সভাৰ এই বৈঠকত টোডীয়ে শেনচোৱাত কলেজৰ মাটি আৰু ঘৰৰ ব্যৱস্থা কৰিব বুলি ক'লে।

এমাহৰ মূৰত ১৭।৯।৬৩ তাৰিখে পুনৰ কৰ্ণধাৰ সমিতিৰ বৈঠক আহ্বান কৰা হ'ল; কিন্তু সভাপতি, দাতা আৰু কেইগৰাকীমান গুৰুত্বপূৰ্ণ ব্যক্তিৰ অনুপস্থিতিৰ বাবে ৮ গৰাকী সদস্য উপস্থিত থকা সত্ত্বেও পৰবৰ্তী এটা দিনলৈ সেই বৈঠক মুলতুবী ৰখা হ'ল।

কলেজখন তেতিয়াও নগাঁও কলেজৰ লগত সংলগ্ন পূৰ্বৰ ডাকবঙলাতে চলি আছিল। কিন্তু ডাক-বঙলাৰ অৱস্থা শোচনীয় হৈ অহা বাবে নগাঁও কলেজৰ অধ্যক্ষই তাৰ পৰা ছোৱালী কলেজখন স্থানান্তৰিত কৰিব লাগে বুলি ১৫।৩।৬৪ তাৰিখে জনালে। ২৩।৬।৬৪ তাৰিখে কৰ্ণধাৰ সমিতি বহিল। সভানেত্ৰীত্ব কৰিলে শ্ৰীমতী উষা বৰঠাকুৰে। সভাত নগাঁও কলেজৰ অধ্যক্ষই দিয়া চিঠিৰ কথা বিশদভাৱে আলোচিত হ'ল, আৰু আমোলাপট্টিৰ কলংপাৰত অৱস্থিত ৰেডক্ৰছ ভৱনটোতে অস্থায়ীভাৱে কলেজ চলাবলৈ থিৰ কৰি মাহিলি ২৫০ টকাত ঘৰটো ভাৰালৈ লোৱাৰ সিদ্ধান্ত হ'ল। তেতিয়া ৰেডক্ৰছ সমিতিৰ সম্পাদক আছিল ডাঃ পি. (পদ্ম) ভূএগ্ৰ।

ইতিমধ্যে টোডীয়ে অধ্যক্ষক জনালে যে শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাই দেখুৱাই দিয়া ঠাইতহে তেখেতে কলেজৰ ভৱন নিৰ্মাণ কৰিব। কলেজ ভৱনৰ বাবে কৰ্ণধাৰ সমিতিৰ হাতত মাটি আছিল দুডোখৰ:

১। হয়বৰগাঁৱত থকা এছ. মজুমদাৰৰ মাটি আৰু তাৰে সংলগ্ন মাটিখিনি,

২। 'কয়লা ইণ্ডাষ্ট্ৰিজ'ৰ কাষৰ মাটিখিনি।

২৩।৬।৬৪ তাৰিখৰ বৈঠকতে মাহিলি দুশ টকা বেতনত (লগতে মৰগীয়া বানচ) ইংৰাজী, অসমীয়া, শিক্ষা, দৰ্শন, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু বুৰঞ্জী বিষয়ৰ পূৰ্ণকালীন অধ্যাপক পদৰ বাবে বিজ্ঞপ্তি দিয়াৰ সিদ্ধান্ত লয়। কাৰ্যালয় সহকাৰী হিচাপে আগৰ বছৰৰ ছেপ্টেম্বৰ মাহৰ পৰা এন. (নাৰায়ণ) শৰ্মাক নিযুক্তি দিয়া হৈছিল মাহিলি ২৫ টকা বেতনত। সেই নিযুক্তিত



সমিতিয়ে অনুমোদন জনালে। পূৰ্ণকালীন কাৰ্যালয় সহকাৰী এজন মাহিলি ৯০ টকাত নিয়োগ কৰিব লাগে বুলিও সমিতিয়ে সিদ্ধান্ত ললে। আন সকলো ধৰণৰ অৰ্হতা সমান হ'লে মহিলা প্ৰাৰ্থীকহে অগ্ৰাধিকাৰ দিব লাগে বুলি সমিতিয়ে মত প্ৰকাশ কৰিলে। পিছে কাৰ্যালয় সহকাৰীৰূপে (পূৰ্ণকালীন) পোনাৰাম বৰাহে নিযুক্ত হ'ল।

১২।৭।৬৪ তাৰিখে কৰ্ণধাৰ সমিতিৰ বৈঠক বহিল স্পৰ্টছ ক্লাব পেভিলিয়নত সন্ধ্যা ৬.৩০ বজাত। সভানেত্ৰী উষা বৰঠাকুৰ। বৈঠকত এল. চি. টোডীয়ে কলেজ ভৱন নিৰ্মাণ কৰা বিষয়ত তেখেতৰ পূৰ্বৰ মতকে দোহাৰি কলে যে মাটি পোৱাৰ লগে লগেই ভৱন নিৰ্মাণৰ কাম তেখেতে আৰম্ভ কৰিব। সমিতিয়ে সেইবাবে শেনচোৱাৰ ওচৰত 'কমলা ইণ্ডাষ্ট্ৰিজ'ৰ কাষৰ মাটিডোখৰ বাছনি কৰি যাৱতীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত ললে।

ইতিমধ্যে নতুন নতুন নিযুক্তি আৰু ভৱনৰ ভাৰা বাবদ কলেজখনৰ মাহিলি পুনৰাবৰ্তক ব্যয় ৪,৭০০ টকালৈ উঠিল। অন্যান্য খৰচ যে আছিলেই। এই বৈঠকত সমিতিয়ে সেইবাবে শিক্ষা মন্ত্ৰীৰ ওচৰলৈ সঁজাতী দল পঠোৱাৰ সিদ্ধান্ত ললে। ৮ জন সদস্যেৰে গঠিত সঁজাতী দলটোক কলেজত ভূমি আৰু ভৱন সম্পৰ্কে আৰু চলিত শিক্ষাবছৰটোৰ পৰাই কলেজখনক ঘাটি মঞ্জুৰি দিয়া সম্পৰ্কে শিক্ষামন্ত্ৰীক অনুৰোধ জনাবলৈ দায়িত্ব দিলে।

সেই বৈঠকতে সেই শিক্ষাবৰ্ষৰ পৰাই ভূগোল আৰু সংস্কৃত বিষয় দুটা কলেজখনত প্ৰবৰ্তন কৰাৰ সিদ্ধান্ত লোৱা হ'ল। অধ্যাপক হৰেশ্বৰ বৰুৱা আৰু অধ্যাপক এছ. এম. কুম্ৰে যথাক্ৰমে ভূগোল আৰু সংস্কৃতৰ অধ্যাপক নিযুক্ত হ'ল। যান-বাহন বানচ আগবঢ়োৱা হ'ল ৫০ টকাকৈ। ছাত্ৰীৰ সংখ্যা আশানুৰূপভাৱে তেতিয়াও কলেজখনত বৃদ্ধি পোৱা নাছিল। তুলনামূলকভাৱে বেছি সংখ্যক ছোৱালী তেতিয়াও নগাঁও কলেজলৈকে গৈছিল নামভৰ্তি কৰিবলৈ। তেনে ছাত্ৰীক এইখন কলেজলৈ পঠিয়াবৰ বাবে সমিতিয়ে নগাঁও কলেজ কৰ্তৃপক্ষক অনুৰোধ জনাব লগা হৈছিল।

ইফালে ছাত্ৰী-নিবাসৰ সমস্যাই দেখা দিলে। ১০ গৰাকী ছাত্ৰীক ৰেডক্ৰছ ভৱনতে ৰখাৰ ব্যৱস্থা কৰা হ'ল। সমিতিৰ এইটো বৈঠকতে কাৰ্যালয়-সহকাৰী (পূৰ্ণকালীন) পোনাৰাম বৰাক দিয়া নিযুক্তি অনুমোদিত হ'ল। এই বৈঠকতে সমিতিয়ে ইংৰাজী, অসমীয়া, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, শিক্ষা আৰু দৰ্শন বিষয়ৰ বাবে যথাক্ৰমে জে. বি. ত্ৰিপাঠী, অৰ্ঘাবালা বৰুৱা, শান্তি কুমাৰী জালান, হিমাদ্ৰি দেৱী, জীনত অহিদা বেগম আৰু বিনয় চন্দ্ৰ বৰাক মাহিলি দুশ টকা (লগত মৰগীয়া বানচ ৩৫ টকা) বেতনত পূৰ্ণকালীন শিক্ষক-শিক্ষয়িত্ৰী ৰূপে নিযুক্তি দিলে। জীনত অহিদা বেগম আৰু অৰ্ঘাবালা বৰুৱাই দৰমহাৰ পৰা মাহিলি এশ টকাকৈ কলেজ পুঁজিলৈ দান স্বৰূপে আগবঢ়াইছিল বাবে সমিতিয়ে দুয়োকে ধন্যবাদ যাচিলে।

২৩।৭।৬৪ তাৰিখে সন্ধ্যা ৬.৩০ বজাত স্পৰ্টছ ক্লাব পেভেলিয়নত কৰ্ণধাৰ সমিতিৰ যি বৈঠক হৈছিল, তাত সভাপতিত্ব কৰিছিল চি. আৰ. কৃষ্ণমূৰ্তিয়ে। বৈঠকত উপস্থিত আছিল যজ্ঞেশ্বৰ শৰ্মা, মঃ ইদ্ৰিছ, লীলাকান্ত বৰা, ছামচুল হুদা, লীলাধৰ কটকী, চন্দ্ৰকান্ত শৰ্মা, ক্ষীৰোদ কুমাৰ বৰুৱা, ৰামনাথ শৰ্মা, নুৰুল আমিন, লালচান্দ টোডি, বেগম আফিয়া আহমেদ, ডম্বৰু গগৈ, টি শৰ্মা (উপপ্ৰতি সমাহৰ্তা), ৰূপৰাম সূত আৰু মহেশচন্দ্ৰ দেৱগোস্বামী। বৈঠকত পূৰ্বনিৰ্দ্ধাৰিত বন্দবস্ত মতে সঁজাতী দলটোৰ শিক্ষা মন্ত্ৰীৰ লগত হোৱা আলোচনাৰ কথা আৰু হয়বৰগাঁও শেনচোৱা দুয়ো ঠাইৰে মাটি পৰীক্ষা কৰাৰ কথা আলোচিত হ'ল। এইটো বৈঠক গুৰুত্বপূৰ্ণ এই বাবেই যে কলংপাৰত কলেজৰ মূল মাটিত ভৱন নিৰ্মাণৰ সম্ভাৱনীয়তা সম্পৰ্কে সমিতিয়ে চিন্তা কৰিছিল ইয়াতে। এই সম্পৰ্কত দুদিনৰ ভিতৰতে (২৫ জুলাইৰ সন্ধ্যাৰ আগে আগে) সিদ্ধান্ত দিব পৰাকৈ এখন স্থান নিৰ্বাচন উপ-সমিতি গঠন কৰি দিয়া হৈছিল। আনহাতে শেনচোৱাত লালচান্দ টোডিৰ কাৰখানাৰ (কমলা ইণ্ডাষ্ট্ৰিজ?) কাষৰ মাটিৰ পৰিমাণ আৰু অধিগ্ৰহণ ব্যয়কে ধৰি মাটিৰ ব্যয় নিৰ্দ্ধাৰণ কৰিবলৈকো আন এখন উপসমিতি গঠন কৰি ২৫ জুলাইৰ ভিতৰতে প্ৰতিবেদন দাখিল কৰিবলৈ ভাৰ দিয়া হ'ল।

সমিতিৰ সেইটো বৈঠকতে ৰূপৰাম সুতক সহ-নিযুক্ত সদস্য কৰি লোৱা হ'ল। শেহলৈ এখেত অতিৰিক্ত সাধাৰণ সম্পাদক হ'লগৈ।

তেতিয়াও ছোৱালী কলেজতকৈ বেছিকৈ নগাঁও কলেজতেই ছোৱালীৰ ভৰ্তিকৰণ চলি আছিল, নগাঁও কলেজৰ পৰিচালনা সমিতিক ছোৱালীৰ নাম ভৰ্তি নকৰিবলৈ পূৰ্বে অনুৰোধ জনোৱা সত্ত্বেও। ছোৱালী কলেজখনে গঢ় লৈ উঠাত সহায় কৰিবলৈ নগাঁও কলেজ পৰিচালনা সমিতিক কৰ্ণধাৰ সমিতিৰ এই বৈঠকে পুনৰ অনুৰোধ জনালে।

২৪।৭।৬৪ তাৰিখে সন্ধ্যা ৬.৩০ বজাত স্পৰ্টছ ক্লাব পেভিলিয়নত স্থান বাছনী সমিতিৰ বৈঠক বহিল। স্থান বাছনী সমিতিয়ে মুঠতে চাৰিডোখৰ ঠাই কলেজখনৰ বাবে পৰীক্ষা কৰিছিল। চাৰিও ডোখৰ ঠাইৰ সুবিধা-অসুবিধা সম্পৰ্কে বিশদভাৱে আলোচিত হ'ল, আৰু সমিতি তলত দিয়া দৰে সিদ্ধান্তলৈ আহিল:

১। কলং পাৰৰ মাটিত কলেজৰ ঘৰ সাজিলে বুজন পৰিমাণৰ ব্যয় হ'ব। মথাউৰিটো শিলেৰে বন্ধাব লাগিব। ঘৰৰ গাঁথনিও হ'ব লাগিব বিশেষ ধৰণৰ আৰু খৰচো হ'ব ঢুকি নোপোৱা বিধৰ। এই ঠাইত ঘৰ সজাত হ'ব পৰা অধিক ব্যয় বহন কৰিবলৈ দাতাগৰাকী ইচ্ছুক নহয়।

২। ছোৱালী হাইস্কুলৰ বিপৰীতে থকা মাটি (এতিয়া য'ত উপপ্ৰতি সমাহৰ্তাৰ কাৰ্যালয় আদি বহিছে) ডোখৰৰ আয়তন
নিচেই কম। এনেকি কেইবা মহলীয়া ঘৰ সাজিলেও ঠাই যথেষ্ট নহ'ব। ভৱিষ্যতে অনুষ্ঠানটোৰ সম্প্ৰসাৰণৰ বাট বন্ধ হ'ব।

৩। হয়বৰগাঁৱত থকা এছ. কে. মজুমদাৰ আৰু ত্ৰৈলোক্য হাজৰিকাৰ মাটিৰ দাম অতিপাত চৰা, আৰু সেইবাবেই
মাটিডোখৰ কলেজৰ বাবে বাছনি কৰিব নোৱাৰি।

৪। টোডিৰ কাৰখানাৰ কাষত শেনচোৱাত পৰ্যাপ্ত পৰিমাণৰ মাটি কিনিবলৈ পোৱা যাব। কিন্তু সমুখ ভাগৰ বাবে পূব
ফালৰ কুৰি বিঘা মাটিৰ দাম হ'ব চল্লিছ হাজাৰ টকা, আৰু পশ্চিম ফালে থকা ডেৰকুৰি বিঘা মাটিৰ দাম হ'ব প্ৰায় পঞ্চাছ হাজাৰ
টকা। দুয়ো ডোখৰ মাটিৰ উন্নয়ন-ব্যয় পৰিব প্ৰায় দহ হাজাৰ টকা। কলেজৰ দাতা টোডি মাটি কিনিবলৈ সন্মত নহয়।

সকলো কথা চালি-জাৰি সমিতিয়ে স্থিৰ কৰিলে যে শেনচোৱাত কলেজ-ভৱন নিৰ্মিত হ'লে দূৰত্বৰ কাৰণেই চহৰৰ
বহুতো আগ্ৰহী ছোৱালীও কলেজলৈ যোৱাৰ পৰা বিৰত থাকিব। গতিকে শেনছোৱাত কলেজ হ'লে ছাত্ৰী-নিবাস আৰু যাতায়তৰ
যথেষ্ট সুবিধা কলেজ কৰ্তৃপক্ষই কৰি দিব লাগিব।

২৭।৭।৬৪ তাৰিখে কৰ্ণধাৰ সমিতিৰ বৈঠক বহিল সন্ধ্যা ৬-৩০ বজাত স্পৰ্টছ ক্লাব পেভিলিয়নত। সভাপতি চি. আৰ.
কৃষ্ণমূৰ্তি। লীলাধৰ কটকী, হলধৰ ভূঞা, লীলাকান্ত বৰা, এ. এন. এম. ওহিদ, ছামচুল হুদা, জে. কে. কেডিয়া, ৰূপৰাম সুত,
চন্দ্ৰকান্ত শৰ্মা, যজ্ঞেশ্বৰ শৰ্মা, নুৰুল আমিন, ডম্বৰু গগৈ আৰু মহেশচন্দ্ৰ দেৱগোস্বামী এই বৈঠকত উপস্থিত আছিল। বৈঠকত
ঠাই বাছনি সম্পৰ্কে আলোচনা হ'ল। আমোলাপট্টিৰ শ্মশানৰ কাষত থকা চৰকাৰী সংৰক্ষিত মাটি এডোখৰৰ কথা আৰু তাত
ভৱন নিৰ্মাণৰ সম্ভাব্যতাৰ কথাও নতুনকৈ ওলাল। দূৰত্বটোৱেই শেনচোৱাৰ মাটিডোখৰৰ একমাত্ৰ দোষ।

বৈঠকত এনেতে শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱা আহি ওলালহি। তেখেতে প্ৰথম শ্ৰেণীৰ কলেজ এখনৰ বাবে ভৱিষ্যতে
সম্প্ৰসাৰণৰ সুবিধা থকা ঠাই এডোখৰহে বাছি লব লাগে বুলি অভিমত প্ৰকাশ কৰিলে। সভাপতিয়ে জনালে যে ত্ৰৈলোক্যনাথ
হাজৰিকা আৰু তেখেতৰ ভায়েকে এই চৰ্তত শেনচোৱাত ১৩ বিঘা মাটি আগবঢ়াব খুজিছে যে সেই মাটিৰ মূল্যৰ বিনিময়ত
হলঘৰ এটা তেখেতসকলৰ পিতৃৰ নামত নিৰ্মিত হ'ব লাগিব। (...on condition that out of the value of the land hall is
constructed and named after their father)। মন্ত্ৰী বৰুৱাৰ ইচ্ছা হ'ল কলেজখনৰ মাটি ৫০ বিঘাৰ কম হ'ব নালাগে।
সমিতিয়ে সেইবাবে তলত দিয়া দৰে প্ৰস্তাৱ ললে:

১। শেনচোৱাৰ মাটিডোখৰেই ছোৱালী কলেজৰ বাবে চূড়ান্তভাৱে নিৰ্বাচিত হওক, আৰু স্ত্ৰীশিক্ষাৰ বাবে আগবঢ়োৱা
মূল্যবান বৰঙণিৰ বাবে ত্ৰৈলোক্য নাথ হাজৰিকা আৰু তেখেতেৰ ভায়েকক ধন্যবাদ জনোৱা হওক।

২। উক্ত ঠাইত অন্ততঃ ৫০ বিঘা হোৱাকৈ মাটি ক্ৰয় কৰাৰ দিহা কৰা হওক।

৩। কলেজৰ অৰ্থে ৫০ বিঘা মাটি কিনিবলৈ প্ৰয়োজনীয় পুঁজিৰ বাবে চৰকাৰক অনুৰোধ জনোৱা হওক।

উচিত দৰত মাটি কিনিবৰ বাবে, ঠাই ডোখৰৰ নক্সা তৈয়াৰ কৰিবৰ বাবে, কলেজ ভৱন আৰু ছাত্ৰী-নিবাসৰ নক্সা আৰু
প্ৰাক্ কলন (design and estimate) প্ৰস্তুত কৰি কৰ্ণধাৰ সমিতিৰ অনুমোদন লবৰ বাবে এখন উন্নয়ন সমিতিও এই বৈঠকতে
গঠন কৰি দিয়া হ'ল। উন্নয়ন সমিতিত আছিল উপায়ুক্ত, ডম্বৰু গগৈ, অধ্যক্ষ, ৰামনাথ শৰ্মা, লালচান্দ টোডি, গোলোক চন্দ্ৰ
বৰুৱা, লীলাকান্ত বৰা, মঃ ইদ্ৰিছ, ৰূপৰাম সুত আৰু চন্দ্ৰকান্ত শৰ্মা। কলেজ সমিতি আৰু দাতাৰ মাজত দলিল এখন চুক্তিবদ্ধ
কৰাৰ দায়িত্বও এই সমিতিৰ ওপৰতে ন্যস্ত কৰা হ'ল। আন এটা প্ৰস্তাৱেৰে দাতা লালচান্দ টোডিক প্ৰস্তাৱিত মাটিত প্ৰধান
ভৱনটো নিৰ্মাণ কৰিবলৈ সমিতিয়ে অনুৰোধ জনালে (...Sri L.C.Todi, donor, be requested to construct the main
building at the proposed site which should be according to the requirements and specifications of U.G.C.
for a first grade College, and as approved by the Steering Committee)

কৰ্ণধাৰ সমিতিৰ পৰৱৰ্তী বৈঠক বহিল ৭/৮/৬৪ তাৰিখে আবেলি ৩ বজাত উপায়ুক্তৰ বাসভৱনত। উপস্থিত আছিল
উপায়ুক্তৰ উপৰি ৰূপৰাম সুত, চন্দ্ৰকান্ত শৰ্মা, গোলোক চন্দ্ৰ বৰুৱা আৰু মহেশ চন্দ্ৰ দেৱগোস্বামী। দাতা টোডিকে ধৰি উন্নয়ন
সমিতিৰ গৰিষ্ঠ সংখ্যক সদস্য উপস্থিত নথকা বাবে সেই দিনালৈ সভা স্থগিত ৰখা হ'ল, আৰু ৯ আগষ্টৰ সন্ধ্যা স্পৰ্টছ ক্লাব
পেভেলিয়নত সমিতি পুনৰ বহিব বুলি সিদ্ধান্ত হ'ল।

পূৰ্বনিৰ্দ্ধাৰিত দিন, ঠাই আৰু সময়ত সভা বহিল। টোডিৰ বাহিৰে সেই সভাত সকলো সদস্য উপস্থিত। সভাত সিদ্ধান্ত
লোৱা হ'ল: মাটি কিনিবৰ বাবে কেইটামান বিশেষ দাগ নম্বৰৰ পট্টাদাৰসকলৰ লগত ততালিকে বন্দবস্ত কৰা হওক, আৰু নিৰ্মাণ
কাৰ্য আৰম্ভ কৰিব পৰাকৈ তিনিটা বিশেষ দাগৰ মাটি ততালিকে কিনা হওক। ত্ৰৈলোক্য নাথ হাজৰিকা, চন্দ্ৰকান্ত শৰ্মা আৰু
ৰূপৰাম সুতক লৈ গঠিত এখন উপসমিতিক মাটিৰ মূল্য নিৰ্দ্ধাৰণ কৰি মাটিৰ গৰাকীসকলৰ লগত বন্দবস্ত কৰিবলৈ কৰ্তৃত্ব দিয়া
হওক। প্ৰয়োজনীয় মাটিখিনিৰ মূল্য দিবলৈ চৰকাৰক অনুৰোধ জনোৱা হওক। বাৰাণ্ডা, পায়খানা ইত্যাদি বাদে ষোল হাজাৰ
বৰ্গফুটৰ ঘৰ এটা নিৰ্মিত হওক। ঘৰটো কংক্ৰীটৰ, আৰু দুমহলীয়া হোৱা বাঞ্চনীয়। সাধাৰণ সম্পাদক, সহকাৰী সাধাৰণ



সম্পাদক আৰু অধ্যক্ষক লৈ গঠিত এখন উপসমিতিয়ে প্ৰধান ভৱনটোৰ কাৰ্য-আঁচনি আৰু প্ৰাক্কলন যুগুত কৰিব, আৰু
ভৱনটো নিৰ্মাণ কৰা সম্পৰ্কে দাতা লালচান্দ টোডিৰ লগত বন্দবস্ত কৰিব বুলি সভাই সিদ্ধান্ত কৰিলে।

২৩।৮।৬৪ তাৰিখে সন্ধ্যা ৬.৩০ বজাত কলেজ প্ৰাংগনত বহা কৰ্ণধাৰ সমিতিয়ে উল্লিখিত উপসমিতিৰ বক্তব্য শুনিলে।
সমিতিৰ সদস্যসকলে তলত দিয়া দৰে জানিলে যে

১। টোডিয়ে কেৱল ৪,৫০০ বৰ্গফুটৰ ঘৰ এটাহে নিৰ্মাণ কৰাত খোপনি পুতিছে; কিন্তু সমিতিয়ে ১০,৫০০বৰ্গফুটৰ ঘৰ
এটা নিৰ্মাণ হোৱাটো বিচাৰে (While Sri Todi was insisting on constructing a building of 4,500 sq.ft. only, the
members carried the impresson that Sri Todi might be agreeable to construct a two storried R.C.C.
building of 10,500sq.ft)

২। মাটি কিনাত আৰু মাটিৰ উন্নয়নত খৰচ কৰিবলৈ টোডি সন্মত নহয় (Todi is not willing to spend on
purchase and development of the land)।

৩। নক্সা আৰু প্ৰাক্কলনৰ ব্যয় বহন কৰিবলৈ দাতাজন অনিচ্ছুক (... the donor is not willing to spend on the
plans and estimates)

উল্লিখিত কথাখিনিৰ দৃঢ়ীকৰণৰ বাবে টোডিক জনাবলৈ সভাপতিক ভাৰ দিয়া হ'ল।

২০।৯।৬৪ তাৰিখে পুৱা কৰ্ণধাৰ সমিতি বহিল। সভাপতি আৰু টোডিৰ মাজত হোৱা যোগাযোগৰ বিষয়ে সভা অৱগত
হ'ল। ২১।৯।৬৪ তাৰিখে আকৌ সভা বহিল। সভালৈ আহিব নোৱৰাত টোডিয়ে দুখ প্ৰকাশ কৰি চিঠি দিলে।

২১ তাৰিখৰ বৈঠকতে সমিতিয়ে আৰম্ভণিৰেপৰা অংশকালীন অধ্যক্ষ হৈ থকা মহেশচন্দ্ৰ দেৱগোস্বামীক ৬০০-৪০-৮০০
টকা মাহিলি নিৰিখত পূৰ্ণকালীন অধ্যক্ষ নিয়োগ কৰে। অধ্যক্ষ পদৰ বাবে আবেদনকাৰী আছিল অধ্যাপিকা নীলিমা দত্ত, অধ্যাপক
দিনেশচন্দ্ৰ দত্ত, অধ্যাপক আৰ. আৰ. চৌধুৰী আৰু ড° চি. ৰাও। শেহৰ দুজন সাক্ষাৎকাৰলৈ নাহিল।

৫।২।৬৫ তাৰিখে বহা কৰ্ণধাৰ সমিতিক মঃ ইদ্ৰিছে ১২ বা ১৩ মাৰ্চত ইন্দিৰা গান্ধী নগাঁৱলৈ অহাৰ কথা জনোৱাত সেই
সময়ত ইন্দিৰা গান্ধীৰ হতুৱাই কলেজ ভৱনৰ আধাৰশিলা স্থাপন কৰোৱাৰ দিহা কৰিব লাগে বুলি সদস্যসকলে অভিমত প্ৰকাশ
কৰিলে। পিছে, কাৰ্যক্ষেত্ৰত সেই দিশত একো নহ'লগৈ।

ইতিমধ্যে চৰকাৰৰ লগত কৰা যোগাযোগৰ ফলত চৰকাৰে চৌষষ্ঠি চনৰ জুলাইৰ পৰা পয়ষষ্ঠি চনৰ জানুৱাৰীলৈ মাহিলি
১৩৬৫ টকাৰ আৰু পয়ষষ্ঠি চনৰ ফেব্ৰুৱাৰী মাহৰ বাবে ২০৩০ টকাৰ অতিৰিক্ত সহায়ক অনুদান (grant-in-aid) এটা মঞ্জুৰ
কৰিছে বুলি ১১।৪।৬৫ তাৰিখৰ বৈঠকত কৰ্ণধাৰ সমিতিয়ে জানিবলৈ পালে। তদুপৰি মাটি কিনাৰ বাবে ৫০ হাজাৰ টকাৰ আৰু
গ্ৰন্থাগাৰৰ কিতাপ আৰু সা-সৰঞ্জাম কিনাৰ বাবে ১০ হাজাৰ টকাৰ এককালীন অনুদান এটাও চৰকাৰে আগবঢ়োৱা বুলি জানিলে।
ডেৰ শ ছাত্ৰীৰ শ্ৰেণী বহুৱাব পৰাকৈ কলেজ চৌহদতে (ৰে'উক্ৰছ ভৱনৰ) এহেজাৰ টকাৰ ব্যয়ৰ ভিতৰতে টিঙৰ অস্থায়ী চালি
এখন নিৰ্মাণ কৰাৰ সিদ্ধান্ত সমিতিয়ে এই বৈঠকতে কৰিলে। কলেজৰ অংশকালীন অধ্যাপক-অধ্যাপিকাসকলৰ চাকৰিৰ ৩১।৩।৬৫
তাৰিখে অৱসান ঘটাত পূৰ্ণকালীন শিক্ষক-শিক্ষয়িত্ৰী বিচাৰি বিজ্ঞাপন দিয়াৰ সিদ্ধান্তও সমিতিয়ে গ্ৰহণ কৰিলে। বিজ্ঞপ্তিৰে আৰু
টেলিফোনেৰে নিমন্ত্ৰণ জনোৱা সত্ত্বেও লালচান্দ টোডি এই বৈঠকত উপস্থিত নথকা বাবে তেখেতৰ লগত চুক্তিৰ চূড়ান্ত ৰূপ
দিয়া বিষয়টো হাতত ল'ব পৰা নহ'ল। পৰৱৰ্তী বৈঠকলৈ বিষয়টো মুলতুবী ৰখা হ'ল।

১৮।৫।৬৫ তাৰিখৰ বৈঠকত টোডি উপস্থিত আছিল আৰু সভাপতিত্বও কৰিছিল তেখেতেই। তেখেতৰ লগত খচৰা
চুক্তি সম্পৰ্কে আলোচনা কৰা হ'ল। কেইটামান কথাত দাতাগৰাকী সন্মত নোহোৱাত পাছত ৩১ তাৰিখৰ পূৰ্বে নিজৰ জোৰাই-
জোখাই হোৱা চুক্তি (suitable draft) এখন পঠিয়াবলৈ সভাই টোডিক অনুৰোধ জনালে।
২।৬।৬৫ তাৰিখে উপায়ুক্তৰ কাৰ্যালয়ত পুৱা ৯ বজাত সমিতিৰ বৈঠক বহিল। এতিয়া উপায়ুক্ত আৰ. ভি. লিংডো। এই
বৈঠকৰ সভাপতিও তেখেতেই। মুঠ ১৫ গৰাকী সদস্য বৈঠকত উপস্থিত আছিল। টোডিৰ খচৰা চুক্তিখন সভাত পঠিত আৰু
আলোচিত হ'ল, চুক্তিখন পুনৰ প্ৰস্তুত কৰা হ'ল, চূড়ান্ত ৰূপ দিয়া হ'ল আৰু ৪ জুনৰ সন্ধ্যা ৭.৩০ বজালৈ সভা মুলতুবী থাকিল।

পূৰ্বনিৰ্দ্ধাৰিত দিন, ঠাই আৰু সময়ত মুলতুবী সভাখন বহিল। টোডিয়ে উত্থাপন কৰা বিষয়কেইটা আলোচিত হ'ল।
চুক্তিখনৰ ৩ ৰপৰা ৭ আৰু ৯ ৰ পৰা ১১ সংখ্যক বিষয়কেইটা আলোচনা কৰি চূড়ান্ত ৰূপ দিবলৈ এখন উপসমিতি গঠন কৰি
দিয়া হ'ল— উপায়ুক্ত, দাতা টোডি, এজন স্থপতি, এজন প্ৰাক্তন অভিযন্তা বি. বৰুৱা আৰু অধ্যক্ষ গোস্বামীক লৈ।
১০।৭।৬৫ তাৰিখে বহা সভাত

কৰ্ণধাৰ সমিতিৰ সাধাৰণ সম্পাদক ডম্বৰু গগৈ নগাঁৱৰ পৰা যোৰহাটলৈ বদলি হোৱাত
তেখেতে সাধাৰণ সম্পাদকৰ পদ ত্যাগ কৰে। সভাই ৰূপৰাম সুতক সাধাৰণ সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ কৰ্তৃত্ব দিয়ে।
গগৈৰ সেৱাৰ বাবে সমিতিয়ে তেখেতলৈ আন্তৰিক ধন্যবাদ জনায় (The Committee places on record its deep appreciation
of the services of Sri D. Gogoi, whose selfless service towards the establishment of the institution has

made the institution what it is today. The Committee while accepting the resignation, hopes that Sri Gogoi will continue his sympathy and good will towards the institution however far he may remain.)।

ইতিমধ্যে অংশকালীন কার্যালয় সহকাৰী আৰু গাণনিক নাৰায়ণ শৰ্মাৰো কাৰ্যকাল শেষ হোৱাত ১ জুলাইৰ বৈঠকত সমিতিয়ে তেখেতৰ সেৱাৰ সপ্ৰশংস স্বীকৃতিৰে কলেজখনৰ স্বাৰ্থত আৰু দুমাহলৈ কাৰ্যকাল বঢ়াই দিয়ে (Sri N. Sarma, Part-time O/A and Accountant who has been rendering very valuable service to the College since the inception of it, be allowed to continue in service till the end of August, in the interest of the College.)

১০ জুলাইৰ পাছত আগষ্টৰ ৬ আৰু ৮ তাৰিখে দুদিন কৰ্ণধাৰ সমিতিৰ বৈঠক আহ্বান কৰা হৈছিল যদিও দুয়োটা বৈঠকেই মুলতুবী আছিল। আগষ্টৰ ২৪ তাৰিখে সমিতিৰ বৈঠক পুনৰ বহিল।

নগাঁৱৰ জখলাবন্ধা সত্ৰৰ নৱহাস গোস্বামী আৰু পুষ্পহাস গোস্বামীয়ে কলেজলৈ পুৰণি পুথি-পত্ৰ অলপমান দানস্বৰূপে আগবঢ়াইছিল। ২৪ তাৰিখৰ বৈঠকত সভাই উল্লিখিত ব্যক্তি দুগৰাকীক বদান্যতাৰ বাবে ধন্যবাদ জনায়। ('The Steering Committee places on record its deep appreciation of the donation of nearly 150 volumes of old books and manuscripts belonging to Jakhalabandha Satra, and thanks the donor Sri Nabahas Goswami & Sri Puspahas Goswami for the kind gifts. The Committee decides to keep the books separately as Jakhalabandha Collection')।

৩০।৯।৬৫ তাৰিখে সন্ধ্যা ৫.৩০ বজাত বহা কৰ্ণধাৰ সমিতিয়ে কলেজ ভৱন নিৰ্মাণ সম্পৰ্কে আলোচনা কৰি উপায়ুক্ত, সাধাৰণ সম্পাদক, অধ্যক্ষ, দুজন দাতা (লালচান্দ টোডি আৰু ত্ৰৈলোক্যনাথ হাজৰিকা), চন্দ্ৰকান্ত শৰ্মা আৰু ছামচুল হুদাৰে উপসমিতি গঠন কৰি দিয়ে।

৬।১২।৬৫ তাৰিখে আহুত কৰ্ণধাৰ সমিতিৰ বৈঠকত কলেজ অভিমুখী পথ (approach road) নিৰ্মাণ কৰিবৰ বাবে ক্ষীৰোদ কুমাৰ বৰুৱা আৰু চন্দ্ৰকান্ত শৰ্মাক দায়িত্ব দিয়া হ'ল। পয়ষষ্ঠি চন বছৰটো শেষ হ'ল, কিন্তু কলেজৰ ঘৰ-দুৱাৰৰ নিৰ্মাণ-কাৰ্য একোৰেই চকুত নপৰিল। ৰেডক্ৰছ ভৱনতে শিক্ষাদান চলি থাকিল। এই চনতে কলেজখনৰ পৰা ১৫ গৰাকী ছাত্ৰীৰ দল এটা প্ৰথম স্নাতক হৈ ওলাল। এই চনত কলেজখনত যিকেইগৰাকী পূৰ্ণকালীন শিক্ষক-শিক্ষয়িত্ৰী নিযুক্ত হৈছিল, সেইসকল হ'ল—

১। যোগেন্দ্ৰনাৰায়ণ ভূঞা (অসমীয়া)
২। কৃষ্ণৰাম বৰা (অসমীয়া)
৩। ইদ্ৰিছ আলি (অসমীয়া)
৪। তিলকচন্দ্ৰ মজুমদাৰ (অসমীয়া)
৫। মহেশচন্দ্ৰ ভূঞা (বুৰঞ্জী)
৬। বীৰেন্দ্ৰনাথ ডেকা (অৰ্থনীতি)
৭। ৰেখা দাশগুপ্তা (দৰ্শন)
৮। জ্যোতিনাথ চক্ৰৱৰ্তী (ৰাজনীতি বিজ্ঞান)
৯। ইন্দিৰা ভট্টাচাৰ্য (বাংলা)
১০। মহেন্দ্ৰনাথ শইকীয়া (সংস্কৃত)

ছয়ষষ্ঠি চনৰ ফেব্ৰুৱাৰী মাহৰ ১৮ তাৰিখৰ সভাত সিদ্ধান্ত হ'ল— মাৰ্চ মাহৰ প্ৰথম সপ্তাহত টোডিয়ে কলেজ ভৱনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব। ২২ ফেব্ৰুৱাৰীত যাৱতীয় দলিল আদি প্ৰস্তুত হ'ব, ২৫ ফেব্ৰুৱাৰীত ভৱনৰ নক্সা পোনোৱা (alignment) হ'ব।

সভাপতি লিংডো আৰু দাতা টোডি অনুপস্থিত থকা বাবে ১৮।৪।৬৬ তাৰিখে বহা কৰ্ণধাৰ সমিতিয়ে ভৱন নিৰ্মাণ সম্পৰ্কীয় কথা-বতৰা উল্লিখিত দুজনক সুধি-পুচি পৰৱৰ্তী বৈঠকত জনাবলৈ সম্পাদকক দায়িত্ব দিলে।

২।৬।৬৬ তাৰিখে সমিতি বহিল। উপায়ুক্ত আৰ. ডি. লিংডো সভাপতি। সভাত দেৱকান্ত বৰুৱাও উপস্থিত আছিল। লালচান্দ টোডিও। সভাত টোডিয়ে জনালে যে বিভিন্ন অসুবিধাৰ হেতু তেখেতে কলেজ ভৱনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব পৰা নাই (...due tro various difficulties it was not possible for him to start the construction of the College building)। শিক্ষামন্ত্ৰী বৰুৱাই যথাসম্ভৱ শীঘ্ৰে ঘৰ নিৰ্মাণ কৰাত গুৰুত্ব দিলে, যাতে কলেজখন স্থায়ী সম্বন্ধীকৰণ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ মঞ্জুৰিৰ পৰা বঞ্চিত নহয়। তেখেতে জোৰ দিলে, ভৱন নিৰ্মাণৰ কাৰণে এটা বেলেগ পুঁজি গঠন কৰিব লাগে বুলি। সেই পুঁজিলৈ টোডিয়েও দান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিলে। পৰৱৰ্তী ১৫ তাৰিখে নিৰ্মাণ কাৰ্য আৰম্ভ কৰিব



বুলিও কথা দিলে (...and agreed to start construction of the building by the 15th June)।

১।৭।৬৬ তাৰিখে বহা কৰ্ণধাৰ সমিতিয়ে পূৰ্ৱৱৰ্তী বৈঠকৰ শ্ৰুতি-প্ৰতিশ্ৰুতিৰ একোকে দেখা নাপালে। (The Committee finds that Sri Todi, donor of the College, has not taken any step towards the construction of the building inspite of his promises in the last meeting held on 2-6-66. Nor has he deposited the amount of Rs. 25,000/- to the building fund inspite of reminders. Further, since the last meeting he has not taken any initiative in the matter, nor has he cared to inform the Committee about the position.)। গতিকে, এখন উপসমিতিক কথাটো শিক্ষামন্ত্ৰীক জনাবলৈ আৰু মন্ত্ৰীগৰাকীৰ পৰামৰ্শ ল'বলৈ দায়িত্ব দিয়া হ'ল কৰ্ণধাৰ সমিতিৰ এই বৈঠকতে।

১৩।৭।৬৬ তাৰিখে কৰ্ণধাৰ সমিতিৰ বৈঠক আহ্বান কৰা হৈছিল, কিন্তু সভা অনুষ্ঠিত হোৱাৰ কোনো সাক্ষ্য নাই।

১০।৮।৬৬ তাৰিখে আহুত কৰা এখন সভা থুলৰ অভাৱত স্থগিত ৰখা হ'ল। পিছদিনা (১১।৮।৬৬) সভাখন অনুষ্ঠিত হ'ল। কলেজৰ ঘৰ-দুৱাৰ সজা বিষয়ে পিছে কোনো কথা সেই বৈঠকত আলোচিত নহ'ল। সেই বৈঠকতে কেৱল নহয়, পৰৱৰ্তী ৩০।৯।৬৬, ৫।১১।৬৬, ১০।১১।৬৬ আৰু ৯।১২।৬৬ তাৰিখে বহা সভাতো সেই বিষয়ৰ কোনো আলোচনা নচলিল। এই-যায় ছয়ষষ্ঠি [১৯৬৪] চনতো কলেজ-ভৱন নিৰ্মিত নহ'ল। ৰেডক্ৰছ ভৱনতে আৰু তাৰ চৌহদৰ চালিৰ তলতে শিক্ষাদান চলি থাকিল। অংশকালীন-পূৰ্ণকালীন কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰী এইটো চনতো নিযুক্ত হ'ল। পূৰ্ণকালীনসকল হ'ল গংগাপদ চৌধুৰী (ইংৰাজী), খগেন্দ্ৰনাথ শৰ্মা ৰাজখোৱা (ৰাজনীতি বিজ্ঞান) আৰু সবিতা ভট্টাচাৰ্য (সংস্কৃত)। এই চনতো ১২ গৰাকী ছাত্ৰী কলেজখনৰ পৰা স্নাতক হ'ল।

ছয়ষষ্ঠি চনৰ ডিচেম্বৰ মাহৰ ২৩ তাৰিখটো কলেজখনৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ দিন বুলি চিহ্নিত হ'বৰ যোগ্য। এই তাৰিখে অনুষ্ঠিত কৰ্ণধাৰ সমিতিৰ বৈঠকে দুখেৰে সৈতে লালচান্দ টোডিৰ চিঠি এখন পঢ়িবলগীয়া হ'ল। সেই চিঠিমতে টোডিয়ে কলেজৰ লগত থকা তেওঁৰ সমস্ত সংযোগ বিচ্ছিন্ন কৰিলে। টোডি অকস্মাৎ নিজৰ চুক্তিৰ পৰা ফালৰি কাটি যোৱাৰ ফলত কলেজখনৰ প্ৰভূত ক্ষতি হ'ল (Sri Todi's sudden deperture form the agreement registered on 25-2-66 is very unfortunate and detrimental to the interests of the College.)। নিজৰ প্ৰতিশ্ৰুতি অনুযায়ী কলেজখনৰ ঘৰ-দুৱাৰ সজাত পলম হোৱা বাবে কলেজখন বহুতো প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হ'ল (... his delay in not constructing the building deprived the College of various benefits available from U. G. C., University and Government.)।

টোডিৰ কথাৰ বাবেই কলেজখনৰ কৰ্ণধাৰ সমিতিয়ে ৪-৯-৬২ তাৰিখে নগাঁও উইমেন্ছ কলেজ'ৰ নাম 'এল. চি. টোডি উইমেন্ছ কলেজ'লৈ আৰু ১৫।১১।৬২ তাৰিখে 'এল. চি. টোডি গাৰ্লছ কলেজ'লৈ পৰিৱৰ্তন কৰিছিল। এতিয়া আকৌ টোডিৰ কথাৰ বাবেই অনুষ্ঠানটোৰ নামৰ পৰিৱৰ্তন ঘটিল ২৩।১২।৬৬ তাৰিখে 'নগাঁও গাৰ্লছ কলেজ'লৈ, 'নগাঁও ছোৱালী কলেজ'লৈ (...as Sri Todi has failed to fulfil his promise, the College be renamed as 'Nowgong Girls' College' with immidiate effect.)।

তথাপি নগাঁও ছোৱালী কলেজে, নগাঁৱৰ শিক্ষানুৰাগী ৰাইজে এল. চি. টোডিক, লালচান্দ টোডিক কেতিয়াও নাপাহৰে। ২৩।১২।৬৬ তাৰিখেও নগাঁও ছোৱালী কলেজৰ পৰিচালনা সমিতিয়ে টোডিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছিল। অনিবাৰ্য কাৰণত টোডিয়ে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে যদিও কলেজখনে টোডিৰ পৰা তেতিয়াই প্ৰায় ৪০,০০০ (চল্লিছ হাজাৰ) টকা দান স্বৰূপে পাইছিল। শিক্ষানুষ্ঠানটোৰ নিচেই চালুকীয়া অৱস্থাত এই সংখ্যাটোৰ ওজন নিচেই কম নহয়। তেখেতৰ তেতিয়াৰ সেইখিনি উদাৰতাৰ বাবেই অনুষ্ঠানটোৱে এতিয়া এনে এটা ৰূপ পাইছেহি বুলি পৰিচালনা সমিতিয়ে তেতিয়াই (২৩।১২।৬৬) এনেকৈ স্বীকাৰ কৰিছিল "The Governing Body however places on record its deep appreciation of the donations amounting to nearly Rs. 40,000/- made at the initial stage of the College, which helped the growth of the institution to the present stature, Sri Todi is known for his munificence to public institutions and the College Committee." এল. চি. টোডি আজি নাই, কিন্তু তেখেতৰ উত্তৰাধিকাৰী আছে। ˚ টোডিৰ সেই পৰিচয়টো তেখেতৰ উত্তৰাধিকাৰীসকলে আকৌ উজ্জ্বল কৰি তুলিব নোৱাৰিবনে?

---

যোগেন্দ্ৰনাৰায়ণ ভূঞা, নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক আছিল আৰু অসম পাঠ্যপুথি নিগমৰ সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰিছিল।

# নগাঁও ছোৱালী কলেজৰ আৱয়বিক পৰিচয়

মহেশচন্দ্ৰ ভূঞা
দীপক শৰ্মা

**এই প্ৰবন্ধৰ প্ৰথমাংশ অপৰিবৰ্তিত বানানেৰে ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থৰপৰা পুনৰ্মুদ্ৰিত হৈছে। এই অংশৰ লেখক মহেশচন্দ্ৰ ভূঞা।**
দ্ৰষ্টব্য: যোগেন্দ্ৰনাৰায়ণ ভূঞা সম্পাদিত *স্মৃতিগ্ৰন্থ, ৰূপালীজয়ন্তী, নগাঁও ছোৱালী কলেজ,* ১৯৮৭, পৃষ্ঠা ২৩-৩০।

মধ্য অসমৰ স্ত্ৰীৰ উচ্চশিক্ষাৰ একমাত্ৰ অনুষ্ঠান নগাঁও ছোৱালী কলেজ। গীতিকাৰ, গায়ক, অধ্যাপক বন্ধু শ্ৰীইদ্ৰিছ আলিৰ মানস-পটৰ কলং পাৰৰ "পোহৰৰ কাৰেং" এইটো। এই পোহৰৰ কাৰেং সজাৰ বাস্তৱ অভিজ্ঞতাৰে অনুষ্ঠানটোৰ চমু আভাস দিয়াৰ এক বিনম্ৰ প্ৰচেষ্টাই হৈছে এই প্ৰবন্ধৰ উদ্দেশ্য। প্ৰবন্ধটোত আমি অনুষ্ঠানটোৰ কেৱল আৱয়বিক (মূল) দিশটোহে দাঙি ধৰিম।

নগাঁও গাৰ্লছ কলেজৰ আৱয়বিক গাঁথনিটো বৰ্তমান কেইবাটাও খণ্ড বা শাখাত বিভক্ত হৈ আছে। সেই খণ্ডবোৰ হ'ল:

(ক) প্ৰশাসনীয় ভৱন ১ (Administrative Building)
(খ) অস্থায়ী চালি ২ (Temporary Shades)
(গ) কলেজৰ হল ঘৰ ১ (College Hall)
(ঘ) ভূগোল গৱেষণাগাৰ ১ (Geography Laboratory Building)
(ঙ) নৱনিৰ্মিত দুই মহলীয়া শ্ৰেণী কোঠা ১ (U.G.C's Class Room Building)
(চ) লটাৰী ভৱন ১ (Resource Committee Building)
(ছ) অধ্যাপক-অধ্যাপিকাসকলৰ জিৰণি ঘৰ ১ (Prof. Common Room)
(জ) চকীদাৰৰ আবাস ১ (Chowkidar's Quarters)
(ঝ) নগাঁও ছোৱালী কলেজ ডাকঘৰ ১ (Nowgong Girls' College Post Office Building)

ছাত্ৰী নিবাস:
(ঞ) দুমহলীয়া পকী ছাত্ৰী-নিবাস (R.C.C. Hostel Building)
(ট) শ্বহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰী-নিবাস (S.B.P. Girls' Hostel)

**(ক) প্ৰশাসনীয় ভৱন (Administrative Block)**

কলং সুঁতিৰ উত্তৰ পাৰে ই এণ্ড ডি বিভাগৰ মথাউৰিৰ (যাক বৰ্তমান কলেজৰ ৰাস্তা বুলি কোৱা হয়) সমান্তৰালভাৱে পূৱা-পশ্চিমাকৈ এই ভৱন অৱস্থিত। ইয়াৰ দৈৰ্ঘ্য ১০০/ ফুট আৰু প্ৰস্থ দুয়োফালে বাৰাণ্ডাসহ ৩৬/ ফুট। এই ভৱনৰ সোঁ মাজতে ১০/ ফুট প্ৰস্থৰ এডোখৰ মুকলি ঠাই। ভৱনৰ মুঠ কোঠাৰ সংখ্যা ৫। বৰ্তমানে ইয়াৰে এটা অংশ অধ্যক্ষৰ কাৰ্যালয় আৰু আন এটা অংশ গ্ৰন্থাগাৰ আৰু ছাত্ৰীসকলৰ জিৰণি কোঠাৰূপে ব্যৱহৃত হৈছে। ১৯৬৬ চনৰ শেষৰফালে এই ভৱনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। এই ভৱনৰ নিৰ্মাণ-কাৰ্যত কাৰিকৰী দিশত দিহা-পৰামৰ্শ আগবঢ়াইছিল তেতিয়াৰ নগাঁও জিলাৰ নদী আৰু মথাউৰি বিভাগৰ কাৰ্যবাহী অভিযন্ত শ্ৰীৰত্নকান্ত দত্ত ডাঙৰীয়াই। এইখিনিতে এটা ত্ৰুটীৰ কথা বৰ্তমান সকলোৱে উপলব্ধি কৰিছে যে যদি ভৱনটো আৰু অলপ ওখ কৰি দুমহলীয়া কৰা হ'লহেঁতেন, তেতিয়াহ'লে কলেজৰ ঘৰৰ বহু সমস্যাৰ সমাধান হ'লহেঁতেন। কিয়নো বৰ্তমানে সেই মাটিতে ৩ মহলীয়া পকীঘৰ নিৰ্মিত হ'ব ধৰিছে। এই ভৱনৰ নিৰ্মাণ ১৯৬৮ চনত সম্পূৰ্ণ হয় আৰু ইয়াত ব্যয় হয় ৮৪,০০০.০০ (চৌৰাশী হাজাৰ টকা)।

**(খ) অস্থায়ী চালিঘৰ দুটা (Temporary Shades)**

প্ৰশাসনীয় ভৱন নিৰ্মিত হোৱাৰ লগে লগে ভাড়া ঘৰৰপৰা কলেজৰ শ্ৰেণীসমূহ নিজা স্থানলৈ অনাৰ এক উৎসাহ-



উদ্দীপনা সৃষ্টি হয়। কিন্তু সমস্যাৰ অন্ত নপৰিল। শ্ৰেণীসমূহ বহুৱাবৰ বাবে ঠাইৰ অভাৱ। অধ্যাপক-অধ্যাপিকা, অধ্যক্ষ সকলোৱে সমূহীয়া শ্ৰম আৰু প্ৰচেষ্টাৰে আৰম্ভ কৰা হ'ল অৰ্থ সংগ্ৰহ অভিযান। বহুতো মিঠা আৰু তিতা অভিজ্ঞতাৰে ভৰা এই মুষ্টিভিক্ষা অভিযান। যি হওক, ভ্ৰাম্যমান, নটৰাজ আদি থিয়েটাৰসমূহৰদ্বাৰা অভিনয় কৰাই আৰু শ্ৰীকৃষ্ণ টকীজৰ স্বত্বাধিকাৰী শ্ৰীকাশীপ্ৰসাদ বিহানী ডাঙৰীয়াৰ অনুগ্ৰহত 'ৰাম ঔৰ শ্যাম' নামৰ হিন্দী কথাছবিখনৰ প্ৰদৰ্শনৰ যোগে সৰ্বমুঠ ৩২,০০০.০০ (বত্ৰিছ হাজাৰ) টকা সংগৃহীত হৈছিল। এই পুঁজিৰে ১৩০/ ফুট দৈৰ্ঘ্যৰ আৰু ২১/ ফুট প্ৰস্থৰ, সন্মুখৰ ফালে ৩/ ফুট বাৰাণ্ডাৰ সৈতে দুটা চালিঘৰ নিৰ্মাণ কৰা হয়। প্ৰশাসনীয় ভৱনৰ পূব আৰু পশ্চিম ফালে দুয়োখন চালিত মুঠ ১৫ টা কোঠাৰ ব্যৱস্থা কৰি ন্যূনতম সুবিধাৰে ১৯৬৮ চনৰ ১ জুলাই তাৰিখে আমোলাপট্টিৰ দুইমহলীয় ৰেড্‌ক্ৰছ ভৱনৰ ভাড়াঘৰৰপৰা কলেজখন স্থানান্তৰিত কৰা হৈছিল।

দক্ষ প্ৰশাসক, নিৰ্ভীক, কৰ্তব্যপৰায়ণ আৰু সু-গভীৰ ব্যক্তিত্বৰ অধিকাৰী তেতিয়াৰ অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীৰ নেতৃত্বত নগাঁও ছোৱালী কলেজে কিন্তু শৈক্ষিক দিশত চমকপ্ৰদ সাফল্য দেখুৱাই অসমৰ ভিতৰতে এক বিশিষ্ট স্ত্ৰীশিক্ষাৰ অনুষ্ঠান হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। শৈক্ষিক দিশৰ তুলনাত আৱয়বিক দিশত কলেজখনৰ দৈন্য অদ্যাপি দৃষ্টিকটু। প্ৰশাসনীয় ভৱন আৰু দুই অস্থায়ী চালিঘৰে সাময়িকভাৱে কলেজখনৰ কিছু অভাৱ দূৰ কৰিলেও ছাত্ৰীৰ বৰ্দ্ধিত সংখ্যাই আকৌ নতুন সমস্যাৰ সৃষ্টি কৰিলে। যিহেতু কলেজখন মধ্য অসমৰ স্ত্ৰীৰ একমাত্ৰ উচ্চ-শিক্ষাৰ আকৰ্ষণীয় অনুষ্ঠান, সেইবাবে ছাত্ৰীবাসৰ চাহিদা যথেষ্ট বৃদ্ধি পোৱাত কৰ্তৃপক্ষই স্থায়ী ছাত্ৰীবাস নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰিছিল। বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগে (U.G.C.) আৰু ৰাজ্যিক চৰকাৰক ছাত্ৰী-নিবাসৰ আঁচনি দাখিল কৰা হয়, আৰু ১৯৬৭ চনত অধ্যক্ষ গোস্বামী ডাঙৰীয়াই ছাত্ৰীসকলৰ সৈতে বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ তেতিয়াৰ সভাপতি ড° ডি এছ কোঠাৰীক নতুন দিল্লীত সাক্ষাৎ কৰি এই দাবী উত্থাপন কৰে। ইয়াৰ পৰিণতি স্বৰূপে চতুৰ্থ পৰিকল্পনাৰ সময় ছোৱাত ছাত্ৰী-নিবাসৰ বাবে কলেজখনে ১,৫০,০০০.০০ (এক লাখ পঞ্চাছ হাজাৰ) টকাৰ এটা মঞ্জুৰি লাভ কৰিছিল।

**(গ) কলেজৰ হল-ঘৰ (College Hall)**

প্ৰশাসনীয় ভৱনৰ পশ্চিম ফালে অৱস্থিত ২ নং চালিঘৰৰ পশ্চিম অংশ লগতে উত্তৰা-দক্ষিণাকৈ ১৩০/ ফুট দৈৰ্ঘ্যৰ আৰু ৪০/ ফুট প্ৰস্থৰ পূব, উত্তৰ আৰু দক্ষিণ ফালে ৮/ ফুট প্ৰস্থৰ একোখন বাৰাণ্ডাৰে সৈতে কলেজৰ হলঘৰটো। ১৯৭১-৭৩ চনত এই ঘৰ কলেজ কৰ্তৃপক্ষই সাজি উলিয়ায়। এই ঘৰৰ নিৰ্মাণ কাৰ্যত তেতিয়াৰ কলেজ পৰিচালনা সমিতিৰ সম্পাদক, অধিবক্তা শ্ৰীদীনেশ বৰা ডাঙৰীয়াৰ বৰঙণি উল্লেখযোগ্য। অতিশয় আৰ্থিক সংকটৰ সন্মুখীন হৈও শ্ৰীবৰাদেৱে দৃঢ়তাৰে উক্ত ভৱনৰ কাম সম্পূৰ্ণ কৰে। এই ভৱন সম্পূৰ্ণ হোৱাৰে পৰা কলেজখনৰ সভা-সমিতি আদি পতা কামত যথেষ্ট সুবিধা হয়, আৰু ডাঙৰ শ্ৰেণীসমূহ অস্থায়ী বেৰা দি বহুওৱাৰ ব্যৱস্থা কৰা হয়। অৱশ্যে প্ৰয়োজনীয় নথিৰ অভাৱত এই ভৱন নিৰ্মাণৰ মুঠ ব্যয়ৰ সাংখ্যিক হিচাপ দাঙি ধৰিব পৰা নগ'ল।

**(ঘ) ভূগোল গৱেষণাগাৰ (Geography Laboratory Building)**

সম্পাদক অধিবক্তা শ্ৰীদীনেশ বৰা ডাঙৰীয়াৰ কাৰ্যকালতে ৩০/ ফুট দৈৰ্ঘ্যৰ ২০/ ফুট প্ৰস্থৰ আৰু চাৰিওফালে ৬/ ফুট প্ৰস্থৰ বাৰাণ্ডাৰে সৈতে (সংলগ্ন শৌচাগাৰ, প্ৰস্ৰাৱাগাৰ) এই ঘৰৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছিল। এই দুয়োটা স্থায়ী কামৰ বাবে শ্ৰীবৰা ডাঙৰীয়া কলেজৰ এই ৰূপালী জয়ন্তী উৎসৱৰ সময়ত সঁচাকৈয়ে স্মৰণীয়। বৰ্তমানৰ অধ্যক্ষই প্ৰয়োজন সাপেক্ষে অস্থায়ী বেৰা দি এই গৱেষণাগাৰক সমানে দুটা কোঠাত ভাগ কৰিছে আৰু বিভাগীয় যাৱতীয় সা-সৰঞ্জাম আদি ৰাখিবৰ বাবে উত্তৰ আৰু পশ্চিম ফালৰ বাৰাণ্ডা দুখন পকা দেৱালেৰে আবৰি গুদাম ঘৰৰ ব্যৱস্থা কৰি দিছে।

**(ঙ) নৱনিৰ্মিত দুমহলীয়া শ্ৰেণী কোঠা (U. G. C's R.C.C. Class-Room Building)**

১৯৬৯ চনৰপৰা ১৯৮৩ চনলৈ এই সুদীৰ্ঘ ১৬ বছৰ সময় নগাঁও ছোৱালী কলেজৰ ইতিহাসৰ এক "অন্ধকাৰ যুগ" (Dark Period) বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। প্ৰাণ-চঞ্চল ছোৱালী কলেজৰ এইছোৱা অতিশয় দুৰ্যোগৰ সময়। এই সময় ছোৱাত কলেজৰ সকলো আশা-আকাংক্ষা, কল্পনা-বিলাস আদিৰ অৱসান ঘটি এক স্থবিৰ, নিৰলস আৰু প্ৰাণহীন অৱস্থাৰ সৃষ্টি হয়। ১৯৬৯ চনৰ কলেজ প্ৰতিষ্ঠা দিৱস উৎসৱ অনুষ্ঠানৰ লগতে স্থায়ী ছাত্ৰীবাসৰ আধাৰশিলা স্থাপনৰ আয়োজন কৰি কলেজ কৰ্তৃপক্ষই সেই সময়ৰ অসমৰ মাননীয় ৰাজ্যপাল শ্ৰীব্ৰজকুমাৰ নেহৰুক আমন্ত্ৰণ জনাইছিল আৰু ৰাজ্যপাল মহোদয়ে এই আমন্ত্ৰণ ৰক্ষা কৰি নগাঁও ছোৱালী কলেজত উপস্থিত থাকি ছাত্ৰীনিবাসৰ আধাৰশিলা স্থাপন অনুষ্ঠান সম্পন্ন কৰিছিল। কলেজ কৰ্তৃপক্ষই সেইদিনা ৰাজ্যপাল মহোদয়ৰ সন্মানাৰ্থে এক নৈশ ভোজৰ আয়োজন কৰিছিল। আনহাতে বিয়লি কলেজ প্ৰতিষ্ঠা দিৱস উপলক্ষে এক ৰাজহুৱা সভা আৰু ৰাতি এক সাংস্কৃতিক অনুষ্ঠানৰো দিহা কৰা হৈছিল। কিন্তু কলেজৰ দুৰ্ভাগ্য যে উক্ত

সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হোৱা মুহূৰ্ততে আকস্মিকভাৱে অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী ডাঙৰীয়া অসুস্থ হৈ পৰে আৰু তেতিয়াৰপৰা তেখেতে সকলো কাৰ্যক্ষমতা হেৰুৱায়, যাৰ ফলত কলেজখনৰ প্ৰশাসনীয় দিশত এক শিথিলতাৰ সৃষ্টি হয়। দীৰ্ঘদিন কলেজত অধ্যক্ষ ডাঙৰীয়া অনুপস্থিত থকাত ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীমতী তৰু বৰুৱাই কাৰ্যনিৰ্বাহ কৰিব লগা হয়। এনেদৰেই আবয়বিক দিশত যি তৎপৰতা আৰু ক্ষিপ্ৰতাৰ প্ৰয়োজন আছিল, সি সম্পূৰ্ণৰূপে ব্যাহত হয়, যাৰ ফলত কলেজৰ ঘৰ-দুৱাৰ আদিৰ নিৰ্মাণৰ অগ্ৰগতিত যতি পৰিছিল। অৱশ্যে অধ্যাপক-অধ্যাপিকাসকলৰ নিষ্ঠা আৰু ঐকান্তিকতাৰ ফলস্বৰূপে শৈক্ষিক দিশত কলেজখনে একেই অগ্ৰগতি লাভ কৰিছিল। অসুস্থতাৰ মাজতেই ১৯৮০ চনত অধ্যক্ষ শ্ৰীগোস্বামী ডাঙৰীয়াৰ কাৰ্যকালৰ অন্ত পৰে।

১৯৮৩ চনত কলেজ কৰ্তৃপক্ষই দ্বিতীয়জন অধ্যক্ষ নিয়োগ কৰাত এক দীঘলীয়া জড়তাৰ অৱসান ঘটে, আৰু নৱনিযুক্ত অধ্যক্ষ ড° ৰত্নকান্ত বৰুৱা ডাঙৰীয়াৰ কাৰ্যভাৰ গ্ৰহণৰ লগে লগে আবয়বিক দিশত পুনৰ কৰ্ম-চঞ্চলতা আৰম্ভ হয়। অৱশ্যে ভাৰপ্ৰাপ্ত অধ্যক্ষা তৰু বৰুৱাৰ কাৰ্যকালৰ ভিতৰতে ৬ষ্ঠ পৰিকল্পনাৰ বাবে বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ ওচৰত বিধিমতে প্ৰাপ্য মঞ্জুৰিৰ বাবে যাৱতীয় আঁচনি আৰু বাজেট দাখিল কৰা হৈছিল। নতুন অধ্যক্ষ বৰুৱা ডাঙৰীয়াই অতি তৎপৰতাৰে এই দিশত মনোনিবেশ কৰে আৰু বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰপৰা কলেজৰ শ্ৰেণীকোঠাৰ বাবদ ১,৪০,০০০.০০ (এক লাখ চল্লিছ হাজাৰ) টকাৰ মঞ্জুৰি লাভ কৰে। উক্ত পুঁজিৰে এই নতুন দুমহলীয়া শ্ৰেণীকোঠাৰ কাম আৰম্ভ কৰা হয় ১৯৮৩ চনতে। এই ভৱনৰ দৈৰ্ঘ্য ৮৬/ ফুট আৰু প্ৰস্থ ৩৩/ ফুট (সন্মুখৰ ফালে বাৰাণ্ডাৰে সৈতে)। এই দুমহলীয়া ভৱনৰ তলৰ মহলাৰ কাম সম্পূৰ্ণ কৰি বৰ্তমান শ্ৰেণীসমূহ বহুওৱা হৈছে আৰু এতিয়া ওপৰ মহলাৰ কামো বৰ্তমানৰ অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা ডাঙৰীয়াৰ তৎপৰতাত সম্পূৰ্ণ হোৱাৰ পথত। ওপৰ মহলাৰ লগে লগে দ্বিতীয় মহলাৰ কামো অতি সোনকালে সম্পূৰ্ণ কৰাৰ এক আঁচনি কৰা হৈছে আৰু অতি শীঘ্ৰে এই কাম আৰম্ভ কৰা হ'ব। এই ভৱন সম্পূৰ্ণ হোৱাৰ লগে লগে কলেজৰ ২ নং চালিঘৰ (প্ৰশাসনীয় ভৱনৰ পশ্চিম ফালে থকা) ভাঙি দিয়া হ'ব আৰু বহু পৰিমাণে শ্ৰেণীকোঠাৰ অভাৱ আঁতৰিব।

### (চ) লটাৰী ভৱন (Resource Committee Building)

দ্বিতীয়জন অধ্যক্ষ ড° বৰুৱা ডাঙৰীয়াৰ কাৰ্যকালতে কলেজখনৰ আৰু এটা স্থায়ী ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছিল। এই ভৱনৰ দৈৰ্ঘ্য ৭০/ ফুট আৰু প্ৰস্থ ২৫/ ফুট। ভৱনৰ উত্তৰফালে ৬/ ফুট প্ৰস্থৰ বাৰাণ্ডা। ইয়াৰ কোঠা দুটা। বৰুৱা ডাঙৰীয়াৰ কাৰ্য্যকালতে কলেজৰ সাহায্যাৰ্থে এক লটাৰী অনুষ্ঠিত হয় আৰু এই লটাৰীৰ পৰা এক শকত পৰিমাণৰ ধন বাহি হয়। এই পুঁজিৰ ১,৭০,০০০.০০ (এক লাখ সত্তৰ হজাৰ) টকাৰপৰা ১,২৮,০০০.০০ (একলাখ আঠাইছ হাজাৰ) টকাৰে উক্ত ঘৰ কলেজৰ প্ৰশাসনীয় ভৱনৰ পূব ফালে ৰাস্তাৰ সমান্তৰালকৈ আৰু পুবা-পশ্চিমাকৈ নিৰ্মাণ কৰা হয়। ইয়াৰ উপৰি বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ অনুদানেৰে নিৰ্মাণ কৰি থকা দুমহলীয় ভৱনৰ বাবে প্ৰাৰম্ভিক পৰ্যায়ত ৬০,০০০.০০ (যাঠি হাজাৰ) টকা লটাৰী পুঁজিৰপৰা খৰচ কৰা হয়। এই দুটা ভৱনৰ কাম প্ৰায় একে সময়তে সম্পূৰ্ণ হয় আৰু তেতিয়াৰেপৰা কলেজৰ শ্ৰেণীসমূহ বহুওৱাৰ ক্ষেত্ৰত থকা অসুবিধাৰ কিছু অৱসান ঘটে।

### (ছ) অধ্যাপক-অধ্যাপিকাসকলৰ জিৰণি ঘৰ (Professors' Common Room)

কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত প্ৰশাসনীয় ভৱনৰ যিটো কোঠা জিৰণি কোঠা হিচাপে ব্যৱহাৰ কৰা হৈছিল, সেইটো নিচেই সৰু হোৱা কাৰণে একেলগে সকলো অধ্যাপক-অধ্যাপিকা গোট খাই কোনো আলোচনা, সভা-সমিতি আদি পতাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছিল। এই দিশলৈ লক্ষ্য ৰাখি কলেজ কৰ্তৃপক্ষই এটা আহল-বহল জিৰণি কোঠা নিৰ্মাণৰ আঁচনিত অনুমোদন জনায় আৰু বৰ্তমানৰ অধ্যক্ষ শ্ৰীবৰা ডাঙৰীয়াৰ তৎপৰতাৰ ফলত প্ৰশাসনীয় ভৱনৰ সমান্তৰালভাৱে মথাউৰিৰ (ৰাস্তাৰ) দক্ষিণ ফালে কলং সুঁতিৰ নিচেই পাৰতে ৬২/ ফুট দৈৰ্ঘ্যৰ আৰু ১৭/ ফুট প্ৰস্থৰ (নদীৰ ফালে ৩/ ফুট বাৰাণ্ডাৰে সৈতে) এই ঘৰ (জিৰণি কোঠা) নিৰ্মাণ কৰা হয়। ঘৰটো সম্পূৰ্ণ হোৱাত অধ্যাপক-অধ্যাপিকাসকলৰ এটা স্থায়ী অভাৱ দূৰ হয়।

### (জ) চকীদাৰৰ আবাস (Chowkidar's Quarters)

সুদীৰ্ঘ ২৫ বছৰ কাল অতিবাহিত হ'ল, অথচ কলেজখনৰ দিবা আৰু নৈশ চকীদাৰ দুজনৰ বাবে কলেজ-চৌহদত কোনো স্থায়ী বাসগৃহৰ ব্যৱস্থা নাছিল। টিং পাতৰ অস্থায়ী চালি আৰু খেৰৰ জুপুৰীতে এওঁলোকে এই সুদীৰ্ঘ ২৫ বছৰ কাল অতিবাহিত কৰি কলেজখনৰ প্ৰতি তেওঁলোকৰ সেৱা আগবঢ়াইছিল। চতুৰ্থ শ্ৰেণীৰ এই কৰ্মচাৰীসকলৰ বাসস্থানৰ পুতৌ লগা অৱস্থা দেখা পাই কলেজৰ বৰ্তমানৰ পৰিচালনা সমিতিয়ে তেওঁলোকৰ বাবে স্থায়ী বাসগৃহ নিৰ্মাণ কৰাৰ সিদ্ধান্ত কৰে আৰু সেই সিদ্ধান্ত অনুযায়ী অধ্যক্ষ বৰা ডাঙৰীয়াই অতি তৎপৰতাৰে চকীদাৰৰ বাসগৃহ নিৰ্মাণ কৰায়। কলেজৰ পুবফালে লটাৰী ভৱনৰ ওচৰতে ২২/ ফুট দৈৰ্ঘ্যৰ আৰু ১৮/ ফুট প্ৰস্থৰ (দক্ষিণ আৰু উত্তৰফালে ৬/ ফুট বাৰাণ্ডাৰে সৈতে) এটা 'আসাম টাইপ' ঘৰ সাজি উলিওৱা হয়। এই ঘৰ নিৰ্মাণৰ সৰ্বমুঠ ব্যয় হয় ৩২,০০০.০০ (বত্ৰিছ হাজাৰ) টকা। ঘৰ সম্পূৰ্ণ হোৱাত দুয়োজন চকীদাৰৰে বসবাস কৰিবলৈ সুবিধা হৈছে।

### (ঝ) নগাঁও ছোৱালী কলেজ ডাকঘৰ (Nowgong Girls' College Post Office)

১৯৬৮ চনত কলেজ নিজা ঘৰলৈ অহাৰ সময়তে তেতিয়াৰ অধ্যক্ষ শ্ৰীগোস্বামী ডাঙৰীয়াই ডাক-তাঁৰ বিভাগৰ সৈতে যোগাযোগ কৰি এটা শাখা ডাকঘৰ কলেজৰ নামত মঞ্জুৰ কৰায়। কলেজ চৌহদৰ পূব প্ৰান্তত অৱস্থিত এই শাখা ডাকঘৰে কলেজৰ যাৱতীয় লেনদেন কৰাৰ উপৰি সমীপৱৰ্তী উত্তৰ হয়বৰগাঁও অঞ্চলৰ ৰাইজৰ বাবেও যথেষ্ট সা-সুবিধা আগবঢ়াইছে। ডাকঘৰ ভৱনটো কলেজৰ সম্পূৰ্ণ নিজা সম্পত্তি। ইয়াৰ বাবদ ডাক-তাঁৰ কৰ্তৃপক্ষই কলেজক মাহিলি ভাৰাৰ বাবদ ১৫০.০০ টকা দিয়ে। প্ৰাক্তন অধ্যক্ষ গোস্বামী ডাঙৰীয়াৰ ই এক দূৰদৰ্শিতাৰ নিদৰ্শন।

### (ঞ) দুমহলীয়া পকী ছাত্ৰী-নিবাস (RCC College Hostel)

নগাঁও ছোৱালী কলেজৰ আন এটা জ্বলন্ত সমস্যা হৈছে কলেজৰ ছাত্ৰী-নিবাসৰ। পূৰ্ণ পৰ্যায়ৰ এক স্ত্ৰী শিক্ষাৰ অনুষ্ঠানত ছাত্ৰী-নিবাসত যিমান পৰিমাণৰ আসনৰ ব্যৱস্থা থকা উচিত, নগাঁও ছোৱালী কলেজে এই ক্ষেত্ৰত অদ্যাপি সফলতা অৰ্জন কৰিব পৰা নাই। প্ৰতি বছৰে দূৰ-দূৰণিৰ ছাত্ৰীসকলে ছাত্ৰীবাসত আসনৰ অভাৱত এই কলেজত নাম ভৰ্তি কৰাৰপৰা বিমুখ হ'ব লগাত পৰে। বৰ্তমানে থকা দুটা ছাত্ৰীবাসত মুঠ আসনৰ সংখ্যা ১৭২। কিন্তু প্ৰতি বছৰে নাম ভৰ্তিকৰণৰ সময়ত ছাত্ৰী-নিবাসত আসনৰ বাবে আবেদন কৰা ছাত্ৰীৰ সংখ্যা মুঠ আসনৰ সংখ্যাতকৈ ৩ গুণ বেছি। কলেজ কৰ্তৃপক্ষই এই গুৰুত্বপূৰ্ণ সমস্যাৰ সমাধানৰ বাবে এক বলিষ্ঠ পদক্ষেপ লোৱাৰ প্ৰয়োজন। ছাত্ৰী-নিবাসৰ পৰিবৰ্ধন কৰি হ'লেও আগ্ৰহী ছাত্ৰীসকলক আসনৰ ব্যৱস্থা কৰি দিয়াটো কলেজ কৰ্তৃপক্ষৰ নৈতিক দায়িত্ব।

১৯৬৯ চনত বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ অনুদানেৰে আৰম্ভ কৰা দুমহলীয় ছাত্ৰী-নিবাসৰ এটা অংশহে সম্পূৰ্ণ কৰা হ'ল। এই ভৱনৰ আৰ্হি (model) ইংৰাজী বৰ্ণমালাৰ 'E' বৰ্ণৰ দৰে আছিল। যি অংশ সম্পূৰ্ণ হ'ল, তাৰ দুয়োটা মহলাৰ মুঠ কোঠাৰ সংখ্যা হ'ল ২০। ইয়াত বৰ্তমান ৯০ গৰাকী ছাত্ৰীৰ বাবে আসনৰ ব্যৱস্থা আছে। বহু ঘাত-প্ৰতিঘাতৰ মাজেদি ১৯৭৫ চনত মুঠ ২,৭৮,১০৫.০০ (দুই লাখ আঠসত্তৰ হাজাৰ এশ পাঁচ) টকা ব্যয়েৰে এই ছাত্ৰী-বাস সম্পূৰ্ণ কৰা হ'ল। কিন্তু অদ্যাপি ইয়াৰ এটা স্থায়ী নামকৰণ কৰা হোৱা নাই। সুখৰ বিষয় যে নগাঁও ছোৱালী কলেজৰ শিক্ষক গোটে (Teachers' Unit) যোৱা ৩/৮/৮৭ তাৰিখৰ সভাত গৃহীত এক প্ৰস্তাৱযোগে কলেজ কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে আনুষ্ঠানিকভাৱে ৰূপালী জয়ন্তী উৎসৱতে এই দুমহলীয়া ছাত্ৰী-বাসৰ নামকৰণ নগাঁৱৰ স্বনামধন্যা মহিলা স্বৰ্গীয়া পদ্মাৱতী দেৱী ফুকননীৰ নামেৰে কৰিব লাগে বুলি সিদ্ধান্ত কৰিছে।

### (ট) শ্বহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰী-নিবাস (SBP Girls' Hostel)

১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামৰ অন্যতম বীৰাঙ্গণা, ফিৰিঙী বগা চাহাবৰ গুলীত প্ৰাণ আহুতি দিয়া নগাঁৱৰ বঢ়মপুৰৰ আইতা স্বৰ্গীয়া ভোগেশ্বৰী ফুকননীৰ পুণ্য স্মৃতিত নিৰ্মিত এই ছাত্ৰী-বাসৰ জন্মৰ ইতিহাসত নাটকীয়তা আছে। নগাঁও ছোৱালী কলেজৰ অন্যতম পৃষ্ঠপোষক আৰু হিতাকাংক্ষী, জন্মলগ্নৰেপৰা কলেজখনৰ লগত জড়িত ব্যক্তি শ্ৰীদেৱকান্ত বৰুৱা ডাঙৰীয়াই ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি (President, A.I.C.C.)ৰূপে কাৰ্যনিৰ্বাহ কৰা সময়তে কলেজৰ প্ৰাক্তন অধ্যক্ষ (বোম্বাই) প্ৰদেশ কংগ্ৰেছৰ তেতিয়াৰ সভাপতি ৰজনী পেটেল ডাঙৰীয়াৰপৰা ১,৭৫,০০০.০০ (এক লাখ পয়সত্তৰ হাজাৰ) টকাৰ এখন চেক্ পালে। অৱশ্যে কেইদিনমান পিছতে এই ৰহস্যৰ অৱসান ঘটালে স্বয়ং কংগ্ৰেছ সভাপতি শ্ৰীবৰুৱা ডাঙৰীয়াৰ চিঠিয়ে। বৰুৱাদেৱে দুখীয়া ছাত্ৰীসকলে নিজে ৰান্ধি-বাঢ়ি খাই পঢ়া-শুনা কৰিব পৰাকৈ আইতা শ্বহীদ ভোগেশ্বৰী ফুকননীৰ স্মৃতিত এই ছাত্ৰী-নিবাস নিৰ্মাণ কৰিবলৈ পৰামৰ্শ দিয়ে আৰু এই উদ্দেশ্যে এখন তত্ত্বাৱধায়ক কমিটি গঠন কৰি দিয়ে। ক্ষীৰোদ কুমাৰ বৰুৱা এই কমিটিৰ সম্পাদক আৰু শ্ৰীমতী উষা বৰঠাকুৰ ইয়াৰ সভানেত্ৰী আছিল। ১৯৭৩ চনত শ্ৰীবৰুৱাদেৱে আনুষ্ঠানিকভাৱে এই ছাত্ৰী-বাসৰ এটা অংশ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰে আৰু বাকী অংশৰ কাম ভেটিৰ (plints) পৰ্যায়তে ৰৈ যায়। কিন্তু বৰ্তমানৰ অধ্যক্ষ ডাঙৰীয়াই এই আধৰুৱা অংশৰ নিৰ্মাণ সম্পূৰ্ণ কৰি দক্ষিণ আৰু পশ্চিম ফালে ৮/ ফুট ওখ পকী দেৱাল তৈয়াৰ কৰি ছাত্ৰীসকলৰ ৰক্ষণাবেক্ষণৰ সু-ব্যৱস্থা কৰিছে। এই ছাত্ৰী-বাসত মুঠ কোঠাৰ সংখ্যা ১৩। এই ছাত্ৰী-বাসত ৮২ গৰাকী ছাত্ৰী থকাৰ

ব্যৱস্থা আছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সৌজন্যত এই ছাত্ৰীবাসলৈ পনী যোগানৰ ব্যৱস্থাও সম্পূৰ্ণ কৰা হৈছে।

কলেজৰ বৰ্তমন পৰিচালনা সমিতি আৰু অধ্যক্ষা ডাঙৰীয়া কি দৰে ঘৰ-দুৱাৰৰ নিৰ্মাণৰ দিশত অগ্ৰগতি লাভ কৰিব পাৰে, তাৰ প্ৰতি সম্পূৰ্ণ সচেতন। এইটো এটা অনুষ্ঠানৰ বাবে অতি প্ৰয়োজনীয় বিষয়। বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ ওচৰত বিভিন্ন আঁচনি, যেনে— পূৰ্ণ পৰ্যায়ৰ গ্ৰন্থাগাৰ ভৱন, অডিটৰিয়াম আদিৰ বাবে আবেদন কৰা হৈছে। সপ্তম পৰিকল্পনাৰ সময়ছোৱাত কলেজখনে যথেষ্ট অনুদান লাভ কৰিবলৈ সক্ষম হ'লে বৰ্তমানৰ সকলো অভাৱ দূৰীভূত হ'ব আৰু অদূৰ ভৱিষ্যতে কলেজত বিজ্ঞান শাখা খুলিবৰ বাবে সুবিধা হ'ব।

বৰ্তমানৰ দুমহলীয়া ভৱনটোৰ দুয়োটা মহলাৰ কাম প্ৰায় সম্পূৰ্ণ। প্ৰথম মহলা সম্পূৰ্ণ হ'লেই অবিলম্বে দ্বিতীয় মহলাৰ নিৰ্মাণৰ কামো সম্পূৰ্ণ কৰাৰ আঁচনি গ্ৰহণ কৰা হৈছে। অৱশ্যে এই ক্ষেত্ৰত প্ৰধান অন্তৰায় হৈছে পুঁজি। ৰূপালীজয়ন্তী উৎসৱ উদ্‌যাপনৰ ৰাহি পুঁজিৰে এই নিৰ্মাণ সম্পূৰ্ণ কৰিব পৰা হ'ব বুলি আমি আশা ৰাখিছোঁ। ডেকা অধ্যক্ষ শ্ৰীবৰা ডাঙৰীয়াৰ চেষ্টাত কলেজৰ ভৱন নিৰ্মাণৰ সকলো আধৰুৱা কাম সম্পূৰ্ণ হৈ উঠিব আৰু সমগ্ৰ অসম তথা উত্তৰ-পূৱ ভাৰতৰ ভিতৰতে নগাঁও ছোৱালী কলেজে স্ত্ৰী শিক্ষাৰ প্ৰধান অনুষ্ঠানৰূপে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হ'ব। ৰূপালী জয়ন্তীৰ আনন্দমুখৰ পৰিবেশত ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাওঁ কলং পাৰৰ এই "পোহৰৰ কাৰেঙ"ৰ উজ্জ্বল জ্যোতিৰে স্ত্ৰী শিক্ষাৰ জগতখন জ্যোতিষ্মান হওক।

জয়তু নগাঁও ছোৱালী কলেজ।

**এই লেখাৰ পৰৱৰ্তী অংশ দীপক শৰ্মাৰ সংযোজন, য'ত আছে ৰূপালী জয়ন্তীৰ পিছৰ ছোৱাত হোৱা কলেজখনৰ অৱয়বগত বৃদ্ধি আৰু ৰূপান্তৰ।**

১৯৮৭ চনত নগাঁও ছোৱালী কলেজৰ ৰূপালীজয়ন্তীৰ স্মৃতিগ্ৰন্থত সন্নিৱিষ্ট মহেশচন্দ্ৰ ভূঞাদেৱৰ লিখনিৰপৰা পাঠকে প্ৰথম আঢ়েটা দশকৰ কলেজৰ আৱয়বিক ও আন্তঃগাঁথনিৰ বিকাশ সম্পৰ্কে অৱগত হ'ব। ইয়াত তাৰ পাছৰ পঁচিছটা বছৰৰ আৱয়বিক ও আন্তঃগাঁথনিৰ অগ্ৰগতিৰ বিষয়ে থোৰতে জনোৱাৰ প্ৰয়াস কৰা হ'ব।

১৯৮৩ চনত আৰম্ভ কৰা প্ৰশাসনীয় ভৱনৰ পশ্চিম দিশত ৮৬' ফুট দৈৰ্ঘ্য আৰু ৩০.৫' ফুট প্ৰস্থ (সন্মুখৰ ফালে বাৰাণ্ডাৰে সৈতে) প্ৰথম-মহলাৰ কাম সম্পূৰ্ণ হোৱাত সেই সময়ৰ অধ্যক্ষ বিমলকুমাৰ বৰাদেৱৰ তৎপৰতাত অসম আৰ্হিৰ দ্বিতীয় মহলাৰ কামো সম্পূৰ্ণ হয়। এই ভৱনৰ কাম সম্পূৰ্ণ হোৱাৰ লগে লগে প্ৰশাসনীয় ভৱনৰ পশ্চিমফালে থকা চালিঘৰ ভাঙি শ্ৰেণীকোঠাসমূহ নতুন ভৱনলৈ স্থানান্তৰ কৰা হয়।

১৯৮৭ চনৰ পিছৰ নগাঁও ছোৱালী কলেজৰ আৱয়বিক গাঁথনি কেইবাটাও খণ্ড বা শাখাত বিভক্ত হৈ আছে। সেই খণ্ডবোৰ হ'ল—

## ১। ছাত্ৰী জিৰণী কোঠা

নগাঁও ছোৱালী কলেজত ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি তদানীন্তন অধ্যক্ষ বিমলকুমাৰ বৰাদেৱে ১৯৯১-৯২ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা ছাত্ৰী জিৰণি কোঠা নিৰ্মাণাৰ্থে পোৱা অনুদানৰ ২,০০,০০০.০০ (দুই লাখ) টকাৰে প্ৰশাসনীয় ভৱনৰ পশ্চিমফালে উত্তৰা-দক্ষিণাকৈ ৩৫' ফুট দৈৰ্ঘ্য আৰু ২৫' ফুট প্ৰস্থ, পূৱফালে ৮' ফুট বাৰাণ্ডাৰে সৈতে (সংলগ্ন শৌচাগাৰ, প্ৰস্ৰাৱাগাৰ) আৰ চি চি তলৰ মহলা তৎপৰতাৰে সম্পূৰ্ণ কৰি উলিয়ায়। অসম চৰকাৰৰ বুনিয়াদ আঁচনিৰ অধীনত ১৯৯৩-৯৪ চনত লাভ কৰা ১,০০,০০০.০০ (এক লাখ) টকাৰে উক্ত ভৱনৰ অসম আৰ্হিত প্ৰথম মহলাৰ কাম তেখেতৰ কাৰ্যকালতে সম্পূৰ্ণ কৰে। এই জিৰণি কোঠাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ লগে লগে ছাত্ৰীৰ বহুদিনীয়া অভাৱ পূৰণ হয়।

## ২। শ্ৰেণী কোঠা নিৰ্মাণ

ক্ৰমবৰ্ধমান ছাত্ৰীৰ সংখ্যাৰ অনুপাতে শ্ৰেণী-কোঠাৰ সংখ্যা পৰ্যাপ্ত নোহোৱাত তদানীন্তন অধ্যক্ষ বিমলকুমাৰ বৰাই অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ওচৰত শ্ৰেণী-কোঠা নিৰ্মাণৰ বাবে বিত্তীয় অনুদান বিচাৰি আৱেদন কৰে। উক্ত আৱেদনৰ ভিত্তিত মাননীয় মুখ্যমন্ত্ৰীয়ে শ্ৰেণী-কোঠা নিৰ্মাণৰ বাবে ১৯-০৫-১৯৯৪ চনত ৫,০০,০০০.০০ (পাঁচ লাখ) টকাৰ এককালীন অনুদান আগবঢ়ায়। কলেজৰ দুমহলীয়া শ্ৰেণী-কোঠা ভৱনক সংলগ্ন কৰি উত্তৰা-দক্ষিণাকৈ ৬৮' ফুট দৈৰ্ঘ্য আৰু



৩৪.৫' ফুট প্ৰস্থৰ, পশ্চিমফালে ৭' ফুট বাৰাণ্ডা আৰু সন্মুখত কলেজৰ শোভা বৃদ্ধি হোৱাকৈ কলেজৰ নাম খোদিত আটক-ধুনীয়া খটখটীৰ সৈতে নতুনকৈ দুমহলীয়া আৰ চি চি ভৱনৰ কাম ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰে। এই নতুন ভৱনে শ্ৰেণীসমূহ নিয়াৰিকৈ চলোৱাত যথেষ্ট সহায় কৰিছে।

## ৩। পুথিভঁৰাল

মানুহৰ জ্ঞান পুথিৰ পাতত সঞ্চিত হয়; সেয়েহে জ্ঞানান্বেষী মানুহে অতীজৰেপৰাই পুথিভঁৰাল স্থাপন কৰি জ্ঞানলাভৰ পথ সুচল কৰিছিল। নগাঁও ছোৱালী কলেজত ছাত্ৰীৰ সংখ্যাৰ অনুপাতে পুথিভঁৰাল সৰু হোৱাত কলেজৰ তদানীন্তন অধ্যক্ষ বিমলকুমাৰ বৰাৰ তত্বাৱধানত বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা ০৭-০৪-১৯৯৪ চনত পুথিভঁৰাল নিৰ্মাণাৰ্থে লাভ কৰা ২,০০,০০০.০০ (দুই লাখ) টকাৰে উত্তৰা-দক্ষিণাকৈ শ্ৰেণী-কোঠা (ভৱনক) সংলগ্ন কৰি ৮০' ফুট দৈৰ্ঘ্য আৰু ২৩' ফুট প্ৰস্থৰ, ৭.৫' ফুট বাৰাণ্ডাৰে সৈতে পূবা-পশ্চিমাকৈ পুথিভঁৰালৰ তলৰ মহলাৰ কাম ১৯৯৫ চনত সম্পূৰ্ণ কৰি উলিওৱা হয়। এই মহলাত পুথিভঁৰাল, গ্ৰন্থাগাৰিকৰ আছুতীয়া কক্ষ আৰু সংলগ্ন শৌচাগাৰ, প্ৰস্ৰাৱাগাৰ অৱস্থিত। বৰ্তমান এই পুথিভঁৰালত ছয়ত্ৰিছ হাজাৰৰো অধিক গ্ৰন্থ, আলোচনী, বহুমূলীয়া সাঁচিপাত আৰু বিভিন্ন বিষয়ক গৱেষণা-পত্ৰ সযতনে ৰক্ষিত হৈ আছে।

পুথিভঁৰালৰ তলৰ-মহলা সম্পূৰ্ণ হোৱাৰ লগে লগে পঠনকক্ষৰ প্ৰয়োজনীয়তা অনুভৱ হয়। বিশ্ববিদ্যালয় অনুদান আয়োগে পঠনকক্ষ নিৰ্মাণাৰ্থে ১৬-০১-১৯৯৫ চনত ২,০০,০০০.০০ (দুই লাখ) টকা মঞ্জুৰ কৰে। উক্ত অনুদানৰ টকাৰে পুথিভঁৰালৰ প্ৰথম মহলাত আৰ চি চি আৰ্হিত ৮০' ফুট দৈৰ্ঘ্য, ২৩' ফুট প্ৰস্থ, ৭.৫' ফুট বাৰাণ্ডাৰে সৈতে পুথিভঁৰালৰ ভিতৰেদি খটখটীৰ সুবিধা কৰি নিৰ্মাণ কাৰ্য ১৯৯৭ চনত সম্পূৰ্ণ কৰা হয়। এই পঠনকক্ষৰ নিৰ্মাণে শিক্ষক-ছাত্ৰীৰ বহুদিনীয়া এটা অভাৱ পূৰণ কৰে। উল্লেখযোগ্য যে পুথিভঁৰালৰ তলৰ মহলা আৰু প্ৰথম মহলা নিৰ্মাণত মুঠ ব্যয় হয় ৬,৯৯,৮৪০.০০(ছয় লাখ নিৰানব্বৈ হাজাৰ আঠশ চল্লিশ) টকা।

## ৪। শ্ৰেণী-কোঠা নিৰ্মাণ

বিশ্ববিদ্যালয় অনুদান আয়োগে ৮-২-১৯৯৯ চনত আগবঢ়োৱা ৫,৫০,০০০.০০ (পাঁচ লাখ পঞ্চাশ হাজাৰ) অনুদানৰ টকা আৰু ২০০১-০২ চনত মাননীয় বিধায়ক গিৰীন্দ্ৰকুমাৰ বৰুৱাৰ বিধায়ক পুঁজিৰ ২,০০,০০০.০০ (দুই লাখ) টকাৰে তদানীন্তন অধ্যক্ষ অপূৰ্ব কুমাৰ শৰ্মাৰ কাৰ্যকালত পুথিভঁৰালক সংলগ্ন কৰি পূবা-পশ্চিমাকৈ ৭৫' ফুট দৈৰ্ঘ্য, ২৩' ফুট প্ৰস্থ আৰু ৭.৫' ফুট বাৰাণ্ডাৰে সৈতে তলৰ মহলাৰ কাম ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰা হয়। তলৰ মহলাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ লগে লগে তৎপৰতাৰে প্ৰথম মহলাৰ নিৰ্মাণৰ কাম অধ্যক্ষৰ তত্বাৱধানত ২০০১ চনত সম্পূৰ্ণ কৰি উলিওৱা হয়। এই শ্ৰেণী-কোঠা ভৱনৰ তলৰ মহলা আৰু প্ৰথম মহলাৰ নিৰ্মাণ কাৰ্যত মুঠ ব্যয় হয়— ১০,১৯,১২৩.০০ (দহ লাখ, ঊনৈছ হাজাৰ, এশ তেইছ) টকা।

## ৫। প্ৰেক্ষাগৃহ নিৰ্মাণ

নগাঁও ছোৱালী কলেজত আধুনিক সা-সুবিধা থকা প্ৰেক্ষাগৃহৰ প্ৰয়োজনীয়তা কলেজ কৰ্তৃপক্ষই অনুভৱ কৰাত তদানীন্তন অধ্যক্ষ অপূৰ্বকুমাৰ শৰ্মাই সেই সময়ৰ ৰাজ্যসভাৰ সাংসদ তথা ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিংদেৱৰ সাংসদ পুঁজিৰ ১০,০০,০০০.০০ (দহ লাখ) টকাৰ অনুদানেৰে প্ৰশাসনীয় ভৱনৰ পশ্চিমফালে অৱস্থিত উত্তৰা-দক্ষিণাকৈ ১৩০' ফুট দৈৰ্ঘ্য আৰু ৪০' ফুট প্ৰস্থৰ পুৰণা হল ঘৰৰ দক্ষিণ ফালৰ এটা অংশ ভাঙি ২০০১-০২ চনত ৪৮' ফুট দৈৰ্ঘ্য, ৩২.৫' ফুট প্ৰস্থৰ মঞ্চকক্ষ নিৰ্মাণৰ কাম গড়কাপ্তানি বিভাগক অৰ্পণ কৰে। মঞ্চ নিৰ্মাণৰ কাম ২০০২ চনত সম্পূৰ্ণ হয় যদিও দৰ্শকৰ বাবে পুৰণা হল ঘৰকেই ব্যৱহাৰ কৰি থকা হয়। পৰৱৰ্তী সময়ত ২০০৪-০৫ চনত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ বুনিয়াদ আঁচনিৰ অধীনত ১০,০০,০০০.০০ (দহ লাখ) টকাৰ অনুদানেৰে পুৰণা হলৰ বাকী অংশ ভাঙি সেই ঠাইত ৭৮' ফুট দৈৰ্ঘ্য আৰু ৪৮' ফুট প্ৰস্থৰ এক আধুনিক প্ৰেক্ষাগৃহ বৰ্তমানৰ কলেজৰ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈৰ তত্বাৱধানত ২০০৬ চনত সম্পূৰ্ণ কৰি উলিওৱা হয়। ২০০৬ চনত প্ৰেক্ষাগৃহৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ লগে লগে ২০০৭ চনত চামগুৰি সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মাননীয় মন্ত্ৰী ৰকিবুল হুছেইনদেৱে বিধায়ক পুঁজিৰপৰা আগবঢ়োৱা ৫,০০,০০০.০০ (পাঁচ লাখ) টকাৰে প্ৰেক্ষাগৃহত আধুনিক ধ্বনি-নিয়ন্ত্ৰণ ব্যৱস্থাৰ সংযোজন ঘটোৱা হয়। ২০১০ চনত ৰকিবুল হুছেইন ডাঙৰীয়াই নিজা প্ৰচেষ্টাৰে ২২.৫' ফুট দৈৰ্ঘ্য আৰু ৩৬' ফুট প্ৰস্থৰ (শৌচাগাৰ, প্ৰস্ৰাৱাগাৰ সংলগ্ন) গ্ৰীণ-ৰুম নিৰ্মাণ কৰোৱা হয় আৰু নৱনিৰ্মিত প্ৰেক্ষাগৃহটো এক সম্পূৰ্ণ কৰা সময়ত প্ৰেক্ষাগৃহৰ মৰ্যাদা লাভ কৰে। প্ৰেক্ষাগৃহ নিৰ্মাণৰ লগত জড়িত হৈ দিহা-পৰামৰ্শ দি কৰা সহায়ৰ বাবে

মাননীয় মন্ত্ৰী হুছেইন ডাঙৰীয়া, সেইসময়ৰ উপায়ুক্ত প্ৰতীক হাজেলা আৰু প্ৰয়াত অভিযন্তা মুকুটমণি শইকীয়াৰ নাম শ্ৰদ্ধাৰে ল'ব লাগিব।

### ৬। শ্ৰেণী কোঠা নিৰ্মাণ

২০০৫-০৬ চনত বৰ্তমানৰ নগাঁও ছোৱালী কলেজৰ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈয়ে কলেজৰ প্ৰত্যেক শৈক্ষিক বিভাগক এটাকৈ বিভাগীয় কক্ষ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই মৰ্মে দহটা শ্ৰেণীকোঠা বিভাগীয় কক্ষলৈ ৰূপান্তৰিত কৰাৰ ফলত পুনৰ শ্ৰেণীকোঠাৰ নাটনিয়ে দেখা দিয়ে। ইতিমধ্যে নিৰ্মাণ কৰি উলিওৱা পুথিভঁৰাল আৰু সংলগ্ন শ্ৰেণীকোঠা ভৱনৰ দ্বিতীয় মহলাত ১৫৫/ ফুট দৈৰ্ঘ্য, ২৩/ ফুট প্ৰস্থ আৰু ৭.৫/ ফুট বাৰাণ্ডাৰে সৈতে ৰাজ্যসভাৰ সাংসদ মাননীয় দ্বীজেন শৰ্মাৰ সাংসদ পুঁজিৰ ৫,০০,০০০.০০ (পাঁচ লাখ) টকাৰ অনুদানেৰে ২০০৬ চনত শ্ৰেণীকোঠা নিৰ্মাণ কাৰ্য মাননীয়া অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈৰ তত্ত্বাৱধানত আৰম্ভ কৰা হয়। ২০০৭ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা পোৱা ২,৭৭,০০০.০০ (দুই লাখ সাতসত্তৰ হাজাৰ) টকাৰে নিৰ্মীয়মান শ্ৰেণীকোঠাৰ কাম ২০০৭ চনত ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰা হয়।

### ৭। ছাত্ৰীনিবাস নিৰ্মাণ

নগাঁও ছোৱালী কলেজৰ ৰূপালীজয়ন্তীৰ পূৰ্বে অসম আৰ্হিৰ আৰু এটা দুমহলীয়া আৰ চি চি ছাত্ৰীনিবাস থকাৰ পিছতো ক্ৰমবৰ্দ্ধমান ছাত্ৰীৰ সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানৰ কলেজৰ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈয়ে দশম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত ২৫,০০,০০০.০০ (পঁচিছ লাখ) টকা বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা ২০০৬-০৭ চনত ছাত্ৰীনিবাস নিৰ্মাণাৰ্থে মঞ্জুৰ কৰায়। এই অনুদানৰ টকাৰে ২০০৭-০৮ চনত ১২৬/ ফুট দৈৰ্ঘ্য, ৩৫/ ফুট প্ৰস্থৰ ভিতৰুৱাকৈ খটখটীৰ ব্যৱস্থা কৰি (সংলগ্ন প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ) আৰ চি চি তলৰ মহলাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰে। এই ছাত্ৰীনিবাসত মুঠ নটা কোঠালীত তেত্ৰিছ গৰাকী ছাত্ৰী থকাৰ সুবিধা উপলব্ধ আছে।

একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা ২০০৮-০৯ চনত পুনৰ নগাঁও ছোৱালী কলেজ ছাত্ৰীনিবাস নিৰ্মাণাৰ্থে ২৫,০০,০০০.০০ (পঁচিছ লাখ) টকাৰ অনুদান লাভ কৰে। উক্ত অনুদানৰ টকাৰে ৯৬.৫/ ফুট দৈৰ্ঘ্য আৰু ৩৫/ ফুট প্ৰস্থৰ ইতিমধ্যে নিৰ্মিত আৰ চি চি ছাত্ৰীনিবাসক সংলগ্ন কৰি পশ্চিমফালে উত্তৰা-দক্ষিণাকৈ তলৰ মহলাৰ নিৰ্মাণৰ কাম ২০১০ চনত সম্পূৰ্ণ কৰা হয়। এই ছাত্ৰীনিবাস (ডাইনিং হল, কমন ৰুম, ৰান্ধনী কোঠাৰ লগতে সন্মুখত ১০/ ফুট ওখ আৰু ৭০/ ফুট দীঘল পকী বেৰসহ) দুটা নিৰ্মাণ কাৰ্যত মুঠ ব্যয় হয় ক্ৰমে— ২৬,৪৮,৪৮৭.০০ (চাবিছ লাখ, আঠচল্লিছ হাজাৰ, চাৰিশ সাতাশী) টকা আৰু ২৫,৫৭,৯০৬.০০ (পঁচিছ লাখ, সাতাৱন হাজাৰ, নশ ছয়) টকা।

### ৮। ওমলা ঘৰ নিৰ্মাণ

একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত বিশ্ববিদ্যালয় অনুদান আয়োগে ২০০৯-১০ বৰ্ষত শিশুৰ ওমলা ঘৰ নিৰ্মাণাৰ্থে ১,৫০,০০০.০০ (এক লাখ পঞ্চাছ হাজাৰ) টকাৰ অনুদান নগাঁও ছোৱালী কলেজৰ নামত মঞ্জুৰ কৰে। উক্ত অনুদানৰ টকাৰে শিশুৰ ওমলা ঘৰক সংলগ্ন কৰি চতুৰ্থ বৰ্গৰ সহায়কৰ বাবে আৱাস গৃহ নিৰ্মাণৰ সিদ্ধান্ত নগাঁও ছোৱালী কলেজ পৰিচালনা সমিতি আৰু কলেজৰ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈয়ে গ্ৰহণ কৰে। উক্ত সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত ১৩/ ফুট দৈৰ্ঘ্য আৰু ১২/ ফুট প্ৰস্থৰ আৰ চি চি আৰ্হিত ওমলা ঘৰ আৰু ৩৫/ ফুট দৈৰ্ঘ্য, ১৩/ ফুট প্ৰস্থৰ, তিনিটা কোঠালীৰে ছাত্ৰীনিবাসৰ চতুৰ্থ বৰ্গৰ সহায়কৰ আৱাস গৃহ নিৰ্মাণ কৰি উলিওৱা হয়। এই ভৱন নিৰ্মাণ কাৰ্যত মুঠ ব্যয় হয় ৪,৫০,০০০.০০ (চাৰি লাখ পঞ্চাছ হাজাৰ) টকা।

### ৯। গৱেষণাগাৰ ও শ্ৰেণীকোঠা নিৰ্মাণ

২০১০-১১ বৰ্ষত নগাঁও ছোৱালী কলেজৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা গৱেষণাগাৰ নিৰ্মাণৰ বাবে ৯,০০,০০০.০০ (ন লাখ) টকা আৰু শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে ক্ৰমে ৬,৫০,০০০.০০ (ছয় লাখ পঞ্চাছ হাজাৰ) আৰু ৫,০০,০০০.০০ (পাঁচ লাখ) টকাৰ অনুদান লাভ কৰে। এই অনুদানৰ টকাৰে কলেজৰ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈৰ তত্ত্বাৱধানত বৰ্তমান পূবা-পশ্চিমাকৈ থকা শ্ৰেণীকোঠা (ভৱন)ক সংলগ্ন কৰি ৮০/ ফুট দৈৰ্ঘ্য, ২৩/ ফুট প্ৰস্থ, ৭.৫/ ফুট বাৰাণ্ডাৰে সৈতে পূবা-পশ্চিমাকৈ (শৌচাগাৰ, প্ৰস্ৰাৱাগাৰ সংলগ্ন কৰি) আৰু চি চি তলৰ মহলাৰ কাম ২০১০-১১ বৰ্ষত আৰম্ভ কৰে। এই ভৱনটো বৰ্তমান নিৰ্মীয়মাণ অৱস্থাত আছে আৰু অতি সোনকালে নিৰ্মাণ কাৰ্য শেষ কৰাৰ পৰিকল্পনা কৰা হৈছে।

### ১০। তোৰণ নিৰ্মাণ



সুদীৰ্ঘ ৪৮ টা বছৰত নগাঁও ছোৱালী কলেজৰ আন্তঃগাঁথনি ও আৱয়বিক দিশত যথেষ্ট বিকাশ লাভ কৰাৰ পিছতো কলেজৰ নাম বহনকাৰী স্থায়ী তোৰণ নথকাত কলেজ পৰিচালনা সমিতি ও কলেজৰ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈয়ে কলেজৰ স্থায়ী তোৰণ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনীয় ভৱনৰ পুবফালে কলেজৰ প্ৰৱেশদ্বাৰত ৩,৬৫,০০০.০০ (তিনি লাখ পয়ষষ্ঠি হাজাৰ) টকা ব্যয় সাপেক্ষে কলেজৰ সৌষ্ঠৱ বৃদ্ধি হোৱাকৈ এখন আটকধুনীয়া তোৰণ নিৰ্মাণ কৰা হয় আৰু সোণালীজয়ন্তী উৎসৱৰ উদ্বোধনী অনুষ্ঠানৰ দিনা অৰ্থাৎ ১২ ছেপ্টেম্বৰ ২০১১ত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। এই তোৰণখনে কলেজখনৰ আকৰ্ষণ বৃদ্ধি কৰাৰ লগতে কলেজ চৌহদৰ সীমাও স্পষ্টভাৱে নিৰ্দেশ কৰিছে।

### ১১। ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণ

একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত বিশ্ববিদ্যালয় অনুদান আয়োগে কলেজৰ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈৰ আবেদনৰ ভিত্তিত ২০১১-১২ বৰ্ষত ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণাৰ্থে ৭০,০০,০০০.০০ (সত্তৰ লাখ) টকাৰ অনুদান মঞ্জুৰ কৰে আৰু নিৰ্মাণ কাৰ্য আৰম্ভ কৰিবলৈ বিশ্ববিদ্যালয় অনুদান আয়োগে ৩৫,০০,০০০.০০ (পয়ত্ৰিছ লাখ) টকা মুকলি কৰি দিয়ে। উক্ত অনুদানৰ টকাৰে কলেজৰ পশ্চিম ফালে নৱনিৰ্মিত ছাত্ৰীনিবাসৰ উত্তৰফালে ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰ পৰিকল্পনা কৰি ২০১২ চনৰ ২৮ মাৰ্চ তাৰিখে আধাৰশিলা স্থাপন কৰা হৈছে। কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক বিকাশত এই ইনড'ৰ ষ্টেডিয়ামে নিশ্চয়কৈ সহায় কৰিব। লগতে খেলা-ধূলাৰ মান উন্নত কৰি ছাত্ৰীসকলে বিভিন্ন পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সুনাম কঢ়িয়াই আনিব পাৰিব বুলি আমি আশাবাদী।

### ১২। কলেজ কেন্টিন

ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ লগে লগে বৰ্তমানৰ কেন্টিনখনে ছাত্ৰীসকলৰ চাহিদা পূৰণ কৰিব পৰা নাই। কিন্তু সেই সমস্যাও বৰ্তমান সমাধানৰ পথত। নগাঁও লোকসভা সমষ্টিৰ মাননীয় সাংসদ ৰাজেন গোহাঁইদেৱে আগবঢ়োৱা পাঁচ লাখ টকাৰ সহায়েৰে শীঘ্ৰেই আধুনিক সা-সুবিধাযুক্ত কেন্টিনৰ পুনৰনিৰ্মাণ কৰা হ'ব।

১৯৬২ চনত স্থাপিত মধ্য অসমৰ নাৰী উচ্চশিক্ষাৰ একমাত্ৰ অনুষ্ঠান নগাঁও ছোৱালী কলেজে সুদীৰ্ঘ পাঁচটা দশকত আৱয়বিক আৰু আন্তঃগাঁথনিৰ দিশত, লগতে বিদ্যায়তনিক ক্ষেত্ৰখনতো চকুত লগা পৰিৱৰ্তন আৰু উন্নতৰ ফলাফলৰ মাজেৰে কলঙৰ দুয়োপাৰ উজলাব পাৰিছে। প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় মহেশচন্দ্ৰ দেৱগোস্বামীদেৱৰ সপোনে বাস্তৱত প্ৰাণ পাই কলঙৰ পাৰত সগৌৰৱে নাৰীশিক্ষাৰ জাগৰণ গাবলৈ সমৰ্থ হৈছে।

জয়তু নগাঁও ছোৱালী কলেজ।

---

মহেশচন্দ্ৰ ভূঞা ১৯৮৭ চনত কলেজখনৰ ইতিহাস বিভাগৰ অধ্যাপক আছিল। বৰ্তমান তেওঁ অৱসৰপ্ৰাপ্ত।

দীপক শৰ্মা এই কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী তথা সহকাৰী অধ্যাপক।

# নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী: জীৱন, কৃতি আৰু কৰ্মৰ চমু আভাস

ড° মঞ্জু লস্কৰ

১৯১৭ চনৰ ৪ ডিচেম্বৰত নগাঁও জিলাৰ বালিসত্ৰত মহেশচন্দ্ৰ দেৱগোস্বামীৰ জন্ম হয়। তেওঁৰ পিতৃ কন্দৰ্প গোস্বামী (১৮৭৫-১৯৬০) আৰু মাতৃ ৰোহিণী দেৱী। অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ নুমলীয়া ভনীয়েক আছিল ৰোহিণী দেৱী। সেই সূত্ৰে তেওঁ আছিল ৰায়চৌধুৰীৰ ভাগিনীয়েক। পৰিয়ালৰ তেওঁ দ্বিতীয় সন্তান। ঘৰত মতা নাম আছিল কণবাপা।

**শিক্ষা**

মহেশচন্দ্ৰ দেৱগোস্বামীয়ে পঢ়াশলীয়া শিক্ষা আৰম্ভ কৰে বালিসত্ৰত। সৰুৰেপৰা পঢ়াশুনাত যথেষ্ট চোকা আছিল যদিও স্কুললৈ যাবলৈ বৰ এলাহ কৰিছিল। তেওঁৰ বাল্যকালৰ স্মৃতি ৰোমন্থন কৰি মাক ৰোহিনী দেৱীয়ে প্ৰাথমিক শিক্ষাগ্ৰহণৰ সময়ছোৱাত মহেশচন্দ্ৰ দেৱগোস্বামীয়ে কেনেকৈ আওখতি কৰিছিল সেই বিষয়ে বোৱাৰীয়েক জ্যোতিৰ্ময়ী দেৱীক ৰগৰ কৰি কোৱা কথাখিনি তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। ৰোহিণী দেৱীয়ে বোৱাৰীয়েকক কৈছিল:

> বুইছ, শিক্ষকে এদিন আহি আতাৰক কৈছিল (শাহুৰক আমি আতা বুলিছিলোঁ), প্ৰভু ঈশ্বৰ, বাপাই ইমান চোকা ল'ৰাটো স্কুললৈ নেযায় কিয়?" আতাই তেতিয়া গৰজি উঠিল, "কি কণবাপাই স্কুললৈ নাযায়? সি সদায় দেখোন চিলঠ-পেঞ্চিল লৈ যায়।" শিক্ষকৰ কথা শুনি আতাই চাৰিওফালে চাই-মেলি দেখে যে ল'ৰা খেৰৰ মেজিৰ মাজৰপৰা ওলাই আহিছে। আতাকে দেখি উধাই-মুধাই বাঁহৰ লেকেচিৰে কোবালে, সেই দিন ধৰি কণবাপাই আৰু স্কুল ক্ষতি কৰা নাছিল।[১]

যি কি নহওঁক কৈশোৰত শিশুসুলভ দুষ্টামি থাকিলেও কিন্তু পঢ়াশুনাত অত্যন্ত মনোযোগী আছিল। বালিসত্ৰত প্ৰাথমিক শিক্ষা লোৱাৰ পাছত মাধ্যমিক শিক্ষা গ্ৰহণ কৰে আঠগাঁও মজলীয়া স্কুলত। অত্যন্ত মেধাসম্পন্ন দেৱগোস্বামীয়ে ১৯৩৬ চনত গুৱাহাটী কটন কলেজিয়েট হাইস্কুলৰপৰা পাঁচটা বিষয়ত লেটাৰসহ প্ৰৱেশিকা পাছ কৰে। ইয়াৰ পাছত গুৱাহাটীৰ কটন কলেজত নাম ভৰ্তি কৰে। ১৯৩৮ চনত এই কলেজৰপৰা 'লজিক' বিষয়ত লেটাৰসহ আই এ পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰপাছত দৰ্শন বিষয়ত অনাৰ্ছ লৈ পুনৰ কটন কলেজত অধ্যয়ন কৰে। ১৯৪০ চনত দৰ্শন বিষয়ত অনাৰ্ছসহ অসমীয়া বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি সুখ্যাতিৰে বি এ পাছ কৰে। বি এ পাছ কৰাৰ পাছত এম এ পঢ়িবলৈ কলিকতালৈ যায়। দেৱগোস্বামীয়ে কলিকতা বিশ্ববিদ্যালয়ৰপৰা ১৯৪২ চনত দৰ্শন বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। উল্লেখযোগ্য যে কলিকতা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকা সময়ছোৱাত অধ্যাপক সৰ্বপল্লী ৰাধাকৃষ্ণণ, সুৰেন্দ্ৰনাথ দাসগুপ্ত আৰু হুমায়ুন কবীৰৰ লেখীয়া পণ্ডিত ব্যক্তিৰ সান্নিধ্য লাভ কৰিছিল। তেওঁলোকৰ ব্যক্তিত্বৰ প্ৰভাৱ মহেশচন্দ্ৰ দেৱগোস্বামীৰ ভৱিষ্যৎ জীৱনচৰ্যাত বহুপৰিমাণে প্ৰেৰণাৰ উৎস হিচাপে ক্ৰিয়া কৰিছিল।

**কৰ্ম**

বিশ্ববিদ্যালয়ৰ শিক্ষা সাং কৰাৰ পাছত মহেশচন্দ্ৰ দেৱগোস্বামীয়ে ১৯৪৩ চনৰ ফেব্ৰুৱাৰি মাহৰপৰা ১৯৪৪ চনৰ জানুৱাৰি মাহলৈকে মুঠতে এবছৰ ভাৰত চৰকাৰৰ জনসম্পৰ্কৰক্ষী বিভাগৰদ্বাৰা প্ৰকাশিত *আমাৰ অসম* আলোচনীত কাম কৰিছিল। ১৯৪৪ চনত কিছুদিনৰ কাৰণে তেওঁ নগাঁৰৰ ডছন হাইস্কুলত শিক্ষকতা কৰিছিল। তাৰপাছত সেই চনৰে জুলাই মাহত নগাঁও কলেজত দৰ্শনৰ অধ্যাপক হিচাপে কামত সোমায়। ১৯৬২ চনলৈকে নগাঁও কলেজত প্ৰতিষ্ঠাপক শিক্ষকসকলৰ এজন হৈ তেওঁ নিষ্ঠাৰে অধ্যাপনা কৰে। পাছলৈ নগাঁও কলেজৰ উপাধ্যক্ষৰ দায়িত্বও বহন কৰে। ১৯৬২ চনলৈকে নগাঁও কলেজত কাম কৰি, নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। মহেশচন্দ্ৰ দেৱগোস্বামীয়ে ষাঠিৰ দশকত অৰ্থাৎ বাৰ ছেপ্টেম্বৰ, ঊনৈছ শ বাষষ্ঠি চনত (১২/০৯/১৯৬২) প্ৰাক্-বিশ্ববিদ্যালয়ত ৪২ গৰাকী আৰু বি এ প্ৰথম বাৰ্ষিকত ২২ গৰাকী ছাত্ৰী, সৰ্বমুঠ ৬৪

১. ড° প্ৰফুল্ল মহন্ত (সম্পাদক), গুণজিৎ কুমাৰ দেৱগোস্বামী, পুলকানন্দ কৌশিক (সহযোগী): *মহেশচন্দ্ৰ দেৱগোস্বামী জীৱন আৰু কৃতি*, প্ৰকাশক, মহেশচন্দ্ৰ দেৱগোস্বামী স্মৃতিৰক্ষা সমিতি, ২০০৪, পৃষ্ঠা ১৩-১৪।



গৰাকী ছাত্ৰীৰে আৰম্ভ কৰা লালচান্দ টোডী গাৰ্লছ কলেজৰ অধ্যক্ষ হিচাপে নিযুক্ত হয়। ১৯৮০ চনত অৱসৰ গ্ৰহণ কৰালৈকে প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীয়ে নগাঁও গাৰ্লছ কলেজৰ যোগেদি স্ত্ৰীশিক্ষাৰ সম্প্ৰসাৰণত অৰিহণা যোগায়। উল্লেখযোগ্য যে অসম কলেজ শিক্ষক সন্থাৰ তেওঁ প্ৰতিষ্ঠাপক সম্পাদক আছিল। আনকি ১৯৪৬-৪৭ চনত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো তেওঁ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল।

**পাৰিবাৰিক জীৱন**

২৪ অক্টোবৰ, ১৯৪৪ চনত জ্যোতিৰ্ময়ী দেৱীৰ সৈতে তেওঁৰ বিবাহ হয়। বৰপেটা জিলাৰ অন্তৰ্গত চেঙাগাঁৰৰ স্বৰ্গীয় গৰ্গনাৰায়ণ চৌধুৰী আৰু সুৰবালা চৌধুৰীৰ তৃতীয়া কন্যা আছিল জ্যোতিৰ্ময়ী দেৱী। বিয়াৰ দিনা ঘটা এটা ঘটনাই দেৱগোস্বামীৰ ব্যক্তিত্বৰ অন্য এটা দিশৰ লগত দিশ এটিৰ চিনাকি কৰি দিয়ে। বিয়াত পুৰোহিতে ভুলকৈ মন্ত্ৰ মতাত তেওঁৰ হাতৰপৰা মহেশ দেৱগোস্বামীয়ে হোমবাৰিযোৰ কাঢ়ি আনি, নিজে জুখি, গাঁথি দি, নিজে মন্ত্ৰ গাই হোম পুৰি জ্যোতিৰ্ময়ী দেৱীক বিয়া কৰাই আনিছিল।

বিয়াৰ সময়ত জ্যোতিৰ্ময়ী দেৱীৰ বয়স আছিল বাৰ বছৰ। সেইখিনি সময়ত কন্যাকাল হোৱাৰ আগতেই ব্ৰাহ্মণ কায়স্থৰ পৰিয়ালৰ ছোৱালীক বিয়া দিব নোৱাৰিলে জাত যায় বুলি ধাৰণা আছিল। সেয়েহে চিৰাচৰিত প্ৰথা অনুযায়ী তেওঁক বাৰ বছৰ বয়সতে মহেশচন্দ্ৰ দেৱগোস্বামীৰ লগত বিয়া দিছিল। বিয়াৰ দুবছৰৰ পিছত শান্তি বিয়া কৰাই জ্যোতিৰ্ময়ী দেৱীক বালিসত্ৰলৈ আনে। বালিসত্ৰত এবছৰ ৰখাৰ পাছতহে নগাঁৱলৈ আনে। মহেশচন্দ্ৰ দেৱগোস্বামীয়ে আগবিয়া কৰাই অনা পত্নীৰ আধৰুৱা স্কুলীয়া শিক্ষা পূৰ্ণ কৰিবলৈ লোৱা প্ৰচেষ্টা প্ৰশংসনীয়। জ্যোতিৰ্ময়ী দেৱীয়ে এই সম্পৰ্কে নিজে উল্লেখ কৰিছে:

> আমাৰ ল'ৰা-ছোৱালী তিনিওটাক পঢ়ুওৱাৰ উপৰিও হেম কলিতাই মোক পৰ্যন্ত পঢ়ালে। মোক সৰুতে আগবিয়া কৰোৱাত কম পঢ়াশুনাৰ কাৰণে মই এখেতৰ আগত খেদ প্ৰকাশ কৰিছিলোঁ। এখেতৰ পৰম বন্ধু কলিতাকে মোক পঢ়ুৱাই দিবলৈ ক'লে, যেনে কথা তেনে কাম। মই ১৯৪৩ চনত এম ই পাছ কৰাৰ পাছত স্কুলৰ মুখ নেদেখা মানুহজনীক কি সাহসত পঢ়ুৱাবলৈ লৈছিল মই নাজানোঁ। কলিতাৰ যত্নতেই মই প্ৰৱেশিকা পাছ কৰোঁ। আমাৰ জীয়ৰীৰ লগত ১৯৬৫ চনত। তাৰ বহুত দিনৰ বিৰতিৰ পিছত কলিতাৰ যত্নতেই মই প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত প্ৰাইভেটকৈ পাছ কৰিবলৈ (১৯৭৯) সক্ষম হওঁ। তাৰ পাছতো স্নাতকমহলাৰ পুথি-পত্ৰ গোটাই পঢ়িছিলোঁ। এখেতৰ গা বেয়া হোৱাতহে পৰীক্ষাত বহা নহ'ল।[২]

বিদুৰভূমিৰ বৈদুৰ্য্যমণি মহেশচন্দ্ৰ দেৱগোস্বামী আৰু জ্যোতিৰ্ময়ী দেৱীৰ তিনিটি সন্তান। কন্যা সন্তান মঞ্জিৰা গোস্বামী আৰু পুত্ৰদ্বয় ৰঞ্জিৎকুমাৰ দেৱগোস্বামী আৰু গুণজিৎকুমাৰ দেৱগোস্বামী। মঞ্জিৰা গোস্বামীয়ে বৈবাহিকসূত্ৰে চৌধুৰী উপাধি লৈ মঞ্জিৰা গোস্বামী চৌধুৰী লিখে।

**সহিত্যিক জীৱন**

১৯৩২-৩৩ চনত 'শ্ৰীমধুসূদন' নামেৰে কটন কলেজিয়েটত সপ্তম শ্ৰেণীত পঢ়ি থকা সময়ত, হাতে লিখা আলোচনী *শেৱালিত* তেওঁৰ প্ৰথম প্ৰবন্ধ প্ৰকাশ পায়।

১৯৩৫-৩৬ চনত দশম শ্ৰেণীৰ ছাত্ৰ হৈ থাকোঁতে তেওঁ সাহিত্য চৰ্চা কৰিবলৈ লৈছিল। সেইখিনি সময়ত তেওঁ লিখা চাৰিটা সমালোচনামূলক প্ৰবন্ধ *আৱাহনত* প্ৰকাশ হৈছিল।

১৯৪০ চনৰ এপ্ৰিল মাহৰপৰা ১৯৪১ চনৰ মে' মাহলৈকে মাধৱ বেজবৰুৱা সম্পাদিত *বাঁহীৰ* সহকাৰী সম্পাদক হিচাপে কাম কৰিছিল।

১৯৪১ চনত কবিতা পুথি *ছয়াময়া* প্ৰকাশ পায়।

১৯৪১ চনতে কলিকতা এ এছ এল ক্লাবৰ সৈতে তেওঁ ওতপ্ৰোতভাৱে জড়িত হয় আৰু ১৯৪২ চনত সেই ক্লাবৰপৰা প্ৰকাশ হোৱা সমালোচনামূলক ৰচনা সঙ্কলন *সাহিত্য আৰু সমালোচনা* সম্পাদনা কৰে, সাহিত্য বিভাগৰ সম্পাদক হিচাপে।

১৯৪৫ চনত *ব'হাগী মেলা* শীৰ্ষক ৰচনাৰ কিতাপ প্ৰকাশ হয়।

১৯৪৪-১৯৫১ চনলৈ *দি আচাম ট্ৰিবিউন* কাকতৰ সংবাদদাতা হিচাপে তেওঁ কাম কৰে। তেওঁ The Tunes of India News Service আৰু United Press of Indiaৰ সংবাদদাতা হিচাপেও কিছুদিন কাৰ্যনিৰ্বাহ কৰিছিল। দেৱগোস্বামীয়ে কলিকতাৰ *অমৃতবাজাৰ পত্ৰিকাৰ* প্ৰতিনিধিৰূপে আমৃত্যু কাম কৰিছিল।

১৯৪৫-৪৬ চনত *The Indian PEN* পত্ৰিকাত তেওঁ লিখা অসমীয়া সাহিত্য সম্পৰ্কীয় দুখনমান ৰচনা প্ৰকাশ পায়।

১৯৪৭ চনৰ ৭ আগষ্টত *বিহলঙনি* কাকতখন প্ৰতিষ্ঠাপক সম্পাদক হিচাপে তেওঁ প্ৰকাশ কৰে। এই কাকত ১৯৫৩ চনলৈকে পষেকীয়াকৈ প্ৰকাশ পায়। ১৯৫৫ চনলৈকে মাহেকীয়া ৰূপত প্ৰকাশ হয়। ইয়াৰ পাছত কেইটিমান সংখ্যা ছেগা-

২. উক্ত গ্ৰন্থ, জ্যোতিৰ্ময়ী দেৱী: *মনৰ মানুহজন আৰু এৰি অহা দিনবোৰ* শীৰ্ষক প্ৰবন্ধ, পৃষ্ঠা ২২।

চোৰোকাকৈ প্ৰকাশ পায়। *বিহলঙনীৰ* শেহতীয়া উল্লেখযোগ্য সংখ্যাকেইটা হ'ল— মাধৱ কন্দলী সংখ্যা, উনবিংশ শতিকাৰ সাহিত্য সমাজ সংখ্যা, মহাপুৰুষ সংখ্যা, ভট্টদেৱ সংখ্যা আদি বিশেষ সংখ্যা প্ৰকাশ হয়।

প্ৰসঙ্গক্ৰমে "হাঁহি থকা দাৰ্শনিক" নামে খ্যাত শ্ৰীমধুসূদনৰ জন্ম সম্পৰ্কত যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ মন্তব্যখিনি উল্লেখ কৰা উচিত হ'ব। তেওঁ লিখিছে:

> ... গোস্বামীৰ মধুসূদনৰ জন্ম চল্লিছৰ দশকত নহয়, অবিশ্বাস্য যেন লাগিলেও সঁচা যে ত্ৰিছৰ দশকত গোস্বামী কলেজিয়েট স্কুলৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ হৈ থকা অৱস্থাতেই শ্ৰীমধুসূদনৰ জন্ম হৈছিল *শেৱালি* নামৰ হাতে লিখা পযেকীয়া আলোচনী এখনৰ পাতত। কেৱল বয়োপ্ৰাপ্তিৰ ফলত স্বাভাৱিক কাৰণতে যেন পৰৱৰ্তী দশকটোত শ্ৰীমধুসূদনে 'কুমাৰ' বুলি নিজেই ঘোষণা কৰিলে।[৩]

কুমাৰ শ্ৰীমধুসূদনেই দুৰ্মুখ নামেৰে শ্ৰীচাৰু মহন্ত সম্পাদিত *অসম বাতৰি* কাকতৰ 'একফলম' আৰু 'এক কলমৰ বেছি' লিখিছিল'।

১৯৪৯ চনত তেওঁৰ *স্মৃতি* নামৰ কবিতা পুথিখন প্ৰকাশ হয়।

১৯৫০ চনত শ্ৰীমধুসূদন গোস্বামী ছদ্মনামেৰে *কিমাশ্চৰ্যম* নামৰ হাস্যব্যঙ্গ ৰচনা সঙ্কলন প্ৰকাশ হয়।

১৯৫০ চনত শিৱেন্দ্ৰ দেৱগোস্বামীৰ সৈতে যুটীয়াভাৱে ৰচনা কৰা *গুৰুসেৱা আৰু ভক্তি* শীৰ্ষক প্ৰবন্ধ সঙ্কলন প্ৰকাশ হয়।

১৯৫২ চনত তেওঁৰ একমাত্ৰ গীতৰ পুথি *অময়া* প্ৰকাশ হয়। *অময়াত* মুঠ ৬৬ টা গীত আছে।

১৯৫৮ চনত আকাশবাণী দিল্লী কেন্দ্ৰৰপৰা অসমীয়া নাট্যসাহিত্যৰ বিষয়ে ৰচনা কৰা কথিকা ইংৰাজী, হিন্দী আৰু অসমীয়া ভাষাত প্ৰচাৰ হয়।

১৯৫৯ চনত *নিবন্ধমালা* প্ৰকাশ হয়।

১৯৫৯ চনৰ এপ্ৰিল মাহত অনুষ্ঠিত "অসম সাহিত্য সভা"ৰ দ্বিতীয় নগাঁও অধিৱেশনৰ আদৰণী সমিতিৰ সম্পাদক দেৱগোস্বামীয়ে কাৰ্যনিৰ্বাহ কৰে। উল্লেখযোগ্য যে তেওঁ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য, অসম সাহিত্য সভাৰ উপসভাপতি, শুৱালকুছি অধিৱেশনৰ আলোচনা চক্ৰৰ সভাপতিও হৈছিল। দেৱগোস্বামীয়ে নগাঁও সাহিত্য সভাৰ সভাপতি হিচাপে কেইবাদশক ধৰি কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও নগাঁও জিলা সাহিত্য পৰিষদৰো সভাপতি আছিল।

১৯৬৩ চনত বিশ্ববিশ্ৰুত দাৰ্শনিক ড° ৰাধাকৃষ্ণনৰ *এন আইডিয়েলিষ্ট ভিউ অৱ লাইফ* অনুবাদ গ্ৰন্থ প্ৰকাশ পায়।

১৯৬৬ চনত "শ্ৰীমধুসূদন" ছদ্মনামত দ্বিতীয়খন হাস্যব্যঙ্গ গ্ৰন্থ *মই কৰাম বিয়া* প্ৰকাশ হয়।

১৯৬৬ চনত দেৱগোস্বামীৰ আন এখন অনুবাদ গ্ৰন্থ *ৰাধাকৃষ্ণনৰ দৃষ্টিত নেহৰু* প্ৰকাশ হয়।

১৯৬৮ চনত সাহিত্যৰথী বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি হয় আৰু এই চনতে *বেজবৰুৱা পত্ৰিকা* শীৰ্ষক সম্পাদিত গ্ৰন্থখন প্ৰকাশ হয়।

১৯৭৪ চনত তেখেতৰ তৃতীয়খন হাস্যব্যঙ্গ পুথি *কৈফিয়ৎ* প্ৰকাশ হয় শ্ৰীমধুসূদন ছদ্মনামেৰে।

১৯৭৫ চনত ছাত্ৰ-ছাত্ৰীৰ উপযোগী জীৱনী সঙ্কলন *আদৰ্শ জীৱন* প্ৰকাশ হয়।

১৯৮৬ চনত সম্পাদিত গ্ৰন্থ *ন-ঘোষা* প্ৰকাশ হয়।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জৰিয়তে তেখেতে ৰচনা কৰা অনেক কথিকা আৰু কেইবাখনো নাটক প্ৰচাৰ হৈছে। দুটা খণ্ডত *আত্মাৰামৰ গুৱাহাটী আগমন* আৰু চাৰিটা খণ্ডত *বৰমেধিৰ দিনপঞ্জী* (প্ৰায় এশখনমান ৰচনা) নামৰ কথিকা অনাতাৰ কেন্দ্ৰৰদ্বাৰা প্ৰচাৰিত হৈছিল। ইয়াৰ উপৰিও *ত্ৰিছ বছৰৰ পাছত, জোৱাৰ ভাটা* আদি নাটকো আকাশবাণী কেন্দ্ৰই প্ৰচাৰ কৰিছিল।

**মহেশচন্দ্ৰ দেৱগোস্বামী: নগাঁও ছোৱালী কলেজ**

অসমৰ মাজমজিয়াত কলঙৰ পাৰত গৌৰৱেৰে নাৰীৰ উচ্চশিক্ষাৰ অনুষ্ঠান হিচাপে পৰিচয় দিবলৈ সক্ষম হোৱা বৰ্তমানৰ নগাঁও ছোৱালী কলেজখনৰ অতীত ইতিহাসৰ পাত লুটিয়াই চালে যিসকল ব্যক্তিৰ নাম শ্ৰদ্ধাৰে সোঁৱৰণ কৰিব লাগিব— সেই সকলৰ মাজৰ এগৰাকী হ'ল মহেশচন্দ্ৰ দেৱগোস্বামী। পঞ্চাছৰ দশকলৈকে নগাঁৱত নাৰীশিক্ষাৰ বাবে কোনো সুকীয়া অনুষ্ঠান নাছিল। ১৯৬২ চনৰ ১২ ছেপ্টেম্বৰত স্থাপিত "এল চি টোডী গাৰ্লছ কলেজ" বৰ্তমান "নগাঁও ছোৱালী কলেজ" হিচাপে পৰিচিত। কলেজখনৰ ইতিহাস স্ৰষ্টাৰ অন্যতম প্ৰতিষ্ঠাতা অধ্যক্ষ শ্ৰদ্ধাৰ মহেশচন্দ্ৰ দেৱগোস্বামী নগাঁও ছোৱালী কলেজৰ বাবে আজিও লাই খুঁটা।

তেতিয়াৰ মাত্ৰ তিনিকুৰি চাৰিগৰাকী ছাত্ৰীৰে আৰম্ভ হোৱা আৰু সম্প্ৰতি প্ৰতিবছৰে হাজাৰ-হাজাৰ ছাত্ৰীৰে ভৰি থকা এই কলেজখনৰপৰা ১৯৮০ চনত অৱসৰ গ্ৰহণ কৰালৈকে মনে-প্ৰাণে অতুল উদ্যমেৰে সেৱা আগবঢ়াই থৈ গৈছে তেওঁ। অৱশ্যে, এইখিনিতে আন এজন সমাজসেৱক প্ৰয়াত ডাঃ ললিতকুমাৰ বৰুৱাৰ প্ৰসঙ্গ উত্থাপন নকৰিলে অন্যায় হ'ব। নগাঁৱত নাৰী শিক্ষাৰ

৩. উক্ত গ্ৰন্থ, পৃষ্ঠা ৫৩।



বাবে আগ-ভাগ লোৱা প্ৰথম ব্যক্তিজন আছিল ডাঃ বৰুৱা। ১৯৫৯ চনৰ এপ্ৰিল মাহত "Nowgong Women's College" নামকৰণেৰে নগাঁও ছোৱালী স্কুল প্ৰাঙ্গণত তেখেতে নাৰী-উচ্চশিক্ষা অনুষ্ঠানটো প্ৰতিষ্ঠা কৰে। কিন্তু দুৰ্ভাগ্যবশতঃ এই অনুষ্ঠানটো জন্ম হৈয়ে মৃত্যুমুখত পৰিবলগীয়া হয়, প্ৰতিষ্ঠানটোৰ সম্পাদক ডাঃ ললিত বৰুৱাৰ মৃত্যুৰ লগে লগে পৰৱৰ্তী বছৰত। আৰম্ভণিতে যতি পৰা কলেজখনে নগাঁৱৰ স্থানীয়লোকক নাৰীশিক্ষাৰ বাবে এক সুকীয়া অনুষ্ঠানৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰোৱালে। সেইবাবেই ১৯৬২ চনত নগাঁৱৰ কেইজনমান উদ্যোগী ব্যক্তিৰ প্ৰচেষ্টাত তেনে এটা অনুষ্ঠান "নগাঁও মহিলা কলেজ" অৰ্থাৎ "Nowgong Women's College" একে নামেৰে পুনৰ জন্ম হ'ল।

নগাঁও ছোৱালী কলেজৰ কাৰ্যালয়ত সংৰক্ষিত (প্ৰথম) কাৰ্যবিৱৰণী বহী (Proceiding book)ত উল্লেখ থকা মতে, ১৯৬২ খ্ৰীষ্টাব্দৰ জুলাই মাহৰ ১১ তাৰিখে অনুষ্ঠানটোৰ প্ৰতিষ্ঠাৰ লগত জড়িত ব্যক্তিসকলৰ প্ৰথম সভা (first meeting)[৪] বহে। মহেশচন্দ্ৰ দেৱগোস্বামীৰ স্ব-লেখনীত আছে:

> ... জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত সেই বছৰৰে জুন মাহত অনানুষ্ঠানিক আলোচনা এটাৰ মাজেদি এখন কৰ্ণধাৰ সমিতি (Steering committee) গঠিত হ'ল। সমিতিৰ হৈ এটি সঁজাতি দলে তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাক সাক্ষাৎ কৰাত মন্ত্ৰীগৰাকীয়ে সকলো প্ৰকাৰে উৎসাহ আৰু সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিলে। কৰ্ণধাৰ সমিতিয়ে অনতিপলমে প্ৰাক্-বিশ্ববিদ্যালয় আৰু প্ৰথম বাৰ্ষিক স্নাতক শ্ৰেণী আৰম্ভ কৰাৰ সিদ্ধান্ত ললে।[৫]

এইখিনিতে নগাঁও ছোৱালী কলেজৰ কিছু বুজ লোৱা হওঁক—

এঘাৰ জুলাই উনৈছ শ বাষষ্ঠি চনত অনুষ্ঠিত হোৱা কৰ্ণধাৰ সমিতিৰ প্ৰথম বৈঠকখনত লোৱা সিদ্ধান্ত মৰ্মে নগাঁও ছোৱালী কলেজৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত মুঠ দহটা বিষয় যেনে— ইংৰাজী, অসমীয়া, বিকল্প অসমীয়া, অসমীয়া দ্বিতীয় ভাষা, বাংলা, ৰাজনীতি বিজ্ঞান, পৌৰবিজ্ঞান, তৰ্কবিজ্ঞান, বুৰঞ্জী আৰু শিক্ষা বিভাগ খোলাৰ সিদ্ধান্ত লয়।

ডিগ্ৰী পাঠ্যক্ৰমৰ প্ৰথমবাৰ্ষিকত (পৌৰবিজ্ঞান আৰু তৰ্কবিজ্ঞান বাদে) উল্লিখিত বিষয়কেইটাৰ উপৰি অৰ্থনীতি আৰু দৰ্শন বিষয় প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত লৈছিল।

উনুকিয়াই অহা হৈছে যে, নগাঁও ছোৱালী কলেজখনে পূৰ্ণাঙ্গৰূপ পৰিগ্ৰহ কৰাৰ আঁৰত আছে অনেকজনৰ নিৰলস প্ৰচেষ্টা আৰু শ্ৰম। নগাঁও ছোৱালী কলেজৰ ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থৰ পাত লুটিয়ালেই সেই কথাৰ উপলব্ধি হয়। পোনপ্ৰথমে নগাঁৱৰ বিশিষ্ট ব্যৱসায়ী লালচান্দ টোডীয়ে নাৰীৰ উচ্চশিক্ষা অনুষ্ঠানটোৰ কলেজ ভৱন নিৰ্মাণৰ বাবে চাৰিলাখ টকা আৰু ছাত্ৰী নিৱাসৰ বাবে পঞ্চাছ হাজাৰ টকা আৰু গ্ৰন্থাগাৰৰ বাবে পছিছ হাজাৰ টকা দিব বুলি প্ৰতিশ্ৰুতি দিছিল। "নগাঁও ছোৱালী কলেজৰ সংক্ষিপ্ত বিৱৰণ"[৬] শীৰ্ষক প্ৰবন্ধ এটাত মহেশচন্দ্ৰ দেৱগোস্বামীয়ে এই বিষয়ে উল্লেখ কৰিছে।

লালচান্দ টোডীৰ প্ৰতিশ্ৰুতিৰ বিনিময়ত ৪/৯/৬২ তাৰিখৰ কৰ্ণধাৰ সমিতিয়ে শিক্ষানুষ্ঠানৰ আগৰ নামটো সলনি কৰিলে। অৰ্থাৎ, "নগাঁও উইমেন্‌ছ কলেজ"ৰ সলনি "এল চি টোডী উইমেন্‌ছ কলেজ" নামলৈ পৰিৱৰ্তিত কৰাৰ সিদ্ধান্ত ললে। লালচান্দ টোডীৰ ভৰসাত যুদ্ধকালীন তৎপৰতাৰে কলেজৰ কাম আগবাঢ়ে। উক্ত দিনটোত ১৬ গৰাকী স্থানীয় শিক্ষক-শিক্ষয়িত্ৰীক পূৰ্ণকালীন আৰু অংশকালীন হিচাপে বাছনি কৰে।

অসমীয়া বিষয়ত পূৰ্ণকালীন অধ্যাপিকা হিচাপে তৰু বৰুৱা আৰু অংশকালীন হিচাপে অধ্যাপক মহিম বৰা, টি পি শৰ্মা আৰু এম চি বৰাক লোৱা হয়। বুৰঞ্জী বিভাগত পূৰ্ণকালীন হিচাপে এগৰাকী অধ্যাপিকা ওৱাহিদা হুছেইন আৰু তৰ্কবিজ্ঞান আৰু দৰ্শনত অধ্যাপিকা মৃণালিনী বৰদলৈক পূৰ্ণকালীন হিচাপে আৰু এইচ গোস্বামীক অংশকালীন হিচাপে নিৰ্বাচন কৰে। ৰাজনীতি বিজ্ঞান বিভাগত দুগৰাকী অংশকালীন অধ্যাপক যথাক্ৰমে অধ্যাপক এ চি নাথ আৰু অধ্যাপক টি চি বৰাক বাছনি কৰে। অৰ্থনীতি বিজ্ঞানত দুজন পূৰ্ণকালীন অধ্যাপিকা ক্ৰমে অধ্যাপিকা ওৱাহেদা হুছেইন আৰু অধ্যাপিকা বি পদ্মপতিক নিৰ্বাচন কৰা হয়। বাংলা বিভাগত অংশকালীন অধ্যাপক হিচাপে যথাক্ৰমে পি এল দত্ত আৰু অধ্যাপক এম কে ৰয়ক বাছনি কৰা হয়। মুঠতে পূৰ্ণকালীন অধ্যাপক-অধ্যাপিকা পাঁচগৰাকী আৰু অংশকালীন এঘাৰগৰাকীৰে সৰ্বমুঠ যোল্লগৰাকী অধ্যাপক-অধ্যাপিকাৰে ১২/৯/৬২ তাৰিখে নাৰী শিক্ষাৰ অনুষ্ঠানটো অংশকালীন অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীৰ অধ্যক্ষতাত আৰম্ভ হয়। উল্লেখযোগ্য যে, আৰম্ভ হোৱাৰ ন দিনৰ পিছত ২০/৯/৬২ তাৰিখে "নগাঁও ছোৱালী কলেজ" প্ৰাঙ্গণত তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই আনুষ্ঠানিকভাৱে কলেজখন উদ্‌ঘাটন কৰে।

৪. দ্ৰষ্টব্য: সম্পাদক, যোগেন্দ্ৰনাৰায়ণ ভূঞা, *স্মৃতিগ্ৰন্থ, ৰূপালীজয়ন্তী, নগাঁও ছোৱালী কলেজ*, যোগেন্দ্ৰনাৰায়ণ ভূঞাৰ প্ৰবন্ধ *মহিলা কলেজৰপৰা ছোৱালী কলেজলৈ*, পৃষ্ঠা ৬।

৫. উক্ত গ্ৰন্থ, শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীৰ *নগাঁও ছোৱালী কলেজৰ সংক্ষিপ্ত ইতিবৃত্ত*, শীৰ্ষক প্ৰবন্ধ, পৃষ্ঠা ১।

৬. দ্ৰষ্টব্য: সম্পাদক, যোগেন্দ্ৰনাৰায়ণ ভূঞা, *স্মৃতিগ্ৰন্থ, ৰূপালীজয়ন্তী, নগাঁও ছোৱালী কলেজ*, মহেশচন্দ্ৰ দেৱগোস্বামীৰ প্ৰবন্ধ *নগাঁও ছোৱালী কলেজৰ সংক্ষিপ্ত ইতিবৃত্ত*, পৃষ্ঠা ২।

নগাঁও কলেজৰ বৰদলৈ হ'ল, কমন ৰূমৰ দুই এটা কোঠা আৰু নগাঁও কলেজৰ লগত সংলগ্ন পূৰ্বৰ ডাক-বঙলাত ১৯৬২ চনৰ ১২ ডিচেম্বৰত আৰম্ভ কৰা শ্ৰেণীৰ পাঠদান অনুষ্ঠান ১৯৬৮ চনলৈকে চলি থাকিল। ক্লাছবোৰ পূৰ্ণগতিত হৈছিল, কিন্তু ডাক-বঙলাটোৰ অৱস্থা শোচনীয় হৈ অহাৰ কাৰণে সেই সময়ৰ নগাঁও কলেজৰ অধ্যক্ষই তাৰপৰা ছোৱালী কলেজখন স্থানান্তৰিত কৰিবলৈ ১৪/৬/৬৪ তাৰিখে পৰিচালনা সমিতিক জনালে। এই চিঠিৰ গুৰুত্ব অনুধাৱন কৰি ২৩/৬/৬৪ তাৰিখে শ্ৰীমতী উষা বৰঠাকুৰৰ সভাপতিত্বত বহা পৰিচালনা সমিতিৰ সভাই আমোলাপট্টিৰ কলংপাৰত অৱস্থিত ৰেডক্ৰছ ভৱনটোকে মাহিলি ২৫০ টকা ভাড়া দি, তাত অস্থায়ীভাৱে কলেজ চলাবলৈ সিদ্ধান্ত লয়।

চৰকাৰে ১৯৬৪ চনৰ জুলাইৰপৰা ১৯৬৫ চনৰ জানুৱাৰিলৈ মাহিলি ১৩৬৪ টকাৰ আৰু ১৯৬৫ চনৰ ফেব্ৰুৱাৰি মাহৰ বাবে ২০৩০ টকাৰ অতিৰিক্ত সহায়ক অনুদান (grant-in-aid) মঞ্জুৰ কৰিছে বুলি ১১/৪/৬৫ তাৰিখে বহা সভাত কৰ্ণধাৰ সমিতিয়ে জানিবলৈ পালে। ইয়াৰ উপৰিও মাটি কিনিবলৈ ৫০,০০০/- টকা, গ্ৰন্থাগাৰৰ কিতাপ আৰু সা-সৰঞ্জাম কিনিবলৈ ১০,০০০/- টকাৰ অনুদানো চৰকাৰে দিছে বুলি সভাই জানিব পাৰে। সেই সভাত সমিতিয়ে ৰেডক্ৰছ ভৱনৰ চৌহদৰ এহেজাৰ টকা ব্যয় সাপেক্ষে টিঙৰ অস্থায়ী চালি এখনৰ ব্যৱস্থা কৰাৰ সিদ্ধান্ত লয়। ৬/১২/৬৫ তাৰিখলৈকে ৰেডক্ৰছ ভৱনতে শিক্ষাদান কাৰ্য চলি থাকে আৰু ইয়াৰপৰাই এই বছৰতে ১৫ গৰাকী ছাত্ৰীয়ে স্নাতক ডিগ্ৰী লাভ কৰে।

ইতিমধ্যে লালচান্দ টোডীয়ে দিয়া প্ৰতিশ্ৰুতি অনুসৰি কলেজখনৰ নাম "লালচান্দ টোডী কলেজ" নামলৈ পৰিৱৰ্তন হৈছিল। কিন্তু ২৩/১২/৬৪ চনত লালচান্দ টোডীয়ে কলেজ পৰিচালনা সমিতিলৈ দিয়া এখন চিঠি মৰ্মে তেওঁ কলেজখনৰ লগত সকলো সম্বন্ধ বিচ্ছিন্ন কৰিছে বুলি জ্ঞাত হয়। তেওঁ দিয়া প্ৰতিশ্ৰুতি পালন নকৰাত কলেজখনৰ বিস্তৰ ক্ষতি হয়। বিশেষকৈ প্ৰতিশ্ৰুতি অনুসৰি কলেজখনৰ ঘৰ-দুৱাৰ সজাত পলম হোৱাৰ বাবে কলেজখনে পাবলগীয়া প্ৰাপ্য সুবিধাসমূহৰপৰা বঞ্চিত হ'ল। টোডীৰ কথামতে "নগাঁও উইমেনছ কলেজ"ৰ নাম "এল চি টোডী উইমেন্‌ছ কলেজ" হৈছিল আৰু প্ৰতিশ্ৰুতি ৰক্ষা নকৰাৰ বাবে পুনৰ ১৫/০১/৬২ তাৰিখে নতুনকৈ নামকৰণ কৰে "নগাঁও গাৰ্লছ কলেজ" বুলি: ... as Sri Todi has failed to fulfil his promise, the college be renamd as 'Nowgong Girls' College' with immeediate effect.

যি কি নহওক, শামুকীয়া গতিৰে স্থায়ী গৃহ নিৰ্মাণৰ প্ৰস্তুতি পৰ্বৰ পৰিকল্পনা চলি থাকে। ১৯৬৮ চনৰ ৯ জুলাইত "নগাঁও ছোৱালী কলেজ"খন (বৰ্তমানৰ ঠাইখিনিত নিৰ্মাণ কৰা) নতুনকৈ সজা ঘৰলৈ স্থায়ীভাৱে আহে। ১৯৬৯ চনত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অনুদানেৰে আৰম্ভ কৰা দুমহলীয়া ছাত্ৰীনিৱাসটো বহু ঘাত-প্ৰতিঘাতৰ মাজেদি ১৯৭৫ চনত সম্পূৰ্ণ হয়। ১৯৭৩ চনত মাননীয় শ্ৰীদেৱকান্ত বৰুৱাদেৱে আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰা ছাত্ৰীনিৱাসটোৰ কাম অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীয়ে তৎপৰতাৰে সমাপ্ত কৰে।

গৌৰৱেৰে নগাঁও ছোৱালী কলেজে বৰ্তমানৰ অৱস্থাত অৱতীৰ্ণ হৈ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিব পৰা সৌভাগ্য লাভ কৰাৰ আঁৰত থকা মহান সদাশয় সেই সকলো ব্যক্তিৰ সেৱা আৰু ত্যাগক আজি শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ সময়। কিয়নো প্ৰতিকুল অৱস্থাৰ প্ৰত্যাহ্বানক পৰাভূত কৰাৰ মানসিক দৃঢ়তাৰ দৃষ্টান্ত হিচাপে গঢ় দি থৈ যোৱা নগাঁও ছোৱালী কলেজে আজি সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰাৰ যি সৌভাগ্য অৰ্জন কৰিছে তাৰ আঁৰত আছে সেইসকল ব্যক্তিৰ নিৰলস প্ৰচেষ্টা, সেৱা আৰু শ্ৰম। তেওঁলোকৰ মাজৰ আগৰণুৱা সেনাপতি আছিল মহেশচন্দ্ৰ দেৱগোস্বামী। তেখেতৰ একনিষ্ঠ সেৱা আৰু আগ্ৰহে নগাঁও ছোৱালী কলেজক দোপতদোপে আগুৱাই যাবলৈ কেনেদৰে অনুপ্ৰাণিত কৰিছিল তাৰ আভাস পাব পাৰি নগাঁও ছোৱালী কলেজৰ আন এজন অধ্যক্ষ ড° ৰত্নকান্ত বৰুৱাৰ মন্তব্যৰদ্বাৰা:

> যথাৰ্থতে কলেজখন প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত মহেশচন্দ্ৰ দেৱগোস্বামীদেৱৰ অক্লান্ত অধ্যৱসায়ৰ ফল। এক কথাত তেখেতৰ লালিতা-পালিতা কন্যা। তেখেতৰ অমূল্য অৱদানৰ স্বাক্ষৰ কলেজখনত পূৰ্ণ প্ৰভাৱে ভাস্বৰ। তেখেতৰ নিৰ্দেশ মানে হয় নিষেধ, নহয় আদেশ। শিক্ষক-শিক্ষাৰ্থী আটাইয়ে সংঘবদ্ধভাৱে এই নিৰ্দেশ পালন কৰি কলেজখনৰ যথেষ্ট উৎকৰ্ষ সাধন কৰিছিল।[৭]

নগাঁও ছোৱালী কলেজৰ দ্বিতীয়জন অধ্যক্ষ ৰত্নকান্ত বৰুৱাই মহেশচন্দ্ৰ দেৱগোস্বামী সম্পৰ্কে যথোপযুক্ত মন্তব্য আগবঢ়াইছে। উল্লেখযোগ্য যে নগাঁও কলেজৰ উপাধ্যক্ষ আৰু কলেজ কৰ্ণধাৰ সমিতিৰ যুটীয়া সম্পাদক অধ্যাপক মহেশচন্দ্ৰ দেৱগোস্বামীক ১৯৬২ চনত পূৰ্ণকালীন অধ্যক্ষ এজন নোপোৱালৈকে অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ নগাঁও ছোৱালী কলেজৰ পৰিচালনা সমিতিৰ (৪/১/৬২) সভাই অনুৰোধ কৰিছিল। যান-বাহনৰ খৰচৰূপে মাহিলি মাত্ৰ ১০০ টকা বানচ লৈ মহেশচন্দ্ৰ দেৱগোস্বামীয়ে দায়িত্বভাৰ গ্ৰহণ কৰে। ২১/৯/৬৪ লৈকে তেওঁ অংশকালীন অধ্যক্ষ হিচাপে কাম কৰে। এই তাৰিখে বহা বৈঠকত সমিতিয়ে মহেশ দেৱগোস্বামীক ৬০০-৪০-৮০০ টকা মাহিলি নিৰিখত পূৰ্ণকালীন অধ্যক্ষ নিয়োগ কৰে। দেৱগোস্বামীয়ে ১৯৬৯ চনলৈকে

---

৭. উক্ত গ্ৰন্থ, ড° ৰত্নকান্ত বৰুৱা, প্ৰবন্ধ *স্মৃতিলেখা*, পৃষ্ঠা ৪৬।



নিষ্ঠাৰে নগাঁও ছোৱালী কলেজৰ আবয়বিক আৰু শৈক্ষিক দিশৰ উন্নতিৰ কাৰণে যত্ন কৰে। নগাঁও ছোৱালী কলেজৰ সৰ্বাঙ্গীন উন্নতিৰ প্ৰতি আন্তৰিকতাৰে আত্মোৎসৰ্গ কৰা অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীৰ কৰ্মজীৱনৰ দৃষ্টান্ত দাঙি ধৰিব উল্লেখাংশই:

> ... ১৯৬৯ চনত কলেজ প্ৰতিষ্ঠা দিৱস উৎসৱ অনুষ্ঠানৰ লগতে স্থায়ী ছাত্ৰীবাসৰ আধাৰশিলা স্থাপনৰ আয়োজন কৰি কলেজ কৰ্তৃপক্ষই ১৯৬৯ চনৰপৰা ১৯৮৩ চনলৈ এই সুদীৰ্ঘ ১৬ বছৰ সময় নগাঁও ছোৱালী কলেজৰ ইতিহাসৰ এক "অন্ধকাৰ যুগ" (Dark Period) বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। প্ৰাণ-চঞ্চল ছোৱালী কলেজৰ এইছোৱা অতিশয় দুৰ্যোগৰ সময়। এই সময়ছোৱাত কলেজৰ সকলো আশা-আকাংক্ষা, কল্পনা-বিলাস আদিৰ অৱসান ঘটি এক স্থবিৰ, নিৰলস আৰু প্ৰাণহীন অৱস্থাৰ সৃষ্টি হয়। ১৯৬৯ চনৰ কলেজ প্ৰতিষ্ঠা দিৱস উৎসৱ অনুষ্ঠানৰ লগতে স্থায়ী ছাত্ৰীবাসৰ আধাৰশিলা স্থাপনৰ আয়োজন কৰি কলেজ কৰ্তৃপক্ষই সেই সময়ৰ অসমৰ মাননীয় ৰাজ্যপাল শ্ৰীব্ৰজকুমাৰ নেহৰুক আমন্ত্ৰণ জনাইছিল আৰু ৰাজ্যপাল মহোদয়ে এই আমন্ত্ৰণ ৰক্ষা কৰি নগাঁও ছোৱালী কলেজত উপস্থিত থাকি ছাত্ৰীনিৱাসৰ আধাৰশিলা স্থাপন অনুষ্ঠান সম্পন্ন কৰিছিল। কলেজ কৰ্তৃপক্ষই সেইদিনা ৰাজ্যপাল মহোদয়ৰ সম্মানাৰ্থে এক নৈশ ভোজৰ আয়োজন কৰিছিল। আনহতে বিয়লি কলেজ প্ৰতিষ্ঠা দিৱস উপলক্ষে এক ৰাজহুৱা সভা আৰু ৰাতি এক সাংস্কৃতিক অনুষ্ঠানৰো দিহা কৰা হৈছিল। কিন্তু কলেজৰ দুৰ্ভাগ্য যে উক্ত সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হোৱা মুহূৰ্ততে আকস্মিকভাৱে অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী ডাঙৰীয়া অসুস্থ হৈ পৰে, আৰু তেতিয়াৰেপৰা তেখেতে সকলো কাৰ্যক্ষমতা হেৰুৱায়, যাৰ ফলত কলেজখনৰ প্ৰশাসনীয় দিশত এক শিথিলতাৰ সৃষ্টি হয়। দীৰ্ঘদিন কলেজত অধ্যক্ষ ডাঙৰীয়া অনুপস্থিত থকাত ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীমতী তৰু বৰুৱাই কাৰ্যনিৰ্বাহ কৰিব লগা হয়। এনেদৰেই আৱয়বিক দিশত যি তৎপৰতা আৰু ক্ষিপ্ৰতাৰ প্ৰয়োজন আছিল, সি সম্পূৰ্ণৰূপে ব্যাহত হয়, যাৰ ফলত কলেজৰ ঘৰ-দুৱাৰ আদিৰ নিৰ্মাণৰ অগ্ৰগতিত যতি পৰিছিল। অৱশ্যে অধ্যাপক-অধ্যাপিকাসকলৰ নিষ্ঠা আৰু ঐকান্তিকতাৰ ফলস্বৰূপে শৈক্ষিক দিশত কলেজখনে একেই অগ্ৰগতি লাভ কৰিছিল। অসুস্থতাৰ মাজতেই ১৯৮০ চনত অধ্যক্ষ শ্ৰীগোস্বামী ডাঙৰীয়াৰ কাৰ্যকালৰ অন্ত পৰে।[৮]

অনুষ্ঠানটি গঢ়ি তোলাৰ ক্ষেত্ৰত অপৰিসীম শাৰীৰিক আৰু মানসিক পৰিশ্ৰমেই তেখেতৰ শাৰীৰিক অসুস্থতাৰ কাৰণ বুলি ক'লে অত্যুক্তি কৰা নহ'ব। সময়ানুবৰ্তিতাক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা মহেশচন্দ্ৰ দেৱগোস্বামীৰ অকুণ্ঠ প্ৰয়াসৰ শুভফল "নগাঁও ছোৱালী কলেজ"ৰ সোণালী জয়ন্তী দিৱসে সাব্যস্ত কৰিছে। শিৰত সত্ৰীয়া পাগ, গাত পাত-মূগা-কপাহী চোলা আৰু খদ্দৰৰ শুধ বগা ধূতিৰে সদা হাস্যমুখৰ, সভা শুৱনি, কঠোৰ শৃংখলাবদ্ধতা, সময়ানুবৰ্তিতা আৰু নিয়মানুবৰ্তিতা যাৰ জীৱনৰ ব্ৰত, সেইজন শিক্ষাবিদ, সমাজকৰ্মী, সংস্কৃতিৰ সেৱক, হাস্য-ব্যঙ্গ কবি-সাহিত্যিক, গীতিকাৰ *বিহলঙনি*ৰ সম্পাদক, নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীয়ে ১৯৮৯ চনৰ ৩০ মে'ত ব্যস্ততাপূৰ্ণ জীৱনৰপৰা অব্যাহতি লৈ পৰলোকলৈ গতি কৰে। সফল জীৱনযাপন কৰা সদাব্যস্ত, বহুমুখী প্ৰতিভাৰ গৰাকী প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীৰ সপোন নগাঁও ছোৱালী কলেজ আজি পূৰ্ণযৌৱনা। সোণালীজয়ন্তী বৰ্ষৰ শুভক্ষণত তেখেতৰ প্ৰতি নগাঁও ছোৱালী কলেজ পৰিয়ালৰ তৰফৰপৰা থাকিল হিয়াভৰা কৃতজ্ঞতা আৰু শ্ৰদ্ধা।

---

৮. উক্ত গ্ৰন্থ, শ্ৰীমহেশচন্দ্ৰ ভূঞা, প্ৰবন্ধ, *নগাঁও ছোৱালী কলেজৰ আবয়বিক পৰিচয়*, পৃষ্ঠা ২৫-২৬।

## সহায়ক গ্ৰন্থ

১। ভূঞা, যোগেন্দ্ৰ নাৰায়ণ (সম্পাদক): *স্মৃতিগ্ৰন্থ*, ৰূপালীজয়ন্তী, নগাঁও ছোৱালী কলেজ, ১৯৮৭।
২। মহন্ত ড° প্ৰফুল্ল (সম্পাদক), দেৱগোস্বামী, গুণজিৎ কুমাৰ (সহযোগী), কৌশিক পুলকানন্দ (সহযোগী): *মহেশচন্দ্ৰ দেৱগোস্বামী: জীৱন আৰু স্মৃতি*, মহেশচন্দ্ৰ দেৱগোস্বামী স্মৃতিৰক্ষা সমিতি, নগাঁও, ২০০৪।

---

ড° মঞ্জু লস্কৰ নগাঁও ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী আৰু বৰ্তমান কলেজখনৰ অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপিকা।

# মহেশচন্দ্ৰ দেৱগোস্বামী পুথিভঁড়ালত এভুমুকি

ড° অজন্তা দত্ত বৰদলৈ

ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে মন্তব্য কৰিছিল যে মানুহে যিমান কিতাপ পঢ়িবলৈ শিকে, সিমান ভাবিবলৈ শিকে, কথাষাৰ অতি তাৎপৰ্যপূৰ্ণ। কিয়নো তত্ত্বগধুৰ ভাব-চিন্তাইহে মানুহৰ মন ধীৰ-স্থিৰ কৰি গঢ়ি তুলিব পাৰে। এটা আটকধুনীয়া পুথিভঁড়াল প্ৰত্যেক শিক্ষানুষ্ঠানৰে এক গৰ্বৰ সামগ্ৰী। সাহিত্য যেনেকৈ সমাজৰ দাপোণ তেনেদৰে পুথিভঁড়ালো হ'ল একোখন শিক্ষানুষ্ঠানৰ বৌদ্ধিক ৰূপটোৰ প্ৰতিবিম্ব। পুথিভঁড়াল হ'ল এখন বহল খিড়িকী, যাৰ মাজেদি অতীতলৈ ভুমুকি মাৰি চাব পাৰি, বৰ্তমানকো চাই থাকিব পাৰি, ভৱিষ্যতকো কল্পনা কৰিব পাৰি। অৰ্থাৎ পুথিভঁড়ালতে অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সংযোগ স্থাপিত হৈছে। ইয়াতে বহি আমি আমাৰ পূৰ্ব-পুৰুষসকল আৰু পৃথিৱীৰ মনীষীসকলৰে সৈতে কথা পাতিব পাৰোঁ, জ্ঞান ল'ব পাৰোঁ। ইয়াৰ আলোকতেই আমি নিজকো চিনি পাবলৈ সক্ষম হওঁ। পুথিভঁড়ালে আমাক নীৰৱে আমন্ত্ৰণ জনায়, কথা হ'লে বহুত কথা কয়, উপদেশ দিয়ে, অনুপ্ৰেৰণা যোগায় আৰু আমাক মানুহ হোৱাত সহায় কৰে। পুথিভঁড়ালে আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰি জ্ঞানৰ সীমাহীনতাৰ প্ৰতি আমাৰ দৃষ্টি মোকোলাই দিয়ে। ইয়াৰ উপৰি আমাৰ অৱসৰৰ সময় সাৰ্থকভাৱে অতিবাহিত কৰিব পৰাকৈ এক সুস্থ পঠন অভ্যাস গঢ়ি আমাক এন্ধাৰৰ দুৰ্ভেদ্য দুৱাৰবোৰ অতিক্ৰম কৰি জ্ঞানৰ আলোকময়, অমৃতময় জগতত প্ৰৱেশৰ শক্তি যোগায়।

নগাঁও ছোৱালী কলেজ আৰম্ভ হৈছিল আজিৰপৰা পঞ্চাছ বছৰ পূৰ্বে ১৯৬২ চনৰ ১২ ছেপ্টেম্বৰত, মাথোন ৬৪ গৰাকী ছাত্ৰীৰে। তেতিয়াৰ শিক্ষামন্ত্ৰী প্ৰয়াত দেৱকান্ত বৰুৱাই কলেজ ভৱনৰ বাবে ৫০,০০০ টকা আৰু পুথিভঁড়ালৰ বাবে ১০,০০০ টকাৰ এটি মঞ্জুৰী আগবঢ়ায়; এয়াই হ'ল নগাঁও ছোৱালী কলেজ পুথিভঁড়ালৰ আৰম্ভণি। ১৯৭০ চনত কলেজে গ্ৰন্থ ক্ৰয় কৰিবৰ বাবে ৬৪০০ টকাৰ এক অনুদান লাভ কৰে।

ছাত্ৰীৰ সংখ্যা বঢ়াৰ লগে লগে গ্ৰন্থাগাৰত কিতাপৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰে। কিতাপৰ সংখ্যা বৃদ্ধিৰ লগে লগে পুথিভঁড়াল চোৱা-চিতা কৰাৰো প্ৰয়োজন আহি পৰে। বিভিন্ন সময়ত শিক্ষকসকলক পুথিভঁড়াল চোৱাচিতা কৰাৰ দায়িত্ব দিয়া হয়। প্ৰশাসনীয় ভৱনেৰে এটা সৰু কোঠাত এটা আলমাৰিৰে আৰম্ভ কৰা পুথিভঁড়ালটোৱে এটা স্থায়ী ভৱন আৰু এজন স্থায়ী গ্ৰন্থাগাৰিকৰ অভাৱ বাৰুকৈয়ে ভোগাৰ পাছত ১৯৭২ চনত এজন সৎ, পৰিশ্ৰমী, দক্ষ, চফল ডেকা মহম্মদ আলিক নগাঁও ছোৱালী কলেজ পুথিভঁড়ালৰ প্ৰথমজন গ্ৰন্থাগাৰিক হিচাবে নিযুক্তি দিয়া হ'ল। অৱশ্যে কলেজ কাৰ্যালয়ৰ বিভিন্ন কামতো তেখেতে কাম কৰিব লগা হৈছিল। প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় মহেশচন্দ্ৰ দেৱগোস্বামীৰ নিৰ্দেশ মতে আলিয়ে নিষ্ঠা সহকাৰে গ্ৰন্থগাৰিকৰ দায়িত্ব পালন কৰি গৈছিল। কিন্তু স্থায়ী ভৱনৰ অভাৱত গ্ৰন্থাগাৰিকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব পৰা নাছিল। বিভিন্ন সময়ত বিভিন্ন কোঠাত অস্থায়ীভাৱে গ্ৰন্থাগাৰৰ ব্যৱস্থা কৰিব লগা হৈছিল। গ্ৰন্থাগাৰটোৰ সীমিত সুবিধাৰ ভিতৰতে অধ্যক্ষ আৰু শিক্ষকসকলৰ প্ৰচেষ্টাত ছাত্ৰীসকলৰ মাজত জ্ঞান-পিপাসু মন এটা গঢ় লৈ উঠিছিল আৰু ছাত্ৰীসকলৰ চাহিদা কিছু পৰিমাণে হ'লেও পূৰণ কৰিব পাৰিছিল।

১৯৮৭ চনৰ ১৪ ছেপ্টেম্বৰ আছিল নগাঁও ছোৱালী কলেজৰ বাবে এক স্মৰণীয় দিন। সেইদিনাই সেই সময়ৰ মাননীয় মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তদেৱে এক স্থায়ী পুথিভঁড়াল গৃহৰ আধাৰশিলা স্থাপন কৰে আৰু গ্ৰন্থাগাৰৰ স্থায়ীভৱন নিৰ্মাণৰ বাবে এক লাখ টকা আগবঢ়ায়। পৰৱৰ্তীকালত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থসাহায্যৰে সেইসময়ৰ অধ্যক্ষ বিমল বৰাদেৱে বৰ্তমানৰ দুমহলীয়া পকীঘৰৰ কাম সম্পূৰ্ণ কৰে আৰু ১৯৯১ চনত স্থায়ীভাৱে নগাঁও ছোৱালী কলেজে এক আহল-বহল গ্ৰন্থাগাৰ আৰু পাঠাগাৰ লাভ কৰে।

যিজন মহান ব্যক্তিৰ ত্যাগ, শ্ৰম আৰু দূৰদৰ্শিতাৰ অন্যতম স্বাক্ষৰ মধ্য অসমৰ নাৰীশিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান নগাঁও ছোৱালী কলেজ, সেই মহেশচন্দ্ৰ দেৱগোস্বামীৰ নামেৰে নগাঁও ছোৱালী কলেজৰ স্থায়ী পুথিভঁড়ালৰ নামকৰণ কৰা হয়। এয়া ২০০২ চনৰ কথা। কলেজখনৰ তেতিয়া অধ্যক্ষ আছিল অকাদেমি বঁটা বিভূষিত সাহিত্যিক অপূৰ্ব শৰ্মা। অসমৰ প্ৰখ্যাত



বুদ্ধিজীৱী, সৰ্বজনপ্ৰিয় লেখক হোমেন বৰগোহাঞে প্ৰয়াত দেৱগোস্বামীৰ নামাঙ্কিত পুথিভঁড়ালটিৰ দুৱাৰ মুকলি কৰি এক জ্ঞান গৰ্ভ ভাষণ দিছিল।

একোটা শিক্ষানুষ্ঠানৰ তিনিটা অঙ্গ— ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু গ্ৰন্থাগাৰ। শিক্ষকে শ্ৰেণীত পাঠদান কৰে, ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। মহাবিদ্যালয়ৰ ঘৰ-দুৱাৰ, ছাত্ৰ-ছাত্ৰী শিক্ষকসকল সকলোৰে চকুত পৰে। কিন্তু ঘৰৰ ভিতৰৰ আলমাৰিত বা ৰেকত থাক-থাককৈ, পৰিপাটিকৈ সজাই থোৱা গ্ৰন্থৰাজি বহুতৰে চকুত নপৰে। সেই গ্ৰন্থৰাজি ছাত্ৰ আৰু শিক্ষকৰ হাতত তুলি দিয়া মূল ব্যক্তিজনেই হ'ল গ্ৰন্থাগাৰিকজন। গ্ৰন্থাগাৰ কেৱল কিতাপৰ গুদাম ঘৰ নহয়— ই এনে এটি নিজৰা, যাৰ পানী বৈ গৈ শিক্ষা আৰু সংস্কৃতিৰ বহল পথাৰ প্লাৱিত কৰে। গ্ৰন্থাগাৰিকৰ দৰে পৱিত্ৰ সেৱাত আত্মনিয়োগ কৰি শিক্ষক, ছাত্ৰ, গৱেষকক গ্ৰন্থাগাৰৰ প্ৰতি আকৰ্ষিত কৰাই হ'ল গ্ৰন্থগাৰিকৰ প্ৰধান লক্ষ্য। সীমিত সুবিধাৰ মাজতে আলি ডাঙৰীয়াই কলেজলৈ সাধ্যানুসাৰে সেৱা আগবঢ়াই গ'ল। ২০০২ চনত তেখেতে অৱসৰ গ্ৰহণ কৰাৰ পাছত যোৱা ২০০২ চনৰ ২৭ নৱেম্বৰ তাৰিখে গ্ৰন্থাগাৰিক বিজ্ঞানৰ ছাত্ৰ কিশোৰকুমাৰ শৰ্মাই গ্ৰন্থাগাৰিকৰ দায়িত্ব গ্ৰহণ কৰে আৰু আজি পৰ্যন্ত নিষ্ঠা আৰু সততাৰে এই গুৰু দায়িত্ব পালন কৰি আছে।

কোঠাৰী শিক্ষা আয়োগে গ্ৰন্থাগাৰ সম্পৰ্কত আগবঢ়োৱা এক মন্তব্য মনলৈ আহিছে। আয়োগে উল্লেখ কৰিছে যে বহুত কিতাপ গোটালেই সেইবোৰ যিমানেই উৎকৃষ্ট নহওঁক লাগে এটি ভাল গ্ৰন্থাগাৰ গঢ়ি তুলিব নোৱাৰি। যিখন মহাবিদ্যালয়ত উৎসাহী শিক্ষক থাকে, যি কিতাপৰ পৰা জ্ঞান আহৰণ কৰি পাঠদান কৰিব পাৰে আৰু য'ত এনে গ্ৰন্থাগাৰিক থাকে যি গ্ৰন্থাগাৰটিক বৌদ্ধিক কৰ্মশালাত পৰিণত কৰি উৎসাহী পঢ়ুৱৈক সহায় কৰে সেইখন মহাবিদ্যালয় বৰ ভাগ্যৱান। নগাঁও ছোৱালী কলেজৰ অধীনত থকা মহেশচন্দ্ৰ দেৱ গোস্বামী পুথিভঁড়াল বিপুলসংখ্যক বাছকবনীয়া কিতাপেৰে সমৃদ্ধ আৰু ইয়াৰ গ্ৰন্থাগাৰিকজনো এজন বিদ্যানুৰাগী সহৃদয় ব্যক্তি। উদ্যমী শিক্ষক, মনোযোগী ছাত্ৰ-ছাত্ৰীৰ লগতে এক অনুকূল গ্ৰন্থাগাৰ আৰু গৱেষণাগাৰ থকাটো একান্ত জৰুৰী। কলা আৰু সমাজবিজ্ঞান বিষয়ৰ গৱেষণাত গ্ৰন্থাগাৰৰ ভূমিকা অপৰিমেয়। শ্ৰেণীকোঠাত শিক্ষকৰ পৰা জ্ঞান আহৰণ কৰাৰ উপৰি ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথি, প্ৰসঙ্গপুথি, আলোচনী আদিৰপৰাও জ্ঞান আহৰণ কৰিব লাগে। শিক্ষকজন প্ৰকৃততে শ্ৰেণীকোঠাত প্ৰেৰণা দিওঁতা লগতে তেওঁ মৌলিক গ্ৰন্থ, আলোচনী তথ্য আদিৰে সৈতে ছাত্ৰ-ছাত্ৰীৰ যোগসূত্ৰ স্থাপন কৰোঁতাও, তদুপৰি মহাবিদ্যালয়ত পঢ়ি থকাৰ সময়তে পাঠ্যপুথিৰ লগতে বাহিৰা কিতাপৰ অধ্যয়নো সমানেই প্ৰয়োজনীয়। অধ্যয়নৰ অভ্যাসে ছাত্ৰ-ছাত্ৰীক দুষ্কৰ্ম, ক্লান্তি আৰু নিঃসঙ্গতাৰ পৰা সততে আঁতৰাই ৰাখি জীৱনক সৰ্বাঙ্গ সুন্দৰভাৱে গঢ়ি তোলাত সহায় কৰে। গ্ৰন্থ অধ্যয়নৰ জৰিয়তে জীৱনটোক গতিময় কৰি নিজৰ সত্তাক মজবুত কৰি ৰাখিব পাৰি। নিপুন গ্ৰন্থাগাৰিক আৰু নিষ্ঠাৱান শিক্ষকসকলৰ তত্ত্বাৱধানত মহেশচন্দ্ৰ দেৱগোস্বামী পুথিভঁড়ালে এইবোৰ কাম সুচাৰুভাৱে পালন কৰি আহিছে।

বৰ্তমানৰ নগাঁও ছোৱালী কলেজৰ প্ৰাণকেন্দ্ৰ 'মহেশচন্দ্ৰদেৱগোস্বামী গ্ৰন্থাগাৰ'ৰ এক সংক্ষিপ্ত বিৱৰণ তলত ডাঙি ধৰা হ'ল।

**অৱস্থিতি আৰু আয়তন:** প্ৰশাসনীয় ভৱনৰ দক্ষিণ-পূব ফালে অৱস্থিত গ্ৰন্থাগাৰ ভৱনটো দুমহলীয়া। তলৰ মহলাৰ ৬০′ ফুট দীঘল আৰু ২৩′ ফুট বহল এটা কোঠাত গ্ৰন্থসমূহ ৰেকত থোৱা হয়। কাষৰ এটা কোণত Xerox Machineৰ ব্যৱস্থা কৰা হৈছে। গ্ৰন্থাগাৰিকৰ কাৰ্যালয়টো ২১′ ফুট দৈঘ্য আৰু ২৭′ ফুট প্ৰস্থৰ কাৰ্যালয়ৰ এক সুকীয়া আলমাৰীত সাঁচিপতীয়া পুথি (Manuscript) ৰখা হৈছে। ওপৰ মহলাত থকা ছাত্ৰীসকলৰ পঢ়া কোঠাটো ৪১′ ফুট দৈঘ্য আৰু ২৩′ ফুট প্ৰস্থৰ। ছাত্ৰীসকলৰ অধ্যয়নৰ বাবে সুন্দৰ চকী-মেজৰ সুব্যৱস্থা আছে। একেসময়তে ১৩০ গৰাকী ছাত্ৰীয়ে অধ্যয়ন কৰাৰ ব্যৱস্থা আছে ৰিডিং ৰুমত আলোচনী আৰু বাতৰিকাকত দেখা পোৱাকৈ ৰখাৰ বাবে ছেলফ আৰু ৰেক্ আছে। অসমীয়া, বাংলা, ইংৰাজী আৰু হিন্দী বাতৰি কাকত পঢ়াৰ বাবে এটি আহল-বহল পেপাৰ ষ্টেণ্ডো আছে। ছাত্ৰীসকলৰ ৰিডিংৰুমৰ কাষতে প্ৰসঙ্গপুথি আৰু Ph. D. Thesis আৰু Minor Research Project ৰ প্ৰতিৱেদন ৰখা হৈছে। কাষতে আছে ২৩′ ফ্ৰুট প্ৰস্থ আৰু ১৬′ ফুট দৈৰ্ঘ্যৰ শিক্ষকসকলৰ পঢ়াকোঠা।

সপ্তাহত ৬ দিন গ্ৰন্থাগাৰ খোলা থাকে। গ্ৰন্থাগাৰ খোলাৰ সময় পুৱা ৮-৩০ টা আৰু বন্ধৰ সময় আবেলি ৪ বজা। বৰ্তমান গ্ৰন্থাগাৰৰ কৰ্মচাৰী চাৰিজন:

(১) গ্ৰন্থাগাৰিক— ড° কিশোৰ কুমাৰ শৰ্মা, এম, এল, আই, চায়েন্স
(২) গ্ৰন্থাগাৰ সহায়ক— মনোমোহন ৰাভা
(৩) গ্ৰন্থাগাৰ বিয়েৰাৰ— হৰকান্ত শইকীয়া
(৪) গ্ৰন্থাগাৰ বিয়েৰাৰ— গিৰিধৰ হাজৰিকা

অধ্যক্ষক সভাপতি, গ্ৰন্থাগাৰিকক সম্পাদক আৰু কেইজনমান মনোনীত শিক্ষকসদস্যক লৈ লাইব্ৰেৰি পৰিচালনা কমিটিয়ে গ্ৰন্থাগাৰ পৰিচালনা কৰে।

বৰ্তমান পুথিভঁড়ালটিত থকা গ্ৰন্থ, আলোচনী আদিৰ বিৱৰণ নিম্নলিখিত ধৰণৰ—

(ক) পাঠ্যপুথি— ৩১,৩৫৯ খন
(খ) প্ৰসঙ্গ পুথি— ৬৪৬৪ খন
(গ) জাৰ্নাল/আলোচনী— ২৬ খন
(ঘ) বাতৰি-কাকত— ৭ খন (অসমীয়া, বাংলা, হিন্দী, ইংৰাজী)
(ঙ) বন্ধোৱা সাময়িক পত্ৰ/Periodical— ২২ খন
(চ) সাঁচিপতীয়া পুথি (Manuscript)— ৭৫ খন
(ছ) প্ৰাকৃতিক সম্পদ পৰিচালনা ওপৰত গ্ৰন্থ— ২৪৮ খন
(জ) দুৰ্লভ সংগ্ৰহ— ৪৩৭ খন
(ঝ) উত্তৰ-পূব ভাৰত বিষয়ক বিশেষ সংগ্ৰহ— ২০৪ খন
(ঞ) জীৱন চৰিত (Biography)— ৯৭ খন
(ট) কলেজৰ শিক্ষকে লিখা পুথি— ২৭৭ খন

এইখিনিতে উল্লেখযোগ্য যে প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীয়ে কলেজৰ আৰম্ভণিতে পুথিভড়াললৈ আনিছিল
অৰবিন্দৰ সমগ্ৰ ৰচনাৱলী। উল্লেখযোগ্য যে গ্ৰন্থাগাৰটিত আছে কিছু বহুমূলীয়া সাঁচিপতীয়া পুথি। বিশেষজ্ঞৰ পৰামৰ্শ লৈ
সেইবোৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমান সময়ৰ গুৰুত্ব উপলব্ধি কৰি CD/DVD: ৰো এক সংগ্ৰহ বৰ্তমান অধ্যক্ষাৰ
কাৰ্যকালত আৰম্ভ কৰা হৈছে। বৰ্তমান এনে CD/DVD ৰ সংখ্যা ১৪। এইবোৰ CD/DVD যথেষ্ট নহ'লেও এইয়া আৰম্ভণি।
বিভিন্ন বিভাগত থকা আৰু বিভাগীয় শিক্ষকসকলে যোগান ধৰা CD/DVD কে কলেজখনত Audio-Visual হিচাপে ব্যৱহাৰ
কৰা হয়। নগাঁও ছোৱালী কলেজৰ শিক্ষোপকৰণৰ ব্যৱস্থা ৰাজ্যখনৰ বহু অগ্ৰগণ্য শিক্ষানুষ্ঠানতকৈ অধিক। এইক্ষেত্ৰত ইংৰাজী
বিভাগৰ অধ্যাপক জ্যোতিৰ্ময় জানা গুৰিধৰোঁতা।

মহেশচন্দ্ৰ দেৱগোস্বামী পুণ্যনাম জড়িত গ্ৰন্থাগাৰটিৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল— বহুতো অভিভাৱক, শিক্ষক,
প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰীয়ে সময়ে সময়ে গ্ৰন্থাগাৰলৈ আগবঢ়োৱা গ্ৰন্থ।

এইক্ষেত্ৰত আমি শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব যজ্ঞেশ্বৰ শৰ্মাৰ সু-সন্তান, পি. কে শৰ্মাৰ (I.R.S.) নাম। তেখেতৰ কন্যা কৃতি
ছাত্ৰী সংযুক্তা শৰ্মাই (বৰ্তমান আমেৰিকাত কৰ্মৰত) ১৯৯২ চনত নগাঁও ছোৱালী কলেজৰ পৰা উচ্চতৰ মাধ্যমিক শেষান্ত
পৰীক্ষাত সপ্তম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হৈছিল। শিক্ষানুষ্ঠানখনলৈ কৃতজ্ঞতাৰ চিনস্বৰূপে সংযুক্তাৰ পিতৃয়ে কলেজ পুথিভঁড়াললৈ
২০২ খন মূল্যৱান গ্ৰন্থ দিল্লীৰপৰা প্ৰেৰণ কৰিছে। কিতাপখিনিৰ পৰিবহন ব্যয়ো তেখেতে বহন কৰে।

ফৌজদাৰিপট্টীৰ জীৱন বৰাই এটা আলমাৰিসহ ৪৭ খন মূল্যৱান গ্ৰন্থ দান কৰিছে। এইখন কলেজৰ শিক্ষা বিভাগৰ মুৰব্বী
অধ্যাপিকা মালতী বৰাৰ পুত্ৰ শ্ৰীমান অংকুৰে ৭২ খন মূল্যৱান গ্ৰন্থ পুথিভঁড়াললৈ দান কৰে। এইখন কলেজৰে অৱসৰপ্ৰাপ্ত
গণিত বিভাগৰ অধ্যাপক মেঘনাদ পালে ৬১ খন গ্ৰন্থ, বৰ্তমান অসমীয়া বিভাগৰ অধ্যাপিক অমিয়া পাটৰে ১৮ খন, অৱসৰপ্ৰাপ্ত
উপাধ্যক্ষ জয়ধন দাসে ১০ খন, ২০০৯ চনৰ সাধাৰণ সম্পাদিকা পম্পি বৰাই ১৩ খন বৰ্তমানৰ অধ্যক্ষা অজন্তা দত্ত বৰদলৈৰ
কন্যা অনুস্মিতা বৰদলৈয়ে ২৩ খন, বৰ্তমানৰ ছাত্ৰী মমতাজ বেগমে ১০ খন গ্ৰন্থ আৰু কলেজৰ শুভাকাঙ্ক্ষী বহুজনে গ্ৰন্থ কলেজ
পুথিভঁড়াললৈ আগবঢ়াই কলেজ পৰিয়ালটিক কৃতজ্ঞতাৰ পাশত আবদ্ধ কৰিছে।

একৈছ শতিকাৰ তথ্য-বিস্ফোৰণৰ লগত সঙ্গতি ৰাখিব পৰাকৈ ভাৰতৰ বিশ্ববিদ্যালয় আৰু গৱেষণাগাৰবিলাকৰ মাজত
জাতীয় তথ্য আৰু জ্ঞান বিনিময়ৰ কাৰণে বিশ্ববিদ্যালয় অনুদান আয়োগে 'ইনফ্লিবনেট' (Information and Library Network)
প্ৰকল্পৰ অধীনত Soul Pachage Software তৈয়াৰ কৰি দিয়া প্ৰশিক্ষণ, বৰ্তমানৰ গ্ৰন্থাগাৰিকে আহমেদাবাদ (গুজৰাট)লৈ গৈ
গ্ৰহণ কৰি আহি বৰ্তমান এই প্ৰক্ৰিয়াৰে কাম আৰম্ভ কৰিছে। তদুপৰি গ্ৰন্থাগাৰত ইন্টাৰনেটৰ ব্যৱস্থা কৰাৰ বাবেও আঁচনি প্ৰস্তুত
কৰা হৈছে। ইয়াৰ ফলত স্থানীয়ভাৱে সংগ্ৰহ কৰা গ্ৰন্থ আলোচনীৰ বৰ্গীকৰণ কৰি কম্পিউটাৰত সূচীকৰণ কৰিব পাৰি আৰু
লগতে আন গ্ৰন্থাগাৰৰ গ্ৰন্থ, আলোচনী কাকত ইত্যাদি পোৱাটোও সহজ হৈ পৰিব।

ড° অজন্তা দত্ত বৰদলৈ নগাঁও গাৰ্লছ কলেজৰ অধ্যক্ষা।



# The Marketability of Library Service: A Case Study of Mahesh Chandra Dev Goswami Library

Dr Kishore Kumar Sarmah

## Introduction

An important question that often haunts a librarian is: Can library service be marketed? If one takes up
the issue as a student of Library and Information Science, one can affirm that it can be marketed, because
marketing is a management process which is applicable to both profit and non-profit organizations. However,
distinction should be made between marketing and selling, and the objective of the Librarian should be the
creation of demand for more and more knowledge and meeting the demands with suitable products and
services.

The word "marketing" has different meanings for different persons. For some, it means selling of goods
and services, while for some others, it is a promotional activity which includes advertising and repackaging.
Hence, marketing of library-service can be viewed as a process of exchange and a way to foster some kind of
"sharing" between library and its users. Marketing is a business process by which products are matched with
markets and transfer of ownership is affected; but so far as the marketing of library-service is concerned the
user's satisfaction is the sole objective and the benefit of the community is the profit. It is an activity that
should be started for the benefit of the users and one should make sure that the benefit matches the
expectations of the people for whom the schemes have been launched.

Western countries suggest that information is more highly valued and appreciated if it is paid for. It is
said that whenever a service is provided free it is used less and this happens in library services also. When a
price is tagged, a user comes forward to judge the importance of the service before deciding to use it. Those
using a service have to pay for it, if not fully. This forms the ethical basis of paying the price for library
service. Marketing is a set of practical techniques that require a high amount of skill and a string of well-
applied strategies for the achievement of success. Success in the marketing of library services depends
immeasurably on the skilful application of well-devised strategies and techniques as well as on the availability
of committed man-power and resources.

## Management of Library Services

Effective planning begins with the analysis of the needs and preferences of the users. Every institution
needs to improve its services for a respectable survival in this world of high competition. Library service is
no exception to this. A proper understanding of the market might compel improvement of the service of an
institution and the maximum utilization of its resources. A good planning, which is nothing but the sum-total
of organized thoughts preceding any purposeful action, is one of the success factors for any library system.
The starting point of any marketing activity is a marketing plan which is indispensable for the promotion and
enhancement of its services. It is not a long-range plan but an effective information policy which can
invigorate the services of a library. As a student of Library and Information Science as well as a librarian I
deem it pertinent that the concept of marketing is introduced in all the libraries. To implement this concept, a
good team comprising efficient and committed persons is essential.

The core objective of an academic library is to support the academic programmes offered. Besides, the

library should design a system to deliver its products and services to attract more users. Ultimately, the library should aim at roping in all its users for the maximum utilization of its resources.

The parameters cited below would facilitate quality upgradation and sustainability of library services to a greater extent.

i. The opening and closing hours of the library create a good impression on the user community. A simple example is the case of the Mahesh Chandra Dev Goswami Library (henceforth MCDGL), the name with which the Nowgong Girls' College Library appeared in 2002. Despite the inadequacy of employees, the Library is kept open from 8:30 am to 4 pm and it has been observed that quite a good number of teachers and students use the Library in the morning for a quick reference before entering their classes. This helps them to clear their doubts in regard to a topic s/he intends to teach or learn. In the afternoon also some students make it a habit to enter the Library in search of information when their classes are over. This is a positive sign for both the students and the Library. After the retirement of Manomohan Rabha, an old and efficient library assistant of the college, on 31 December 2011, the Library staff has come down from 4 to 3. We are, however, confident that we would be able to keep the Library open for more hours if the number of its employees is increased. We strongly hope and believe, that time is not far away.

ii. The open access system, the physical facilities provided and also the improvement of information technology introduced attract the users towards the library. Open access system has played a great role in attracting the readers towards the library resources as they have the liberty to go around the stacks and pick up any book of their choice and in the process they happen to come across a book which is very relevant to their need. At present the Library is engaged in data entry under the SOUL software which will enable the users to get sure about the presence and location of any book in the Library. With the inclusion of more technical hands in the library staff, we would definitely start the automation process. As regards physical facilities, there are separate reading rooms for both the teachers and the students which are kept clean by the library staff so that the readers can peacefully go through the reading materials.

iii. Steps should be taken to provide a congenial ambience for both the students and the teachers so that they have the liberty to utilize the library resources to their satisfaction. Very few libraries allow the users especially the student community to utilize all the resources. It is well-known that no library can fully satisfy the information needs of the users but if some positive steps are taken then surely the users will be benefitted. Yet, in the MCDGL, some books, not easily procurable from the market, have been systematically displayed for ready reference purpose. On demand, the library arranges xeroxing relevant portions of the book or issuing the book to the user for a brief period of time. The Library staff has noted with satisfaction that with this little service they have been able to change radically the mindsets of the users and there has been a torrential inflow of users to the Library. It has been noted that quite a good number of students used a remarkably high amount of academic materials during the last summer vacation (1 June 2012 to 31 June 2012).

iv. Provision should be made to issue books to the all the users on all working days, but a timeslot should also be fixed. The philosophy of an ideal library is "service to all at all the time" and the philosophy of the MCDGL is also the same. Usually, in the academic libraries, there are fixed for specific classes for issuing or reissuing or taking return of books; but if that day is a holiday or a day of *bundh* or a day of the physical indisposition of a user, waiting for a week for borrowing or returning a book becomes a reality. The MCDGL has made it a point to issue books on all working days of the week but with a slight restriction: any student can have a book issued, reissued or returned on any day after 1 pm. Availing themselves of this facility, the students can complete their assignment or do their homework in a leisurely manner and in a tension-free state.

v. Introduction of more specialized services, apart from the traditional ones, paves the way for better marketing. Circulation and reference services are available in all academic libraries; but these are not enough



in the present-day context. It is now time for the libraries to go beyond their traditional services and introduce services like Consultancy Service, Current Awareness Service (CAS), Selective Dissemination of Information (SDI) and Article Alert. The last one is particularly important for teachers engaged in research. The MCDGL has tried to provide information but in a limited way. As for Consultancy Service, the outgoing students were very much benefitted as the Library took pains to advise them and update them with information as to how and to whom they should apply for further studies after passing their Higher Secondary or Third-Year Degree Course examinations. In this connection I would like to mention that after joining some vocational training or institution of higher education, most of the students keep contact with our Library and update the Library with more information about higher education and studies. This reciprocal relationship between the Library and its users is remarkably advancing the cause of women's education in Central Assam where Nowgong Girls' College is located.

vi. Maximum number of books should be provided to the users, mainly to the students who are serious, sincere and economically backward. Though the Library issues a fixed number of books to the students for a fixed period of time, there are relaxations for those who are serious, sincere or economically backward. The Library specially considers the cases of those who are economically weak and serious in their studies. They are given more books than they are eligible to get under the existing rules and no pressure is created upon them for returning the books by the fixed date. The result of this experiment is highly encouraging. The results of the last Higher Secondary Examination show that the students who were benefited by this relax-ation fared remarkably well. All of them proved their honesty by returning the books to the Library soon after their examinations were over.

vii. Proper maintenance of question bank and book banks succeeds immeasurably in attracting the users to the library. In the MCDGL question papers of many years have been kept in bound volumes. Both students and teachers have free access to them. If there is shortage or deficiency of question papers in any subject, it is instantly made up with the incorporation of question-papers from Darrang College Library, Tezpur. The employees of the MCDGL have enthusiastically noticed a tremendous rush of students for old question-papers throughout the year, particularly before the examinations. They can consult any kind of question-paper on any working day. As a rule, after filling up their forms before Final Examinations, every student has to return the library books and get a clearance from the Library. But in the MCDGL, under the book-bank system, the students can borrow books from the Library even their "form fill-up" and use them till the completion of their examinations. This is a unique service unavailable in other academic libraries. Having extended this service, we have observed a dramatic improvement not only in the students' attitude to the library but also in their performance in the examinations. Students feel that the MCDGL is their friend in need and their friend indeed.

viii. Supply of xeroxed materials to both the teachers and the students plays a significant role in attracting more users to the library and enables the library to earn revenue. Moreover, it keeps an employee engaged at the xerox centre. With a xerox-machine at its xerox centre, the MCDGL tries its best to meet the needs of its users and earn revenue for the College.

ix. The size of the collection of reading materials along with a high amount of infrastructural develop-ment of the library play a decisive role in the marketing process. In addition to the faculty-members and various academic departments of the College, any other user of the library, however big or small s/he might be, should be allowed to submit lists of books and journals they need. It is well-known that the National Library, Kolkata, has a long requisition form which any member of the Library can fill in and submit to the librarian, demanding the books s/he wants to obtain from it. In the MCDGL, the selection of books and journals to be purchased are made by consulting not only the selection tools like the publisher's catalogue, book reviews and the bibliographies submitted to the librarian by faculty members but also the lists submitted by the students to the Librarian. This generates a sense of belongingness in all the stakeholders of the Library

and induces them to visit the Library frequently in search the resources they need.

x. The users should be allowed to submit to the library the names of the periodicals of their choice, since it will not only attract them towards the library but also develop bibliophilism in them. The MCDGL tries to develop reading habit in the students in a systematic manner. It subscribes to various newspapers and periodicals not only of the teachers' and the librarian's choice but also of the students' choice. Side by side with research-related journals, it keeps newspapers, periodicals and magazines that they demand. However, this is never done at the cost of the lofty ideals the Library stands for. The Library-staff purposefully places serious journals alongside non-serious ones (remember, not the trash ones). The soul purpose behind this is to convert non-serious readers into serious ones. The method adopted is slow but steady.

xi. Every library should have specific corners for displaying selected sets books by or about great personalities, rare collections and widely acclaimed fiction. In the MCDGL, there are specific shelves displaying award-winning novels, manuscripts, the *Samhitas*, rare collections like the Complete Works of Mahatma Gandhi, the Complete Works of Aurobindo, the Sacred Books of the East and such other highly adorable reading materials. The students are tacitly invited to go through them and, thereby, strongly develop in them an imperishable love for serious writings. Some students of the College have revealed to me that they have become serious readers of world classics after reading some of the classics displayed in the *almirahs*. All the Library needs now is more space for achieving greater success in this.

**The Summing-up**

The above findings lead us to the conclusion that the length of time between the opening and closing hours of a library plays a decisive role in attracting more readers towards the library. Early opening helps both the students and the teachers to consult quick reference materials before entering the class. Introduction of the open access system has enabled us to go through that while searching for a particular title the user's attention may be drawn towards more relevant titles. This will expand the user's horizon of taste and passion. It exposes the user directly to a greater world of books and enables him/her to collect such information as s/ he could not collect from the catalogue. When the students are given the permission to get their books issued and reissued on any working day of the College of, there is a steep increase in the number of readers utilizing the resources in the library. This is a good sign.

It has further been observed that the relaxation of rules in respect of the number of books to be issued and the days on which they are to be returned can bring in gusts of fresh air in the library service. Again, the existence of both book-bank and question-bank in the library, benefits the students in general and the economically backward students in particular, because they can improve their results not only by using the question-banks whenever they like but also by using the books till their examinations are over. The availabil-ity of reprography in the library itself immensely benefits the users, because they can obtain xeroxed copies of the materials they need immediately after selecting pages and portions to be xeroxed. A separate space in the library exhibiting a special collection does also attract the users to the library and a sense of belongingness is instantly generated in the consumers' mind and the library sees a potential sign of the fulfilment of its objectives.

Every good library is used, abused and misused but when a user is satisfied, USED comes to front seat pushing ABUSED and MISUSED to the back. So "marketing" here does not involve money; it is simply concerned with communicating to the society what the library stands for, what it intends to achieve and how far it has succeeded in achieving all that it endeavoured to achieve. If failure is outweighed by success, one can proudly declare that the library service has been well-marketed.

---

**Dr Kishore Kumar Sarmah is the Librarian of the Mahesh Chandra Dev Goswami Library.**



# কলেজ কৰ্মচাৰীৰ ভূমিকা:
# নগাঁও ছোৱালী কলেজৰ বিশেষ উল্লিখনসহ

কুলেনচন্দ্ৰ শইকীয়া

নগাঁও জিলাৰ মাজমজিয়াত কলঙৰ পাৰত অৱস্থিত নগাঁও ছোৱালী কলেজ সঁচাকৈয়ে এখন ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ
কেন্দ্ৰ। ১৯৬২ চনতে গঢ়লৈ উঠা এই কলেজখনে নাৰীশিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

উচ্চশিক্ষাৰ কেন্দ্ৰ বুলিলে আমি কলেজ বা মহাবিদ্যালয়কে ক'ব লাগিব। এখন পূৰ্ণাঙ্গ কলেজক যদি এজোপা গছৰ লগত
তুলনা কৰোঁ তেন্তে গছজোপাৰ মূল শিপাডালক কলেজ পৰিচালনা সমিতি, মূল বা গছক অধ্যক্ষ, ডালবোৰক অধ্যাপক-
অধ্যাপিকা, ঠালিবোৰক কৰ্মচাৰী আৰু ফল-মূলবোৰক ছাত্ৰ-ছাত্ৰী হিচাপে গণ্য কৰিব পাৰি। এখন কলেজে সুদক্ষ পৰিচালনা
সমিতি, অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু কৰ্মচাৰী এই সকলোবোৰৰ সমন্বয়ত পূৰ্ণতা প্ৰকাশ পায়।
যিদৰে অধ্যক্ষৰ সবল নেতৃত্বই কলেজখনৰ সৌষ্ঠৱ বঢ়ায়, ঠিক সেইদৰে অধ্যাপক-অধ্যাপিকা তথা কলেজৰ কৰ্মচাৰীসকলৰ
কাৰ্যয়েও কলেজখন সুচাৰুৰূপে পৰিচালিত হোৱাত অৰিহণা আগবঢ়ায়। ইয়াৰ কোনো এটাৰ অবিহনে কলেজখন সঠিক ৰূপত
চলিব নোৱাৰে।

উচ্চশিক্ষাৰ প্ৰতিষ্ঠান হিচাপে কলেজ কৰ্মচাৰীসকলৰ যথেষ্ট গধূৰ দায়িত্ব আছে। শিক্ষাদানৰ ক্ষেত্ৰত যিদৰে অধ্যাপক-
অধ্যাপিকাসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ, ঠিক সেইদৰে কলেজ এখনত শিক্ষাৰ পৰিৱেশ গঢ়ি তোলাৰ বেলিকাও কৰ্মচাৰীৰ ভূমিকা
অপৰিহাৰ্য। চৰকাৰী অন্য কাৰ্যালয়ৰ কৰ্মচাৰীসকলতকৈ কলেজ কৰ্মচাৰীৰ দায়িত্ব বেলেগ। নিৰ্দিষ্ট সময়ত কলেজৰ ছাত্ৰ-ছাত্ৰীৰ
নামভৰ্তিকৰণ প্ৰক্ৰিয়া, ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীৰ উপস্থিতিৰ বহী (Daily Attendence Registers) বিশ্ববিদ্যালয়ৰ পঞ্জীয়ন প্ৰ-পত্ৰ
পূৰণ কৰা, পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ কাম সময়ত সম্পূৰ্ণ কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ দায়িত্ব। দায়িত্বত থকা কলেজ কৰ্মচাৰীসকলে
পঞ্জীয়ন প্ৰ-পত্ৰ বা পৰীক্ষাৰ প্ৰ-পত্ৰ ইত্যাদি পূৰণ কৰোঁতে ছাত্ৰ-ছাত্ৰীয়ে পিতৃ-মাতৃৰ নাম, ঠিকনা ইত্যাদিৰ ক্ষেত্ৰত যাতে ভুলকৈ
প্ৰ-পত্ৰ পূৰণ নকৰে তাৰ প্ৰতি সচেতন হ'ব লাগে।

নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পাদন কৰিবলগীয়া কামত গাফিলতি কৰিলে হয়তো শিক্ষা সংসদতেই হওঁক বা বিশ্ববিদ্যালয়তেই
হওঁক কলেজে জৰিমনা ভৰিব লাগিব। কেতিয়াবা ছাত্ৰ-ছাত্ৰীয়েও সময়ত তেওঁলোকৰ কাম সম্পূৰ্ণ নকৰিলে জৰিমনা ভৰিব
লাগে।

প্ৰশাসনীয় দিশটোৰ লগত কৰ্মচাৰীসকলৰ ভূমিকা যিহেতু গুৰুত্বপূৰ্ণ সেয়েহে অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু
অভিভাৱকসকলে মুক্ত মনেৰে প্ৰয়োজনীয় কথা-বতৰা ব্যক্ত কৰা অনুসাৰে তেওঁলোকৰ মনত কোনো আসোঁৱাহ নথকাকৈ
সুস্পষ্টভাৱে কলেজ কৰ্মচাৰীসকলে মাৰ্জিত ভাষাৰে উত্তৰ দিলেহে অভিভাৱক, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে কলেজখনৰো ধনাত্মক
দিশটো প্ৰতিফলিত হ'ব।

কৰ্মচাৰীসকলে ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাত ফলাফল উন্নত কৰিবৰ বাবে উৎসাহিত কৰাৰ লগতে অভিভাৱকসকলকো
ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্কে পৰামৰ্শ দি উৎসাহিত কৰিব পাৰে। পৰীক্ষাৰ ফল উন্নত হ'লে সেই গৌৰৱৰ ভাগ কলেজখনৰ লগত
জড়িত সকলোৱে পায়।

কলেজ এখনৰ উচ্চমানৰ আৰু আদৰ্শনীয় পৰিৱেশে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক অনুষ্ঠানটিৰ প্ৰতি আকৰ্ষিত কৰি
তোলে। এইক্ষেত্ৰত কৰ্মচাৰীসকলৰ গধুৰ দায়িত্ব আহি পৰে। অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ নিয়মানুৱৰ্তিতা পালনৰ লগতে
কৰ্মচাৰীসকলেও নিয়মানুৱৰ্তিতা যথোপযুক্তভাৱে নিষ্ঠাৰে পালন কৰা উচিত, যাতে কলেজখনৰ উন্নতি সাধনৰ লগতে আদৰ্শ
কেন্দ্ৰস্বৰূপ হোৱাত সহায়ক হয়।

উচ্চশিক্ষাৰ প্ৰতিষ্ঠান হিচাপে এখন কলেজৰ উদ্দেশ্য বাস্তৱত ৰূপায়ণ কৰাৰ ক্ষেত্ৰত প্ৰশাসনীয় প্ৰতিটো প্ৰয়োজনীয়

দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালনৰ গধুৰ দায়িত্ব কৰ্মচাৰীসকলৰ ওপৰতেই ন্যস্ত থাকে। গতিকে এখন উচ্চশিক্ষানুষ্ঠানৰ সেৱাত ব্ৰতী কৰ্মচাৰীসকলৰ ভূমিকা যে অতিশয় গুৰুত্বপূৰ্ণ তাক অতিশয় চিন্তাশীল ব্যক্তি আৰু সচেতন সমাজে নিশ্চয় স্বীকাৰ কৰিব। সেয়ে প্ৰতিজন কৰ্মচাৰীয়ে এক প্ৰতিশ্ৰুতিবদ্ধ দৃষ্টিভংগীৰে কৰ্মত নিয়োজিত হোৱাটো নিতান্তই প্ৰয়োজনীয়।

**নগাঁও ছোৱালী কলেজৰ কৰ্মচাৰীসকল:**

১৯৬২ চনত তেতিয়াৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ঁবিমলা প্ৰসাদ চলিহাদেৱে নগাঁও কলেজ প্ৰাঙ্গণত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা নগাঁও উইমেনছ কলেজখনি ১৯৬৬ চনত বৰ্তমান ঠাইত কলেজভৱন নিৰ্মাণ কৰাৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰি 'নগাঁও গাৰ্লছ কলেজ' নামেৰে নামকৰণ কৰিছিল। সেই 'নগাঁও গাৰ্লছ কলেজ' আজি আহি পঞ্চাছ বছৰত ভৰি থৈ সোণালী জয়ন্তী বৰ্ষ পালন কৰাৰ গৌৰৱ অৰ্জন কৰিলে। এই সুযোগতে কলেজখন প্ৰতিষ্ঠা কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা সেই পুৰুধা, গুণী-জ্ঞানী চিৰনমস্য ব্যক্তিসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

নগাঁও গাৰ্লছ কলেজ আৰম্ভণিতে প্ৰাক-বিশ্ববিদ্যালয়ত ৪২ গৰাকী আৰু স্নাতক ১ম বৰ্ষত ২২ গৰাকী ছাত্ৰীৰে আৰম্ভ কৰাৰ সময়তে কাৰ্যালয়ৰ বিভিন্ন কাম-কাজ চোৱাচিতা কৰিবৰ বাবে এজন কাৰ্যালয় সহায়কৰ প্ৰয়োজন হোৱাত ১৯৬৪ চনত শ্ৰীযুত পোনা বৰাক মাত্ৰ ৯০.০০টকা দৰমহাৰ হাৰত কাৰ্যালয়ত নিযুক্তি দিয়া হৈছিল।[1] চিঠি-পত্ৰ দিয়া, ফাইল অনা-নিয়া কৰা, সময়ত বেল বজোৱা ইত্যাদি কামৰ বাবে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ প্ৰয়োজন হোৱাত বৰাদেৱৰ যোগদানৰ ঠিক তিনিমাহৰ অগা-পিছাকৈ শ্ৰীযুত বলীৰাম হাজৰিকা আৰু শ্ৰীযুত তগৰচন্দ্ৰ বৰাদেৱক চতুৰ্থ শ্ৰেণী কৰ্মচাৰী হিচাপে নিযুক্তি দিছিল। আমি অৱশ্যে শ্ৰীবলীৰাম হাজৰিকাক বলীকাই আৰু শ্ৰীতগৰচন্দ্ৰ বৰা দেৱক তগৰকাই বুলিয়েই মাতিছিলোঁ। ইতিমধ্যে ১৯৯৫ চনত কৰ্মময় অৱস্থাতে তগৰচন্দ্ৰ বৰাই ইহ-সংসাৰ ত্যাগ কৰে আৰু ২০০৪ বৰ্ষত বলীৰাম হাজৰিকাৰ পৰলোকপ্ৰাপ্তি হয়।

ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ লগে লগে কামৰ বোজা বাঢ়ি যোৱাত ১৯৬৫ চনত কাৰ্যালয়ৰ সহায়ক হিচাপে শ্ৰীযুত মহম্মদ আলি দেৱক নিযুক্তি দি শ্ৰীযুত পোনা বৰাক উচ্চবৰ্গ পদলৈ পদোন্নতি দিয়ে। লগতে আৰু এজন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে শ্ৰীযুত মনেশ্বৰ ৰাভাদেৱক মকৰল কৰে (নগাঁও ছোৱালী কলেজৰ পৰিচালনা সমিতিৰ কাৰ্যবিৱৰণীত উল্লেখ মতে)। ১৯৬৮ চনত শ্ৰীযুত পোনাৰাম বৰাই ব্যক্তিগত কাৰণত চাকৰি ইস্তফা দিয়াত শ্ৰীযুত তোযেশ্বৰ খাটনিয়াৰ দেৱক কাৰ্যালয় সহায়ক হিচাপে মকৰল কৰা হয়। সুদীৰ্ঘ ৩৯ বছৰ সুখ্যাতিৰে সেৱা আগবঢ়াই প্ৰয়োজন সাপেক্ষে দিহা-পৰামৰ্শ দিয়া খাটনিয়াৰদেৱে ১৯৮৬ চনত তত্ত্বাৱধায়ক পদত অধিষ্ঠিত হৈ ২০০৭ বৰ্ষত অৱসৰ গ্ৰহণ কৰে।

১৯৭২ চনত ছাত্ৰীৰ সংখ্যাৰ বৃদ্ধিলৈ চাই অসমৰ উচ্চশিক্ষাধিকৰ্তাৰদ্বাৰা অনুমোদিত গ্ৰন্থাগাৰিক পদত শ্ৰীযুত মহম্মদ আলিদেৱক মকৰল কৰাত শ্ৰীযুত সুৰেন্দ্ৰনাথ শইকীয়াদেৱে কাৰ্যালয় সহায়ক হিচাপে যোগদান কৰে। শইকীয়া দেৱৰ পাছতেই ক্ৰমান্বয়ে শ্ৰীযুত দেৱকান্ত মহন্ত, শ্ৰীযুত শৰৎভূঞা আৰু শ্ৰীযুত ৰসেশ্বৰ লাঙিদেৱে কাৰ্যালয় সহায়ক পদত সেৱা আগবঢ়াইছিল যদিও, তেওঁলোকে ব্যক্তিগত কাৰণত চাকৰিৰপৰা ইস্তফা দিয়ে। ১৯৭৬ চনত শ্ৰীকমলচন্দ্ৰ মুক্তিয়াৰদেৱে আৰু ১৯৮২ চনত শ্ৰীযুত মহীৰাম বৰাদেৱে নিযুক্তি লাভ কৰে। ইতিমধ্যে শ্ৰীযুত মহম্মদ আলিয়ে তেখেতৰ কৰ্মময় জীৱন সুচাৰুৰূপে পাৰ কৰি ২০০২ চনত অৱসৰ গ্ৰহণ কৰাত শ্ৰীযুত কিশোৰ কুমাৰ শৰ্মাক গ্ৰন্থাগাৰিক নিযুক্তি দিয়া হয়। ২০১২ চনত কিশোৰকুমাৰ শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি লাভ কৰে।

১৯৭৯ চনত শ্ৰীসুৰেন্দ্ৰনাথ শইকীয়াদেৱে উচ্চবৰ্গ সহায়ক পদলৈ পদোন্নতি পোৱাত শ্ৰীমনোমোহন ৰাভাক কাৰ্যালয় সহায়ক হিচাপে মকৰল কৰে। শ্ৰীৰাভাদেৱ গ্ৰন্থাগাৰ সহায়ক পদলৈ যোৱাত ৰাভা দেৱৰ ঠাইত শ্ৰীপ্ৰফুল্ল বৰাদেৱে নিযুক্তি লাভ কৰে।

১৯৭৬ চনত শ্ৰীযুত কমলচন্দ্ৰ মুক্তিয়াৰ দেৱে নিযুক্তি লাভ কৰি তত্ত্বাৱধায়ক সহায়ক (S/A) হিচাপে ২০১২ চনত অৱসৰ গ্ৰহণ কৰে। গ্ৰন্থাগাৰবাহক হিচাপে নিযুক্তি লাভ কৰা শ্ৰীহৰকান্ত শইকীয়াদেৱকে ধৰি বৰ্তমান কাৰ্যনিবাহ কৰি থকা নগাঁও ছোৱালী কলেজৰ কৰ্মচাৰীসকল ক্ৰমে শ্ৰীমুহীৰাম বৰা (তত্ত্বাৱধায়ক সহায়ক), শ্ৰীমুনিন্দ্ৰ শইকীয়া (উচ্চবৰ্গৰ সহায়ক) আৰু কাৰ্যালয় সহায়ক হিচাপে শ্ৰীৰবীনচন্দ্ৰ শইকীয়া, শ্ৰীকুলেনচন্দ্ৰ শইকীয়া, শ্ৰীতীৰ্থজ্যোতি উজিৰ, শ্ৰীদেৱজিত বৰদলৈ আৰু শ্ৰীমতী মৃণালী বৰাকে ধৰি চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকল ক্ৰমে শ্ৰীগিৰিধৰ হাজৰিকা (গ্ৰন্থাগাৰবাহক), শ্ৰীদেৱেনচন্দ্ৰ শইকীয়া (শিক্ষা বিভাগৰ ব্যৱহাৰিক বাহক) শ্ৰীটঙ্কেশ্বৰ শইকীয়া (ভূগোল বিভাগৰ বাহক), শ্ৰীবদনচন্দ্ৰ ভূঞা (পৰিসংখ্যা বিভাগৰ বাহক) শ্ৰীৰামচন্দ্ৰ দাস, শ্ৰীৰামদেউ সিং আৰু শ্ৰীবগীৰাম শইকীয়াই সেৱা আগবঢ়াই আছে।

ছাত্ৰীৰ সংখ্যা অনুসৰি অনুমোদিত পদৰ অভাৱত অবৈতনিক হিচাপে শ্ৰীমিতালী বৰা, শ্ৰীজোনমণি শইকীয়া, শ্ৰীৰামনৰেশ ৰায় আৰু শ্ৰীৰেৱকান্ত শইকীয়া বৰ্তমান চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে কৰ্মৰত।



সামৰণি:

নগাঁও ছোৱালী কলেজে বৰ্তমান সুদক্ষ অধ্যক্ষাকে ধৰি পঞ্চাছ গৰাকী অধ্যাপক-অধ্যাপিকা, গ্ৰন্থাগাৰিক, তৃতীয় ও চতুৰ্থ শ্ৰেণীৰ ঊনৈছ (১৯) গৰাকী কৰ্মচাৰীৰ সৈতে এটা পৰিয়ালে মধ্য অসমৰ নগাঁও জিলাত স্ত্ৰী-উচ্চশিক্ষাৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা আগবঢ়াই আছে।

এইখিনিতে শ্ৰীখাটনিয়াৰ দেৱ আৰু শ্ৰীশইকীয়াদেৱৰ বিষয়ে দুষাৰিমান ব্যক্ত নকৰাকৈ থাকিব নোৱাৰিলোঁ। কলেজখনৰ প্ৰশাসনিক দিশত সু-দিহা-পৰামৰ্শৰে আগুৱাই নিয়াত দুয়োজনৰে অৰিহণাক স্বীকাৰ কৰিবই লাগিব। ১৯৭২ চনত নগাঁও ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা শ্ৰীযুতা দীপ্তিদেৱী শৰ্মা বাইদেউৱে তেখেতৰ "সোণালীজয়ন্তীত শ্ৰদ্ধাৰ্ঘ" লেখাটিত উল্লেখ কৰিছে— "খাটনিয়াৰ দাদা আৰু শইকীয়া দাদাৰ আন্তৰিকতাপূৰ্ণ কথা-বতৰাই মোক যেন প্ৰথমদিনাই শিকালে জীৱন গঢ়াৰ আদিপাঠ।"

গৌৰৱৰ বিষয় যে কৰ্মদক্ষতাৰ বাবেই শ্ৰীসুৰেন্দ্ৰনাথ শইকীয়াদেৱে ১৯৮২ চনৰপৰাই ২০০৪ চনলৈ 'সদৌ অসম কলেজ কৰ্মচাৰী সন্থা'ত প্ৰায় ২১ বছৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও কাৰ্যকৰী সভাপতি আৰু সভাপতিৰ পদ অলংকিত কৰি কলেজ কৰ্মচাৰী সন্থাক উজ্জিৱীত কৰি তুলিছিল। সৰবৰহী, নিখুঁত কৰ্মী খাটনিয়াৰ দেৱেও যথাসাধ্যে কলেজৰ প্ৰতিটো কামত সেৱা আগবঢ়াইছিল।

শেষত নগাঁও ছোৱালী কলেজৰ অধ্যক্ষাকে প্ৰমুখ্য কৰি অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীসকলৰ মাজত যাতে সৌহাদ্যৰ এনাজৰীৰ বান্ধ যাউতিযুগীয়া হৈ থাকে তাকে অন্তৰেৰে কামনা কৰিলোঁ।

জয়তু নগাঁও ছোৱালী কলেজ।

---

কুলেনচন্দ্ৰ শইকীয়া নগাঁও ছোৱালী কলেজৰ কাৰ্যালয় সহায়ক।

# নগাঁও ছোৱালী কলেজত অনুদানপ্ৰাপ্ত আলোচনাচক্ৰ, কৰ্মশালা ইত্যাদি

ৰণজিৎ বৰুৱা

নগাঁও ছোৱালী কলেজ অসমৰ স্ত্ৰীশিক্ষাৰ অন্যতম কেন্দ্ৰ। পণ্ডিত, সু-সংগঠক, বিশিষ্ট শিক্ষাবিদ মহেশচন্দ্ৰ দেৱগোস্বামীৰ কল্পদৃষ্টিৰ ফচল এই নগাঁও ছোৱালী কলেজ। বিগত দুই দশকমানত উচ্চশিক্ষাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তনৰ সুচনা হৈছে। বিশেষকৈ বিশ্বায়ন তথা তথ্য-প্ৰযুক্তিবিপ্লৱে সামগ্ৰিকভাৱে গোটেই শিক্ষাখণ্ডৰে চৰিত্ৰ সলনি কৰিছে। পুথিগত জ্ঞান আৰু শ্ৰেণীকোঠাৰ বক্তৃতাতেই উচ্চশিক্ষাৰ পৰিসৰ সীমাবদ্ধ হৈ থকা নাই। একেদৰে শিক্ষাৰ দায়বদ্ধতাও শ্ৰেণীকোঠাত পাঠদান আৰু পাঠ্যক্ৰমৰ সমাপ্তিতে সীমিত হৈ ৰোৱা নাই। বিশ্ববিদ্যালয় অনুদান আয়োগে গৱেষণা, পৰামৰ্শদানসেৱা আদি ক্ষেত্ৰতো কলেজ তথা বিশ্ববিদ্যালয়ৰ শিক্ষকসকলৰ সক্ৰিয় অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰিছে। সামাজিক দায়বদ্ধতাৰ অংশ হিচাপে কৰ্মশালা, আলোচনাচক্ৰ, সন্মিলন আদিৰ জৰিয়তে জ্ঞানৰ প্ৰসাৰ, সজাগতা বৃদ্ধি, তথ্য সংগ্ৰহ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। UGCএ মহাবিদ্যালয়ৰ মানৱ-শাস্ত্ৰ আৰু সমাজ বিজ্ঞান উন্নয়ন প্ৰকল্প, বিশেষ সাহায্য আঁচনি আদিৰ দৰে বিভিন্ন পদক্ষেপেৰে উচ্চশিক্ষাৰ অনুষ্ঠানবোৰক এনে সামাজিক দায়বদ্ধতা পূৰণৰ ক্ষেত্ৰত সহায় কৰি আহিছে। নগাঁও ছোৱালী কলেজেও UGC আৰু আন আন স্বেচ্ছাসেৱী অনুষ্ঠানৰ এনে বিভিন্ন আঁচনিৰ সুবিধা গ্ৰহণ কৰি বিগত সময়ছোৱাত কেবাখনো আলোচনাচক্ৰ আৰু কৰ্মশালা অনুষ্ঠিত কৰিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে কলেজখনৰ বিভিন্ন বিভাগে সময়ে সময়ে নিজা উদ্যোগতো আলোচনাচক্ৰ, বক্তৃতানুষ্ঠান আদিৰ আয়োজন কৰি আহিছে। এই খতিয়ানত থোৰতে অৰ্থ-সাহায্যপ্ৰাপ্ত ৰাষ্ট্ৰীয় তথা ৰাজ্যিক কৰ্মশালা, আলোচনাচক্ৰ আদিৰ আভাস দিয়াৰ প্ৰয়াস কৰা হৈছে।

UGCৰ Cottssipৰ অধীনত আৰু নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত *অসমীয়া ভাষাত জনগোষ্ঠীয় ভাষাৰ প্ৰভাৱ* শীৰ্ষক এখন দুদিনীয়া আলোচনাচক্ৰ ১৯৯৯ চনৰ ১২ আৰু ১৩ নৱেম্বৰত অনুষ্ঠিত কৰা হয়। বড়ো সাহিত্য সভা আৰু অসম
সাহিত্য সভাৰ তৎকালীন সভাপতিদ্বয় যথাক্ৰমে বিনেশ্বৰ ব্ৰহ্ম আৰু চন্দ্ৰপ্ৰসাদ শইকীয়াক এই আলোচনাচক্ৰলৈ আমন্ত্ৰণ জনোৱা হয়।
অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক মহিম বৰাই উদ্বোধন কৰা আলোচনাচক্ৰখনি সঞ্চালনা কৰে মিচিং সাহিত্য-
সংস্কৃতিৰ গৱেষক টাবুৰাম টাইড আৰু লোক-সংস্কৃতিৰ গৱেষক, ভাষাবিদ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যই। কাৰবি, ডিমাছা, তিৱা, বড়ো, ৰাভা,
মিছিং, টাই-আহোম, খামতি, গাৰো আৰু চাহ জনগোষ্ঠীৰ ভাষাৰ গৱেষক পণ্ডিতসকলে এই আলোচনা চক্ৰত গৱেষণাপত্ৰ পাঠ কৰে।
২০০২ চনত উক্ত আলোচনাচক্ৰৰ নিৰ্বাচিত গৱেষণা-পত্ৰৰ এটি সঙ্কলন *অসমীয়া ভাষাত জনগোষ্ঠীয় ভাষাৰ উপাদান* প্ৰকাশ কৰি
উলিওৱা হয়। এই গ্ৰন্থখন অসমীয়া ভাষা অধ্যয়নৰ ক্ষেত্ৰত এক অনবদ্য সংযোজন বুলি ক'লে অত্যুক্তি কৰা নহ'ব।

২০০৭ চনৰ ২৮-২৯ ছেপ্টেম্বৰত ভূগোল বিভাগৰ উদ্যোগত UGC ৰ অৰ্থ সাহায্যত আন এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰ
অনুষ্ঠিত হয়। আলোচনাচক্ৰখনৰ শিৰোনামা আছিল “Exploring North East India for Sustainable Development” জৈৱ-
বৈচিত্ৰ্য তথা প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ উত্তৰ-পূবৰ প্ৰেক্ষাপটত সাম্প্ৰতিক কালৰ এক অন্যতম সংবেদনশীল বিষয় বহনক্ষম
উন্নয়ন আলোচনাৰ এয়া এক আন্তৰিক প্ৰয়াস। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পণ্ডিত, সাংবাদিক বি জি ভাৰ্গিজ মুখ্য অতিথিৰূপে
উপস্থিত থকা আলোচনাচক্ৰখনত সমল ব্যক্তি হিচাপে বিশিষ্ট পৰিৱেশ বিজ্ঞানী ড° দুলালচন্দ্ৰ গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ
লোকসংস্কৃতি গৱেষণা বিভাগৰ মুৰব্বী ড° কিশোৰ ভট্ট, নেড়ফি গৱেষণা-কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী ড° পদ্মেশ্বৰ গগৈ আৰু উত্তৰ পূব
সামাজিক গৱেষণা-কেন্দ্ৰৰ সঞ্চালক ড° ৱাল্টাৰ ফাৰ্ণাণ্ডেজে বক্তব্য আগবঢ়ায়। বহনক্ষম উন্নয়নৰ বিভিন্ন দিশৰ ওপৰত বিভিন্নজনে
গৱেষণা-পত্ৰ পাঠ কৰে।

উত্তৰ-আধুনিকতাবাদী ভাৱ-ধাৰাই সাহিত্য তথা ভাষা বিজ্ঞানকেই নহয়, অন্যান্য বিষয়কো প্ৰভাৱান্বিত কৰিছে। উত্তৰ আধুনিকতাবাদী প্ৰভাৱৰ বিষয়ে আলোচনা কৰাৰ বাবে কলেজৰ ভূগোল বিভাগৰ উদ্যোগত ২০০৮ চনৰ ১৩ ডিচেম্বৰ তাৰিখে *Post-Modernism in Geography* শীৰ্ষক এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰ আয়োজন কৰা হয়। বিশিষ্ট ভূগোল-বিজ্ঞানী ড° মহম্মদ তাহেৰে আলোচনা-চক্ৰখনত মূল বক্তৃতা আগবঢ়ায়। আলোচনা-চক্ৰখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে উত্তৰ-পূব পাৰ্বত্য



বিশ্ববিদ্যালয়ৰ দেবেন্দ্ৰকুমাৰ নায়ক আৰু জাহিদ হুছেইন। বিশিষ্ট সমালোচক প্ৰভাত বৰায়ো আলোচনা-চক্ৰত বক্তব্য আগবঢ়ায়।

UGCৰ Innovative Programmeৰ অধীনত ২০০৭ চনতেই নগাঁও ছোৱালী কলেজত *Post-Graduate Diploma in National Resource Management* নামৰ এটি পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল। উল্লেখযোগ্য যে এই পাঠ্যক্ৰমটো আছিল এনে বিষয়ত উত্তৰ-পূবৰ প্ৰথম আৰু ভাৰতবৰ্ষৰ চতুৰ্থটো পাঠ্যক্ৰম। PGDRM বিভাগৰ উদ্যোগত দুখন অতি গুৰুত্বপূৰ্ণ কৰ্মশালাৰ আয়োজন কৰা হৈছিল। ইয়াৰ প্ৰথমখন অনুষ্ঠিত হৈছিল ২০০৯ চনৰ মে' মাহত পুনেৰ 'কল্পবৃক্ষ' আৰু নতুন দিল্লীৰ "Winrock International"ৰ সহযোগত। কৰ্মশালাখনৰ বিষয়বস্তু আছিল *Community Conserved Areas in North-East India: Status, Challanges and Opportunities*। দ্বিতীয়খন কৰ্মশালা ২০১০ চনৰ ৩১ জানুৱাৰিৰপৰা ২ ফেব্ৰুৱাৰিলৈ তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছিল, এই কৰ্মশালাখনৰ বাবে অৰ্থ সাহায্য আগবঢ়াইছিল উত্তৰ-পূব পৰিষদ (North-East Council) আৰু Indian Council for Social Science Researchএ। কৰ্মশালাখনত ভাৰতবৰ্ষৰ কেবাজনো প্ৰখ্যাত পণ্ডিত-গৱেষকে অংশ লয়। বিশিষ্ট পণ্ডিত পি ৰামকৃষ্ণন আছিল তাৰ ভিতৰত অন্যতম। “Sustainable Natural Resource Management in Northeast India: Analysing Policies and Practices” শীৰ্ষক কৰ্মশালাখনত পঠিত গৱেষণা পত্ৰবোৰৰ এটি সঙ্কলন ২০১২ চনত প্ৰকাশ কৰি
উলিওৱা হয়। সঙ্কলনখন সম্পাদনা কৰে কুলেনচন্দ্ৰ দাস, ড° পাৰ্থজ্যোতি দাস আৰু স্মৰজিৎ ওজাই।

২০১১ চনতো কলেজৰ দুখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। ২২ জানুৱাৰিত বুৰঞ্জী বিভাগৰ উদ্যোগত আৰু
সদৌ অসম লেখিকা সমাৰোহৰ নগাঁও শাখাৰ সহযোগত অনুষ্ঠিত হয় *Some Aspects of 19th Century Assam: A*
*Historical Reassessment* শীৰ্ষক আলোচনাচক্ৰখন। ইয়াত মূল বিষয়বস্তুৰ ওপৰত বক্তব্য ৰাখে বিশিষ্ট ইতিহাসবিদ ড° ৰাজেন
শইকীয়াই। যাদৱপুৰ বিশ্ববিদ্যালয়ৰ ড° অনুৰাধা ৰায়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰঞ্জিত দেৱগোস্বামী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড°
ডম্বৰুধৰ নাথেও সমল ব্যক্তি হিচাপে ঊনবিংশ শতিকাৰ অসমৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে।

সেই বছৰৰে ৩১ জানুৱাৰি আৰু ১ ফেব্ৰুৱাৰিত দুদিনীয়াকৈ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু চৰকাৰী শিক্ষণ
মহাবিদ্যালয়ৰ সহযোগত আন এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰখনত শিৰোনাম আছিল *Understanding*
*Conflict Situation in North-East India for National Intergration*। ইয়াত মূল বক্তব্য আগবঢ়ায় বিশিষ্টা সমাজবিজ্ঞানী
Omeo Kumar Das Institute of Social Change and Developmentৰ শান্তি অধ্যয়নৰ অৱসৰপ্ৰাপ্ত ড° অনুৰাধা দত্তই।
তদুপৰি ভাৰতীয় প্ৰাদ্যোগিক সংস্থান, গুৱাহাটীৰ Visiting Professor ড° আবু নাচেৰ চইদ আহমেদ, তেজপুৰ বিশ্ববিদ্যালয়ৰ ড°
চন্দন শৰ্মা তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° ননীগোপাল মহন্তয়ো আলোচনা চক্ৰখনত সমল ব্যক্তি হিচাপে অংশ লয়। নিৰ্বাচিত
গৱেষণাপত্ৰৰ এটি সঙ্কলন ৰণজিৎ বৰুৱাৰ সম্পাদনাত গ্ৰন্থাকাৰে প্ৰকাশ কৰা হয়।

জ্বলন্ত সামাজিক বিষয় তথা সমস্যাৰ আলোচনাৰ এই প্ৰক্ৰিয়া অব্যাহত ৰাখি ২০১২ চনতো কলেজত বৰ্তমানলৈ UGCৰ
অৰ্থ সাহায্যপ্ৰাপ্ত দুখন আলোচনাচক্ৰ আয়োজন কৰা হৈছে। কলেজৰ মহিলা অধ্যয়ন কোষৰ প্ৰচেষ্টাতে আৰু United Bank of
Indiaৰ নগাঁও শাখাৰ সহযোগত *Women Enterpreneurship Development Programme: Challenges and Opportunities*
*in North-East India* শীৰ্ষক এখন ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ ১১ ফেব্ৰুৱাৰি, ২০১২ত অনুষ্ঠিত হৈ আছে। আলোচনাচক্ৰখনত
মূল বক্তব্য আগবঢ়ায় ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ পৰামৰ্শদাতা অৱসৰপ্ৰাপ্তক IAS বিষয়া ড° শ্যামভদ্ৰ মেধিয়ে। ডিব্ৰুগড়
বিশ্ববিদ্যালয়ৰ কমাৰ্চ বিভাগৰ অধ্যাপিকা ড° অজন্তা বি ৰাজকোঁৱৰ আৰু অসমৰ এগৰাকী সফল উদ্যোগী জ্যোৎস্না গোস্বামীয়ে
আলোচনাচক্ৰখনত সমল ব্যক্তি হিচাপে যোগদান কৰে।

২০১২ চনৰে ২২ মাৰ্চ তাৰিখে *Internal Displacement in North-East India* শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ত আলোচনাচক্ৰ
আয়োজন কৰা হয়। আলোচনাচক্ৰৰ আয়োজক আছিল কলেজখনৰ ৰাজনীতি বিজ্ঞান বিভাগ। নগাঁৱৰ অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন
“প্ৰহৰে” ইয়ালৈ সহযোগ আগবঢ়ায়। উল্লেখযোগ্য যে আভ্যন্তৰীণ স্থানচ্যুতি বা বিস্থাপন ভাৰতবৰ্ষৰ এটি অতি গুৰুত্বপূৰ্ণ কিন্তু
চৰকাৰৰদ্বাৰা উপেক্ষিত বিষয় বুলি পৰিগণিত হৈ আহিছে। উত্তৰ-পূবৰ প্ৰেক্ষাপটতো বিগত সময়ছোৱাত বৃহৎ সংখ্যক লোক বিভিন্ন
কাৰণত বিস্থাপিত হৈছে। এনেবোৰ দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই আলোচনাচক্ৰখনৰ আয়োজন কৰা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ
বিশিষ্ট সমাজবিজ্ঞানী ড° মনিৰুল হুছেইনে মূল বক্তৃতা আগবঢ়ায়। উল্লেখযোগ্য যে আলোচনাচক্ৰখনত মুখ্য অতিথিৰূপে উপস্থিত থাকি
ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া তথা সুসাহিত্যিক দিলীপ বৰায়ো তেখেতৰ অভিজ্ঞতাৰ বিষয়ে মন্তব্য আগবঢ়ায়।

গতিকে দেখা যায় যে নগাঁও ছোৱালী কলেজত আয়োজিত কৰ্মশালা তথা আলোচনা চক্ৰবোৰে বিদ্যায়তনিক তথা বৌদ্ধিক
উত্তৰণৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছে। অতি গুৰুত্বপূৰ্ণ বিভিন্ন বিষয়বোৰ আলোচনা, পৰ্যালোচনা আদিৰ যোগেদি নৱৰূপত
উত্থাপন কৰাত ই সহায়ক হৈছে। নিৰ্ধাৰিত গৱেষণাপত্ৰৰ সঙ্কলন প্ৰকাশে জ্ঞানৰ প্ৰসাৰ তথা তথ্যভাণ্ডাৰ সৃষ্টিতো অৰিহণা যোগাইছে।

---

ৰণজিৎ বৰুৱা নগাঁও ছোৱালী কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক।

# নগাঁও ছোৱালী কলেজৰ তথ্য আৰু বৃত্তি দিগ্‌দৰ্শন কোষ (ICGC): এক চমু পৰ্যালোচনা

বিনোদ গোস্বামী

আমাৰ কলেজ সৰ্বাঙ্গীন উন্নতিৰ হকে বহুকেইটা কোষে নিৰৱিচ্ছিন্নভাৱে কাৰ্য সম্পাদন কৰি আছে। Information and Career Guidance (ICGC) এই কোষসমূহৰ অন্যতম। তেতিয়াৰ অধ্যক্ষ মাননীয় শ্ৰীযুতঅপূৰ্ব শৰ্মাছাৰৰ তৎপৰতাত এই কোষটি আমাৰ কলেজ স্থাপন কৰা হয় ২০০০ চনত। তিনিটা দৃষ্টিকোণৰপৰা এই কোষটি গুৰুত্বপূৰ্ণ।

প্ৰথমতঃ এইখন কলেজ মধ্য অসমৰ নাৰীশিক্ষাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান। দ্বিতীয়তঃ যদিও ই চহৰৰ মাজ-মজিয়াত অৱস্থিত ইয়াৰ প্ৰায় ৮০ শতাংশ শিক্ষাৰ্থী গ্ৰামাঞ্চলৰ। তৃতীয়তঃ কলেজত কেৱল কলা শাখাৰহে শিক্ষাগ্ৰহণৰ সুবিধা আছে।

আজিৰপৰা পঞ্চাছদশকৰ আগতে অসমত মহিলাৰ বাবে সুকীয়া শিক্ষানুষ্ঠান আঙুলিৰ মূৰত গণিব পৰা আছিল। কিছুমান বিশেষ সামাজিক কাৰণত স্ত্ৰীশিক্ষাৰ বিশেভাৱে উদ্‌গনি যোগোৱা হোৱা নাছিল। সেয়ে নাৰীৰ সাক্ষৰতাৰ হাৰো তেনেই নিম্নস্তৰৰ আছিল। কিন্তু নাৰী সমাজজীৱনৰ মেৰুদণ্ডস্বৰূপ। নাৰীক শিক্ষাৰপৰা বঞ্চিত কৰা মানে এটা জাতিক ধ্বংসৰ মুখলৈ ঠেলি দিয়া। নাৰীশিক্ষাৰ গুৰুত্ব তেতিয়াৰ নগাঁৰৰ কেইজন মহান ব্যক্তিয়ে অনুভৱ কৰিছিল। সেই সকলৰ ভিতৰত অন্যতম আছিল আমাৰ কলেজৰ প্ৰথমজন অধ্যক্ষ শ্ৰদ্ধাৰ মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰ। তেখেতৰ তৎপৰতাতেই কলেজখন স্থাপন হয় ১৯৬২ চনত। সঁচা অৰ্থত ক'বলৈ গ'লে এই পদক্ষেপেই আছিল ছাত্ৰীসকলৰ বাবে "তথ্য আৰু বৃত্তি দিগ্‌দৰ্শন"ৰ প্ৰথম খোজ। স্থাপন হোৱা বৰ্ষৰপৰা এতিয়ালৈকে আমাৰ কলেজৰ অগণন মহিলা-সম্পদ সৃষ্টি কৰিলে।

আজিৰ যুগ হৈছে তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুতগতিত সম্প্ৰসাৰণ হৈছে। বিশ্বায়ন আৰু উদাৰীকৰণে প্ৰত্যেকখন দেশৰ অৰ্থনীতিক মুক্ত কৰি দিলে। পৰম্পৰাগত বৃত্তিৰ সমান্তৰালত অসংখ্য বৃত্তিৰ সম্প্ৰসাৰণ ঘটিছে। বৃত্তি নিৰ্বাচনত পুৰুষ আৰু মহিলাৰ অধিকাৰ সমান যদিও কিছুমান বৃত্তি অদৃশ্য; কিছুমান কাৰণত মহিলাসকলে সকলো ধৰণৰ বৃত্তি নিৰ্বাচন কৰিব নোৱাৰে।

আমাব কলেজৰ সৰহখিনি ছাত্ৰী গ্ৰামাঞ্চলৰ। গ্ৰামাঞ্চলৰ সংজ্ঞাৰপৰাই স্পষ্ট হয় যে, তেনে অঞ্চলত তথ্য আৰু প্ৰযুক্তি বিদ্যাৰ সম্প্ৰসাৰণ সীমিত। আনহতে আমাৰ ছাত্ৰীসকল কেৱল কলা শাখাৰ হোৱাৰ বাবে শৈক্ষিক বৃত্তি নিৰ্বাচনৰ পৰিসৰ কিছু ঠেক। অৱশ্যে কেৱল শৈক্ষিক যোগ্যতাৰ ওপৰত ভিত্তি কৰি নিৰ্বাচন কৰা 'বৃত্তি' ধাৰণাটোও ঠেক। ছাত্ৰীসকলে নিজৰ পছন্দৰ ওপৰত গুৰুত্ব প্ৰদান কৰি বৃত্তি নিৰ্বাচন কৰিব লাগে। ছাত্ৰীসকলে নিজৰ জীৱনৰ বাবে সঠিক বৃত্তি নিৰ্বাচন কৰাটো এটা ডাঙৰ প্ৰত্যাহ্বান। সঠিক বৃত্তি নিৰ্বাচন জীৱনৰ আশীৰ্বাদস্বৰূপ আৰু উপযুক্ত বৃত্তি নিৰ্বাচন কৰিব নোৱৰাটো অভিশাপস্বৰূপ। সঠিক দিগ্‌দৰ্শনৰ অভাৱে ছাত্ৰীসকলক উপযুক্ত বৃত্তি নিৰ্বাচনত বিপাঙত পেলায়।

আমাৰ কলেজৰ আই চি জিৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ হৈছে: প্ৰথম, ছাত্ৰীসকলক তেওঁলোকৰ দক্ষতা আৰু প্ৰতিভাৰ কথা বিৱেচনা কৰি তেওঁলোকৰ ভৱিষ্যতৰ পাঠ্যক্ৰম সম্পৰ্কে পৰামৰ্শ আগবঢ়োৱা।

দ্বিতীয়, তেওঁলোকে গ্ৰহণ কৰিব খোজা বৃত্তিটো যাতে লাভ কৰিব পাৰে তাৰ বাবে পাঠ্যক্ৰম নিৰ্বাচনত সহায় কৰা আৰু প্ৰাসঙ্গিক দিহা-পৰামৰ্শ আগবঢ়োৱা।

এই লক্ষ্য আৰু উদ্দেশ্যৰ সফল ৰূপায়ণৰ বাবে কোষটিয়ে প্ৰতিষ্ঠাবৰ্ষৰপৰাই প্ৰচেষ্টা অব্যাহত ৰাখিছে। কোষটিৰ কাৰ্যকলাপসমূহক প্ৰধনকৈ দুটা ভাগত ভাগ কৰিব পাৰি: (ক) ধাৰাবাহিক কাৰ্যকলাপ আৰু (খ) প্ৰয়োজনীয়তাভিত্তিক কাৰ্যকলাপ।

কোষটিয়ে ধাৰাবাহিক কাৰ্যকলাপৰ অংশ হিচাপে নিম্নোলিখিত কাৰ্যবোৰ সম্পাদন কৰে।

(১) কোষটিৰ পৰিকাঠামো সুদৃঢ় কৰিবলৈ ICGCয়ে প্ৰচেষ্টা অব্যাহত ৰাখিছে। বৰ্তমানৰ অধ্যক্ষা মহোদয়াই এই



কোষটিৰ বাবে এটি আহল-বহল আচুতীয়া কোঠাৰ ব্যৱস্থা কৰি দিছে। ইয়াত এটা কম্পিউটাৰ, এখন টেবুল, পৰ্যাপ্ত চকী আৰু তিনিটাকৈ আলমাৰি আছে। কোষটিত বিভিন্ন তথ্যসম্বলিত এশখনতকৈয়ো অধিক গ্ৰন্থ আছে।

(২) ইয়াত *Employment news, কেৰিয়াৰ গাইড, প্ৰতিযোগিতা, দৰ্পণ* আদি কৰি কেইবাখনো কাকত আৰু আলোচনী ৰখা হয় আৰু সেইবোৰৰপৰা তথ্য আহৰণ কৰি ছাত্ৰীসকলে বুজি পোৱাকৈ জাননী-ফলকত আঁৰি দিয়া হয়। তদুপৰি ছাত্ৰীসকলে কোষৰ কোঠাত বহি তেনে আলোচনী, কাকত পঢ়িব পৰাৰ সুবিধাও প্ৰদান কৰা হৈছে।

(৩) Time management, Personality development, Enterprneurship development, General awareness, Numrical ability বিষয়ৰ ওপৰত সপ্তাহত দুটা দিনত নিয়মীয়াকৈ পাঠদান কৰা হয়। এই পাঠদানত আমাৰ কলেজৰ শিক্ষকসকলৰ মাজৰপৰা সমল ব্যক্তি হিচাবে বহু তথ্যাভিজ্ঞ ব্যক্তিক আমন্ত্ৰণ জনোৱা হয়। ইয়াত একেলগে ৩০ গৰকী ছাত্ৰী বহি পাঠদান গ্ৰহণ কৰাৰ সুবিধা আছে।

(৪) প্ৰত্যেক বছৰে প্ৰতিটো শ্ৰেণীৰ নাম ভৰ্তিৰ প্ৰাক্‌ক্ষণত কোষটিয়ে ছাত্ৰীসকলৰ উদ্দেশ্যে পৰামৰ্শদানৰ ব্যৱস্থা কৰে। ইয়াত ছাত্ৰীসকলক আমাৰ কলেজৰ নিয়ম-শৃঙ্খলাৰ বিষয়ে অৱগত কৰাৰ লগতে আমাৰ কলেজত থকা সুবিধাৰ বিষয়েও সবিশেষ জনায়। আমাৰ কলেজত থকা বিভিন্ন বিষয়ৰ প্ৰাসঙ্গিকতা আৰু বৃত্তি নিৰ্বাচনত সেইবোৰে কেনেদৰে সহায় কৰে, সেই বিষয়েও ছাত্ৰীসকলক অৱগত কৰোঁৱা হয়।

**প্ৰয়োজনীয়তাভিত্তিক কাৰ্যকলাপ:**

কোষটিয়ে প্ৰতিষ্ঠা কৰা বৰ্ষতে তিনিটাকৈ ছয়মহীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম মুকলি কৰে। মোহন ভূএগ্ৰাৰ তত্ত্বাৱধনাত Art and Craft পাঠ্যক্ৰম আৰম্ভ হয়। কিন্তু মোহন ভূএগ্ৰাই বিকল্প সংস্থাপন লাভ কৰাত অসিত পালক এই পাঠ্যক্ৰমৰ দায়িত্ব দিয়া হয়। প্ৰয়াত স্বনামধন্য শিল্পী অসিত পালৰ তত্ত্বাৱধানত Art and Craftৰ ছমহীয়া পাঠ্যক্ৰমত বহুকেইগৰাকী ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰে। তাৰে কেইগৰাকীমান ছাত্ৰীয়ে স্ব-সংস্থাপন লাভ কৰাত সক্ষম হৈছে। প্ৰশিক্ষক অসিত পালৰ প্ৰয়াণৰ ফলত আমাৰ কলেজে এই পাঠ্যক্ৰম অব্যাহত ৰখাত অসুবিধাৰ সন্মুখীন হয়। সেয়েহে এই পাঠ্যক্ৰম সাময়িকভাৱে স্থগিত হৈ আছে।

নগাঁও ছোৱালী কলেজৰ কম্পিউটাৰ শিক্ষা বিগত সহাশ্ৰাব্দৰ শেষ দশকৰপৰা সেইসময়ৰ অধ্যক্ষ অপূৰ্ব শৰ্মাৰ উদ্যোগত আৰম্ভ হৈছিল। পিছলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষৰূপে জয়ধন দাস আৰু ৰূপাৰাণী শইকীয়াই এই শিক্ষাৰ ধাৰা অব্যাহত ৰাখে। ২০০০ চনত তথ্য আৰু বৃত্তি দিগ্‌দৰ্শন কোষ মুকলি হোৱাত নগাঁও ছোৱালী কলেজৰ কম্পিউটাৰ শিক্ষাত নতুন প্ৰাণৰ সঞ্চাৰ হয়।

২০১০ চনৰ ১৬ আগষ্ট তাৰিখে কোষটিয়ে 'Bio-Data' প্ৰস্তুতকৰণৰ ওপৰত এদিনীয়া কৰ্মশালা অনুষ্ঠিত কৰে। এই কৰ্মশালালৈ সমল ব্যক্তি হিচাপে দিল্লীস্থিত Jamboree Education Private Limited প্ৰতিষ্ঠানত Busines Head হিচাপে কৰ্মৰত আৰ্যমা শইকীয়াক আমন্ত্ৰণ জনাই অনা হৈছিল। ইয়াত ৫০ গৰাকী ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

২০১০ চনৰ ২৪ আগষ্টত গুৱাহাটীস্থিত Decaz carer clinicএ আমাৰ কলেজত College career development programmeৰ প্ৰস্তাৱ দাখিল কৰে। কোষটিয়ে প্ৰস্তাৱটি আমাৰ ছাত্ৰীসকলৰ বাবে উপযুক্ত বুলি বিৱেচনা কৰি অধ্যক্ষা মহোদয়াক গ্ৰহণৰ বাবে পৰামৰ্শ আগবঢ়ায়। ২০১০ আৰু ২০১১ বৰ্ষত উক্ত প্ৰতিষ্ঠানে নিৰ্বাচিত বহুকেইগৰাকী সমল ব্যক্তিৰদ্বাৰা ছাত্ৰীসকলক বৃত্তি সম্পৰ্কীয় বিভিন্ন পৰামৰ্শ দিয়ে।

২০১১ চনৰ ৪ আৰু ৫ নৱেম্বৰ তাৰিখে কোষটিয়ে বেঙ্ক সেৱা, ৰেলৱে সেৱা, প্ৰতিৰক্ষা সেৱা আৰু Staff selection commissionৰ অন্তৰ্গত বিভিন্ন সেৱাৰ বিষয়ে ছাত্ৰীসকলক অৱগত কৰিবলৈ কৰ্মশালা অনুষ্ঠিত কৰে। Decaz career clinicৰ মুখ্য পৰামৰ্শদাতা ৰাজীৱ ডেকা, নগাঁৰৰ Axis Bankৰ শাখা বিষয়া (Branch Manager) মিটুল বসুমতাৰী আৰু সক্ৰিয় যুৱকৰ্মী ৰঞ্জনকুমাৰ বৰুৱাক সমল ব্যক্তিহিচাপে আমন্ত্ৰণ জনোৱা হয়। ইয়াত শতাধিক ছাত্ৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। এই কৰ্মশালাই বহুকেইগৰাকী ছাত্ৰীক বেঙ্ক আৰু Staff selection commissionৰ অন্তৰ্গত বিভিন্ন চাকৰিৰ বাবে আৱেদন কৰিবলৈ অনুপ্ৰাণিত কৰে। কোষটিয়ে 'আৱেদন' প্ৰক্ৰিয়াত ছাত্ৰীসকলক বিভিন্ন প্ৰকাৰে সহায়ো কৰে।

বেঙ্ক আৰু Staf selection commission (SSC)ৰ প্ৰাৰ্থী নিৰ্বাচন প্ৰক্ৰিয়াত আৱেদনকাৰীসকল লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগে। লিখিত পৰীক্ষাৰ বিষয়সমূহ হ'ল:

a. General english

b. General awarness

c. Numrical ability test

d. Computer knowledge ইত্যাদি।

ICGCয়ে আমাৰ কলেজৰ ইংৰাজী বিভাগৰ মাননীয় শিক্ষকসকলক সমল ব্যক্তি হিচাপে আমন্ত্ৰণ কৰি চলিত ২০১২ চনৰ ৩, ৪ আৰু ১০ ফেব্ৰুৱাৰিত General englishৰ এটি কৰ্মশালা অনুষ্ঠিত কৰে। বহুকেইগৰাকী ছাত্ৰীয়ে ইয়াত অংশগ্ৰহণ কৰে।

Numerical Aptitude Testৰ ওপৰত চলিত ২০১২ চনৰ ৯ ফেব্ৰুৱাৰি তাৰিখে কোষটিয়ে ষ্টেট বেঙ্ক অব ইণ্ডিয়াৰ নগাঁও শাখাত কৰ্মৰত আনন্দ গুপ্তা আৰু সুভাষিনী গোস্বামী নামৰ দুগৰাকী কৰ্মচাৰীক সমল ব্যক্তি হিচাপে আমন্ত্ৰণ কৰি কৰ্মশালা অনুষ্ঠিত কৰে। এই কৰ্মশালাখনিৰপৰাও বহুকেইগৰাকী ছাত্ৰী উপকৃত হয়।

এইদৰে কোষটিয়ে জন্মলগ্নৰপৰাই ছাত্ৰীসকলক ভৱিষ্যৎ জীৱনৰ বাবে উপযুক্ত কৰি গঢ় দিবৰ কাৰণে বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। আজিৰ প্ৰতিযোগিতাৰ যুগত ছাত্ৰীসকলৰ নিজ নিজ প্ৰতিভা বিকাশৰ বাবে পৰ্যাপ্ত দিহা-পৰামৰ্শ আৰু অনুশীলনৰ প্ৰয়োজন। ছাত্ৰীসকলে নিয়মীয়া পাঠ্যবিষয় অধ্যয়নৰ লগতে বাতৰি কাকত, আলোচনী আদি অধ্যয়ন কৰিব লাগে। এই অভ্যাসে ছাত্ৰীসকলৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব। স্নাতক ডিগ্ৰী লাভ কৰোঁতে ছাত্ৰীসকলৰ বয়স প্ৰায় ২১ বা ২২ বছৰ হয়গৈ। কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ প্ৰায়বোৰ বিভাগৰে আৱেদনৰ সৰ্বোচ্চ সীমা ২৪ৰপৰা ২৮ বছৰলৈ সীমিত। সেয়ে ছাত্ৰীসকলে শিক্ষাজীৱনৰ কালছোৱাত নিজকে প্ৰস্তুত কৰিব লাগে। সম্পূৰ্ণ পেছাদাৰী মনোভাবেৰে ছাত্ৰীসকলে নিজৰ কেৰিয়াৰ গঠনত গুৰুত্ব দিলে ভৱিষ্যৎ জীৱন সুখময় হ'ব।

---

বিনোদ গোস্বামী নগাঁও ছোৱালী কলেজৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক।



# नगाँव गर्ल्स कॉलेज: एक झलक

उदय भान भगत

असम के शिक्षा जगत में सुपरिचित, कवित्य-द्रष्टा, दूरदर्शी, बहुमुखी प्रतिभा के धनी, अद्भुत व्यक्तित्व के मनीषी, स्पष्टवादी, निर्भीक, समय के पाबन्द, असम कॉलेज शिक्षक संस्था के प्रतिष्ठापक सचिव, सर्वपल्ली राधाकृष्णन, सुरेन्द्रनाथ दासगुप्त और हुमायूँकवीर के शिष्य महेशचन्द्र देवगोस्वामी के कर-कमलों से सन, 1962 ई. में जिस महाविद्यालय की स्थापना हुई उसका नाम लालचन्द तोदी गर्ल्स कॉलेज था, जो वर्तमान का नगाँव गर्ल्स कॉलेज है। सन है 1962 के पहले नगाँव जिला में कोई भी ऐसा नारी शिक्षानुष्ठान नहीं था जहाँ सिर्फ नारी ही अध्ययन कर सकें। सिर्फ 64 छात्राऐं को लेकर आरम्भ होने वाला यह महाविद्यालय आज लगभग प्रतिवर्ष 1400 से 1500 छात्राओं की लालसा को पूरा करने में सक्षम है। साथ ही यह लगभग 100 परिवारों को लालन-पालन करने का दायित्व भी अपने ऊपर ले रखा है। फुस की बनी झोपड़ियों से आरम्भ होनेवाला यह महाविद्यालय आज एक ठोस स्वरुप धारण किए हुए है। कलंग नदी के तट पर उत्तर हैबरगाँव में अवस्थित यह महाविद्यालय 50 ऋतुओं को देखते-देखते अर्द्धशतक लगा चुका है। वर्ष 2011-2012 इस महाविद्यालय का स्वर्ण जयंती वर्ष है। इस अवसर पर विभिन्न कार्यक्रमों का आयोजन वर्ष 2011 में किया जा चुका है और वर्ष 2012 में मुख्य उत्सव मनाया जा रहा है। मेरा इस महाविद्यालय का अनुभव सिर्फ साढ़े तीन वर्ष का है। लेकिन महाविद्यालय के शांत परिवेश से अभिभूत होकर ही मैने कुछ लिखने का दुस्साहस किया है। साधारणत: कहा जाता है कि शांति, शीतलता, उदारता, क्षमाशीलता स्त्रियों के गुण हैं। वह इन्हीं गुणों के द्वारा पुरुषों को सर्तदिशा निर्देश देकर उसके हिंसात्मक प्रवृतियों को बाहर निकाल फेंकती है। वह खुद दुःख का घूट पीकर सुख का संचार लोककल्याण के लिए करती हैं। लेकिन कभी-कभी प्रतिकूल परिस्थितियों में दुर्गा या काली का रुप धारण करना उसके लिए आवश्यक हो जाता है। यदि हम प्रतिकूलता की बात छोड़ दे तो साधारणत: महिलाओं को लोक कल्याण में व्रति होना और लोक कल्याण के लिए पुरुषों को भी अग्रगामी बनाने का प्रयास करना चाहिए। हमारा यह नारी शिक्षानुष्ठान होने के नाते छात्राओं के चरित्र निर्माण और शिक्षा संबंधी हरेक दिशाओं में अग्रसर होने का मौका प्रदान कर रहा है। जबकि छात्राओं को भविष्य में एक कुशल गृहिणी, कुशल माँ होना है, उसके लिए आवश्यक गुणों का संचय छात्र-जीवन से ही करना आवश्यक है। हिन्दी साहित्य के एक महान कवि जयशंकर प्रसाद द्वारा रचित 'कामायनी' की दो पंक्तियाँ अवलोकनार्थ प्रस्तुत है, जहाँ उन्होंने नारी के स्वरुप को उजागर किया है-

नारी तुम केवल श्रद्धा हो विश्वास रजत नग-पग तल में।
पीयूष स्रोत सी बहा करो, जीवन के सुन्दर समतल में॥

छात्राओं के लिए अध्ययन के अनुकूल वातावरण को उपलब्ध करनेवाला नगाँव गर्ल्स कॉलेज दूर-दराज के छात्राओं का ध्यान अपनी ओर आकर्षित कराने में व्रति है। खुले हाथों आये विद्यार्थी यहाँ से झोली भरकर ज्ञान लेकर वापस जाते हैं। यहाँ अध्ययन का एक ऐसा परिवेश है जो कभीभी छात्राओं के प्रतिकूल नहीं है। मुझे अपने छात्र जीवन की बात याद आती है। कभी-कभी वहाँ छोटी-छोटी बातें भयंकर रुप धारण कर लेती थी। यह प्रतिकूल परिस्थितियाँ कई दिनों तक ऐसी ही बनी रहती थी। जिसका खामियाजा छात्रों को भुगतना पड़ता था। वैसे भी, पहले आज की तरह कक्षाएँ नहीं होती थी, क्योंकि पहले सरकारी पाबंदियाँ नहीं थी। हालाँकि मेजर की कक्षाएँ प्राय: होती ही थी। कुछ एक कक्षाएँ प्राय: नहीं होती थी, मैं उन कारणो का विश्लेषण नहीं करना चाहता, लेकिन इतना तो जरुर करना चाहूँगा कि मुझे स्वाध्याय से बहुत कुछ करना पड़ा था और उसका फायदा मुझे आज तक मिल रहा है। अपने छात्र जीवन के अनुभव से मुझे जो प्राप्त हुआ था उसका साकारात्मक पक्ष ही मैने अपने कर्मशील जीवन में कायम रखा नकारात्मकता को नहीं। मैने छात्र जीवन में ही संकल्प किया कि चाहे मैं किसी भी क्षेत्र में कर्मरत क्यों न रहूँ ईमानदारी को छोडूंगा नहीं। आज मेरे इस कथनी और करनी में कितना मेल है इसका मूल्यांकन मेरे छात्र करेंगे, मुझे आत्मप्रशंसा पसन्द नहीं। इतना कुछ कहने का मेरा तात्पर्य यह है कि यदि मुझे गर्ल्स कॉलेज जैसा माहौल मिलता तो निश्चय ही अध्ययन और भी द्देश्यपूर्ण होता, 'लेकिन मैं इस बात से संतुष्ट हूँ कि प्रतिकूल परिस्थितियाँ भी बहुत कुछ सिखाती और साहस प्रदान करती है, समस्याओं के हल की राह निकालती है और क्षतिपूर्ति का

एक अवसर प्रदान करती हैं।

नगाँव गर्ल्स कॉलेज एक नारी शिक्षा केन्द्र होने के कारण छात्राओं के लिए एक ऐसा माहौल मुहैया कराता है जहाँ वे बिना किसी डर और शिक्षक के अनुकूल परिस्थितियों में अपनी कक्षाएँ पूरी करती है। न तो एरमिशन के समय कोई गड़बड़ियाँ उत्पन्न होती है न छात्र संस्था के चुनाव के समय कोई प्रतिकूल परिस्थितियाँ बनती है, न नवागत स्वागत समारोह में कोई हलचल उत्पन्न होता है, न ही महाविद्यालय सप्ताह समारोह के दौरान अनहोनी घटनाएँ ही घटती है, जैसा कि आजकल प्रायः महाविद्यालयों में इन अवसरों पर कुछ अस्वाभाविक घटनाएँ घटित हो जाती हैं। इस प्रकार की घटनाएँ अध्ययनशील छात्राओं के लिए एक विषम परिस्थिति का उद्भावन करती है, जो उनको मानसिक तौर पर कुछ हताश करती हैं। हमारे विद्यार्थिगण इन समस्याओं सेमपक्त हैं। सिर्फ विद्यार्थी ही नहीं शिक्षक-कर्मचारी भी इन समस्याओं से मुक्त एक शांत परिवेश में अपने-अपने कर्तव्य पालन और दायित्व के निर्वाह में निर्बंध अग्रसर होते हैं। कुछ लोगों की धारणाए ऐसी हो सकती हैं कि इस महाविद्यालय का परिसर छोटा है, बड़े-बड़े भवन नहीं है, लेकिन उन लोगों को मैं यह बता देना चाहता हूँ कि भवन और विस्तृत परिसर ही सब कुछ नहीं दे सकता। सबसे बड़ी बात यह है कि यहाँ कार्यरत शिक्षकों के मष्तिवक की परिधि बड़ी है और उनका हृदय विशाल है। यहाँ अध्ययनरत छात्राएँ इस बात को तहेदिल से स्वीकार भी करती हैं। प्रत्येक शिक्षक अध्ययनरत एक-एक विद्यार्थी हैं साथ वे प्रज्ज्वलित एक-एक दीप हैं जो अंतर्मन और बाहरी अज्ञानतारुपी अंधकार को मिटाने में सक्षम है और अपनी ज्ञान की रोशनी से, सही दिशा-निर्देश से अपने छात्राओं को उनकी मंजिल तक छोड़ जाने के लिए प्रतिबद्ध है। मेरे कहने का मतलब यह नहीं कि सब कुछ हमारे ही हाथ में है, हम तो राह दिखानेवाले है। चलना तो विद्यार्थियों का काम है। कर्म करने वाला ही फल चखता है। कर्म भी सत् होना जरुरी है। यह विश्व ही कर्म प्रधान है, बिना कर्म किये कुछ भी हासिल होनेवाला नहीं है। यहाँ मुझे जयशंकर प्रसाद की पंक्तियाँ याद आती हैं-

यह नीड़ मनोहर कृतियों का
यह विश्व कर्म रंग स्थल है
है परम्परा लग रही यहाँ
ठहरा जिसमें जितना बल है।

इस संसार में प्रत्येक व्यक्ति अपने बल पर ही टिका हुआ है। शक्ति का सदुपयोग या दुरुपयोग करके ही मनुष्य संसार की इस आपाधापी में आगे बढ़ रहा है लेकिन चिरस्थायी वही है जो ईमानदारी और सत्कर्म के ब्रती है। मैने इस महाविद्यालय में हिन्दी विभाग में योगदान करने से लेकर आज तक पूरी निष्ठा के साथ छात्राओं और महाविद्यालय की भलाई के लिए ही काम किया है। इस महाविद्यालय में योगदान करने से पूर्व तेजपुर के दरंग महाविद्यालय में कर्मरत था, वहाँ Non-Sanction होने के बावजूद मैंने अपनी जिम्मेदारी पूरी निष्ठा के साथ निभाई थी। मैं अपनी इस संकल्प को अक्षुण्ण रखने की कोशिश करुँगा, इसके लिए मैं प्रतिज्ञावद्ध हूँ। हमारे महाविद्यालय की प्रायः छात्राएँ आर्थिक तंगी से गुजर कर आती हैं और उसका प्रभाव उनकी शिक्षा पर पड़ता हुआ दिखाई देता है। इस समस्या को हम सभी भली-भाति जानते है इसलिए हमारी पूरी कोशिश होती है कि यथासंभव छात्राओं को अध्ययन हेतु सुविधा मुहैया कराई जाय। महाविद्यालय का प्रत्येक सदस्य इस मानसिकता से ही कार्य करते है। अभावग्रस्त और पढ़ाई से कमजोर होने के नाते छात्राओं के लिए प्रत्येक विभाग के शिक्षकों को काफी मेहनत करना पड़ता है। दिशा-निर्देश को मानकर ईमानदारी पूर्वक अध्ययन करनेवाली छात्राएँ आशा से भी अधिक फल लाकर दिखलाती है। जिन महाविद्यालयों में Co-education की व्यवस्था है वहाँ विभिन्न कार्यक्रमों का आयोजन लड़के खुद कर लेते है, लेकिन हमारे यहाँ विभिन्न अवसरों पर Teachers Incharge का दायित्व बहुत बढ़ जाता है। छात्राएँ खुद इस बात की उपलब्धि करती है कि जो काम विद्यार्थियों को करना चाहिए वह काम शिक्षकों को करना पड़ता है। लेकिन यहाँ गुरु-शिष्य का संबध बहुत घनिष्ठ है। छात्राओं पर पढ़ाई से संबधित कोई प्रतिबन्ध नहीं है। जब चाहे तब वे शिक्षकों से संपर्क कर अपनी समस्याओं को सुलझा सकती हैं और जिज्ञासा को शांत कर सकती है। छात्राओं का स्वभाव महविद्यालय के परिसर में बहुत ही शांत, नमनीय एंव आज्ञाकारिता की है। वह कभी-भी कोई काम रोश में नहीं करती। इसलिए नगाँव गर्ल्स कॉलेज में गुरु-शिष्य का संबध अन्य महाविद्यालयों की अपेक्षा अधिक घनिष्ठ है। यहाँ पर मैं कबीर की दो पंक्तियाँ उल्लिखित करना चाहूँगा जिनमें उन्होंने गुरु-शिष्य संबध पर प्रकाश डाला है-

सीस तो ऐसा चाहिए गुरु को सब कुछ देय।
गुरु तो ऐसा चाहिए सीस से कहु ना लेय॥

हमारे महाविद्यालय में छात्राओं के लिए सबसे बड़ी सुविधा पुस्तकालय से मिलती है। छात्राओं की आर्थिक स्थिति को ध्यान में रखते हुए उन्हें अधिक पुस्तकें उपलब्ध कराई जाती है। Final Exam का form fillup हो जाने के बाद जहाँ अन्य महाविद्यालयों में पुस्तकें जारी नहीं की जाती वहाँ हमारे महाविद्यालय में छात्राओं को पढ़ने हेतु यह सुविधा दी जाती है और पुस्तके भी जारी की जाती



है। इतना ही नहीं महाविद्यालय के प्रत्येक विभाग में एक-एक विभागीय पुस्तकालय है, छात्राएँ वहाँ से भी पुस्तकें लेकर पढ़ती है। इसके अलावा महाविद्यालय में कई अन्य वृत्तिमुखी पाठ्यक्रम को शामिल किया गया है। छात्राएँ अतिरिक्त समय में उन कोर्सो को भी पूरा कर सकती है। इन पाठ्यक्रमों में Cutting, Beautician Course और Computer Course शामिल है। छात्राओं के बहुमुखी प्रतिभा के विकास के लिए समय-समय पर विभिन्न प्रतियोगिताओं का आयोजन किया जाता है। इन अवसरों पर छात्राएँ काफी सक्रिय रहती है और प्रतियोगिताओं में भाग लेकर अपनी प्रतिभा को उजागर करती है।

अब कुछ बातें मैं हिन्दी विभाग के बारे में करना चाहूँगा। मैं हिन्दी विभाग का एक विद्यार्थी और कनिष्ठ अध्यापक होने के नाते अपने $3\frac{1}{2}$ वर्ष का अनुभाव ही यहाँ व्यक्त कर रहा हूँ। हमारे विभाग की छात्राएँ बहुत ही आज्ञाकारी और विनम्र हैं। डाँवाडोल आर्थिक स्थिति में भी हमारे दिशा-निर्देश से आगे बढ़ने की यथासंभव प्रयास करती है। सच्ची लगन और निष्ठा से आग बढ़कर अपने लक्ष्य को पूरा करने में सक्षम हो रही है। सन् 2007 के पहले इस महाविद्यालय में हिन्दी का मेजर कोर्स नहीं था। हिन्दी मेजर पढ़ने के लिए छात्राओं को अन्य महाविद्यालयों में जाना पड़ता था। वर्ष 2007 में हिन्दी मेजर खुलने से छात्राओं को काफी खुशी हुई और इसी महाविद्यालय में पढ़ने की इच्छा पूरी हुई। हिन्दी मेजर का प्रथम स्नातक बैच 2010 में निकला। दूसरे बैच मैं सात छात्राएँ थी, जिनमे तीन प्रथम श्रेणी और चार द्वितीय श्रेणी से उत्तीर्ण हुई। वर्ष 2011 हमारे विभाग और महाविद्यालय के लिए बड़ी ही खुशी का वर्ष था। प्रथमश्रेणी में उत्तीर्ण होने वाली छात्राएँ प्रतिभाजैन, कविता सैकिया, ज्योति जायसवाल थी। इन छात्राओं में दो गौहाटी विश्वविद्यालय, एक पूर्वोत्तर पार्वत्य विश्वविद्यालय (NEHU) में और एक कटन महाविद्यालय में स्नातकोत्तर डिग्री कर रही हैं। एक छात्रा B.Ed. में अध्ययन र्रत है। दूसरे ही बैच में तीन छात्राओं ने हिन्दी विभाग का जो नाम रोशन किया वह उनके कठोर परिश्रम और हमारे सही दिशा-निर्देश का ही परिणाम था। वर्ष 2010 में पहली बार उच्चत्तर माध्यमिक Final परीक्षा में अंचल कुमारी राय ने हिन्दी में letter मार्क लाया। वर्ष 2010-2011 के लिए अंचल कुमारी राय नगाँव गर्ल्स कॉलेज छात्र संस्था की Secretary चुनी गयी। छात्राओं के इन कृतित्व के कारण हिन्दी विभाग अपने आप पर काफी गर्व करता है। हिन्दी विभाग के छात्राओं के लिए एक और भी अच्छी खबर यह है कि हमारे ही महाविद्यालय के गणित विभाग के सेवानिवृत्त प्राध्यापक श्रीमेघनाथ पाल सर ने हिन्दी मेजर में सर्वोच्च अंक प्राप्त छात्राओं को वर्ष 2012 से एक पुरस्कार देने की व्यवस्था की है। छात्राओं का ध्यान इस पुरस्कार के प्रति भी होना चाहिए। मैं समझता हूँ कि इस पुरस्कार के वजह से छात्राओं में एक प्रतियोगिता की भावना आई है और परीक्षा में अधिक अंक प्राप्त करने की लालसा छात्राओं में पहले के मुकाबले दुगुना बढ़ी है।

नगाँव जिले का एकमात्र प्रदेशीकृत नारी उच्च शिक्षानुष्ठान के रुप में प्रतिष्ठित नगाँव गर्ल्स कॉलेज अपने शांत परिवेश में बहुत ऐसे रत्नों को जन्म दे चुका है, जो वर्तमान में इसी महाविद्यालय के विभिन्न विभागों में अपनी रोशनी बिखेर रहे हैं और छात्राओं के अज्ञानता रुपी अंधकार को मिटा रहे हैं। मुझे पूर्ण विश्वास है कि आनेवाले समय में ऐसे और भी रत्न निकलते रहेंगे जो विभिन्न प्रतिष्ठानों या विभिन्न क्षेत्र में अपनी भागीदारी कायम रखेगें। अनेक समस्याओं और अभावों से गुजरने के बावजूद हमारी छात्राएँ महाविद्यालय और विभागों द्वारा प्रदत्त सुविधाओं को ग्रहण कर अपनी मंजिल तक पहुँचने में सक्षम हुई है, हो रही है और भविष्य में भी होती रहेंगी, ऐसा उसे पूर्ण विश्वास है। जिन इच्छाओं और अभिलाषाओं को लेकर इस महाविद्यालय की स्थापना की गयी थी, उन अभिलाषाओं को हम टूटने नहीं देंगे और महाविद्यालय तथा छात्राओं की भलाई के लिए कर्मरत रहेंगे यह हमारा वादा है। आइए हम सब मिलकर अपने महाविद्यालय के परिवेश को और शांत बनाये, अध्ययन और अध्यापन के लिए और उन्नत माहौल बनाये और महाविद्यालय का नाम रोशन कर इसे एक अतुलनीय शिक्षानुष्ठान बनाये।

जय नगाँव गर्ल्स कॉलेज।

जय असम।

---

उदयभान भगत नगाँव गर्ल्स कॉलेज की हिन्दी विभाग के मुरब्बी और सहयोगी अध्यापक है।

# পঞ্চাছটা বছৰত নগাঁও ছোৱালী কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰদ্বাৰা প্ৰকাশিত গ্ৰন্থসমূহ

**মহেশচন্দ্ৰ দেৱগোস্বামী:**

১৯১৭ চনৰ ৪ ডিচেম্বৰত নগাঁও জিলাৰ বালিসত্ৰত এইজন ক্ষণজন্মা পুৰুষৰ জন্ম হৈছিল। প্ৰাথমিক শিক্ষা বালিসত্ৰতে আৰম্ভ কৰি ১৯৩৬ চনত কটন কলেজিয়েট হাইস্কুলৰপৰা পাঁচটা বিষয়ত লেটাৰসহ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯৩৮ চনত লজিকত লেটাৰসহ আই এ আৰু ১৯৪০ চনত দৰ্শন বিষয়ত অনাৰ্ছসহ বি এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪২ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা দৰ্শন বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা ১৯৮৮ চনৰ জানুৱাৰি মাহলৈকে ভাৰত চৰকাৰৰ জনসম্পৰ্কৰক্ষী বিভাগৰদ্বাৰা প্ৰকাশ কৰা *আমাৰ অসম* নামৰ আলোচনীখনৰ সম্পাদনা বিভাগত কাম কৰে। উক্ত চাকৰি পৰিত্যাগ কৰি ১৯৪৪ চনত নগাঁও ডচন হাইস্কুলত শিক্ষক জীৱনৰ পাতনি মেলে আৰু সেই একে বছৰতে নগাঁও কলেজ প্ৰতিষ্ঠা হোৱাত তাত প্ৰতিষ্ঠাপক অধ্যাপক হিচাপে কাম কৰে।

১৯৬২ চনত তেখেতে নগাঁও কলেজৰ শিক্ষকতাৰ পদ ত্যাগ কৰে আৰু নাৰী শিক্ষাৰ অগ্ৰগতিৰ হকে প্ৰতিষ্ঠা হোৱা বৰ্তমানৰ নগাঁও ছোৱালী কলেজত ১৯৮০ চনলৈকে অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে। এই কলেজখনেই আছিল তেখেতৰ প্ৰাণ-স্বৰূপ। কলেজখনৰ প্ৰতিষ্ঠাৰপৰা আৰম্ভ কৰি তাক পূৰ্ণাঙ্গ ৰূপ দিবলৈ তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। বিৰল ব্যক্তিত্বৰ অধিকাৰী তেখেত আছিল নগাঁৱৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোক্তা। সময়ানুৱৰ্তিতা আছিল তেখেতৰ চৰিত্ৰৰ বৈশিষ্ট্য। সাহিত্য, সঙ্গীত, খেলা-ধূলা সকলো দিশতে তেখেত আছিল আগৰণুৱা। তেখেতৰ প্ৰকাশিত সাহিত্যৰাজিৰ লগতে অন্যান্য উল্লেখযোগ্য কৰ্মৰাজিৰ আভাস দিয়া হ'ল—

কবিতা পুথি: *ছয়াময়া* (১৯৪১), *স্মৃতি* (১৯৪৯), *অময়া* (গীতৰ পুথি), ১৯৫২)।

গদ্য: *ব'হাগী মেলা* (১৯৪৫); *গুৰু সেৱা* (শিবেন্দ্ৰ দেৱগোস্বামীৰ সৈতে যুটীয়াভাৱে ৰচনা কৰা প্ৰবন্ধ সঙ্কলন) আৰু ভক্তি (১৯৫০)।

**শ্ৰীমধুসূদন ছদ্মনামেৰে প্ৰকাশিত হাস্য-ব্যঙ্গ সঙ্কলন:**

*কিমাশ্চৰ্য্যম* (১৯৫০), *মই যে কৰাম বিয়া* (১৯৬৬), *কৈফিয়ৎ* (১৯৭৪)।

সম্পাদিত গ্ৰন্থ: *সাহিত্য আৰু সমালোচনা* (১৯৪২), *নিবন্ধমালা* (১৯৫৯), *বেজবৰুৱা প্ৰতিভা* (১৯৬৮), *ন-ঘোষা* (১৯৮৬)। কলিকতাৰ এছ এল ক্লাবৰ সাহিত্য বিভাগৰ সম্পাদক ৰূপে ১৯৮২ চনত ক্লাবে প্ৰকাশ কৰা সমালোচনামূলক ৰচনাৰ সঙ্কলন *সাহিত্য আৰু সমালোচনাৰ* সম্পাদনা কৰে।

অনুবাদ গ্ৰন্থ: *জীৱনৰ আদৰ্শবাদ* (১৯৬৩), ড° ৰাধাকৃষ্ণনৰ *এন আইডিয়েলিষ্ট ভিউ অৱ্ লাইফ* গ্ৰন্থৰ অসমীয়া ৰূপান্তৰ; *ৰাধাকৃষ্ণনৰ দৃষ্টিত নেহেৰু* (১৯৬৬)।

নাটক: *ত্ৰিশ বছৰৰ পাছত, জোৱাৰ-ভাটা* আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জৰিয়তে বহু কথিকা আৰু নাটক প্ৰচাৰ হয়। ছটা খণ্ডৰ *আত্মাৰামৰ গুৱাহাটী আগমন*, চাৰিটা খণ্ডৰ *বৰমেধিৰ দিন পঞ্জী* নামৰ কথিকা উল্লেখযোগ্য।

জীৱনী সঙ্কলন: (ছাত্ৰ-ছাত্ৰীৰ উপযোগী) *আদৰ্শ জীৱন* (১৯৭৫)।

আলোচনী সম্পাদক: *বিহলঙনি* (প্ৰথম প্ৰকাশ ৭ আগষ্ট ১৯৪৭)। ১৯৫৩ চনলৈকে পযেকীয়া হৈ আৰু পাছত ১৯৫৫ লৈ মাহেকীয়া ৰূপত প্ৰকাশ পায়।

অন্যান্য: 'শ্ৰীমধুসূদন' ছদ্মনামেৰে হাতেলিখা আলোচনী *শেৱালিত* প্ৰবন্ধ প্ৰকাশ পায়। ৰঘুনাথ চৌধাৰীৰ *জয়ন্তী* আৰু *সুৰভীৰ* লগতো জড়িত।



মাধৱচন্দ্ৰ বেজবৰুৱা সম্পাদিত *বাঁহীৰ* সহসম্পাদক (১৯৪০ চনৰ এপ্ৰিলৰ পৰা ১৯৪১ চনৰ মে' মাহলৈকে)

'দুৰ্মুখ' ছদ্মনামেৰে *অসম বাতৰি* কাকতত নিয়মীয়া শিতান — 'এক কলম' আৰু এক কলমৰ বেছি'।

অসমীয়া সাহিত্য বিষয়ক কেইটামান প্ৰবন্ধ ১৯৪৫-৪৬ চনত *The Indian PEN*ত প্ৰকাশ পায়।

*দি আসাম ট্ৰিবিউন* (১৯৪৪- ৫১), *ডি টাইমছ অৱ ইণ্ডিয়া নিউজ ছাৰ্ভিচ* আৰু পি টি আই ৰ সংবাদাতাৰূপেও কাৰ্যনিৰ্বাহ।

অসম কলেজ শিক্ষক সংস্থাৰ তেখেত প্ৰতিষ্ঠাপক সম্পাদক।

**ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা:**

ঊনবিংশ শতিকাৰ অসমৰ সামাজিক, সাংস্কৃতিক ইতিহাসৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰি যিসকল ব্যক্তিয়ে অসমৰ ইতিহাসৰ ভঁৰাল চহকী কৰিছে সেইসকলৰ ভিতৰত নিঃসন্দেহে ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা অন্যতম। অসমৰ মহাফেজখানাসমূহত থকা নথি-পত্ৰসমূহ অশেষ শ্ৰমেৰে বিচাৰি উলিয়াই ঊনবিংশ শতিকাৰ এখন প্ৰামাণিক চিত্ৰ দাঙি ধৰাৰ প্ৰচেষ্টাৰ মাজত তেখেতৰ অনুসন্ধিৎসু আৰু বিদ্যায়তনিক আগ্ৰহৰ পৰিচয় পোৱা যায়। ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা অবিহনে যেন ঊনবিংশ শতিকাৰ সমাজ-জীৱন অসম্পূৰ্ণ। অৱশ্যে কেৱল ঊনবিংশ শতিকাৰ এগৰাকী বিশেষজ্ঞ ব্যক্তি বুলি পৰিচয় দিলে তেখেতৰ ব্যক্তিত্বৰ আন এটা গুৰুত্বপূৰ্ণ দিশক উলাই কৰা হ'ব। সম্পাদক হিচাপেও তেখেত আছিল লেখতল'বলগীয়া। অসমৰ বৌদ্ধিক জীৱন-চৰ্যাত গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা কেইবাজনো কৃতবিদ্য পুৰুষৰ জীৱন আৰু সাহিত্যৰ আলোচনাত আৰু *অসমীয়া বিশ্বকোষ* (ভাৰতীয় সাহিত্য)ৰ সম্পাদনাত তেখেতৰ বলিষ্ঠ চিন্তা আৰু পাণ্ডিত্যৰ পৰিচয় পোৱা যায়।

নগাঁও জিলাৰ শিঙীয়া পোতনি মৌজাৰ তেলীয়া গাঁৱত জন্ম লাভ কৰা যোগেন্দ্ৰনাৰায়ণ ভূঞা আছিল ঘৰখনৰ দ্বিতীয় সন্তান। আই এ পৰীক্ষাত উত্তীৰ্ণ হৈয়েই হাইস্কুল এখনত শিক্ষকতা কৰিবলৈ লৈছিল। শিক্ষকতা কৰি থাকিয়েই বি এ আৰু এম এ পাছ কৰে। নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাপে ১৯৬৫ চনৰ ২ জুলাইত নিযুক্ত হয় আৰু ১৯৯৯ চনত অৱসৰ গ্ৰহণ কৰে। তেখেত অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশনৰ অধ্যক্ষও আছিল।

মৌলিক গ্ৰন্থ: *মহাফেজখানাৰ খিড়িকিয়েদি* (১৯৮৬), *কিশোৰৰ শঙ্কৰদেৱ* (১৯৮৬), *দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱা* (১৯৮৮), *ঊনবিংশ শতিকাৰ অসম* (১৯৯০), *উৱলি যোৱা নথিৰপৰা* (১৯৯১), *সদাগৰ ভোলানাথ বৰুৱা (১৯৯৩), প্ৰায় ব্যক্তিগত* (১৯৯৭), *ঊনবিংশ শতিকা: সৃষ্টি আৰু চেতনা* (১৯৯৮), *গুণাভিৰাম বৰুৱা* (২০০১), *কৃপাবৰ বৰুৱালৈ চিঠি* (২০০২), *বেজবৰুৱাৰ- কবিতাৰ বাস্তৱিকতা* (২০০৫), *সাহিত্য চৰ্চা* (২০০৬), *নৈৰ্ব্যক্তিক* (২০০৭), *নিবন্ধ ঊনবিংশ* (২০০৭), *বেজবৰুৱাৰ নাট্য পৰিক্ৰমা* (২০০৯)।

সম্পাদিত গ্ৰন্থ: *ৰত্নকান্ত বৰকাকতিৰ গদ্য সম্ভাৰ* (১৯৭৭), *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী* (১৯৭৭), হীৰক স্মৃতি (১৯৭৯), *বাগ্মীবৰ নীলমণি ফুকন* (১৯৮০), *জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী* (১৯৮০), *যজ্ঞেশ্বৰ শৰ্মা: জীৱন আৰু প্ৰতিভা* (১৯৮৪), *মজিন্দাৰ বৰুৱা ৰচনাৱলী* (১৯৮৮), *মহিম বৰা: স্ৰষ্টা আৰু সৃষ্টি* (১৯৮৯), অসমীয়া ল'ৰাৰ মিত্ৰ: ২য় কাণ্ড (১৯৭৭), *মুনীন বৰকটকীৰ সৃষ্টি- ত্ৰিবিধা* (১৯৯৭), *আনন্দৰাম ঢেকীয়াল ফুকনৰ অসমীয়া ল'ৰাৰ মিত্ৰ: দ্বিতীয় আৰু তৃতীয় কাণ্ড* (১৯৭৭), *ডক্টৰ ময়িদুল ইছলাম: কৃতি আৰু কৃতিত্ব* (১৯৯৯), *বিশ্বকোষ: চতুৰ্থ খণ্ড, ভাৰতীয় সাহিত্য* (২০০৩), *সূৰ্য কুমাৰ ভূঞাৰ বিবিধ প্ৰবন্ধ* (২০০৫)।

সম্পাদিত আলোচনী: *আকাশীগঙ্গা* (দুমহীয়া সাহিত্যালোচনী, ১৯৬০-৬২), *অসম সাহিত্য সভা পত্ৰিকা* (ত্ৰৈমাসিক, ১৯৭৮-৭৯, ৭৯-৮০)।

এইসমূহৰ উপৰিও প্ৰায় চাৰিশৰো অধিক প্ৰবন্ধ বিভিন্ন কাকত-আলোচনীত সিঁচৰতি হৈ আছে।

**তিলকচন্দ্ৰ মজুমদাৰ:**

১৯৪০ চনৰ ১২ আগষ্টত কামৰূপ জিলাৰ ৰামদিয়াৰ ঢাকুৰাপাৰত জন্ম গ্ৰহণ কৰা শ্ৰীতিলক চন্দ্ৰ মজুমদাৰে নগাঁও ছোৱালী কলেজত ১৯৬৬ চনৰ ১ আগষ্টত অসমীয়া বিভাগত অধ্যাপকৰূপে যোগদান কৰি ২০০১ চনৰ ২৮ ফেব্ৰুৱাৰিত অৱসৰ গ্ৰহণ কৰে। ৰামদিয়াৰ ঐতিহ্যপূৰ্ণ শ্ৰী শ্ৰী ঢাকুৰাপাৰা বংশীগোপাল সত্ৰৰপৰা উত্তৰাধিকাৰ সূত্ৰে 'মজুমদাৰ' উপাধি লাভ

কৰা শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ ল'ৰালিকালৰেপৰা সত্ৰৰদ্বাৰা প্ৰভাৱান্বিত আছিল। ৰামদিয়া আৰু হাজোত প্ৰাথমিক আৰু হাইস্কুলৰ শিক্ষা সমাপ্ত কৰি ১৯৬২ চনত কটন কলেজৰপৰা অসমীয়াত সন্মানসহ স্নাতক হয়। ১৯৬৫ চনত গুৱাহাটী বিশ্ববিদালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। স্কুলীয়া কালৰে পৰা লিখিবলৈ লোৱা শ্ৰীতিলকচন্দ্ৰ মজুমদাৰে বৰ্তমানলৈ বিভিন্ন জনপ্ৰিয় বাতৰি-কাকত, আলোচনী, স্মৃতিগ্ৰন্থ আদিত নানা প্ৰবন্ধ-পাতি লিখাৰ উপৰি এতিয়ালৈকে প্ৰায় কুৰিখনমান গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰি উলিয়াইছে। শ্ৰীমজুমদাৰ ৰাজনীতি আৰু সাংবাদিকতাৰ লগতো ওতপ্ৰোতভাৱে জড়িত আছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থৰাজি হ'ল—

*প্ৰাচীন অসমীয়া গদ্য সাহিত্য* (১৯৭১), *প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জল ধাৰা* (ত্ৰয়োদশ শতিকাৰপৰা ঊনবিংশ শতিকাৰ দ্বিতীয় দশকলৈ অসমীয়া সাহিত্যৰ ধাৰাসমূহৰ ঐতিহ্য আৰু ক্ৰমবিকাশ, ১৯৭১, ১৯৮৬, ২০০৩ (সংবৰ্ধিত); *আমি উভতি চাওঁ* (মহান লোকৰ জীৱনী আৰু কৰ্মবিষয়ক, ১৯৭৩, ১৯৮৭, ১৯৯১ (সংবৰ্ধিত); *অমৃতৰ সন্ধানত* (উপনিষদৰ আধাৰত ৰচিত গল্প-গ্ৰন্থ, ১৯৮০); *মহাপুৰুষ মাধৱদেৱৰ কামৰূপ ৰাজ্যৰ শেষ লীলাভূমি ৰামদিয়া* (১৯৮৫); *সত্ৰৰ গুৰিকথা: অসমৰ সত্ৰৰ ঐতিহ্য আৰু ক্ৰমবিকাশ*, ১৯৯৯; *চিন্তা আৰু বাস্তৱ* (সম্পাদকীয় আৰু অন্যান্য লেখা বাতৰি-কাকত আলোচনীত প্ৰকাশিত সাম্প্ৰতিক সমস্যাৰ চিত্ৰণ)। *শঙ্কৰ-জ্যোতি* (১৯৭৩, ১৯৮৭, ১৯৯৩, ২০০৫ (সংবৰ্ধিত)।

শিশু সাহিত্য: *কথা ভীম চৰিত*, ১৯৭৩।

গৱেষণা গ্ৰন্থ: *সত্ৰ দৰ্পণ* (২০০৫); *অবিভক্ত নগাঁও জিলাৰ সত্ৰসমূহৰ সমাজ-সাংস্কৃতিক অধ্যয়ন* (২০০১)।

